# অসমীয়া গল্প সঙ্কলন

প্ৰথম খণ্ড

সম্পাদনা

হোমেন বৰগোহাঞি

STATE CENTRAL LIBRARY
ASSAM

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৩

ASAMIYA GALPA SANGKALAN : Anthology of Assamese Short Stories ; Part I ; edited by Shri Homen Bargohain ; published by Publication Board, Assam ; Gauhati-3, 1975 ; Price—Rs. 15·00.

1427-A/DBL
45594/A

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব, অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৩

প্ৰথম প্ৰকাশ
ফেব্ৰুৱাৰী, ১৯৭৫

প্ৰচ্ছদপট শিল্পী
বেণু মিশ্ৰ

মূল্য ঃ পোন্ধৰ টকা

মুদ্ৰক
শ্ৰীগুৰু প্ৰেছ
মালিগাঁও
গুৱাহাটী-১১

অসমীয়া সাহিত্যৰ বুৰঞ্জীত চুটি-গল্পৰ নাতিদীৰ্ঘ অথচ বৈচিত্ৰ্যময় বিকাশ আৰু বিবৰ্তন এটি বিশেষ উল্লেখযোগ্য ঘটনা। সাহিত্যৰ আন আন বিভাগতকৈ এই বিভাগটোৱে যেন অসমীয়া সৃজনী-প্ৰতিভাক অভাবনীয়ভাৱে সক্ৰিয় কৰি তুলিব পাৰিছে।

চুটি-গল্পৰ একাধিক সঙ্কলনৰ লগত ইতিমধ্যে পাঠকসকলৰ পৰিচয় ঘটিছে যদিও, অসম প্ৰকাশন পৰিষদৰদ্বাৰা পৰিকল্পিত দুই-খণ্ডৰ এই গল্প সঙ্কলনখনৰ কিছুমান বৈশিষ্ট্যই নিশ্চয় পাঠকৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ নাথাকিব। উনৈশ শতিকাৰ শেষাৰ্ধৰপৰা কুৰি শতিকাৰ প্ৰথমাৰ্ধ-অৰ্থাৎ দ্বিতীয় মহাযুদ্ধৰ আগলৈকে প্ৰকাশিত গল্পবিলাকৰপৰা বাছি লোৱা গল্পেৰে এটা খণ্ড আৰু মহাযুদ্ধোত্তৰ কালৰ নিৰ্বাচিত গল্পেৰে দ্বিতীয়টো খণ্ড প্ৰকাশ কৰাৰ পৰিকল্পনা কৰা হৈছে। বৰ্তমান গ্ৰন্থখনি প্ৰথম খণ্ড হিচাপে পাঠকসকললৈ আগ বঢ়োৱা হ'ল।

শ্ৰীহোমেন বৰগোহাঞি নিজে এজন প্ৰখ্যাত গল্প-লেখক, ঔপন্যাসিক, কবি আৰু সমালোচক। তেখেতৰদ্বাৰা সম্পাদিত এই গল্প সঙ্কলনখনত সম্পাদকৰ নিজা ৰুচি আৰু দৃষ্টিভংগীৰ ছাপ নিশ্চয় পৰিছে। আমি আশা কৰোঁ। এই সঙ্কলনখনে নিৰ্ধাৰিত কালছোৱাৰ বিশিষ্ট গল্পলেখক-সকলৰ একো একোটা সুনিৰ্বাচিত গল্পৰ সোৱাদ দিয়াৰ উপৰিও অসমীয়া গল্প-সাহিত্যৰ বিকাশৰ ধাৰাটোকো পাঠকৰ আগত স্পষ্টতৰ কৰি তুলিব।

প্ৰতিজন লেখকৰ গল্পৰ বিষয়ে আগবঢ়োৱা সমালোচনামূলক মন্তব্য আৰু প্ৰতিটো নিৰ্বাচিত গল্পৰ বিষয়ে দিয়া সম্পাদকৰ তীক্ষ্ণধী বিশ্লেষণ বৰ্তমান সঙ্কলনখনৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য। এগৰাকী সুযোগ্য সমালোচকৰ কাপৰপৰা ওলোৱা এই বিচাৰ-বিশ্লেষণে পাঠকক গল্পবিলাকৰ সৌন্দৰ্য গভীৰভাৱে উপলব্ধি কৰাত নিশ্চয় সহায় কৰিব বুলি আমাৰ বিশ্বাস।

দ্বিতীয় মহাযুদ্ধৰ পিচৰপৰা ১৯৭০ চনলৈকে প্ৰকাশিত গল্পৰ নিৰ্বাচনেৰে দ্বিতীয় এখনি সঙ্কলন ইয়াৰ পিচত প্ৰকাশ কৰা হ'ব। সেই সঙ্কলনখনো শ্ৰীহোমেন বৰগোহাঞিয়ে সম্পাদনা কৰিব। এই বছৰৰ ভিতৰতে উক্ত গ্ৰন্থও প্ৰকাশ হ'ব আৰু ইয়াৰদ্বাৰাই অসমীয়া চুটি-গল্পৰ এখন সামগ্ৰিকভাৱে নিৰ্বাচিত সঙ্কলন সম্পূৰ্ণ হ'ব।

গুৱাহাটী
৩ ফেব্ৰুৱাৰী, ১৯৭৫

চন্দ্ৰপ্ৰসাদ শইকীয়া

# মুখবন্ধ

অসমীয়া চুটি-গল্পৰ সঙ্কলন ইতিমধ্যে কেইৰাখনো ওলাইছে। সেই আটাইকেইখন সঙ্কলন কৃতবিদ্য সাহিত্য-সমালোচক আৰু ৰসবেত্তাৰদ্বাৰাই সম্পাদিত হৈছে। তেনেস্থলত আৰু এখন গল্প সঙ্কলনৰ কি প্ৰয়োজন থাকিব্ব পাৰে, তেনে এটা প্ৰশ্ন উঠিব পাৰে। সেই প্ৰশ্নৰ উত্তৰত ইয়াকে কব পাৰি যে ভিন ভিন মালাকৰে একেখন ফুলনিৰ পৰাই ফুলবুটলি আনি তৈয়াৰ কৰা ভিন ভিন মালাৰ প্ৰত্যেক ধাৰিৰে যেনেকৈ নিজস্ব সৌন্দৰ্য থাকিব পাৰে, ঠিক তেনেকৈ সঙ্কলয়িতাৰ ৰুচিভেদে গল্প বা কবিতাৰ ভিন ভিন সংগ্ৰহৰো নিজস্ব একোটা স্বকীয়া বৈশিষ্ট্য থাকে। শ্ৰেষ্ঠ সাহিত্য-কৰ্মৰ এটা প্ৰধান বৈশিষ্ট্য এয়েই যে বিভিন্ন ৰুচি আৰু দৃষ্টিভঙ্গীৰ ৰস-পিপাসুৱে তাৰ মাজত বিচিত্ৰ সত্য আৰু সৌন্দৰ্য আৱিষ্কাৰ কৰে। বৈচিত্ৰ্যৰ এই সম্ভাৱনাই হ'ল গল্প বা কবিতাৰ ভিন ভিন সংগ্ৰহৰ প্ৰধান সাৰ্থকতা আৰু প্ৰয়োজনীয়তা। সেয়ে নোহোৱা হ'লে গল্প বা কবিতাৰ যিমানেই বিভিন্ন সংগ্ৰহ নোলাওক কিয় সকলোবোৰ সংগ্ৰহতে আমি একেবোৰ গল্প বা একেবোৰ কবিতাকে দেখিবলৈ পালোহেঁতেন। কিন্তু সেইটো যে সাধাৰণতে নঘটে, তাৰ প্ৰধান কাৰণ এই-টোৱেই যে বিভিন্ন সংগ্ৰাহকে নিজস্ব ৰুচি আৰু বিচাৰ-বুদ্ধিৰ পোহৰত একেজন লেখকৰে ৰচনাৰ মাজত বিচিত্ৰ সত্য আৰু সৌন্দৰ্য আৱিষ্কাৰ কৰে আৰু সেইবোৰৰ প্ৰতি পাঠকৰ মনোযোগ আকৰ্ষণ কৰে। যি কোনো সাৰ্থক সাহিত্য-কৰ্মই বহু-মাত্ৰা-বিশিষ্ট; বিভিন্ন দিশৰপৰা পোহৰ পেলাই চালেহে তাৰ সম্পূৰ্ণ আৰু প্ৰকৃত সৌন্দৰ্য উপলব্ধি কৰিব পাৰি।

অৱশ্যে অসমীয়া চুটি-গল্পৰ কেইবাখনো সঙ্কলন আছে যদিও অসম প্ৰকাশন পৰিষদৰদ্বাৰা পৰিকল্পিত এই সঙ্কলনৰ এটা স্বকীয়া বৈশিষ্ট্য আছে। অসমীয়া চুটি-গল্পৰ বিবৰ্তনৰ যুগ-বিভাগ মানি লৈ এই প্ৰথমবাৰৰ কাৰণে অসমীয়া গল্পক দুটা খণ্ডত সঙ্কলিত কৰিবলৈ প্ৰয়াস কৰা হৈছে। এই বিব-ৰ্তনৰ প্ৰথমটো যুগ অসমীয়া চুটি-গল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত আৰম্ভ হৈ দ্বিতীয় মহাযুদ্ধৰ সূচনাৰ লগে লগে অৰ্থাৎ ১৯৪০ চনমানতে শেষ হোৱা বুলি ধৰি লৈ সম্প্ৰতি পচুৱৈ সমাজলৈ আগবঢ়োৱা এই প্ৰথমটো খণ্ডত কেৱল সেই সময়লৈকে ৰচিত গল্পহে সন্নিবিষ্ট কৰা হৈছে। প্ৰকাশিতব্য দ্বিতীয় খণ্ড সঙ্কলনত ১৯৪০ চনৰপৰা ১৯৭০ চনলৈকে ৰচিত গল্পক ঠাই দিয়া হ'ব। আশা কৰা হৈছে যে দুটা খণ্ডত প্ৰকাশিত এই সঙ্কলনৰ যোগেদি অসমীয়া চুটি-গল্পৰ এটা স্পষ্ট ৰূপৰেখা ফুটি উঠিব, আৰু ই পাঠকসকলক

অসমীয়া চুটি-গল্পৰ সৌন্দৰ্য আৰু বৈচিত্ৰ্য উপলব্ধি কৰাত কিছু পৰিমাণে সহায় কৰিব।

প্ৰকাশন পৰিষদৰ নিৰ্দেশ অনুসৰি এই সঙ্কলনত আৰু এটা কাম কৰা হৈছে যিটো কাম ইতিমধ্যে প্ৰকাশিত আন কোনো এখন গল্প সঙ্কলনত কৰা হোৱা নাই। সেইটো হৈছে এই যে এই সঙ্কলনত ঠাই পোৱা প্ৰতিজন লেখকৰ সমগ্ৰ গল্প-ৰচনাৰ বিষয়ে একোটি বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। লগতে ইয়াত সন্নিবিষ্ট প্ৰতিটো গল্পৰে একোটি সংক্ষিপ্ত সমালোচনামূলক ভূমিকাও দিয়া হৈছে। অৱশ্যে এইখিনিতে এটা কথা স্পষ্ট কৰি দিয়া উচিত হব যে এই আলোচনা বা ভূমিকাবোৰৰদ্বাৰাই লেখকসকলৰ সাহিত্যিক মূল্যায়ন বা সমালোচনামূলক বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হোৱা নাই; পাঠকসকলৰ ৰসোপভোগত সহায় হবৰ কাৰণে কেৱল ৰসগ্ৰাহীৰ মুগ্ধ আৰু কৃতজ্ঞ মনোভাবেৰে তেওঁলোকৰ ৰচনাৰ শিল্প-সৌন্দৰ্য আৰু সামাজিক তাৎপৰ্যৰ প্ৰতিহে পাঠকসকলৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত সঙ্কলয়িতাৰ পদ্ধতি স্পষ্টভাৱেই ‘ইম্‌প্ৰেশ্যনিষ্টিক’; সকলো সময়তে তেওঁ মনত ৰাখিবলৈ চেষ্টা কৰিছে আনাটোল্ ফ্ৰাঁৰ বিখ্যাত উক্তি: The good critic is he who relates the adventures of his soul among masterpieces.

গল্পবোৰ নিৰ্বাচন কৰোঁতে শ্ৰেষ্ঠত্বৰ বিচাৰৰ উপৰিও আৰু এটা কথালৈ বিশেষভাৱে মনোযোগ দিয়া হৈছে। সাধাৰণতে দেখা যায় যে বিভিন্ন সঙ্কলনত একোজন লেখকৰ একেটা মাত্ৰ গল্পই ঠাই পায়। উদাহৰণ স্বৰূপে বেছিভাগ সঙ্কলয়িতাৰে দৃষ্টি বেজবৰুৱাৰ ভদৰী বা ধোঁৱাখোৱা গল্পতে আবদ্ধ থাকে। অৱশ্যে কোনো কোনো ক্ষেত্ৰত ই অনিবাৰ্য হৈ উঠিব পাৰে। ইংৰাজী কবিতাৰ যি কোনো সঙ্কলনত ওৱাল্টাৰ ডিলেমাৰৰ The Listener নামৰ কবিতাৰ স্থান প্ৰায় অবধাৰিত। বিশেষ কোনো কোনো লেখকৰ বিশেষ একোটা গল্প বা কবিতাৰ ক্ষেত্ৰত তেনে ঘটনা ঘটিব পাৰে। কিন্তু য'ত সি অনিবাৰ্য নহয়, তেনেবোৰ ক্ষেত্ৰত সকলোবোৰ সঙ্কলনত এজন লেখকৰ একেটা বা এ.ককেইটা গল্পই ঠাই পাই থাকিলে লেখকজনৰ প্ৰতিও সুবিচাৰ কৰা নহয়, পাঠকসকলকো লেখকজনক সম্পূৰ্ণভাৱে আৱিষ্কাৰ কৰাৰ সুযোগৰপৰা বঞ্চিত কৰা হয়। এই সঙ্কলনত সন্নিবিষ্ট গল্পবোৰ এনেভাৱে নিৰ্বাচন কৰিবলৈ চেষ্টা কৰা হৈছে যাতে লেখকসকলৰ অন্যান্য সঙ্কলনত ঠাই নোপোৱা গল্পৰ প্ৰতিও পাঠকসকলৰ মনোযোগ আকৃষ্ট হয়, আৰু লগতে তেওঁলোকৰ অপেক্ষাকৃতভাৱে অপৰিচিত বৈশিষ্ট্যবোৰো পাঠকসকলৰ দৃষ্টিগোচৰ হয়।

শেষ বিচাৰত এনেবিধৰ একোখন সঙ্কলনত সঙ্কলয়িতাৰ নিজস্ব ৰুচি আৰু বিচাৰ-বুদ্ধিয়েই ঘাইকৈ ফুটি উঠে। সেই ৰুচি আৰু বিচাৰ-বুদ্ধি কিমানদূৰ পাঠকৰ গ্ৰহণযোগ্য হয়, তাৰ ওপৰতে সঙ্কলনটোৰ সাৰ্থকতা

বা কৃতকাৰ্যতা নিৰ্ভৰ কৰে। এইখিনিতে স্মৰ্তব্য যে পলগ্ৰেভৰ বিখ্যাত গোল-ডেন্ ট্ৰেজাৰীৰপৰা উইলিয়াম ব্লেকৰ নিচিনা কবিও সম্পূৰ্ণৰূপে নিৰাসিত হৈছিল। আলোচ্য গল্প সঙ্কলনটোৰ ক্ষেত্ৰত ইয়াত ঠাই পোৱা লেখক বা তেওঁলোকৰ গল্পবোৰ পতুৰৈ সমাজৰ বিচাৰপ্ৰাৰ্থী নহয়, বিচাৰপ্ৰাৰ্থী একমাত্ৰ সঙ্কলয়িতাজনহে।

এনে ধৰণৰ গল্প সঙ্কলনৰ পাতনিতে গল্প-সাহিত্যৰ বিষয়ে এটা সাধাৰণ আলোচনা দাঙি ধৰাটো এটা চিৰাচৰিত ৰীতি। কিন্তু আলোচ্য সঙ্কলনত গল্প-লেখকসকলৰ বিষয়ে এনেভাৱে আলোচনা কৰা হৈছে যে সুকীয়াকৈ আৰু এটা আলোচনা কৰাৰ কোনো প্ৰয়োজন নেদেখিলো। সামগ্ৰিকভাৱে অসমীয়া গল্প-সাহিত্যৰ বিষয়ে কেৱল এষাৰ কথা কবলৈ মন যায়। এই সঙ্কলন যুগুত কৰাৰ কাম হাতত লৈ সমগ্ৰ অসমীয়া গল্প-সাহিত্য আকৌ এবাৰ বিশেষ মনোযোগ সহকাৰে অধ্যয়ন কৰাৰ প্ৰয়োজন হ'ল, আৰু তেতিয়া পুনৰ আৱিষ্কাৰ কৰিলো যে চুটি-গল্পৰ ক্ষেত্ৰত অসমীয়া সাহিত্য বিশেষভাৱে ঐশ্বৰ্যবান বুলি কৰা দাবী আচলতে অমূলক নহয়। চুটি-গল্পৰ প্ৰসঙ্গ উঠিলেই প্ৰায় অবধাৰিতভাৱে মোৰ বিখ্যাত ঐতিহাসিক জেম্‌চ্ হাৰ্‌ভে ৰবিন্‌চনৰ এষাৰ কথা মনত পৰে। তেওঁ কৈছিল ঃ "The truest and profound observations on intelligence have in the past been made by the poets, and in recent times by story-writers. They have been keen observers and recorders and reckoned freely with human emotions and sentiments." আলোচ্য সঙ্কলনৰ গল্পবোৰ সূক্ষ্ম মনোযোগ দি পঢ়িলেই পাঠকে ৰবিন্‌চনৰ এই উক্তিৰ সত্যতা উপলব্ধি কৰিব পাৰিব। বস্তুতঃ এই গল্পবোৰৰ মাজত উনৈশ শতিকাৰ শেষাৰ্ধৰপৰা আৰম্ভ কৰি বিংশ শতাব্দীৰ প্ৰথমাৰ্ধলৈকে এই প্ৰায় এটা পৰিবৰ্তনমুখৰ শতাব্দীৰ অসমীয়া সমাজৰ জীৱনধাৰা, মানসিকতা, আশা-আকাংক্ষা আৰু ঐতিহ্য আৰু আধুনিকতাৰ দ্বন্দ্ব এনে জীৱন্ত ৰূপত পৰিস্ফুট হৈছে যে ইয়াক অসমীয়া সমাজৰ এটা যুগৰ ইতিহাসৰ প্ৰামাণ্য দলিল বুলি অভিহিত কৰিব পাৰি। চুটি-গল্পৰ বাহিৰে এই যুগৰ অসমীয়া কাব্য, নাটক আৰু উপন্যাস আদি সৃজনধৰ্মী সাহিত্যৰ আন কোনো শাখাই এই কৃতিত্ব দাবী কৰিব নোৱাৰে।

এনে এখন গল্প সঙ্কলন সম্ভৱ কৰি তোলাৰ কাৰণে সমস্ত কৃতিত্ব আৰু প্ৰশংসা নিশ্চয় সামূহিকভাৱে অসম প্ৰকাশন পৰিষদৰ প্ৰাপ্য। কিন্তু তাৰ ভিতৰতো পৰিষদৰ সচিব শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াৰ নাম বিশেষভাৱে স্মৰণ নকৰি নোৱাৰি। পৰিষদৰ সচিবৰ দায়িত্ব লবৰ দিন ধৰি শ্ৰীশইকীয়াই অসমীয়া গল্প আৰু কবিতাৰ একোটা বৃহৎ সঙ্কলনৰ পৰিকল্পনা কৰি আহিছিল। যাইকৈ তেওঁৰ

আগ্ৰহাতিশয্যতেই সি আজি বাস্তৱত ৰূপ পোৱাটো সম্ভৱ হৈ উঠিছে। শ্ৰীশইকীয়াই কি অপৰিসীম নিষ্ঠা, সাহিত্যানুৰাগ আৰু সৃষ্টিশীল কল্পনাৰে সৈতে প্ৰকাশন পৰিষদৰ যোগেদি অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধি বঢ়াবলৈ চেষ্টা কৰি আহিছে, সেই কথা তেওঁৰ কাম ওচৰৰপৰা নেদেখা কোনো মানুহেই সম্পূৰ্ণভাৱে উপলব্ধি কৰিব নোৱাৰে।

হোমেন বৰগোহাঞি

গুৱাহাটী
৩ ফেব্ৰুৱাৰী, ১৯৭৫

# সূচী পত্ৰ


| | | |
|---|---|---|
| লক্ষ্মীনাথ বেজবৰুৱা | বাপিৰাম | ১ |
| নগেন্দ্ৰ নাৰায়ণ চৌধুৰী | ভাগ-বাটোৱাৰা | ১৩ |
| শৰৎচন্দ্ৰ গোস্বামী | দেখা-দেখি | ৩০ |
| মহীচন্দ্ৰ বৰা | চাকনৈয়া | ৩৮ |
| লক্ষ্মীধৰ শৰ্মা | ব্যৰ্থতাৰ দান | ৬৫ |
| হলীৰাম ডেকা | ৰে বড়ে ভাই | ৮৬ |
| লক্ষ্মীনাথ ফুকন | টাইপিষ্টৰ জীৱন | ৯৫ |
| ৰমা দাশ | প্ৰায়শ্চিত্ত | ১০৫ |
| নলিনীকান্ত বৰুৱা | আমাৰ জাহাজ | ১২৩ |
| বীণা বৰুৱা | আঘোণী বাই | ১৩২ |
| ইন্দীবৰ গগৈ | তিনিটা টকা | ১৫১ |
| ত্ৰৈলোক্য নাথ গোস্বামী | এটা গৰম কোট | ১৬৩ |
| ৰাধিকামোহন গোস্বামী | নিয়তি | ১৭৩ |
| কৃষ্ণ ভূঞা | যাদুঘৰ | ১৯৩ |
| দীননাথ শৰ্মা | নিষ্কৃতি | ২০৫ |
| উমাকান্ত শৰ্মা | মেঘে বৰষিলে জুই | ২১৬ |
| মুনীন বৰকটকী | অপ্ৰকাশৰ বেদনা | ২২৮ |

# লক্ষ্মীনাথ বেজবৰুৱা

(১৮৬৮-১৯৩৮)

কাহিনী বা সাধুকথা প্ৰায় মানবসমাজৰ সমানেই পুৰণি। আধুনিক চুটি-গল্পও মূলতঃ কাহিনীয়েই। কিন্তু আধুনিক চুটি-গল্প বুলিলে আমি যিটো বস্তু বুজি পাওঁ, তাৰ জন্ম হৈছিল উনৈশ শতিকাত, নতুনকৈ সৃষ্টি হোৱা সাময়িকীবোৰৰ পাতত। যি সময়ত কাহিনীয়ে আধুনিক চুটি-গল্প নাম লৈ নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল এটা নতুন সাহিত্যিক ৰূপ লবলৈ আৰম্ভ কৰিছিল, প্ৰায় ঠিক সেই সময়তে প্ৰাচীন সাধুকথাবোৰৰো সামাজিক তাৎপৰ্য আৱিষ্কৃত হবলৈ আৰম্ভ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ বৈশিষ্ট্য এয়েই যে এহাতে যেনেকৈ তেওঁ অসমীয়া ভাষাত আধুনিক চুটি-গল্পৰ জন্ম দিছিল, আনহাতে তেনেকৈ তেওঁ মৌখিক সাধুকথাবোৰ গ্ৰন্থ-বদ্ধ কৰি অসমীয়া ভাষাত সাধুকথা চৰ্চাৰ সূচনা কৰিছিল। সামাজিক অধ্যয়নৰ আহিলা হিচাপে সাধুকথাৰ মূল্য সম্পৰ্কে বেজবৰুৱা সম্পূৰ্ণ অবহিত আছিল; 'বুঢ়ী আইৰ সাধু'ৰ পাতনিয়েই তাৰ প্ৰমাণ। প্ৰাচীন সাধুকথাৰপৰা আধুনিক চুটি-গল্পলৈ কাহিনী-সাহিত্যৰ এই বিবৰ্তনৰ সমগ্ৰ ইতিহাস বেজবৰুৱাৰ ৰচনাৱলীত বিধৃত হৈ আছে।

১৮৮৯ চনত প্ৰতিষ্ঠিত 'জোনাকী' নামৰ আলোচনীয়ে অসমীয়া সাহিত্যত আধুনিক আন্দোলনৰ সূচনা কৰে। জীৱন আৰু জগত সম্পৰ্কে কেৱল আধুনিক দৃষ্টি-ভংগীয়েই নহয়—খণ্ড-কবিতা, চুটি-গল্প আৰু উপন্যাস আদি পাশ্চিমীয়া আহিৰ নন সাহিত্যিক ৰূপবো 'জোনাকী'ৰ যোগেদিয়ে অসমীয়া সাহিত্যলৈ প্ৰথম আমদানী ঘটে। ইউৰোপত আধুনিক চুটি-গল্পৰ প্ৰথম আত্মপ্ৰকাশ ঘটিছিল আলোচনীৰ পাতত। সেই পৰম্পৰা ৰক্ষা কৰি অসমীয়া ভাষাৰ প্ৰথম চুটি-গল্পকেইটাৰো প্ৰথম প্ৰকাশ ঘটিছিল 'জোনাকী'ৰ পাতত। লিখকজন আছিল লক্ষ্মীনাথ বেজবৰুৱা। আধুনিক চুটি-গল্পৰ অবিনাশী কীৰ্তি-স্তম্ভ নিৰ্মাণ কৰোতা ফৰাচী লিখক মোপাচাৰ মৃত্যু হৈছিল ১৮৯৩ চনত; ৰুছ লিখক চেখভৰ মৃত্যু হৈছিল ১৯০৪ চনত। অৰ্থাৎ ১৮৯০ চনমানৰ আগতেই এই দুজন যুগন্ধৰ লিখকৰ হাতত চুটি-গল্পই এক বিৰল পৰিপূৰ্ণতা লাভ কৰিছিল। খুব সম্ভৱ এই দুজন লিখকৰ ৰচনাৱলীৰ লগত পৰিচিত হোৱাৰ সুযোগ বেজবৰুৱাই তেতিয়ালৈকে পোৱা নাছিল। সি যি কি নহওক, আধুনিক চুটি-গল্পই তাৰ উৎকৰ্ষৰ অত্যুচ্চ চূড়াত উপনীত হোৱাৰ বছৰদিয়েকৰ ভিতৰতে, অৰ্থাৎ উনৈশ শতিকাৰ গামৰণিৰ বছৰকেইটাত লক্ষ্মীনাথ বেজবৰুৱাৰ লিখনীত আধুনিক অসমীয়া চুটি-গল্পৰ সৰ্বপ্ৰথম আত্মপ্ৰকাশ ঘটে। আন একো কাৰণে নহলেও অসমীয়া চুটি-গল্পৰ জন্মদাতা হিচাপেই লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটি-গল্পৰ বুৰঞ্জীত এক বিশেষ স্থানৰ অধিকাৰী হৈ ৰব।

বেজবৰুৱাই সৰ্বমুঠ ৬৬টা গল্প লিখিছিল। তাৰে ৫১টা গল্প তেওঁৰ জীৱনকালত প্ৰকাশিত তিনিখন গল্প-গ্ৰন্থত সন্নিবিষ্ট হৈ আছে। গ্ৰন্থকেইখন হ'ল: সুৰভি (১৯০৯), সাধুকথাৰ কুকি (১৯১০) আৰু জোন-বিৰি (১৯১৩)। কেহোঁকলি নামৰ আন এখন গল্প-গ্ৰন্থ তেওঁৰ মৃত্যুৰ বহু বছৰৰ পিচত সংকলিত হৈ ওলাইছে।

বেজবৰুৱাৰ সাহিত্য-কৃতিৰ প্ৰধান বৈশিষ্ট্য হ'ল হাস্যৰস আৰু ব্যংগ-সমালোচনা। Satire বা ব্যংগ-সমালোচনাৰ প্ৰধান উদ্দেশ্য হ'ল সমাজসংস্কাৰ। সংস্কাৰ-স্পৃহা বেজবৰুৱাৰ মজ্জাগত

আছিল ; তেওঁৰ গল্পবোৰতো শিল্প-চেতনা বা ৰস-সৃষ্টিতকৈ সমাজসংস্কাৰৰ ইচ্ছাই অধিক প্ৰবল। তদুপৰি তেওঁ এনে এটা যুগ-সন্ধিত লেখনি ধাৰণ কৰিছিল---যিসময়ত ব্যংগ সমালোচকৰ প্ৰতিভাৰ স্ফুৰণ ঘটিবলৈ বিশেষ সুবিধা হৈছিল। অসমীয়া মধ্যবিত্ত সমাজৰ যি ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশটো পশ্চিমীয়া শিক্ষা-সংস্কৃতিৰ প্ৰথম সংস্পৰ্শলৈ আহিছিল, তেওঁলোকৰ সাধাৰণ লক্ষণ আছিল অন্ধ অনুকৰণ আৰু পল্লব-গ্ৰাহিতা ; আনহাতে অবক্ষয় আৰু অৱসাদৰ কালছোৱাত সমগ্ৰ অসমীয়া গ্ৰাম্য-সমাজ নিমজ্জিত হৈ আছিল নানাবিধ কু-সংস্কাৰ, কুঅভ্যাস আৰু স্থবিৰতাৰ পংকত। এই দুয়োখন সমাজেই আছিল হাস্য-ৰসসৃষ্টি আৰু ব্যংগ-সমালোচনাৰ উপযুক্ত বিষয়বস্তু। এই-খিনিতে বিশেষভাৱে লক্ষণীয় যে অসমত আধুনিকতাৰ অন্যতম অগ্ৰদূত হেমচন্দ্ৰ বৰুৱায়ো তেওঁৰ সমাজ-সমালোচনামূলক ৰচনাবোৰত যাইকৈ ব্যংগ সমালোচনাৰেই আশ্ৰয় লৈছিল। বেজবৰুৱাই তেওঁৰ ওপৰত হেমচন্দ্ৰ বৰুৱাৰ প্ৰভাৱ নিজে স্বীকাৰ কৰি থৈ গৈছে। সি যি কি নহওক, বেজবৰুৱাই আৰম্ভণিৰেপৰা সচেতনভাৱে satire বা ব্যংগ-সমালোচনাকেই তেওঁৰ প্ৰধান অস্ত্ৰ ৰূপে গ্ৰহণ কৰিছিল ; কিন্তু তেওঁৰ সেই অস্ত্ৰ চুইফ্‌টৰ লেখনিৰ দৰে নগ্ন, নিৰ্মম আৰু ক্ষুৰ-ধাৰ নাছিল। তেওঁৰ চকুৰ আগত চানেকী হিচাপে আছিল ডিকেন্‌চৰ পিক্‌উইক্ পেপাৰ্চ।

বেজবৰুৱাৰ অন্যান্য ৰচনাৰ দৰে তেওঁৰ গল্পবোৰৰো প্ৰধান আকৰ্ষণ হ'ল এই হাস্য-ৰস আৰু ব্যংগ-সমালোচনা। তেওঁৰ বেছিভাগ গল্পতে গল্প-সৃষ্টিতকৈ হাস্য-ৰস সৃষ্টিৰ চেষ্টাই অধিক প্ৰবল ; গল্পৰ জুমুধিটো অনেক সময়ত নিমিত্ত মাত্ৰ। বহুতো সমালোচকে কব খোজে যে, বেজবৰুৱাৰ গল্পত তেওঁৰ সমসাময়িক কালৰ অসমীয়া সমাজৰ এখন জীৱন্ত বাস্তৱ চিত্ৰ ফুটি উঠিছে, আৰু সেইটোৱেই হ'ল তেওঁৰ গল্পৰ প্ৰধান বৈশিষ্ট্য। এই কথা আংশিক ভাৱেহে সত্য। বেজবৰুৱাই যাইকৈ তিনিটা উৎসৰপৰা তেওঁৰ গল্পৰ মাল-মচলা সংগ্ৰহ কৰিছিল : (১) সম-সাময়িক অসমীয়া সমাজ, (২) কলিকতা আৰু সম্বলপুৰ আদি ঠাইৰ প্ৰবাসৰ অভিজ্ঞতা, আৰু (৩) অসমৰ বুৰঞ্জী আৰু জন-উপাখ্যান, ইত্যাদি। অসমীয়া সমাজৰপৰা গল্পৰ উপাদান সংগ্ৰহ কৰিবলৈ গৈ এডোখৰ অতি সংকীৰ্ণ ঠাইতে তেওঁৰ নিজৰ দৃষ্টি সীমাবদ্ধ ৰাখিছিল ; এই শ্ৰেণী গল্পত তেওঁৰ প্ৰধান বিষয়বস্তু আছিল জাত-বিচাৰৰ বিৰুদ্ধে আক্ৰমণ (লম্বোদৰ ডেকা, জাতিৰামৰ জাত, ভোকেকেৰোলা, ধৰ্মধ্বজ ফয়চলা নবীশ ইত্যাদি), কানীয়া-মদাহীৰ চৰিত্ৰ-চিত্ৰণ (ধোৱা-খোৱা, মিলাৰামৰ আত্ম-জীৱনী, চেনি-চম্পা কেকো-ককা, আজি, কানিয়া সভাৰ অধিৱেশন, দদায়েক পদো আৰু ভতিজাক ভদো ইত্যাদি), নতুনকৈ ইংৰাজী শিক্ষা পোৱা এক শ্ৰেণী পল্লব-গ্ৰাহী আৰু অন্ধ-অনুকৰণসৰ্বস্ব লোকৰ চৰিত্ৰ-চিত্ৰণ (মলক গুইন্ গুইন্, আমাৰ সংসাৰ, নাঙলুচন্দ্ৰ দাস ভোকেন্দ্ৰ বৰুৱা ইত্যাদি), ষ্টৈটাচ-সৰ্বস্ব অসমীয়া ন-ধনী আমোলা শ্ৰেণীৰ চৰিত্ৰ চিত্ৰণ (ঘণ্টাকৰ্ণ শৰ্মা, ভেমপুৰীয়া মৌজাদাৰ, চোৰ ইত্যাদি)। এই কথা ঠিক যে ই এক বিচিত্ৰ চিত্ৰশালা, আৰু বেজবৰুৱাৰ অননুকৰণীয় ৰচনা-ভংগীৰ গুণত জীৱন্ত হৈ উঠা এই চিত্ৰ-শালাৰ মাজত সমসাময়িক অসমীয়া সমাজৰ এখন খণ্ড-চিত্ৰ অতি বৰ্ণাঢ্য ৰূপত ফুটি উঠিছে। কিন্তু তথাপি ই কেৱল খণ্ড-চিত্ৰ ; তাৰ মাজত সমসাময়িক অসমীয়া সমাজৰ সাৰ্বিক পৰিচয় বা আত্মাৰ ছবি ফুটি উঠা নাই। গল্পৰ উপকৰণ বিচাৰি তেওঁ অসমীয়া সমাজৰ কেৱল সেইবোৰ ঠাইত দৃষ্টি নিক্ষেপ কৰিছিল—য'ত তেওঁ সংস্কাৰ আৰু পৰিবৰ্তনৰ প্ৰয়োজন অনুভৱ কৰিছিল। কিন্তু এটা কথা আছে যে a satire can be a literary success only by being a sociological failure ; অৰ্থাৎ সমাজসংস্কাৰৰ উদ্দেশ্যত ব্যৰ্থ হ'লেহে যি কোনো ব্যংগৰসাত্মক ৰচনা সাহিত্যিক অৰ্থত কৃতকাৰ্য হব পাৰে। বেজবৰুৱাই তেওঁৰ গল্পত যিখন সমাজৰ ছবি আঁকিছিল, সেই সমাজ এতিয়া বহুত সলনি হ'ল। সেই অনুপাতে তেওঁৰ হাস্য-ৰসাত্মক আৰু ব্যংগ গল্পবোৰৰ আবেদন আৰু সামাজিক তাৎপৰ্যও আপতকৈ বহুখিনি হ্ৰাস পাইছে। 'অৱশেষ অমিয়া জোকাৰ' যদি ক'ৰবাত বৈ গৈছে, তেন্তে সি তেওঁৰ গল্প-বোৰৰ য'ত ত'ত ডোঙা বান্ধি থকা হাস্য-ৰসতহে।

সমসাময়িক অসমীয়া সমাজৰ ব্যংগ-চিত্ৰক বাদ দি তেওঁৰ অন্যান্য উল্লেখযোগ্য গল্প-বোৰৰ বিষয়বস্তু হ'ল চোটনাগপুৰ অঞ্চলৰ কোল জনজাতিৰ জীৱন-চিত্ৰ (কন্যা, জলকুঁৱৰী, শিৱপ্ৰসাদ, ৰতন-মুণ্ডা ইত্যাদি), ঐতিহাসিক গল্প (সেউতী, জয়ন্তী, কনকলতা), অতি-প্ৰাকৃতিক আৰু ভয়াবহ ঘটনা (ৰৈদাৰ, লাওখোলা, পণ্ডিত মহাশয়) আৰু পুৰুষ-শাসিত সমাজত নাৰীৰ নিৰ্যাতন (আমাৰৈ নাপাহৰিব, নকওঁ, ভদৰী, কাশীবাসী, এৰাবাৰী, ইত্যাদি)। বেজবৰুৱাৰ কোল জনজাতিৰ জীৱন-চিত্ৰত কাহিনী, ঘটনা বা চৰিত্ৰ-চিত্ৰণৰ প্ৰাধান্য নাই ; বৰং এইবোৰক বিশেষ একোটা mood আৰু মুহূৰ্ত ধৰি ৰখাৰ চেষ্টা বুলিহে কব পাৰি। তেওঁৰ ঐতিহাসিক গল্পকেইটা ঘটনাৰ শুকান বিবৰণ মাত্ৰ ; কল্পনাৰ বিদ্যুৎ-স্পৰ্শই সেইবোৰত ইতিহাসৰ কোনো এক বিশেষ যুগ বা কোনো চৰিত্ৰক জীৱন্ত কৰি তুলিব পৰা নাই। তেওঁৰ অতি-প্ৰাকৃতিক বিষয়-বস্তুৰ আৰু ভয়-ৰসৰ গল্পকেইটাও সাৰ্থক হৈ উঠা নাই, কাৰণ যি মনস্তাত্ত্বিক অন্তৰ্দৃষ্টি আৰু বিশেষ ৰচনা-ভংগীৰ সহায়েৰে পাঠকৰ চেতনালৈ ভয়ক সঞ্চাৰিত কৰি দিব পাৰি (.... terror was "not of Germany but of soul")—সেইটো তেওঁ আয়ত্ত কৰিব পৰা নাই।

গল্পকাৰ হিচাপে জীৱনৰ বৈচিত্ৰ্য আৰু ৰহস্যৰ সন্ধান বা বিভিন্ন পৰিস্থিতিত মানুহৰ আচৰণ আৰু প্ৰতিক্ৰিয়াৰ পৰ্যবেক্ষণ বেজবৰুৱাৰ উদ্দেশ্য নাছিল। এটা সীমিত পৰিসৰত সীমিত উদ্দেশ্য লৈ তেওঁ গল্প লিখিছিল, আৰু তেওঁৰ ৰস-সৃষ্টিৰ স্বভাৱিক প্ৰতিভাই এটা বিশেষ যুগৰ গণ্ডীৰ মাজত সেইবোৰক উপভোগ্য কৰি তুলিছিল। অসমীয়া চুটি-গল্পৰ ইতিহাসত বেজবৰুৱাৰ অমৰত্বৰ প্ৰধান দাবী এয়েই যে তেওঁ আছিল অসমীয়া চুটি-গল্পৰ জনক।

# বাপিৰাম

বেজবৰুৱাৰ গল্পবোৰৰ ভিতৰত 'বাপিৰাম'ৰ কেইটামান স্বকীয় বৈশিষ্ট্য আছে। যি-কেইটা মুষ্টিমেয় গল্পত তেওঁ এটা সুসংবদ্ধ কাহিনী কোৱাৰ চেষ্টা কৰিছে আৰু চৰিত্ৰাংকণৰ ওপৰত গুৰুত্ব দিছে, সেইকেইটা গল্পৰ ভিতৰত 'বাপিৰাম' অন্যতম। বেজবৰুৱাৰ গল্পৰ বেছিভাগ চৰিত্ৰই হাস্য-পৰিহাস বা ব্যংগ সমালোচনাৰ পাত্ৰ। সেইফালৰপৰাও বাপিৰাম এটি উল্লেখযোগ্য ব্যতিক্ৰম। 'ভদৰী'ৰ নিচিনাকৈ এই গল্পতো তেওঁ মানৱীয় মহত্ত্বৰ ছবি অংকন কৰিছে—বেজবৰুৱাৰ চিত্ৰ-শালাত ই এটি বিৰল নিদৰ্শন।

'মোৰ জীৱন-সোঁৱৰণ'ত বেজবৰুৱাই লিখিছিল : "ধনী নামৰ আমাৰ এটা লগুৱা আছিল। তাৰ ঘৰ যোৰহাটৰ ওচৰৰ চাওখাত মৌজাত। বাস্তৱিক পক্ষত সেই কালত চাওখাতক আমাৰ ঘৰৰ পক্ষে লগুৱাৰ বৰ-ভঁৰাল বুলিলে বঢ়াই কোৱা নহয়। বেংকলৈ চেক পঠিয়াই দিলে টকা পোৱাৰ দৰে আমাৰ দেউতা আৰু ককাইদেউসকলে আৱশ্যকমতে চাওখাতলৈ বাতৰি পঠিয়াই তাৰপৰা লগুৱা পাইছিল। ......আজি কালি লগুৱা আৰু গিৰিহঁতৰ ভিতৰত যেনেকৈ মাথোন দৰমহাৰহে সম্বন্ধ, সেই কালত তেনে নাছিল ; সেই কালত লগুৱা-লিগিৰীবোৰ গৃহস্থৰ পৰিয়ালৰ একো একোটা অপৰিহাৰ্য অংগ আছিল। ধনৰ সম্বন্ধতকৈ মৰমৰ সম্বন্ধ প্ৰবল আছিল। হিন্দু শাস্ত্ৰৰ সুন্দৰ অনুশাসন—"ছায়া স্বদাসবৰ্গশ্চ" অৰ্থাৎ দাস-দাসীবোৰ গৃহস্থৰ গাৰ ছাঁৰ নিচিনা, এইটো বৰ্ণে বৰ্ণে প্ৰতিপালিত হৈছিল।"

'বাপিৰাম' গল্পৰ মূল চৰিত্ৰ বাপিৰামৰ বিষয়ে বেজবৰুৱাই গল্পটোত লিখিছে : "আজিকালি লগুৱা বুলিলে তুমি-আমি যি বুজোহঁক, বাপিৰাম লগুৱাৰ কথাত তেনে বুজিলে নিশ্চয়

ভুল হব। ইংৰাজ ৰজাই অসমত পুৰুষানুক্ৰমিক লগুৱা-লিগিৰাৰ প্ৰথা বা দাসত্ব-প্ৰথা তুলি দিয়াৰ আগেয়ে গিৰিহঁত আৰু লগুৱা লিগিৰাৰ মাজত যেনে সম্বন্ধ আছিল, তেনে সম্বন্ধীয় লগুৱা এই বাপিৰাম। সি যদিও লগুৱা, তথাপি খাটনিয়াৰ পৰিয়ালৰ ভিতৰত সিও এটা কটা-ছিঙা কৰিব নোৱাৰা মানুহ। সকলো বিষয়তে সকলোপিনে খাটনিয়াৰৰ ঘৰেই তাৰ ঘৰ, খাটনিয়াৰৰ মানুহেই তাৰ আপোন মানুহ, যদিও তাৰ নিজা ঘৰ চাওখাতত ল'ৰা-তিৰোতা, গাভৰু-বোৱাৰী, দদাই-খুৰাৰ অভাৱ নাছিল। মুঠতে ক'বলৈ গ'লে, সি চাওখাতত আলহী, জোকতলীত গিৰিহঁত; চাওখাতত বিদেশী, জোকতলীত স্বদেশী; ঘৰত নিলগীয়া, পৰত আপোন।"

সন্দেহ নাই যে বাপিৰামৰ চৰিত্ৰৰ সমল বেজবৰুৱাই তেওঁৰ ব্যক্তিগত অভিজ্ঞতাৰপৰাই আহৰণ কৰিছিল। প্ৰভুৰ প্ৰতি গৃহ-ভৃত্যৰ এনে সপ্ৰেম আনুগত্য আৰু আত্মোৎসৰ্গৰ চিত্ৰ ৰবীন্দ্ৰনাথৰ গল্পতো দেখা যায় (খোকা-বাবুৰ প্ৰত্যাবৰ্ত্তন)। ই এটা বিশেষ যুগৰ মানৱীয় সম্পৰ্কৰ ছবি। বাপিৰামৰ কাহিনীৰ পটভূমি হ'ল অসমত বৃটিছ-শাসনৰ আদি যুগ। অসমত ধন ঘটিবলৈ অহা প্ৰোষিত-পত্নীক ইংৰাজ চাহ-খেতিয়কৰ কামিনী-লোলুপতা, চাহ-বাগিচাৰ চাকৰিৰ যোগেদি নতুন ঐশ্বৰ্য্যৰ আস্বাদ পোৱা অসমীয়া 'বাবুৰ' কাঞ্চন-ব্যাকুলতা, আৰু এই দুয়োটাৰে বিৰুদ্ধে মানুহৰ স্বভাৱী সততা আৰু আনুগত্যৰ প্ৰতীক-স্বৰূপ গৃহ-ভৃত্য বপিৰামৰ সক্ৰিয় নৈতিক প্ৰতিবাদ--এয়েই হ'ল বেজবৰুৱাৰ 'বাপিৰাম' গল্পৰ বিষয়বস্তু।

## প্ৰথম আধ্যা

তাহানি 'বৰতি চাহাব'ৰ দিনত জোঁকতলী মৌজাত সিধাই খাটনিয়াৰ বুলি এজন মানুহ আছিল। সেই কালত সিধাই খাটনিয়াৰক নজনা মানুহ ৰংপুৰ চহৰত নাছিল। দোল, দুৰ্গোৎসৱ, হৰিসেৱা আদি ধৰম কৰমেৰে খাটনিয়াৰৰ ঘৰ উজলনিত উজ্জ্বল আছিল। পৰমেশ্বৰে তেওঁক সকলো সুখ-সম্পদেৰে সুখীয়া কৰিও এটা বিষয়ত অসুখীয়া কৰিছিল। অপুত্ৰক খাট-নিয়াৰৰ অপেস্বৰীৰ নিচিনা একেটি ছোৱালী ফুলতে বাঁৰী। কত আশা, কত ভাৰষা বুকুত বান্ধি লৈ তেওঁ তেওঁৰ চকুৰ মণি ছোৱালীটিক ভাল মানুহৰ ঘৰৰ সজ ল'ৰা এটিৰ সৈতে বিয়া দি, ঈশ্বৰৰ অনুগ্ৰহত নিশ্চিন্ত হলোঁ বুলি ভাবিছিল; কিন্তু বিধিৰ বিপৰীত বিধান--বিয়াৰপৰা এমাহ যাওঁতে-নৌযাওঁতেই জোঁৱাই ল'ৰাটি মাউৰত পৰি মৰি খাটনিয়াৰক আজলী ছোৱালী-টিৰে সৈতে এক প্ৰকাৰ জীৱন্ততে মাৰি গ'ল! এই মহাশোকৰ অগনিত পুৰি-ডেই খাটনিয়াৰ আৰু ইহ সংসাৰত অধিক দিন টিকিব নোৱাৰিলে। জোঁৱাই যোৱাৰ ছমাহৰ পিচতে তেৰোঁ সেই মহাপ্ৰয়াণৰ বাটৰ বাটৰুৱা হ'ল।

তিলকাৰ এতিয়া আৰু এই পৃথিৱীত এক দদায়েক আৰু খুৰীয়েকৰ বাহিৰে কোনো নাই। তিলকা বোলোতে আমি খাটনিয়াৰৰ বাঁৰী ছোৱালী-টিৰ নামকে কাঢ়িছোঁ, আৰু দদায়েক বোলোঁতে খাটনিয়াৰৰ স্বৰ্গগত ভায়েক ভূধৰৰ কথাকে কৈছোঁ। ভূধৰ সেইকালৰ এধাপোৱা এধাডেৰা ইংৰাজীৰ

এধাডুখৰীয়া সোৱাদ পোৱা ডেকা। পৈতৃক স্বাধীন ব্যৱসায়তকৈ চাহ বাগিচাৰ চাহাবৰ তলত চাকৰি কৰাটো তেওঁৰ জীৱনৰ এটা ওখ আশা। সেই কালত উজনিত, ইংৰাজ খেতিয়ক চাহাবসকলে নতুনকৈ চাহ বাগিচাবিলাক মহা ধুমধামেৰে খুলি মুঠিয়ে মুঠিয়ে ধন সিঁচিছিল আৰু কাণুখন দেখি শুনি আমাৰ দেশৰ ভোদা মানুহবোৰ তধা লাগি গৈছিল। ডেকা তৰপৰ ডেকা তেজে "বি-এল-এ-বে্" শিকা ডেকাসকলক বৰমহৰীৰ বৰ সৰু কামৰ নিমিত্তে উদগণি ঢোল বজাই লৰুৱাইছিল-ধপৰাইছিল; বুঢ়া তৰপৰ চেচা তেজীয়া বুঢ়াসকলকো ডেকাসকলৰ গাৰ বতাহৰ কোবে থৰকবৰক নলগোৱাকৈ এৰা নাছিল। তেওঁলোকে ডেকা পুতেকহঁতৰ আশাৰূপী বৰৰ আঠাৰ বৰ মোনাত সোলামুখৰ সোলোক-চোলোক ফু যতনেৰে দি তাক ফুলাই ডাঙৰ কৰি দিয়াত ত্ৰুটি কৰা নাছিল। এনেস্থলত আমাৰ খাটনিয়াৰৰ ভায়েক ভূধৰে যে অসম কোম্পানীৰ দীঘলিটিং চাহবাগিচাৰ বৰ মহৰীৰ বৰ কামটো অতি যতনেৰে পাই, তাক প্ৰাণকাতৰে গবা মাৰি নধৰিব, তাত সন্দেহ কৰিবৰ কাৰো কোনো কাৰণ নাছিল।

খাটনিয়াৰৰ মৃত্যুৰ পিচত স্বভাৱতে, ভূধৰ বৰ মহৰীয়েই জোঁকতলীৰ ঘৰৰ গৰাকীৰ পদ পালে। তেওঁ দীঘলিটিং আৰু জোঁকতলীৰ ভিতৰত কেৰা নলগাকৈ সমানে তাল এইদৰে ৰাখিছিল ঃ যথা—দীঘলিটিঙৰ পৰা প্ৰতি শনিবাৰে জোঁকতলীলৈ তেওঁৰ অহা, আৰু এসপ্তাহলৈ খেতি-পথাৰ, ঘৰ-বাৰী চলোৱাৰ দিহা-পোহা কৰি দি প্ৰতি সোমবাৰে আকৌ জোঁকতলীৰ পৰা দীঘলি-টিঙলৈ উভতি যোৱা। তেওঁৰ অনুপস্থিতি কালত, জোঁকতলীৰ ঘৰৰ খিলা তেওঁলোকৰ বহুকলীয়া বুঢ়া লগুৱা বাপিৰামৰ তত্ত্বাৱধানাত ঘূৰে।

আজিকালি লগুৱা বুলিলে, তুমি আমি যি বুজোহঁক বাপিৰাম লগুৱাৰ কথাত তেনে বুজিলে নিশ্চয় ভুল হ'ব। ইংৰাজ ৰজাই অসমত পুৰুষানু-ক্ৰমিক লগুৱা-লিগিৰাৰ প্ৰথা বা দাসত্ব প্ৰথা তুলি দিয়াৰ আগেয়ে গিৰিহঁত আৰু লগুৱা-লিগিৰাৰ মাজত যেনে সম্বন্ধ আছিল, তেনে সম্বন্ধীয় লগুৱা এই বাপিৰাম। সি যদিও লগুৱা, তথাপি খাটনিয়াৰ পৰিয়ালৰ ভিতৰত সিও এটা কটা-ছিঙা কৰিব নোৱাৰা মানুহ। সকলো বিষয়তে সকলো পিনে খাটনিয়া-ৰৰ ঘৰেই তাৰ ঘৰ, খাটনিয়াৰৰ মানুহেই তাৰ আপোন মানুহ, যদিও তাৰ নিজা ঘৰ চাওখাটত ল'ৰা-তিৰোতা, অঙহী-বঙহী, দদাই-খুৰাৰ অভাৱ নাছিল। মুঠতে কবলৈ গলে, সি চাওখাটত আলহী, জোঁকতলীত গিৰিহঁত; চাওখাটত বিদেশী, জোঁকতলীত স্বদেশী; ঘৰত নিলগীয়া, পৰত আপোন।

ওপজাৰপৰা তিলকাক বাপিৰামে তুলিতালি ডাঙৰ-দীঘল কৰিছিল। তাৰ মানত তিলকা আইদেও, তাৰ নিজৰ তেজ মঙহৰ পুতেক চাওখাটৰ দুখীৰামতকৈও সাতহাৰ। তাৰ মনপাল্লাপাল্লাত এফালে তিলকাক আৰু আনফালে দুখীৰামক তুলি সি জুখি চাই দেখিছে যে তিলকা দুখীতকৈ গধুৰ।

তিলকাই খালে তাৰ পেট ভৰে, পিন্ধিলে তাৰ গা জুৰায়, হাঁহিলে তাৰ হাঁহি ওলায় আৰু কান্দিলে কান্দোন ওলায়। তিলকা বাঁৰী হ'ল। সি ভাবিলে ঈশ্বৰে তাক তাৰ আগেয়ে মাৰি নিনি শত্ৰু শালিলে। তিলকা বাঁৰী হবৰ দিনাৰপৰা সি খাটনিয়াৰৰ গোসাঁই ঘৰৰপিনে উভতি নেচায় আৰু তাত থকা "কলীয়া জনাৰ্দ্দন" মূৰ্তিৰ ফালে মূৰ নোদোঁৱায়। পেটে পেটে তাৰ দুৰ্ঘোৰ খং যে সি দিনে ৰাতিয়ে তেওঁক ইমানকৈ খাটি থাকোঁতেও কিয় তেওঁ তাক অনাহকত এনে শাস্তি দিলে।

সময়-ৰথৰ চকৰি পৰ্বতে-ভৈয়ামে পানীয়ে-বামে সদায় সমানে চলে, ক্ষন্তেক-লৈকো সি কতো লাগি নেথাকে। সময়ে সংসাৰৰ সম্পদ বিপদ সুবিধা হাঁহি কান্দোন সকলোকে নিজৰ পিঠিত বোকোছা বান্ধি লৈ একোলৈকে ভ্ৰূক্ষেপ নকৰি যাবলৈ ধৰিলে; আৰু জোঁকতলীৰ খাটনিয়াৰ পৰিয়াল আৰু লগে লগে বাপিৰাম বুঢ়া লগুৱাও বাধ্য হৈ সেই বোকোছাতে এচুকীয়া হৈ চলিল। তিলকাৰ বয়স এতিয়া ওঠৰ বছৰ। তিলকাৰ ৰূপ আৰু যৌৱন চাৰিওফালে ছাটি পৰিছে। এই সংসাৰৰ শান্তি-অশান্তি, আশা-নিৰাশা আটনি-নাটনি, স্পৃহা-নিস্পৃহা, উদ্বেগ-নিৰুদ্বেগৰ নতুন বা-মাৰলীয়ে পাখিত তুলি তেওঁক উৰাই লৈ ফুৰিছে। তেওঁৰ মানত এই সংসাৰৰ সকলো আচৰিত। দহো দিশে দহোটা হাতেৰে হাত বাউলি দি তেওঁক দহ ফালে মাতিছে। কিন্তু কিজানি কিয়, তেওঁ কাৰো ফালে যাব নোৱাৰে, কাৰো অনুৰোধ ৰাখিব নোৱাৰে। তেওঁ বুজিব নোৱাৰি বিমোৰ যে, কিজানি কিয়, তেওঁ তেওঁৰ উপচি পৰা হিয়াৰপৰা এটোপা মৰম, এটোপা প্ৰেম, এধানমানো আকাংক্ষা, ধনিষ্ঠামানো তৃপ্তি কাকো বিলাবলৈ অপাৰগ। কিন্তু তেওঁৰ হৃদয় আবেগৰ ধলেৰে উথলি উঠিব খুজিলেই তেওঁৰ কাণত যেন ৰিণিকি ৰিণিকি বাজি উঠে, 'খবৰ্দ্দাৰ, তোৰ ক্ষমতা নাই, ক্ষমতা নাই! তোৰ যৌৱন-সম্পদ তোৰ নহয়! তোৰ আকাংক্ষা আবেগ হাবিলাষ উৎসাহ তোতে থাকি তোতে মাৰ যাব; লোকক বিলাবলৈ নহয়। তোৰ প্ৰেম-অগনিৰ উমাজাল এই বিশ্ব জগতৰ কাৰো উপকাৰ সাধিবৰ নিমিত্তে নহয়, সি কেৱল তোক তুঁহ জুইৰ দৰে লাহে লাহে পুৰি ছাই কৰিবলৈহে মাথোন।' তিলকাৰ হৃদয় মণিকূটত তেলভৰা বন্তি জ্বলি উঠি বিমল জেউতি চাৰিও ফালে বিলাই দিছে, কিন্তু মণিকূট দেৱতাশূন্য!

## দ্বিতীয় আধ্যা

অসম কোম্পানীৰ দীঘলিটিং বাগিচাৰ বৰচাহাব মিষ্টাৰ স্কটক কোনে বাতৰি দিলে কব নোৱাৰি যে, তেওঁৰ বৰমহৰী ভূধৰৰ এজনী দীপ্লিপ্

ভতিজা-জীয়েক আছে; যাৰ ৰূপ দেখিলে দুপৰৰ বেলিয়েও ক্ষন্তেকলৈ ৰথ ৰাখি যায়। এদিন দুপৰীয়া চাহাবে ভূধৰ বৰুৱা মহৰীক নিজৰ বঙলালৈ মতাই আনি তলত লিখাৰ দৰে কথা বাৰ্তা হ'ল ঃ

স্কট ঃ "ওৱেল ভূধৰ, মই শুনিছে, তোৰ ভতিজা এজনী বাঁৰী হৈ ঘৰতে আছে ?"

ভূধৰ ঃ "হয় হুজুৰ, আছে।"

স্কট ঃ "মই শুনিছে হেইজনী বৰ সুন্দৰী আছে।"

ভূধৰ ঃ "আছে হজুৰ।"

স্কট ঃ "তাইক মোক দিব লাগে, মই চাদি কৰিবে।"

ভূধৰ চাহাবৰ কথা শুনি কাণত আঙুলি দি, চৰগ পৰা মানুহৰ দৰে থিয় হৈ অবাক!

স্কট ঃ "কথা নাকহিছে কিয় ? তুমি তোমাৰ ভতিজাক মোক জৰুৰ দিব লাগিবে।"

ভূধৰ ঃ "সেই কথা হব নোৱাৰে হজুৰ। তুমি চুই কৰ্ণত হাত দিব লগীয়া কথা। আমি বামুণ মানুহ, হিন্দু মানুহ হজুৰ। আমি এনে কাম কৰিলে তল যাম হজুৰ। আমাৰ জাত কুল যাব হজুৰ। হজুৰ খোদাবন্দা, এনে কামলৈ হজুৰে গোলামক নধৰিব।"

এই বুলি ভূধৰে আঁঠু কাঢ়ি চাহাবক হাতযোৰ কৰে।

স্কট ঃ "তোমাৰ কি জাত যাবে, জাতি না যাবে, মই দস্তুৰমত চাদি কৰিবে; তোমাক ৰূপীয়া পইচা দিবে; বহুৎ দিবে; ডাঙৰ মানুহ কৰি দিবে, কোনো ভয় নাই আছে।"

ভূধৰ ঃ "নহয় হজুৰ, গোলামে এনে কাম কৰিব নোৱাৰোঁ। গোলামক হজুৰে ছোৱা-ছোৱাকৈ কাটি পেলালেও নোৱাৰোঁ।"

স্কট ঃ "ডেম বদ্‌জাত! তুমি হামিকে চিনি নাই পাইছে, তোমাক হামি গুলী কৰিবে, জান লিবে, ডিছমিছ কৰিবে। মগৰ, তুমি হামাৰা হুকুম মাফিক কাম কৰিবে তো তোমাক হামি বহুৎ বৰা আদমি বনাই দিবে। তোমাৰ মলুকত চব আদমিকা উপৰ তোমাক বৰা বনাই দিবে। দেখ ভূধৰ। তোমাক হামি নাহি চাৰিবে, তুমি হামাৰা হুকুম তামিল কৰিবে হবেই হবে।"

ব্ৰিটন "বাচ্চা" স্কট চাহাব সহজ পাত্ৰ নহয়। হাৰ কাক কয় তেওঁ নেজানে। পোনতে ভয়, শেহত লোভ, খোচামোদ, ধমক আদি চোকা চোকা অব্যৰ্থ অস্ত্ৰৰ আগত অলপধতুৰা বামুণৰ ল'ৰা ভূধৰ টিকিব নোৱাৰি, পুণ্যতনু সিধাই খাটনিয়াৰৰ জীয়েক তিলকাক আনি স্কট চাহাবক দিবলৈ মান্তি হ'ল। আপোনাৰ পবিত্ৰ কুলত আপোন হাতে চুণ-কালি সানিবলৈ প্ৰস্তুত হ'ল। পবিত্ৰ যজ্ঞৰ হৱি আপোন হাতে তুলি আনি ভূধৰ কুলাঙ্গাৰে বকৰাণিত পেলাই দিবলৈ ওলাল। আপোন গোসাঁই ঘৰৰ থাপনাৰ সোণৰ ফুলপাহ নিজ হাতে চুৰ কৰি আনি চোৰৰ বুকুত আঁৰি দিবলৈ ভূধৰে সঙ্কল্প কৰিলে।

সাতদিনৰ ভিতৰতে ভুধৰে গৈ ফাঁকি দি নিজৰ ঘৈণীয়েকৰে সৈতে তিলকাক জোঁকতলীৰপৰা দীঘলিটিং বাগিচালৈ লৈ আহিল। ভুধৰৰ অনিচ্ছা অগ্ৰাহ্য কৰি লগতে বাপিৰাম লগুৱাও আহিল। জোঁকতলী এৰিবৰ আগেয়ে বাপিৰামে, কি জানি ক'ব নোৱাৰি দীঘলিটিঙলৈ তিলকাক লৈ আহিব খোজাত দোৰ্ঘোৰ আপত্তি কৰিছিল। ভুধৰৰ ঘৈণীয়েকৰো যে আহিবৰ মন আছিল এনে নহয়। কিন্তু নানা কথা কৈ "দিনচেৰেকলৈ মাথোন গৈ তহঁত সোনকালে উভতি আহিবিহঁক" বুলি ভুধৰে সিবিলাকৰ মত কৰিলে। তিলকাই কিন্তু নতুন ঠাই দেখিবলৈ পাম ভাবি উৎকলিকৃত হৈ আহিল।

## তৃতীয় আধ্যা

আজলী অবলাৰ পক্ষে পুৰুষৰ প্ৰবল জাল ফালি সৰকি ওলাই যোৱাটো বৰ উজু নহয়, বিশেষ, যেতিয়া সেই পুৰুষে সেই নাৰীৰ প্ৰতিপালন আৰু অভিভাৱকৰ ঠাই অধিকাৰ কৰি থাকে। দিনে দিনে দদায়েক ভুধৰৰ নানা চক্ৰান্ত নানা চলাহৰ মেৰে মেৰে আজলী তিলকা সোমাই যাব ধৰিলে। স্কট চাহাবৰ আশা বেলিয়ে পূৰেৰুণ দিবৰ সময় হৈ আহিছে, এনেতে কিবা স্বৰূপে বাপিৰামে গম পালে যে দদায়েক ভুধৰ পাষণ্ডই আপোন ভতিজা জীয়েক তিলকাক খাটনিয়াৰ বংশৰ পবিত্ৰ নামত ছাই সানি দীঘলিটিং বাগিচাৰ বৰচাহাবৰ হাতত দিব খুজিছে। হঠাৎ বুঢ়া বাপিৰামৰ মূৰত আকাশী-চৰগ ভাগি পৰিল! তাৰ গোটেইটো গাত সাতকুৰা অগনি লাগিল। লাজ, অপমান আৰু ক্ৰোধত বাপিৰাম থৰ থৰ কৰে কপিবলৈ ধৰিলে। তেতিয়াই সি তাৰ গুৰুঘৰত শপত খাই প্ৰতিজ্ঞা কৰিলে যে সি জীয়াই থকাত তাৰ গৰাকী আৰু অন্নদাতা সিধাই খাটনিয়াৰৰ জীয়েক তিলকাক কোনেও চাহা-বলৈ দিব নোৱাৰে। আৰু তেতিয়াই সি গৈ ভুধৰক সুধিলে,

"এই কথা সঁচানে সৰু দেউতা?"

ভুধৰ: "কি কথা সঁচা?"

বাপিৰাম: "তিলকা আইদেউক তুমি দীঘলিটিঙৰ বৰচাহাবলৈ দিব খুজিছা?"

ভুধৰ: "তোক কোনে ক'লে?"

বাপি: "যেয়ে কওক নকওক, সঁচা নে মিছা, কোৱা?"

ভুধৰ: "দেখ বাপিৰাম, তই লগুৱা মানুহ, লগুৱাৰ দৰে থকাই ভাল। ঘৰৰ বন-বাৰী তোৰ কাম। এইবিলাক বিষয়ত তোৰ কথা ক'বৰ আৰু ভু-ভা লৈ ফুৰিবৰ তোৰ কাম নহয়।"

বাপি ঃ "আছে কাম। শুনা সৰুদেউতা। তোমাক কঁচুৱাৰপৰা তুলি ডাঙৰ-দীঘল কৰিলোঁ। আজি তিনি পুৰুষৰপৰা তোমালোকৰ ঘৰৰ চাউল খাই লগুৱালি কৰি মোৰ ঘৰ মানুহ। তোমালোকৰ ঘৰৰ অন্নেৰে বাপিৰামৰ তেজ-মঙহ। এনে স্থলত তুমি আজি মোক এনেধৰৰ কথা ক'ব নেলাগিছিল। কলা, কলা, মই তাত নেলাগো। কিন্তু, এই কথা সৰুদেউতা তুমি নিশ্চয় জানিবা, তুমি যি পাপ কাম কৰিবলৈ ওলাইছা, বাপিৰামৰ এই বুঢ়া গাত তোমাৰ ঘৰৰ চাউল খাই হোৱা এটোপা তেজ থাকে মানে, সি হ'ব নোৱাৰে। খাটনিয়াৰৰ ঘৰৰ কৌটিকলীয়া নাম বাপিৰামে সি জীয়াই থাকোঁতে নিগমে বুৰিবলৈ নিদিয়ে। চন্দ্ৰ, সূৰ্য সাক্ষী হবাইক। সৰু দেউতা, তোমাৰ ভৰি ছুই মই সইত খাই কৈছোঁ, যদিও গোলামি কৰি ভাত খাওঁ, যদিও বামুণৰ ভৰিৰ ধূলিৰ যুইগ মই নহওঁ, তথাপি জানিবা বাপিৰাম একেষাৰ কথাৰহে মানুহ।"

ভূধৰ ঃ "যা যা, এইবোৰ মিছা কথা তোক কোনে কলে ক'ব নোৱাৰোঁ, মই তেনে কাম কৰিবলৈ বলিয়া হোৱা নাই।"

এই বুলি বাপিৰামক প্ৰবোধ দি পঠিয়াই ভূধৰে গধূলি গৈ স্কট চাহাবক ক'লে যে তেওঁৰ বুঢ়া লগুৱাটোৱে সেই কথাৰ গম পাই মহা গোলমাল কৰিছে।

স্কট ঃ "হো-হো-হো। ভূধৰ, তই বহুৎ ভয়াতুৰ মানুহ আছে। নৌকৰলৈ ভয় কৰিছ, আৰু হেই কথা আহি মোৰ আগত কৈছ? তোৰ লাজ নাই লাগিছে?"

ভূধৰ ঃ "নহয় হজুৰ, সি যেনে তেনে লগুৱা নহয়, সি যি কয় তাকে কৰিব, আৰু ঠিক এই কামত ব্যাঘাত জন্মাব।"

স্কট ঃ "তহঁত নেটিভ মানুহ কালা আদমি। তহঁতৰ আউৰৎকা মাফিক ডৰ। গোৰালোক, চাহাবলোক হেই ডৰ নাহি কৰে। হুন, তোৰ হেই নৌকৰকু কাইলৈ তই দুপৰীয়া হামাৰ বঙলালৈ পঠিয়াই দিবি। হামি ছাপৰাচী ভেজি দিবে। হামাৰা হুকুম খিলাপ কৰিবেতো তোক হামি হামাৰ বাগিচাচে নিকাল দিবে।"

ভূধৰ ঃ "বহুৎ আচ্ছা হজুৰ। দিম পঠিয়াই।"

## চতুৰ্থ আধ্যা

বাপিৰাম ঃ "শুনিছানে সৰুদেউতা। স্কট চাহাবে মোক ছাপৰাচী লগাই ধৰাই নি বঙলাৰ ভিতৰ সুমাই বিনাহকতে চৰ, গোৰ আৰু ভুকুকেইটা যে মাৰিলে, তাত মোৰ বিশেষ বেজাৰ নাই; কাৰণ আমি ছালছিগা ভিকহু, গোলাম মানুহ। ডাঙৰ মানুহৰ হাতত হকতেই হওক বা অনাহকতেই হওক, কিলটো'

গোৰাটো, চৰটো, ভুকুটো খাই থাকিবলৈকে জনম ধৰিছোঁ; কিন্তু সি গৰু খোৱাই যে পগুপ মাখি ফলে, বোলে সি তিলকা আইদেউক নি মেম চাহেব কৰিবই কৰিব। সেই কথাহে মোৰ বুকুত শাল সোমোৱাদি সোমাইছে। মাৰ কিলৰ অন্ত পৰিলত মই বগা বঙালক কৈ আহিছোঁ যে মই কাঁড়ীৰ ঘৰৰ ল'ৰা, যদিও ধনে মানে ক্ষমতাই মই তাৰ ভৰিৰ ধূলি এটাৰ যুইগ নহওঁ, তথাপি মোৰ শৰীলত জীৱ থাকে মানে সেই কাম সি কৰিব নোৱাৰে। মোৰ কথা শুনা সৰুদেউতা! তুমি এই পাম্রশুৰ চাকৰি এৰি আজিয়েই এই নৰক ঠাইৰ-পৰা তোমাৰ তিৰোতা আৰু ভতিজাজীয়েৰক লৈ গুচি ব'লা। একতিলও তুমি ইয়াত নেথাকিবা। পৃথিৱীত ধৰম একেবাৰেই লোপ পোৱা নাই। মান-মৰাণৰ মলুক গৈ কুম্পানিৰ মলুক হৈছে। কুম্পানিৰ মলুকত ধৰম এতিয়াও আছে। তুমি ঘৰলৈ গৈ খেতি-বাতি কৰাই, আৰু আন একো নোৱাৰা যদি কৰম কৰাই ভাত এগাল মোকলাই খাব পাৰিবা। খাটনিয়াৰ বৰ-দেউতাৰ জীয়েক তোমাৰো জীয়েৰা। মহামেলেছৰ হাতত জীয়েৰাক দি ৰৌ-ৰৌ নৰকলৈ নেযাবা। মই মূৰুখ গৰু মানুহ; আৰু তোমাক কি কম! এতিয়াই তুমি ইয়াৰপৰা আইদেউহঁতক লৈ ঘৰল গুচি যোৱা।"

ভুধৰ ঃ "তোৰ এবিল খায়ো এবুধি নেচাপিল দেখিছোঁ। তই মোৰ ওপৰত কি ভঁৰি কৰোঁতা ওলাইছ অ'? মোক বুজনি দিবলৈ আহিছ? ভালে ভালে মোৰ আগৰপৰা তই আঁতৰ হ।"

"বাৰু সৰু দেউতা, মই আঁতৰ হলোঁ", এই বুলি বাপিৰামে আঠুকাঢ়ি ভুধৰক এটা সেৱা কৰি ততালিকে তাৰপৰা উঠি ক'ৰবালৈ গুচি গ'ল।

## পঞ্চম আধ্যা

ভুধৰ ঃ "কালি বাপিৰামৰ কথাবিলাক ঠহৰ ঠহৰকৈ মোৰ আমঠুত সৰকি গৈছিল, যদিও শেষত মই তাক ডাবি দি গালি পাৰি খেদি দিলোঁ। সি কালিৰপৰা ক'লৈ গ'ল ক'ব নোৱাৰোঁ। কিন্তু সি কিবা এটা কাণ্ড কৰিব বুলি মোৰ ভয় লাগিছে। মই নিশ্চয় অন্যায় কাম, পাপ কাম, জঘন্য কাম কৰিবলৈ আগবাঢ়িছোঁ। মোৰ পৰকাল গ'ল! মই নিগমে বুজিলোঁ! —গ'ল, গ'ল, পৰকালটোনো কোনে দেখিছে, ক'ত আছে, কোনে ক'ব পাৰে? কিন্তু ইহকালৰ সুবিধাটোতো কম নহয়। বৰচাহাবৰ খাটনিয়াৰ, ধন-বিতেৰে চহকী; এই বাগিচাত মানুহ-দুনুহ বনুৱাৰ ওপৰত চাহাবৰ পিচতে গৰাকী; জোঁকতলীত সকলোৰে মাজত ধন-বিত প্ৰতাপত ডাঙৰ। মোগাই হাজৰিকাই মোক দেউতা বুলি মোৰ আগত সেও হ'ব লাগিব। মোগাই! মোগাই! তোক দেখিম! ধান সৰিয়হ এগাল বেচি তোৰ গোটাচেৰেক পইচা হৈছে। তাৰে

বলত তই মোক মানুহ যেনকে নেদেখ! ৰ, তোৰ মূৰৰ টিকনিত ধৰি মই তোক চোচোৰাই লৈ ফুৰিম। তেতিয়াহে বুজিবি, যেতিয়া মই ঘোঁৰাগাড়ীত উঠি ৰংপুৰ চহৰত গা ঘেলাই ফুৰি ফুকন বৰুৱাইতৰ চকুত জালুক বাটি দিম। — আও, ইমানবিলাক ৰূপ পাম! ইমানবিলাক ৰূপ! এহেজাৰ এটকা! এশ, দুশ, তিনিশ, চাৰিশ, পাঁচশ, ছশ, সাত শ, আঠ শ, ন শ, দহ শ, হেজাৰ টকা মোৰ কোন পুৰুষে চকুৰে দেখিছিল? গাভৰু বাঁৰী ছোৱালী ঘৰত ৰখা যে কি বিপদ তাক কোনে নেজানে। কোন দিন কি বাদ-কুবাদ ওলায় কোনে জানে। তেতিয়া সোপাই এনেই "সোপায়ং নমঃ" হ'ব; ইকুল-সিকুল দুই কুল যাব। মইতো তাইক দুখত পেলাবলৈ যোৱা নাই। বৰ চাহাবৰ মেম! বাপৰে বাপ! ৰাণীৰ নিচিনাকৈ অলঙ্কাৰ-পাতি পিন্ধিব, টকা-কড়ি খৰচ কৰিব, খাব-দাব থাকিব। লগে লগে আমি ঘৰে ঘৰোৱাহ বৰ মানুহ। এতিয়া যেয়ে যি কয় কওক, মোৰ পইচা হলে তেতিয়া সকলোৱে আগৰপৰা গুৰিলৈকে আহি মোৰ ভৰিৰ তলুৱা চেলেকিব. শেষত মই বাপিৰাম লগুৱাৰ বুধিত, পৰামৰ্শত, হুকুমত চলিব লাগিবনেকি? ছিঃ! ছিঃ! এইবাৰ বৰচাহাবে তাক পালে একে গোৰেই তাৰ পেটৰ জৰখাপৰি ফালিব। জুইৰে সৈতে খেমালি!"

ভূধৰে এইদৰে মনে মনে ভাবি থাকোঁতেই হঠাৎ সৰুৰাম হাজিৰী মহৰী উধাতু খাই লৰি আহি তেওঁক বাতৰি দিলে যে "বৰচাহাবে দহ নম্বৰ দাগৰ চাহ-বাগিচাডোখৰ চাই বঙলাৰ ফালে উভতি আহোঁতে নিজান বাট-এডোখৰতে কোনোবাই টঙনিয়াই বৰচাহাবৰ ভৰি ভাঙিলে আৰু মূৰটো ফালিলে। ওচৰতে চাহাবৰ ঘোঁৰাটোও কঁকাল ভাগি পৰি চট্‌ফটাই আছে। আপুনি লৰি আহক, বাগিচাত হাহাকাৰ পৰি গৈছে, কোনে এই কাম কৰিলে, তাক বিচাৰি মানুহে চাৰিওফালে পিয়া-পি লগাইছে, কিন্তু পোৱা নাই।"

বৃত্তান্ত শুনি ভূধৰৰ আৰু বুজিবলৈ বাকী নেথাকিল যে তেওঁলোকৰ বুঢ়া লগুৱা বাপিৰামৰে এই কাম। সেই কথা মনতে ৰাখি ভূধৰ ঘটনাস্থললৈ লৰি গ'ল।

ইফালে বাপিৰামে পলাই আহি ৰংপুৰ থানাত খবৰ দিলে যে সি দীঘলি-টিং বাগিচাৰ বৰচাহাবক মাৰি আহিছে। তাক ফাঁচি দিয়ে বৰশীত দিয়ে যি কৰে চৰকাৰৰ ঘৰৰপৰা সোনকালে কৰক।

## ষষ্ঠ আধ্যা

বাপিৰামে যদিও স্কট চাহাবক একেবাৰেই মাৰি থৈ আহিছিলোঁ বুলি ভাবিছিল, কিন্তু চাহাব নমৰিল। বাগিচাৰ ডাক্তৰ আৰু জিলাৰ ডাঙৰ ডাক্তৰৰ

চিকিৎসাত তেওঁ এমাহৰ ভিতৰতে আৰোগ্য হৈ উঠি, চিৰকাললৈ ভাৰতবৰ্ষ এৰি, ঘৃণীয়া শৰীৰ লৈ বিলাতলৈ গুচি গ'ল। বুঢ়া বাপিৰাম তিনি বছৰৰ নিমিত্তে ৰবৰ্ফাটেকলৈ গ'ল। ভুধৰে নিজৰ ঘৈণীয়েক আৰু ভতিজা জীয়েক তিলকাক লৈ চাকৰি ইস্তাফা দি জোঁকতলীলৈ উভতি আহি খেতি-বাতি কৰাই পৈতৃক ব্যৱসায় পূজা-সেৱা আদি কৰি সুখেৰে জীৱন-যাত্ৰা নিৰ্বাহ কৰিবলৈ ধৰিলে। তিলকাৰ হঠাৎ জ্ঞানচকু মুকলি হ'ল। ঈশ্বৰ উপাসনা, পৰৰ উপকাৰ, দয়া ধৰম আৰু পৱিত্ৰতাক কায়মনোবাক্যে তেওঁ স্বয়ম্বৰ কৰি তেওঁৰ ইহকালৰ নিস্ফল জীৱন সফল কৰিলে। বাপিৰামে তিনিবছৰ আনন্দ মনেৰে ফাটক খাটি তাৰপৰা ওলাই আহি আকৌ জোঁকতলীৰ থাট-নিয়াৰৰ ঘৰত তাৰ আগৰ ঠাই আগতকৈও গৌৰৱেৰে পুৰাবলৈ ধৰিলে। বাপিৰাম উভতি আহিলত ভুধৰে তাক আকোঁৱালি মাৰি ধৰি ক'লে, "বাপিৰাম, কাই। তুমি মোৰ বৰ ককাইতকৈও বৰ।"

# নগেন্দ্ৰনাৰায়ণ চৌধুৰী

(১৮৮১—১৯৪৭)

নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে তেওঁৰ 'সোপাধৰা' নামৰ গল্পত কিবা এটা প্ৰসংগত লিখিছিল :

"সিহঁত অসভ্য-বৰ্বৰ সেই কথা তেওঁ (দেৱানে) জমিদাৰক ভালদৰে বুজাই দিছিল। এনেকি জমিদাৰৰ মিতিৰ-কুটুম পৰ্যন্তৰ এই একে দশা। জমিদাৰ ডাঙৰীয়াই দুখ কৰি অমায়িকতা জনাই কৈছিল : 'আপুনি ঠিক কৈছে। এই দেশীয় মানুহ অৰ্থাৎ আমি নিতান্ত নিৰ্বোধ। এই নিমিত্তে এই দেশখন নন্‌-ৰেগুলেটেড্ প্ৰভিন্স হৈ আছে।' দেৱানে শুনি গোঁফৰ তলত হাঁহিছিল। তাৰ পিচত দুখ কৰি কৈছিল—'আপুনি যদি নিজকে বঙালী নহয় বুলি ভাবে, সেইটো বৰ দুখ আৰু লাজৰ কথা।'

"বৰ্তমান জমিদাৰ ডাঙৰীয়াই ভালকৈ বুজিব পাৰিছে, তেওঁৰ প্ৰজা, তেওঁৰ আত্মীয়-স্বজন সকলো অসমীয়া। তেওঁ কেৱল বঙালী। তাৰ প্ৰমাণ, বঙলা দেশত জমিদাৰ পতা সময়ত তেওঁৰ পূৰ্ব-পুৰুষকো জমিদাৰ পাতিছিল। তেতিয়াৰেপৰা দেশীয় মানুহৰ প্ৰতি তেওঁৰ টান কমি আহিছে।"

গল্পৰ ছলেৰে কোৱা এই কথাখিনি নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে আচলতে যে নিজৰ বিষয়েই কৈছিল, সেই কথা বুজিবলৈ বেছি টান নহয়। বৃটিছ শাসনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইকেইখন জিলাৰ ভিতৰত একমাত্ৰ গোৱালপাৰা জিলাতেই জমিদাৰী-প্ৰথা প্ৰচলিত আছিল, আৰু অসমীয়া ভাষা-সংস্কৃতিৰ অন্যতম পীঠস্থান গোৱালপাৰা জিলাৰ জমিদাৰসকলে নিজকে বঙালী বুলি পৰিচয় দি সুখ পাইছিল। এই জমিদাৰসকলে জমিদাৰী পৰিচালনাৰ কাৰণে বঙ্গদেশৰপৰা কৰ্মচাৰী আমদানী কৰিছিল; এই প্ৰবসুৱা বাঙালীসকলে গোৱালপাৰাক বাঙালী অঞ্চলত পৰিণত কৰিবলৈ চেষ্টা কৰিছিল। যিসময়ত গোৱালপাৰাৰ বেছিভাগ জমিদাৰে এই চেষ্টাত ইন্ধন যোগাইছিল আৰু বাংলা ভাষা-সাহিত্যৰ পৃষ্ঠপোষকতা কৰিছিল, সেই সময়ত একমাত্ৰ মেচপাৰাৰ জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়েহে গোৱালপাৰা জিলাত অসমীয়া ভাষা-সাহিত্যৰ ত্ৰাণকৰ্তাৰ ভূমিকা লবলৈ আগবাঢ়ি ওলাই আহিছিল। অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনত ঘটা এটি নাটকীয় ঘটনাই নগেন্দ্ৰনাৰায়ণ চৌধুৰীক তেওঁৰ অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি থকা গভীৰ প্ৰেম প্ৰমাণ কৰিবলৈ এটি সুযোগ দিলে। সেই অধিবেশনৰ সভাপতি বেণুধৰ ৰাজখোৱাই তেওঁৰ ভাষণ-প্ৰসংগত কৰা এটা মন্তব্যত ক্ৰুদ্ধ হৈ স্থানীয় বাঙালী লোকসকলে এটা উত্তেজনাপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰিলে আৰু গৌৰীপুৰৰ জমিদাৰক নেতা হিচাপে লৈ তেওঁলোকে অসমীয়া ভাষা-সাহিত্য বিৰোধী এটা অভিযান চলাবলৈ প্ৰস্তুতি আৰম্ভ কৰিলে। গোৱালপাৰাৰ নেতৃস্থানীয় অসমীয়াসকলে তেতিয়া গৌৰীপুৰৰ জমিদাৰৰ এজন সমান প্ৰতিপক্ষ বিচাৰি মেচপাৰাৰ জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ কাষ চাপিল, আৰু তেওঁক অসমীয়া ভাষা সাহিত্যৰ পৃষ্ঠপোষক হবলৈ অনুৰোধ কৰিলে। এই ঘটনাৰে কলশ্ৰুতি হ'ল 'আবাহন' আলোচনীৰ জন্ম। সাহিত্যানুৰাগী বন্ধুবৰ্গৰ সনিৰ্বন্ধ অনুৰোধত নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে ১৯২৯ চনত 'আবাহন' প্ৰতিষ্ঠা কৰিলে। এই আলোচনীয়ে অসমীয়া সাহিত্যত কি এক গৌৰবময় যুগৰ সৃষ্টি কৰি থৈ গ'ল, সেই কথা আজি ইতিহাসত পৰিণত হৈছে।

আন একোৰে কাৰণে নহ'লেও কেৱল 'আৱাহন'ৰ প্ৰতিষ্ঠাতা হিচাপেই নগেন্দ্ৰনাৰায়ণ চৌধুৰী অসমীয়া সাহিত্যৰ বুৰঞ্জীত চিৰস্মৰণীয় হৈ থাকিবহেঁতেন।

কিন্তু সুখৰ কথা যে সাহিত্যৰ বুৰঞ্জীত নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ এক বিশেষ স্থানৰ দাবী দুচতৰ ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁ অসমীয়া সাহিত্যৰ এজন বিশিষ্ট আৰু তাৎপৰ্যপূৰ্ণ গল্পলিখক। নিজৰ আলোচনী 'আৱাহন'ৰ পাততেই তেওঁ গল্প লিখিবলৈ আৰম্ভ কৰে আৰু স্বকীয় বৈশিষ্ট্যৰ দ্বাৰাই অতি সোনকালেই আৱাহন যুগৰ প্ৰতিভাশালী গল্প-লিখকসকলৰ মাজত নিজৰ কাৰণে এখন সুকীয়া বিশিষ্ট আসন আদায় কৰি লবলৈ সমৰ্থ হয়। তেওঁ লিখি থৈ যোৱা বহুভাগ গল্প কেইবছৰমানৰ আগতে গ্ৰন্থাকাৰে প্ৰকাশ হৈ ওলাইছে। ('নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প' (১৯৬৩) আৰু 'বীণাৰ ঝংকাৰ' (১৯৬৪)।

অসমীয়া গল্প-সাহিত্যত নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্পৰ প্ৰথম উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এয়েই যে তেওঁৰ গল্পতেই সৰ্ব-প্ৰথমবাৰৰ কাৰণে (১) গোৱালপাৰা জিলাৰ, (২) বৃটিছ যুগৰ জমিদাৰী শাসনত প্ৰজাৰ অৱস্থা, আৰু (৩) গাৰো, ৰাভা আদি জনজাতীয় জীৱনৰ বাস্তব চিত্ৰ প্ৰকাশ পাইছিল। তেওঁৰ লেখনীয়ে অসমীয়া গল্পৰ নতুন দিগন্ত উন্মোচিত কৰিছিল আৰু অসমীয়া পাঠকৰ অভিজ্ঞতাৰ পৰিসৰ বৃদ্ধি কৰিছিল। অসমীয়া গল্পত আৰু এটা নতুন বিষয়-বস্তুৰ তেওঁৱেই প্ৰথম অৱতাৰণা কৰিছিল। সেইটো হৈছে money, অৰ্থাৎ মানুহৰ মনস্তত্ত্ব আৰু মানবিক সম্পৰ্কৰ ওপৰত ধনৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া। তেওঁ নিজে জমিদাৰ আছিল কাৰণেই বোধহয় এই বিষয়টো সম্পৰ্কে তেওঁৰ প্ৰত্যক্ষ অভিজ্ঞতালব্ধ জ্ঞান আছিল আৰু তেওঁৰ কেইবাটাও গল্পত তাৰ প্ৰতিফলন ঘটিছিল। তেওঁৰ মান নে অপমান, নৈলাম অনুসন্ধানত, লাহৰী, সোপা-ধৰা, প্ৰতিশোধ নে প্ৰতিদান, অসম্পূৰ্ণ আইন, ভাগ-বাটোৱাৰা, যোৰা-কাঁচী, ধন-উঁৰাল আদি বেছিভাগ বিখ্যাত গল্পৰে কেন্দ্ৰীয় বিষয়বস্তু হ'ল মানবিক সম্পৰ্ক বা ব্যক্তিৰ মনস্তত্ত্বৰ নিয়ামক শক্তি হিচাপে ধনৰ ভূমিকা। আন কোনো অসমীয়া গল্প-লিখকেই এই বিষয়-বস্তুক কেন্দ্ৰ কৰি প্ৰণালীবদ্ধভাৱে ইমান বেছিসংখ্যক গল্প বোধহয় লিখা নাই।

জমিদাৰ হিচাপে তেওঁৰ আৰু যিটো প্ৰত্যক্ষ অভিজ্ঞতা আছিল, সেইটো হৈছে আমোলা-তান্ত্ৰিক দুৰ্নীতি, আৰু দুখীয়া অসহায় প্ৰজাৰ ওপৰত লোভী আৰু নিৰ্বিবেকী কৰ্মচাৰীসকলৰ দ্বাৰা চলা নিৰ্যাতন। অসমীয়া সাহিত্যত প্ৰথম বাৰৰ কাৰণে তেওঁৰ গল্পতেই সমাজৰ এই সমস্যাটো বাস্তৱধৰ্মী আৰু হৃদয়-সংবেদ্য ৰূপত ফুটি উঠে। তেওঁৰ সোপাধৰা নামৰ গল্পটো এই শ্ৰেণীৰ গল্পৰ ভিতৰত বিশেষ ভাৱে উল্লেখযোগ্য।

নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে তেওঁৰ বহুতো গল্পত মনস্তাত্ত্বিক অন্তৰ্দৃষ্টি, সামাজিক সচেতনতা আৰু সংস্কাৰধৰ্মী দৃষ্টি-ভংগীৰো পৰিচয় দিছে। তেওঁৰ মনস্তাত্ত্বিক অনুসন্ধানৰ পৰিচয় ফুটি উঠিছে বীণাৰ ঝংকাৰ, যোৰা-কাঁচী, প্ৰতিশোধ নে প্ৰতিদান আৰু কুক্কুট-মেধ যজ্ঞ আদি গল্পত। তিৰোতাৰ মনৰ ওপৰত ঈৰ্ষাৰ প্ৰতিক্ৰিয়া (বীণাৰ ঝংকাৰ), মৃত্যুৰ মুখামুখি থিয় হৈ সমাজৰ দুটা বেলেগ পৰিবেশ আৰু কালচাৰৰপৰা অহা দুজন মানুহৰ বেলেগ বেলেগ প্ৰতিক্ৰিয়া (যোৰা-কাঁচী), প্ৰণয়ানুভূতিয়ে পুৰুষৰ মনত সৃষ্টি কৰিব পৰা আত্মোৎসৰ্গৰ প্ৰেৰণা (প্ৰতিশোধ নে প্ৰেৰণা) আদি বিভিন্ন বিচিত্ৰ মানসিক অভিজ্ঞতা এই গল্পবোৰৰ প্ৰধান উপজীব্য। পুৰুষ-শাসিত আৰু পৰম্পৰা কবলিত সমাজত তিৰোতাৰ কৰুণ দুখলগা অৱস্থা (মধু-মালতী, অসম্পৰ্ণ আইন, প্ৰতিশোধ নে প্ৰতিদান ইত্যাদি), অজ্ঞ নিৰক্ষৰ মানুহৰ জীৱনত অন্ধ কু-সংস্কাৰে সৃষ্টি কৰা বিপৰ্যয় (মধু-মালতী, ভিক্টোৰীয়া ক্ৰছ), জনজাতীয় জীৱনৰ নিখুঁত বাস্তৱ চিত্ৰ (চুনী), ইত্যাদি বিষয়-বৈচিত্ৰ্যই গল্প লিখক হিচাপে চৌধুৰীৰ অভিজ্ঞতা আৰু মানবীয় সহানুভূতিৰ ব্যাপ্তিৰ পৰিচয় দিয়ে। তেওঁৰ ৰসায়ন নামৰ গল্পটো অসমীয়া সাহিত্যৰ সৰ্ব-প্ৰথম science fiction বা কল্প-বিজ্ঞান কাহিনী বুলি অভিহিত কৰিব পাৰি।

গল্প-লিখক হিচাপে নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে কলা-কৌশল বা সূক্ষ্ম কাৰুকাৰ্যৰ প্ৰতি বিশেষ মনোযোগ দিয়া নাছিল। প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত তেওঁ সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ সমস্যা আৰু জীৱনৰ ছবি সহজ-সৰল ভাষাৰে আৰু ৰচনা-ৰীতিৰে উপস্থাপন কৰিছিল। তেওঁৰ মনোভংগীত ফুটি উঠিছিল দুৰ্বল আৰু অত্যাচাৰিতৰ প্ৰতি সহানুভূতি, অন্যায়ৰ বিৰুদ্ধে বিবেকী প্ৰতিবাদ, সংস্কাৰৰ প্ৰতি আকাংক্ষা। আজিৰ পাঠকৰ দৃষ্টিত তেওঁৰ গল্পবোৰৰ শৈল্পিক মূল্য বা আবেদন বৰ বেছি উচ্চ স্তৰৰ যেন নালাগিব পাৰে, কিন্তু সহানুভূতি-সিক্ত human document বা প্ৰামাণ্য মানবিক দলীল হিচাপে সেইবোৰৰ মূল্য আজিও আছে।

# ভাগ-বাটোৱাৰা

জমিদাৰ-লেখক নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্পৰ এটা প্ৰধান বিষয়বস্তু আছিল ধন, অৰ্থাৎ মানবিক সম্পৰ্ক আৰু ব্যক্তিৰ চৰিত্ৰৰ ওপৰত ধনৰ প্ৰভাৱ। লিখক-পৰিচিতিত এই কথা কৈ অহা হৈছে। 'ভাগ-বাটোৱাৰা'ও এই শ্ৰেণীৰ গল্প। ধনৰ কষটি-শিলত বা ধনৰ প্ৰতি দৃষ্টি-ভংগীৰ যোগেদি এই গল্পৰ বিভিন্ন ব্যক্তিৰ চৰিত্ৰৰ পৰীক্ষা হৈছে। শৰৎ আৰু হেমন্ত দুজন ভাই-ককাই; তেওঁলোকৰ মাজৰ স্নেহ-বন্ধন আৰু আনুগত্য আদৰ্শ-স্থানীয়। ককায়েকৰ ওপৰত সামান্য অভিমান কৰি হেমন্ত যেতিয়া আফ্ৰিকাত চাকৰি কৰিবলৈ গুচি গ'ল, পাওনাদাৰে আহি শৰতক হেঁচা মাৰি ধৰিলে আৰু সঁচাই-মিছাই হেমন্তৰ ধাৰৰ নাম কৈ বাকী সাধিবলৈ ধৰিলে। শৰতৰপৰা টকা আদায় কৰিব নোৱাৰি সিহঁতে হেমন্তৰ উদ্দেশ্যে "জুৱা-চোৰ, ঠগ, বদ্‌মাচ" ইত্যাদি বেয়া কথা কৈ গালি পাৰিলে। কিন্তু হেমন্তই যেতিয়া আফ্ৰিকাৰপৰা ককায়েক আৰু বৈণীয়েকৰ নামত টকা পঠিওৱাৰ কথা প্ৰচাৰ হ'ল, তেতিয়া সেই একেখিনি মানুহেই কৈ ফুৰিবলৈ ধৰিলে—"আগেয়ে কৈছো নহয়, হেমন্ত এজন মানুহ হ'ব"—ইত্যাদি। হেমন্তই বহুত টকা লৈ যেতিয়া আফ্ৰিকাৰপৰা ঘূৰি আহিল, সিহঁতৰ ঘৰলৈ মিতিৰ-কুটুমৰ দিনে-ৰাতিয়ে অহা-যোৱা আৰম্ভ হ'ল, কাৰণ "টকা থকা বুলি শুনিলে মামৰে ধৰা আত্মীয়তা বা বন্ধুত্ব ঘঁহি-মাজি চিকুণ কৰা মানুহৰ দস্তুৰ।" তেনে এজন মানুহ হ'ল আদ্যনাথ; প্ৰথমে তেওঁ হেমন্তক তোষামোদ কৰি আৰু পিচত শৰতৰ বৈণীয়েকৰ বিৰুদ্ধে হেমন্তৰ বৈণীয়েকক উচটাই দি টকা আদায় কৰে। হেমন্তৰ ধনৰ গোন্ধ পাই এদিন শাহুৱেক আহি উপস্থিত হ'ল, আৰু "জীয়েক-জোৱায়েকৰ ভৱিষ্যত ভাবি অস্থিৰ হ'ল।" শৰৎ আৰু হেমন্তৰ বৈণীয়েক যথাক্ৰমে কমলিনী আৰু কুমুদিনী ইমান দিনে অতি মিলেৰে আছিল, কিন্তু এদিন তাইৰ "গিৰিয়েকৰ অৰ্জা সম্পত্তিৰ ওপৰত আনৰ কৰ্তৃত্ব ভাল নলগা হ'ল" আৰু সামান্য কথাতে জা-কৰ লগত দন লাগি একেলগে নোখোৱা হ'ল, অৰ্থাৎ বেলেগ হ'ল। ধনৰ যাদু-স্পৰ্শই এনেকৈ বিভিন্ন ব্যক্তিৰ মুখা খুলি দি স্বৰূপ উন্মোচিত কৰি দিলে, হৃদয়-বৃত্তিক নতুন সাঁচত চালিলে, মানবিক সম্পৰ্কত ওলট-পালট ঘটালে।

কিন্তু গল্পটোৰ আচল চমক ফুটি উঠিছে একেবাৰে সামৰণিত, যেতিয়া দুই ভাই-ককাইৰ মাজত সম্পত্তি ভাগ হব লগা অৱস্থা হোৱাত হেমন্তই বৈণীয়েকক মাতি আনি সুধিছে—"তুমি কি নিবা কোৱা; মোক লাগে নে এই সম্পত্তি লাগে?"

গল্পটোৰ বেছিভাগ চৰিত্ৰই যেতিয়া ধনৰ লোভত ধুলিত লেটি লৈ ধূসৰিত হৈ পৰিছে, তেতিয়া হেমন্তই সকলো লোভ জয় কৰি উচ্চতৰ হৃদয়-বৃত্তিৰ জোৰত মেৰুদণ্ড পোন কৰি থিয় হৈ নিষ্কলংক হৈ আছে। একেটা গল্পতে ধনৰ কষটি-শিলত মানুহৰ ক্ষুদ্ৰতা আৰু মহত্ত্ব উভয়েই প্ৰমাণিত হৈছে।

শৰৎ আৰু হেমন্ত দুই সহোদৰ, কিন্তু দুয়োৰে প্ৰকৃতি আছিল ঠিক বিপৰীত। ককাই শৰৎ অদৃষ্টবাদী। গতিকে অলপতে সন্তুষ্ট আৰু এলেহুৱা। দেউতাকে অলপ মাটি-বাৰী কিনি থৈ গৈছিল। সেইখিনি চলাই যোৱাৰ উপৰিও জাহাজ কোম্পানিৰ কেৰাণীগিৰি কৰে। তাতে যি সামান্য পায় তাৰেই ঘৰখন চলোৱাৰ বাহিৰে ভায়েকক ভাল কৰি পঢ়াই-শুনাই আৰু এটা ভাওৰ চাকৰি দিয়াই সংসাৰখন সুখৰ কৰি তোলে—এয়ে ইচ্ছা; কিন্তু হেমন্তৰ পঢ়া-শুনাত অকণো মন নাছিল। ক্ৰমান্বয়ে তিনিবাৰ চেষ্টা কৰিও প্ৰৱেশিকা পৰীক্ষাকে পাছ কৰিব নোৱাৰিলে।

তথাপি উচ্চ আশা তাৰ ডেকাকলীয়া মনৰপৰা নগ'ল। অদৃষ্টৰ ওপৰত নিৰ্ভৰ কৰি নাথাকি স্বাধীনভাৱে উপাৰ্জন কৰিব পাৰে নে নোৱাৰে তাৰ বাবে চাৰিওফালে খবৰ লৈ ফুৰিবলৈ ধৰিলে।

ককায়েকে দেখিলে, ভায়েকৰ অদৃষ্ট নিতান্ত মন্দ। লিখা-পঢ়া নিশিকিলে। এতিয়া ক'তো চাকৰিৰ চেষ্টা নকৰি দিনে-ৰাতিয়ে ঠিকাদাৰৰ ঘৰ, ধানৰ বেপাৰী, বাহঁৰ বেপাৰী আদিৰ ঘৰত ঘূৰি ফুৰাটোৱে তাৰ প্ৰধান কাম হৈছে। জাহাজৰ ছাৱ এজেন্টক খাটি 'এপ্ৰেন্টিছ' ৰূপে অফিচত কাম শিকিবলৈ দিছিল। কোনোৰকমে দুই মাহমান অফিচত হাজিৰ হৈছিল, কিন্তু তাৰ মন নবহিল। অফিচত যোৱা বন্ধ কৰিলে। ককায়েকে কিমান কলে, কিন্তু সকলো মিছা হ'ল। তেতিয়া তেওঁ ঘৈণীয়েক কমলিনীৰ লগত পৰামৰ্শ কৰি হেমন্তৰ বিয়া পতাৰ ঠিক কৰিলে। সংসাৰত সোমাই নপৰিলে মানুহৰ চৈতন্য নহয়।

হেমন্তৰ কিন্তু বিয়া কৰাৰ ইচ্ছা নাই। সি ভাবে—এই দেশৰ মানুহে এনেই ঘৰবাৰী এৰিব নোখোজে, তাৰ ওপৰত বিয়া কৰালে ঘৰৰ ভিতৰৰপৰা দুৱাৰমুখলৈ ওলাবলৈ নোখোজা হ'ব। তাৰ জীৱন এনেই ঘৰৰ ভিতৰত সোমাই কটাই দিয়ে, এইটো মুঠেই ইচ্ছা নহয়। বাৰীঘৰ কিয়, লাগিলে দেশ এৰি বিদেশলৈ গৈ চাব, কিবা আৰ্জিব পাৰে নে নোৱাৰে। যদি পাৰে—ভাল। নহলে বিয়া তাৰ কপালত নাই।

× × ×

হেমন্তৰ এইবোৰ কথা কিন্তু নিটিকিল। ককায়েকৰ ৰং দেখি সি বিয়া কৰাবলৈ বাধ্য হ'ল। কমলিনীয়ে লগৰী এজনী পাই ৰং পালে।

কুমুদিনী তাইৰ নাম। কাম, বন সকলো বিষয়তে সহায় হ'বলৈ ধৰিলে। কিন্তু শৰতে হেমন্তক চাকৰিত লগাব নোৱাৰিলে। সি গ'লে এতিয়াও জাহাজৰ বৰ বাবুৱে তাক শিক্ষা-নবিচীত ভতি কৰাবলৈ সাজু আছে।

ককায়েকে এদিন অধৈর্য হৈ কৈ দিলে যে তেনেকুৱা ভায়েকৰ মুখ দৰ্শন কৰাও পাপ। হেমন্তই একো নামাতি মনে মনে থাকিল।

পিচদিনা পুৱা উঠি হেমন্ত ফুৰিবলৈ গ'ল, কিন্তু উভতি নাহিল। এনেই ক'ৰবাত ফুৰিবলৈ গৈছে বুলি সকলোৱে ভাবিছিল, যেতিয়া দেখিলে—ৰাতি হৈ গ'ল তথাপি সি উভতি নাহিল, তেতিয়াহে সকলোৰে চিন্তা হ'ল, হেমন্তৰ ঘৈণীয়েক কুমুদিনীক সুধিও একো সম্ভেদ পোৱা নগ'ল।

* * *

ক্রমে দুই-চাৰিজন চিনাকি মানুহ শৰতৰ ওচৰলৈ আহিল। কোনোৱেই দুখ কৰি জনাবলৈ ধৰিলে, কোনোৱেবা শৰতৰ ভ্ৰাতৃস্নেহ আৰু হেমন্তৰ অকৃতজ্ঞতাৰ কথা তুলি তাৰ উদ্দেশ্যে গালি পাৰিবলৈ ধৰিলে। য'লৈকে নাযাওক কিয়, কিছুদিনৰ পিচতে যে উভতি আহি ককায়েকৰ ভৰিত ধৰিব লাগিব, তেনে ভৱিষ্যত-বাণীও কৰিবলৈ ধৰিলে। আদ্যনাথ দদায়েকে সকলোৰে ওপৰত 'টেক্কা মাৰি' ক'লে, "মই আগৰপৰাই জানো—এই কুষ্মাণ্ডৰ মতি-গতি। তই হলি ৰামচন্দ্ৰ কিন্তু সিতো লক্ষ্মণ নহয়—ভৰতহে। সি ঘূৰি নাহি ক'লৈ যাব?"

শৰতৰ খং উঠিলেও তাৰ মনটো আজি বৰ বেয়া লাগিবলৈ ধৰিলে। "আহিব বুলি" কথাষাৰ বৰ ভাল লাগিল আৰু মনে মনে ভগৱানক খাটিলে—যেন এই কথা সঁচা হয়, সি যেন সোনকালে উভতি আহে। আন একো নালাগে। এই সৰু ভায়েকক কেনে মৰমত ডাঙৰ কৰিছে। দেউতাকে বহুদিন আগতে ইহলোক ত্যাগ কৰিছে। মাক ঢুকাবৰ সময়ত কেনেকৈ ভায়েকক তাৰ হাতত গটাই দিছিল,—সকলো কথা মনত পৰিবলৈ ধৰিলে। নকৰিলে নাই চাকৰি, যি কেইদিন ভগৱানে এমুঠি ভাত মিলাব, হেমন্তয়ো অৱশ্যে তাৰ ভাগ পাব। তাৰ অদৃষ্টত লিখা-পঢ়া নাছিল, নহ'ল। চাকৰি নকৰাৰ কাৰণে তাক টান কথা শুনোৱা বাবে শৰতে মনত দুখ কৰিবলৈ ধৰিলে।

সাতদিনৰ মূৰত শৰতে এখন চিঠি পালে। কলিকতাৰপৰা হেমন্তই লিখিছে, "আপোনালোকৰপৰা বিদায় লৈ আহিব নোৱাৰা বাবে বেয়া নাপাব। আগ ধৰি প্ৰকাশ কৰিলে কিজানি মোৰ অহা নহ'লহেঁতেন। চাকৰি পাইছোঁ। আফ্ৰিকালৈ যাব ওলাইছোঁ। কাইলৈ পুৱা আমাৰ জাহাজ এৰিব।"

ঠিকনা নাই। ক'লৈ উত্তৰ দিব লাগিব ঠিক কৰিব নোৱাৰিলে। দৰ-

মহা কিমান তাকো লিখা নাই। টেলিগ্ৰাম কৰি খবৰ আনিবৰো কোনো উপায় নাই। কাৰণ, এই চিঠি পোৱাৰ আগেয়ে জাহাজ কলিকতা বন্দৰ এৰিছে। শৰতৰ মনটো অস্থিৰ হৈ উঠিল। সকলো শুনি হেমন্তৰ ঘৈণীয়েক কুমুদিনীয়ে কান্দিলে। কমলিনীয়েও লগে লগে চকুৰ পানী পেলাবলৈ ধৰিলে। শৰতে এটা হুমুনিয়াহ কাঢ়ি ক'লে, "যাওক,—যাৰ যি কৰ্মফল ভোগক।"

* * *

'ডবলিউ, বনফিল্ড এণ্ড কোং'-ৰে আফ্ৰিকাৰ এখন ডাঙৰ হাবি থকা ঠাই নিৰানব্বৈ বছৰৰ কাৰণে ম্যাদী-পট্টা কৰি লৈছিল। সেই হাবি-বন কাটি চাফ কৰিবৰ কাৰণে ভাৰতবৰ্ষৰপৰা বহুত বনুৱা নিয়া হৈছে। সেই বনুৱাবিলাকক চলাবৰ বাবে কিছুমান মহৰীৰ প্ৰয়োজন। ঠাইখন বৰ ভীষণ। সিংহ, বাঘ আদি বহুতো হিংস্ৰ জন্তুৰে হাবিখন ভৰা। নানা জাতীয় বিষধৰ সাপৰো আৰু অন্ত নাই। ডাঁহ, মহ, চেৰেপা প্ৰভৃতিৰ অত্যাচাৰত দিনে-ৰাতিয়ে আঠুৱাৰ তলত থাকিব পাৰিলেহে অলপ শান্তি। অতিশয় অস্বাস্থ্যকৰ ঠাই। অকল সেয়ে নহয়, এবিধ ডাহো নহয়, মহো নহয়, এনে বিধৰ প্ৰাণী আছে, সেইবোৰে কামুৰিলে মানুহে টোপনিয়াই টোপনিয়াই প্ৰাণ এৰে। এই-বোৰ কাৰণে অলপ-চলপ বেতনতে কোনেও তালৈ যাব নোখোজে। ইয়াৰ আগতে যোৱা বহুতেই অলপ কেইমাহৰ ভিতৰতে ঢুকাইছে বোলে। যি-কেইজন আছে, সিহঁতেও শুচি আহিব পাৰিলেই ৰক্ষা পায়। গতিকে মাহে ১৫০ টকা বেতন দি তালৈ মানুহ নিব ধৰিছে। সিও আকৌ বছৰত ২৫ টকাকৈ বাঢ়ি গৈ তৃতীয় বছৰত পূৰাপূৰি ২০০ টকাকৈ পাব। তিনি বছৰৰ এগ্ৰিমেণ্ট দি যাব লাগিব। লিখা-পঢ়া বেছি নাজানিলেও চলে। অকল লাগে চাহাবৰ কথা বনুৱাবিলাকক আৰু বনুৱাৰ কথা চাহাবক বুজোৱাৰ কাৰণে কাম চলা ইংৰাজী মাতিব পৰা স্বাস্থ্যৱান মানুহ।

হেমন্তৰ সেইবিলাক গুণ ভালেই আছিল। স্কুলত থাকোঁতে শ্ৰেণীত পঢ়া দিব পাৰক নোৱাৰক ধেমালি কৰি লগৰীয়া ছাত্ৰবিলাকৰ সৈতে শুদ্ধই হওক বা ভুলেই হওক ফৰাফৰ্ ইংৰাজী মাতিছিল। কালক্ৰমত সেয়ে তাৰ অনৰ্গল ইংৰাজী মাতিবৰ শক্তি দিলে। সকলো বিধৰ খেল আৰু জিমনা-ষ্টিকত সি এজন ওস্তাদ। তাৰ উপৰিও ডাম্বেল আদিৰে ব্যায়াম কৰা আৰু পশ্চিমৰ বনুৱা, ৰান্ধনি বা আন কোনো মানুহ, যিজনেই অলপমান কুস্তিৰ 'প্যাচ' জানিছিল তাৰ তাত গৈ যিকেইটা প্যাচ পায় তাকে শিকা হেমন্তৰ এটা প্ৰধান কাম আছিল। শৰীৰত কিছু শক্তিও হৈছিল। অকল এই শক্তিখিনিৰ ওপৰতে নিৰ্ভৰ কৰি বিদেশলৈ যাবলৈ তাৰ সাহ। কোনোবাই যদি তাক এটা ঘুচি লগাই দিয়ে তেনেহলে সিও এৰি নিদিয়ে।

এই যাত্ৰাত কোম্পানিয়ে মুঠতে ১৬ জন মহৰী লৈ যাবলৈ ধৰিছে। সকলোকেইজন বঙালী, অকল হেমন্তহে অসমীয়া।

পুৱা সাতমানত জাহাজ এৰিলে। নতুন ঠাই দেখাৰ নতুন আনন্দত সকলো মতলীয়া। চাৰে বাৰমানত যেতিয়া জাহাজ গঙ্গা-সাগৰ এৰি বঙ্গোপ-সাগৰত পৰিল তেতিয়া ভাৰতীয় সকলো যাত্রীয়ে মাতৃভূমিৰ ফালে চাই ল'লে। ···চাৰিওফালে অকল নীলা পানী। ইয়াকে কলীয়া-পানী বুলি কয়। ওপৰতো উজ্জ্বল অনন্ত নীল আকাশ।

জাহাজ কলম্বোত গৈ দুদিনমান থাকি পোনে পোনেই আফ্রিকালৈ যাব। ডেকৰ মাজত প্ৰায় দুশ বনুৱা সেই হাবি কাটি কোম্পানিৰ অৰ্থাগমৰ পথ পৰিষ্কাৰ কৰিবৰ কাৰণে যাবলৈ ধৰিছে। এইদৰে প্ৰায় প্ৰতি মাহে বনুৱা চালান হবলৈ ধৰিছে। হেমন্তই ভাবিলে—"আই ভাৰত মাতা,—তোৰ সন্তানৰ পৰিশ্ৰমৰ সুফল ভোগ কৰিব আন দেশৰ কোম্পানিয়ে! এনে সুসন্তান প্ৰসৱ কৰিব নোৱাৰনে, যিজনে অহোপুৰুষাৰ্থ কৰি এনে বিধৰ কোম্পানি খুলি বাহিৰৰ টকা ঘৰলৈ আনিব পাৰে?"

হেমন্তৰ দেশ এৰি বিদেশলৈ যোৱা কথা চাৰিওফালে প্ৰকাশ হৈ পৰাত য'ত তাৰ যিমান পাওনাদাৰ আছিল সকলোৱে আহি শৰতৰ তাত হাজিৰ হ'ল। বজাৰৰ এজন কাপোৰৰ দোকানীয়ে জনালে, তাৰ দোকানৰপৰা হেমন্তই দুই যোৰ কোট-পেন্ট আৰু আধা ডজন কামিজ দুই চাৰিদিনতে দাম দিব বুলি বাকী কৰি লৈ গৈছে। তাৰ বাকীখিনিৰ কাৰণে সকলোৱে বৰকৈ ধৰিলে। শৰতে সকলোকে কৈ দিলে,—"মই সেইবোৰ একো নাজানো। যেয়ে বাকী লৈছিল সেয়ে দিব। কোনোবাই সুধিছিল জানো তাক বাকী দিয়া উচিত হয় নে নহয়? মোৰ গাত একো জগৰ লগা নাই।"

দোকানী গুচি গ'ল অৱশ্যে, কিন্তু যোৱাৰ আগতে হেমন্তৰ উদ্দেশ্যে,—"জুৱাচোৰ ঠগ, বদমাচ" ইত্যাদি বেয়া কথা কৈ গালি পাৰি ল'লে। শৰতে আৰু কি কৰিব? কথাবোৰ শুনি হজম কৰিলে। কিন্তু কুমুদিনীৰ অন্তৰত বৰ আঘাত লাগিল।—এজন সাধাৰণ দোকানীয়ে ভদ্ৰলোকৰ দুৱাৰ মুখত থিয় হৈ ইমান কথা শুনাই গ'ল! তাইৰ ইচ্ছা হ'বলৈ ধৰিলে—বৰজনাই এখন দাৰে দোকানীটোৰ মূৰটো কাটি লৈ আহে। তাই যদি মতা মানুহ হ'লহেঁতেন তেনেহলে কেতিয়াও এই গালি শুনি বহি নাথাকিলহেঁতেন; কিন্তু যাৰ ধাৰ শুজিবৰ উপায় নাই, তেওঁৰ ধাৰ কৰা বা বাকী কৰি বস্তু কিনাৰ দৰকাৰ কি?

আকৌ ভাবিলে, যাৰ গিৰিয়েকৰ এযোৰ চোলা-কাপোৰ কিনিবৰ ক্ষমতা নাই, তাৰ ঘৈণীয়েকৰ কাণত সোণৰ কেৰু, হাতত খাৰু আৰু গলত মণি-মাদুলী কি নিমিত্তে?

তেতিয়াই কুমুদিনীয়ে নিজৰ গাৰপৰা অলংকাৰখিনি সোলোকাই লৈ গিৰিয়েকৰ কোট-পেন্ট প্ৰভৃতিৰ দামখিনি আৰু কাৰ কিমান পাওনা আছে সকলো দিবৰ বাবে কমলিনীক দি বৰজনাকৰ হাতত দিবলৈ অনুৰোধ

কৰিলে। কমলিনীয়ে গহনাবিলাক হাতত লৈ তাইক ক'লে,—"তুমি বলিয়া নহ'বা, অলংকাৰ তিৰোতাৰ আপদ-বিপদৰ সম্বল। এইখিনি গ'লে পিচত ?"

"পিচত ! মোৰ অদৃষ্টত যি আছে সেয়ে হ'ব,—আপুনি এইবোৰ দিয়ক-গৈচোন !"

কমলিনীয়ে সেইবোৰ লৈ গিৰিয়েকক দিলেহি। শৰতে ভাই-বোৱাৰী-য়েকৰ পতি-ভক্তি আৰু আত্মসন্মানবোধ দেখি মনে মনে ৰং পালেও সেইবোৰ নিনিলে। ঘৈণীয়েকক ক'লে, "দোকানীৰ কথাও বিশ্বাস কৰিবৰ একো নাই। ইয়াৰ ভিতৰত আন বন্দৱস্তও থাকিব পাৰে। বস্তুৰ ভাল-বেয়া, বেছি-কমো হ'ব পাৰে। হেমন্ত যেতিয়া উভতি আহিব, তেতিয়া ব্যৱস্থা কৰা হ'ব। নাইবা তাৰ চিঠি পালে দাম দিয়া হ'ব। এতিয়া মনে মনে থাকিবলৈ ক'গৈ।"

সেইদিনা এইখিনিলৈকে। কিন্তু কুমুদিনী অস্থিৰ হৈ উঠিল, যেতিয়া নিতৌ শুনিবলৈ ধৰিলে ওৰে ৰাজ্যৰ মানুহ শৰতৰ শুভাকাংক্ষী সাজি আহি হেমন্তক নিন্দা কৰিবলৈ ধৰিলে। সেইবোৰ কথা শুনি বৰজনাকে একো নামাতে বৰং সিহঁতকহে ধঁপাত-তামোল আদি খুৱাই সন্তুষ্ট কৰে। তাইৰ একোবাৰ মনত এনে ভাব হ'বলৈ ধৰিলে—এই সংসাৰ এৰি হাবিত নাইবা, মাকৰ ঘৰলৈ গুচি যায়। কুমুদিনীৰ দেউতাক তেতিয়া জীয়াই নাছিল।

সমুদ্ৰ উপকূলৰ এখন সৰু নগৰৰপৰা নৈত জাহাজ আৰু নাৱেদি আৰু পিচত ঘোঁৰা, গৰুৰ গাড়ী, গাধ প্ৰভৃতিৰে পাঁচ ছয়শ মাইল যোৱাৰ পিচত হেমন্তহঁতৰ দলটো সিহঁতৰ কৰ্মস্থল গৈ পালে। পঞ্চাশ-ষাঠিজন কৰি মানুহ গোটখাই হাবি কাটিব লাগে। নহলে দিনৰ পোহৰতে হিংস্ৰ জন্তুৰ হাতত পৰিবৰ ভয়। ৰাতি বাঁহ-কাঠ আদিৰ বেৰেৰে আগুৰি তাৰ ভিতৰত জুই জ্বলাই ১৫০।২০০ বনুৱাই, বাবুৱে, চাহাবে মিলি থাকিবৰ ব্যৱস্থা। চাহাব আৰু বাবুবিলাক মাজত আৰু তাৰ চাৰিওফালে থাকে বনুৱা। গৰু, ঘোঁৰা প্ৰভৃতিৰ ঠায়ো সেই গড়ালৰ ভিতৰত।

ইমান বন্দবস্তৰ মাজতো প্ৰথম নিশাতে হেমন্তই যি দেখিলে, তাতে তাৰ ডেকাকলীয়া বীৰ-হৃদয় ভয়ত কঁপি উঠিল। কেনেবাকৈ এটা সিংহই গড়ালৰ বেৰৰ ওপৰেদি বগাই ভিতৰত সোমাইছিল। কাফ্ৰি বনুৱাবিলাক সিংহৰ গতিবিধি সম্বন্ধে বৰ ওস্তাদ। কেনেবাকৈ গম পাই কোনো ৰকমে মৰণৰ হাত সাৰিলে; কিন্তু এজন ভাৰতীয় বনুৱাৰ ইহ-জীৱনৰ ৰোজগাৰৰ প্ৰয়োজন চিৰকালৰ কাৰণে নাইকিয়া কৰি দি পশুৰাজে তাক মেকুৰীয়ে নিগনি নিয়াৰ দৰে মুখত কৰি লৈ গুচি গ'ল। মহা গোলমাল লাগিল। বন্দুকৰ "গুৰুম্ গুৰুম্" আৱাজ হ'ল, কিন্তু বহুত পিচত। দেশবাসী যে কাক বোলে তাক বিদেশত নাথাকিলে বুজিব নোৱাৰি। আজি বিদেশলৈ আহি হেমন্তই দেশ-বাসীৰ মৰম ভাল কৰি জানিছে। এজন দেশবাসীৰ অপমৃত্যুত তাৰ অন্তৰ উদাস হৈ গ'ল।

কেইদিনমানৰ পিচত হেমন্তই দেখিলে, এনে ঘটনা মাজে-সময়ে ঘটি আছে। কিন্তু চাই চাই আৰু মৰণৰ চিঞৰ শুনি শুনি তাৰ সহ্য হৈ গৈছে। মনত আৰু বিশেষ ধিক্‌কাৰ নাহে। সিংহ, সাপ বাঘ, প্ৰভৃতিয়ে যিমান মানুহ ধ্বংস কৰিব পাৰে কৰিছে। তাৰ বাহিৰেও জঙ্গলী বেমাৰত পৰি দিনে-ৰাতিয়ে মানুহ মৰি অন্ত হ'ব ধৰিছে। তাৰ ওপৰত চালকৰ অত্যাচাৰো নিচেই কম নহয়। সেইবোৰ দূৰ-দূৰণিৰ হাবিৰ ঘটনা সভ্য জগতৰ কাণত নপৰে। পৰিলেও কলাৰ দৰে ভাও জুৰি থাকে।

হেমন্তই চাকৰিত সোমোৱাৰ দ্বিতীয় মাহৰপৰা ককায়েকৰ নামত ত্ৰিশ আৰু ঘৈণীয়েকৰ নামত দহ টকা ৰূপ নিয়ম মতে পঠিয়াই আছে। এই কথা জানিব পাৰি যিবিলাক মানুহে আগতে তাক নিন্দা কৰিছিল সিহঁতেই এতিয়া কৈ ফুৰিবলৈ ধৰিলে--"আগেয়ে কৈছোঁ নহয়, হেমন্ত এজন মানুহ হ'ব। তাৰ নিমিত্তে তোমালোকৰ কোনো চিন্তা নাই।"

আদ্যনাথ দদায়েকে হাঁহি হাঁহি ক'লে, —"চোৱা, মোৰ কথা তোমালোকে বিশ্বাস কৰিব নোখোজা। এতিয়া চোৱা। মই আগেয়েই কোৱা নাছিলোঁ জানো?"

মহৰীবিলাকৰ ওপৰৰ এজন সৰু চাহাবৰ জঙ্গলী বেমাৰ হ'ল। তাত থাকিলে মৃত্যু নিশ্চয় জানি তেওঁ ছুটি লৈ স্বদেশ বুলি গুচি গ'ল। হেমন্তৰ মাত-বোল, স্ফূৰ্তি, কাম-বনত তৎপৰতা প্ৰভৃতি দেখি বৰ চাহাবে ভাল পাইছিল। তদুপৰি এদিন বৰ চাহাবক এটা কাফ্ৰি বনুৱাৰ আক্ৰমণৰপৰা ৰক্ষা কৰিছিল। তাৰ পুৰস্কাৰ স্বৰূপে সেই চাহাবৰ ঠাইত তাক 'একটিং' দিলে। কিন্তু দৰ-মহা দিব ধৰিলে চাৰিশ টকা মাথোঁ। চাহাবজনে পাইছিল ছয়শ টকা কৰি। হেমন্তই বৰ ৰং পালে। তাৰ জীৱনত কেতিয়াবা সি মাহিলি চাৰিশ টকা দৰমহা পাব বুলি কোনো দিনো আশা কৰা নাছিল। তদুপৰি এতিয়া তাৰ মহৰীতকৈ পৰিশ্ৰম বহুত কম। হিংস্ৰ জন্তুৰ হাতত মৰিবৰ ভয় নাই বুলিলেই হয়।

দৰমহা বাঢ়ি যোৱাৰ লগতে হেমন্তই ককায়েকক দহ টকা আৰু ঘৈণী-য়েকক পাঁচ টকা ৰূপ বঢ়াই দিলে। অলপ কেইদিনতে এই কথা প্ৰকাশ হৈ পৰিল। আকৌ মিতিৰ-কুটুমে আহি শৰতহঁতক হেমন্তৰ প্ৰশংসা শুনাই গ'ল। আদ্যনাথ দদায়ে আকৌ এবাৰ নিজৰ ভৱিষ্যত-বাণী সফল হোৱা সম্বন্ধে শৰতক সোঁৱৰাই দি তাৰপৰা দুই টকা ধাৰলৈ খুজি লৈ গ'ল। আন কিছুমানে আহি নিজ নিজ ককাই বা ভাইৰ মনুষ্যত্বৰ অভাৱৰ কথা বৰ্ণাবলৈ ধৰিলে। সিহঁতে বোলে বহু টকা আৰ্জে, কিন্তু প্ৰকৃত অভাৱ জানিব পাৰিও সহায় নকৰে। অথচ বাহিৰত খৰচ কৰাত হ'লে ত্ৰুটি নাই।

হেমন্তৰ চুক্তি শেষ হৈ যোৱাত নতুনকৈ আকৌ তিনি বছৰৰ চুক্তি কৰিলে। বৰ চাহাবে তাক বৰ মৰম কৰে। নতুন বন্দৱস্তত পাঁচশ টকা

কৰি ঠিক হৈছে। ছয়শ ৰূপ মাহিলি দি সৰু চাহাব-বিলাকৰ সমান কৰি দিলে কোম্পানিৰ ডিৰেক্টৰবিলাকে বেয়া পাব। কাৰণ ভাৰতবাসীক বগা চাহাববিলাকৰ সমান বেতন দিবৰ নিয়ম নাই। গতিকে এশ টকা কম কৰি দিয়াৰ দিহা হ'ল। যি নহওক, বহু দিন ঘৰবাৰী এৰি আছে—এবাৰ চাই অহা উচিত বুলি হেমন্তই তিনি মাহৰ কাৰণে ছুটি লৈ ঘৰলৈ আহিল। হাবিৰ মাজত খোৱা-বোৱা আৰু যৎসামান্য কাপোৰ-কানিৰ বাহিৰে তাৰ আন খৰচ নাছিল। খোৱাবস্তুও কোম্পানিয়ে পাইকাৰী বেচত কিনি বিনা লাভত নিজৰ মানুহক যোগাইছিল। সেইবাবে দৰমহাৰ সৰহ ভাগেই জমা হৈছিল। তাৰ বাহিৰেও ইফাল সিফাল কৰি বনুৱাৰ হাজিৰা লিখা, কুইনাইনৰ সলনি বনুৱা-বিলাকক মাজে সময়ে দেশী দৰব খুওৱা প্ৰভৃতিৰ বাবে আন চাহাবৰ দৰে হেমন্তয়ো মহৰীবিলাক আৰু ডাক্তৰৰপৰা এটা অংশ পাইছিল। তাতেও কিছুমান টকা আৰ্জিছিল। ঘৰত আহি মুঠতে কাপোৰ-কানি আদিৰ বাহিৰেও দহ হাজাৰ টকা ৰূপ ককায়েকৰ হাতত দিলে। লগতে ঘৈণীয়েকৰ হাততো ৫০০ টকা বেলেগে দিলে।

হেমন্ত তিনিবছৰ পিচত উভতিছে। তাৰ ওপৰত ইমানবোৰ টকা আনিছে, এই কথা ঘৰৰ কোনেও কেতিয়াও আশা কৰা নাছিল। তাৰ খাতিৰ-যতনৰ অন্ত নোহোৱা হ'ল। ওচৰ-চুবুৰীয়াসকলে শুনিলে—বহুত টকা আনিছে। কিন্তু কিমান তাক হ'লে কোনেও নাজানে। গতিকে নিজ নিজ অনুমান আৰু কল্পনাৰ আশ্ৰয় লৈ কোনোবাই লাখ টকা, কোনোবাই পঞ্চাশ হাজাৰ বুলি কৈ ফুৰিবলৈ ধৰিলে। যাৰ যাৰ মনত হিংসা হ'ব ধৰিলে সিহঁতে ক'লে,—"ইঃ, লাখ টকা এটা মুখৰ কথা? বৰ বেছি হ'লে দুই-চাৰি হাজাৰমান আনিব পাৰে। তাৰনো কিমান বিদ্যা-বুদ্ধিটো?—থৈদে এইবোৰ ফোঁপ-যহী কথা।"

আদ্যনাথ দদায়ে নিতৌ হেমন্তহঁতৰ ঘৰলৈ আহিবলৈ ধৰিলে। ইমান দিনে কুমুদিনীক সান্ত্বনা দিওঁতা তেওঁৰ বাহিৰে যে আন কোনো নাছিল সেই কথা নিতৌ সোঁৱৰাই দিবলৈ ধৰিলে। প্ৰথম দিনা পাঁচ টকা আৰু নিতৌ দুই চাৰি অনা কৰি খুজি নিবলৈ ধৰিলে।

ছুটিৰ তিনি মাহ বৰ আনন্দেৰে কিন্তু বৰ বেগেৰে পাৰ হ'ল। দেনাদাৰ-পাওনাদাৰ সকলোৰে সকলো গোলমাল নিষ্পত্তি হৈ গৈছে। মিতিৰ-কুটুমৰ দিনে-ৰাতিয়ে অহাযোৱা। টকা থকা বুলি শুনিলে মামৰে ধৰা আত্মীয়তা বা বন্ধুত্ব ঘঁহি-মাজি চিকুণ কৰা মানুহৰ দস্তুৰ।

শৰতৰ এটি ল'ৰা হৈছিল। তাৰ বয়স এতিয়া আঢ়ৈ বছৰ। এই কেইদিন দদায়েকৰ কোলাত উঠি ফুৰি মিঠাই-বিস্কুট আদি খাবলৈ পাই লগ নেৰা হৈছে। সেই কাৰণে হেমন্তৰো মন ঘৰ এৰিব নোখোজা হৈছে। কুমু-দিনীয়ো গিৰিয়েকৰ দীঘল প্ৰবাসৰ কথা মনত কৰি হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে। কিন্তু হেমন্তক তাৰ কৰ্তব্যই বৰকৈ টানিলে। বয়স আৰু শক্তি

থাকোঁতে টকা আৰ্জিব নোৱাৰিলে আৰু কেতিয়া আৰ্জিব ? বিশেষকৈ 'এগ্ৰি-মেণ্ট' দিয়া চাকৰ যেতিয়া।

ককায়েকে পঞ্জিকাখন চাই এটা ভাল দিন ঠিক কৰি দিলে। সেইদিনা ঘৰৰ সকলোৱে চকুত পানী, হেমন্তই বয়স বুজি প্ৰণাম-আশীষ লৈ আৰু দি আকৌ কৰ্মস্থল বুলি ৰাওনা হ'ল।

জোঁৱায়েকক চাবৰ বাবে শাহুৱেক পাৰ্বতী আহি এই তিনি মাহ একেলগে আছে। তেৱোঁ হাও হাওকৈ কান্দি পেলালে।

শৰতে ভগা ঘৰবাৰী সংস্কাৰ কৰি ললে। কমলিনীয়ে পৰামৰ্শ দিছিল-ঘৰবোৰ নতুনকৈ সাজি গৃহ-বিলাসিতাৰ পৰিচয় দিবৰ বাবে। কিন্তু তেওঁৰ দৃষ্টি আছিল আনপিনে। বহি খাবৰ যাৰ ব্যৱস্থা আছে তাৰ পক্ষে নগৰত ধুনীয়া ঘৰ শোভা পায়। যাৰ সামান্য চাকৰিৰ ওপৰত নিৰ্ভৰ, তাৰ পক্ষে নগৰত ঘৰবাৰী সাজি টকা বন্ধ কৰা কোনোমতে যুগুত নহয়। আজি তেওঁৰ অভাৱ হ'লে পৰিয়ালটোৱে ঘৰ কামুৰি খাই জীয়াই থাকিব নোৱাৰে। তাতকৈ গাঁৱত খেতি কৰা মাটি কিনি ল'ব পাৰিলে বিপদৰ সময়ত অন্ততঃ পেটত দুমুঠি ভাত দিব পাৰিব। ল'ৰা-ছোৱালীৰ শিক্ষা ? টকা থাকিলে বোৰ্ডিঙত নাইবা কাৰো ঘৰত আশ্ৰয় লৈও পঢ়িব পাৰিব। তেওঁ আধামান টকা বেঙ্কত থৈ বাকী আধাখিনিৰে এখন খাত কিনি ৰাখিলে।

শৰতহঁতৰ অৱস্থাৰ পৰিৱৰ্তন হ'ল। কমলিনীয়ে ঘৰৰ কৰ্ত্ৰী। কুমু-দিনীয়ে অকল তাঁত বয় আৰু অবসৰ সময়ত মাছৰ বাকলিৰে নানা নক্সা, টেবুল-ক্লথ আদি সাজে। কমলিনীৰ সৰু ল'ৰা বসন্ত। এবাৰ মাকৰ কোলাত এবাৰ খুৰীয়েকৰ কোলাত থাকে। সংসাৰখন বৰ সুখৰ হৈ উঠিল। অকল হেমন্ত প্ৰবাসত। এয়ে যি দুখ।

মিতিৰ-কুটুমৰ অহা-যোৱা বাঢ়ি গৈছে। অৱস্থাৰ লগে লগে বোধকৰোঁ বিদ্যা-বুদ্ধিও বাঢ়ি গৈছিল। নহ'লে যিবোৰ মানুহে কেতিয়াও শৰতক গ্ৰাহ্য নকৰিছিল সিহঁতৰ হোৱা নোহোৱা কথাতে তেওঁৰ তালৈ পৰামৰ্শৰ নিমিত্তে আহিবলৈ ধৰিলে কিয় ? কিন্তু অসূয়া-প্ৰবৃত্তি, পৰশ্ৰী-কাতৰতা কিছুমান মানুহৰ বৰ প্ৰবল। শৰতহঁতৰ সুখ দেখি সিহঁতৰ অসহ্য হ'ল। কুমুদিনীৰ ওপৰত অতিমাত্ৰাই সহানুভূতিসম্পন্ন হৈ উঠিল। কমলিনীহঁতে যে তাৰ সৰ্বনাশ কৰিবলৈ ধৰিছে, দিনে-ৰাতিয়ে ফুচুলাই মন ভাঙিলে। তৰ ফলত ঘৰ ভাঙিল।

আদ্যনাথ দদায়ে হেমন্তৰ আগত যেতিয়া তাৰ প্ৰশংসাত শতমুখ হৈছিল, তেতিয়া কমলিনীয়ে হাঁহি দিছিল। দদাইদেৱে ভাবিলে, এই কমলিনী ছোৱালী-জনীৰ প্ৰগল্‌ভতা বা পাতল্লামিতে তেওঁৰ প্ৰাপ্তি কমিল। নাইবা, যি মানুহে লাখ টকা ঘৰলৈ লৈ আহিছিল, সেই মানুহে তেওঁক এশমান টকাও নিদিলে-

হেঁতেন নে ? নিশ্চয় দিলেহেঁতেন। এনেই নিদিলেও ধাৰলৈ দিবও পাৰিলে-হেঁতেন অৱশ্যে।

আদ্যনাথ দদাই কাৰো বাপেকৰ ভায়েক নহয় অৱশ্যে। কিন্তু তেওঁ এই নগৰৰ সকলোৰে দদাই। সকলোৰে ঘৰতে তেওঁৰ অবাধ গতি। সকলোৰে-পৰা টকাটি, সিকাটি খুজি পায়। কেতিয়াবা ধাৰ বুলি লৈ যায়। নকলওে চলে-শুজিবৰ কথা হ'লে কোনেও শুনা নাই। তেওঁ কমলিনীয়ে নুশুনাকৈ কুমুদিনী আৰু তাইৰ মাকৰ প্ৰশংসা গাই মাজে সময়ে দুই এটকা সৰকাবলৈ ধৰিলে। অকল সেয়ে হ'লে কোনো কথা নাছিল। কুমদিনীক বুজাবলৈ ধৰিলে, এই সংসাৰ তাইৰ গিৰিয়েকৰে। শৰতৰনো কিমান উপাৰ্জন ?

পাৰ্বতীয়ে পতি-বিয়োগ-বিধুৰা জীয়েকক এৰি ঘৰলৈ যাব পৰা নাই। কুমুদিনীয়েও এৰি দিয়া নাই। ঘৰত জা-দেৱৰেকৰ লগত সদায় দ্বন্দ্ব লাগি থাকে কাৰণে তেওঁক বেলেগ কৰি দিছিল। এতিয়া অকলশৰীয়া তেওঁ। গতিকে ঘৰ-বাৰী এৰি জোঁৱায়েকৰ ঘৰতে স্থায়ীৰূপে থাকিবৰ ব্যৱস্থা হ'ল। কেইদিনমান থাকি তেওঁ জীয়েক আৰু জোঁৱায়েকৰ ভৱিষ্যত ভাবি অস্থিৰ হ'ল। কুমুদিনীক ভালকৈ বুজাই দিলে যে তাই অলপমান ডাঠ হোৱা উচিত, ন'হলে নিজৰ সম্পত্তি লোকে ধ্বংস কৰিব। দদায়ে সেই কথাৰ ধুৱা ধৰিলে। কুমুদিনী সত্যযুগৰ ছোৱালী নহয়, এই কলিযুগৰে। নিজৰ গিৰি-য়েকৰ অৰ্জা সম্পত্তিৰ ওপৰত কৰ্তৃত্ব ভাল নলগা হ'ল। ওচৰ-চুবুৰীয়া দুই চাৰিজন বয়সীয়াল তিৰোতাৰপৰাও এই সম্বন্ধে সহানুভূতি পাই কুমুদিনীয়ে এদিন আত্মপ্ৰকাশ কৰিলে। কিবা এটা সামান্য কথা লৈ জা-কৰ লগত দ্বন্দ্ব লাগি একেলগে নোখোৱা হ'ল। পাৰ্বতীৰ মনোবাঞ্ছা পূৰ্ণ হ'ল।

শৰতে নিৰুপায় হৈ কাজিয়া ভাঙি দিবলৈ আদ্য দদাইক খাটনি ধৰিছিল। "বাৰু ক'মদে। ই কি কথা, একে পেটৰ ভাই-ককাইৰ সংসাৰ। তাৰ মাজতনো এইবোৰ কি ? মই বুজাই দিম বোপা—তই একো নাভাবিবি।" এই বুলি কৈ আদ্যনাথে কুমুদিনীৰ ওচৰত গৈ মিচিকি হাঁহি এটা মাৰি আনে নুশুনাকৈ ক'বলৈ ধৰিলে, "চা তোক বুজাই-বৰাই আকৌ একে লগ কৰি দিব লাগে। মোৰ বোপায়ে বুজি পাইছে, লোকৰ ধন ভাগি ভোগ কৰাৰ সুবিধা আৰু সৰহ দিন নাথাকিব। তই কাৰো কথা নুশুনিবি।"

পাৰ্বতীয়ে হাঁহি হাঁহি ওচৰত বহি মাত লগালে, "স্বাৰ্থ। স্বাৰ্থ !! মই থাকোঁ মানে মিল হ'ব নিদিওঁ। যি বেলেগ হ'ল হ'লেই।"

দদায়ে অভয় দি উত্তৰ দিলে—"মই থাকোঁতে তোমালোকৰ একো ভয় নাই। অধৰ্ম কৰি কাৰো সৰ্বনাশ কৰাটো মই সহিব নোৱাৰোঁ। পিছে দুটামান টকা নিদিলে আজি মোৰ নচলে দেখোঁ ? তোমালোকৰ খায়ে মই মানুহ।" আদ্যনাথ দদাইৰ ধৰ্মজ্ঞান চাই কুমুদিনীৰ হাঁহি ওলাইছিল। কিন্তু এনে এজন সহানুভূতি দেখুওৱা মানুহক বৰ ভাল লাগিল। পৰম সমাদৰ

কৰি বহুৱাই তামোল-ধপাত দিলে। নানা গোপন পৰামৰ্শৰ পিচত দুট টকা দি বিদায় কৰিলে। যাবৰ সময়ত আদ্যনাথ দদায়ে শৰৎ আৰু কমলিনীক লগ ধৰি ক'লে কাণে কাণে ফুচ্ ফচাই, "ভয় নাই। অবুজ। খণ্ডত বেলেগে ৰান্ধি খাইছে, খাওকচোন কেইদিনমান। তোমালোকৰ ওপৰত ভক্তি আছে। বাৰু, আজি আহিলোঁ। কাইলৈ আকৌ আহিম। বুজাই ঠিক কৰিম। পিছে মোক দুটামান টকা লাগিছিল। তোমালোকৰ খাই মই মানুহ।" শৰতে ঘৈণীয়েকক টকা এটা আনি দিবলৈ ক'লে—"উপকাৰী বন্ধুৰ অভাৱ!"

হেমন্তই ককায়েক আৰু বৌৱেকৰ বিৰুদ্ধে ঘৈণীয়েকৰপৰা নানা কথা লিখা চিঠি পাবলৈ ধৰিলে। দোষৰ অন্ত নাই। বিদেশত থাকি, এইবোৰ ঘৰুৱা বিবাদৰ কথা জানিব পাৰি অলপ অশান্তিত পৰিল। বুজিব পাৰিলে, ঘৰত শনিয়ে প্ৰৱেশ কৰিছে। ককায়েক আৰু বৌৱেকে কিন্তু ভিতৰুৱা কোনো কথা নিলিখি অকল এখন চিঠিত লিখিছিল—তাৰ ঘৈণীয়েকক অৰ্থাৎ কুমুদিনীক কৰ্মস্থলীলৈ লৈ যাব পাৰিলে ভাল আছিল।

বিদেশত অকলে থাকি হেমন্তয়ো যে মাজে সময়ে এই কথা কল্পনা কৰা নাছিল তেনে নহয়। কিন্তু অস্বাস্থ্যকৰ বিদেশ,-সাত-সাগৰ, তেৰ নৈৰ পাৰ! অৱশ্যে বৰ্তমানে হাবি কটা প্ৰায় শেষ হৈছে। এতিয়া নানাবিধ বৈজ্ঞানিক যন্ত্ৰৰ সহায়েৰে খেতি হ'বলৈ ধৰিছে। কোম্পানিৰ লাভৰ পৰিমাণ দিনক দিনে বাঢ়ি যোৱাত নগৰ নবহিলেও ডাঙৰ লোকালয় সৃষ্টি হৈ গৈছে। নানা কল-কাৰখানা বহিছে। তাতে কি? চাকৰি-জীৱন স্বাধীনচিতীয়া মানুহৰ কেতিয়াও ভাল নেলাগে। টকা আৰ্জিবৰ বাবে বিদেশত পৰি থাকিলেও বিদেশত জীৱন কটোৱা তাৰ সমূলি ইচ্ছা নাই। বিশেষকৈ প্ৰবাসত থাকি দেশৰ প্ৰতি টান আৰু জাতিৰ মান-সম্ভ্ৰমৰ ফালে দৃষ্টি বহুত বাঢ়ি গৈছে! গতিকে কুমুদিনীক লৈ যোৱাৰ নিচিনা অসম্ভৱ চিন্তাক মনতো স্থান নিদিলে। বৰং তাৰ বিশ্বাস হ'ল—ঘৈণীয়েক আৰু পাঁচোটামান টকা বঢ়াই দিলে আৰু কমলিনীৰ নামত বেলেগে কুৰি টকা কৰি মাহিলি পঠিয়াই দিলে পৰস্পৰ হিংসা গুচি দুয়ো জাকৰ মিল হ'ব।

হেমন্তৰ শুভ ইচ্ছা নফলিল। কমলিনীলৈ বেলেগে টকা পঠাই দিয়া দেখি হিংসাত পাৰ্বতীৰ আৰু কুমুদিনীৰ অন্তৰ ডেই-পুৰি যাবলৈ ধৰিলে। আদ্যনাথ দদায়ে জুইত বতাহ দিবলৈ ধৰিলে। কুমুদিনীয়ে নানা মান-অভিমান কৰি গিৰিয়েকলৈ চিঠি লিখিলে—হেমন্তৰ এনে ব্যৱহাৰে শত্ৰুৱে হাঁহিছে, মিত্ৰই কান্দিছে।

ভিন ঠাইত চাকৰি কৰাত ককাই-ভাইৰ মৰম ভক্তি বাঢ়ি গ'লেও হেমন্ত অলপ দুশ্চিন্তাত পৰিল। কাৰণ, লোকৰ ছোৱালীক বিয়া কৰাই আনি সুখ-দুখৰ ভাৰ নিজৰ মূৰত লোৱা হৈছে যেতিয়া—তাই যাতে বেজাৰ নাপায় তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। ভাবি-চিন্তি কুমুদিনীলৈ এখন চিঠি লিখিলে—

"তোমাৰ কথাকে ৰখা হ'ব। বৌদেওৰ লগত মিলা-প্ৰীতিৰে থাকিবা। শত্ৰুৱে হাঁহে,—এই ঘৰুৱা দ্বন্দ্বৰ কথা গম পাই। মোৰ এগ্ৰিমেণ্ট অন্ত হ'বৰ আৰু পলম নাই। গ'লেই সম্পত্তি ভাগ কৰি লোৱা হ'ব। এতিয়া মনে মনে থাকিবা।"

চিঠি পাই কুমুদিনীৰ মহা আনন্দ। পাৰ্বতীৰ ৰং চায় কোনে। পৰামৰ্শদাত্ৰী আন তিৰোতাবিলাকেও অৰিয়া-অৰি কৰিবলৈ ধৰিলে আগে কুমুদিনীক সৎ পৰামৰ্শ দিছিল বুলি। আদ্যনাথ দদায়ে হাঁহি হাঁহি ক'লে— "দেখিলা? দিয়া দহ টকা ৰাপ?"

কিছুদিন পিচত হেমন্তই সুস্থ শৰীৰ আৰু বহুত টকা লৈ ঘৰ আহি পালে। কলিকতাৰপৰা ঘৰৰ সকলোৰে কাৰণে কাপোৰ, বসন্তৰ বাবে বিস্কুট, বিলাতী-মিঠাই আৰু নানা কল-কব্জা থকা পুতলা লৈ আহিছে। তাৰ বিশ্বাস, সৰুৰেপৰা কল-কব্জা লৈ উমলি থাকিলে ভৱিষ্যতে ইঞ্জিনীয়াৰ হোৱাৰ বা বৈজ্ঞানিক আলোচনাৰ প্ৰবৃত্তি জন্মে। বসন্তৰ বয়স এতিয়া প্ৰায় ছ বছৰ; তাৰ এজনী সৰু ভনীয়েক হৈছে। তাইৰ নিমিত্তে পুতলা আদি আনিছে। সেইবোৰ পাই তাহঁতৰ মহা আনন্দ। কুমুদিনীৰ কথা ক'বকে নালাগে—বিদেশৰপৰা গিৰিয়েক আহিছে।—সিও আকৌ, সুদা হাতে নহয়, বহুত ধন আনিছে। ইমান দিনৰ পিচত সম্পত্তি ভাগ বাটি লৈ প্ৰকৃত বেলেগ হ'ব পাৰিব। কাৰো তলতীয়া হৈ থাকিব নেলাগিব।

ৰং নাই কেৱল শৰৎ আৰু কমলিনীৰ। কাৰণ লোকে জানিব পাৰিছিল ঘৰত আহি তাৰ প্ৰধান কাম হ'ব—সম্পত্তি ভগাই লোৱা। শৰৎ অদৃষ্টবাদী হলেও ৰোজগাৰী ভায়েকৰ লগত বেলেগ হ'ব লাগিব বুলি বৰ বেয়া পাবলৈ ধৰিলে, কিন্তু সাবালক ভায়েকে দুখৰ দিনৰ মৰম-স্নেহ পাহৰি যদি স্বোপাৰ্জিত সম্পত্তি লৈ যায়, তাত তেওঁৰ কবলগীয়া কি আছে? ল'ৰাছোৱালীৰ ভৱিষ্যত? কপালত যি আছে সেয়ে হ'ব। অত দুখ-বেজাৰ কৰিবৰ কি আছে?—বুজে সকলো; কিন্তু মন নুমালে ক'ত? মুখ গধুৰ হৈ থাকিল। মনত এটা বৰ অভিমান আছিল যে সৰু ভায়েকে তাৰ ঘৈণীয়েকৰ কথাতে তেওঁক স্বাৰ্থপৰ পাষণ্ড বুলি ভাবিলে। হব পাৰে, কিবা ব্যৱহাৰত উনৈশ-বিশ হৈছিল। হ'ব পাৰে কোনো কামত এটি হৈছিল ভুল-চুক। কিন্তু নহয় কাৰ? ভায়েকে এনে শিক্ষা পাইছিল যে ককায়েকতকৈ ঘৈণীয়েকৰ বেছি জ্ঞান বুলি ধৰি লৈ তেওঁ এক আষাৰ কথা সুধিবৰো দৰকাৰ বোধ নকৰিলে। এক তৰফা ডিক্ৰি দি দিলে। তেওঁৰ লগত দ্বিধা হ'বলৈ অলপো ইতস্ততঃ নকৰে, অলপো বেয়া নালাগিল?

হেমন্তই ককায়েকৰ লগত কথা হৈ থাকোঁতে কমলিনীয়ে চাহ আৰু জলপান আনি দিলে। খাব, এনেতে পাৰ্বতীয়ে তাক মাতিলে, "তোমাৰ শোৱা ঘৰতে আইকণে চাহ-পানী বাকি আছে নহয়!"

হেমন্তই এবাৰ মুখ তুলি "গৈছোঁ।" বুলি কৈ বসন্ত আৰু তাৰ সৰু ভনীয়েক-জনীকমাতি একেলগে বৌৱেকৰ তালৈ যাবলৈ ধৰিলে। তাকে চাই শৰতৰ চকুৰেদি দুটোপাল আনন্দৰ লোতক ওলাল। কমলিনীয়ে পুতেক আৰু জীয়েকক ক'লে,— "দদাই দেওৰে খাবৰ সময়ত কি দিগদাৰিখন লগালি তহঁতে ? গুচি যা।"

মাকৰ ভাবি খাই দুয়ো এবাৰ দদায়েকৰ মুখৰ ফালে চালে। আপোন বুলি জানিলেও, এজনৰ অলপ পৰিচিত হ'লেও সৰুজনীৰ নিচেই অপৰিচিত। কিন্তু দদাইদেৱেকৰ স্নেহময় দৃষ্টি দেখি মাকৰ শাসনৰ কাৰণ বুজি নাপালে। হেমন্তই বৌৱেকৰ কথাতে উত্তৰ দিলে, "নহয় একো দিগদাৰি,—খোৱা তোমা-লোকে।" তেতিয়া ভাই-ভনী দুয়ো এবাৰ মাকৰ ফালে অনুমতিৰ নিমিত্তে দৃষ্টিপাত কৰিলে। মাকক অলপ হাঁহা দেখি দুয়ো নিৰ্ভয়ে দদায়েকৰ জল-পানৰ ভাগ ল'বলৈ ধৰিলে।

কুমুদিনীয়ে এনে পলম ভাল নাপাই আকৌ মাকৰ হতুৱাই গিৰিয়েকক তাগিদা কৰিলে—"চাহ চেঁচা হৈ যায়।"

হেমন্তই অলপ লাজ পালে। এবাৰ ককায়েক আৰু এবাৰ বৌৱেকৰ মুখৰফালে চাই লৈ শাহুৱেকৰ ফালে মুখ কৰি ক'লে, "কি আছে ইয়ালৈ লৈ আহিব কৈ দিয়ক।"

* * *

ঘৈণীয়েক যে 'শয্যাগুৰু'—কুমুদিনীয়ে সেই কথা ভাল কৰি প্ৰমাণ কৰিলে। ওৰে ৰাতি গিৰিয়েকৰ কাণত বিষ ঢালিলে। শৰৎ আৰু কম-লিনীৰ অসৎ ব্যৱহাৰ, স্বাৰ্থপৰতাৰ কথা কৈ কৈ হেমন্তক প্ৰতিজ্ঞা কৰালে যে পলম নকৰি কাইলৈ পুৱা ওচৰ-চুবুৰীয়া সকলোকে মাতি আনি সিহঁতৰ চকুৰ আগতে সম্পত্তি ন্যায্যমতে ভাগ কৰি লোৱা হ'ব।

* * *

আজি শৰৎ আৰু হেমন্তই সম্পত্তি ভাগ কৰি ল'ব। যাক যাক মতা হৈছে তেওঁলোক আহিছেই। নমতা কিছুমানেও ৰং চাবৰ কাৰণে আহি উপস্থিত। আদ্যনাথ দদায়ে আজি যেন ডেকা কাল উভতি পালে। তেওঁৰ স্ফুৰ্তি, তেওঁৰ লৰা-ঢপৰা চায় কোনে ? এবাৰ পাৰ্বতী আৰু কুমুদিনীৰ ওচৰত, এবাৰ হেমন্ত আৰু শৰতে বহি থকা ঠাইত ঘূৰা-পকা কৰি আছে। হেমন্তৰ মুখত অলপ হাঁহি। কুমুদিনী খোটালীৰ ভিতৰত, তাইৰো মুখত হাঁহি বিৰিঙি উঠিছে। পাৰ্বতীৰ দৃষ্টি চাৰিওফালে ঘূৰিছে—জোঁৱাই আৰু জীয়েকক যেন ঠগা নহয়। আৰু শৰৎ ?—ধীৰ, গম্ভীৰ মাতবোল নোহোৱা। কমলিনীৰ চকুত পানী—এটা অনিৰ্দিষ্ট আশংকা আৰু অজানা কিবা উত্তে-জনাৰ পৰা।

বাকচ-পেৰা, বিচনা-পাটী এবিধ এবিধকৈ সকলো বস্তু উলিওৱা হ'ল। অকল মলা, চৰু, কলহ, ডলা, কুলা, পাচি প্ৰভৃতি সাধাৰণ বস্তু বাকী ৰ'ল।

হেমন্তই লাজ নোহোৱাৰ নিচিনাকৈ ক'লে, "কাৰো ঘৰত এটা মলাকো ৰাখিব নোৱাৰিব। সকলো উলিয়াই আন। দহ ককাই-ভাইৰ মুখৰ আগত ন্যায্য-মতে ভাগ হ'ব। যেন আগলৈ কাৰো কোনো কথা ক'বলৈ বাট নাথাকে।"

শৰতে কি আৰু ক'ব? অকল সুধিলে, "ল'ৰা-ছোৱালীৰ বস্তু-বিলাকো উলিয়াব লাগিব?"

হেমন্তই ঘৈণীয়েকৰ লগত দৃষ্টি বিনিময় কৰি পিচত ক'লে, "এৰা। ভ গ-বাটোৱাৰা যেতিয়া হ'ব ভাল কৰিয়েই হওক।"

শুনি শৰতৰ এবাৰ ভ্ৰূ-কুঞ্চিত হ'ল। এই কথাত কোনো কোনোৱে হেমন্তক মনে মনে ক্ষুদ্ৰ অন্তৰ, বৰ বেয়া বুলিবলৈ ধৰিলে। আদ্যনাথ দদায়ে মাতিলে, "মোৰ বোপা হেমন্তৰ যেনে চোকা বুদ্ধি তেনেই বিবেচনা। চাচোন, কেনে কথা?"

শৰতে এটা হুমুনিয়াহ কাঢ়ি অকল সেইবোৰ কিয়, ফটাকানি পৰ্যন্ত উলিয়াই দিলে। হেমন্তই গহীন হৈ ঘৈণীয়েকক সুধিলে, "সকলো ওলাল নে আৰু কিবা বাকী আছে?"

পাৰ্বতীয়ে লৰ মাৰি কমলিনীৰ ঘৰত সোমাই এটা পিতলৰ কলহ আৰু ঘটি এটা উলিয়াই ক'লে, "এই চাওক সকলোৱে, কেনে চুৰুণী?"

কমলিনীয়ে চিঞৰি কৈ উঠিল—"সেই দুটা মোৰ দেউতাৰ ঘৰৰ।"

শৰতে খং কৰি ক'লে, "চুপ, নামাতিবি। উলিয়াই দিব কোৱা হৈছিল. ৰাখিছিলি কিয়?"

বসন্ত আৰু তাৰ ভনীয়েকে খেলনাবিলাক উলিওৱা দেখি নিবলৈ গৈছিল। পাৰ্বতীয়ে লৰ মাৰি সিহঁতৰ হাতৰপৰা কাঢ়িলৈ থৈ দিলে। সিহঁতে কান্দিবলৈ ধৰিলে। হেমন্তই দেখি ভ্ৰূকুটি কৰিলে আৰু সকলো বস্তু উলিওৱা হ'ল জানিব পাৰি হেমন্তই গহীন হৈ উপস্থিত সকলোকে সম্বোধন কৰি ক'লে,— "দুই ভাই-ককাই আপোনালোকে জানে। সৰুতে দেউতা ঢুকালত এই ককায়ে মোক প্ৰতিপাল কৰি মানুহ কৰিছিল, শিক্ষা দিছিল, পিচত বিয়াখন পাতি দি সংসাৰৰ ব্যৱস্থা কৰি দিছিল।"

সকলোৱে উত্তৰ দিলে, "এৰা আমি জানো সেইবোৰ কথা।" আদ. দদায়ে মাতিলে, "পিচে তোমালোকৰ দেউতাৰাই কিছু মাটি-বাৰী কৰি থৈ গৈছিল নহয়? শৰতে অকল তাৰ নিজা অৰ্জা টকাৰে বুলি ক'লে অন্যায় কথা হ'ব।"

"মই কেতিয়াও তেনে কথা নকওঁ" বুলি শৰতে গৰ্জি উঠিল।

হেমন্তই আকৌ ক'বলৈ ধৰিলে, "ঠিক কথা। সেইবোৰ মই জানো। আপোনালোকে জানিব পাৰে সিখিনি মাটিৰপৰা যিখিনি ধান আছে, তাতে

আমালোকৰ ছমাহ চাউল কিনিব নেলাগে। বাকী খৰচখিনি ককায়ে মূৰৰ ঘাম ভৰিত পেলাই অৰ্জা টকাৰে চলাইছিল--ই ধ্ৰুৱ। যিনহও ক ককাইদেৱে সংসাৰ চলোৱা টকাখিনি সুদ মূলে ধৰিলে কিমান হ'ব পাৰে ?"

"কিমান আৰু হ'ব ? মাহে ত্ৰিশ টকা কৰি ধৰিলে বছৰে তিনিশ ষাঠি টকা আৰু দহ বছৰত ছয়ত্ৰিশ শ টকা হ'ব। তোমাৰ নিমিত্তে তাৰ আধা ধৰা" বুলি কৈ আদ্যনাথ দদায়ে এবাৰ গৈ পাৰ্বতীৰ লগত পৰামৰ্শ কৰি আহিল।

হেমন্তই "বাৰু আদ্যনাথ দদাইৰ কথাকে ধৰা যাওক। তাৰ উপৰি চক্ৰবৃদ্ধি সুত আদি কৰি মুঠ পাঁচ হাজাৰ টকা ৰূপ। এই পাঁচ হাজাৰ টকা মই বেলেগে ককাইদেউৰ ছোৱালীৰ নামত দি দিওঁ।" এই বুলি পাঁচ হাজাৰ টকাৰ নোট উলিয়াই ককায়েকৰ ভৰিৰ ওচৰত থৈ দিলে। শৰতে হুমুনিয়াহ কাঢ়িলে মাথোন।

আদ্যনাথে ক'লে, "বোপা ভালকৰি ৰাখি থৈদে।" শৰতে একো নেমাতিলে, টকাও নুচুলে। হেমন্তই আকৌ ক'বলৈ ধৰিলে, "বাৰু! আনবোৰ মালবস্তু, টকা-পইচা মোৰ অৰ্জা টকাৰে হৈছে যেতিয়া সেইবোৰ এফালে আৰু মই আনফালে থিয় হলোঁ। ককাইদেৱে কওক, তেওঁক কি লাগে ?" পিচত ঘৈণীয়েকক মাতি ক'লে, "তুমি কি নিবা কোৱা ? মোক লাগে নে এই সম্পত্তি লাগে ?"

কথা শুনি সকলো আচৰিত। কুমুদিনীৰ মুখৰ হাঁহি মুখতে মাৰ গ'ল। মনৰ আবেগত ককায়েকে ভায়েকক সাৱটি ধৰিলে।

# শৰৎচন্দ্ৰ গোস্বামী

( ১৮৮৭-১৯৪৪ )

বেজবৰুৱাৰ পিচতেই অসমীয়া সাহিত্যৰ দ্বিতীয়জন প্ৰধান গল্পকাৰ হ'ল শৰৎচন্দ্ৰ গোস্বামী। দুয়ো প্ৰায় একে সময়তে গল্প লিখিবলৈ আৰম্ভ কৰিছিল যদিও গল্পৰ ভাষা, প্ৰকাশ-ভংগী আৰু বিষয়বস্তু আদি সকলো ক্ষেত্ৰতে দুয়োজনৰ ৰচনাৰ মাজত যথেষ্ট পাৰ্থক্য দেখা যায়। একে আষাৰে ক'বলৈ গ'লে গোস্বামী বেজবৰুৱাতকৈ অধিক সচেতন গল্প-লিখক। গল্পৰ কেন্দ্ৰস্থ ভাব বা বিষয়বস্তু, ঘটনাৰ ঐক্যসূত্ৰ, চৰিত্ৰৰ পৰিস্ফুটন বা বিকাশ, ভাষাৰ পৰিমিতি—চুটি-গল্পৰ এই অনুশাসনবোৰ বিশেষভাৱে মানি চলাৰ লক্ষণ গোস্বামীৰ গল্পতহে প্ৰথম দেখা যায়। বেজবৰুৱাৰ নিচিনাকৈ তেওঁৰ কোনো এটা গল্পই উৰলি-বিয়লি গৈ ৰস-ৰচনা বা সামাজিক ব্যংগ সমালোচনাৰ ৰূপ লোৱা নাই। তদুপৰি উচ্চতৰ হৃদয়ানুভূতি বা অভিজ্ঞতা প্ৰকাশ কৰিব পৰা বিদগ্ধ পৰিশীলিত ভাষাৰ প্ৰয়োগো তেওঁৰ গল্পৰ আন এটা বৈশিষ্ট্য। ইয়াৰ পিচত অসমীয়া চুটি-গল্পই বিকাশৰ যি বাট লৈছিল, তাৰ সূচনা বা আৰম্ভণি গোস্বামীৰ গল্পতে হোৱা বুলি ক'ব পাৰি।

গোস্বামীৰ জীৱন-কালতে তেওঁৰ প্ৰায় আটাইবোৰ গল্প গ্ৰন্থৰ আকাৰত প্ৰকাশ হৈছিল। সেই গ্ৰন্থকেইখন হ'ল : গল্পাঞ্জলি (১৯১৪), মযনা (১৯২০) আৰু বাজিকৰ (১৯৩০)। তেওঁৰ মৃত্যুৰ পিচত পৰিদৰ্শন নামেৰে আন এখন গল্প-গ্ৰন্থও প্ৰকাশ হৈ ওলায়।

সাধাৰণভাৱে ক'বলৈ হ'লে, গোস্বামীৰ কেইবাটাও শ্ৰেষ্ঠ গল্পৰ প্ৰধান বিষয়বস্তু হ'ল দ্বন্দ্ব। ব্যক্তি আৰু অৱস্থা ভেদে এই দ্বন্দ্বৰ ৰূপ বেলেগ বেলেগ। কেতিয়াবা সি হৃদয়-বৃত্তি বা প্ৰবৃত্তিৰ দ্বন্দ্ব (ব্ৰহ্মপুত্ৰৰ বুকুত, নদৰাম, তাৰা, সন্যাসিনী), কেতিয়াবা সি ব্যক্তি আৰু সমাজৰ মাজত হোৱা দ্বন্দ্ব (যুনুচা, নৈৰ দাঁতিত, পশুপতিৰ বিয়া)। মানুহৰ দুখৰ অভিজ্ঞতাক অৱলম্বন কৰিও তেওঁ কেইবা-টাও গল্প লিখিছে। এই শ্ৰেণীৰ গল্পক দুটা ভাগত বিভক্ত কৰিব পাৰি। মানুহৰ এক ধৰণৰ দুখ নিতান্তই অনিবাৰ্য—যাৰ কোনো ব্যাখ্যা নাই, প্ৰতিকাৰ নাই। উদাহৰণ স্বৰূপে আকস্মিক দুৰ্ঘটনাজনিত মৃত্যু। নৈৰ দাঁতিত নামৰ গল্পত মালতী নামৰ তিৰোতাজনীয়ে সমাজৰ হাতত যথেষ্ট অত্যাচাৰ আৰু নিৰ্যাতন ভোগ কৰিছে—এই দুখ নিশ্চয় অনিবাৰ্য বা প্ৰতিকাৰহীন নহয়। এক আদৰ্শ সমাজ-ব্যৱস্থাত এনে ধৰণৰ দুখৰ নিৰ্বাসন সম্ভৱ। কিন্তু তাইৰ স্বামী কালিনাথৰ নাও দুৰ্ঘটনাত আকস্মিক মৃত্যু—যি মৃত্যুৱে তাইৰ সমস্ত জীৱন ব্যৰ্থ আৰু ধ্বংস কৰি দিলে—তাৰ কোনো মানৱীয় প্ৰতিকাৰ কল্পনা কৰা সম্ভৱ নহয়। গোস্বামীয়ে তেওঁৰ কেইবাটাও গল্পত জীৱনৰ এনেবোৰ ব্যাখ্যাহীন আৰু প্ৰতিকাৰহীন ট্ৰেজেডীৰ চিত্ৰ অংকন কৰিছে; নিয়তিৰ অমোঘতাৰ উপলব্ধি আৰু এক কৰুণ বিষাদ-চেতনাই তেওঁৰ এইবোৰ গল্প আচ্ছন্ন কৰি ৰাখিছে।

কিন্তু মানুহৰ সকলো দুখেই অনিবাৰ্য বা নিয়তি-নিৰ্ধাৰিত নহয়; অনেক দুখ আছে—যিবোৰ আপতিত, যিবোৰ মানুহৰ অজ্ঞতা, অন্যায় বা অবিচাৰৰপৰা উদ্ভূত, যিবোৰৰ নিবাৰণ সম্ভৱ আৰু উচিত। গোস্বামীয়ে তেওঁৰ কেইবাটাও গল্পত এনেকুৱা কিছুমান মানুহৰ জীৱন চিত্ৰিত কৰিছে—যিবোৰ মানুহ দুঃসহ দাৰিদ্ৰ্য, নিৰ্মম শোষণ আৰু নানাবিধ সামাজিক অন্যায়-অবিচাৰৰ অসহায় বলি, (অদৃষ্ট, পশুপতিৰ বিয়া ইত্যাদি)। এইবোৰ গল্পত গোস্বামীৰ সহানু-ভূতি সুস্পষ্ট আৰু আন্তৰিক; কিন্তু গল্পবোৰত পাঠকে কোনো ধৰণৰ নৈতিক ক্ৰোধ বা প্ৰতি-

বাদৰ উত্তেজনা অনুভৱ নকৰে। অনিবাৰ্য দুখৰ ক্ষেত্ৰত তেওঁৰ মনোভংগীত যিদৰে অদৃষ্ট-বাদিতা ফুটি উঠিছে, সেইদৰে আপতিত দুখৰ ক্ষেত্ৰতো ফুটি উঠিছে কেৱল এক প্ৰকাৰৰ করুণ অসহায়তা।

প্ৰবৃত্তি আৰু হৃদয়-বৃত্তিৰ সংঘাতক কেন্দ্ৰ কৰি তেওঁ যিকেইটা গল্প লিখিছে, অসমীয়া গল্পৰ বিবৰ্তনত সেইবোৰৰ এটা বিশেষ তাৎপৰ্য আছে। কাৰণ পিচৰ এটা সমগ্ৰ যুগ ধৰি সেই বিষয়টোৱেই অসমীয়া চুটি-গল্পৰ এটা প্ৰধান উপজীব্য হৈ পৰিছে। পুৰুষৰ ক্ষেত্ৰত প্ৰবৃত্তিৰ যি অবাধ প্ৰকাশ দেখা যায় বা সমাজে তাক স্বাভাৱিক বুলি মানি লয়, তিৰোতাৰ ক্ষেত্ৰত সাধাৰণতে সেইটো নহয়। কিন্তু গোস্বামীৰ গল্পত একাধিক তিৰোতাই প্ৰবৃত্তিৰ প্ৰবল দাবীৰ ওচৰত নতি-স্বীকাৰ কৰিছে (ব্ৰহ্মপুত্ৰৰ বুকুত, সন্যাসিনী) ; সাহিত্যত এই সত্যৰ প্ৰকাশে আন একো নকৰিলেও তিৰোতাৰ প্ৰতি পৰিৱৰ্তিত সামাজিক দৃষ্টি-ভংগীৰ ইংগিত দিয়ে। অৱশ্যে তিৰোতাৰ মনৰ ওপৰত এতিয়াও সামাজিক অনুশাসন, পৰম্পৰা আৰু শতাব্দী-প্ৰাচীন নীতি-বোধৰ প্ৰভাৱ ইমান প্ৰবল যে এগৰাকী তিৰোতাই অনুতাপৰ জুইত দগ্ধ হৈ আত্মহত্যা কৰিছে (ব্ৰহ্ম-পুত্ৰৰ বুকুত), আন এগৰাকীয়ে বিবেকৰ দংশনত অতিষ্ঠ হৈ সন্ন্যাস গ্ৰহণ কৰিছে (সন্ন্যাসিনী)। ইয়াৰ কুৰি-পঁচিশ বছৰৰ পিচতে সমাজত পৰিৱৰ্তনৰ সোঁত কিমান দ্ৰুতগামী হৈছে তাৰ উমান লবলৈ আমি গোস্বামীৰ ব্ৰহ্মপুত্ৰৰ বুকুত গল্পৰ লগত লক্ষ্মীধৰ শৰ্মাৰ ব্যৰ্থতাৰ দান গল্পৰ তুলনা কৰি চাব পাৰোঁ। দুয়োটা গল্পৰ মূল কাহিনী আৰু চৰিত্ৰৰ মাজত আচৰিত মিল দেখা যায়। দুয়োটা গল্পৰে নায়িকা দুগৰাকীৰ স্বামী বিদ্বান আৰু ধনী-মানী ; আপাত-দৃষ্টিত তেওঁ-লোকৰ বিবাহিত জীৱনত অসুখী হ'বৰ কোনো কাৰণ নাই। কিন্তু তথাপি ধন-সম্পত্তি আৰু মান-মৰ্যাদাৰ প্ৰাচুৰ্যৰ মাজত থাকিও দুয়োৰে হৃদয় উপবাসী হৈ ৰ'ল। গোস্বামীৰ নায়িকাই কয় : ''মোৰ প্ৰাণত জোনৰ জোনাক, বেলিৰ পোহৰ, ডাৱৰৰ অহা-যোৱা, ধুমুহাৰ তাণ্ডব নৃত্য, বতাহৰ খেলা, ফুলৰ গন্ধ, ভিন ভিন সময়ৰ ব্ৰহ্মপুত্ৰৰ ভিন ভিন শোভা—এই সকলোৱে এক অজানিত সুৰৰ ঢৌ খেলাই দিছিল।'' লক্ষ্মীধৰ শৰ্মাৰ নায়িকাই এনে প্ৰতীকী ভাষাৰ আশ্ৰয় নলৈ স্পষ্ট ভাষাৰে কয় : ''মুঠতে মোৰ স্বামীয়ে মোৰ অন্তৰৰ সুপ্ত নাৰী-প্ৰকৃতিক জগাব পৰা নাছিল।'' দুয়ো গৰাকী তিৰোতাই হৃদয়ৰ অন্যতম ক্ষুধাৰ তাড়নাত দ্বিতীয় পুৰুষৰ প্ৰেম প্ৰাৰ্থনা কৰিছে। গোস্বামীৰ নায়িকাই সেই প্ৰেম পায়ো সুখী হ'ব নোৱাৰিলে, কাৰণ চৰম আনন্দৰ মুহূৰ্ততে তেওঁৰ মনত উপস্থিত হ'ল বিবেকৰ দ্বন্দ্ব। অৱশেষত তেওঁ আত্মহত্যা কৰি 'পাপ'ৰ প্ৰায়শ্চিত্ত কৰিলে। শৰ্মাৰ গল্পৰ নায়িকাই অৱশ্যে প্ৰেমৰ প্ৰতিদান নাপালে, কিন্তু প্ৰকৃত তাৎ-পৰ্যপূৰ্ণ বিষয় সেইটো নহয়। প্ৰকৃত তাৎপৰ্যপূৰ্ণ বিষয় হ'ল এইটোৱেই যে দুগৰাকী বিবাহিতা তিৰোতাই সংস্কাৰৰ নিষেধ অমান্য কৰি পৰ-পুৰুষৰ ওচৰত প্ৰেম নিবেদন কৰিছিল আৰু তাকে কৰি এক প্ৰকাৰৰ বিদ্ৰোহ ঘোষণা কৰিছিল। কিন্তু শৰৎচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীধৰ শৰ্মা—এই দুজন লেখকৰ দুটা যুগ, দুটা আদৰ্শ আৰু দুটা জীৱনবোধৰ মাজত পাৰ্থক্য এয়েই যে গোস্বামীৰ গল্পৰ নায়িকাই ক্ষন্তেকীয়া বিদ্ৰোহৰ পাচতে সংস্কাৰৰ চাবুকৰ আঘাতত ধৰাশায়ী হৈ পৰিছে আৰু আত্মহত্যা কৰি 'পাপ'ৰ প্ৰায়শ্চিত্ত কৰিছে ; আন হাতে নতুন যুগৰ নতুন তিৰোতা লিলিয়ে (লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ নায়িকা) কোনো পাপবোধতো অনুভৱ কৰা নায়েই, বৰং প্ৰেমধন্যা তিৰো-তাৰ জীৱনৰ এক নতুন সৌন্দৰ্য আৰু সাৰ্থকতা উপলব্ধিৰ মাজতেই নিজৰ জীৱনৰ এক বিশেষ সাৰ্থকতা বিচাৰি পাইছে : ''মই উপলব্ধি কৰিলো,—বেথাৰ অনন্ত সাগৰত পৰি ললিতে প্ৰেয়সী নাৰীৰেই উপাসনা কৰিছে। সেই পূজাৰ মৃদু করুণ বিশ্বব্যাপী শংখ-নিনাদে জগতৰ গোটেই নাৰী-জাতিৰ গৌৰৱ ঘোষণা কৰিছে।''

গল্পকাৰ হিচাপে শৰৎচন্দ্ৰ গোস্বামীয়ে বিশেষ স্মৰণযোগ্য প্ৰতিভাৰ পৰিচয় দি গৈছে বুলি কব নোৱাৰি ; বিশুদ্ধ সাহিত্যিক বিচাৰত অসমীয়া ভাষাৰ সৰ্বশ্ৰেষ্ঠ গল্পৰ তালিকাতো তেওঁৰ গল্পই বোধহয় ঠাই পাব নোৱাৰে। কিন্তু ঐতিহাসিক বিচাৰত তেওঁ এজন গুৰুত্বপূৰ্ণ লেখক,

কাৰণ তেওঁৰ ৰচনাতে চুটি-গল্পৰ আধুনিক ভাব-ভাষাৰ সূচনা হয়, আৰু তেওঁৰ পিচত এটা সুদীৰ্ঘ যুগ ধৰি যিবোৰ সমস্যা আৰু বিষয়বস্তুৱে অসমীয়া গল্পত প্ৰাধান্য লাভ কৰিছিল, সেইবোৰৰো প্ৰথম সূচনা কৰে শৰৎচন্দ্ৰ গোস্বামীয়েই।

# দেখা-দেখি

'দেখা-দেখি' এটা প্ৰেমৰ গল্প। ১৯১৪ চনত প্ৰকাশিত গল্পাঞ্জলি নামৰ গল্প-সংগ্ৰহত এই গল্পটোৱে ঠাই পাইছে। অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ সম্পদৰাজীৰ ভিতৰত প্ৰেমৰ গল্পৰ এক বিশেষ স্থান আছে। গোস্বামীৰ এই গল্পটো অসমীয়া চুটি-গল্পৰ আদি যুগৰ প্ৰেমৰ গল্পৰ এটি চানেকি।

অৱশ্যে গল্পটোৰ বিশেষত্ব এই নহয় যে ইয়াত অসমীয়া সমাজৰ এক বিশেষ যুগৰ চিত্ৰ বা প্ৰেম সম্পৰ্কীয় ধাৰণা ফুটি উঠিছে। এই কথা সঁচা যে গল্পটোত প্ৰেমিক-প্ৰেমিকাৰ মিলনৰ পথত জাতি-ভেদ প্ৰথাকেই প্ৰধান বাধা হিচাপে দেখুওৱা হৈছে; (ডেকাজন কোঁচ আৰু গাভৰু কায়স্থ); কিন্তু আন যিকোনো বাধাৰ কাৰণেই এই বিচ্ছেদ সংঘটিত হোৱা হ'লেও গল্পটোৰ মূল বক্তব্যৰ অকণো হেৰ-ফেৰ নহ'লহেঁতেন। বহুত মানুহেই প্ৰেমত পৰে, কিন্তু সকলো ক্ষেত্ৰতে মিলন বা বিবাহত সেই প্ৰেমৰ পৰিণতি নঘটে। প্ৰেমৰ ক্ষেত্ৰত হোৱা এনে ব্যৰ্থতাৰ প্ৰতি কোন মানুহৰ প্ৰতিক্ৰিয়া কেনে হ'ব, সেইটো বহু পৰিমাণে নিৰ্ভৰ কৰে তেওঁৰ বিশেষ মানসিক গঠন, জীৱনবোধ আৰু কালচাৰৰ ওপৰত। এই গল্পটোত তেনে এক বিশেষ ধৰণৰ প্ৰতিক্ৰিয়া দেখুৱাবলৈ বিচৰা হৈছে। তাকে কৰিবলৈ গৈ কেৱল প্ৰেমৰ প্ৰতিয়েই নহয়—সাধাৰণভাৱে সমগ্ৰ জীৱনৰ প্ৰতিয়েই এক বিশেষ প্ৰকাৰৰ মনোভংগী ব্যক্ত কৰা হৈছে। সেইটো হৈছে এই যে মানুহৰ সুখ-দুখ, আনন্দ-বেদনা, সৌভাগ্য-দুৰ্ভাগ্যৰ প্ৰতি সমস্ত বিশ্ব-বিধান সম্পূৰ্ণৰূপে উদাসীন। গল্পটোত এটা বাক্য গানৰ ধ্ৰুৱাৰ দৰে তিনিবাৰ পুনৰাবৃত্তি কৰা হৈছে: "বুঢ়া সংসাৰ আগৰ দৰেই লাখুটিত ভৰ দি বুঢ়া ভাবেই চলি থাকিল। দিনৰ পোহৰ বা ৰাতিৰ আন্ধাৰৰপৰা তাৰ একো সুবিধা বা অসুবিধা নহ'ল।" কবি চন্দ্ৰকুমাৰ আগৰৱালায়ো তেওঁৰ এটা বিখ্যাত কবিতাত একে ধৰণৰ কথাকেই কৈ গৈছে:

ফুল কলি ফুলি গোন্ধ, বোৱাই প্ৰীতিৰ সোঁত
সৰি পাছে নাইকিয়া হ'ল,
সি ফুলৰে মউ-পিয়া এটা ভোমোৰা বলিয়া
ঘূৰি ঘূৰি ফুৰিছে অকল।
উৰি ফুৰি বেজাৰৰ হৃদয় ৰাগিণী তাৰ
বৰষি যে সিও গুচি গ'ল,
ক'ৰ কোন কিবা হ'ল, চিন-স্মৃতি পমি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।

( ১ )

সেইদিনা আহাৰৰ আঠ দহ দিনমান গৈছে। ঝিপ্ ঝিপ্ ঝুপ্ ঝুপ্‌কৈ পুৱাৰে-পৰা বৰষুণ। আবেলি ক'লৈকো যাবও নোৱাৰি, একো কামো কৰিব নোৱাৰি। নবীনে শোৱনি ঘৰৰ চালপীৰাৰ ওপৰতে বহি হাৰমনিয়মটো লৈ কোঁ-কোঁ-গোঁ-গোঁ কৰি আছিল, এনেতে দেখিলে বাটত ভাল কাপোৰ পিন্ধা মানুহ এজন। তেওঁৰ পিচত বাকচ এটা আৰু বিছনা এখন ভাৰ বান্ধি লৈ আৰু এটা মানুহ। দুয়ো নবীনৰ ঘৰৰ ফালেই আহিছিল। পদূলি পাওঁতেই নবীনে তেওঁক চিনি পালে। "এ ধৰণী! কলিকতালৈ যাবলৈ আহিলা?" নবীনে আথেবেথে উঠি সমপাঠী বন্ধুক আদৰ অভ্যৰ্থনা কৰি আনি ক'লে, "আজি ইমান বৰষুণ, তুমি নাহিবা বুলিহে ভাবিছিলো। বন্ধ শেষ হ'বলৈকো আৰু সাত দিন আছে।" ধৰণীয়ে উত্তৰ দিলে, "হাতী কা দাঁত, ভাই! বতাহ বৰষুণ কি আছে? আহিব খুজিছিলো আহিলো।" নবীনে মিচিকিয়াই অলপ হাঁহিলে।

( ২ )

ধৰণীৰ এই "হাতীকা দাঁত" ওলোৱাৰ বহুদিন হ'ল বুলি কোনোৱে ক'ব নোৱাৰে। স্কুলত দুই বন্ধুৱে একেলগে পঢ়াত এনে দিন গৈছে, যেতিয়া ধৰণীয়ে নবীনৰ ঘৰলৈ কিবাকিবি খাবলৈ আহিব বুলি নিশ্চয়কৈ কৈয়ো অহা নাছিল, আৰু নবীনে বাট চাই চাই খঙত-অভিমানত কান্দি পেলাইছিল। এনে দিন গৈছে যেতিয়া নবীনে ধৰণী আহিব আহিব বুলি শনিবাৰৰ ৰাতি বাৰ বজালৈ উজাগৰে আছিল, অথচ ধৰণী নাই। কলেজতো এনে দিন গৈছে যেতিয়া কোনো সভালৈ বা 'চিৰিয়াখানা' বা 'যাদুঘৰলৈ' যাবৰ কাৰণে নবীনে কাপোৰ পিন্ধি সাজু হৈ আছিল, অথচ ধৰণী নোহোৱাত তেওঁৰ পিন্ধা কাপোৰ পিন্ধাই থাকিছিল, আৰু সেই খঙতে এসপ্তাহলৈ ধৰণীক তেওঁ ভালৰূপে মাতা নাছিল। অথচ সেই ধৰণীৰে এতিয়া মুখত "মৰ্দা কা বাত, হাতীকা দাঁত" হৈ উঠিল। কথাটি শুনিবলৈ বিষম, কিন্তু অনেক বিষম কথা সংসাৰত ঘটে।

জহৰ বন্ধত ঘৰলৈ অহাত ধৰণীয়ে নবীনৰ কথা এৰাব নোৱাৰি তেওঁৰ ঘৰত এৰাতি থাকিব বুলি আহিছিল। পাচে তেওঁলোকে চাহ খোৱাত এনে এটি ঘটনা ঘটিল, যে ধৰণীয়ে সেই এৰাতিৰ ঠাইত নবীনৰ ঘৰত তিনিদিন থাকিহে তাৰপৰা ঘৰলৈ গ'ল।

নবীনৰ মাক নাই; ভনীয়েক পাৰ্বতীৰ জন্ম হোৱা মাহকে মাকৰ মৃত্যু হয়। পিতাকে আৰু বিয়া কৰোৱা নাই। বহুতে বহুত কৈছিল; বুঢ়া খুড়াকে ঘৰৰ বেমেজালিৰ, বন্ধু-বান্ধৱে নিজৰ অসুবিধাৰ আৰু আনবিলাকে সকলো ফালৰপৰা নানাবিধ অসুচলৰ কথা দেখুৱাই বুজাইছিল যে তেওঁ বিয়া নকৰালে কিজানি প্ৰলয়েই ঘটিব। তথাপি সুবিধাই-অসুবিধাই ভালে-বেয়াই তেওঁ আৰু বিয়া নকৰালে আৰু তথাপিতো বুঢ়া সংসাৰ আগৰদৰেই মাখুটিত ভৰ দি বুঢ়া ভাৱেই চলি থাকিল; কাৰো দুখ বা কাৰো সুখে সংসাৰৰ গতিত বাধা দিব নোৱাৰিলে।

সেই বাবে আজি এবছৰমান হ'ল, নবীন কলিকতালৈ যোৱাৰপৰা, ঘৰত পাৰ্বতী আৰু পিতাকত বাজে আৰু আন কোনো নাই। পিতাক কাছাৰীত থকাত ঘৰৰ আচল গৃহিণী আৰু কৰ্ত্ৰী পাৰ্বতীয়েই।

সেইদিনা কলিকতাৰপৰা অহাত পাৰ্বতীয়ে নবীন আৰু ধৰণীক চাহ দিলে।

সংসাৰৰ কিছুমান কথা অতি বিচিত্ৰ। আন্ধাৰত খপিয়াই জপিয়াই ফুৰোঁ, অথচ কিয়ে বিচাৰো নাজানো। হয়তো যাকে লাগে তাকেই শ বাৰ ধৰি শ বাৰ এৰি দিওঁ; অথচ নাজানো যে সেয়ে আমাৰ সাধনাৰ ধন। হঠাৎ এচাটি বিজুলীৰ পোহৰ চকুত পৰি বিশ্ব তেনেই জলমলীয়া উজ্জ্বল হয়, আৰু তেতিয়া দেখিবলৈ পাওঁ—যিহকে বিচাৰিছোঁ সি হাততে।

ধৰণীয়ে চাহ লৈ অহা পাৰ্বতীলৈ চালে। সাৰেঙৰ টন্‌টনীয়া তাঁৰত এবাৰ হাত পাৰিলেই যেনেকৈ জন্‌জনাই উঠে, তেওঁৰ গোটেই শৰীৰ সেইদৰে জন্‌জনাই এবাৰ কঁপি উঠিল। আজিতো নহয়, সৰুৰেপৰা তেওঁ পাৰ্বতীক দেখি আহিছে; কিন্তু আজি ই নতুন পোহৰ! বিচিত্ৰ সজ্জা! এনিমিষমান তেওঁ চাই ৰ'ল। এনেতে নবীনে হাঁহি দিলে, ধৰণীৰ চেতন হ'ল, আৰু ধৰণীয়ে তলমূৰ কৰিলে। ইয়াৰ পিচত ধৰণীয়ে অলপ হাঁহি চাহৰ বাটিটো মুখত দি এসোহা দুসোহাকৈ খাবলৈ ধৰিলে। ধৰণীৰ "হাতীকা দাঁত" গজিবৰ ইতিহাসৰ, বুলিব লাগিলে, এয়ে আৰম্ভ; সেইকাৰণে ধৰণীয়ে কথাষাৰ কোৱাত নবীনে মিচিকাই অলপ হাঁহিলে।

( ৩ )

কলেজৰ পাঠ্যজীৱন অতি বিচিত্ৰ কাল। সেই কালত বিশ্ব পুলকত ভৰি পৰে, সংসাৰে তিৰবিৰাই নাচি থাকে। তপত বতাহৰ মাজেদি বস্তবোৰ যেনে কঁপি থকা দেখি সংসাৰ সেইদৰে আনন্দ আৰু সৌন্দৰ্যত কঁপি থাকে। কি সুন্দৰ! কি মতলীয়া! এনে জীৱনৰ ভিতৰত সোমাই, নবীনে ধৰণীয়ে কি ক'লে, কি আলাপ কৰিলে, আমি নাজানিলেও এইটো জানো, যে দুয়ো বন্ধুৱে

নবীনৰ ঘৰত সেই সপ্তাহ থাকি, কলিকতাৰ কলেজত হাজিৰ হোৱাত দুদিন পলম কৰিলে।

ইয়াৰ অলপ দিনৰ পাচতে নবীনে পিতাকলৈ যিখন চিঠি লিখিলে তাত কলিকতাৰ কথা, তেওঁবিলাকৰ মেছৰ কথা, ধৰণীৰ লগত একেলগে থকাৰ কথা ইত্যাদিবিলাক লিখি ইয়াকো লিখিলে বুলি প্ৰকাশ, যে পাৰ্বতী লাহে লাহে ডাঙৰ হ'লেই, পাৰ্বতীক ধৰণীলৈ বিয়া দিয়াই ভাল। ধৰণী এনে সজ ল'ৰা, তেওঁৰ এনে ভাল চৰিত্ৰ, পঢ়া-শুনাতো এনে ভাল, ইত্যাদি।

কলেজৰ মানব-জাতিৰ সকলো সমান, জাতিভেদ মিছা; বংশ-গৌৰব অহঙ্কাৰৰহে চিন, ইত্যাদিবিলাক উচ্ছৃখল কথাৰ মাজত বুৰি থকা নবীনৰ মনত নহ'ল যে, ধৰণী কোচৰ ল'ৰা আৰু তেওঁবিলাক কায়স্থ মানুহ। কিন্তু পিতাকৰ কাছাৰীৰ নথি আৰু আলাপৰ ভিতৰত জাতি আৰু বংশৰ কথাৰ বৰ চাট্ নাথাকিলেও, সংসাৰৰ ঠেলা-হেঁচাত পৰি দ-বাম চিনি পোৱা মনত সকলো সমান যেন নালাগিছিল। সংক্ষেপতে তেওঁ উত্তৰ দিলে, যে নবীনে নাভাবি নিচিন্তি ইমান দায়িত্বৰ কথা এইদৰে লিখা অন্যায় হৈছে।

ডেকা তেজত সৌন্দৰ্যৰ মোহ বা বাসনাৰ বলকে অনেক সময়ত প্ৰেম বুলি বলিয়া হোৱা যায়। কিন্তু সংসাৰৰ ঠেলাত পৰি যাৰ মন ভিজিছে আৰু যি জানিছে, যে মোহ দুদিনীয়া আৰু বাসনাৰ উত্তেজনা তৃপ্তি হোৱা মাত্ৰকতে চেঁচা পৰে, সি জানে যে প্ৰেম বা ভালপোৱা কেৱল সৌন্দৰ্যৰ মোহ বা আকাংখাৰ তৃষ্ণা নহয়। সেই দেখি এই কথাত বাপেক পুতেক দুইৰো অমিল হ'ল। ডেকা আৰু বুঢ়াৰ ভিতৰত, ভোগবিলাসিনী তৃষ্ণা আৰু ভোগ-বিৰক্ত বৈৰাগ্যৰ ভিতৰত যিমান দিন প্ৰভেদ থাকে, এনে কথাত সিমান দিনলৈ মতৰ মিল হবলৈ আশা কৰাও অন্যায়।

( ৪ )

অনেকদিন গ'ল। এদিনাখন দুপৰীয়া ধৰণী আৰু নবীনে দুয়ো দুখন চিঠি পালে।—পাৰ্বতীৰ বিয়া! নবীন যাব লাগে; পাৰিলে ধৰণীও। দুয়ো দুইৰো চকুৰ ফালে চালে। একো কথা নহ'ল; কিন্তু দুয়ো বুজিলে দুয়োৰো কি কবৰ ইচ্ছা। হৃদয় যেতিয়া ভাবত গভীৰ হয়, তেতিয়া চকুৰ এই ভাষাই দুখৰ অতি ওজস্বিনী বক্তৃতাকো ছেৰ পেলায়।

( ৫ )

সংসাৰ চক্ৰ কুমাৰৰ চাকতকৈও বেছি বিচিত্ৰ। এই চক্ৰৰ ঘূৰণীত 'ধৰণী আৰু নবীনৰ কোন ফালে গ'ল বিশেষ খবৰ নাথাকিল। কলেজৰপৰা

ওলাই অহাৰ তিনি চাৰি বছৰলৈ তেওঁলোকৰ ভিতৰত দুখন এখন চিঠি চলাচল কৰিছিল। তাৰ পাচত কোন ক'ত থাকিল, সেয়ে জনাজনি নাথাকিলগৈ। দুয়ো নিজ নিজ বাটেদি গৈ বাটত কত কি লগ পালে, কত কি হেৰুৱালে। ইয়ো এক মায়াৰ খেলা। আজি যাৰ অভাৱত সংসাৰ অন্ধকাৰ আৰু জীৱন স্বপ্নময় বোধ হয়, দুদিনৰ পাচত তাৰো বিৰহ সহ্য হয় গৈ। বুঢ়া সংসাৰ বুঢ়া ভাৱেই লাখুটিত ভৰ দি চলে; দিনৰ পোহৰ বা ৰাতিৰ আন্ধাৰৰপৰা তাৰ সুবিধা অসুবিধা একো নহয়।

ধৰণীয়ে কলেজৰ এটা নে দুটা পৰীক্ষা পাছ কৰি আহি মাষ্টৰী কামত সোমাইছিল। তাহানিৰ প্ৰেম, ভাল-পোৱা, পাৰ্বতীক বিয়া কৰাবলৈ নাপালে চিৰকুমাৰ ব্ৰত লৈ জীৱন নিওৱা, বিৰহৰ দুঃসহ বেদনা বৰ্ণাই কবিতা লিখা আদি কথাবিলাক তেতিয়া তেওঁৰ মনত সপোন যেন হে লগা হৈছিল; ভাবিলেও কেতিয়াবা মনতে হাঁহি উঠে আৰু কেতিয়াবা বা হৃদয়-তন্ত্ৰীৰ একোডালি তাঁৰ বিষাদৰ সুৰত কঁপি উঠে।

এদিন ল'ৰা এজনে তেওঁৰ ওচৰলৈ আহি ছুটী খুজিলে, কাৰণ তাৰ মাকৰ নৰীয়া। অনেক ল'ৰাৰ মাকৰ নৰীয়া হয়, অনেকক ধৰণীয়ে ছুটী দিয়ে। সেইদিনা—কোনে জানে কিয়—তেওঁৰ কেইটামান কথা সেই ল'ৰাটোক সুধিবৰ ইচ্ছা হ'ল; আৰু সুধি জানিলে যে, ল'ৰাৰ বাপেকে ৰেলৰ অফিচত কিবা এটা কাম কৰে। মাকৰ জ্বৰ সেই দিনা বেছি হোৱাত বাপেকে পুতেকক স্কুললৈ আহিয়েই ছুটী লৈ যাবলৈ কৈছে।

ধৰণী আবেলি ফুৰিবলৈ ওলালত, কোনে জানে কি সকামত তেওঁৰ ৰেলৰ অফিচৰ ফালে যাবৰ মন গ'ল। ৰেলৰ অফিচ পাই তেওঁৰ সেই ল'ৰাটো আৰু তাৰ মাকৰ নৰীয়াৰ কথা মনত পৰিল। কোনে জানে কিয়, তেওঁৰ তাৰ খবৰ লবলৈ মন গ'ল। তেওঁ খবৰ কৰি ল'ৰাৰ ঘৰ উলিয়ালে; আৰু বাহিৰৰপৰা তাৰ নাম কাঢ়ি মাতিলে। এজন ভদ্ৰলোক ওলাই আহিল, —কোন আহিছে চাবলৈ। "আ! নবীন দেখোন! তুমি ক'ৰপৰা ইয়াত ওলালা নবীন?" ধৰণীয়ে আচৰিত হৈ সুধিলে। দুয়ো বন্ধুৰ বহুত দিনৰ মূৰত দেখাদেখি; চকুৰে-চকুৰে হাঁহিয়ে হাঁহিয়ে যি কথা নিমিষত হ'ল, দুদিন ক'লেও তাৰ ওৰ নপৰে। নবীনে ক'লে, "পাৰ্বতীৰ জ্বৰ!"

"পাৰ্বতী? এইটো জানো পাৰ্বতীৰ ঘৰ?" ধৰণী আচৰিত হ'ল। নবীনো আচৰিত হ'ল, একে ঠাইতে থাকি ইমান দিন এওঁলোকে খবৰ নাপায়!

পাৰ্বতীৰ গিৰিয়েকক ধৰণীৰ লগত চিনাকি কৰি দি নবীনে ধৰণীক ভিতৰলৈ লৈ গ'ল। যি সৌন্দৰ্য দেখি ধৰণী ডেকা বয়সত এদিন মোহ গৈছিল, সেই সৌন্দৰ্য অস্থি-কঙ্কালসাৰ হৈ পৰি আছে। দেখি ধৰণীৰ চকু চলচলীয়া হৈ

উঠিল। পাৰ্বতীয়ে দাদাকক আঙুলিৰ ইংগিতেৰে মাতি নি মুখ লৰাই সুধিলে, "কোন ?" নবীনে ভজা মাতেৰে "ধৰণী, আইটি। ধৰণী।" বুলি কোৱাত ধৰণীও বিছনাৰ ওচৰলৈ গ'ল। পাৰ্বতীবো চকুৰ লো বৈ গ'ল। সেইদিনা ৰাতি বহুতলৈ বহি থাকি, পাচদিনা পুৱাই আহিব বুলি কৈ ধৰণী উঠিল।

ধৰণীয়ে পাচদিনা পুৱাই আহিয়েই নবীনক দেখা পালে, নবীনৰ মুখ মলিন, চকুত পানী। নবীনে ধৰণীক সাৱট মাৰি ধৰিলে। দুয়ো বন্ধুৱে আকৌ আগৰ নিচিনা গলাগলি কৰি, আগেয়ে এদিন যেনেকৈ হাঁহিছিল আজি তেনেকৈ কান্দিলে। বুঢ়া সংসাৰ আগৰ দৰেই লাখুটিত ভৰ দি বুঢ়াভাৱেই চলি থাকিল। দিনৰ পোহৰ বা ৰাতিৰ আন্ধাৰৰপৰা তাৰ একো সুবিধা বা অসুবিধা নহ'ল।

## মহীচন্দ্ৰ বৰা

(১৮৯৪—১৯৬৫)

শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে মহীচন্দ্ৰ বৰালৈ লেখা এখন চিঠিত লেখিছিল : "দেশৰ কামত আপোনাৰ সময়ৰ নাটনি হৈছে। আপুনি লেখিবলৈ নেৰিব। ৺বেজবৰুৱাৰ আসনখন আপুনিহে পূৰাব পাৰিব।"

অসমীয়া মানুহে উচ্চ স্তৰৰ হাস্য-ৰস সৃষ্টি কৰিব পাৰক বা নোৱাৰক, এটা কথা বোধহয় সঁচা যে তেওঁলোকে হাঁহিবলৈ ভাল পায়। বেজবৰুৱাই তেওঁলোকক হাস্য-ৰসৰ যি জুতি লগাই থৈ গৈছিল, সেই জুতি তেওঁলোকে কেতিয়াও পাহৰিব পৰা নাই। সেয়েহে বেজবৰুৱাৰ এজন যোগ্য উত্তৰাধিকাৰীৰ সন্ধানবো এতিয়ালৈকে শেষ হোৱা নাই। শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে ভাবিছিল—বেজবৰুৱাৰ আসনখন মহীচন্দ্ৰ বৰাইহে পূৰাব পাৰিব। ডঃ বাণীকান্ত কাকতীয়ে আকৌ ভাবিছিল—"বেজবৰুৱাৰ পিচত (লক্ষ্মীনাথ ফুকনৰ 'ওফাইদাং') এই অৰুণমান কিতাপখনিয়েই সময়ৰ দাপোণ।"—এনেবোৰ অভিমত কিমানদূৰ বিশুদ্ধ সাহিত্য-বিচাৰ আৰু কিমানদূৰ সজ্জনোচিত বন্ধু-কৃত্য—সেই বিষয়ে অধিক আলোচনাৰ অৱকাশ আছে। কিন্তু যিটো বিষয়ে কোনো সন্দেহ নাই, সেইটো হ'ল এই যে অসমীয়া সাহিত্যৰ আটাইকেইজন হাস্য-ৰসিককে এতিয়ালৈকে বেজবৰুৱাৰ মাপ-কাঠিৰেই জুখিবলৈ চেষ্টা কৰি থকা হৈছে।

অৱশ্যে মহীচন্দ্ৰ বৰা বা লক্ষ্মীনাথ ফুকনৰ ৰচনাই যে বেছিভাগ পাঠক বা সাহিত্য-সমালোচকক লক্ষ্মীনাথ বেজবৰুৱালৈ মনত পেলাই দিয়ে—তাৰ একমাত্ৰ কাৰণ তিনিওজনৰ ৰচনাৰ সাধাৰণ গুণ হাস্য-ৰসেই নহয়। তাৰ আন এটা প্ৰধান কাৰণ হ'ল এই যে বেজবৰুৱাৰ সাহিত্যই তেওঁৰ যুগৰ অসমীয়া সমাজ আৰু জীৱন-ধাৰাৰ আচল ছবিখন নিখুঁত ৰূপত ফুটাই তুলিছে বুলি বেছিভাগ পঢ়ুৱৈ আৰু সমালোচকে ভাবে। বেজবৰুৱাৰ ৰচনাত তেওঁলোকে যিভাবে থলুৱা মাটিৰ গোন্ধ পায়, চিনাকি মাত-কথা শুনিবলৈ পায়, চিনাকি গঢ়-গতি, আও-ভাও আৰু দোষ-গুণ দেখিবলৈ পায়, তেনে ধৰণৰ অভিজ্ঞতাৰ আস্বাদ অতি কম অসমীয়া লেখকেহে তেওঁলোকক দিব পাৰে। সেই কাৰণে তেওঁলোকে যেতিয়াই আন যিকোনো এজন অসমীয়া লেখকৰ ৰচনাত চিৰকালৰ পৰিচিত এই অসমীয়া সামাজিক আৰু স্বাভাৱিক পৰিবেশত 'অসমীয়া পুৰুষ-তিৰোতা' লগ পায়, তেতিয়াই তেওঁলোকৰ বোধহয় বেজবৰুৱালৈ মনত পৰি যায়। মহীচন্দ্ৰ বৰাৰ গল্পৰ বৈশিষ্ট্যৰ বিষয়ে এই এষাৰ কথা ক'লেই যথেষ্ট হ'ব যে তেওঁৰ গল্পই কৃষ্ণকান্ত সন্দিকৈৰ নিচিনা এজন লোককো বেজবৰুৱাৰ কথা মনত পেলাই দিছিল। বস্তুতঃ বেজবৰুৱাৰ পিচত তেৱেঁই অসমীয়া সাহিত্যত একমাত্ৰ উল্লেখযোগ্য হাস্য-ৰসিক আৰু ব্যংগ-লেখক।

মহীচন্দ্ৰ বৰাৰ অভিজ্ঞতাৰ জগতখন বৰ আহল-বহল নহয়। ব্যক্তিগত জীৱনত তেওঁ আছিল মফচলীয়া চহৰৰ উকীল। সেই সময়ৰ বহুতো দেশ-প্ৰেমিক উকীলৰ দৰে তেৱোঁ দেশৰ স্বাধীনতাৰ সংগ্ৰামত যোগ দি তিনিবাৰকৈ কাৰাবৰণ কৰিছিল, আৰু স্থানীয় ৰাজনীতি আৰু সামাজিক কাম-কাজৰ লগতো তেওঁ ওতপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ গল্পৰ চিত্ৰ-শালাত

বিলকল লোকে প্ৰধানকৈ স্থান পাইছে, তেওঁলোক হ'ল কাছাৰীৰ হাকিম আৰু আমোলা, উকীল, মৌজাদাৰ-মোক্তাৰৰ যোগেদি কাছাৰীৰ উকীল আৰু আমোলাৰ সংস্পৰ্শলৈ অহা গাৱঁৰ মেলুৱৈ, ঘুচিছ চৰকাৰৰ খিতাপ্ পোৱা ৰাজ-ভক্ত উচ্চ-বিষয়া—ইত্যাদি। তেওঁৰ গল্পত ঘটনা-বৈচিত্ৰ্য আৰু চৰিত্ৰ-বৈচিত্ৰ্য প্ৰায় নাই বুলিলেই হয়। বিভিন্ন নামত আৰু বিভিন্ন পৰিবেশত একেখিনি মানুহকে আমি ঘূৰি ঘূৰি লগ পাই থাকো। তেওঁৰ প্ৰধান কৃতিত্ব বিশাল চিত্ৰ-শালা নিৰ্মাণৰ মাজত নাই; 'মনোজগতৰ ৰহস্য-উন্মোচন বা সমাজৰ সংঘাত-চিত্ৰণো তেওঁৰ উদ্দেশ্য নহয়। ব্যক্তিগত অভিজ্ঞতা আৰু সংস্পৰ্শৰ যোগেদি এটা সীমাবদ্ধ পৰিসৰৰ মাজত তেওঁ যিবোৰ মানুহক লগ পাইছিল আৰু অতি নিবিড়ভাৱে চিনি পাইছিল, সেই মানুহবোৰৰে জীৱন-ধাৰা, আচাৰ-আচৰণ, মাত-কথা, ক্ষুদ্ৰ আশা-আকাংক্ষা আৰু হিংসা-দ্বেষ-প্ৰীতি আদিৰ একোটা জীৱন্ত আৰু বাস্তবানুগ চিত্ৰ তেওঁ আঁকি থৈ গৈছে। দৰাচলতে মফচলীয়া চহৰ আৰু গাৱঁৰ ক্ষুদ্ৰ পৰিবেশত ক্ষুদ্ৰ আশা-আকাংক্ষা আৰু সমস্যা লৈ জীয়াই থকা এই ক্ষুদ্ৰ মানুহবোৰৰ এনে জীৱন্ত চিত্ৰ মহীচন্দ্ৰ বৰাৰ বাহিৰে আন কোনেও বোধহয় আমালৈ থৈ যাব পৰা নাই। তদুপৰি, গল্প-সৃষ্টিৰ কাৰণে তেওঁ যিবোৰ চৰিত্ৰ আৰু জীৱনৰ আৰু সমাজৰ যিটো ফাল বাছি লৈছিল, সিও গহীন মন্তব্য বা আবেগতকৈ ব্যংগ-বিদ্ৰূপ আৰু হাস্য-পৰিহাসৰহে বেছি উপযোগী বিষয়বস্তু। আৰু যিহেতু ব্যংগ-ৰচনা মাত্ৰেই প্ৰচ্ছন্ন বা প্ৰকাশ্য সমালোচনা, গতিকে স্বাভাৱিকতেই মহীচন্দ্ৰ বৰাৰ গল্পই সমসাময়িক সমাজৰ সমালোচনাৰ ৰূপ লৈছে।

মহীচন্দ্ৰ বৰাই যাইকৈ কাৰ উদ্দেশ্যে তেওঁৰ ব্যংগ-বাণ নিক্ষেপ কৰিছে? সাধাৰণতে দেখা দেখা যায় যে বেছিভাগ ব্যংগ-সমালোচকৰে নিজস্ব একোটা bete noire থাকে। মহীচন্দ্ৰ বৰাৰ গল্পবোৰ বিশ্লেষণ কৰি চালে দেখা যায় যে তেওঁৰ নৈতিক ক্ৰোধ আৰু ব্যংগ-বাণৰ প্ৰধান লক্ষ্য হ'ল কপটতা বা ভণ্ডামি। তুচ্ছতাৰ বোকাত লেটি লৈ থকা যিবোৰ মানুহৰ চৰিত্ৰ তেওঁ অংকন কৰিছে, সেইবোৰৰ বেছিভাগৰে মুখত এটা কথা পেটত এটা কথা—অৰ্থাৎ দুতৰপীয়া স্বভাৱ।

"টি টি টিক জানাই—কংগ্ৰেছৰ প্ৰচেশ্যনতো যোগ দিয়ে, পুলিচ ফুলিচ দেখিলেও বেঙে-মুতা গৰুৰ দৰে কঁপে, চাহাবৰ কুকুৰকো চালাম ঠুকে।" (সন্তবামি যুগে যুগে)

"মিনতিৰ লগত নামৰ দ্ৰোহী পিতাম্বৰৰ বিয়াৰ কথা যেতিয়া অহকাণে-পহকাণে গৈ গাৱঁত বিয়পি পৰিল, তেতিয়া তাৰেই চৰ্চাত নামত বতি থকা কৃষ্ণ-প্ৰাণ নিলিপ্ত ভকত-বৈষ্ণৱসকলৰ আহাৰ-নিদ্ৰাত ব্যাঘাত জন্মিল।" (চাকনৈয়া)

বৰাৰ বেছিভাগ চৰিত্ৰৰ সাধাৰণ লক্ষণ হ'ল এই: তেওঁলোক বেছিভাগেই মুখ সলাই খোৱা মানুহ। তেওঁলোকৰ পেটত ভাব এটা, কিন্তু স্বাৰ্থসিদ্ধিৰ আশাত মুখেৰে কয় আন এটা। স্বাৰ্থসিদ্ধি হোৱাৰ আশা দেখিলে মুখেৰে কয় এটা, কিন্তু সেই আশা পূৰণ নহলেই কয় ঠিক তাৰ বিপৰীত এটা। মফচল চহৰৰ উকীল হিচাপে তেওঁ বোধহয় বহু মানুহৰ স্বভাৱ-চৰিত্ৰৰ এই অন্ধকাৰ ফালটো অতি ওচৰৰপৰা দেখা পাইছিল, সেয়েহে তেওঁৰ গল্পত মানৱ-চৰিত্ৰৰ এই কদৰ্য ৰূপটো অতিশয় জীৱন্ত ৰূপত ফুটি উঠিছে। পেটুক স্বভাৱৰ বুঢ়া কাকতীয়ে পেহকাৰৰ বৈণীয়েকৰ শ্ৰাদ্ধত মিঠাইৰ ভুৰি-ভোজন কৰিবলৈ পাম বুলি আশা কৰি বহুত দিন পেহকাৰক তোষা-মোদ কৰি আছিল; কিন্তু যেই তেওঁ গম পালে যে মিঠাইৰ কোনো ব্যৱস্থাই হোৱা নাই, ঘৰলৈ উভতি আহোতে বাটত ভট্টাচাৰ্যক লগ পাই কলে—"বান্ধকানি পেহকাৰে কি শৰাধ পাতিবহে? বৈণীয়েকৰ বেমাৰত যি ভাল চিকিৎসা কৰিলে তাক সকলোৱে জানে। ভাবিছিলো, শৰাধতে দুপইচা খৰচ কৰিব। আও, পইচা খৰচ কৰিবলৈ পালে সি যেন মৰিব পাৰে।" (অলাৰে খল সংলাৰে)। ........... বৰাৰ বেছিভাগ চৰিত্ৰৰে আচৰণ এনেকুৱা।

বৰাৰ গল্প কোৱাৰ এটা নিজস্ব বৈশিষ্ট্য আছে। তেওঁৰ গল্পত সাধাৰণতে কোনো সু-সংবদ্ধ প্লট বা কাহিনী নাথাকে। তেওঁৰ প্ৰধান আকৰ্ষণ চৰিত্ৰাংকনৰ প্ৰতি; সেই উদ্দেশ্যে

যিকোনো সৰু-সুৰা ঘটনা বা সমস্যাই তেওঁৰ কাৰণে যথেষ্ট। এটা ঘটনা বা সমস্যাৰ অৱতাৰণা কৰি তাৰ প্ৰতি বিভিন্ন ব্যক্তিৰ প্ৰতিক্ৰিয়া তেওঁ উন্মোচিত কৰে, আৰু সেই প্ৰতিক্ৰিয়াৰ মাজেদিয়েই ফুটি উঠে বিভিন্ন ব্যক্তিৰ চাৰিত্ৰিক বৈশিষ্ট্য। এই ক্ষেত্ৰত তেওঁক প্ৰধানকৈ সহায় কৰে ভাষাৰ স্বচ্ছন্দ গতিয়ে আৰু সৃষ্ট চৰিত্ৰসমূহৰ লগত থকা তেওঁৰ নিবিড় বাস্তৱ পৰিচয়ে। ভাষাৰ ওপৰত তেওঁৰ প্ৰশংসনীয় দখল আছে। যি চৰিত্ৰৰ মুখত যি ভাষা দিব লাগে, যি পৰিস্থিতি বৰ্ণনা কৰিবলৈ যি ধৰণৰ ভাষা ব্যৱহাৰ কৰা উচিত—সেইবোৰ ক্ষেত্ৰত তেওঁ কেতিয়াও ভুল নকৰে। বক্ৰোক্তি ("চিৰস্তাদাৰে ষাঠি বছৰ বয়সত তৃতীয় দাৰ পৰিগ্ৰহ কৰিছিল যদিও তেওঁ সাত্ত্বিক, বৈষ্ণৱ লোক"), পান্ ("মোছ অলপমান থাৰ সিয়েই মুছলমান", "ডাক-তৰক এবাৰ ডাকিলেই তুমি আৰু তৰিদা", "প্লীডাৰ মাইনাচ প-পইচা ইজ্ ইকুৱেল টু নীডাৰ") আদি ভাষাৰ নানা কেৰামতিৰ ক্ষেত্ৰত তেওঁ যি দক্ষতা দেখুৱাই থৈ গৈছে, আন কোনো অসমীয়া লেখকেই এতিয়ালৈকে তাৰ ওচৰ চাপিব পৰা নাই। সেইদৰে চৰিত্ৰ-চিত্ৰণতো তেওঁ এনে এক চিত্ৰ-শালাৰ সৃষ্টি কৰি থৈ গৈছে--যʼৰ প্ৰত্যেকখন চিত্ৰই সম্পূৰ্ণ নিখুঁত আৰু বাস্তৱধৰ্মী। তেওঁৰ অসাৰে খলু সংসাৰে আৰু কেৰাণীৰ কপাল গল্পৰ তিৰোতা-মেলৰ চিত্ৰ, চাকনৈয়া গল্পৰ গাৱঁলীয়া নাৰদৰ চৰিত্ৰ, সেই একেটা গল্পৰে গাৱঁলীয়া নাম-কীৰ্তনৰ বৰ্ণনা, উকীলৰ আপদ গল্পত মৰ-ভঙা টুটকীয়ানী মোলানী বুঢ়ীৰ চৰিত্ৰ—এই সকলোবোৰ চৰিত্ৰই এহাতে যেনেকৈ অসমীয়া সমাজৰ চিৰ-পৰিচিত অভিজ্ঞতাৰ অংশ-বিশেষ, আনহাতে সি তেনেকৈ সাধাৰণ আৰু বিশ্বজনীন দোষ-দুৰ্বলতাৰো প্ৰতিভূ-স্বৰূপ। বেজবৰুৱাৰ প্ৰধান দুৰ্বলতা এয়েই যে তেওঁৰ চৰিত্ৰ-চিত্ৰণত কʼতো সূক্ষ্ম ব্যঞ্জনাৰ স্থান নাই, তেওঁৰ প্ৰত্যেকটো ৰেখাই অতি মোটা আৰু দৃঢ় তুলিৰে অংকিত।

# চাকনৈয়া

মহীচন্দ্ৰ বৰাৰ যিবোৰ স্বকীয় বৈশিষ্ট্যৰ কাৰণে তেওঁৰ গল্পবোৰ বিখ্যাত, সেই আটাইবোৰ বৈশিষ্ট্য চাকনৈয়া নামৰ গল্পটোত একেলগে দেখা যায়। দুটা বাক্যতে কৈ শেষ কৰিব পাৰি—এনে এটা ক্ষুদ্ৰ কাহিনীৰ আধাৰত তেওঁ সমাজৰ এখন বাস্তৱ চিত্ৰ আশ্চৰ্য দক্ষতাৰে ফুটাই তুলিছে। চৰিত্ৰ-চিত্ৰণৰ ক্ষেত্ৰত মহীচন্দ্ৰ বৰাৰ এটা নিজস্ব কৌশল আছে। সেইটো হৈছে কোনো ধৰণৰ বৰ্ণনাৰ আশ্ৰয় নলৈ কেৱল কথোপকথনৰ যোগেদি বিভিন্ন ব্যক্তিৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰকাশ। এই গল্পত তেওঁ সেই কৌশল অতি নিপুণভাৱে প্ৰয়োগ কৰিছে।

চাকনৈয়া গল্পত যুগপৎ দুখন চিত্ৰ ফুটি উঠিছে : সমাজৰ চিত্ৰ আৰু ব্যক্তিৰ চিত্ৰ। সমাজৰো আকৌ দুখন চিত্ৰ : ৰায়বাহাদুৰ ভৈৰৱচন্দ্ৰ কাগ্‌তী প্ৰমুখ্যে লোকসকলৰে গঠিত 'হায়াৰ চাৰ্কোল'ৰ চহৰীয়া সমাজ আৰু পঞ্চানন পণ্ডিত, মনোহৰ মণ্ডল, বুঢ়া বৰুৱা, সত্ৰাধিকাৰ আদি লোকসকলৰ গাৱঁলীয়া সমাজ। মাত্ৰ কেইটামান প্ৰতিনিধি-স্থানীয় চৰিত্ৰৰ কথা-বাৰ্তা আৰু আচৰণৰ যোগেদি লেখকে এই দুয়োখন সমাজৰ এটা বিশেষ ৰূপ যি আশ্চৰ্য দক্ষতাৰে ফুটাই তুলিছে সি পাঠকৰ মনত প্ৰশংসাৰ উদ্ৰেক নকৰাকৈ নাথাকে। ৰায়বাহাদুৰ আৰু তেওঁৰ মো-চাহেব বন্ধুৰ কথা-বাৰ্তাৰ মাজেদি এহাতে যেনেকৈ ষ্টেটাছ্--সৰ্বস্ব এক শ্ৰেণীৰ চহৰীয়া লোকৰ বিকৃত মনোভংগী আৰু জীৱন-ধাৰাৰ পৰিচয় ফুটি উঠিছে, আনহাতে তেনেকৈ গাৱঁলীয়া নাম-কীৰ্তন আৰু অন্যান্য প্ৰসংগত হোৱা নানা কথন-মথনৰ মাজেদি ফুটি উঠিছে গাৱঁলীয়া জীৱনৰ এটা অন্ধকাৰ দিশ—ক্ষুদ্ৰ লোভ, ক্ষুদ্ৰ ঈৰ্ষা আৰু ক্ষুদ্ৰ স্বাৰ্থপৰতাৰ এক জীৱন্ত ছবি।

গোটেই গল্পটোক এখন সৰু-সুৰা চিত্ৰ-শালা বুলি ক'ব পাৰি। পিতৃহীন পীতাম্বৰক আগেয়ে আন বিবোৰ মানুহে হয়তো মানুহ বুলিয়ে গণ্য কৰা নাছিল, সি বি-এ পাছ কৰি অহাৰ পিচত সেই একেবোৰ মানুহেই তাৰ তোষামোদত পঞ্চমুখ হৈ উঠিছে। সেইবোৰৰ মাজেৰে শইকীয়াৰ নিচিনা গাৱঁলীয়া নাৰদৰ চৰিত্ৰ আমাৰ সকলোৰে চিৰ-পৰিচিত। গল্পটোৰ আৰু এটা উল্লেখ-যোগ্য চৰিত্ৰ সত্ৰাধিকাৰ মহন্ত প্ৰভু। হেমচন্দ্ৰ বৰুৱাই নিবন্ধৰ আৰু অৰ্থলোভী ধৰ্মগুৰুসকলৰ বিৰুদ্ধে যি জেহাদ্ ঘোষণা কৰিছিল (গোবৰ্দ্ধন গোসাঁই), তাৰ জেৰ লক্ষ্মীনাথ বেজবৰুৱাৰ দিনৰপৰা মহীচন্দ্ৰ বৰালৈকে চলি আছে। ৰায়বাহাদুৰ ভৈৰবচন্দ্ৰ কাগতীৰ চৰিত্ৰৰ মাজেদি ফুটি উঠিছে দেশৰ পৰাধীনতাৰ যুগৰ এক শ্ৰেণী লোকৰ নীচ মানসিকতা আৰু জীৱন-ধাৰাৰ ছবি। অসমৰ ইতিহাসৰ এটা বিশেষ যুগৰ সামাজিক দাপোণ হিচাপে আৰু জগতে এক আকৰ্ষণীয় চিত্ৰ-শালা হিচাপে মহীচন্দ্ৰ বৰাৰ এই গল্পটো স্মৰণীয় হৈ ৰ'ব।

পিতৃহীন পীতাম্বৰ যিদিনা অৰ্থনীতিৰ 'অনাৰ্চ' পৰীক্ষাত প্ৰথম বিভাগত প্ৰথম ঠাই অধিকাৰ কৰি বি-এ ডিগ্ৰীৰে ঘৰলৈ উভতিল, সেইদিনা গাঁৱত এফালে যেনেকৈ ধন্য ধন্য পৰিল, আনফালে তেনেকৈ পীতাম্বৰৰ সমনীয়া অনেক ডেকা ল'ৰাই মাক-বাপেকৰ তিতা-কঠুৱা মাতো শুনিব লগা হ'ল। পিচদিনা পুৱাতে পীতাম্বৰৰ পঁজাত লেখত লবলগীয়া গাঁৱৰে পাঁচজনৰ পদধূলি পৰিল।

সৰুতে পঢ়াশালিত পীতাম্বৰক পঢ়োৱা পণ্ডিত পঞ্চাননে আহি আশীৰ্বাদ দি ক'লে, "মই তেতিয়া নকৈছিলোঁ—বোপাই একণ্ঠা মোকোলাব বুলি। ইমান দিনে শিক্ষকতা কৰিলো, বোপাৰ নিচিনা এনে চোকা বুধিৰ মনোযোগী ছাত্ৰ কিন্তু এজনো নেদেখিলোঁ।"

"ঠিক কৈছা পণ্ডিত! দিনে-ৰাতি কিতাপৰপৰা মুৰ নোতোলা দেখি মই বোপাৰ মাকক কৈছিলোঁ—'সেহী! তোমাৰ এই ল'ৰাই কিন্তু তোমাৰ ঘৰ পোহৰাব। ধাৰে-ঋণে পঢ়োৱা।' এই আভঁজাৰ কথাৰ ইফাল সিফাল নহ'ল" বুলি হলধৰ হাজৰিকাই গোঁফ সিঞ্চাৰিলে।

"শত্ৰুৰ মুখত ছাই দি এতিয়া আমাৰ বোপা হাকিম-মুনচুপ হওক। বোপাৰ লাহ-বিলাহ চাবলৈ ককাইদেউ আজি থাকিব লাগিছিল"—বুলি চক্ৰধৰে এটুপি চকুলো টুকিলে আৰু লগে লগে তেওঁৰ পুতেক বংশীধৰক মানুহ কৰিবলৈ পীতাম্বৰক গতালে।

"আমাৰ বংশত কিন্তু বোপায়েই মুধা ফুটালে দিয়া। সেই কথাকেহে মই আজি মনোহৰক কৈ আহিছোঁ। মনোহৰ সম্বন্ধত মোৰ ভাই হয়—কিন্তু সি মণ্ডলী বিষয়খন পায়েই আমাক নিচিনা হ'ল। বোপায়ে কিন্তু কালি মোক দেখা পায়েই বৌৱেকৰ কথা সুধিলে, ঘৰৰ বা-বাতৰি, ধা-খবৰ সকলো ললে। বোপাৰ ভৰিৰ কেঞ্চা আঙুলি এটাৰো সি যোগ্য নহয়—তাৰ এনে ফিতাহি!" বুলি পীতাম্বৰৰ দুৰ সম্পৰ্কীয় ককায়েক কীৰ্তিকান্তই নাক কোঁচালে।

"মনোহৰৰ কথা আৰু নকবা। সি মোৰ ছাত্ৰ হৈও মণ্ডল মোকৰ্দ্দম হৈয়েই মোৰ লগত মাটিৰ বিষয়ে গাওঁবুঢ়াৰ যিখন কন্দল লগালে তাক আৰু নাপাহৰো। দুটকি ৰাপ নোপোৱামানে মাটিখিনি জুখি সীমাটো দেখুৱাই দিবলৈকে তাক লৰাব নোৱাৰিলো। আগৰদৰে ল'ৰাবোৰৰ আৰু গুৰুভক্তি নাই। একেবাৰেই গুচিল।" বুলি পণ্ডিত পঞ্চাননে এটা হিয়াভগা হুমুনিয়াহ কাঢ়িলে।

"অতি দৰ্পে হত লঙ্কা হে—অতি দৰ্পে হত লঙ্কা। চাই থাকিবা—মনোহৰ যেনেকৈ গেলা গপত ওফন্দি গঞ্জাটোপটো হৈ পৰিছে, দৰ্পহাৰী ভগবন্তই তাৰ দৰ্প ছাৰখাৰ কৰেহে লাগে—" বুলি হাজৰিকাই মুখ সিকটালে।

শইকীয়াই ক'লে, "কালি আবেলি বোপাৰ বৰদেউতাকক পাই সুধিলোঁ—'পিচে খুৰা, পীতাম্বৰ বি-এ পাছ কৰি আহিছে নহয়? আগৰ ভাবতেই থাকে নে? বোপাৰ বাপেকৰ লগত যি লগালে লগালে, এতিয়া মিলি-জুলি থকাটোৱেই আমি ভাল দেখো।' আও, মোৰ যেন নেলুতেই ধৰিবহি! চকু ঘোপা কৰি কলে—'পীতাম্বৰ বি-এ পাছ কৰি আহিছে ভাল হৈছে। তহঁতে ঢোল পিটি নাচগৈহঁক।' সকলো বুজিছোঁ, বুজিছা। বুঢ়াৰ ছাগৈ পীতাম্বৰৰ উন্নতিয়ে ধান বনাদি বানিব লাগিছে। এনেটো চকুপোৰা পৰশ্ৰীকাতৰ বুঢ়া আৰু নাই। নিজৰ সাতোটা ল'ৰা হ'ল গোট-গৰু। বোপাইৰ শ্ৰীকেই বা সহে কেনেকৈ?"

মামলা-মোকৰ্দ্দমাত ৰাপ থকা লহৰে ইমান পৰে টলকা মাৰি মনোযোগৰে সমজুৱাসকলৰ কথা-বতৰা শুনি আছিল। এইবাৰ সেহাই সেহাই মাত লগালে—"কলিকতাৰ কথা শুনিলেই আমাৰ পেটতে হাত-ভৰি লুকায় দিয়ক শইকীয়া। বোপাহঁতে পঢ়া 'কলেজটোৰ' মুধলৈ চালেই মূৰৰ পাগুৰি খহি যায় বোলে। এনে ভব্য-গব্য ঘৰ হেনো এই ভূ-ভাৰতত নাই। পঢ়োৱা পণ্ডিতবোৰো এটাইবোৰ চাহাব। কিতাপৰ গোট নো কি দেখিব! একোখনি যেন দশম, ভাগৱতহে। পঢ়ি পঢ়ি বোপাৰ চকু দেখা নাইনে কেনেকৈ কুমত সোমাইছে। সেইদেখিহে কৈছো বোলো আৰু পঢ়াৰ কাম নাই। বোপাই ভেকুলীৰ পিঠিত নোম গজালে। এতিয়া উকীল বালেস্টৰ হৈ কোৰোণাৰে ধন চপাওক।" ভেকাহি মাৰি হাজৰিকাই ক'লে—"কি উকীলৰ কথা কৈছ হে! আজিকালি বুৰিয়ে বুৰিয়ে উকীল কাছাৰী ঘৰৰ বাকৰিত ভেকুৰিব লাগিছে। অঁ' মানো। আগৰ দিনৰ সেই লম্বোদৰ উকীলৰ দৰে উকীল হ'ব পাৰিলে হয়। চকু পকোৱা-পকিকৈ কথাৰ আঁহ উলিয়াই জেৰাত সাক্ষীবাদীৰ ধাতু উকৱাইছিল নহয়। হাকিমবোৰেও থৰ লাগে—হাতৰ বুঢ়া আঙুলি কামুৰি তেওঁৰ ছাৱাল-জবাব শুনি তবধ মানিছিল। কোনো এটা কথা তেওঁ কোৱাৰ বাহিৰে লিখিবলৈ গ'লেই মেজতে ভুকু মাৰি সেইটো হ'ব নোৱাৰে বুলি পোনেই হাকিমৰ কলমত ধৰিছিল, বুজিছা? এতিয়াৰ উকীলবোৰৰ গাত কিন্তু সেই তেজ নাই। হাকিম দেখিলেই মাৰ মৰা বোন্দাৰ নিচিনা হৈ বগুৰিইঁতে মেও-মেও কৰিবলৈ ধৰে। সেইদেখিহে কৈছোঁ, বোপা হাকিম হওক।"

কীৰ্তিকান্তই ক'লে—"মনোহৰ বৰকৈ চৰিছেহে হাজৰিকা। মোৰ মনেৰে বোপাই এই অঞ্চলৰ চব-ডেপুটি হাকিমৰ বিষয়খন লৈ তাৰ হুন তুলিব নোৱাৰিলে মিছা। কুকুৰধূলি সি, তাৰ ফিতাহিনো চাবা কি! সি হেনো বোপাৰ নিচিনা বি-এ, এম-এ পাছ কৰা অনেক ল'ৰাই পেটৰ ভোকত কলমলাই ফুৰা দেখিছে। তাৰ কথাত গা মোৰ কিচকিচাই উঠে দিয়া।"

বেলি লাহ দিয়াত হে সকলোটি ঘৰাঘৰি হ'ল।

## সত্ৰাধিকাৰৰ সপোন

সিফালে কিন্তু পীতাম্বৰৰ বেলেগতীয়া ৰৰবাপেকে গালিত পুতেকহঁতৰ 'ত্ৰিধগতি' কৰি কলে—"যাহঁক এতিয়া পীতাম্বৰৰ ভৰিত দীঘল দি পৰগৈ। বাঘৰ পোৱালী হ'ব লাগিছিল বাঘ—হলিহঁক শিয়াল। এতিয়া পীতাম্বৰৰ চাপৰাচি হৈ জোতা চাফ কৰগৈ—টৌ মলগৈ।"

"টৌ মলিবলৈ বা মোৰ ল'ৰাহঁতে যাব কিয়?" ভিতৰৰপৰা গৃহিণীয়ে মাত লগালে।

"হঞ্ৰে, টপটপৰাই নাথাকিবি একা! মোৰ গাত কিবা বিচাট। তয়েই সিহঁতৰ মূৰ খালি। মোৰ লাহৰিহঁত, মোৰ সোণাইহঁত বুলি সিহঁতক তুলি দি দি গোটগৰু কৰিলি। কিয়, পীতাম্বৰৰ লগতেই তোৰ চেনেহীহঁতে নপঢ়িছিল?"

"কাৰ ল'ৰানো 'ফেল' নহয়? এবাৰ দুবাৰ পৰীক্ষাত উঠিব নোৱাৰিলে বুলিয়েই কোনোবাইহে সিহঁতক আনি হালত লগাইছিল। ঘঁহি থাকিলে শিলো ক্ষয় যায়। বাছাহঁতক পঢ়াই থকা হ'লে শত্ৰুৰ মুখত ছাই দি সিহঁতো ভৰিৰ ওপৰত ভৰি তুলি একঠা খাব পৰা, দহজনক দিব পৰা হ'লহেঁতেন। আক্ৰোশীয়ে কেৱল টকাহে চিনিলে।"

"নিলাজৰ জীয়েক যাব দিছনে?" বুলি বুঢ়াই বুঢ়ীৰ ফালে চোচা লওঁতেই শুনিলে বাটতে তেওঁলোকৰ সত্ৰাধিকাৰ মহন্ত প্ৰভু অশ্ববাহনত প্ৰতীক্ষা কৰা বুলি। ব্ৰাহ্মণ-সজ্জন, দেৱ-দ্বিজ, গোঁসাই-মহন্তৰ প্ৰতি বুঢ়া বৰুৱাৰ অচলা ভক্তি। উধাতু খাই ওলাই আহি আথেবেথে বাহনৰপৰা প্ৰভুক নমালে আৰু প্ৰভুৰ পাদপদ্ম ধুৱাই পৰম সন্তোষেৰে পাদোদক পান কৰি আৰু শিৰত সানি চাকলি পীৰাৰ ওপৰত ৰঙা থঙা পাৰি উপৱেশন কৰাই গলবস্ত্ৰ হৈ সাষ্টাঙ্গে প্ৰণিপাত কৰিলে।

"দিয়ন থোৱনৰ শক্তি বঢ়াই গুৰুজনৰ প্ৰতি ভক্তি অটুট ৰখাই বংশীবদনে সপৰিবাৰে কল্যাণ কৰক" বুলি মহন্ত প্ৰভুৱে বুঢ়া বৰুৱাৰ তপা মূৰত হাত দি আশীৰ্বাদ দিলে।

প্ৰভুৰ আগমনত গাওঁৰ দুই-এজন ভকত-বৈষ্ণৱো বুঢ়া বৰুৱাৰ ঘৰত থুপ খালেহি। হাত যোৰকৈ আঠুকাঢ়ি বুঢ়াই সুধিলে—"প্ৰভুৰ প্ৰকাশৰ হেতু?"

অলপপৰ বৈ মৌন হৈ বংশীবদনক সুঁৱৰি সত্ৰাধিকাৰ প্ৰভুৱে গহীনাই মাত লগালে—"আমাৰ আগমনৰ বিশেষ কাৰণ নাছিল। কালি ব্ৰহ্মমুহূৰ্তৰ সময়ত স্বপ্নত মহাপ্ৰভু বংশীবদন প্ৰকাশিত হৈ ক'লে, 'আমাৰ প্ৰতি ভকত-বৈষ্ণৱসকলৰ উদাসীন ভাবে আমাক সন্তাপ দিছে। তোমাসাৰ মণিকূটত আমাক থাপিছা হয় কিন্তু আমাৰ কলেৱৰত বৃষ্টিকণিকা পৰি আমাক অশেষ কষ্ট দিছে। নাইনে আমাৰ প্ৰতি ভক্তিপৰায়ণ এনে লোক—যি চিৰস্থায়ী-ভাৱে আমাৰ উৰ্দ্ধখণ্ড আবৃত কৰি আমাৰ বৃষ্টিপাতজনিত কষ্টৰ উপশম কৰিব পাৰে?' দেখিলোঁ মহাপ্ৰভুৰ নয়ন কোণত অশ্ৰুকণা। বদনত বিৰক্তিৰ ভাৱ। চাওঁতে চাওঁতেই শিষ্যপুত্ৰগণৰ অমঙ্গল আশঙ্কাত আমাৰ অন্তৰ কঁপি উঠিল।"

"আয়ুস, আয়ুস" বুলি বুঢ়া বৰুৱাকে প্ৰমুখ্যে কৰি উপস্থিত সকলোটি ভকত বৈষ্ণৱ হা-হুমুনিয়াহ পেলাই সত্ৰাধিকাৰৰ আয়ে ফুলতোলা শ্ৰীমুখলৈ চাই সুধিলে—"পিচত?"

"পিচে প্ৰভুৰ সেই সংহাৰ মূৰ্তি সম্বৰণ কৰিবলৈ অনেক স্তুতি-ভাগ জনোৱা হ'ল। কাকুতি যোষা গাই মিনতি কৰা হ'ল—'প্ৰভু, অজ্ঞ আমাৰ শিষ্য-প্ৰশিষ্যসকল। আমাৰ মুখলৈ চাই নিজগুণে তুষ্ট হৈ তেওঁলোকক এইবাৰলৈ ক্ষমা কৰক। প্ৰভুৰ কষ্ট অপসৰণৰ উপায় বিহিলে আমি ভকত বৈষ্ণৱসকলক আমাৰ শিষ্যপুত্ৰসকলক জনাব পাৰোঁ।' আচম্বিতে মহাপ্ৰভু বংশীবদনে সংহাৰ মূৰ্তি পৰিহাৰ কৰি সেই বিশ্ববিমোহন বংশীধাৰী মূৰ্তি ধাৰণ কৰি মোহন মদিৰা মন্ত্ৰে বংশীধ্বনি কৰিবলৈ ধৰিলে। আহা! প্ৰভুৰ কি লীলায়িত ভঙ্গী! কি শ্ৰুতিমধুৰ বংশীস্বৰ! এই বংশী ধ্বনিতেই এদিন যমুনা উজাই বৈছিল -এই বংশী ধ্বনিয়েই গোকুলৰ গোপীসকলৰ অন্তৰত প্ৰেম-ভক্তিৰ প্ৰবাহ বোৱাই উন্মাদিনী কৰিছিল।" ভাবাবেশত সত্ৰাধিকাৰৰ কণ্ঠৰোধ হ'ল।

প্ৰভুৰ বদনৰপৰা আকৌ বাণী ওলাল—"বংশীবদনে ঈষৎ হাস্য কৰি আমাক চিন্তা কৰিবলৈ বাধা দি আদেশি ক'লে—'তোমাৰ প্ৰধান শিষ্য আমাৰ পৰমভক্ত বুঢ়া বৰুৱাৰ গৃহলৈ গমন কৰা। তেওঁ ইয়াৰ এটা সু-ব্যৱস্থা কৰিব। আমাৰ প্ৰতি তেওঁৰ অচলা ভক্তি আমাৰ বিদিত আছে। বৈকুণ্ঠ-পুৰীত আমাৰ নিচেই ওচৰতেই তেওঁৰ কাৰণে অপূৰ্ব আবাস নিৰ্মাণ হ'ব লাগিছে'।"

বুঢ়া বৰুৱাই আঠুকাঢ়ি সত্ৰাধিকাৰ প্ৰভুক আকৌ এটি সেৱা জনালে। "পুনঃ প্ৰভু বংশীবদনে ক'লে—'পৃথিবীৰ মহাপাপীবোৰৰ অন্যায় অত্যাচাৰত আমাৰ শৰীৰত উত্তাপৰ মাত্ৰা বৃদ্ধি হৈছে। যোৱা—আমাৰ সেই পৰমভক্ত

বৰুৱাৰ ভ্ৰাতৃ-নন্দন তোমাৰ শিষ্য-পুত্ৰ পীতাম্বৰ বৰুৱাৰ গৃহলৈ। তেওঁ নানা বিদ্যা অৰ্জন কৰি আচ্যৱন্ত হৈয়ো আহিছে। তেওঁৰ গৃহত কিন্তু এটা বিসঙ্গতিয়ে দেখা দিছে। তেওঁৰ এজনী পয়স্বিনী গাভীয়ে গোহালীৰ মধ্যস্থলৰ খুটাত নেজ মেৰিয়াই গৃহস্থৰ অমঙ্গল চিন্তিছে। সেই গাভীৰ দুগ্ধৰে আমাৰ শৰীৰ প্ৰক্ষালন কৰিলে তেওঁৰো সৰ্বতোভাৱে মঙ্গল হ'ব আৰু আন্তৰিক উত্তাপ, গাত্ৰ-প্ৰদাহৰপৰা আমিও ৰক্ষা পাওঁ।"

আতৈ আত্মৰামে ক'লে—"ঠিক, মোৰ প্ৰভু বংশীবদনে ঠিকেই কৈছে। পৰহি গধূলা পৰত পীতাম্বৰো কলিকতাৰপৰা আহি ঘৰ সোমাইছেহি—সিকালে তেওঁলোকৰ সেই দুলৰ দিয়া গাইজনীয়েও গোহালীৰ মুধৰ বৰটো খুটাত নেজ মেৰিয়াইছে। দেখিয়েই মই পীতাম্বৰক কলো—'বোপা। গোসাঁইলৈ গাইজনী আগ কৰক।' তেওঁ হাঁহি হাঁহি মোৰ কথা উকৰাই দিলে। পিচত আমাৰ গোসাঁই প্ৰভুসকলৰ প্ৰতি যিআষাৰহে ক'লে, ইস। ইস। শুনিয়ে গা মোৰ জিকাৰ খাই উঠিল। ভুমি চুই কাণত মই আঙুলি বটিয়ালো। মহাপুৰুষ গুৰুজনে জানো পাৰোতে ভণি গৈছে—কলিৰ শেষত হৈবে কল্কি অৱতাৰ। কাটি-ছিডি ম্লেচ্ছক কৰিবে বুন্দামাৰ। আমাৰ বুঢ়াবৰুৱাৰ বংশত এনে ম্লেচ্ছৰ জন্ম হ'ব বুলি ভবাই নাছিলো।"

"শুনক আতৈসকল। অৱধান কৰক। বংশীবদনৰ বাক্য অনুসৰি আজি আমি আহি তেওঁৰ পদূলি মূৰত বৈ তেওঁলৈ সন্দেশ পঠোৱা হ'ল। প্ৰায় দুই দণ্ডকাল সেই প্ৰখৰ ৰৌদ্ৰতাপতে আমাক দগ্ধ কৰাই ৰাখি ওলাই আহি আমাৰ আগমনৰ প্ৰয়োজন কি উদ্ধতভাৱে সুধিলে। আমাক এটি সেৱা জনাবলৈকো আমাৰ শিষ্যপুত্ৰৰ হাত আগ নাবাঢ়িল। মূৰ দো নাখালে। গীতাত প্ৰভু ভগবন্তই গাইছে—বিদ্যা দদাতি বিনয়ম্। পিচে পীতাম্বৰ বিনয়ী হওক ছাৰি, তেওঁ আমাক নানা কটু-কাটেব্যহে শুনালে। বুজিলো, ব্ৰাহ্মণ-সজ্জন, গুৰু-গোসাঁইৰ প্ৰতি ভক্তিহীন হ'বলৈহে তেওঁ শিক্ষা লভি আহিছে।"

অলপ পৰ বৈ মুখৰ ঘামবোৰ খনীয়া কাপোৰৰ আঁচলেৰে মচি নিবিকাৰ চিত্ত হৈ সত্ৰাধিকাৰে আকৌ কথামৃত বৰষিবলৈ ধৰিলে,"এৰা, আমাৰ জীৱনত আমি এনে কঠোৰ বাক্য শ্ৰৱণ কৰা নহৈছিল। সকলো মোৰ প্ৰভু বংশী-বদনৰেই লীলা। আমি তেৰাৰ কিবা সেৱা চুৰ কৰিছিলো—অপৰাধী জীৱ। আমি হুনো প্ৰৱঞ্চক, ভণ্ড। আমি হুনো দেশৰ কন্টক—উন্নতিৰ অন্তৰায়। আমি বোলে ধৰ্মৰ তত্ত্ব নুবুজো—শাস্ত্ৰৰ মৰ্মাৰ্থ গ্ৰহণ কৰিবৰ বিদ্যা হুনো আমাৰ নাই। প্ৰৱঞ্চনা কৰি হুনো পীতাম্বৰৰ সবৎসা গাভী আমি আমাৰ কাৰণে নিবলৈ আহিছোঁ।"

"হঃ, দুটা ইংৰাজী শিকিয়েই পীতাম্বৰে মাটিত ভৰি নোথোৱা হৈছে। সি মেলেছে বুজিব কেনেকৈ, কি পুণ্যৰ ফলত আমাৰ জগন্নাথে সত্ৰাধিকাৰৰ সাত্ত্বিক পদত বহি দহজনক ধৰ্ম বিলাইছে। বেজাৰ-অসন্তোষ নকৰিব প্ৰভু" বুলি উপস্থিত সকলোটিয়ে প্ৰভুক সান্ত্বনা দিলে।

"আমাৰ বেজাৰেই বা কি—অসন্তোষেই বা কি? আমি হলো সেই-বোৰৰ বাহিৰত। এনে উক্তিওৱালি কিন্তু ধৰ্মই নসহিব। মহাপ্ৰভু বংশীবদনে ইয়াৰ প্ৰতিকাৰ অৱশ্যে কৰিব। গুৰু-গোসাঁইক নিন্দিয়েই বা কোনে কেই কাল খাব? বুজিছো—পীতাম্বৰৰ অধোগতিৰ আৰু বেছি দিন নাই।"—চকুমুদি যোগীবৰ ধ্যানস্থ হ'ল।

পীতাম্বৰৰ ৰবৰবাপেকৰ সোঁতোৱা মুখত হাঁহি বিৰিঙি বিয়পি গ'ল। উপস্থিত ভকত-বৈষ্ণৱসকলে বুজি ললে প্ৰভুৰ শাপত পীতাম্বৰৰ পীৰি উঠিবৰ দিন ওচৰ চাপিছে। মালাগুটি জঁপি জপৰাই মাত লগালে, "আমাৰ বুঢ়া বৰুৱাই ভেটি মাটিবোৰ লীলামত কিনি নোলোৱা হলে বপুৰাহঁতৰ ঘৰৰ ভেটিত ইমান দিনে তিতালাউ গজিলেহেঁতেন। বাপেক চাই হে পোৱালী মোৰ প্ৰভুসকল! হৰি-ভকতৰ মনত থাকিব পাৰে—তাৰ বাপেকে মৰিবৰ আগতে সেই পকা থেকেৰা যেন বুঢ়া বামুণজনক কেনেকৈ কেটেৰা জেঙেৰা মাৰি ঘৰৰপৰা উলিয়াই খেদিছিল? পিচে কেইদিন টিঘিলঘিলালে? বামুণৰ শাওত তাৰ দুমাহৰ মূৰতেই জিভাত ঘা হৈ দাঁত নিকটালে। ধৰ্মস্য সূক্ষ্ম গতি—অধৰ্মস্য অধোগতি, কলো।" পীতাম্বৰৰ আলোচনাতে আৰু কিমান সময় ভকত-বৈষ্ণৱসকলৰ গ'লহেঁতেন কব নোৱাৰো, কিন্তু পীতাম্বৰক তেওঁ-লোকৰ ওচৰেদিয়েই গৈ বৰ বাপেকৰ ঘৰৰ ভিতৰ সোমোৱা দেখি সকলোটিৰে মুখৰ মাত হৰিল।

আতে আত্মৰামে জপৰা ভকতৰ ফাললৈ চাই ভুনভুনাই ক'লে—"পীতা-ম্বৰৰ প্ৰতাপ দেখিলা? আমাৰ জগন্নাথৰ আগেদিয়েই কেনেকৈ চট্চটাই চটি জোতা কোবাই গ'ল। তেজৰ বল হে—তেজৰ বল।"

সত্ৰাধিকাৰ প্ৰভুৱে শিষ্যপুত্ৰ বৰুৱাৰপৰা বংশীবদনৰ চিৰস্থায়ী মণি-কূটৰ কাৰণে যথোপযুক্ত মূল্য উলিয়াই আনন্দ মনেৰে ঘোঁৰাত উঠি প্ৰস্থান কৰিলে।

পিচদিনা পীতাম্বৰৰ মাকে নীতি-নিয়ম নজনা গাত কথা নপৰা পীতা-ম্বৰৰ দায়-দোষ মৰিষণ কৰিবলৈ কাকুতি জনাই অৰ্থদণ্ডেৰে খুটাত নেজ মেৰোৱা গাইজনী দামুৰিসহ বংশীবদনৰ গাত্ৰদাহ নিবাৰণৰ কাৰণে সত্ৰাধি-কাৰৰ ওচৰলৈ পঠাই দিলে।

## দৃষ্টি সৃষ্টি

সাদিনৰ দিনা আবেলি জলপানৰ বাটি সজাই পীতাম্বৰৰ আগত দি মাক ওচৰতে বহিল। পীতাম্বৰে হাঁহি হাঁহি কলে, "আই, তুমি নিচেই আজলী। সেইহেন গৰুজনীহে তুমি গোসাঁইক দিব পোৱানে? আজিকালি গোসাঁই মহন্ত..।"

বাধা দি মাকে ক'লে, "নাপায় বোপা, তেৰাসবৰ বিষয়ে চৰ্চা কৰিবলৈ। হওক হওক, তোৰে মাথোন মঙ্গল হওক। বংশীবদনে মোৰ মূৰৰ চুলিৰ সমানে তোৰ আয়ুস কৰক। এতিয়া তোক কাম-কাজ এটাত ধৰা দেখিলেই আৰু তোৰ ঘৰখন পাতি বোৱাৰীৰ হাতত গতাই যাব পাৰিলেই হাঁহি হাঁহি মই চকু মুদিব পাৰো।"

"মৰম কৰি কৰি আৰু আমনি লাগিছে আই?" হাঁহি হাঁহি পীতাম্বৰে সুধিলে।

"কিয় এনে কথা কৱ বাছা? তই মোৰ কি হৱ তই কি বুজিবি? আজি তোৰ দেউতাৰ থাকিব লাগিছিল।" বুঢ়ীৰ চকুলো ওলাই গালেদি বৈ গ'ল। মাত থোকাথুকি হ'ল। পীতাম্বৰৰ চকুও সজল হৈ পৰিল।

ৰিহাৰ আঁচলেৰে পুতেকৰ চকুলো মচি মূৰত আঙুলি বুলাই মাকে ক'লে—"বাছা বেজাৰ নকৰিবি। তেওঁৰ পুণ্যৰ বলতেই আজি তোৰ এই শ্ৰী দেখিবলৈ পাইছো। নহলে তোৰ এই দুখুনী বাঁৰী মাৰৰ তোক মানুহ কৰাৰ সমলেই বা আছিল কি? ময়ো যে আৰু বেছিদিন জীয়াই থাকি তোৰ লাহ-বিলাহ চাবলৈ পাম তাৰ আশা নাই। কালি শ্ৰুতিকৰে পাঁজি চাই ক'লে—গৰুৱে খুটাত নেজ মেৰোৱাৰ ফলত গৃহস্থৰ মুল মানুহজনৰ হানি হ'ব লাগে বুলি।"

"আয়ো ভাল, যাৰে তাৰে কথাকে সৰোগত কৰি লোৱা।" "পুথি-পাঁজিৰ কথা নফলিয়াকৈ নাথাকে বাছা। সেই দেখি অহা বছৰতেই তোৰ বিয়াখন পাতিবৰ মন কৰি মিনতিৰ মাকলৈ খবৰ দিছো। মিনতিৰ দেউতাক বৈকুণ্ঠী হ'বৰ সময়ত মোক মাতি নি মিনতিৰ হাত দুখন মোৰ হাতত তুলি দি কৈছিল—'বৰ আশা কৰিছিলো পীতাম্বৰ বোপাৰ হাতত মিনতিক নিজে গতাই যাব পাৰিম বুলি। বিধিয়ে আশা পূৰণ নকৰিলে'।"

অলপ পৰ বৈ মাকে আকৌ ক'লে—"বাছা, মিনতিৰ দেউতাক তোৰ কি আছিল তই লাহে লাহে বুজিবি। তোৰ দেউতাৰ চুকালত মই সংসাৰ আন্ধাৰ দেখিলো। তোক কেনেকৈ মানুহ কৰিম ভাবি বিতত হলো। সেই সময়ত মিনতিৰ দেউতাকে আহি সান্ত্বনা দি ক'লে, 'চিন্তা নকৰিব। বাপাক মানুহ কৰাৰ ভাৰ মই ললো।' সেই দেৱতাৰেই চেষ্টাত, তেওঁৰেই সহায়ত আজি তোৰ এই উন্নতি।" হিতৈষীজনৰ প্ৰতি ভক্তিত অতৰ্কিতে মাতৃ-পুত্ৰৰ মূৰ দোঁ খাই গ'ল।

"কালিলৈ পাল নাম এফেৰি পাতিবলৈ মন কৰিছো।—সেৰালৈ মিনতি আৰু মিনতিৰ মাককো মাতি পঠাইছো। এই আহি পায়হিহে লাগে।"

"আয়ে দেখিছো মোক একো জানিবলৈ নিদিয়াকৈয়ে বিয়া ঠিক কৰি-লেই।"

"তোক—পেটৰ পোৱালীক আকৌ সুধিব লাগে কি? কামে-কাজে, বোৱাই-কটাই মিনতিৰ দৰে চাবতিয়াল ছোৱালী আৰু নাই। দিনটো কামত টাকুৰী ঘুৰাদি ঘূৰিও আমনি নেপায়, মুখত সদায় হাঁহি লাগি আছেই। লখিমী ছোৱালী।"

"আয়ে মিনতিৰ গুণ কৈ চতুৰ্মুখ বুঢ়া ব্ৰহ্মাকো আজি চেৰ পেলাইছে এৰিবা যেন পাইছো। তোমাৰ যি ইচ্ছা হয় কৰা।" বুলি উঠি ঘূৰোঁতেই দুৱাৰদলিত মিনতিৰ মাকে সৈতে মিনতিক দেখি লাজত পীতাম্বৰৰ মুখ ৰঙা পৰিল।

মাকে আথে-বেথে আদৰি মিনতি আৰু মাকক বহালে। মিনতিৰ প্ৰেমকৰুণ দৃষ্টিয়ে, উচ্ছ্বসিত যৌৱনৰ প্ৰস্ফুটিত সৌন্দৰ্যই পীতাম্বৰৰ প্ৰাণত প্ৰেমৰ প্ৰবাহ বোৱাই তেওঁক এক মধুময় কল্পলোকলৈ টানি নি চঞ্চল কৰি তুলিলে। অৰ্থনীতিৰ নিৰ্মম কঠোৰ সূত্ৰবোৰৰ মাজেদি তেওঁৰ প্ৰেম কৰিতাই ভুমুকিয়াই তেওঁৰ অন্তৰ এক অবৰ্ণনীয় আনন্দ ৰসত আপ্লুত কৰিলে।

সেইদিনাই ৰাতি পীতাম্বৰে 'যৌৱন-জোৱাৰ' নামে এটা কবিতা লিখি 'বিচিত্ৰা'লৈ পঠাই দিলে।

## কেণ্ডিডেটৰ লিষ্ট

"বুজিছে ৰায়বাহাদুৰ! আমাৰ সেই ৰাস্কেল জোঁৱাইৰ আক্ৰোশত আমাৰ তিষ্ঠাই টান হৈ পৰিছে।" লয়েলিষ্ট লীগৰ প্ৰধান সম্পাদক 'এৰিষ্টক্ৰেট' ৰায়বাহাদুৰ ভৈৰবচন্দ্ৰ কাগ্‌তীৰ ফালে চাই তেওঁৰেই সহকাৰী ৰায়চাহাব ৰুচিনাৰায়ণ ৰাজখোৱাই ক'লে। "আপুনি কৈছিল নহয় আজিকালি উকীলৰ ফিল্ড অনেক, আপোনাৰ কথামতেই উকীল জোঁৱাই বাছি ছোৱালী গটালো। কিন্তু বাছাৰ আজি পাঁচ বছৰে বোলে পাঁচটকিও উপাৰ্জন নহ'ল। চিঠি দি আজি আকৌ জনাইছে মাহে কম পক্ষেও দুশ টকা দি থাকিব লাগিব বুলি। নবাব-পুত্ৰৰ হুকুম তামিল কৰিবলৈ গৈ এতিয়া ভেটি-মাটিও ৰাখিব নোৱাৰাত পৰিমগৈ যেনহে পাওঁ।"

হাঁহি হাঁহি ৰায়বাহাদুৰে ক'লে—"জোঁৱাইবোৰ এবিধ গ্ৰহবিশেষ নহয় ৰাজখোৱা?"

"ঠিক কৈছে ৰায়বাহাদুৰ! আমাৰ শাস্ত্ৰত আমি নটাহে গ্ৰহ পাইছিলো। এতিয়া আৰু এটা গ্ৰহ যোগ দিব লগাত পৰিছে। এই দশম গ্ৰহৰ প্ৰকোপ কিন্তু অতি প্ৰবল। যাৰ ওপৰত তেওঁৰ বক্ৰ দৃষ্টি পৰে তেওঁৰ আৰু ৰক্ষা নাই।" বুলি নিজৰ ৰসিকতাতে ৰাজখোৱাই ভেক্‌ভেক্‌কৈ হাঁহিবলৈ ধৰিলে।

"এতিয়াও কওঁহে ৰাজখোৱা, উকীলৰ 'ফিল্ড' অনেক। ভাৰতৰ প্ৰধান বিষয়াসকলৰ প্ৰায়বিলাকেই গুৰিতে উকীল, বুজিছা? এই আমাৰ অসমলৈকে নোচোৱা কিয়? দুয়োজনা মন্ত্ৰীয়েইতো উকীল। এই ওকালতিৰ বলতেই অনাৰেবোল ছাৰ ছৈয়দ ছাদুল্লা আজি আমাৰ অৰ্থ-সচিব। পিচে তোমাৰ দশম গ্ৰহ জোঁৱাই পুঙ্গব হ'ল ননকোঅপাৰেটৰ। নেদেখিলা সিদিনা তাৰ কথাৰ ঠাঁচ। চাভিচৰ চেষ্টা কৰিবলৈ কোৱাত জাঁপ মাৰি উঠিল। আৰে বাপু শক্তি অনুযায়ীহে ভক্তি। লাগ বুলিলে দহ লাখ টকা যদি উলিয়াই দিব পাৰ, লাগ দেশৰ কামত। ইফালে ল'ৰা-ছোৱালী, তিৰোতাৰ হাতত-মুখত দিবলৈ যাৰ সংস্থান নাই, তাৰ মুখত দেশ উদ্ধাৰৰ কথা শুনিলে গা জিকাৰি উঠে। হিজ একছেলেন্সিৰ লগতো মোৰ সেইদিনা এইবোৰ কথাই হৈছিল।"

"ৰায়বাহাদুৰ আৰু ৰায়বাহাদুৰৰ ধন-সোণক কেন্দ্ৰ কৰি এক প্ৰবল দশম গ্ৰহ ঘূৰিবৰ আগন্তুক মিলিছে। পিচে আমাৰ আইদেউ মেৰীক আৰু পঢ়ায়েই থাকেনে?"

মেৰী ৰায়বাহাদুৰৰ একমাত্ৰ কন্যা। এইবাৰ কলিকতাৰ বেথুন কলেজৰপৰা আই-এ পাছ কৰি আহিছে। আচল অসমীয়া নাম তেওঁৰ কিবা আছিল যদি নাজানো।

"মন আছিল বি-এ লৈকে পঢ়াবলৈ। হাৰ একছেলেন্সিয়েও তাকে কৈছিল। মাকে কিন্তু বিধি-পথালি কৰিছে। আজি সাতদিনমানৰপৰা দৰা বিচাৰিবলৈ কৈ মোৰ গাৰ গোসাঁই খেদিছে, ৰাজখোৱা।"

"কেণ্ডিডেটৰ লিষ্ট তৈয়াৰ হৈছে নে নাই?" "পাঁচজনৰ নাম সম্পতি মোৰ লিষ্টৰ ভিতৰত পৰিছে। প্ৰথম শিৱসাগৰৰ শক্তিনাথ ফুকন, এম-এ, বি-এল। ব্যৱসায় ওকালতি।"

"উকীল শক্তিনাথক পোৱা হলে ডিঙিত ধৰি তেওঁৰ শক্তিৰ পৰীক্ষা কৰিলোহেঁতেন। শক্তিনাথক গতিয়াই খেদক। আজিকালি উকীলৰ নাম শুনিলেই মোৰ পিত্ত উজাৰ খাই উঠে ৰায়বাহাদুৰ।"

"ল'ৰাজন হলে বিদ্বান আছিল। মাকে মন নেমেলে, আৰ্থিক অৱস্থা একেবাৰেই হীন। দ্বিতীয়জন হ'ল গুৱাহাটীৰ ডাক্তৰ কাৰ্তিকচন্দ্ৰ তালুকদাৰ এম-বি, ডি-পি-এইচ এটচেট্ৰা। ৰূপত কিন্তু কাৰ্তিক গোটেই অপজিত, ডাঢ়িয়ে গোঁফে ভোবোকাৰ। মেৰীয়ে মুখ ঘূৰাবই। ফৰমাছ, মেৰীক বিয়া কৰাই আমাক উদ্ধাৰ কৰিব লাগিলে কমপক্ষেও কুৰি হেজাৰ টকাৰ ঔষধ-পাতিৰে কাৰ্তিক বোপাক এখন ফাৰ্মেচীও খুলি দিব লাগিব।"

"বুজিছো 'অপাৰেছন ছাকচেছফুল—কিন্তু পেচেন্ট ডাইড'ৰ দলৰ মোৰ গুণনিধি কাৰ্তিকচন্দ্ৰই ময়ূৰ সিংহাসনকো সময়ত বিচাৰিব। তেওঁৰ কেণ্ডিডেচাৰ চামেৰিলি ৰিজেক্টেড। কওক, তৃতীয়ৰ নাম শুনি জন্ম সাৰ্থক কৰো।"

"গোলাঘাটৰ আমাৰ সেই ৰায়বাহাদুৰ ধৰণীধৰ দত্তৰ পুতেক মুক্তিনাথ দত্ত। চাহ বাগিচাৰ মালিক। ধন-দৌলত অনেক। দেখাতো বেয়া নহয়। কিন্তু বিদ্যাত হ'ল ধুৰন্ধৰ। মেট্ৰিক ফেল। গৃহিণীৰ মন থাকিলেও কোন সতবেনো বাৰু মই আ-এ পাছ কৰা ছোৱালীক মুক্তিনাথক গতাওঁ ?"

"বুজিছে ৰায়বাহাদুৰ, মাকবোৰক লাগে মাথোন ধন-সোণৰে, গহনা-পাতিৰে ছোৱালীক পুতি পেলাব পৰা জোৱাই। মোৰ মনৰে মুক্তি বোপাক বিয়া পাছ কৰাৰ আগতে বি-এ পাছ কৰিবলৈ উপদেশ দি মুক্তি দিয়াই ভাল। নহলে 'মঙ্ক'ৰ ফেমিনিন 'মঙ্কি' বুলি কৈ চাহাব-চুহাবৰ আগত মেৰীক লাজত পেলাব। পিচে চতুৰ্থ চন্দ্ৰ ?"

"তেজপুৰৰ তীৰ্থনাথ তামুলী। ইঞ্জিনীয়াৰিং কলেজৰ গ্ৰেজুৱেট। চাকৰি পোৱাৰ আশা নাই। অভাৰেজ। বিলাতত পঢ়িবৰ কাৰণে ছোৱালীৰ লগতে অন্ততঃ ষাঠিটি হেজাৰ টকা ৰূপ তেওঁলৈ গণি গণি পঠাব লাগিব।"

ৰাজখোৱাই ক'লে—"মোৰ মুখত আৰু কিবাহে ওলাব এতিয়া। তামুলী বোপাক তাৰ কাণ মলি বিয়াৰ আৰু বিলাত যাত্ৰাৰ আগতে দণ্ডকমণ্ডলু লৈ তীৰ্থ ভ্ৰমণ কৰিবলৈ ময়েই কৈ আহোঁগে।"

"তোমাৰ পঞ্চম হ'ল—ডিবৰুৰ দিগন্ত বৰা। লেখক হুনো। যোৰাবাৰ সাহিত্য সভাৰপৰা সাহিত্য-শিৰাজী নে কি উপাধিও পাইছে। পিচে নামতেই বুজিছো—নিচেই ছালছিগা।"

"হাছ্। শাস্ত্ৰকাৰসকলে মিছাতে গোৱা নাই ৰায়বাহাদুৰ,—
কন্যা বৰয়তি ৰূপং মাতা বিত্তং পিতা শ্ৰুতম্।
বান্ধবাঃ কুলমিচ্ছন্তি মিণ্টান্নমিতৰে জনাঃ।

"আপোনাৰ মুখত সাহিত্যিক বৰাদেওৰ 'বিতিকিৎসা' নাম শুনিলে মিছেজ কাগ্‌তীয়ে কিন্তু শুদাই নেৰিব। তেতিয়া আৰু আপোনাৰ ৰাজখোৱাই আপোনাক ৰক্ষা কৰিব নোৱাৰিব। সাহিত্য-শিৰাজী-দিগম্বৰ বাবাজীয়ে পাৰে যদি আন কোনো দিগম্বৰী 'সাহিত্যিকাৰ' হিয়া-দুৰ্গ দখল কৰক—তাত মই 'ৰেজিণ্ট' নকৰোঁ।"

অলপ পিচত এহতীয়া ডাঢ়িৰ আগবোৰ মোহাৰি মোহাৰি ৰাজখোৱাই আকৌ মুখ মেলিলে—"ৰায়বাহাদুৰৰ কিন্তু এটা মস্ত ভুল দেখি আচৰিত হৈছো।"

আগ্ৰহেৰে গোঁফত তাও দি ৰায়বাহাদুৰে ৰাজখোৱাৰ ফালে চাই পঠালে।

"আমাৰ এই জিলাৰে পীতাম্বৰ বৰুৱাৰ নাম ভাওৰীয়াৰ লিষ্টিত নপৰা নিতান্ত অন্যায়। ইকনমিক্‌ছৰ অনাৰ্ছত ফাণ্ট ক্লাছ ফাৰ্ষ্ট। ৰূপে-গুণে বিদ্যাই-বুধিয়ে এটা লেখৰ ল'ৰা।"

"সিদিনা মেৰীৰ মুখতো পীতাম্বৰৰ সুখ্যাতি শুনিছিলো। অলপ ভয় হৈছে—জানোছা ইকনমিক্‌ছৰ অনাৰ্ছ গ্ৰেজুৱেটে মোৰ ধন-সোণতে ইকনমিক্‌ছৰ থিওৰিবোৰৰ প্ৰেক্‌টিকেল এপ্লিকেছন কৰে। বাৰু তুমি কৈছা যেতিয়া এবাৰ চেষ্টা কৰি চোৱাত হানি নাই।"

"চেষ্টা কৰক ৰায়বাহাদুৰ। ট্ৰাই, ট্ৰাই। যত্নে কৃতে যদি ন সিদ্ধতি কোহত্ৰ দোষঃ? নহ'লে বিয়াৰ বজাৰত ক'ৰ গ্ৰাহক আহি পীতাম্বৰক কিনি লৈ যায় তাৰ ঠিকনা কি? এই—এই—এই আমাৰ হাকিম কামিনীকান্তকেই বা পায় কোনে! বপুৰাই আজি চাৰি-পাঁচ বছৰ শোৱন-খাৱন এৰি দৰা বিচাৰি হাবাথুৰি খাই ফুৰিছে। য়ুনিভাৰ্ছিটিৰ কেলেণ্ডাৰত উঠা বিয়া দিব পৰা গ্ৰেজুৱেট বোপাহঁতৰ নাম তেওঁৰ আঙুলি মূৰত, বুজিছে ৰায়বাহাদুৰ প্ৰতি বছৰে ছাৰ্ভিছ কমিটি বহিবৰ সময়ত গুৱাহাটীলৈ গৈ কেণ্ডিডেটসকলৰ মুখলৈ যেনেকৈহে ৰ লাগি চাই থাকেগৈ, দেখিলে আমঠু ক'লা পৰি যায়। চাৰি-জনীকৈ বয়সীয়া ছোৱালী ঘৰত থাকিলেনো কাৰ চিন্তাত 'মগজু' ঘোলা নহ'ব? এইবাৰো আনছাক্‌ছেছফুল হ'লে বপুৰাৰ হাৰ্টফেল হ'ব—ক'লো। অৱশ্যে পীতাম্বৰৰ মেৰীৰ মাকে বিচৰা বিত্তৰ অভাৱ। কিন্তু আপোনাৰ দৰে হাত-দীঘল পুৰুষে, লয়েলিষ্ট লীগৰ সম্পাদকে এবাৰ 'পুছ' কৰিলেই পীতাম্বৰ যে প্ৰভিঞ্চিয়েল ছাৰ্ভিছত সোমাব পাৰিব তাত মোৰ সন্দেহ নাই। তেতিয়া অপ্ৰয়াসে আপোনাৰ গৃহিণীৰ মতে বিয়াৰ ছিলেকছন গ্ৰেডলৈ পীতাম্বৰ উঠিব পাৰিব।"

দুহাতে দুখন প্লেটত মিষ্টান্ন লৈ ৰায়বাহাদুৰৰ পত্নী হাজিৰ হৈ হাঁহি হাঁহি ক'লে—"দেখিছোঁ গৃহিণীৰ চৰ্চাত দুয়োজন পুৰুষ—ছাৰ সুৰেন্দ্ৰনাথ। অবলা জাতিৰ প্ৰতি কিন্তু এনে আক্ৰোশ ভাল নেদেখায়।"

পত্নীৰ প্ৰতি কেৰাহিকৈ চাই হাঁহি হাঁহি ৰায়বাহাদুৰে সুধিলে—"পুৰুষৰ কথা গৃহিণীসকলে লুকাই-চুৰকৈ শুনিলে কোন অপৰাধত পৰেহে ৰাজখোৱা? মই দেখিছো প্ৰবলা-অবলাসকলৰ প্ৰকোপ দিনে দিনে ইমান বাঢ়ি গৈছে যে আমাৰ ছেফটিৰ নিমিত্তেই এখন নতুন অৰ্ডিনেন্সৰ দৰ্কাৰ হৈ পৰিছে।"

"আপোনাৰ নিচিনা 'কাৱাৰ্ড'ৰ কাৰণে অৰ্ডিনেন্সৰ যে নিতান্ত প্ৰয়োজন তাক মই হাড়ে হাড়ে বুজিছোঁ। সদস্য ফুকন ডাঙৰীয়াক 'হাছবেণ্ড ছেফ্‌টি বিল' এখন কাউঞ্চিলত ইণ্ট্ৰডিউচ কৰিবলৈ ধৰিম।" মিছেজ কাগ্‌তীৰ হাতত থকা মিষ্টান্নলৈ চকু থৰ কৰি ক'লে,—"আনক আনক, সেইবোৰ মোৰ ওচৰলৈকে চপাই আনক। পলম নকৰিব। আপোনাৰ অপৰাধৰ গুৰুত্বলৈ চাই মিষ্টান্ন স্বৰূপে দিয়া এই দণ্ড নিচেই লঘু যেনেই লাগিছে। তাতে আপোনাসকলৰ বিষয়ে চৰ্চা কৰিবলৈ কোনো সুবিধা মোৰ নিমিলেই, মোৰ হজমী শক্তি দুগুণে বাঢ়ি উঠে—'দাও দাও' কৈ পেটৰ অগনি জ্বলি উঠে।"

"ৰাজখোৱানীৰ লগত পৰামৰ্শ কৰি আপোনাৰ পেটৰ অগনি নুমোৱাৰ এটি ব্যৱস্থা নকৰিলে আৰু নহৈছে।"

"ৰাজখোৱাই আপোনাৰ ৰাজখোৱানীলৈ 'কেয়াৰকে' নকৰে। অলঙ্কাৰ-পাতিৰ প্ৰতি আমাৰ তেওঁৰ হেঁপাহ ইমান ব্যাপক, ইমান প্ৰবল যে তেওঁক যদি পাঁচসেৰীয়া এডোখৰ চন্দ্ৰাকৃতি শিলৰ ওপৰত সোণ মেৰিয়াই দুখনমান বাখৰ খাজি দিয়াওঁ, অনায়াসে নিছলীয়ে তাক কণ্ঠত ধাৰণ কৰি প্ৰশংসাত আমাক বুৰাই দিব। তাক আমাৰ ভালকৈ জনা আছে। আপুনি আমাৰ বিপক্ষে তেওঁক যিমানেই কথা নলগাওক—যিমানেই আমাৰ প্ৰতি খং নোতোলাওক, আমি গৈ তেওঁক গহনা-পাতিৰ বিষয়ে কথা উলিয়াই তেওঁৰ খং 'পানীকৃত্য' কৰিব পাৰিম বুলি ভাৰসা ৰাখো। পিচে পেটৰ খজুৱতি মোৰ বৰকৈ উঠিছে। আৰু দুই 'প্লেট' মান মিষ্টান্ন পোৱা হলে।"

ৰায়বাহাদুৰে পত্নীৰ মুখলৈ চাই হাঁহি হাঁহি ক'লে—"দিয়াহে, পেটুৱাক আনি দিয়া। নহলে তোমাৰেই বিপদ। মাক-বাপেকে সৰুতেই এওঁৰ লক্ষণ দেখি ভাল নামটো কিন্তু থৈছিল—ৰুচিনাৰায়ণ। কিন্তু উপাধিতো এওঁৰ সলাব লগা হৈছে। মোৰ মনেৰে ৰাজখোৱাৰ সলনি তেওঁৰ উপাধি...."

"হাতীখোৱা হওক" বুলি মিছেজ কাগ্‌তীয়ে ৰায়বাহাদুৰৰ কথাৰ মোখনি মাৰিলে।

"ইঃ ৰাম! ৰাম! কাঠকলিতাৰ ল'ৰাক কি পৰাচিত হ'বলগীয়া উপাধি দিব খোজে একা!" বুলি ৰাজখোৱাই জাঁপ মাৰি উঠিল।

## কীৰ্তন-সেৱা

মিনতিৰ লগত নামৰ দ্ৰোহী পীতাম্বৰৰ বিয়াৰ কথা যেতিয়া অহুকাণে পহুকাণে গৈ গাঁৱত বিয়পি পৰিল, তেতিয়া তাৰেই চৰ্চাত নামত ৰতি থকা কৃষ্ণপ্ৰাণ নিৰ্লিপ্ত ভকত-বৈষ্ণৱসকলৰ আহাৰ-নিদ্ৰাত ব্যাঘাত জন্মিল। বিশেষকৈ পীতাম্বৰৰ বেলেগতীয়া বৰদেউতাক বুঢ়া বৰবৰুৱাৰ চিন্তাত চকু গৈ কুমত সোমালগৈ। সময়ে সময়ে লাগবান্ধ নোহোৱা কথাও তেওঁৰ মুখৰপৰা বাহিৰ হ'বলৈ ধৰিলে। তাৰ কাৰণো আছিল। ভঁৰাল-ভৰা ধান, গোহালি-ভৰা গৰু, বাৰী-ভৰা পাণ-তামোল আৰু পোন্ধৰ পুৰা শালিতলিৰ মালিক হৈও যেতিয়া তেওঁ আজি চাৰি বছৰে অশেষ চেষ্টা, অক্লান্ত পৰিশ্ৰম কৰিও পীতাম্বৰতকৈ বয়সীয়া তেওঁৰ এটা ল'ৰাৰো ঘৰখন পাতিব নোৱাৰিলে আৰু তেওঁৰ চকুৰ আগতে ডাল দৰিদ্ৰ পীতাম্বৰৰ বিয়া হ'বৰ আগন্তুক মিলিল, তেতিয়া তেওঁৰ হিয়াত ৰাৱণৰ চিতা জ্বলি তেওঁক অস্থিৰ কৰি তুলিলে। পীতাম্বৰৰ উন্নতিয়ে তেওঁৰ গোটেইটো অন্তৰ হা-হুমুনিয়াহেৰে ভৰাই দিলে।

তাতে সিদিনা বুঢ়া বৰুৱাৰ এটা অথন্তৰো মিলিল। গাঁৱত টহলি বুঢ়া বৰুৱাই দুপৰীয়া গোসাঁইঘৰত সোমাই নাম-গুণ লৈ কৃষ্ণক চিন্তি এগৰাহ চাউল সিজোৱা মুখত দিবলৈ ধৰোতেই ঘৈণীয়েকে আখলৰপৰাই কেটেৰাই মাত লগালে—"এইদৰে দিনৰ দিনটো ঘৰে ঘৰে গৈ মুখৰ মহলা মাৰি ফুৰিলেই গা ৰ'ল নহয়। এটি ল'ৰাবো ঘৰ এখন পাতিবৰ পুৰুষৰ সাধ্য নহ'ল। গাঁৱত মুখ উলিয়াব নোৱাৰা হ'লোহি। সেয়া কিনাৰামৰ তালযুৰীয়া ডাঙৰ বোপা নহয়নে? ঈশ্বৰৰ ইচ্ছাত তাৰ এতিয়া চাৰিটা-পাঁচোটা ল'ৰা-ছোৱালীয়ে ঘৰ পোহৰাব লাগিছে। মোৰ কপালো এখন কপাল। বাছাহঁত আদহীয়া হ'লহি, সিহঁতৰ মুখলৈ চালেই মোৰ আমঠু ক'লা পৰি আহে। বোৱাৰীৰ লালন-পালন ভুগিবলৈ, নাতি-পুতিৰ মুখ দেখি হিয়া শাঁত কৰিবলৈ আমি সাধি নাহিলো।"

"তই দেখিছো মোক বলিয়া কৰিহে এৰিবি। পাতো বুলি কোনেও বিয়া পাতিব নোৱাৰে। এই বংশীবদনৰ বাহিৰে বিয়া-বাৰুত তোৰ বাপেৰো হাত নাই, বুজিছ। তই এইদৰে কিন্তু মোৰ খোৱাৰ সময়ত পেনপেনাই নাথাকিবি" বুলি বুঢ়া বৰুৱা গৰজি উঠিল।

ৰিহাৰ আঁচলেৰে চকুলো আৰু নাকৰ পানী মচি মচি বৰুৱানীয়ে আপোনমনে ক'বলৈ ধৰিলে—"আক্রোশীৰ ঘৰত কণাবিধতাই মোক লেলাট ভোগাবলৈকে এতিয়াও জীয়াই ৰাখিছে। ল'ৰাহঁতৰ শ্ৰী আৰু নেদেখিলো। সিফালে বাঁৰী দুখুনীৰ ল'ৰা পীতাম্বৰে—"

পীতাম্বৰৰ শ্ৰীত, পীতাম্বৰৰ উন্নতিত—বুঢ়া বৰুৱাৰ অন্তৰত জ্বলি থকা হিংসাৰ জুইকুৰাত বৰুৱানীৰ কথাই ঘিউ ঢালি দিলে। বৰুৱানীৰ মুখত পীতাম্বৰৰ নাম ওলোৱা মাত্ৰেই বুঢ়া বৰুৱাৰ ধৈৰ্যচ্যুতি হ'ল আৰু খণ্ডত থৰক-বৰককৈ উঠি বৰুৱানীৰ ফালে খোজ চলাওঁতেই পীৰাত উজুটি খাই বুঢ়া বৰুৱা মাজমজিয়াতে পৰি থৰমৰ লাগিল।

পুৰোহিতৰ পৰামৰ্শ মতে নামৰ অপৰাধত হোৱা সেই নিকাৰ খণ্ডাবলৈ বুঢ়া বৰুৱাই ৰাতিলৈ পঞ্চদশ অধ্যায় কীৰ্তন পাঠৰ ব্যৱস্থা কৰিলে।

ৰাতি বৰুৱাৰ ঘৰত নাম-সেৱাৰ কাৰণে গায়ন, বায়ন, সূত্ৰধাৰী, গায়ন বৰা আৰু গাওঁবুঢ়াকে আদি কৰি গাঁৱৰ মুখিয়াল আৰু আতৈ আত্মৰাম, জপৰা ভকতকে প্ৰমুখ্য কৰি ভকত-বৈষ্ণৱসকলৰ থূল বহিল। পুৰোহিতে চকুত বিতচকু পিন্ধি ঘেহাঁই ঘেহাঁই জাত লগাই কীৰ্তন পঢ়িবলৈ আৰম্ভ কৰিলে আৰু ভকত-বৈষ্ণৱসকলে পৰনিন্দাৰ লগে লগে মাজে সময়ে পদৰ ব্যাখ্যা কৰিবলৈ ধৰিলে। পুৰোহিতে ঘেহাঁই পঢ়িলে—

নামক কীৰ্তন কৰন্তে আনে।
আন মন কৰি নুশুনে কাণে॥
অধক যাই সিও হোৱে কলা।
বাইবে কাণত তপত শলা॥
নাহিকে শ্ৰদ্ধা নপতায় কাণ।
তাক যিটো দেয় নামৰ দান॥
নামৰ দ্ৰোহী নাহি তাত পৰে।
ভুঞ্জাইবে যাতনা যম-কিঙ্কৰে॥
শুনিয়া নামৰ মহিমা নীতি।
তথাপি নামত নকৰে প্ৰীতি॥
নামৰ দ্ৰোহী সিও অহঙ্কাৰী।
ভুঞ্জিবেক কাকে জিহ্বা উপাৰি॥

আতৈ আত্মৰামে ইমানপৰ টোপনিত বৰশী বাই আছিল যদিও কাণ তেওঁৰ জাগি আছিল। খক্‌মক্‌কৈ উঠি চকু মোহাৰি মোহাৰি ক'লে, "ৰব প্ৰভু, ৰব—অনুগ্ৰহ হওক। সিদিনা পীতাম্বৰৰ ঘৰত পতা পালনামত আমাৰ এই গায়ন বৰাৰ পুতেক হগলাই--বাপুৰে কীৰ্তন পঢ়ি নামৰ মহিমা বৰ্ণাই থাকোতে ফিচিঙা-ফিচিঙি কৰি আছিল। কলোঁ, হেৰ হগলা, তোৰ মতি-গতি ভাল নহয় বুজিছু। তোৰ জিভাত জিভাবেতে দেখা দিব আৰু কাউৰীয়ে সেই ঘা লগা জিভা উপাৰি উপাৰি খাব। তাতে এই গায়ন বৰাই—"

সূত্ৰধাৰে জীয়েকক গায়ন বৰাৰ পুতেক হগলালৈ যাচি দিওঁতেই গায়ন বৰাই বিয়া নকৰোৱাত আজি অনেক দিনৰে পৰা দুয়োৰে পেটে পেটে ভাল নাছিল। আগ্ৰহেৰে আতৈক সুধিলে—"ৰ'ল কিয় ? গায়ন বৰাই কি কৈছিল এই ব্ৰহ্ম-থ্‌লৰ আগত বেকত কৰাই ভাল।"

"এৰা নকওঁ বুলিয়েই ভাবিছিলোঁ। আপোনাসৱে শুনিবৰ মন কৰি ক'বলৈ আদেশ কৰিছে যেতিয়া বাৰু কওঁ শুনক। মোৰহে হেনো কাউৰীয়ে চকু খুলি খুলি খাব। মোৰ মুখত হেনো গায়ন বৰাই ক্ষুদ্ৰ শৌচ কৰিব। ইমান এওঁৰ কলিজা, ইমান এওঁৰ খিতাপ। ভকত-বৈষ্ণৱক নিন্দি, নামদ্ৰোহী হৈ কোনে এই কাল খাবহে, কোনে এই কাল খাব ?"

মালাগুটি জপি জপি জপৰা ভকতে মাত লগালে, "প্ৰভুসকলে ইয়াৰ এটি দণ্ড বিহক। নহলে এই সেৱাৰপৰা আমি উঠিবই লাগিব।-কলিকাল! নামদ্ৰোহীৰ লগত···" জপৰা ভকতৰ মেলামুখ মেলাতে থাকিল। গায়ন বৰা গৰজি উঠিল। তেওঁৰে শালপতি বায়ন বাপিৰামে জপৰাৰ ফালে চকু ৰঙাকৈ চাই হাত জোকাৰি জোকাৰি ক'লে—"সকলোৰে গোঁধ উকটি দিব পাৰোঁহে, গেলাগপ মাৰি মক্‌নমকাবা। মালাগুটি জপি পৰম বৈষ্ণৱ হৈছা, সিফালে সিদিনা

তোমাৰ ল'ৰাই যে পীতাম্বৰৰ লগত গৈ বটলত ভৰোৱা মিঠাপানী বুলি ৰঙা-পানী এটুপি পি আহিছিল তাৰ খবৰ ৰাখিছানে ? আগেয়ে তোমাৰ দণ্ডকেই পেলোৱাচোন, পিচতো লোকৰ দোষ খুচৰিবা। নহ'লে এই সমাজৰপৰা উঠি যোৱা।"

"কুকুৰধূলিৰ পুতেক কলি কি ? কলি কি ?" বুলি আত্মৰাম আতৈকে প্ৰমুখ্য কৰি ভকতৰ পাৰ্টিৰ লোকসকলে বায়নৰ ফালে চোচা ল'লে। আৰু বায়নৰ দলেও হাত-মূৰ জোকাৰি উঠিল।

বুঢ়া বৰুৱাই আঁঠু কাঢ়ি গলবস্ত্ৰ হৈ সমজুৱাসকলক ক্ৰোধ সম্বৰণ কৰিবলৈ মিনতি নকৰা হলে তেওঁৰ সেই কীৰ্তনসেৱাৰ পৰিণাম ভীষণ হৈ সেই যাত্ৰাতে খেল দুফালেই হ'লহেঁতেন।

পুৰোহিত বাপুৱে সমজুৱাসকলৰ তৰ্কবাদৰ কন্দল-কৌটালৰ সুবিধাতে এককোবেই জঁপ মাৰি কীৰ্তনৰ দ্বাত্ৰিংশ অধ্যায়ত উপস্থিত হৈ জাত লগালে—

হিৰণ্যকশিপু শুনিয়া হেন।
ক্ৰোধত কম্পে অতি যম যেন॥
ঝঙ্কাৰে মাথা কৰি অতি দৰ্প।
লাথি পাই যেন ফোঁকাৰে সৰ্প॥
প্ৰ-হ-লাদে—এ-এ ........

খণ্ডত জপৰাৰ কণ্ঠৰোধ হৈ আছিল মাথোন। বাপুৰ ফালে চাই ভেঁকাহি মাৰি ক'লে—"এঃ, ৰবচোন দেও। কথাটোৰ এটা মীমাংসা হৈ যাওক। মোৰ ল'ৰাই মিঠাপানী খাই জগৰ লগাইছে মানিলো, কিন্তু পীতাম্বৰৰ বিয়ালৈ আৰু বেছিদিন নাই। গাঁৱৰ মুখিয়াল বুলি ফিতাহি মৰা বৰমতা গায়ন বৰাবোৰৰ পীতাম্বৰক এঘৰীয়া কৰাৰ শকতি আছে নে নাই দেখিম। পীতাম্বৰৰ ঘৰৰ জা-জলপানে বৰমূৰীয়াহঁতৰ বৰপেট নভৰে যদি, হোৰাহোৰে চকুৱে চকুৱে বোকা চাউল, দৈ, মিঠৈ গৈ ঘৰত নপৰে যদি মই বোপাইৰ পোৱে নহওঁ।"

গেথৌ গায়নক এজন নিৰ্জু প্ৰকৃতিৰ লোক বুলি গাঁৱৰ দহজনে কয়। মাহৰ মাৰ দেখি তিলে বেত মেলা যেন হৈ ইমানপৰে সমজুৱাসকলৰ কন্দল চাই আছিল। ভকতৰ কথা শুনি এইবাৰ তেওঁ মুখ মেলিলে, "ভকতে কথাটো ঠিকেই কৈছে। কিন্তু সেইবোৰ কথা ওকটাৰ সময় এতিয়াও নৌ হয়। মোৰ মনত হ'লে এটা কথাই আজি কেইবাদিনো খুন্দিয়াখুন্দিকৈ আছে। আমাৰ নিচিনা ছালছিগাক নুসুধিলে কিয় মই জানিব খোজোঁ। আমি নিঃকিন হ'লেওতো এখন সমাজ পাতি আছোঁ। ৰাইজ ডাঙৰ নে ৰজা ডাঙৰ ?"

মূৰ জোকাৰি ভকতৰ কথা শলাগি সূত্ৰধাৰে ক'লে, "সিদিনা পীতাম্বৰৰ লগত মিনতিৰ বিয়াৰ কথাটো শুনি সঁচা-মিছা জানিবৰ নিমিত্তে সিহঁতৰ

ঘৰলৈকে গৈ মাকক মাতি সুধিলোঁ—খুৰী, বোপাৰ বিয়াতো ঠিকেই হৈছে বুলি শুনিছো। এতিয়া গাঁৱৰ দহজন বৰমূৰীয়াক গোটাই শুভকাম কেনেকৈ সুকলমে সমাধা কৰিব পৰা হ'ব, বিয়াৰ আ-আয়োজন, যা-যোগাৰেই বা কোনে কেনেকৈ কৰিব, তাৰ পৰামৰ্শ লোৱাটো আমি ভাল দেখোঁ। তাৰ সমিধান যিহে পালোঁ।"

উপস্থিত সকলোটিয়ে মুখ মেলি চকু থিৰ কৰি সূত্ৰধাৰৰ মুখলৈ চাই ৰ'ল। ক'লে, "জনমদুখুনী মই। ৰাইজক গোটাই এটা পৰামৰ্শ ল'বলৈও মোৰ সাহে নুকুলায় বাপা। ৰাইজৰ ভৰি ধুৱাবলৈ আশীৰ্বাদ ল'বলৈকো বিধিয়ে সামৰ্থ্য নিদিলে। এতিয়া মাথোন কেঁচা তামোল, কেঁচা পাণ কাটিয়েই বোপাৰ বিয়াখন পাতিবলৈ আগবাঢ়িছোঁ। পিচে-পৰে দুপইচাৰ মুখ দেখিলে বোপাই ৰাইজক সন্তোষ কৰিব।"

সকলোটিৰে মুখ ক'লা পৰিল। ইটিয়ে সিটিৰ মুখলৈ চাবলৈ ধৰিলে।

গায়ন বৰাই অলপ পিচত গহীনাই মাত লগালে—"মই এই কথা ন-দি ক'ব পাৰোঁ যে সেই বাঁৰীৰ সমান টাংটিঙালী, পেটটেঙৰী, কৰাইচ তিৰোতা আমাৰ এই অঞ্চলত নাই। ইফালে মুখত যিহে মিঠা মাত। নহলেনো একো সমল নোহোৱাকৈ পীতাম্বৰক বি-এ পঢ়ুৱাই এতিয়া তাৰ বিয়া পাতিব পাৰেনে? ইফালে আমাৰ সূত্ৰধাৰৰ মুখত বাঁৰীৰ কথাৰ ঠাঁচ শুনিলা? মাক-পুতেক দুয়ো একে পাগতে উঠিছে। ৰাইজৰ প্ৰতি, ভকত-বৈষ্ণৱৰ প্ৰতি অলপো যদি ভক্তি থাকিলহেঁতেন। পিচে কিন্তু ধৰ্মই নসহিব।" তাৰ পিচত বুঢ়া বৰুৱাৰ ফাললৈ চকু ঘূৰাই সুধিলে—"খুৰাই কি কয়?"

গায়ন বৰাৰ খুৰাকে ক'বলৈ নৌপাওঁতেই গায়নে মুখ বিদবাই ক'লে—"কেঁচা পাণ, কেঁচা তামোল কাটিনো বিয়া পাতিব লাগিছে কেলৈ? লোকক দেখুৱাবলৈ? মোৰ মনৰে পীতাম্বৰৰ লগত মিনতিৰ বিয়া কাহানিবাই হ'ল। ক'ত শুনিছিলা, ক'ত দেখিছিলা বিয়াৰ আগতে ছোৱালীয়ে দৰাৰ ঘৰত আহি ঘৈণীৰ দৰে কাম-কাজ কৰি ফুৰা? সিদিনা পালনামত নেদেখিলানে মিনতি কেনেকৈ উৰুলীকৃত হৈ ফুৰিছিল। বুজিছে প্ৰভুসকল! মিনতিৰ গাত অলপ আঁসোৱাহো হৈছে বুলি আমাৰ ঘৰৰ 'তেওঁ' মোক কালি ফুচফুচাই কৈছিলো। আৰু বা কি কাণ্ড দেখোঁ! ক'ৰ পানী ক'লৈ যায় চাই থাকোঁ।"

"হিঁ-হিঁ-হিঁ—বাঁৰীকোঁৱৰৰ বুধিটো দেখিছোঁ নিচেই ভোতা। ভাবিছিলোঁ পঢ়ি-শুনি তাৰ বুদ্ধিটো চোকা হৈছে। কিন্তু মিছা। ক'ত ডাঙৰ ধনী মানুহৰ জীয়ৰীক বিয়া কৰি বয়-বস্তু, ধন-সোণ এসোপা চপাবৰ চেষ্টা কৰিব, অ' চকু পৰিলগৈ সেই বাপেক মৰা ভিকহু, টাকলী, ছালছিগা ছোৱালীত। বাছোঁতে বাছোঁতে গেলা বৰালিতহে হাত পৰিলগৈ" বুলি গাওঁবুঢ়াই চেক-চেকাবলৈ ধৰিলে।

"নহয়হে গাওঁবুঢ়াকাই নহয়—তুমি বিয়াৰ ৰহইছুটোৰ আঁতটো এতিয়াও ধৰিব পৰা নাই। আচল কথা কি কওঁ শুনা! ' আমাৰ বুঢ়া বৰুৱাই তেওঁৰ ডাঙৰ বোপাটিলৈ মিনতিক ধৰিছিল বোলে। মাকেও কুৰুং-কাৰাং কৰিছিলেই। পিচে বাঁৰীকোঁৱৰৰ মাকে পূৰ্ব কথা সুঁৱৰি বুঢ়া বৰুৱাৰ বুকুত শেল হানি পঠালে। হ'বলগীয়া বিয়াখন দুয়ো বাঁৰীয়ে ভাঙি তলে তলে এই কাণ্ড কৰিছে। মোৰ গুৰু শঙ্কৰ প্ৰভুৱে এনেয়ে দশমত ভণিতা কৰি গোৱা নাই 'এক বাঁৰীয়ে ভাঙে ঘৰ। দুই বাঁৰীয়ে ভাঙে বৰ॥' মামলা-মোকৰ্দমা কাৰ নালাগে? পীতাম্বৰৰ বাপেকেহে আমাৰ বৰুৱাৰ লগত ফেৰ পাতি যুঁজিবলৈ বিচাৰিছিল। নিজৰ পিতৃতুল্য বৰজনৰ লগত যুঁজি সৰ্বস্বান্ত হৈ শেষত কলপ-কলপকৈ কোনোবাইহে চকু মুদিলে। এতিয়া পীতাম্বৰৰ মাক-পুতেকে তাৰেই হোৰ বৰুৱাৰ ওপৰত তুলিবলৈ ছেগ পাই তেওঁৰ কলিজাত কামুৰি ধৰিছে।" নিজে ভাবি উলিওৱা কথাই সমজুৱাসকলক সন্তোষ দিয়া দেখি গায়ন বৰা গপত ওফন্দি পৰিল।

"ৰাতিও ভালেখিনি হৈছে। আমাৰ পুথিৰো আধ্যা শেষ হৈছে। এতিয়া আপোনাসৱৰ অনুমতি পালে আমি পঢ়াৰ বঢ়া-টুটাৰ কাৰণে আঁঠু ল'ব খোজোঁ।"

সকলোটিকে হৰিষ মনে আগলৈ পঢ়িব-শুনিবলৈ শক্তি বাঢ়ক বুলি আশীৰ্বাদ দি পুথি সামৰিবলৈ পুৰোহিতক ক'লে। পিচত বুঢ়া বৰুৱাই আঁঠু ললত আয়ুসত বিঘিনি শূন্য কৰি ৰামনামে সপৰিবাৰে কল্যাণ কৰক জয় অ' ৰাম বোলা জয় অ' হৰি বোলা বুলি বুঢ়া বৰুৱাক আশীৰ্বাদ দি, প্ৰসাদ গ্ৰহণ কৰি, কল-মাহ-চাউল আৰু মিঠৈ লাৰুৰ টোপোলা লৈ সকলোটি ঘৰাঘৰি গ'ল।

বাটত জপৰা ভকতে আতৈ আত্মৰামক ক'লে—"দেউৰীৰ টোপোলাটিলৈ মন নকৰিলানে? তাৰ হাতত পখৰা ওলাব বুজিছা! তাৰ মহতালিও দেখিলা? সেই নোম-নেগুৰবৰ্জিত বাপিৰাম বায়নপাত হৈয়েই আগলি কলা-পাতৰ মালিক হ'ল। আমি কিন্তু এডোখৰি গোটপাতৰো গৰাকী ন'হলো।"

## হায়াৰ চাৰ্কোল

পীতাম্বৰৰ বিয়ালৈ আৰু এপষ আছিল। এনেতে এদিন পুৱা ৰায়বাহাদুৰৰপৰা এখনি জৰুৰী চিঠি পাই সময়মতে উপস্থিত হ'মহি বুলি কৈ মাকৰপৰা মেলানি মাগি পীতাম্বৰ চহৰলৈ যাত্ৰা কৰিলে।

ঘামত তিতি-বুৰি জুৰুলা-জুপুৰ হৈ আবেলি পীতাম্বৰ ৰায়বাহাদুৰৰ ওচৰ চাপিল। ৰায়বাহাদুৰে আদৰ কৰি পীতাম্বৰক তেওঁৰ সুসজ্জিত ড্ৰইংৰুমত ইলেকট্ৰিক ফেনৰ তলত বহুৱাই ক'লে—"সকলো এনগেজমেণ্ট বন্ধ কৰি

তোমাৰ নিমিত্তেই অপেক্ষা কৰি আছিলোঁ বৰুৱা! উঃ! আজি দুদিনৰেপৰা অসহ্য গৰম পৰিছে। থাৰ্মোমিটাৰত ৯৯ ডিগ্ৰীলৈকে উঠিছে। আজি ৰাতিপুৱা আমাৰ ডি-চি মিষ্টাৰ লায়নৰ লগত দেখা হওঁতে তেৰোঁ তাকেই কৈছিল! পিচে আহিলা কেনেকৈ বৰুৱা!"

"আপোনাৰ চিঠি পাই খোজ কাঢ়িয়েই আহিলোঁ।"

"তোমাৰ স্কীন দেখিছো হীট-প্ৰুফ। তোমাৰ নিচিনা শিক্ষিত ডেকাই এই পোন্ধৰ মাইল ৰ'দত খোজ কাঢ়ি অহাটো মই ভাবিবই নোৱাৰোঁ। মোৰো দেখিছোঁ এটা মস্ত ভুল হ'ল। 'কাৰ' এখন পঠাবলৈকো পাহৰি গ'লো। মিষ্টাৰ লায়নে তোমাৰ এই কথা শুনি বৰ প্লীজ্‌ড হ'ব। উই ওৱাণ্ট ইয়ং মেন লাইক ইউ। 'বয়!"

"হজুৰ!"

"মেম-চাহাব ··"

অনতিবিলম্বে মেম চাহাব অৰ্থাৎ ৰায়বাহাদুৰৰ পত্নী মিছেজ কাগ্‌তী আহি ড্ৰয়িং ৰূমত উপস্থিত হ'ল। পীতাম্বৰে উঠি এটা সেৱা জনালে।

গৃহিণীৰ ফালে চাই ৰায়বাহাদুৰে ক'লে—"এৱেই মিষ্টাৰ পি. বৰুৱা—ইকনমিক্‌ছৰ অনাৰ্ছত ফাৰ্ষ্টক্লাচ ফাৰ্ষ্ট। এওঁৰ কথাকেই কালি তোমাক কৈছিলোঁ। এওঁ কিন্তু আজি পোন্ধৰ মাইল বাট এই ৰ'দতে খোজ কাঢ়ি আহিছে। ওৱাণ্ডাৰফুল!"

প্ৰশংসাপূৰ্ণ দৃষ্টিৰে কাগ্‌তীয়ে পীতাম্বৰলৈ চাই তেওঁৰ ওচৰতে বহিল। অলপ পিচতে নানাবিধ ফলাহাৰ, মিষ্টান্ন, কেক-বিস্কুট, চাহ-চেনি, গাখীৰ, গৰম পানী লৈ ৰায়বাহাদুৰৰ 'কুক', 'বেহেৰা' আহি উপস্থিত হ'ল।

"মেৰী ক'তহে?"

"ষ্টুডিঅত বহি ছবি আঁকি আছিল। এতিয়া ৰেডিঅ-ওৱেৰলেছত গান শুনিছে।"

"ছবি আঁকিবলৈ পালে, গান-বাজনা পালে মেৰীক আৰু একো নালাগে। মাতা—মাতা, আমাৰ এই পাৰ্টিত যোগ দিয়কহি। বৰুৱাৰ লগতো ইণ্ট্ৰডিউচ কৰি দিওঁ।"

অলপ পিচতে মাকৰ লগত পাৰ্চী মহিলাৰ সাজেৰে ববকটা চুলিৰে সৌৰভত গোটেই ঘৰ আমোদিত কৰি মেৰী উপস্থিত হ'লহি। পীতাম্বৰৰ ফালে চাই ৰায়বাহাদুৰে ক'লে—মোৰ একেটি ছোৱালী এই মেৰীৰ নাম তুমি বোধকৰোঁ শুনিছা। এইবাৰ বেথুন কলেজৰপৰা ফাৰ্ষ্ট ডিভিজনত আই-এ পাছ কৰিছে। তাৰ পিচত মেৰীৰ ফালে চকু ঘূৰাই ক'লে—"মেৰী, এৱেঁই তোমাৰ সেই মিষ্টাৰ পি. বৰুৱা—যাৰ বিদ্যা-বুদ্ধিৰ প্ৰশংসা তোমাৰ মুখত সদায় লাগি আছেই। বুজিছা বৰুৱা! মেৰীয়ে কাৰবাৰ আগত অসমীয়া

ডেকাৰ সুখ্যাতি কৰিবলগীয়া হ'লে তোমাৰ কথাকেহে মাথোন কয়। তোমালোক দুয়োৰে ভিতৰত অন্তৰৰ কিবা 'এফিনিটি' নিশ্চয় আছে।"

মিঃ পি. বৰুৱাই হায়াৰ চাৰ্কোলৰ কথা, আও-ভাও একোকে নাজ'নিছিল। ৰায়বাহাদুৰৰ কথা শুনি মিছেজ কাগ্‌তী আৰু মেৰীক আগত দেখি বেচেৰা ঘামিবলৈ ধৰিলে। লাজত তেওঁৰ মুখ ৰঙা পৰিল।

মেৰীয়ে হাঁহি হাঁহি ওচৰ চাপি মিষ্টাৰ পি. বৰুৱাক "হেণ্ডছেক" কৰি সম্ভাষণ জনাই চাহ কৰিবলৈ ধৰিলে।

কৌতুকপূৰ্ণ দৃষ্টিৰে ৰায়বাহাদুৰে বৰুৱাৰ ফাললৈ চাই ক'লে, "তুমি দেখিছোঁ নিতান্ত লাজুক। তোমাৰ নিচিনা ইয়ং ম্যানবিলাক সদায় ফৰওৱাৰ্ড, সদায় পুছিং হ'ব লাগে। হিজ একছেলেন্সিয়েও সেইদিনা মোক তাকেই কৈছিল।"

মিছেজ কাগ্‌তীয়ে ক'লে—"মেৰীয়ে মেৰীৰ এই লাজুক বন্ধুটিৰ লাজ নাভাঙিলে নহ'ব যেন দেখিছোঁ। মিষ্টাৰ বৰুৱাই কিন্তু আমাক নিজৰ আপোনাৰ জন বুলি ভাবিবলৈ অনুৰোধ কৰিব নোৱাৰেঁ৷নে?"

হায়াৰ চাৰ্কোলৰ কথা-বাৰ্তাত মিষ্টাৰ পি. বৰুৱা সঙ্কুচিত হৈ পৰিল।

চাহ-পানত সকলোটিয়ে যোগ দিলে। মিষ্টাৰ পি. বৰুৱাই বিদায় ল'বৰ মনেৰে ৰায়বাহাদুৰক বিনীতভাৱে সুধিলে—"মই এতিয়া উঠিব খোজোঁ। আজি হোটেলত থাকি কালিলৈ আকৌ ঘৰ পাবগৈ লাগে। পিচে মোকনো কিয় মাতি পঠিয়াইছিল, জানিব পাৰেঁ৷নে?"

—"মোৰ এই পেলেচিয়েল বিল্ডিং থাকোঁতে তুমি হোটেলত থাকিবা কিয়? মেৰী, তুমি তোমাৰ বন্ধুৰ চাৰ্জ লোৱা—আজি আৰু ফুৰিবলৈ যাব নালাগে। মাৰাৰ লগত মই অলপ হাৱা খাই আহোঁ।"

"ড্ৰাইভাৰ।"

"হুজুৰ।"

"ৰোল্‌চ ৰইচ্।"

যাবৰ সময়ত মিষ্টাৰ পি. বৰুৱালৈ চাই ৰায়বাহাদুৰে ক'লে, "অ' কি কৈছিলা বৰুৱা? মাতিছিলোঁ—তোমালোকৰ নিচিনা 'জুৱেল' বিলাকক প্ৰভাইডেড হোৱা নেদেখিলে মই মনত বৰ দুখ পাওঁ। দুই এজন গ্ৰেজুৱেটে, কাকতে-পত্ৰই দেখিছোঁ, মই লয়েলিষ্ট লীগৰ চেক্ৰেটৰী হোৱা দেখি গালিও পাৰিছে। কিন্তু মাই স্কীন ইজ টু থিক্ ফৰ ডেয়াৰ বুলেটছ, বুজিছা বৰুৱা। পানীত থাকি ঘঁৰিয়ালৰ লগত যুঁজিবলৈ যোৱাটো জানো মূৰ্খৰ কাম নহয়? স্বৰাজ স্বৰাজ কৰি টেটু ফালি ফুৰিলেই স্বৰাজ নহয়। ভাবিছোঁ প্ৰভিঞ্চিয়েল ছাৰ্ভিছত তোমাক সুমাই দিব পাৰিলে হয়। মিষ্টাৰ লায়নক তোমাৰ বিষয়ে মই কৈও থৈছোঁ। তেওঁ 'হোপ' দিছে। ছাৰ্ভিছত কমিটিৰ মেম্বৰসকলৰ

লগতো মোৰ ভাল ভাব আছে। কালিলৈ মিষ্টাৰ লায়নৰ লগত তোমাক ইন্ট্ৰডিউচ কৰি দিম। মেৰীৰ লগত এতিয়া কথা-বাৰ্তা পাতা। ফীল ইওৰ চেলফ্ কোৱাইট এট হ'ম।"

সস্ত্ৰীক ৰায়বাহাদুৰ 'ৰোল্‌চ ৰইচ'ত উঠি ফুৰিবলৈ গ'ল। বাটত তেওঁক ক'লে—"ল'ৰাটোৰ সুন্দৰ চেহেৰা, চকুত অসাধাৰণ দীপ্তি। হাকিম-টাকিম এটা হ'ব পাৰিলে বোধকৰোঁ তোমাৰ তেওঁক জোঁৱাই কৰাত আপত্তি নহ'ব।"

বিলাসী ধনী ৰায়বাহাদুৰৰ শিক্ষিতা কন্যা মেৰী। সেই মেৰীৰ সঙ্কোচ-বিহীন আচৰণত পীতাম্বৰ মুগ্ধ হৈ পৰিল। দিনে দিনে দুয়োৰে অন্তৰৰ ব্যৱধান টুটি আহিবলৈ ধৰিলে। মিনতিৰ মুখখনিলৈ মনত পৰি—পীতাম্বৰৰ অন্তৰ আকাশত সময়ে সময়ে এডোখৰি ক'লা ডাৱৰে দেখা দিছিল যদিও মেৰীৰ বিচিত্ৰ ৰূপ লীলাই তাৰ ওপৰত ৰামধেনুৰ সৃষ্টি কৰি পীতাম্বৰক এক নতুন কল্পলোকৰ সন্ধেদ দি এক অনিৰ্বচনীয় সৌন্দৰ্য সাধনাত বিভোৰ কৰি তুলিলে।

পাৰ্টি, পিক্‌নিক্, প্লেজাৰট্ৰিপ, কাব্য চৰ্চাদিৰ মাজেদি মোহময় আবেশত সুখ সপোনৰ দৰেই মেৰী আৰু মিষ্টাৰ পি. বৰুৱাৰ দিনবোৰ যাবলৈ ধৰিলে।

## ৰাজৰাজেশ্বৰ

তাৰ কেইদিনমানৰ পিচত।

পীতাম্বৰে আবেলি ফুৰি আহি মেৰীৰ "ষ্টাডী" ৰূমত সোমাওঁতেই মেৰীয়ে অনুযোগৰ সুৰত ক'লে, "আপোনাক 'লাঞ্চ'ৰ সময়ত ইমানকৈ ক'লোঁ আবেলি তিনি বজাত মই নতুনকৈ অনা এছৰাজ বজাই ইংৰাজী গান শুনাম বুলি। সেই বাৰটাতে বন্ধুৰ ঘৰলৈ ওলাই সোনকালে আহিম বুলি চাৰে তিনি বজালে। দেখিছোঁ আপোনাৰ সোনকালৰ 'আইডিয়া' চমৎকাৰ। মাৰ্চ্চেল নে পঁচিৰ পাঁচ মিনিট পলমৰ ফলত বিশ্ববিজয়ী ৱাটাৰলু যুদ্ধত ওৱেলিংটনৰ [illegible]তত পৰাজয়। আদঘন্টা পলমৰ ফলত ডিগ্ৰীধাৰী যুৱকৰ পৰিণাম কি ভয়াবহ আপুনিয়েই ভাবক।"

হাঁহি হাঁহি পি. বৰুৱাই উত্তৰ দিলে,—"সেই পৰিণামৰ বিষয়ে আগতেই মই অনুমান কৰি আহিছোঁ। মেৰীৰ অন্তৰ কাৰাগাৰত যুৱক চিৰজীৱন বন্দী ?"

"আপুনি লাহে লাহে বৰ দুষ্ট হৈ পৰিছে।"

দুয়োৰে মুখত প্ৰণয়ৰ মোহন মধুৰতা ফুটি উঠিল। "শুনা মেৰী, মোৰ বন্ধুজনো প্ৰভিঞ্চিয়েল ছাৰ্ভিছৰ কেণ্ডিডেট। তেওঁৰ ঘৰলৈ গৈ দেখিলোঁ

এটা পেটাল জ্যোতিষীয়ে বন্ধুৰ হাত-কপাল চাই ভূত-ভৱিষ্যত-বৰ্তমান ক'বলৈ ধৰিছে। মোক হুঁহা দেখি জ্যোতিষী মহাশয়ে এই ৰং-বেৰঙৰ বিজ্ঞাপনখন পঢ়ি চাবলৈ দিলে। পঢ়াচোন—আকৌ এবাৰ শুনি শ্ৰৱণ জুৰাও।"

মেৰীয়ে বিজ্ঞাপনখনি লৈ পঢ়িবলৈ ধৰিলে।

## সোণালী সুযোগ

জীৱনত সুবিধাই দেখা দিয়ে কিন্তু এবাৰহে।

বিশ্বত্ৰাসী কাইজাৰ, সম্ৰাট পঞ্চম জৰ্জ, প্ৰেচিডেন্ট ৱিলছন্, মহাত্মা গান্ধী, দেশবন্ধু চিত্তৰঞ্জন, প্ৰবল প্ৰতাপান্বিত মহাৰাজাধিৰাজ কাশী নৰেশ্বৰ, মহামান্য হাইকোৰ্টৰ জজ আৰু অসম-বঙ্গৰ মন্ত্ৰীমণ্ডলীকে প্ৰমুখ্য কৰি বিশিষ্ট পুৰুষৰ ভাগ্য নিৰূপণকাৰী, সৰ্বজনপ্ৰশংসিত, ভাৰত জ্যোতিষী সংঘৰ ভূতপূৰ্ব সুদক্ষ সম্পাদক, অলৌকিক গুণসম্পন্ন জ্যোতিষাকাশৰ উজ্জ্বল ভাস্কৰ, অপ্ৰতিদ্বন্দ্বী তান্ত্ৰিক, গ্ৰহাচাৰ্য শ্ৰীমৎ জগজ্জ্যোতি জ্যোতিষাৰ্ণৱৰ প্ৰাগ্‌জ্যোতিষপুৰত প্ৰথম পদাৰ্পণ।

জ্যোতিষ-শাস্ত্ৰৰ প্ৰথম জন্মস্থান পুৰাণপ্ৰসিদ্ধ প্ৰাগ্‌জ্যোতিষৰ অধিবাসী-সকলৰ আগত জ্যোতিষ-শাস্ত্ৰৰ অভূতপূৰ্ব মহিমা বৰ্ণনা কৰা নিষ্প্ৰয়োজন। বিজ্ঞাপনৰ কুহক জাল বিস্তাৰ কৰি পৰস্বাপহৰণকাৰী ভণ্ড জ্যোতিষীৰপৰা ভক্তসকলৰ উদ্ধাৰ মানসে বিশিষ্টলোকৰ একান্ত আগ্ৰহত কেৱল এমাহৰ নিমিত্তে আগমন। আপুনি আপোনাৰ ভূত-ভৱিষ্যত-বৰ্তমান তেওঁৰপৰা জানিলৈ কৰ্মক্ষেত্ৰত আগবাঢ়ক।

বিশেষ দ্ৰষ্টব্য—শনি কৱচ, শ্ৰীসূৰ্য কৱচ, ধনদা কৱচ, বশীকৰণ কৱচ, আদি কৰি বহুবিধ মহাপুৰশ্চৰণ সিদ্ধ মূল্যবান তান্ত্ৰিক কৱচো তেওঁৰ হাতত উপযুক্ত দামত পোৱা যায়। পৰীক্ষা প্ৰাৰ্থনীয়।

বিজ্ঞাপনৰ আড়ম্বৰত মেৰী হাঁহি হাঁহি বাগৰি গ'ল। ক'লে, "আপোনাৰ জ্যোতিষীয়ে শব্দকল্পদ্ৰুমৰ সকলো বিশেষণ সংগ্ৰহ কৰিছে। জ্যোতিষাৰ্ণৱই প্ৰাগ্‌জ্যোতিষৰ অধিবাসীৰপৰা দহ-বাৰ হেজাৰ টকা আদায় নকৰাকৈ দেশলৈ প্ৰত্যাগমন নকৰিব যেন পাইছোঁ।"

"মেৰী, এই ভণ্ডবোৰৰ চক্ৰজালত বছৰি বছৰি হেজাৰে হেজাৰে টকা অসমৰ বুকুৰপৰা বিদেশলৈ বৈ গৈছে। পিচে শুনা, বন্ধুৰ কথা মতে আৰু পেটেলা জ্যোতিষীৰ নেৰা-নেপেৰা আগ্ৰহত ময়ো হাত দেখুৱালোঁ। প্ৰথমতে ৰূপ ৫ টকা সামৰি অলপ পৰ একাগ্ৰচিত্ত হৈ চাই জ্যোতিষীপ্ৰবৰে ক'লে "মোৰ হনো হাতৰ নিচিনা এখন হাত আজিলৈকে তেওঁ দেখা নাই। কপালৰ ভাগ্যফলো অতি প্ৰবল। মোৰ হাতৰ এই উৰ্ধৰেখাবোৰে হেনো মোৰ উচ্চ

মনোবৃত্তিৰ উৰ্ধগামী ভাগ্যৰ পৰিচয় দিছে। মোক গ্ৰহাচাৰ্যই ৰাজৰাজেশ্বৰ কৰিলে।

কৌতূহল জন্মিল। সুধিলোঁ মই বৰ্তমানে এটা কামৰ চেষ্টাত আছোঁ। পাবৰ আগন্তুক আছেনে ?

ক'লে তাত সংশয় নাই। কেৱল শনিৰ অলপ বক্ৰদৃষ্টি আপোনাৰ ওপৰত পৰিছে। তেৱেঁই আপোনাক অলপ ঘূৰাব। কিন্তু মোৰপৰা ১৫ টকা দি চাকৰি প্ৰাপ্তিৰ কাৰণে বিশেষভাৱে প্ৰস্তুত কৰা শনি কবচ এটা লৈ বাহুত ধাৰণ কৰিলেই আপোনাৰ অপায়-অমঙ্গল সকলো দূৰ হ'ব। অপ্ৰয়াসে কাম আহি আপোনাৰ হাতত পৰিব। বন্ধুৱে সুধিলে—"জ্যোতিষী মহাশয়, কওকচোন মোৰ বন্ধুৱে বিয়া কৰাইছে নে নাই ?"

"ক'লে কি ?" আগ্ৰহেৰে মেৰীয়ে সুধিলে।

"সেই কথা তোমাৰ নুশুনাই ভাল মেৰী। ক'লে মই বোলে বিবাহিত। হাঁহি ৰাখিব নোৱাৰিলোঁ। বন্ধুৱে জ্যোতিষীক ক'লে, "আপোনাৰ গণনা একেবাৰেই ভুল। বন্ধুৱে বিবাহ কৰাহে নালাগে গাভৰুৰ নাম শুনিলেও জাঁপ মাৰি উঠে।"

জ্যোতিষীৰ উপস্থিত বুদ্ধি আছে মেৰী। উত্তৰ কি দিলে শুনা—"মোৰ গণনা কেতিয়াও ভুল হ'ব নোৱাৰে। মই ভাঠি কৈছোঁ—এওঁৰ কায়িক-বিবাহ নঘটিলেও মানসিক বিবাহ কিন্তু ঘটিছে।"

হাঁহি হাঁহি মেৰীয়ে বৰুৱাৰ চকুলৈ চাই ক'লে—"জ্যোতিষীৰ গণনা নিৰ্ভুল বুলি ময়ো কওঁ। মোক কিন্তু জ্যোতিষীৰপৰা এটা বশীকৰণ মন্ত্ৰ আনি দিব লাগিব দেই।"

"ক্ষমা কৰিবা মেৰী, তোমাৰ চকুযুৰিৰ প্ৰকোপতে ৰক্ষা পোৱা টান। বশীকৰণ কবচ ধাৰণ কৰি নিৰীহ যুৱকসকলৰ বধৰ ভাগী নহ'বা।" মেৰীৰ মুখত বিজুলী চমকিল।

হিয়াৰ মাজৰ মধুময় ঝঙ্কাৰত মেৰীৰ সুৱদিসুৰীয়া গানত পি. বৰুৱাৰ হিয়াত প্ৰেমৰ ঢৌ উঠিল।

## যৌৱন জোৱাৰ

পিচদিনা পুৱা সচিত্ৰ মাহেকীয়া কাকত 'বিচিত্ৰা' মেৰীৰ হাতত পৰিল। প্ৰথম পাততে সম্পাদকৰ ভূমিকাৰে উদীয়মান তৰুণ প্ৰণয়-কবি শ্ৰীযুত পীতাম্বৰ বৰুৱা বি-এৰ 'যৌৱন জোৱাৰ' কবিতাটি দেখি মেৰীয়ে আগ্ৰহেৰে পঢ়িলে আৰু পীতাম্বৰক মাতি নি ওচৰতে বহুৱাই—কবিতাটি দেখুৱাই হাঁহি হাঁহি ক'লে—"মাৰ্চ্চেলৰ প্ৰিয় ছাত্ৰৰ অৰ্থশাস্ত্ৰৰ পৰম ভক্তৰ অন্তৰত যে কবিতাৰ

'জাৰ্ম' থাকিব পাৰে ভবাই নাছিলোঁ। হে মোৰ তৰুণ প্ৰণয়-কবি, অকবি তৰুণীৰ সম্ভাষণ গ্ৰহণ কৰক। এই যে লিখিছে--

হে মোৰ প্ৰিয়া, চিত্তহাৰা, পৰাণ-বহাগী,—
দৃষ্টিত তোমাৰ কল্পলোকৰ সৃষ্টি উঠিব জাগি।

যৌৱনজোৱাৰৰ লেখক উদীয়মান কবিক এই পৰাণ-বহাগী কোন সুধিব পাৰোনে? দেখিছোঁ—আপোনাৰ এই কবিতাই ভাব আৰু প্ৰেম-ৰাজ্যত যুগান্তৰ আনি অনেক তৰুণ-তৰুণীৰ চিত্ত চঞ্চল কৰি তুলিব। ভাব আৰু ভাষাৰ কি অপূৰ্ব সমাবেশ! বায়ৰণ! আজি তুমি ক'ত?"

"তোমাৰ বায়ৰণৰ দোহাই দিছোঁ মেৰী, কবিতাটো সামৰি থোৱা। তোমাৰ বাক্যবাণেৰে আৰু মোক নিবিন্ধিবা।"

"এয়া হ'ল অকবিৰ কথা। ভয় হৈছে কবিৰ অন্তৰ সমুদ্ৰত উঠা উদ্‌ভ্ৰান্ত 'যৌৱন জোৱাৰে' বিপুল বিক্ৰমেৰে সমাজৰ পাৰ ভাঙি--পৰাণ-বহাগীহঁতক উটাই-ডুবাই নগুৰ্নাগতি কৰে বুলি।"

"ভয় নকৰিবা, যৌৱন জোৱাৰে তোমাক উটাই নিব পাৰিলেই ধন্য হৈ ক্ষান্ত হ'ব।"

"মিছা কথা। মোৰ দৃষ্টিত কবিৰ কল্পলোকৰ সৃষ্টি জাগি নুঠে। কুৰি শতিকাৰ কবি কালিদাস, স্বাগতম্। অপ্ৰিয়াৰ অনুৰোধ--এতিয়াই এই মুহূৰ্ততে 'যৌৱন ভাটা' বা 'যৌৱন সমাধি' নামে এটা কবিতা লিখি ছপাই পৰাণ-বহাগীহঁতৰ জীৱ দান দিয়ক। নহলে ময়েই 'কবিতা কবৰ' নামে কবিতা লিখি আপোনাৰ পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব। বাঃ কি লিখন-ভঙ্গী। এই যে--যৌৱন জোৱাৰে উঠিছে গৰজি---।"

"মল্লিনাথৰ মুখখন বন্ধ কৰা মেৰী" বুলি প্ৰণয়-কবিয়ে প্ৰেমত কঁপি উঠা আঙুলিবোৰ মেৰীৰ মুখত দিলে।

কল্পলোকৰ সৃষ্টি নামি আহিল। স্বৰ্গ ওচৰ চাপিল।

## ধুমুহা আহিল

গুৱাহাটীত ছিলেকচন কমিটি বহিবলৈ আৰু এদিন আছে। ৰায়বাহাদুৰে মিষ্টাৰ পি. বৰুৱাক মাতি নি ক'লে, "কালিলৈ ১১ বজাত ছিলেকচন কমিটিৰ ছিটিং বহিব। মই তলে তলে সকলো যা-যোগাৰ কৰি ৰাখিছোঁ। তুমি মোৰ মনেৰে আজিয়েই ট্ৰেনত যোৱাই ভাল।"

বৰুৱাই মেৰীৰ মুখলৈ চালে।

মেৰীয়ে ক'লে—"সেইটো হ'ব নোৱাৰে পাপা। মই মিষ্টাৰ বৰুৱাক আমাৰ 'হুইপেট কাৰ'ত তুলি নিজে ড্ৰাইভ কৰি লৈ যাম। লং ডিষ্টেন্সত

কেনেকৈ জাকিং নোহোৱাকৈ ড্ৰাইভ কৰোঁ বৰুৱাই দেখিব। ছিটিং বহিব ১১ বজাত। আমি ইয়াৰপৰা পুৱা ৫ বজাত ষ্টাৰ্ট কৰিলেও ৬৫ মাইল ৰাস্তা অনায়াসে ৫ ঘণ্টাৰ ভিতৰত অতিক্ৰম কৰি গুৱাহাটী পামগৈ। এটা সুন্দৰ ট্ৰিপো হ'ব।" মেৰীৰ কথাই ৰজিল।

## পিচদিনা পুৱাতে

ভোঁ-ভোঁকৈ মটৰ চলিল। সেউজীয়া পথাৰ আৰু পাহাৰৰ মাজেদি গৈছে আকোৰা-বেকোৰা আলিবাট। তাৰ ওপৰেদিয়েই মটৰ চলিল।

পয়ষষ্টি মাইলৰ খুটি নৌপাওঁতেই শিলত ঠেকা খাই মটৰৰ ফ্ৰণ্ট হুইলৰ দুয়োটা চাকাৰ টায়াৰ, টিউব ভীষণ শব্দেৰে কাষৰ পাহাৰত প্ৰতিধ্বনি তুলি ফাটিল। তাৰ লগে লগেই মেৰী আৰু পি. বৰুৱাৰ মুখ শেঁতা হৈ পৰিল। দুয়োৰে মুখৰপৰা মাত ওলাল—"এতিয়া উপায় ?"

ক্লান্ত অৱসন্ন দেহেৰে যেতিয়া গৈ দুয়ো গুৱাহাটী পালেগৈ, কমিটিৰ ছিটিং তাৰ এঘণ্টাৰ আগতেই শেষ হৈ গৈছিল।

বিপদৰ বাতৰি পাই ৰায়বাহাদুৰো আহিল। কমিছনাৰে সকলো শুনি মাথোঁ ক'লে, "দুখ পালোঁ ৰায়বাহাদুৰ। ভাগ্যহীন যুৱক।"

বিষাদ মনেৰে তেওঁলোক ঘৰলৈ ঘূৰিল।

ৰায়বাহাদুৰৰ ঘৰৰ সকলোটিৰে চকুত পীতাম্বৰলৈ এটা অৱজ্ঞাৰ ভাব—বিদ্ৰূপৰ ভাব ফুটি উঠিল। ..

দিঠকৰ দাৰুণ আঘাতত পীতাম্বৰৰ মোহৰ সপোন ভাগি চূণ-চাত হ'ল। মাকক সুঁৱৰি—মিনতিক সুঁৱৰি তেওঁৰ শোক উতলি উঠিল। বেচেৰাই উচুপিলে, সৰু ল'ৰাৰ দৰে ফেঁকুৰিলে। চকুত চকুলো নোলাল।

মিনতিৰ মাকে লিখা চিঠিখন উলিয়াই আকৌ তেওঁ পঢ়িলে। "বিচাৰকৰ আসন গুৱাবলৈ গৈছা তুমি ? কি দোষত মিনতিৰ প্ৰতি এনে অবিচাৰ কৰিলা ?"

চিঠিৰ আখৰবোৰে কালসাপ হৈ তেওঁক দংশি শৰীৰ আৰু মন বিষাক্ত হৈ পৰিল।

ধ্বংসৰ আহিলা লৈ ধুমুহা আহিল।
চাকনৈয়া—নাও বুৰিল।

সহানুভূতিৰ এটুপি চকুলো—সমবেদনাৰ এটা হুমুনিয়াহ বিচাৰি উন্মাদৰ দৰে উধাতু খাই পীতাম্বৰ যেতিয়া ঘৰ ওলালগৈ, তেতিয়া তেওঁৰ জননীৰ জীৱন-বন্তিৰ শলিতাগছি পুৰি প্ৰায় শেষেই হৈছিল। চৰণ দুখনি বুকুত সাবটি মাকৰ সেই শীতল শেঁতা মুখখনিলৈ হতভগীয়াই থৰ লাগি চায়েই ৰ'ল।

তাৰে পিচত ?—গুৰিয়ালৰ অভাৱত পীতাম্বৰৰ জীৱন-তৰণী বহুমূলীয়া সমলেৰে সৈতে দাৰিদ্ৰ্য সাগৰৰ ডকা-চাকনৈয়াৰ পাকত বুৰি অদৃশ্য হ'ল।

# লক্ষ্মীধৰ শৰ্মা

(১৮৯৮-১৯৩৫)

১৭৯২ চনতে প্ৰকাশিত Vindication of the Rights of Women নামৰ গ্ৰন্থত মেৰী ওলষ্ট'নক্ৰাফ্‌টে নাৰী-জাতিক আহ্বান জনাই কৈছিল যে তেওঁলোকে কেৱল পুৰুষৰ খেলাৰ পুতলা হৈ নাথাকি পুৰুষৰ লগতে সমান মৰ্যাদা আৰু অধিকাৰ আদায় কৰিবলৈ চেষ্টা কৰা উচিত। তিৰোতাৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ ৰণ-শিঙা বজোৱা এই বিদ্ৰোহিনীক সম-সাময়িক কালৰ লোকসকলে আখ্যা দিছিল— Hyena in Petticoat— অৰ্থাৎ পেটিকোট পৰিহিতা হায়েনা বুলি।

১৯৩০-৩৪ চনৰ ভিতৰত প্ৰকাশিত লক্ষ্মীধৰ শৰ্মাৰ গল্পত আমি এনে কেইগৰাকীমান বিদ্ৰোহিনী তিৰোতাক লগ পাওঁ— যিসকলে মেৰী ওলষ্ট'নক্ৰাফ্‌টৰ এই উপদেশ আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰিছে। উদাহৰণ স্বৰূপে বিদ্ৰোহিনী গল্পৰ ললিতাৰ কথাই ধৰা যাওক। ললিতা বাল-বিধবা। তাইৰ ল'ৰালি কালৰ খেলাৰ সংগী হেম এতিয়া তাইৰ প্ৰেমিক। কিন্তু সমাজে স্বাভাৱিকভাবেই সিহঁত দুয়োৰে অবাধ মিলা-মিছাক ভাল চকুৰে নাচায়।

"জীৱন-মৰণৰ সমস্যা ললিতাৰ আগত। একোবাৰ ললিতাৰ এনে মনত হয় যেন জগতৰ লাঞ্ছিতা নাৰীয়ে তেওঁৰ ভিতৰেদি মুক্তি বিচাৰিছে। একোবাৰ আকৌ নিজৰ সতীত্বৰ ওপৰত অপৰিসীম ঘৃণাত তেওঁৰ মন ভৰি উঠে। ...... হয়তোবা ললিতাৰ জীৱনে অন্য সকলো বাল-বিধবাৰ জীৱনৰ দৰেই নীৰবে জগতৰপৰা এদিন মেলানি লৈ অনন্তৰ গৰ্ভত লীন হৈ গ'লহেঁতেন।..........ললিতাৰ পক্ষে তেনে কৰা সম্ভৱৰ অতীত হ'ল। জীৱনে তেওঁক সততে অপূৰ্ব মাধুৰ্যৰ ৰাজ্যলৈ নিমন্ত্ৰণ কৰে। নাৰী-জীৱনৰ পৰিপূৰ্ণতাৰ সফলতাৰ বিৰাট আহ্বান তেওঁৰ হৃদয়ত অহৰহ বাজি উঠে। হেমৰ মুখখনিক কেন্দ্ৰ কৰি কল্পনাই কি স্বৰ্গলোককে তেওঁৰ কাৰণে সৃষ্টি কৰি তোলে!"

শাস্ত্ৰ-বিহিত কৃচ্ছ্ৰ-সাধন আৰু ত্যাগৰ পৰিবৰ্তে অশাস্ত্ৰীয় অবৈধ প্ৰেমৰ মাজত 'নাৰী-জীৱনৰ পৰিপূৰ্ণতা আৰু সফলতা' বিচাৰি ললিতাই সেইদিনা শতাব্দী-প্ৰাচীন সংস্কাৰ আৰু পুৰুষ-শাসিত সমাজ- ব্যৱস্থাৰ বিৰুদ্ধে কি প্ৰচণ্ড বিদ্ৰোহ ঘোষণা কৰিছিল, তাৰ গুৰুত্ব আজি অনুভৱ কৰা সহজ নহয়।

সি যি কি নহওক, হেমৰ লগত গোপন মিলনৰ ফলত ললিতা গৰ্ভৱতী হ'ল। কিন্তু কাপুৰুষ ব্যক্তিত্বহীন হেমেই ললিতাৰ বিয়াৰ প্ৰস্তাৱত সন্মতি দিব নোৱাৰিলে। বৰং সি জাৰজ শিশুৰ ভ্ৰূণ হত্যা কৰিবলৈহে পৰামৰ্শ দিলে। ললিতাৰ উত্তৰ:

"জাৰজৰ কথা যে কৈছা—হয়তো সমাজে মোৰ সন্তানক জাৰজ বুলি হেয়জ্ঞান কৰিব, কিন্তু সময়ৰ লগে লগে সমাজৰ ধাৰণা পৰিবৰ্তিত হব বুলি আশা কৰিব পাৰি। জন্মতকৈ প্ৰকৃত গুণাগুণ বিচাৰ কৰি ভৱিষ্যতৰ সমাজ চলিব। নচলিলেও সেই পথ যদি সত্য হয়, তেন্তে তাৰ বাটত চলিবৰ সময় আহিল। প্ৰথম পথ-নিৰ্দেশ কৰাৰ বিপদ সদায় আছে। আৰু সমাজৰ বৰ্তমান যি অৱস্থা এই অৱস্থাত সমাজৰ প্ৰশংসাতকৈ সমাজৰ ঘৃণাক আহ্বান কৰাই সকলোৰে উচিত।"

শাস্ত্ৰৰ বিধান আৰু সমাজৰ প্ৰচলিত নিয়ম ভংগ কৰাৰ অভিযোগত ললিতাৰ বিচাৰ কৰিবলৈ মেল বহিল।

"বাবুসকল সকলো বিধবাৰ প্ৰতিভূ হৈ মই আপোনালোকৰ ওচৰত উপস্থিত হৈছো।........ শতাব্দীৰ পিচত শতাব্দী ব্যাপী বিবিলাক বিধবাৰ হাহাকাৰে ভাৰতৰ আকাশ মুখৰিত কৰি তুলিছে, সেই সকলোবোৰৰ প্ৰতিনিধি হৈ আজি সমাজৰ বিচাৰ কৰিবলৈ উপস্থিত হৈছো মই।"

ইয়াৰ পিচত গল্পটোত এই বিচাৰৰ যি বৰ্ণনা দিয়া হৈছে, সি একাধাৰে অতি শক্তিশালী অসমীয়া গদ্য আৰু অসমীয়া সাহিত্যত হোৱা তীব্ৰ আবেগময় সামাজিক বিতৰ্কৰ নিদৰ্শন।

মহেন্দ্ৰ: "কিন্তু টকা লৈ দেহবিক্ৰয়?"

ললিতা: "টকা লৈ বিদ্যাবিক্ৰয়তকৈ বেয়া নহয়। বেশ্যা হলেও জীৱনধাৰণ কৰিব লাগিব। গতিকেই টকাৰ প্ৰয়োজন। টকা লোৱাৰ কাৰণে এফালে বেশ্যাক ঘিণ আৰু কুলগুৰুক সন্মান কৰাটো উচিত নহ'ব।"

আধুনিক নাৰী-মুক্তি আন্দোলনৰ আন এগৰাকী বিদ্ৰোহিনী নেত্ৰী এমা গোল্ডমেনে কৈছিল: "The Women need not always keep their mouth shut and their wombs open"--অৰ্থাৎ "তিৰোতাই সদায় তেওঁলোকৰ মুখখন জপাই ৰখাৰ আৰু জৰায়ু মুকলি ৰখাৰ কোনো দৰকাৰ নাই।" ললিতাই যেন এই উপদেশ আখৰে আখৰে পালন কৰিছে। বিচাৰ- সভাত তেওঁ উদাত্ত কণ্ঠেৰে ঘোষণা কৰিলে:

"জীৱনৰ পথক ইমান দিনে আবৰ্জনাৰে আবদ্ধ কৰি দি আপোনালোকে মৰণৰ পথকেই প্ৰশস্ত কৰি তুলিছে। চাৰিওফালৰপৰা আজি নৱ-জীৱনৰ যি বিৰাট আহ্বান আহিছে, সত্য লাভৰ যি মহান আকাংক্ষা জাগি উঠিছে, তাৰ শ্ৰেষ্ঠ বাণী নাৰীৰ নাৰীত্বক, মাতৃত্বক সম্পূৰ্ণভাৱে স্বীকাৰ কৰা।.........সমাজৰ কল্যাণৰ কাৰণেই মই সমাজৰ মাজত থাকি জীৱনৰ বাণী প্ৰচাৰ কৰিম।"

মেৰী ওলষ্টনক্ৰাফ্টে তিৰোতাক তেওঁলোকৰ প্ৰাপ্য অধিকাৰ আৰু মৰ্যাদা আদায় কৰিবৰ কাৰণে পৰামৰ্শ দিওঁতে সমসাময়িক সমাজ তেওঁৰ ওপৰত খড়গহস্ত হৈ উঠিছিল। লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ নায়িকাসকলে কিন্তু সমাজৰ বিৰুদ্ধে চৰম বিদ্ৰোহ ঘোষণা কৰোতেও সমাজত হুলস্থুল লাগি যোৱা নাই, সকলোৱে কথাটো স্বাভাৱিকভাৱেই মানি লৈছে। কুৰি শতিকাৰ সপ্তম দশকত মিয়া ফাৰাও, ভেনেচা ৰেডগ্ৰেভ, কেথেৰিন ডেনিউভ আদি চিত্ৰ-তাৰকাসকলৰ কল্যাণত 'অবিবাহিত মাতৃত্ব' এটা গ্লেমাৰ আৰু গৌৰৱৰ বিষয় হৈ পৰিছে। কিন্তু অসমীয়া লেখক লক্ষ্মীধৰ শৰ্মাই আজিৰপৰা চল্লিশ বছৰৰ আগতেই অবিবাহিত মাতৃত্বক এক নৈতিক বিদ্ৰোহৰ গৰিমাৰে মণ্ডিত কৰি থৈ গৈছে। সমাজে যে এই বিদ্ৰোহ সহ্য কৰিছিল বা তাৰ বিৰুদ্ধে একো উচ্চ-বাচ্য কৰা নাছিল, তাৰ একমাত্ৰ কাৰণ এই নাছিল যে এই তিৰোতাবোৰ তেজ-মাংসৰ জীৱন্ত মানুহ নাছিল, তেওঁলোক আছিল কেৱল এজন লেখকৰ কল্পনাৰ সৃষ্টি। তাৰ এটা প্ৰধান কাৰণ আছিল এয়েই যে লক্ষ্মীধৰ শৰ্মাই সাহিত্যত এই বিপ্লৱ কৰাৰ আগতে সমাজত এটা বিৰাট বিপ্লৱ সংঘটিত হৈ গৈছিল।

এই বিপ্লৱ ৰামমোহন-বিদ্যাসাগৰৰ নেতৃত্বত হোৱা সংস্কাৰবাদী আন্দোলনৰ সম্প্ৰসাৰণ মাত্ৰ নাছিল; ই আছিল এটা নতুন বিপ্লৱ। এই বিপ্লৱৰ চালিকা-শক্তিবোৰৰ ভিতৰত অন্যতম আছিল ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ তিৰোতাৰ মাজত আধুনিক উচ্চ-শিক্ষাৰ প্ৰচাৰ, সহ-শিক্ষাৰ সুবিধা, আৰু কুৰি শতিকাৰ প্ৰথম তিনিটা দশকত পাশ্চাত্য জগতত সংঘটিত যৌন-বিপ্লৱ। লক্ষ্মীধৰ শৰ্মাৰ গল্পত আমি যিসকল বিদ্ৰোহিনী তিৰোতাক লগ পাওঁ, আধুনিক উচ্চ শিক্ষাৰ

অবিহনে তেওঁলোকৰ সেই বিদ্ৰোহ কেতিয়াও সম্ভৱ নহ'লহেঁতেন। লগতে এই কথাও সত্য যে ঠিক সেই সময়ত পাশ্চাত্য জগতত এখন class warৰ লগে লগে sex war ও চলি নথকা হ'লে আৰু ক্ৰয়ড্, মাৰ্গাৰেট্ চেন্জাৰ, মেৰী ষ্টোপেচ্, এলি বেচান্ট্ আদি লোকসকলৰ চিন্তাৰ প্ৰভাৱে সমাজৰ যৌন-চিন্তাত এক বিৰাট বিপ্লৱ নকা হ'লে লক্ষ্মীধৰ শৰ্মাৰ কল্পনাত ত্ৰিশৰ দশকত লিলি, ললিতা, উষা, সুব্ৰতা আদি 'নতুন তিৰোতা'সকলে জন্ম নললেহেঁতেন।

বহু ফালৰপৰাই অসমীয়া গল্প-সাহিত্যত লক্ষ্মীধৰ শৰ্মা এজন যুগান্তকাৰী লেখক। আধুনিক অৰ্থত committed writer বা দায়বদ্ধ লেখক বুলিলে আমি যি বুজো, সেই অৰ্থত লক্ষ্মীধৰ শৰ্মাই বোধহয় অসমীয়া সাহিত্যৰ প্ৰথম দায়বদ্ধ লেখক। দৰিদ্ৰৰ প্ৰতি সহানুভূতি, সামাজিক সংস্কাৰৰ প্ৰতি আকাংক্ষা, সাম্যৰ আদৰ্শৰ প্ৰতি আবেগিক অনুৰাগ, জাতীয় মুক্তি-সংগ্ৰামৰ প্ৰতি সমৰ্থন—এনেবোৰ অনুভূতি লক্ষ্মীধৰ শৰ্মাৰ আগতেও অন্যান্য অসমীয়া লেখকৰ ৰচনাত প্ৰকাশ পাইছে; কিন্তু শ্ৰমিক, কৃষক আৰু তিৰোতা আদি সমাজৰ নিষ্পেষিত আৰু শোষিত শ্ৰেণীৰ লোকসকলৰ মুক্তিৰ দাবীত তেওঁৰ কণ্ঠ যিভাবে সোচচাৰ হৈ উঠিছে আৰু যি ব্যাকুলতা ব্যক্ত হৈছে, তেওঁৰ আগতে আন কোনো অসমীয়া লেখকৰ ৰচনাতেই এনে ধৰণৰ তীব্ৰ আবেগময় সামাজিক দায়বদ্ধতা ফুটি উঠা নাই। তেওঁৰ ৰচনাতেই আধুনিক অৰ্থনৈতিক আৰু সামাজিক চিন্তাৰ প্ৰভাৱো প্ৰথমে লক্ষ্য কৰা যায়।

"জগতৰ মানৱ-সমাজৰ বৰ্তমান অৱস্থাৰ কথা ভাবি স্তম্ভিত হ'লো। ইতো সমাজ নহয়, এটা বৃহৎ কৌশল। কেইজনমান মানুহৰ উপকাৰ বা সুবিধাৰ কাৰণে সমস্ত মানৱজাতিৰ সুখ-স্বাচ্ছন্দ্য, স্বাধীনতাক বলি দিয়া।"

"এই সমাজৰ ভেটি নতুনকৈ গঢ়িব লাগিব। এই ঘোৰ অসাম্যৰ ঠাইত সাম্যবাদৰ নতুন আসন স্থাপন কৰিব লাগিব।"

"এই কংগ্ৰেছ মধ্যবিত্ত, কিন্তু বিলাসী ধনীৰ। মহাত্মা গান্ধীৰ বাহিৰে অন্য কোনো মানুহ যি দুখীয়াৰ কাৰণে ব্যস্ত, এনে অনুমান নহ'ল। তাৰ উপৰি কুলি-মজুৰৰ বিষয়ে কথা কওঁতা এটা মানুহো কংগ্ৰেছত নাছিল।" (পৰাজয়)

অৱশ্যে ওপৰৰ উদ্ধৃতিবোৰৰপৰা এনেকুৱা ধাৰণা কৰাটো শুদ্ধ নহ'ব যে লক্ষ্মীধৰ শৰ্মাৰ গল্প আজি কালিৰ বিশেষ কেতবোৰ ৰাজনৈতিক মতাবলম্বী লেখকৰ ৰচনাৰ দৰে প্ৰচাৰধৰ্মী আৰু শিল্প-ৰস বৰ্জিত। লক্ষ্মীধৰ শৰ্মা প্ৰধানতঃ আছিল এজন আদৰ্শবাদী লেখক। তেওঁৰ বেছিভাগ চৰিত্ৰৰে আছি হয়তো কোনো তেজ-মাংসৰ জীৱন্ত ব্যক্তি নাছিল, সেইবোৰ আছিল তেওঁৰ কল্পনাৰ সৃষ্টি, তেওঁৰ চিন্তা, স্বপ্ন আৰু আদৰ্শৰ প্ৰবক্তা। কিন্তু আদৰ্শবাদী কল্পনাৰ সৃষ্ট চৰিত্ৰকো লেখকে নিজৰ প্ৰতিভা আৰু আবেগেৰে জীৱন্ত কৰি তুলিব পাৰে। লক্ষ্মীধৰ শৰ্মাৰ ক্ষেত্ৰত সেইটো আৰু বেছিকৈ সম্ভৱ হৈছিল এই কাৰণেই যে তেওঁৰ চৰিত্ৰবোৰ আছিল তেওঁৰ নিজৰ ব্যক্তিত্বৰেই প্ৰক্ষেপন। মানৱ-মুক্তিৰ এক বিৰাট সংগ্ৰামত তেওঁ নিজে লিপ্ত আছিল, তেওঁৰ কল্পনাৰ সৃষ্ট চৰিত্ৰবোৰ আছিল সেই সংগ্ৰামৰ পথত তেওঁৰ সংগী।

লক্ষ্মীধৰ শৰ্মাই তিৰোতাৰ মুক্তি বিচাৰিছিল, দৰিদ্ৰ কৃষক-শ্ৰমিকৰ মুক্তি বিচাৰিছিল, অন্ধ সংস্কাৰৰ দাসত্ব আৰু সাম্প্ৰদায়িকতাৰ কবলৰপৰা সমাজৰ মুক্তি বিচাৰিছিল। আঙুলিৰ মূৰত লেখিব পৰা তেওঁৰ প্ৰত্যেকটো গল্পই আছিল এই মুক্তিৰ দাবীৰ তূৰ্য-নাদ।

লক্ষ্মীধৰ শৰ্মাৰ পাঁচটা গল্প তেওঁৰ জীৱন-কালতেই গ্ৰন্থাকাৰে প্ৰকাশিত হৈছিল (ব্যৰ্থতাৰ দাম)। বাকী কেইটামান গল্প এতিয়াও গ্ৰন্থবদ্ধ হোৱা নাই।

# ব্যৰ্থতাৰ দান

প্ৰবৃত্তিৰ তাড়নাত পুৰুষ-তিৰোতা উভয়েই মাজে মাজে নিয়মৰ শিকলি ছিঙি পেলাব খোজে, সমাজৰ বেৰা ভাঙি মুকলি হ'ব খোজে। এই তাড়নাৰ ৰূপ সদায় একে, কেৱল তাৰ প্ৰতি সমাজৰ প্ৰতিক্ৰিয়াৰ ৰূপ বেলেগ বেলেগ হ'ব পাৰে।

শৰৎচন্দ্ৰ গোস্বামীৰ গল্পতো কোনো কোনো তিৰোতাই সাময়িকভাৱে হ'লেও যৌন-মুক্তি বিচাৰিছিল আৰু পাইছিল (সন্যাসিনী, ব্ৰহ্মপুত্ৰৰ বুকুত)। কিন্তু লক্ষ্মীধৰ শৰ্মাৰ ব্যৰ্থতাৰ দান গল্পত বিবাহিতা লিলিয়ে পৰপুৰুষৰ প্ৰেম বিচাৰি যি ধৰণৰ মনোভংগী আৰু জীৱন-বোধৰ পৰিচয় দিছে, তাৰ লগত শৰৎ গোস্বামীৰ তিৰোতাবোৰৰ কেইবাটাও মৌলিক পাৰ্থক্য আছে।

প্ৰথম, কাম (sex) আৰু প্ৰেম (love), নিতান্ত দৈহিক আকৰ্ষণ আৰু দেহাতীত প্ৰেমানুভূতি—এই দুয়োটাৰ মাজত কিবা পাৰ্থক্য থকা বুলি স্বীকাৰ কৰিলে এই কথা কব লাগিব যে শৰৎ গোস্বামীৰ তিৰোতাসকলৰ কামনা বা অন্ততঃ তাৰ প্ৰকাশ কেৱল দৈহিক সীমাৰ মাজতে আবদ্ধ আছিল ; আনহাতে লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ নায়িকাই তাতোকৈ এটা উচ্চতৰ বা ভিন্নতৰ প্ৰয়োজন অনুভৱ কৰিছে। প্ৰেমক যদি intellectualised sex বুলি ধৰি লোৱা হয়, তেন্তে এই ধৰণৰ হৃদয়-বৃত্তিৰ বিলাসৰ কাৰণে তিৰোতাবো কিছু শিক্ষা-দীক্ষা, বৈদগ্ধ্য, স্বকীয় ব্যক্তিত্ব আৰু কল্পনা-শক্তিৰ প্ৰয়োজন। লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ নায়িকাসকলে অসমীয়া সাহিত্যত আৰু সমাজত 'নতুন তিৰোতা'ৰ আবিৰ্ভাৱ ঘোষণা কৰিছে—যিটো কথা তেওঁৰ পূৰ্ববৰ্তী আন কোনো এজন অসমীয়া লেখকৰ বিষয়ে কব নোৱাৰি। ব্যৰ্থতাৰ দান গল্পৰ নায়িকা লিলিৰ আচৰণত ওপৰে ওপৰে চালে কেৱল দৈহিক কামনাৰ অসংযত প্ৰকাশেই দেখা যায় ; কিন্তু ললিতৰ দ্বাৰা প্ৰত্যাখ্যাতা হোৱাৰ পিচত তাইৰ মনত যি ধৰণৰ প্ৰতিক্ৰিয়া আৰু অনুভূতিৰ সৃষ্টি হৈছে, তেনে ধৰণৰ প্ৰতিক্ৰিয়া বা অনুভূতি যৌন-তৃপ্তিতকৈ উচ্চতৰ প্ৰয়োজনৰ লগত অপৰিচিতা কোনো তিৰোতাৰ মনতেই সৃষ্টি হোৱা সম্ভৱ নহয়।

"পুৰা উষা আগমনৰ লগে লগে যেন মোৰ হিয়াত হঠাৎ এটা নতুন দৃষ্টিয়ে জন্ম লাভ কৰিলে। মই উপলব্ধি কৰিলো—বেথাৰ অনন্ত সাগৰত পৰি ললিতে প্ৰেয়সী নাৰীৰেই উপাসনা কৰিছে। সেই পূজাৰ মৃদু কৰুণ বিশ্বব্যাপী শংখ-নিনাদে জগতৰ গোটেই নাৰী-জাতিৰ গৌৰৱ ঘোষণা কৰিছে।.............

"মুহূৰ্তলৈকে যে এই অপৰূপ মহৎ হৃদয়ৰ অনন্ত সৌন্দৰ্য মোৰ আগত মূৰ্ত হৈ উঠিল—সেই সৌন্দৰ্যৰ স্মৃতিয়েই মোৰ সম্বল।"

লক্ষ্মীধৰ শৰ্মাৰ গল্পটোৰ দ্বিতীয় বৈশিষ্ট্য হ'ল এয়েই যে যি স্থলত শৰৎ গোস্বামীৰ দুয়োগৰাকী তিৰোতাই সমসাময়িক প্ৰেমোন্মাদনাৰ পিচত তাক পাপ বুলি উপলব্ধি কৰিছে আৰু সেই পাপৰ প্ৰায়শ্চিত্ত কৰিছে— ব্যৰ্থতাৰ দান গল্পৰ লিলি কিন্তু তেনে পাপ-বোধৰপৰা সম্পূৰ্ণ মুক্ত। লেখকৰ দৃষ্টিভংগীও ইয়াত কোনো সামাজিক অনুশাসন বা নীতিবোধৰদ্বাৰা নিয়ন্ত্ৰিত নহয়। তেওঁ বিচাৰকৰ আসনতো বহা নাই। সামাজিক দৃষ্টিকোণৰপৰা গল্পটোৰ তাৎপৰ্যপূৰ্ণ কথা এইটোৱেই যে লেখকে ইয়াত পুৰুষ আৰু তিৰোতাৰ ক্ষেত্ৰত সমাজে ব্যৱহাৰ কৰি অহা দুডাল

বেলেগ বেলেগ মাপ-কাঠি দলিয়াই পেলাই দিছে, আৰু তিৰোতাৰ স্বকীয়া ব্যক্তিত্বক সশ্ৰদ্ধ স্বীকৃতি দিছে।

এই গল্পটোৱে অসমীয়া সাহিত্যত আৰু সমাজত যুগ-পৰিবৰ্তনৰ আগলি বতৰা ঘোষণা কৰিছে।

(১)

নিজৰ গতিৰ পৰিবৰ্তন দেখি নিজেই তবধ মানিবলগীয়াত পৰিছোঁ। মনত পৰাৰেপৰা পুৰুষে মোৰ সৌন্দৰ্যৰ, মোৰ বুদ্ধিৰ পূজা কৰি আহিছে। অবিৰাম তাৰ গতি। কোনো পুৰুষে আজিলৈকে মোৰ ইচ্ছাৰ ওপৰত আঘাত কৰিব পৰা নাই। ইচ্ছামতে তেওঁলোকৰ ইচ্ছা-শক্তিক দমন আৰু পৰিচালন কৰি আহিছোঁ। নাৰীৰ পক্ষে, অন্ততঃ মোৰ পক্ষে ই বৰ গৌৰৱৰ কথা বুলি নিজকে সদায় বুজাই আহিছোঁ। পুৰুষৰ আগত নিজক হীন কৰিবৰ আৱশ্যকতা হোৱা নাই আৰু তেনে হীনতা স্বীকাৰক মোৰ কল্পনাতো ঠাই দিব নোৱাৰোঁ। কিন্তু আজি ই কি পৰিবৰ্তন, জীৱনৰ ভিতৰত এজন পুৰুষে মোক অৱজ্ঞা কৰি আঁতৰি গ'ল। মোৰ নাৰীত্বৰ তীব্ৰ অৱমাননা এজন পুৰুষে কৰিবলৈ সাহ কৰিলে। এজন পুৰুষৰ আগত মই হীনতকৈও হীন হ'বলগীয়াত পৰিলোঁ। কিন্তু আজি মোৰ সৌন্দৰ্যপূজাৰ সকলো পুষ্প ম্লান হৈ গৈছে। ধূপৰ গন্ধ পূতিগন্ধময় হৈ উঠিছে। স্তৱৰ গানৰ কৰ্কশতাই বিভীষিকাৰ সৃষ্টি কৰিছে। আৰু অপমানৰ বোজাই অৱহেলাৰ আঘাতেই আজি মোৰ মূৰৰ স্বৰ্ণমুকুট হৈ উঠিছে। জীৱনৰ গতিয়ে যেন আজি সাৰ্থকতা লাভ কৰি কৃতাৰ্থ হৈছে। এই অপমানৰ লগত যদি জীৱন পথত মোৰ সাক্ষাৎ নহ'লহেঁতেন, তেন্তে সি যথাৰ্থতে অসমাপ্তিৰ কৰুণ গান গায়েই পৃথিৱীৰপৰা চিৰবিদায় ল'লেহেঁতেন। অথচ যিজন মানুহে মোৰ সৌন্দৰ্য আৰু নাৰীত্বৰ প্ৰতি অসীম অৱহেলা দেখুৱালে তেওঁৰ লগত মোৰ কিমান দিনৰে বা পৰিচয়? মোৰ জীৱনৰ ওপৰত তেওঁৰ জীৱনে প্ৰতিক্ৰিয়া কৰিবলৈ সৰহপৰ সা-সুবিধা পোৱা নাই। তথাপি আজি সেই এজন মানুহৰ জীৱনে কি শিলৰ ৰেখাপাতেই মোৰ জীৱনত নকৰিলে!

(২)

মনত পৰা দিনৰেপৰা জীৱনৰ বিভিন্ন চিত্ৰবিলাক আজি মোৰ মানস-পটত উদয় হৈছে। দেউতাৰ তিনিটা ল'ৰা আৰুময়েই একমাত্ৰ ছোৱালী। হাকিমৰ ল'ৰা-ছোৱালীৰ এনেয়ে আদৰ বেছি, তাতে মই নুমলীয়া হোৱাত

ঘৰে-বাহিৰে মোৰ আদৰৰ সীমা নাই। মনত পৰাৰেপৰা মই যে মানুহৰ বৰ আদৰৰ পাত্ৰ এই ধাৰণা মোৰ হৈছিল। লাহে লাহে ডাঙৰ হলোঁ। লগে লগে সাজ-পোছাকৰ প্ৰতি মোৰ হাবিয়াস বাঢ়িবলৈ ধৰিলে; আৰু তালৈকে কাপোৰ-কানি পিন্ধিলে মই দেখিবলৈ শুৱনী হওঁ এনে এটা ধাৰণাও হ'বলৈ ধৰিলে। এই ধাৰণাৰ মূলতে, সম্ভৱতঃ মানুহে মুখে মুখে "আই, ছোৱালীটি প্ৰতিমাৰ দৰে সুন্দৰ", "এনে সুন্দৰ নাক-মুখ এই অঞ্চলত আৰু কাৰো নাই" —এনে ধৰণৰ যিবিলাক মন্তব্য কৰিছিল, সিয়েই হ'ব পায়। যি নহওক মই যে দেখিবলৈ শুৱনী এই কথা সৰুৰেপৰা মোৰ মনত বদ্ধমূল হৈ আছিল।

দেউতাই স্কুলত নাম লিখাই দিলে। প্ৰথম বছৰেই প্ৰথম হৈ প্ৰমোচন পালোঁ। এনেকৈয়ে আৰু দুই-তিনি বছৰ প্ৰথম হোৱাৰ পিচত মোৰ প্ৰশংসাত সকলো বহলমুখ হৈ উঠিল। মই যে বেচ বুদ্ধিমতী এই ভাবো মোৰ মনত লাহে লাহে স্থায়ী হ'ল।

মোৰ বয়স তেতিয়া তেৰ বছৰমান হ'ব। মই স্কুলত তৃতীয় শ্ৰেণীলৈ প্ৰমোচন পাইছোঁ। আগেয়ে যদিও মুনিহ-তিৰোতাৰ বিষয়ে নানান ৰকমৰ জল্পনা-কল্পনা স্কুলৰ ছোৱালীবিলাকৰ মুখে শুনিছিলোঁ, তথাপি তাৰ স্বৰূপটো সদায় কিবা এটাই মোৰ চকুৰপৰা আঁতৰাই ৰাখিছিল।

তাক বুজিবলৈ চেষ্টাও কৰা নাছিলোঁ আৰু বুজিবৰ প্ৰয়োজন আছে বুলিও ভবা নাছিলোঁ। সেইবাৰ গৰমৰ বন্ধত মাজু-ককাইদেউৰ কলেজীয়া বন্ধু এজন আমাৰ তালৈ তেওঁৰ লগত ফুৰিবলৈ আহিছিল। সুন্দৰ চেহেৰা। দেখিলেই মৰম লাগে। কাপোৰ-কানি পিন্ধা, চুলি আচোঁৰা প্ৰভৃতি সকলোতে পৰিপাটি। তেওঁ আমাৰ ঘৰলৈ আহি মোক প্ৰথমতে যেতিয়া দেখিলে তেতিয়াই তেওঁৰ চকু-মুখত কিবা এটা ভাবে খেলাই গ'ল। তাৰ ভাষা মোৰ ওচৰত অস্পষ্ট হলেও সি মোৰ মনত এটা গভীৰ আনন্দৰ সৃষ্টি কৰিলে। তাৰ পিচত এই ল'ৰাটিৰ প্ৰতি মোৰ বৰ মৰম লাগিল। এই মৰমৰ পৰিমাণ কেইদিনমানৰ ভিতৰতে ইমান বেছি হ'ল যে সি এটা অসহ্য যন্ত্ৰণাৰ দৰে মোক পীড়া দিবলৈ ধৰিলে। এই ল'ৰাটিৰ চকুৰ আকুল দৃষ্টিয়ে মোক প্ৰথমে শিকালে যে মোৰ সৌন্দৰ্যই তেওঁক মুগ্ধ কৰিছে আৰু এই ভাবত মই পৰম আনন্দ লাভ কৰিছিলোঁ। তেওঁ আমাৰ ঘৰৰপৰা গুচি গ'ল। ময়ো লুকুৱাই বহু কান্দিলোঁ; কিন্তু অলপ দিনৰ পিচতে তেওঁক একৰকম পাহৰি পেলালোঁ।

এই ল'ৰাজনক পাহৰিলোঁ হয়, কিন্তু তেওঁ মোক এটা নতুন অভিজ্ঞতা দি গ'ল। স্কুললৈ যাওঁতে ল'ৰাবিলাকে বাটত মোৰ ফালে কিয় থৰ লাগি চাই থাকে আজি তাৰ প্ৰকৃত সন্ধান পালো। পুৰুষৰ চকুত মোৰ সৌন্দৰ্যৰ প্ৰতি উপাসনাৰ ভাষা মই বুজিবলৈ আৰম্ভ কৰিলোঁ। হৃদয়ে লাহে লাহে পুৰুষৰ আগত বাহিৰে সম্পূৰ্ণ উদাসীন থাকিও, পুৰুষৰ মন কেনেকৈ আকৰ্ষণ কৰিব লাগে তাৰ শিক্ষা ল'বলৈ আৰম্ভ কৰিলে। মোৰ সাজ-পোছাকৰ

পৰিপাটি বাঢ়িল আৰু লগে লগে পুৰুষৰ প্ৰতি বাহ্যিক উদাসীনতাও বাঢ়িল; কিন্তু পুৰুষক জয় কৰিবৰ মন অন্তৰে অন্তৰে বাঢ়ি গ'ল।

জীৱনত কেইবাজনো পুৰুষৰ লগত সাক্ষাৎ হ'ল। তেওঁলোকৰ প্ৰতি মোৰ মনৰ ভাবক প্ৰেমৰ সংজ্ঞা নালাগে স্নেহৰ সংজ্ঞাকে দিব নোৱাৰোঁ। অথচ, কি আকুলতা লৈয়েই তেওঁলোকে মোৰ সাধনা কৰিছিল। মোৰ একাষাৰ কথাৰ কাৰণে, এটি হাঁহিৰ কাৰণে কি অপূৰ্ব আগ্ৰহ। মোৰ এটুপি চকুৰ পানীত কি ভীষণ আতঙ্ক। অথচ মোৰ হৃদয়ৰ কেন্দ্ৰ কোনেও স্পৰ্শ কৰিব নোৱাৰিলে। লাহে লাহে এনে এটা ভাবে মোৰ জীৱনত ঠাই ললে যে সকলো পুৰুষ মোৰ ৰূপ আৰু বুদ্ধি দেখি মোহিত। তেওঁলোকৰ কৰ্তব্য মোৰ স্তুতিগান কৰা। আৰু দৰাচলতে মই যিসকল পুৰুষৰ সংসৰ্গত আহিছিলোঁ সকলোৱেই তাকে কৰিছিল। মই ৰাজৰাণী হোৱা হ'লেও এওঁ-লোকৰ ওপৰত মোৰ প্ৰতিপত্তি আৰু বেছিকৈ খটাব নোৱাৰিলোঁহেঁতেন।

মেট্ৰিকুলেচন পাছ কৰি দুবছৰ ঘৰতে থাকিলোঁ। এই সময়ত আৰু ইয়াৰ বহুত পূৰ্বতে মোৰ সৌন্দৰ্যৰ খ্যাতি অন্ততঃ ডিব্ৰুগড়ত ব্যক্ত হৈ পৰিছিল। মোক আটায়ে ডিব্ৰুগড়ৰ লিলি বুলি কৈছিল, কাৰণ মোৰ মতা নাম লিলি আছিল। নিজৰ গৌৰৱত নিজে আনন্দ লাভ কৰি মই সময় কটাবলৈ ধৰিলোঁ। তাৰ পিচত মোৰ বিয়া হ'ল। মোৰ নিচিনা সুন্দৰীৰ যে এনে সাধাৰণ ভাৱৰ এখন বিয়া হৈ যাব পাৰে তাক মই কল্পনাও কৰিব পৰা নাছিলোঁ। সাধাৰণ বাহ্যিক জাকজমকৰ ফালৰপৰা নহয়, অন্তৰৰ আদান-প্ৰদানৰ ফালৰপৰাহে সাধাৰণ বুলিব পাৰি। অন্য দহজনী ছোৱালীৰ বিয়া যেনেকৈ হৈ যায়, মোৰো তেনেকৈয়ে হৈ গ'ল। প্ৰেমৰ প্ৰবল আকৰ্ষণ, জীৱনৰ সাৰ্থকতা, হৃদয়ৰ আহ্বান, একোৱে তাৰ নিত্য-নৈমিত্তিকতাৰ ওপৰত ৰহণ সানিবলৈ সুবিধা নাপালে। মোৰ যাৰ লগত বিয়া হ'ল তেওঁ এজন ধনী, চাহ বাগিচাৰ মালিক, ডেকা। তেওঁৰ দেউতাকে তেওঁৰ নিমিত্তে দুখন বাগিচা আৰু বেছ্কত কিছু ধন থৈ আজি দুবছৰমান আগতে মৰিছে। মাকো আগেয়েই ঢুকাইছে। ভায়েক দুটা। দুখন বাগিচাত মেনেজাৰ। তেওঁৰ ঘৰ শিৱ-সাগৰত। দিখৌৰপৰা বেছি দূৰৈত নহয়। তেওঁ বি-এ পাছ। বি-এ পাছ কৰিলেও তেওঁৰ জীৱনত কোনোখিনি ঠাইতেই সৰস্বতীৰ প্ৰভাৱ দেখিবলৈ পোৱা নগৈছিল। অলপ গৰ্ব, অলপ ধনৰ অহঙ্কাৰ, অলপ আত্মপ্ৰশংসা আৰু অলপ ব্যৱসায় বুদ্ধিয়েই তেওঁৰ জীৱনৰ সমস্তখিনিকে পূৰাই ৰাখিছিল বুলি কব পাৰি। দেখিবলৈও তেওঁ সুন্দৰ আছিল আৰু কাপোৰ-কানি তেওঁ পৰিপাটিকৈ পিন্ধিছিল। এইবিলাক কাৰণেও হ'বলা তেওঁ নিজকে মাজে মাজে aristocrat বুলি প্ৰকাশ কৰিছিল।

মোৰ লগত তেওঁৰ সম্বন্ধ বৈচিত্ৰহীন। মই তেওঁৰ কামনাৰ সহচৰী আৰু তেওঁৰ কণ্ঠত মোৰ ৰূপৰ স্তুতি মুখৰ হৈ উঠিছিল। পুৰুষৰ মুখত মোৰ

ৰূপৰ জয়গান, তাত নতুনত্ব একো নাছিল। মুঠতে মোৰ স্বামীয়ে মোৰ অন্তৰৰ সুপ্ত নাৰী প্ৰকৃতিক জগাব পৰা নাছিল। অন্য দহজন স্তাৱকৰ দৰে তেৰোঁ এজন। প্ৰভেদ মই তেওঁৰ কামনাৰ সঙ্গী। মোৰ কামনাৰ কথা নকলেই ভাল। তাৰ ফুল মোৰ জীৱনত ফুলি উঠাই নাই হ'বলা। সাহিত্য, শিল্প, সঙ্গীত, ভাস্কৰ্য্যাদিৰ আলোচনাই বা ধাৰণাই মোৰ স্বামীৰ মূৰত ঠাই পোৱাৰ কথা দেখা বা শুনা নাই। কেতিয়াবা কিবা এটা আলোচনাৰ সুত্ৰপাত হলেই তেওঁ ব্যতিব্যস্ত হৈ উঠে। কোৱা বাহুল্য মোৰ স্বামীৰ মানসিক উৎ-কৰ্ষই মোক তেওঁৰ প্ৰতি আকৃষ্ট কৰিব পৰা নাছিল। কিন্তু মোৰ জীৱনত অলপ পৰিবৰ্ত্তনে দেখা দিলে। এখন ঘৰৰ মালিক হৈ, এজন ধনী মানুহক মোৰ ইঙ্গিতত চলাব পৰা হৈ, আৰু সম্পত্তিৰ অধিকাৰিণী হৈ মোৰ গৰ্ব্বৰ পৰিমাণটো আন এফালে বাঢ়িল। মই কেৱল সুন্দৰীয়েই নহয়, কেৱল বুদ্ধি-মতীয়েই নহয়, মই হাকিমৰ ছোৱালী, ধনীৰ তিৰোতা, এনে এটা গৰ্বই মোৰ মনত ঠাই ল'লে। স্বামীৰ সাহচৰ্য তাৰ বাবে কিমান দায়ী মই তাক ক'ব নোৱাৰোঁ।

স্তাৱক পুৰুষৰ সংখ্যা বিয়াই কমাই দিলে হয়, কিন্তু একেবাৰে শুচাব নোৱাৰিলে। আজিও মোৰ ৰূপত বহুত পুৰুষ বিভ্ৰান্ত।

( ৩ )

আমাৰ শিৱসাগৰৰ ঘৰৰ ওচৰতে তৰুহঁতৰ ঘৰ। তৰুৰ পিতাক অসমৰ বিখ্যাত দুৱৰা বংশৰ মানুহ। তেওঁলোকৰ ঘৰক সদায় সকলোৱে সন্মান কৰি আহিছে। তৰুৰ পিতাক হাকিম। শিৱসাগৰৰ মহকুমাধিপতি।

মই নিজকে যদিও সদায় সুন্দৰী বুলি ভাবিছিলোঁ, তথাপি মনে মনে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিলোঁ যে তৰু মোতকৈ বহুগুণে দেখিবলৈ ভাল। গাৰ ৰং, গঠন আৰু লাৱণ্যৰ এনে সমাবেশ কম ছোৱালীতে দেখিবলৈ পোৱা যায়। মুঠতে তৰু অপূৰ্ব সুন্দৰী। এই কথাই যে মোৰ মনত অশান্তিৰ সৃষ্টি কৰা নাই এনে নহয়, ঈৰ্ষাৰ উম্মাই মোক মাজে মাজে কষ্ট দিবলৈ এৰা নাই। কিন্তু তৰু যদিও যুৱতী তথাপি তেওঁৰ খ্যাতি পুৰুষৰ মুখত শুনিবলৈ পোৱা নহৈছিল। একেই স্বভাৱতে তৰু বৰ লাজুকীয়া। দ্বিতীয়তে মোৰ সমান বুদ্ধিমতী তৰু নহয়। তেওঁলোকৰ ঘৰৰ চাল-চলনেও পুৰুষৰ দৃষ্টিৰপৰা তৰুক আঁতৰত ৰাখিছিল। তৰুৰ বুদ্ধিৰ প্ৰাখৰ্য নাই বুলি কোৱাৰ কাৰণ, তৰুৰ স্নিগ্ধ সৰল ব্যৱহাৰ আৰু তৰুৰ কথাত কেতিয়াও গভীৰ চিন্তাৰ প্ৰকাশ হোৱা মই দেখা নাই। সাধাৰণ সুখ, দুখ, হাঁহি, আনন্দৰ মাজেদি তৰুৰ জীৱন প্ৰবাহিত হৈছিল। ঘৰত শিক্ষয়িত্ৰী ধৰি তৰুক গান আৰু ভালকৈ লিখা-পঢ়া শিকোৱা হৈছিল ; কিন্তু তৰুৰ কথা-বতৰাৰপৰা কোনেও তৰু যে বিশেষভাৱে শিক্ষিতা ছোৱালী এই কথা ধৰিব নোৱাৰে। স্বাভাৱিক স্নিগ্ধতাই তেওঁৰ অন্য সকলো দোষ-গুণ ঢাকি থৈছিল।

মোৰ স্বামীয়ে তৰুৰ দেউতাকক খুড়াদেউ বুলি কিবা দূৰ সম্বন্ধত মাতে। সেই সূত্ৰে মোৰ স্বামীক তৰুৱে ককাইদেউ আৰু মোক লিলি বৌ বুলি মাতে। স্বামীৰ ঘৰলৈ আহি প্ৰথমে মোৰ তৰুৰ লগতেই আলাপ হয়। প্ৰথমতে তৰুৰ সৌন্দৰ্য দেখি ঈৰ্ষাত মোৰ হৃদয়ত জুই জ্বলি উঠিছিল, কিন্তু তৰুৰ স্নিগ্ধ ব্যৱহাৰে মোক লাহে লাহে মুগ্ধ কৰিলে। দুয়োৰো ভিতৰত বন্ধুত্বৰ ভাব গভীৰ হৈ উঠিল।

মই যেতিয়া শিৱসাগৰলৈ আহোঁ তেতিয়া তৰুৰ বয়স সোতৰ বছৰ। তাৰ অলপ দিনৰ পিচতে তৰুৰ বিয়া-বাৰুৰ কথা-বাৰ্তা আৰম্ভ হ'ল। তৰুৰ দেউতাকে নগাওঁৰ নতুন উকীল ললিত বৰুৱালৈ ছোৱালী দিয়াৰ সিদ্ধান্ত কৰিলে। বিয়াৰ কথা উঠিলেই তিৰোতা মানুহৰ মনে নানা কথা জানিবলৈ ব্যগ্ৰ হৈ উঠে। এই ল'ৰাটিৰ বিষয়ে আগেয়ে আমি কোনেও শুনা নাই। হঠাৎ তেওঁৰ নাম শুনি খবৰ আদি লৈ বুজিলোঁ তেওঁ দুখীয়া গাঁৱলীয়া মানুহৰ ল'ৰা, দেখিবলৈ বৰ ভাল নহয়। গুণৰ ভিতৰত তেওঁ প্ৰখৰ বুদ্ধিমান। ওকালতিতো বেছ ভাল কৰিছে। তৰুৱে বাহিৰে উদাসীনতা দেখুৱালেও অন্তৰে অন্তৰে সকলো কথা শুনিবলৈ উৎসুক হৈ বহি থাকে। মোৰ মুখেই সকলো খবৰ তৰুৱে পায় আৰু ঘৰৰ আলোচনা যিখিনি তেওঁৰ কাণত পৰে, তাৰপৰাও। এই বিয়াৰ বিৰুদ্ধে নানা ৰকম আপত্তি উঠিবলৈ ধৰিলে, কোনোৱে ক'লে, গাঁৱলীয়া ল'ৰালৈ ছোৱালী দি তাইক কষ্টত নেপে-লাব। কোনোৱে ক'লে, সেইটো নোম-নেগুৰ বৰ্জিত। ভাল ল'ৰা ঢেৰ পাব, চিন্তা কি? কোনোৱে আকৌ ক'লে, সি ভদ্ৰলোকৰ দৰে কাপোৰ-কানিকে পিন্ধিবলৈ শিকা নাই। সকলো কথা তৰুৰ কাণত কেনেবাকৈ পৰে আৰু এই অচিনাকি মানুহটোৰ বিৰুদ্ধে তৰুৰ মনটো কঠিন হৈ উঠে।

মই বুজিলোঁ এই বিয়া হলে তৰুৱে সুখ নাপায়। হাকিমনীক সেই কথা কলোঁ। হাকিমনীয়ে "সেইবোৰ কথা মোতকৈ যি বহুগুণে বুজে তেৱেঁই সকলো স্থিৰ কৰিব। মই তাত হাত নিদিওঁ" বুলি সমিধান দিলে। সকলো বাধা নামানি দুৰৰা হাকিমে ললিতলৈকে ছোৱালী দিয়াৰ স্থিৰ কৰিলে।

বিয়াৰ দিনা তৰুৰ মনটো অপ্ৰসন্ন যেন দেখিলোঁ। সকলো আনন্দৰ মাজত কন্যাৰ মুখখনত যদি আনন্দৰ আভাস ফুটি নুঠে তেন্তে তাতকৈ দুখৰ কথা কি হ'ব পাৰে?

বিয়াৰ দিনা ৰাতি ললিতক মই প্ৰথমে দেখোঁ। ক্ষীণোৱা দীঘল মানুহটো। গাৰ বৰণ মিঠা বৰণীয়া। মুখখন সৰু ল'ৰাৰ দৰে সৰলতাব্যঞ্জক। দাঁত দুটা অলপ উজলা, প্ৰথমতে দেখিলে নিতান্ত বিশেষত্বহীন সাধাৰণ দৰিদ্ৰ মানুহৰ ল'ৰা যেন লাগে। খদ্দৰৰ ধুতী আৰু চাদৰ এখন পিন্ধি বিয়া কৰা-বলৈ আহিছিল। দৰাৰ সাজেও যেন দৰাৰ দাৰিদ্ৰ্য ঘোষণা কৰিছিল। তৰুৰ প্ৰতি সহানুভূতিত মোৰ অন্তৰ গলি গ'ল।

বিয়াত বহি ললিতে বিয়াৰ কাম কৰি যাবলৈ ধৰিলে। বাহুল্যবৰ্জিত তেওঁৰ সকলো কাম। দ্বিধাহীনভাৱে তেওঁ মন্ত্ৰ মতা, হোম দিয়া আদি অনুষ্ঠান কৰি গ'ল। সকলো যেন সহজ, প্ৰাঞ্জল, তেওঁৰ চিৰ অভ্যস্ত কাম। ক'তো শঙ্কা বা লাজৰ পৰিচয় আমি নাপালোঁ। আৰু সেই কাৰণেই দৰাৰ নিৰ্লজ্জতাৰ বিষয়ে নানাৰকম যোৰানাম গালোঁ। আগেয়েও কেইবাখনো বিয়া মই দেখিছোঁ, কিন্তু এনে সঙ্কোচবিহীন দৰা ক'তো দেখা নাই।

দৰা-কন্যা ভিতৰলৈ নিয়া হ'ল। তাত নানা ৰকম ৰহস্যৰ কথা চলিবলৈ ধৰিলে। কাঁহী খেলা আদি সামাজিক অনুষ্ঠানো অৱশ্যে লগে লগে চলিছিল, এবাৰ মই কৈ উঠিলোঁ, "হাকিমৰ হোৱালী একা, দৰখাস্ত দিলেই যে নিজৰ ফালে ৰাই পাব, এনে আশা নাই, গতিকে সাৱধান!" ললিতে মোৰ ফালে চাই হাঁহি উত্তৰ দিলে, "হাকিমৰ শিলৰ হিয়াকো আমি গলাব পাৰোঁ, কাচাৰীৰ আবৰণহীনতাৰ মাজত। আৰু ঘৰৰ চুকত অকলে পায় যে তেখেতসকলৰ কন্যাৰ কোমল মন গলাব পাৰিম সেই বিষয়ে নিজৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে।" এই কথা কৈ ললিতে হাঁহি উঠিল, সহজ সৰল হাঁহি। ঠিক সংসাৰৰ দায়িত্বহীন কুটিলতাৰ ভু নোপোৱা এটা সৰু ল'ৰাৰ হাঁহি। ললিতৰ চকুযুৰিও কি সুন্দৰ! তাত অস্থিৰ কিবা এটা ভাবে সদায় খেলিব লাগিছে। এই চকুযুৰিয়েই যেন ললিতক সাধাৰণস্তৰ-পৰা বহুত ওপৰত তুলি নিছে। আৰু ললিতৰ হাঁহি? কি এক অপূৰ্ব সৌন্দৰ্যই ললিতৰ মুখখন উজ্জ্বল কৰি তুলিলে। মই স্তব্ধ বিস্ময় হৈ চাই থাকিলোঁ। কোনোবা এজনীয়ে "এ আই, দৰাটো বৰ নিলাজ দেও" বুলি কৈ উঠিল। ললিতে তৎক্ষণাৎ হাতযোৰ কৰি "আপোনাৰ ৰুমালখন মোক দিয়কচোন, লাজ কৰিবলৈ মোৰ ৰুমালেই নাই" বুলি হাঁহি উঠিল। ঘি-গৰাকী মানুহে নিলাজ বুলি কৈছিল তেওঁ অপ্ৰস্তুত হৈ ৰঙা পৰি উঠিল। এঘন্টাৰ ভিতৰতে সকলো মানুহৰ এনেহে মনত হ'ল যেন এই ডেকাজনক আজিয়েই আমি প্ৰথম দেখা নাই। তেওঁ যেন আমাৰ বহু দিনৰ পুৰণি চিনাকি। এনে সহজ, সৰল তেওঁৰ ব্যৱহাৰ।

তিনিমাহমানৰ মূৰত তৰুক দেউতাকে লৈ আহিলগৈ। তৰু অহা শুনি মই লৰালৰিকৈ তেওঁক চাবলৈ গলোঁ। তৰুক দেখি মই স্তম্ভিত হলোঁ। তৰু এনেয়ে বৰ সুন্দৰ, কিন্তু এতিয়া তৰুৰ সমস্ত চকু, মুখ, দেহত কি অপূৰ্ব লালিমাৰ সঞ্চাৰেই হৈছে! এই অপূৰ্ব সৌন্দৰ্যৰ বিকাশ দেখি মই বুজিলোঁ তৰু সুখী হৈছে। তৰুৰ চকুত অপূৰ্ব তৃপ্তিৰ আভাস, কণ্ঠস্বৰত আনন্দ যেন মূৰ্ত হৈ উঠে।

পিচদিনা তৰুৰ স্বামীৰপৰা তৰুৱে এখন চিঠি পালে। কোৱা বাহুল্য, তৰুৰ ময়েই একমাত্ৰ বন্ধু, গতিকে মই বৰকৈ ধৰাত তৰুৱে চিঠিখন মোক দেখু-

ৰালে। সাধাৰণ চিঠিলিখা কাগজৰ দুপিঠি ভৰাই লিখা এখন চিঠি। কিন্তু মানুহে ভাষাৰে যে ভাবক ইমান জীৱন্ত কৰি তুলিব পাৰে তাক মই এই চিঠি দেখি প্ৰথম অনুভৱ কৰিলোঁ। ভাষাৰ আধিক্য নাই। কোনো কথাই অতিৰঞ্জিত নহয়। বিশেষণৰ গ্লানি নিছিগা মেল নাই। অথচ ললিতৰ বিশাল প্ৰেমৰ কি সুন্দৰ ৰূপটোকেই সি প্ৰকাশ কৰিছে। ময়ো এনে ধৰণৰ চিঠি মোৰ জীৱনত বহুত পাইছোঁ। কিন্তু সেইবিলাকত ভাষাৰ যিমানেই প্ৰাচুৰ্য থাওক, ভাব প্ৰকাশৰ ক্ষমতা সিহঁতৰ নাই। অনুভূতি গভীৰ নহ'লে আৰু প্ৰকাশৰ শক্তি বলী নহ'লে এনেভাৱে আত্মনিবেদন কৰা যে অসম্ভৱ। এই চিঠিখন পঢ়ি মই বুজিলোঁ তৰু কিয় সুখী হৈছে।

তাৰ পিচদিনা আবেলি তৰু মোৰ তালৈ আহিল। মই জোৰ কৰি চিঠিখন তৰুৰ হাতৰপৰা লৈ গৈছিলোঁ। গিৰিয়েকৰ চিঠি তিৰোতাসকলৰ মাজত বৰ ডাঙৰ এটা আলোচনাৰ বস্তু। নতুনকৈ স্বামীৰ ঘৰৰপৰা উভতি অহা তৰুকো তেওঁৰ গিৰিয়েকৰ বিষয়ে নানা কথা সুধিবলৈ ধৰিলোঁ। তৰুৱে প্ৰথমতে কবলৈ বৰ লাজ পাইছিল। কিছুপৰৰ পিচত চিঠিৰ কথা আকৌ উঠিল, তেওঁ এবাৰ কৈ উঠিল, "লিলি বৌদেউ, এনে চিঠি পোৱাটো যে বৰ ভাগ্যৰ কথা।" মই ক'লোঁ, "ভাগ্যৱতী নহ'লে এনে চিঠি পাবৰ অধিকাৰ নজন্মে।" তৰুৱে ক'লে, "ঠিক মোৰো তেনে মনে ধৰে।" তাৰ পিচত লাজত তৰু ৰঙা হৈ উঠিল। কিন্তু মনৰ উত্তেজনা থমাব নোৱাৰিলে। মোক সাৰটি ধৰি কত গল্পই তৰুৱে গিৰিয়েকৰ কৰিলে। কি উদাৰ তেওঁৰ মনৰ ভাব। কি আপোনভোলা মানুহ। টকা-পইচা কেনেকৈ দুই হাতে আৰ্জন কৰি দুই হাতে বিলায়। মানুহৰ লগত কেনে সৰল ব্যৱহাৰ। কেনে ৰহস্য-প্ৰিয় মানুহ। খোৱা-বোৱা, পিন্ধা-উৰাৰ প্ৰতি কেনেকৈ সদায় দৃষ্টি ৰাখিব লাগে; ইত্যাদি অজস্ৰ কথা। কওঁতে কওতে তৰু আপোনপাহৰা হৈ গ'ল। তেওঁৰ চকুত এটা উজ্জ্বল ভাবে খেলিবলৈ ধৰিলে। মুখত হাঁহি। তেওঁৰ স্বপ্ন ভঙ্গ হ'ল বাহিৰৰপৰা মোৰ বান্দীজনীয়ে চাহৰ যোগাৰ হৈছে বুলি মাত দিয়াত। তাৰ পিচত অসহ্য লাজত তৰু ৰঙা পৰি উঠিল। মোৰ বুকুত কিছুপৰ পৰি থাকিল।

তৰু যিকেইদিন তাত আছিল—সেইকেইদিন স্বপ্নৰ ভাব নুগুচিল। চিঠি লিখা আৰু চিঠি পঢ়া অৱশ্যে দৈনন্দিন কাম। তেওঁৰ সকলো কাৰ্যতে এটা তৃপ্তি আৰু আনন্দৰ ভাব সদায় ব্যক্ত হৈ পৰিছিল।

( ৪ )

সেই বছৰ ডিব্ৰুগড়ত সাহিত্য সভাৰ অধিবেশন বহিছে। লগে লগে মহিলা সভাৰো। ললিত কংগ্ৰেছ আৰু সাহিত্য সভাৰ এজন বিশিষ্ট সভ্য। গতিকে তেওঁ আহি কোনোবা বন্ধুৰ ঘৰত আছেহি। ময়ো তেতিয়া ঘৰলৈ

আহিছোঁ। সাহিত্য সভাৰ অধিবেশন শেষ হৈ গৈছে। মহিলা সভা বহাৰ দিনা পুৱা ললিত আমাৰ ঘৰলৈ আহিল। দেউতাই তেওঁক আদৰি-সাদৰি বহুৱাই মোক মাতি দি কিবা কথাত আঁতৰি গ'ল। লগে লগে আয়ো আহি আমাৰ ওচৰত বহিলহি। আমাৰ ভিতৰত কথা-বতৰা আৰম্ভ হ'ল। অকণো আড়ম্বৰ ক'তো নাই। সহজভাৱে পুৰণা বন্ধুৰ লগত যেনেকৈ কথা-বতৰা হয় তেনেকৈ আলাপ চলিবলৈ ধৰিলে। আয়ে যে এই ডেকাজনক আজি প্ৰথম দেখিছে সেই কথা পাহৰি গ'ল। তেওঁ নানা ভিতৰুৱা কথা তেওঁৰ আগত কৈ পেলালে। নানা বিষয়ে তেওঁৰ মতামতো আয়ে গ্ৰহণ নকৰাকৈ নেৰিলে। তেৰেঁা সহজভাৱে সকলো কথাৰ উত্তৰ দি গ'ল। আয়ে এবাৰ ক'লে, "লিলি যাচোন, তোৰ ৰচনাখন আনগৈ। বাপাই এবাৰ চাই দিয়ক।" সেইদিনা সভাত মোৰ এখন ৰচনা পঢ়াৰ কথা আছিল। ময়ো নিঃসঙ্কোচে আনি ৰচনাখন তেওঁৰ হাতত দিলোঁহি। ৰচনাৰ বিষয় আছিল 'বৰ্তমান সমাজত তিৰোতাৰ স্থান'। স্বাধীনতাৰ দাবীৰ বিষয়ে তাত বিশেষকৈ লিখা হৈছিল। ললিতে ৰচনাখন ইমূৰৰপৰা সিমূৰলৈকে পঢ়ি হাঁহি ক'লে, "সুন্দৰ হৈছে। দুটা এটা কথাৰ লগত অৱশ্যে মই একমত নহওঁ। কিন্তু মোৰ মতৰ লগত নিমিলিলেই ৰচনা বেয়া হ'ল, এনে হ'ব নোৱাৰে, ভাষাও বৰ ভাল হৈছে। আপোনাৰ চিন্তাৰ গতি দেখি বৰ আনন্দ পালোঁ। তিৰোতাৰ ডাঙৰ শত্ৰু জীৱনৰ প্ৰতি সম্পূৰ্ণ উদাসীনতা।" তাৰ পিচত আৰু অন্যান্য বিষয়ৰ আলোচনা হ'ল। যিবিলাক তথ্য নিতান্ত দুৰূহ বুলি ভাবিছিলোঁ, সকলোবিলাক এই মানুহজনৰ মনৰ স্পৰ্শত যেন সহজ হৈ পৰে। তেওঁৰ আলোচনাত পাণ্ডিত্য প্ৰকাশৰ চেষ্টা নাই। সৰ্বসাধাৰণ নিত্যনৈমিত্তিক কথাৰ দৰেই সমাজৰ, দেশৰ, জীৱনৰ উচ্চ তথ্যবিলাকৰ বিষয়ে তেওঁ আলোচনা কৰি গ'ল। লগে লগে সৰল ব্যঙ্গ আৰু হাঁহি। জগতৰ ক'তো যেন একো দুখ নাই। সকলো আনন্দময়, সকলো শান্তিময়। চকুত এটি অনন্ত স্নিগ্ধ ভাব। জীৱনৰ সৌন্দৰ্য তেওঁৰ যেন লগৰ সহচৰ। তৃপ্তিত মোৰ সমস্ত অন্তৰ ভৰি গ'ল।

ললিত গুচি গ'ল। লগে লগে যেন মোৰ কিবা এটা বৰ মূল্যবান বস্তু লৈ গ'ল। জগতৰ পোহৰ যেন অলপ কমিল। চাৰিওফালৰ সকলো বস্তুৰ ওপৰত বিষাদৰ ছাঁ এটা পৰিল।

সভাৰ সকলো গণ্ডগোলৰ মাজতো ললিতৰ মুখখন মোৰ অন্তৰৰ মাজে মাজে স্পষ্ট হৈ উঠিছিল। তেওঁৰ প্ৰতি স্নেহৰ এটা সুকোমল ভাবে যেন মোক আপ্লুত কৰি তুলিছিল। তেওঁৰ চকুযুৰিৰ সৌন্দৰ্যই মোক মুগ্ধ কৰি তুলিছিল। জীৱনত প্ৰথম এক নৱ অনুভূতিয়ে দেখা দিলে। তাৰ কোমল স্পৰ্শত মোৰ অন্তৰৰ নাৰীত্ব যেন আনন্দত শিহঁৰি উঠিল।

মই শিৱসাগৰলৈ ঘূৰি গ'লোঁ, ললিতৰ স্মৃতি বুকুত লৈ। লাহে লাহে বুজিব পাৰিলোঁ—ললিতৰ চিন্তাই মোৰ সমস্ত অন্তৰ পৰিপূৰ্ণ কৰি পেলাইছে।

ললিতৰ প্ৰতি অনুৰাগে মোৰ সমগ্ৰ আত্মাক জগাই তুলিছে। ললিতক দেখিবলৈ, ললিতৰ কথা শুনিবলৈ, ললিতক স্পৰ্শ কৰিবলৈ মনত এটা অদম্য অকাংক্ষ্যা জাগি উঠিল। বহু পুৰুষৰ লগত মোৰ পৰিচয়। কিন্তু কাৰো জীৱনৰ স্পৰ্শত মই এনে আত্মহাৰা হোৱা নাই। ললিতৰ চিন্তাৰ মাধুৰ্য্যই মোক অপূৰ্ব আনন্দত মগ্ন কৰিলে।

( ৫ )

খবৰ পালোঁ তৰুৰ বেমাৰ। জ্বৰ কেইবাদিনো হৈছে—কিন্তু কি জ্বৰ ডাক্তৰে ধৰিব পৰা নাই। দেউতাকে গৈ তৰুক লৈ আহিল, লগতে ললিতো আহিল।

শিৱসাগৰ পোৱাৰ লগে লগে তৰুৰ জ্বৰ বাঢ়িল। ডাক্তৰ, কবিৰাজে একো স্থিৰ কৰিব নোৱাৰিলে। চাৰিদিনমানৰ পিচত তৰুৰ নাড়ী বোলে বেয়া হ'ল। মই সেইদিনা আবেলি তৰুক চাবলৈ গ'লোঁ। তৰুক যি কোঠাত থোৱা হৈছিল তালৈ সোমাই গৈ দেখিলোঁ—তৰুৰ হাতখনত ধৰি ললিত বহি আছে। তেওঁৰ চকু তৰুৰ মুখত আৰু তৰুৰ চকু তেওঁৰ মুখত আবদ্ধ। তৰুৰ মুখত উদ্বেগৰ চিন নাই। ললিতৰ সান্নিধ্যৰ মাধুৰ্য্যই তেওঁক যেন অপাৰ শান্তি দিছে। ললিতৰ অৱস্থা শোচনীয়। চুলিবোৰ বিশৃঙ্খল, চকুত এটা উদাস ভাব। মুঠতে কেইবাদিনো টোপনি খতি কৰিলে মানুহৰ যেনে হয় তেওঁৰো তেনে চেহেৰা হৈছে। মোক অহা দেখি ললিতে তৰুৰ গালত হাত ফুৰাই "তোমালোকে কথা পাতা" বুলি কৈ উঠি গ'ল। মোক "ইয়াতে বহক" বুলি চকীখন আগবঢ়াই দিলে।

তৰুৰ প্ৰতি ঈৰ্ষাত মোৰ গোটেই অন্তৰ ভৰি গ'ল। ইমান দিনে সজ্ঞানে মই তৰুৰ প্ৰতি ঈৰ্ষান্বিত হোৱা নাই। কিন্তু আজি মৰণ-পথৰ পথিক তৰুৰ সৌভাগ্য দেখি মোৰ গা জ্বলি উঠিল। মই যদি তৰুৰ দৰে বেমাৰী হৈ পৰি থাকিব পাৰিলোঁহেঁতেন, মোৰ মৃত্যুৰ আশঙ্কাত যদি ললিত ব্যাকুল হৈ উঠিলেহেঁতেন, তাতকৈ ডাঙৰ আনন্দৰ কথা কি আছিল? অন্তৰত একুৰা জুই যেন জ্বলি উঠিল।

তৰুৰ ওচৰত বহি মূৰত হাত ফুৰাই দিবলৈ ধৰিলোঁ। তৰুৰ জ্ঞান সম্পূৰ্ণৰূপেই আছিল। ক'লে, "লিলি বৌদেউ, স্বামীৰ কোলাত মূৰ থৈ মৰিবলৈ পাম ইয়াতকৈ আৰু ডাঙৰ সৌভাগ্য কি আছে? কিন্তু মই মৰিলে এই আপোনভোলা মানুহজনক কোনে চাব, তাক ভাবিহে আকুল হৈছোঁ।" তৰুৰ চকুৰেদি দুধাৰি চকুলো বৈ গ'ল। বুজিলোঁ ই আসন্ন বিৰহৰ দুখানুভূতিৰ নিদৰ্শন। চকু মচি দি কলোঁ, "তৰু, তুমি নিশ্চয় ভাল হ'বা।"

তৰুৱে এইবাৰ এটা ক্ষীণ হাঁহি মাৰিলে। আচৰিত কথা, তৰু যদিও ক্ষীণাইছিল তথাপি তেওঁৰ মুখত এটা অপূৰ্ব সৌন্দৰ্য্যৰ ভাব ফুটি উঠিছিল।

তাৰ পিচত পাঁচ দিন তৰু জীয়াই আছিল। পাঁচো দিন মই তৰুক দিনতো আৰু ৰাতিও চাবলৈ গৈছিলোঁ। ললিতক মই সদায় একেথৰে বহি থকা দেখিলোঁ। সকলো বাহ্য জগত যেন লুপ্ত হৈ গৈছে, প্ৰাণৰ সকলো শক্তিৰে যেন তেওঁ তৰুৰ জীৱন প্ৰাৰ্থনা কৰিছে। তেওঁৰ এনে সমাহিত ভাব, আৰু আসন্ন মৃত্যুৰ কৰাল ছাঁই মোৰ হৃদয়ত দুখতকৈ ঈৰ্ষাৰ জুইহে দপ্‌দপ্‌কৈ জ্বলাই তুলিবলৈ ধৰিলে।

তৰুৰ মৃত্যু হ'ল। ললিতৰ অৱস্থাই এটা নতুনত্ব ধাৰণ কৰিলে। তেওঁৰ পক্ষে জগতৰ সকলো হাঁহি, সকলো আনন্দ যেন চিৰকাললৈ স্তব্ধ হৈ গ'ল। গভীৰ মৌনভাৱ। দিখৌৰ পাৰত সংযতভাৱে দিনে দিনে পিণ্ড দিয়ে। ঘৰলৈ আহি নিস্তব্ধভাৱে বহি থাকে। জীৱনৰ সকলো গতি, সকলো চাঞ্চল্য যেন দূৰ হৈ গৈছে। এই যোগীক দেখি তেতিয়াও তৰুৰ বিৰুদ্ধে হৃদয়ত জুই জ্বলি উঠে। কি গুণত তৰুৱে ললিতৰ সমস্ত অন্তৰ-বাহিৰ অধিকাৰ কৰিছিল ?

ললিত যোৱাৰ পিচত মোৰ প্ৰাণত এটা হাহাকাৰ উঠিল। ললিতৰ প্ৰাণৰ গভীৰ শোকৰ গভীৰ প্ৰতিধ্বনি যেন মোৰ হিয়াত বাজিবলৈ ধৰিলে। সহানুভূতিত মোৰ হিয়া পৰিপূৰ্ণ হৈ উঠে, বেথাত মই অস্থিৰ হৈ উঠোঁ। কতদিন ললিতৰ দুখৰ কথা ভাবি কান্দি কটাইছোঁ, তাক ঈশ্বৰেহে জানে। এনেকৈয়েই এবছৰ গ'ল।

জুন মাহত যোৰহাটত প্ৰাদেশিক ৰাজনৈতিক সভা বহিছিল। ললিত তালৈ আহিছিল। কোনোবাই তেওঁক ধৰি শিৱসাগৰলৈ লৈ আহিল। পিচ-দিনা পুৱাই আমাৰ ঘৰলৈ আহিল। মোৰ স্বামীও উপস্থিত আছিল। কথা-বতৰা বহুত সময় হ'ল। ললিতৰ মুখত এতিয়াও সেই পুৰণি হাঁহি। চকুত এতিয়াও সেই আনন্দৰ নৃত্য। সহজে বুজিব নোৱাৰি যে তেওঁৰ জীৱনৰ ওপৰেদি এটা ভীষণ ধুমুহা বৈ গৈছে। অথচ মোৰ চকুত তেওঁৰ পৰিবৰ্তন স্পষ্ট হৈ ধৰা পৰিল। সমস্ত বাহিৰৰ আৱৰণে এটা ডাঙৰ দুখক যেন ঢাকি থবৰ চেষ্টা কৰিছে তাক সহজেই অনুমান কৰিব পাৰি। সেইদিনা ৰাতি ললিতে আমাৰ তাতে খালে।

আজি মই সম্পূৰ্ণ নিজক বুজিব পাৰিছোঁ। নাৰীত্বৰ পূৰ্ণ প্ৰকাশ প্ৰেম আজি মোৰ হৃদয়ত উপস্থিত। ললিতৰ প্ৰাণৰ স্পৰ্শত মই জাগি উঠিছোঁ। কোনে জানে মোৰ এই অনন্ত ভালপোৱাই সাৰ্থকতা লাভ কৰিব নে নাই? ই যে নিজক বিলাই দিবৰ অদম্য ইচ্ছা! মই ললিতৰ চৰণত সম্পূৰ্ণ আত্ম-বিক্ৰয় কৰিবলৈ বজিয়া হৈ উঠিলোঁ। ভাবিলোঁ এখন চিঠিৰে মনৰ ভাব প্ৰকাশ কৰোঁ। তাৰ পিচত বৰ লাজো লাগিল। কিন্তু শেষত কিবা এটা শক্তিয়ে ললিতলৈ মোৰ হতুৱাই এখন চিঠি লিখালে। সেইদিনা মোৰ স্বামী বাগি-চালৈ গৈছে। সমস্ত ৰাতি বহি চিঠি লিখিলোঁ। ভাষাৰ ভিতৰেদি যদি মানুহে

সম্পূৰ্ণ আত্মপ্ৰকাশ কৰিব পাৰে তেন্তে সেই চিঠিয়ে নিশ্চয় মোৰ অন্তৰৰ ভাব প্ৰকাশ কৰিছিল। পিচদিনা পুৱাই চিঠিখন এটা চাকৰৰ হাতত পঠাই দিলোঁ।

সেইদিনা আবেলিৰ গাড়ীত ললিতৰ যোৱাৰ কথা। যোৱাৰ আগতে তেওঁ মোৰ ওচৰলৈ বিদায় লবলৈ আহিল। মোৰ সমস্ত হৃদয় ভয়ত আৰু আনন্দত কঁপি উঠিল। জীৱন-মৰণৰ শক্তি লৈ স্বৰ্গৰ দেৱতা মোৰ ওচৰলৈ আহিছে। কিন্তু ললিতে আহি সহজ সৰলভাৱে বিদায় লৈ গ'ল। কালি আৰু আজিৰ মাজত যে জীৱনত এটা ডাঙৰ ব্যৱধান স্পষ্ট হৈ উঠিছে তাক যেন তেওঁ নাজানেই। মুহূৰ্তলৈ খণ্ডত আপোন-পাহৰা হলো—মোক অৱজ্ঞা কৰিছে বুলি। আকৌ ভাবিলোঁ, হয়তো মোলৈ চিঠি দিব।

কিছুদিন গ'ল। কিন্তু ললিতৰ চিঠি আৰু নাহিল। নিজকে ধিক্কাৰ দিবলৈ ধৰিলোঁ। কিহে পাইছিল মোক লোকৰ আগত এনেকৈ আত্মপ্ৰকাশ কৰি অপমানিত হ'বলৈ? কিন্তু সকলো লাজ অপমানক কাতি কৰি হৃদয়ৰ আকুলতাই মোক বলিয়া কৰি তুলিলে। ললিতৰ মুখৰ এফেঁৰাৰ ভাল কথা শুনিবলৈ মই ব্যস্ত হৈ উঠিলোঁ। কল্পনাত ললিতে মোক ভাল পাইছে বুলি ৰোমাঞ্চিত হলোঁ।

মনৰ আবেগ দমন কৰিব নোৱাৰি ললিতলৈ আকৌ এখন চিঠি লিখিলো। হৃদয়ৰ সকলো শক্তিৰে ললিতৰ স্নেহ আহ্বান কৰি চিঠিখন ডাকত দিলোঁ।

তাৰ অলপ দিনৰ পিচতে পূজাৰ বন্ধত ললিত আকৌ শিৱসাগৰলৈ আহিল। আহি পোৱাৰ দিনা গধূলিয়েই তেওঁ আমাৰ তালৈ আহিল। মোৰ স্বামী সেই সময়ত বাগিচাত সদায় থাকে। আহি আগৰ দৰেই সৰলভাৱে ললিতে কথা-বতৰা আৰম্ভ কৰিলে। অন্তৰে অন্তৰে মই চিঠিৰ কথা শুনিবলৈ অসহিষ্ণু হৈ উঠিলোঁ। কিন্তু ললিত তাৰ ওচৰ সীমাইদিয়েই নাযায় দেখি এবাৰ ময়ে গাৰ কঁপনি বলেৰে দমন কৰি সুধিলোঁ,—"দুখন চিঠি দিলো—তাৰ এখনৰো উত্তৰ নাপালোঁ কিয়?" ললিত হঠাৎ গম্ভীৰ হৈ উঠিল, ক'লে, "স্নেহ সংসাৰত ইমান মূল্যহীন বস্তু নহয় যে তাৰ অৱমাননা মই কৰিম। আপোনাৰ স্নেহ মোৰ শিৰৰ মুকুট।" এটা আনন্দৰ ভাবে মোক মুহূৰ্তলৈ আত্মহাৰা কৰি তুলিলে। মই কলোঁ, "তেন্তে উত্তৰ নিদিলে কিয়?" গম্ভীৰ ভাৱেই ক'লে, "লিখিবলৈ একো নাই। মিছা কথা কৈ আপোনাৰ অপমান মই কৰিব নোৱাৰোঁ।" মই কলোঁ—"বুজি নাপালোঁ, তেন্তে কি নাৰীৰ স্নেহৰ প্ৰয়োজন আপোনাৰ জীৱনৰপৰা একেবাৰে লোপ পাইছে?" ললিতে ক'লে—"এতিয়াও ক'ব নোৱাৰোঁ। সুদূৰ ভৱিষ্যতত হয়তো কাৰবাৰ স্নেহৰ কাৰণে হৃদয় উদ্‌গ্ৰীব হৈ উঠিব। আজি দেহে নিজ প্ৰয়োজনত নাৰীক বিচাৰিব পাৰে হৃদয়ে বিচৰা নাই; আৰু সম্ভৱতঃ মোৰ হৃদয় চিৰকাললৈ ভাগি গৈছে।" ললিতৰ শেষৰ কথা আমাৰত এটা কৰুণ সুৰ বাজি উঠিল। তেওঁ লাহে লাহে তাৰপৰা উঠি গ'ল।

অপমানৰ জ্বালাত মোৰ শৰীৰ জ্বলি উঠিল। দৈহিক প্ৰয়োজনত মাত্ৰ নাৰীকে লাগে—ইয়াতকৈ নাৰীৰ মুখৰ আগত পুৰুষে নিৰ্লজ্জ অপমানৰ কথা কি ক'ব পাৰে? দুখে-বেজাৰে একো নাখাই-নবৈ শুই থাকিলোঁ। গোটেই ৰাতি এটা অস্থিৰ খণ্ডৰ ভাবত কাটি গ'ল। ৰাতিপুৱাৰফালে অলপ টোপনি আহিল। টোপনিতে সপোন দেখিলোঁ। ললিতে মোৰ ওচৰত বহি মোক বুকুত সুমুৱাই লৈ মোৰ মুখত এটা চুমা খাইছে। মোৰ সমস্ত প্ৰাণত অপূৰ্ব আনন্দৰ সঙ্গীত বাজি উঠিল। পুলকত মোৰ মন-প্ৰাণ সকলো ভৰি গ'ল। এটা চুমাই যে মানুহক সপ্তম স্বৰ্গলৈ লৈ যাব পাৰে তাক মই আগেয়ে জনা নাছিলোঁ। আনন্দত আকুল হৈ উঠিলোঁ। অসীম আনন্দত উশাহ-নিশাহ সকলো বন্ধ হ'ল বুলি অনুমান কৰিলোঁ। সাৰ পালোঁ। চকু মেলিবৰ মন নগ'ল। স্বপ্নৰ স্মৃতিয়ে মোক আকৃষ্ট কৰি ৰাখিলে। সমস্ত দেহ-মনে যেন অসাৰ হৈ একাগ্ৰচিত্তে সেই স্মৃতিৰেই পূজা কৰিছে। আঠমান বজাত বিচনাৰপৰা উঠি গা-পা ধুই চাহ খালোঁ। সপোনৰ আবেশ কাটি গ'ল। কিন্তু ই কি মোৰ হ'বলৈ আৰম্ভ কৰিলে? কালিৰ সকলো অপমান কেনিবা চিন চাব নোহোৱাকৈ আঁতৰি গ'ল। তাৰ ঠাইত ই কি জুই মোৰ হিয়াত জ্বলি উঠিল। শৰীৰৰ প্ৰতি অঙ্গ-প্ৰত্যঙ্গ যেন হঠাৎ ব্যাকুল হৈ উঠিল—ললিতৰ স্পৰ্শ লাভ কৰিবলৈ। মনে ক'বলৈ ধৰিলে, কালি ললিতে ইঙ্গিতত তোমাৰ ৰূপৰ পূজা কৰি গৈছে। তাৰ মাজেদিয়েই তেওঁক তুমি লাভ কৰিবা। কি উদ্ভ্ৰান্ত আকুলতা ললিতৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ! নিজকে নিজে দমন কৰিব নোৱাৰোঁ। এজন মানুহে যে আন এজন মানুহৰ সঙ্গ পাবলৈ এনে উন্মাদ হৈ উঠে তাক আগেয়ে মই জনা নাছিলোঁ। মোৰ অনুমান হ'বলৈ ধৰিলে যে ললিতক যদি মই নাপাওঁ তেন্তে মই আৰু জীয়াই থাকিব নোৱাৰোঁ। হৃদয়ত যেন ভীষণ আগ্নেয়গিৰিৰ আবিৰ্ভাৱ হ'ল।

দুপৰীয়া কোনোমতে ভাত খাই উঠিলোঁ। তাৰ পিচত কাগজ-পত্ৰ লৈ এখন চিঠি লিখিলোঁ ললিতলৈ। জগতৰ আদিৰপৰা আজিলৈকে কোনো নাৰীয়ে ইমান আকুলতা, ইমান ব্যগ্ৰতা জনাই আত্মনিবেদন কৰিছে নে নাই ক'ব নোৱাৰোঁ। চিঠিত মোৰ মনৰ ভাব যেন মূৰ্ত হৈ উঠিল। সেইদিনা ৰাতি ললিতক নিমন্ত্ৰণ কৰি পঠালোঁ। মোৰ লগত কটাবলৈ। তিৰোতা বা পুৰুষৰ ৰীতি আৰু স্বভাৱৰ বিৰোধী এই কাম মই কৰিলোঁ, মনৰ প্ৰেৰণাক দমাব নোৱাৰি। শেহত লিখিলোঁ "যদি নাহে মোক জনাব।" চাকৰ এটাৰ হাতত চিঠিখন দি পঠিয়ালো। চিঠিখন মোৰ হাতৰপৰা ওলাই যোৱাৰ পিচৰপৰা ভীষণ উৎকণ্ঠাত মই অস্থিৰ হৈ উঠিলোঁ। ললিতে কিভাৱে চিঠিখন ল'ব, কিজানি নাহোঁ বুলিয়েই উত্তৰ দিয়ে ইত্যাদি কথা ভাবি। চাকৰটো ঘূৰি আহিল, একো উত্তৰ নাই। প্ৰাণ আনন্দত নাচি উঠিল—ললিত আহিব বুলি। তথাপি তাকে স্থিৰ কৰি জানিবৰ কাৰণে আকৌ তাক কিবা উত্তৰ আছেনে বুলি শুধিবলৈ পঠিয়ালোঁ। সি একো উত্তৰ নাই বুলি কৈছে বুলি মোক

অলপ পিচতে কলেহি। এইবাৰ আৰু সন্দেহ নাথাকিল যে ললিত আহিব। মোৰ হৃদয়-তন্ত্ৰীত যেন অপূৰ্ব সঙ্গীত বাজি উঠিল। আজি মোৰ জীৱনৰ মহা উৎসৱ। পৰা হলে আজি আতচ-বাজিৰে সমস্ত আকাশ উদ্ভাসিত কৰিলোঁহেঁতেন, নৃত্য-বাদ্যৰে দশোদিশ মুখৰ কৰি তুলিলোঁহেঁতেন। হঠাৎ অনুভৱ কৰিলোঁ—যেন এটা চিৰন্তন আনন্দ প্ৰগতিৰ লগত মোৰ আত্মাৰ পৰিচয় হৈ গৈছে।

গোটেই শৰীৰতে এটা মৃদু কম্পন হ'ল। মই লৰালৰিকৈ বাগিচাৰ-পৰা গোলাপ ফুল কিছুমান তোলাই আনি নিজ হাতেৰে সুন্দৰকৈ ফুল-দানীবিলাক সজালোঁ। লাহে লাহে সন্ধ্যা হ'ল, সন্ধ্যাৰ আগমন যে ইমান সুন্দৰ ইমান মনোমোহা আজি তাক প্ৰথম বুজিলো। হৃদয়ৰ আকাংক্ষা বুজি যেন পুৰণি বন্ধু সন্ধ্যাই সহচৰী ৰাতিক আগবঢ়াই আনিছে। মই মোৰ বিচনাত নতুন কাপোৰ পাৰিলোঁ—সেই ৰঙৰ কাপোৰ যাৰ ৰঙে মোৰ সৌন্দৰ্যৰ মাত্ৰা বঢ়াব পাৰে। নিজকে ভূষিত কৰিলোঁ—সকলো অভিজ্ঞতা আৰু কল্পনাৰ সহায় লৈ। জীৱনত কেতিয়াও মই নিজক ভূষিত কৰি ইমান আনন্দ পোৱা নাই। কোন ৰঙৰ চোলা, কোন ৰঙৰ ৰিহা-মেখেলা, চাদৰ পিন্ধিম তাক বৰ যত্ন কৰি স্থিৰ কৰিলোঁ। তাৰ পিচত গন্ধ-দ্ৰব্য বাছি গোটেই কোঠাটো সুৰভিত কৰিলোঁ। কল্পনাই অদ্ভুত খেলা খেলিবলৈ ধৰিলে। সুন্দৰকৈ চকী এখন সজাই থলোঁ। মোৰ ৰজাৰ কুমাৰ যে আজি মোৰ কুঞ্জলৈ আহিব। গোন্ধ তেলৰ বন্তি সজালোঁ—কেৰাচিন তেলৰ চাকিৰ পোহৰত আমাৰ মিলন ম্লান হ'ব বুলি। ৰূপৰ গিলাচত চৰবৎ কৰি থলোঁ। মূঠতে ললিতক আজি মোৰ হৃদয়ৰাজ্যৰ ৰাজত্বত অভিষেক কৰি লবলৈ সকলো প্ৰস্তুত কৰি থলো। খাবৰ হ'ল। কোনোমতে ভাতৰ পাতত বহি উঠি আহিলোঁ। খোৱাটো আজি নিতান্ত আৱশ্যক যেন লাগিল। তাৰ পিচত হেলনী চকীখনত বহি কল্পনাৰ ৰাজ্যত নিজক উটুৱাই দিলোঁ। দৃশ্যৰ পিচত দৃশ্য চকুৰ আগত ভাহি যাবলৈ ধৰিলে। তাৰ নায়ক ললিত, নায়িকা মই। আনন্দত মই মগ্ন হৈ গলোঁ। কেতিয়া বান্দী চাকৰবোৰ শুলে মই কবই নোৱাৰোঁ। ঘড়ীত টং টং কৰি বাৰ বাজিল। হঠাৎ এটা অস্বাভাৱিক উত্তেজনাই দেখা দিলে।—ললিত আহিবৰ হৈছে—আহিব এতিয়া - মোৰ সমস্ত শৰীৰ কঁপিবলৈ ধৰিলে। কপালত ঘামে দেখা দিলে। মুখ শুকাই গ'ল, পানীৰ গিলাচ হাতত তুলি ললোঁ—গিলাচ কঁপিবলৈ ধৰিলে। পানী খালোঁ। কিন্তু উত্তেজনা নকমিল। আনন্দৰ তীব্ৰতাই মোক বলিয়া কৰি তুলিলে। কল্পনাই দৃশ্যত আৰু নানা ৰকম ৰহণ সানি মোৰ আগত উপস্থিত হ'বলৈ ধৰিলে। এক বাজিল। মোৰ কঁপনি আৰু বাঢ়িল। সমস্ত দেহ আজি যেন পুৰি ভস্ম হৈ যাবলৈ ধৰিলে। দেহৰ প্ৰতি ৰক্ত বিন্দু, প্ৰতি অণু, প্ৰতি পৰমাণু, উন্মুখ, উদগ্ৰীৱ, উদ্‌ভ্ৰান্ত—ললিতৰ স্পৰ্শৰ কাৰণে। গোটেই দেহতে যৌৱনৰ উচ্ছ্বসিত গতি যেন মুখৰ হৈ উঠিছে।

বাহিৰত অলপ শব্দ হ'ল, চক্‌ খাই উঠিলোঁ। ভাবিলোঁ, ললিত আহিছে। আৰু স্থিৰ হৈ থাকিব নোৱাৰোঁ। আহাঁ হৃদয় দেৱতা, মোক গ্ৰহণ কৰাহি।

সময় যায়। ইকি কষ্ট দিছা পলম কৰি। ভাবিলো, ললিত যদি শুই পৰিছে? মুহূৰ্ততে নিজক প্ৰবোধ দিলোঁ। সুন্দৰীৰ প্ৰাণৰ আহবান উপেক্ষা কৰি শুব পৰা পুৰুষ জগতত নাই। সি প্ৰকৃতিৰ নিয়মৰ বিৰুদ্ধ কথা। কিবা অসুবিধাত হে অহা নাই—আহিব এতিয়া। তিনি বাজিল। মই আৰু ভিতৰত বহি থাকিব নোৱাৰিলোঁ। দুৱাৰখন মেলি ললিতহঁতৰ ঘৰৰফালে মুখ কৰি চকী এখন লৈ বহি পৰিলোঁ। মনত সন্দেহ হ'বলৈ ধৰিলে—ললিত নাহে। মোৰ মুখ শুকাই গ'ল। গোটেই সংসাৰ যেন শ্মশানত পৰিণত হ'ল। কিন্তু মনে আশা নেৰিলে। ললিত আহিব। কিহে ললিতক মোৰপৰা আঁতৰত ৰাখিব? ললিতৰ তিৰোতা নাই যে তেওঁৰ প্ৰতি অন্যায় কৰা হ'ব বুলি তেওঁ নাহিব। মোৰ এই দুৰ্জয় আকৰ্ষণ ললিতে উপেক্ষা কৰিব নোৱাৰিব। কোনোবা এটা মানুহ ললিতৰ ঘৰৰপৰা ওলোৱা যেন দেখি মোৰ হৃদয় কঁপি উঠিল—আহিছে, ললিত আহিছে বুলি। কিন্তু মানুহটো আকৌ সোমাই গ'ল। চাৰি বাজিল। বুকু কঁপি গ'ল। ললিত নাহিল। সময়ো যে আৰু নাই। ক্ষমতা থকা হলে আজি মই সময়ৰ গতি ফিৰাই দিলোঁহেঁতেন। সময় কমি আহিছে। কি ললিত আৰু নাহে? কিছুপৰ বাহিৰত বহি থাকি বিচনাত পৰিলোঁ গৈ। গোটেই দেহতে এটা অৱসন্নতাই আশ্ৰয় কৰিছে। অথচ কাণ তেতিয়াও সজাগ হৈ ললিতৰ পদধ্বনিৰ শব্দ শুনিবলৈ ব্যাকুল হৈ আছে। এবাৰ আকৌ কিবা শব্দ হ'ল। দেহত এটা প্ৰবল আলোড়ন অনুভৱ কৰিলোঁ—ললিত আহিছে বুলি। মুহূৰ্তলৈ হ'লেও ললিতক পাম এই আশাত হিয়া অপাৰ আনন্দত নাচি উঠিল। —ললিত নাহিল। পাঁচ বাজিল, লাজ অপমানত অস্থিৰ হৈ উঠিলোঁ। পুৰুষৰ সদায় পূজা পাই আহিছোঁ; আজি পুৰুষৰ হাতত এই নিৰ্মম অপমান পাই ক্ষিপ্ত হৈ উঠিলোঁ। অস্থিৰ আক্ৰোশত পাগলৰ দৰে হৈ পৰিলোঁ। ললিতৰ ওপৰত অসহ্য খং উঠিল—নাৰীৰ আহ্বান ভয়ত উপেক্ষা কৰি ললিত অহা নাই বুলি। ললিতক মনে মনে কাপুৰুষ বুলি গালি পাৰিবলৈ ধৰিলোঁ। কুৎসিত ভিকহু ললিতে মোৰ মোল কি বুজিব বুলি নিজেই যেন অলপ আত্মপ্ৰসাদ লাভ কৰিলোঁ। গ্লানিত হৃদয় ভৰি গ'ল, এনে অপমানতকৈ যে মৃত্যু শতগুণে ভাল আছিল। কিহৰ বলত মই কালিলৈ মানুহৰ আগত মুখ দেখুৱাম? কোনেও নেজানিলেও মোৰ অন্তৰ আত্মাই জানিব যে মই পুৰুষৰ উপেক্ষিতা, মোৰ প্ৰাণৰ আহ্বান অনায়াসে পুৰুষে অৱহেলা কৰিছে। আৰু জানিব ললিতে। লাজত সঙ্কুচিত হৈ উঠিলোঁ। মোৰ সমস্ত দেহ, সমস্ত যৌৱন আজি ব্যৰ্থ হৈ গ'ল—ললিতৰ অবিচাৰত, নিষ্ঠুৰতাত, চকু মুদি নিজৰপৰাই নিজক লুকাই ৰাখিবৰ ইচ্ছা কৰি পাটীত পৰি থাকিলোঁ। নাৰীত্বৰ ব্যৰ্থতাত, অপমানত আজি মোৰ হিয়া ফাটি যাবলৈ ধৰিলে। শুনিলোঁ, ঘড়ীত ছয় বাজিল। লগে লগে বুকুভঙা কান্দোনত মই অস্থিৰ হৈ পৰিলোঁ। চকুলোত গাৰু তিতি গ'ল তথাপি মোৰ কান্দোন নাথামে।

ছাৰে সাত বজাত পাটীৰপৰা উঠোঁতেই চকুত পৰিল গোলাপৰ তোড়া, গন্ধ প্ৰদীপ আৰু অন্যান্য সকলো উপকৰণ। খঙত মূৰ ঘূৰাই গ'ল। ৰূপৰ গিলাচ, গোলাপৰ তোড়া সকলো দলিয়াই দিলোঁ; বিচনাৰ কাপোৰ তুলি ভৰিৰে মোহাৰি পেলালোঁ। পিন্ধা সাজ সোলোকাই অন্য কাপোৰ পিন্ধিলোঁ। এই সকলোবোৰেই যে মোক গ'ল ৰাতিৰ ঘটনা মনত পেলাই উপহাস কৰিব। তাৰ চিন-চাব সকলো দূৰ কৰিলোঁ।

আজি মোৰ হৃদয়ৰপৰা ললিতক ভাল পোৱাৰ ভাব দূৰ হৈ গ'ল। তাৰ ঠাইত এটা ভীষণ ঘিণ, এটা ভীষণ প্ৰতিহিংসাৰ ভাবে ঠাই লৈছে। পাৰিলে ললিতক মই নিজ হাতেৰে বধ কৰিলোঁহেঁতেন। এনে এটা হিংস্ৰ ভাবো মনলৈ আহিবলৈ ধৰিলে।

গা ধুই অলপ চাহ খাই মই স্তব্ধ হৈ বাহিৰতে চকী এখনত বহি আছো। ভিতৰত মোৰ নৰকৰ অগ্নি জ্বলিছে। ন বাজিছে এনেতে ললিত আহি উপস্থিত হ'ল। মই কোনোৰকম সম্ভাষণ নকৰি বহি থাকিলোঁ। ললিতৰ মুখত সেই স্নিগ্ধ হাঁহি। দেখি মোৰ গা আৰু জ্বলি উঠিল। মোৰ হৃদয়ৰ সকলো বেথা উপেক্ষা কৰি যেন ললিতে নিজৰ মনৰ আনন্দত হাঁহিছে। ললিতে ক'লে— "লিলি বৌদেউ আজি ঘৰলৈ যামগৈ। বিদায় ল'বলৈ আহিলোঁ।" মই গম্ভীৰভাৱে "বাৰু" বুলি কলোঁ। ললিত নমস্কাৰ কৰি গুচি গ'ল। মই প্ৰতি নমস্কাৰ নকৰিলোঁ।

অলপ পিচতে কোনোবাই কোৱা শুনিলোঁ ললিতক শহুৰেকে সেইদিনা যাবলৈ নিদিলে, পিচ দিনাহে যাব।

মোৰ স্বামী দুপৰীয়া ঘৰ পালেহি। দুপৰীয়া খাই-বৈ উঠাৰ পিচত দুয়ো বিশ্ৰাম কৰিছোঁ। আজি মোৰ অন্তৰত কি হৈছে ক'ব নোৱাৰোঁ। হঠাৎ ললিতক অপমান কৰিবলৈ মন ব্যগ্ৰ হৈ উঠিল। মই মোৰ স্বামীক কলোঁ "ললিতে মোক অপমান কৰিছে। মোলৈ প্ৰেমৰ চিঠি লিখিছে আৰু মোৰ ওচৰত অসৎ প্ৰস্তাব কৰিছে।" মোৰ স্বামীয়ে প্ৰথমতে মোৰ মুখলৈ কিছুপৰ চাই থাকি ক'লে "ললিতে এই কাম কৰিছে? বৰ আচৰিত! তেওঁক যে আমি সকলোৱে ভাল মানুহ বুলি জানো।" মোৰ খং আৰু চৰিল। জ্বলি উঠি ক'লো—"তেন্তে মই মিছা কৈছোঁ। পুৰুষ মানুহ সকলো সমান। কাৰো বিশ্বাস নাই। যদি ইয়াৰ প্ৰতিবিধান নকৰে—" মোৰ স্বামী মোৰ বশ। তেও ব্যস্ত হৈ উঠিল। ক'লে—"বাৰু মই ইয়াৰ দিহা কৰিম। আৱশ্যক হলে তাক কুকুৰ-শিয়ালৰ দৰে গুলীয়াই মাৰিম।"

আবেলি মোৰ স্বামীয়ে ললিতক লৈ ফুৰিবলৈ ওলাই যোৱা দেখিলোঁ। তেওঁ কেতিয়া ঘূৰি আহে তালৈ অস্থিৰভাৱে অপেক্ষা কৰিবলৈ ধৰিলোঁ। সন্ধ্যা ফিৰি আহি ক'লে "বান্দৰক ভালকৈ শুনাই দি আহিছোঁ—আৰু তেনে কৰিলে চাবুক দি ঠিক কৰি দিম বুলি।" মই ব্যগ্ৰ ললিতৰ উত্তৰ শুনিবলৈ।

তেওঁ একো নোকোৱা দেখি নিজেই সুধিলোঁ—"ললিতে কি কৈফিয়ৎ দিলে ?" মোৰ স্বামীয়ে গৰ্জি উঠি ক'লে—"পাষণ্ডৰ কিবা কৈফিয়ৎ থাকিলেহে দিব। চুপ কৰি শুনি থাকিল। এটা কথাও তাৰ মুখৰপৰা ভয়তে নোলাল। যদি কিবা ক'লেহেঁতেন ঘুঁচিয়াই মুখ ভাঙি দিলোহেঁতেন।"

ললিতৰ ব্যৱহাৰত আৰু আঘাত পালোঁ। মিছা অপবাদ নিৰ্বিবাদে মূৰত তুলি লয়, তথাপি একেষাৰ কৈ আঘাত কৰিও মোৰ জীৱনৰ সোঁতৰ লগত নিজক অলপো নিমিহলায়। এই অপমান যে বৰ ভীষণ!

পিচদিনা ললিত ঘৰলৈ গ'ল।

সময় যাবলৈ ধৰিলে। জীৱন এটা ভাৰ হৈ উঠিল। শোওঁতে, বহোঁতে ললিতৰ অপমানৰ খোচে মোক অস্থিৰ কৰিবলৈ ধৰিলে। মোৰ নাৰীত্ব যেন ব্যৰ্থ হৈ গৈছে, মোৰ মন, প্ৰাণ, দেহ সকলো যেন প্ৰয়োজনহীন আৱৰ্জনা। ইপিনে ললিতৰ প্ৰতি খঙত মনটো সদায় আচ্ছন্ন হৈ থাকে। মনে মনে কত ৰকমে ললিতক গালি পাৰোঁ। কত ৰকমে শাস্তি দিম বুলি ভাবো তাৰ অন্ত নাই।

বৰ দিনৰ বন্ধত শিৱসাগৰত প্ৰাদেশিক কংগ্ৰেছ কমিটি বহিছে। তালৈ অন্যান্য মানুহঁৰ লগত ললিতো আহিছে। গুৱাহাটীৰ ফুকন ডাঙৰীয়াও সেই উপলক্ষে শিৱসাগৰলৈ আহিছে। তেখেতক সন্মান জনাবলৈ চলিহা ডাঙৰীয়াৰ তাত চাহ-মেল পাতি আমাকো তালৈ চলিহা ডাঙৰীয়াই মাতিছে। আবেলি মই আৰু মোৰ স্বামী তালৈ গ'লো। মটৰৰপৰা নমা মাত্ৰকে ললিতৰ মাত মই শুনিবলৈ পালো—কাৰোবাৰ লগত ডাঙৰকৈ গল্প কৰিছে। তাৰ পিচতে ললিতৰ হাঁহি। মই কঁপি গ'লোঁ। মুহূৰ্তলৈ মোৰ দেহ-মন সকলো অসাৰ হৈ গ'ল। কোনোমতে আত্ম-সংবৰণ কৰি আগবাঢ়ি গ'লো। গৈ দেখো এখন টেবুলৰ ওচৰত বহি ললিতে কেইবাজনো মানুহৰ লগত গল্প কৰিছে, দুৱাৰৰ ওচৰতে। আমাক দেখিয়েই তেওঁ নমস্কাৰ কৰি, "লিলি বৌদেউ! হৰ-গৌৰীৰ আবিৰ্ভাৱত আমাৰ চাহ-যজ্ঞ পৰিপূৰ্ণ হ'ব" বুলি হাঁহি উঠিল। এই অপ্ৰত্যাশিত আহবানত মই অস্থিৰ হৈ উঠিলোঁ। ক্ষন্তেকলৈ যেন গোটেইখন অন্ধকাৰ হৈ গ'ল। ওচৰৰ চকী এখনত কোনোমতে নিজক স্থিৰ কৰি আগবাঢ়িলোঁ।

আজি আকৌ ললিতৰ প্ৰতি খঙে মোক যেন দুনাই জ্বলাবলৈ ধৰিলে। কি স্বৰত নিৰ্বিকাৰভাৱে মোক সম্পূৰ্ণ অৱজ্ঞা কৰি ললিতে নিজৰ জীৱন আগৰ দৰেই সৰল গতিত চলাই লৈ যায়? চাহ-মেলৰপৰা উভতি আহি গোটেই ৰাতি মই অস্থিৰ হৈ কটালোঁ। দুখে—বেজাৰে একোবাৰ আপোনঘাতী হ'বৰ মন যায়। ৰাতি বঢ়াৰ লগে লগে যেন মনৰ দুখো বাঢ়ি গ'ল। তিৰোতাৰ দুখৰ কাৰণেই ভগৱানে ৰাতিৰ সৃষ্টি কৰিছেনেকি ক'ব নোৱাৰোঁ। পিচদিনা দুপৰীয়া মোৰ স্বামী কলিকতালৈ গ'ল। তেওঁ যোৱাৰ পিচৰপৰা মই আৰু অস্থিৰ হৈ উঠিলোঁ। উপায় ভাবিবলৈ ধৰিলোঁ—কেনেকৈ ললিতক

শাস্তি দিওঁ। হঠাৎ এবাৰ মনত হ'ল, এবাৰ নিজেই গৈ অপমান কৰি আহোঁগে। ঘড়ীৰ ফালে চাওঁ আঠ বাজিছে। এই সময়ত ললিতে অকলে বহি কিতাপ পঢ়ে। নিজক আৰু দমন কৰিব নোৱাৰিলোঁ। ললিতৰ থকা ঠাই পালোঁগৈ। তেতিয়া মোৰ মনৰ অৱস্থা সাংঘাতিক। গোটেই শৰীৰত এটা ভীষণ কঁপনিয়ে দেখা দিছে। চকুৰ আগত যেন জুইৰ ফিৰিঙতি উৰিছে। ললিতে এখন কিতাপ পঢ়ি আছিল। মোক দেখিয়েই কিতাপখন থৈ হাঁহি—"আজি অকল গৌৰীৰহে আগমন। আমাৰ বৰ সৌভাগ্য" বুলি ক'লে। সেই মাৰাত্মক হাঁহি দেখি মোৰ ধৈৰ্য্যচ্যুতি ঘটিল। সম্ভৱতঃ মোৰ মুখৰ আকৃতিতেই হৃদয়ৰ ভাব প্ৰকাশ হৈ পৰিছিল। মোৰ মুখৰফালে চাই ললিত স্তব্ধ হৈ গ'ল। তেওঁৰ মুখখন গম্ভীৰ হ'ল। সুধিলে—"লিলি বৌদেউ, আপোনাৰ কি হৈছে ?" মোৰ মূৰত তেতিয়া বিজুলীয়ে খেলিছে। আধাভগা মাতেৰে কৈ উঠিলোঁ, "কি সাহেৰে তুমি সুধিছা মোৰ কি হৈছে বুলি ? তুমি কাপুৰুষ! তিৰোতাক অপমান কৰি আত্মপ্ৰশংসা বিচাৰা ?" ললিতে তললৈ মূৰ কৰিলে। মই কৈ যাবলৈ ধৰিলোঁ—"তুমি নিজক ইমানেই ভাল পোৱা যে তোমাৰ ভৰিৰ গছকত কাৰ হিয়া ভাগি তোমাৰ ভৰি তেজেৰে ৰাঙলী হৈছে তালৈ চকু দিবৰ তোমাৰ অৱসৰ নাই। তুমি—" মোৰ মুখৰ কথা মুখতেই থাকিল। ললিতে মুখ ঘূৰাই মোৰ ফালে চালে। তেওঁৰ মুখখন বেদনাত ক'লা পৰি গৈছে। চকুত অনন্ত বেথাৰ ছবি মূৰ্ত হৈ উঠিছে। খং মোৰ কেনিবাদি উৰি গ'ল। এটা সীমাহীন স্নেহে মোক আকুল কৰি তুলিলে ললিতৰ মুখখনি বুকুত সুমাই লৈ তেওঁক সান্ত্বনা দিবলৈ। ভৰি আপোনা-আপুনি এখোজ আগবাঢ়ি গ'ল। হঠাৎ বুকুখন ভাগি যোৱা যেন পালোঁ। চকুৰ পানীৰে বাট নেদেখা হ'ল। কোনোমতে ঘৰ পাই বিচনাত পৰি কান্দিবলৈ ধৰিলোঁ। ললিতৰ প্ৰতি কৰুণাত, স্নেহত, সহানুভূতিত যেন হিয়া গলি গ'ল। সম্পূৰ্ণ ৰাতি বিচনাত পৰি কান্দিলোঁ। পুৱা উষা আগমনৰ লগে লগে যেন মোৰ হিয়াত হঠাৎ নতুন দৃষ্টি এটাই জন্ম লাভ কৰিলে। মই উপলব্ধি কৰিলোঁ—বেথাৰ অনন্ত সাগৰত পৰি ললিতে প্ৰেয়সী নাৰীৰেই উপাসনা কৰিছে। সেই পূজাৰ মৃদু কৰুণ বিশ্বব্যাপী শংখ-নিনাদে জগতৰ গোটেই নাৰী জাতিৰ গৌৰৱ ঘোষণা কৰিছে। সেই পূজা ভাঙি দি, সেই অনন্ত দুখ-সমুদ্ৰক উগ্ৰাৱল কৰি তুলি প্ৰণয়ৰ চেষ্টা কৰা মোৰ অন্যায়।

মোৰ হৃদয়ে ললিতক পোৱাৰ সাৰ্থকতাৰ ভিতৰেদি লাভ কৰিব নোৱাৰে। ব্যৰ্থতাৰ সুৰত ললিতৰ জয় গান গায়েই মোৰ জীৱনক সন্তুষ্ট ৰাখিব লাগিব। মুহূৰ্তলৈকে যে এই অপৰূপ, মহৎ হৃদয়ৰ অনন্ত সৌন্দৰ্য মোৰ আগত মূৰ্ত হৈ উঠিল—সেই সৌন্দৰ্যৰ স্মৃতিয়েই মোৰ সম্বল। জীৱন দেৱতা, হয়তো মোৰ আজিৰ ব্যৰ্থ পূজা কোনোবা কল্পনাত সাৰ্থক হৈ উঠিব।

# হলীৰাম ডেকা
## (১৯০১-১৯৬২)

লক্ষ্মীনাথ বেজবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী আৰু নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প পঢ়াৰ অভিজ্ঞতাৰ পিচত হলীৰাম ডেকাৰ গল্পত আমি এখন বেলেগ ঠাইত আৰু এটা বেলেগ যুগত প্ৰবেশ কৰা যেন অনুভৱ কৰোঁ। সময়ৰ দ্ৰুত পৰিবৰ্তনৰ ছবি তেওঁৰ গল্পত প্ৰতিবিম্বিত হৈছে।

১৯০১ চনত ওপজা হলীৰাম ডেকাই ১৯২৯ চনত স্থাপিত 'আৱাহন'ৰ বুকুত গল্প লেখক ৰূপে আত্মপ্ৰকাশ কৰে। গতিকে তেওঁৰ স্মৃতি আৰু অভিজ্ঞতাৰ জগতখন হ'ল কুৰি শতিকাৰ প্ৰথম তিনিটা দশকৰ অসমীয়া সমাজখন--যাৰ প্ৰত্যক্ষ প্ৰতিফলন তেওঁৰ প্ৰথম গল্পবোৰত দেখা যায়। ১৯০১ চনৰ ২৭ মে' তাৰিখে গুৱাহাটীত কটন কলেজ স্থাপিত হয়। তাৰ ফলত আধুনিক শিক্ষাত শিক্ষিত লোকৰ সংখ্যা অসমত দ্ৰুত গতিৰে বাঢ়িবলৈ ধৰে আৰু এই-সকল লোকেই আমোলা-উকীল-শিক্ষক শ্ৰেণীৰ এটা চহৰীয়া অসমীয়া মধ্যবিত্ত সমাজ গঢ়ি তোলে। অসমীয়া তিৰোতাৰ মাজত আধুনিক শিক্ষাৰ প্ৰসাৰ আৰু কলেজত সহ-শিক্ষাৰ প্ৰচলনো এই সময়ৰ এটা বিশেষ সামাজিক তাৎপৰ্যপূৰ্ণ ঘটনা। এইবোৰ ঘটনাই শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ পুৰুষ-তিৰোতাৰ সম্পৰ্কৰ মাজত আৰু সেই সম্পৰ্কৰ প্ৰতি সমাজৰ দৃষ্টি-ভংগীত এটা নীৰৱ বিপ্লৱ ঘটাবলৈ আৰম্ভ কৰে। ওপৰত উল্লেখ কৰা লেখক তিনিজনৰ ভিতৰত বিশেষকৈ বেজবৰুৱা আৰু গোস্বামীৰ গল্পৰ সামাজিক আৰু মানসিক পটভূমি যদি আছিল উনৈশ শতিকাৰ শেষ ভাগৰ অসম, তেন্তে হলীৰাম ডেকাৰ গল্পৰ পটভূমি আছিল আধুনিক যুগত প্ৰবেশ কৰা কুৰি শতিকাৰ প্ৰথম তিনিটা দশকৰ অসম। সময়ৰ হিচাপত তাৰ পিচৰ কালৰ ছবিও তেওঁৰ গল্পত নিশ্চয় ফুটি উঠিছে ; কিন্তু তেওঁৰ গল্পত যি এক বিশেষ ধৰণৰ জীৱন-বোধ, মনোভংগী আৰু অভিজ্ঞতা ব্যক্ত হৈছে, সি যাইকৈ তৈয়াৰী হৈছিল কুৰি শতিকাৰ প্ৰথম তিনিটা দশকত, এটা নব্য-শিক্ষিত চহৰীয়া অসমীয়া মধ্যবিত্ত সমাজ সৃষ্টি হোৱাৰ প্ৰক্ৰিয়াৰ মাজত। এই সত্যটো আৱাহন যুগৰ আটাইকেইজন গল্পলেখকৰ ক্ষেত্ৰতে প্ৰযোজ্য। ১৯২৯ চনৰপৰা ১৯৩৯ চনলৈকে এই দহ বছৰৰ ভিতৰত তেওঁলোকে আৱাহনত যিবোৰ গল্প লেখিছিল, তাৰ পটভূমিত আছিল কুৰি শতিকাৰ প্ৰথম তিনিটা দশকৰ তেওঁলোকৰ জীৱনৰ অভিজ্ঞতা, স্মৃতি, স্বপ্ন। ১৯৩৯ চনত দ্বিতীয় বিশ্ব-যুদ্ধ আৰম্ভ হ'ল, আৰু লগে লগে এটা যুগৰ অন্ত পৰিল। সেই ইতিহাসৰ কাৰণে আমি এই গল্প সংগ্ৰহৰ দ্বিতীয় খণ্ডলৈ অপেক্ষা কৰিব লাগিব।

অসমীয়া গল্পৰ কালানুক্ৰমিক বিচাৰত হলীৰাম ডেকাৰ যিটো বৈশিষ্ট্য প্ৰথমেই চকুত পৰে বা পৰা উচিত, সেইটো হৈছে এই যে তেওঁৰ বেছিভাগ গল্পই প্ৰথম পুৰুষত বিবৃত। শৰৎচন্দ্ৰ গোস্বামী বা নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে 'মই' হৈ কোৱা গল্প প্ৰায় নাই বুলিয়েই ক'ব পাৰি ; বেজবৰুৱাই কেইটামান গল্প উত্তম পুৰুষত কৈছে যদিও সেই উত্তম পুৰুষ বেজবৰুৱা বা কৃপাবৰ বৰবৰুৱা নহে আন যি কোনো এজন মানুহ হোৱাহেঁতেনো কোনো হানি-ভেটি নহ'লহেঁতেন। হলীৰাম ডেকাই তেওঁৰ বেছিভাগ গল্প উত্তম পুৰুষত কোৱাৰ এটা কাৰণ আছে। সামান্য বস্তু-

সহকাৰে তেওঁৰ গল্পবোৰ পঢ়িলেই বুজা যায় যে এই গল্পবোৰৰ বেছিভাগ কেচা-মাল বা উপকৰণ তেওঁ নিজৰ জীৱনৰপৰাই আহৰণ কৰিছে। টলষ্টয়, চেখভ্ আদি লেখকসকলৰ ৰচনাত সৃষ্টিশীল কল্পনাতকৈ বাস্তৱ অভিজ্ঞতাৰ প্ৰাধান্য যে বেছি—সেই কথা সমালোচকসকলে আঙুলিয়াই দেখুৱাইছে। টলষ্টয়ৰ উপন্যাসৰ বহুতো সৰু-বৰ চৰিত্ৰৰ মূল আছি হয় তেওঁ নিজে, অথবা তেওঁৰ পৰিয়ালৰ কোনো লোক। বাছিখান সমালোচকসকলে এই কথাও আঙুলিয়াই দেখুৱাইছে যে চেখভৰো গল্প আৰু নাটকৰ বহুতো চৰিত্ৰ বাস্তৱ জীৱনৰপৰাই লোৱা হৈছে, আৰু এই বিষয়ে বিশদভাৱে অধ্যয়ন কৰাৰ থল আছে। (দ্ৰষ্টব্য : ৰোণাল্ড হিঙ্গলীৰ 'চেখভ্')। হলীৰাম ডেকাৰ গল্পৰ ক্ষেত্ৰতো এই কথা কব পাৰি। তেওঁৰ কিছুমান গল্প আত্মজীৱনীমূলক, আন বহুতো গল্পৰ উপজীৱ্য অতি ঘনিষ্ঠ আৰু ব্যক্তিগত অভিজ্ঞতা। ১৯৭৪ চনত প্ৰকাশিত তেওঁৰ গল্পৰ প্ৰথম সঙ্কলনৰ পাতনিত তেওঁৰ পুত্ৰ প্ৰণৱজ্যোতি ডেকাই লেখিছে : "নিজৰ জীৱনৰ কিছুমান অভিজ্ঞতা হলীৰাম ডেকাই কোনো পৰিবৰ্তন নকৰাকৈ গল্পত ঠাই দিছে।" এই সকলোবোৰৰে ফল এয়েই হৈছে যে পূৰ্বগামী গল্প লেখককেইজনৰ নৈৰ্ব্যক্তিকতাৰ ঠাইত হলীৰাম ডেকাৰ গল্পত আমি এক ব্যক্তিগত জীৱনৰ উত্তাপ অনুভৱ কৰোঁ ; লেখক ইয়াত নিৰ্লিপ্ত কথক মাত্ৰ নহয়, নিৰপেক্ষ দ্ৰষ্টা নহয়, তেওঁৰ বক্তব্যও জীৱনৰ অভিজ্ঞতাৰ সাধাৰণীকৰণ মাত্ৰ নহয় ; আমি ইয়াত দেখা পাওঁ এজন বিশেষ ব্যক্তিৰ জীৱন-সম্পৰ্কীয় কেতবোৰ বিশেষ অভিজ্ঞতা আৰু জীৱনৰ প্ৰতি তেওঁৰ বিশেষ দৃষ্টিভংগী। তেওঁৰ গল্পৰ চৰিত্ৰবোৰ যেনেকৈ কেৱল মাত্ৰ 'টাইপ্' নহয়, সেইদৰে গল্প কোৱা মানুহজনো নিজৰ সৃষ্টিৰ লগত অসংস্পৃক্ত নিৰ্লিপ্ত কথক মাত্ৰ নহয়। হলীৰাম ডেকাৰ গল্পত সাহিত্যৰ লগত জীৱনৰ সম্পৰ্ক নিবিড়তৰ হৈ আহিল, অধিক ব্যক্তিগত হৈ আহিল অসমীয়া সাহিত্যত ই এটা নতুন স্বাদৰ অভিজ্ঞতা।

হলীৰাম ডেকাই বিভিন্ন বিচিত্ৰ বিষয়-বস্তুক অবলম্বন কৰি গল্প লেখিছে। সেইবোৰৰ সমল তেওঁ পৰিচিত আৰু ব্যক্তিগত অভিজ্ঞতাৰপৰাই আহৰণ কৰাৰ কাৰণে বৰ্ণনা বাস্তৱধৰ্মী আৰু চৰিত্ৰবোৰ জীৱন্ত হৈছে। যিবোৰ চৰিত্ৰ অংকনত তেওঁ বিশেষ দক্ষতা দেখুৱাইছে আৰু বাস্তৱ জ্ঞানৰ পৰিচয় দিছে, সেইবোৰ হ'ল হাকিম আৰু হাকিমৰ মো-চাহাব (বালিভাত), উকীল (অৱজ্ঞা, জুলেখা), ডাক্তৰ (ভৱিষ্যৎ), লেখক (দিন সলনি হ'ল), ভোট-খোৱা চৰকাৰী বিষয়া (দিন সলনি হ'ল)—ইত্যাদি। তেওঁৰ গল্পৰ দুটা প্ৰধান আকৰ্ষণ হ'ল বিশেষ এক ব্যক্তিত্বৰ স্বাক্ষৰ-সম্বলিত ৰসাল আৰু বুদ্ধিদীপ্ত ভাষা, আৰু এক তিৰ্যক ব্যংগ-দৃষ্টি—ইংৰাজীত যাক কোৱা হয় চিনিচিজ্‌ম্। এই শেষোক্ত বস্তুটো অসমীয়া সাহিত্যত হলীৰাম ডেকাৰ লেখাতেই বোধহয় আমি প্ৰথমে পাওঁ। গল্পৰ গাঁথনিত তেওঁ প্ৰয়োজনীয় সংযম বা নিয়ন্ত্ৰণৰ পৰিচয় দিয়া নাই, অনেক সময়ত অনাৱশ্যক ভূমিকা আৰু অসংলগ্ন বৰ্ণনাই গল্পৰ বহুত ঠাই অধিকাৰ কৰি থাকে, কিন্তু এটা বিষয়ত তেওঁ বিশেষ কৃতিত্বৰ পৰিচয় দিছে। সেইটো হৈছে অতি কম কথাতে অৰ্থাৎ বিশদ বিৱৰণৰ পৰিবৰ্তে কেৱল মাত্ৰ সযত্ন-চয়িত suggestive detail-ৰ সহায়েৰে চৰিত্ৰ ফুটাই তোলাৰ ক্ষমতা।

একোজন লেখকে জীৱনৰ বিভিন্ন সমস্যাক অবলম্বন কৰি সাহিত্য সৃষ্টি কৰিব পাৰে, কিন্তু সাধাৰণতে দেখা যায় যে জীৱনৰ কেতবোৰ বিশেষ সমস্যাই লেখক-ভেদে তেওঁলোকৰ বিশেষ মনোযোগ আকৰ্ষণ কৰে। গল্পকাৰ হিচাপে হলীৰাম ডেকাৰ বিশেষ মনোযোগ আকৰ্ষণ কৰা বিশেষ সমস্যা বা বিষয়টো হ'ল নৰ-নাৰীৰ মাজৰ সম্পৰ্ক। তেওঁৰ ৰহণ সনা, শেষ-দেখা, পানী-গছা, বিয়া-বিভ্ৰাট, জুলেখা, দ্বিতীয় পক্ষ, মৰা যোঁৱা আদি কেইবাটাও শ্ৰেষ্ঠ গল্পৰ বিষয়-বস্তু হ'ল নৰনাৰীৰ এই সম্পৰ্ক। এই সম্পৰ্কই পাত্ৰভেদে, অৱস্থাভেদে কেতিয়াবা প্ৰেমৰ ৰূপ লব পাৰে, কেতিয়াবা সি নিতান্ত জৈৱিক আকৰ্ষণৰ স্তৰতে থাকি যায়। হলীৰাম ডেকাৰ কোনো গল্পতে এই সম্পৰ্কই প্ৰেমৰ ৰূপ লোৱা নাই, অৰ্থাৎ তেওঁ হৃদয়ৰ সেই অভিজ্ঞতাৰ ক্ষেত্ৰ ইচ্ছা কৰিয়েই

পৰিহাৰ কৰি চলি নৰ-নাৰীৰ দৈহিক আকৰ্ষণৰ ৰহস্য ভেদতেই নিজৰ দৃষ্টি সীমাবদ্ধ ৰাখিছে। কোনো কোনো সমালোচকে এইটো তেওঁৰ দোষ বুলি গণ্য কৰিছে, তেওঁলোকৰ বিবেচনাত এইটো ডেকাৰ জীৱন-বোধৰ গভীৰতাৰ অভাৱ। কিন্তু আচলতে সেইটো নহয়। প্ৰেম যেনেকৈ সাহিত্য-সৃষ্টিৰ বিষয়-বস্তু হব পাৰে, যৌন আকৰ্ষণো তেনেকৈ, সাহিত্য-সৃষ্টিৰ বিষয়-বস্তু হ'ব পাৰে। বস্তুতঃ জীৱনৰ কোনো সমস্যা, কোনো অভিজ্ঞতাই সাহিত্যৰ বহিৰ্ভূত নহয়। হলীৰাম ডেকাৰ বৈশিষ্ট্য এইখিনিতেই যে প্ৰেমৰ পৰিবৰ্তে যৌন আকৰ্ষণকেই গল্পৰ প্ৰধান উপজীব্য হিচাপে বাছি লৈ তেওঁ অসমীয়া কাহিনী-সাহিত্যত বাস্তববাদৰ প্ৰবৰ্ত্তন কৰিছে। সকলো মানুহেই প্ৰেমত নপৰে। প্ৰেমিকেও জীৱনত সকলো সময়তে প্ৰেমত নপৰে। কিন্তু অনুকূল পৰিবেশত নৰ-নাৰীৰ মাজত পাৰস্পৰিক যৌন আকৰ্ষণ অতি স্বাভাৱিক ঘটনা। বাস্তৱবাদী লেখক হলীৰাম ডেকাই সৰ্বসাধাৰণ মানুহৰ জীৱনত সচৰাচৰ ঘটি থকা এই স্বাভাৱিক অভিজ্ঞতাটোকে তেওঁৰ কেইবাটাও শ্ৰেষ্ঠ গল্পৰ বিষয়-বস্তু হিচাপে বাছি লৈছে। তাতোকৈ ডাঙৰ কথা, এই বিষয়-বস্তুক সাহিত্যত ৰূপ দিয়াতো তেওঁ প্ৰশংসনীয় কৃতকাৰ্যতা অৰ্জন কৰিছে। এজন বিবাহিত কিন্তু প্ৰোষিত-পত্নীক স্বামীয়ে এগৰাকী প্ৰতিবেশিনী বিবাহিতা মহিলাৰ প্ৰতি দৈহিক আকৰ্ষণ অনুভৱ কৰিছে (ৰহণ সনা), জীৱনৰ এই অতি স্বাভাৱিক সত্যটো লেখকে সংযত ভাষাৰে আৰু গভীৰ মনস্তাত্ত্বিক অন্তৰ্দৃষ্টিৰে প্ৰকাশ কৰিছে। আন এটা গল্পত (জুলেখা) এজনী সদ্য-পৰিচিতা অধৰী যুৱতীৰ প্ৰতি এজন বিবাহিত পুৰুষৰ যি হঠাৎ জাগি উঠা দৈহিক আকৰ্ষণ দেখুওৱা হৈছে, সিও জীৱনৰ এটা স্বাভাৱিক ঘটনা, হাজাৰ হাজাৰ মানুহৰ জীৱনত তেনে অভিজ্ঞতা ঘটে, হলীৰাম ডেকাৰ বৈশিষ্ট্য এয়েই যে তেওঁ এনেবোৰ অভিজ্ঞতাক ভণ্ড বা আদৰ্শ-বিলাসী নীতি-বাগীশৰ দৃষ্টিৰে নাচাই নিৰ্মোহ আৰু নিৰপেক্ষ লেখকৰ বাস্তৱ-বাদী দৃষ্টি-ভংগীৰে চাবলৈ চেষ্টা কৰিছে। দ্বিতীয় পক্ষ গল্পত এজন মানুহৰ দ্বিতীয় পক্ষৰ পত্নীয়ে স্বামীৰ ফালৰপৰা সন্তান হোৱাৰ কোনো আশা নেদেখি মাতৃত্বৰ কামনাৰ তাড়নাত ক্ষেত্ৰজ সন্তান লাভ কৰিছে; লেখকৰ প্ৰতিক্ৰিয়া: "ছোৱালীজনীৰ ছবিটো মোৰ মনত তেওঁৰ দৰেই পবিত্ৰ আৰু উজ্জ্বল হৈ উঠিল। তথাপি কিবা এটা দোষ পালো।...... তেতিয়াৰপৰা আৰু ছোৱালীজনীক চাবলৈ মই নিজকে বিশ্বাস কৰিব নোৱাৰা হলো। যদি মোৰ মনৰ অন্ধ সংস্কাৰে অজানিতে তাইৰ গাত মলি সানি দিয়ে?"

হলীৰাম ডেকাৰ এই শ্ৰেণীৰ গল্পত ফুটি উঠিছে জীৱনৰ প্ৰতি এক নিৰাবেগ নিৰ্মোহ দৃষ্টিভংগী, সমাজৰ প্ৰচলিত নৈতিকতাৰ উৰ্ধৰ এক উচ্চতৰ নৈতিকতাবোধ (বা নীতি-নিৰপেক্ষতা?), জীৱনৰ জটিল জটা-জালত বান্ধ খোৱা মানুহৰ প্ৰতি তেওঁৰ গভীৰ সহানুভূতি। তেওঁৰ ৰচনাতেই অসমীয়া গল্পৰ বয়োঃপ্ৰাপ্তিৰ লক্ষণো দেখা গৈছে।

## বে বড়ে ভাই

আঁদ্ৰে জিদে কৈছিল: "In art, expression alone matters, ideas seem to retain their youth but a day.... Pay attention only to the form; emotion will come spontaneously to inhabit it."

হলীৰাম ডেকাৰ বে বড়ে ভাই নামৰ গল্পটোত বিষয়-বস্তুৰ ফালৰপৰা বিশেষ নতুনত্ব একো নাই। চুলতান এটা কণা ভিকাৰী। তাৰ ককায়েক শ্বিলঙত থাকে। ককায়েকক

বিচাৰি সি শ্বিলঙলৈ যাবলৈ ওলাইছে, কিন্তু পইচা নথকাৰ কাৰণে কোনেও তাক গাড়ীত উঠিবলৈ নিদিয়ে। অৱশেষত দয়া-পৰবশ হৈ এজনে উঠিবলৈ দিলে, কিন্তু যিহেতু মানুহৰ চকুত তাৰ জীৱনৰ কোনো মূল্য নাই, সেই কাৰণে তাক উঠিবলৈ দিয়া হ'ল চাকনি নথকা মাল-গাড়ীত; ("কিন্তু বাপু তাৰপৰা যদি উফৰি যাব, মোৰ গাত দোষ নাই, সমূলে মৰিবি।") কোনোমতে সি শ্বিলং গৈ পালেগৈ, কিন্তু শ্বিলঙৰ বতাহ-বৰষুণৰ অন্ধকাৰ নিশাৰ অচিনাকি পথত এটা নিঃসংগ কণা মানুহ, কিছু সময় অসহায়ভাৱে বাট খেপিয়াই ঘূৰি ফুৰি অৱশেষত বজ্ৰ পৰি তাৰ মৃত্যু হ'ল।

দৰিদ্ৰ আৰু দুৰ্ভগীয়া মানুহৰ জীৱনক কেন্দ্ৰ কৰি এনেকুৱা গল্প বহুত লেখা হৈছে, ভৱিষ্যতেও হৈ থাকিব। কিন্তু প্ৰকাশ-ভংগীৰ যি যাদু স্পৰ্শত সামান্যও অসামান্য হৈ উঠে, জীৱনৰ অতি তুচ্ছ আৰু নিত্য-পৰিচিত অভিজ্ঞতাও এক নতুন চেতনাৰ আলোকত তাৎপৰ্য-মণ্ডিত হৈ উঠে, হলীৰাম ডেকাৰ এই গল্পটোত প্ৰকাশ- ভংগীৰ সেই যাদু-স্পৰ্শ দেখা যায়। গল্পটোৰ গম্ভীৰ দৃশ্য-পটত এহাতে মানুহ আৰু আনহাতে প্ৰকৃতিয়ে, এহাতে সমাজ আৰু আনহাতে নিয়তিয়ে সমানে ভূমিকা লৈছে; লেখকে নিপুণ তুলিকাৰ দুই এটা আচোৰতে এই সকলোৰে উপস্থিতি অতি জীৱন্ত আৰু অৰ্থ-পূৰ্ণ ৰূপত ফুটাই তুলিছে। মানুহৰ কোনো কোনো দুখ আপতিত, কোনো কোনো দুখ অনিবাৰ্য। এই গল্পটোত দুয়োবিধ দুখ একত্ৰিত হৈছে। চুলতানৰ দাৰিদ্ৰ্য হয়তো এটা অসৎ সমাজ-ব্যৱস্থাৰ পৰিণাম, তাৰ প্ৰতিকাৰ সম্ভৱ; কিন্তু তাৰ জন্মান্ধতা আপাততঃ এনে এক অনিবাৰ্য নিয়তিৰ পৰিণাম—যাৰ প্ৰতিকাৰ এতিয়াও মানুহৰ দৃষ্টি-গোচৰ হোৱা নাই। চুলতানৰ প্ৰতি মানুহ আৰু প্ৰকৃতি (অৰ্থাৎ নিয়তি) সমানেই নিৰ্মম, সমানেই সহানুভূতিহীন। এনে এক গভীৰ মানৱিক দুখৰ ছবি আঁকোতে লেখকে ক'তো তৰল ভাব-বিলাসিতাৰ আশ্ৰয় লোৱা নাই; যি সংযত ব্যঞ্জনা-সঞ্চাৰী ভাষা আৰু শক্তিশালী প্ৰকাশ-ভংগীৰ সহায়েৰে তেওঁ এই কাৰ্য সম্পাদন কৰিছে, সি উচ্চস্তৰৰ সৃষ্টি-প্ৰতিভাৰ পৰিচায়ক।)

দুই এখন পুৰণি ধৰণৰ ঘোঁৰা গাড়ী, দুই এখন নতুন পুৰণি মটৰ গাড়ী, দুই চাৰিটা শ্ৰান্ত ভাৰবাহী কুলী, এই সকলৰ অনিশ্চিত সমন্বয়তে ৰেল-ষ্টেছনৰ কাষতে 'গুৱাহাটী-শ্বিলং' মটৰ ষ্টেছনটি গজি উঠিছে। তাত সকলো কাম লাহে-ধীৰে বিজুলী চালিত গধুৰ গাড়ী এটাৰ নিচিনাকৈয়ে চলে। দেখিলে ধাৰণা হয় যেন ঘড়ীটো মৰা; কিন্তু কিছুপৰ স্থিৰ চকুৰে চাই থাকিলে দেখা যায় যে মিনিটৰ কাঁটাডালে জাপ মাৰি তাৰ এক মিনিট বহি থকাৰ অন্তত জীৱনৰ পূৰ্ণ আভাস দিয়ে। ঠিক সেইদৰে এই ষ্টেছনৰো সকলো কাৰ্যাৱলী সময়তেই হয়; কিন্তু কেনে লেহেম! 'পাণ্ডু-শ্বিলং ছাৰ্ভিছ'ৰ গাড়ীবোৰ আছে—ধনী-দুখীয়াৰ বিধে বিধে। নিৰ্ধনীৰ গাড়ী আহি বহুপৰ বৈ থাকে, মালৰ গাড়ীবোৰ শ্ৰান্তভাৱে গেৰুৱা ৰং লৈ বৈৰাগ্যৰ হুমুনিয়াহ তুলি এখন দুখনকৈ অদৃশ্য হয়; যাত্ৰীসকলে সাজি-পাৰি নিজ নিজ গাড়ীত উঠি যাত্ৰা কৰিবলৈ শুভ সংকেতটিলৈ চাই থাকে, দুই এটাই বাৰে বাৰে উঠি নামি বিদগ্ধতাৰ পৰিচয় দিয়ে আৰু নতুনকৈ দেখা দূৰ দেশৰ অপৰিচিত যাত্ৰীয়ে চাৰিওপিনৰ শৈল শ্ৰেণীলৈ চকু দি ভাবে—কি অনন্ত পৰ্বতমালাৰ গৰ্ভত আত্মসমৰ্পণ কৰিবলৈ ওলাইছে, ভগৱান যেন সাৰথি থাকে।

এনে এটা ক্ষণতে মলিন ফটা-ছিটা কোট-পেণ্ট পিন্ধা ওঠৰ-কুৰি বছৰীয়া ডেকা ল'ৰা এটাই এই মটৰ ষ্টেচনত দেখা দিলে। তাৰ হাতত এডাল বেত, আইৰ দাগ থকা মুখত এটা হাঁহি; কিন্তু দুটা বস্তুৰ তাৰ নিতান্ত অভাব—ভৰিত জোতা আৰু চকুত দৃষ্টি। ধৰণ-কাৰণ দেখি বুজা গ'ল ঠাইখিনি তাৰ অপৰিচিত নহয়; বৰং কুলী-মালী কিছুমানো তাৰ পৰিচিত যেন লাগিল। কাৰণ, সি অহাৰ লগে লগে চাৰিওপিনৰপৰা "চুলতান, চুলতান" বুলি শব্দ হ'ল আৰু মানুহবোৰ তাৰ কাষ চাপিল। সি হাঁহি ক'লে হিন্দুস্থানীত, "আজি মই যাবলৈ আহিছোঁ।" সকলোৱে সুধিলে, "ক'লৈ?" সি উত্তৰ দিলে,—"শ্বিলঙলৈ।" শ্ৰোতাসকলে ৰস পাই সুধিলে, "কিয়?" উত্তৰ দিলে, "মোৰ ককাইটিৰ খবৰ লবলৈ।" সকলোৱে গিৰ্জনি মাৰি হাঁহিলে—বোধহয় নিজৰ চকুৰ অভিমান লৈ আৰু তাৰ অন্ধতাৰ আলম লৈ। সি তালৈ ভ্ৰূক্ষেপ নকৰি তাৰ কামৰ জৰুৰতা বুজাবলৈ ক'লে—"ককাইটিৰ বহুত দিন বাতৰি পোৱা নাই।" সি নিজে গৈ খপজপাই এখন দীঘলীয়া মটৰ গাড়ীত উঠিল—এইবোৰৰ আধাখিনিত মাল-বস্তু যায় আৰু আধাখিনিত নিম্ন শ্ৰেণীৰ যাত্ৰী যাব পাৰে। "হেৰ, তোৰ টিকট নাই, নাম।" এই বুলি তাৰ হাতত ধৰি কোনোবা এজনে নমাই দিলে। সি বিনা আপত্তিতে নামি ক'লে, "বড় ভাইকা পট্টা নঁহী মিলা।" (ককাইটিৰ খবৰ পোৱা নাই।) চাৰিওপিনৰ মানুহে হাঁহিলে, বোধহয় উপহাস কৰি—অন্ধৰ আৰু স্নেহৰ আকৰ্ষণ! তাৰ চকুৱে গিৰ্ গিৰ্ কৈ পানী পৰিবলৈ ধৰিলে নিজৰ অসহায়তাত। কিন্তু ৰ'দ উঠাত দুবৰিৰ নিয়ৰৰ দৰে নিমিষতে তাৰ চকুলো অন্তৰ্ধান হ'ল, মুখত এটি স্নিগ্ধ হাঁহি বেঙাই গ'ল, সি গীত আৰম্ভ কৰিলে—কবিৰৰ দোহা! কি গীত, কি মাত! চাৰিওপিনে কাহ পৰি জিন গ'ল। বোধহয় বেছিভাগ শ্ৰোতাই হিন্দী নুবুজিছিল, হয়তো গানৰ ভাষা বহুতৰে অপৰিচিত আছিল; কিন্তু কি সুধাবৰ্ষী সেই সুৰ, তাৰ আইৰ ফুল পৰা চকুৰে-মুখে কি অপূৰ্ব সজীৱতা, পাতল ওঁঠ দুটি আৰু পাতল কৰি কি মধুৰ হাঁহি, অন্তত মাজে মাঁজে "ৰে, ৰে, ৰে, ৰে," বুলি ধ্বনি উঠে। গায়কৰ কি মন-প্ৰাণ হৰি নিয়া একাগ্ৰতা! যাবলৈ উন্মুখ যাত্ৰীসকল গাড়ীৰপৰা নামি গায়কৰ কাষ চাপিল, গাড়ীৰ চালকসকল আহি তাতে থুপ খালে, মটৰ কোম্পানিৰ কৰ্মচাৰীসকলে সাৱধান কৰি দিয়া সত্ত্বেও কাৰো গা নলৰিল। বেছি পইচা দিয়া যাত্ৰীসকলৰ যথা সময়ত যোৱাৰ কাৰণে কৰ্মচাৰীবোৰৰ উদ্বেগ বাঢ়িল; কিন্তু কম পইচাৰ যাত্ৰীসকলৰ গাড়ী আগে যাব লাগে। তেওঁলোকে প্ৰমাদ গণিলে। কৰ্মচাৰীসকলৰ এজন কাষ চাপি ক'লে,—"শুন, তোক মই যাত্ৰীৰ গাড়ীত উঠিব দিব নোৱাৰোঁ; কিন্তু ঢাকনি নথকা মাল গাড়ীত উঠি যাবিনে? কিন্তু বাপু তাৰপৰা যদি উফৰি যাৱ, মোৰ গাত দোষ নাই, সমূলে মৰিবি।" সি শান্তিৰ নিশ্বাস পেলাই ক'লে, "য'তে ত'তে যাম। ককাইটিৰ বহুত দিন বাতৰি পোৱা নাই।" কৰ্মচাৰীজন অতি ভদ্ৰ আছিল; তেওঁ সুধিলে, "ককায়েৰ শ্বিলঙৰ ক'ত

থাকে ?” সি অতি উৎসুক আগ্রহেৰে ক’লে, “শ্বিলঙত, বাবু শ্বিলঙত।” কুলী এটাই নি এখন মাল নিয়া মটৰৰ কাষত তাক এৰি দিলে, আৰু সি বিনা আয়াসে হাতীত মাউত বহা দি চাকনি নোহোৱা মটৰ গাড়ীৰ মালনিয়া পীৰা-খনত দেৱৰাজ ইন্দ্ৰৰ আমোলেৰে বহিল। শ্ৰোতাৰ জুম ভাগিল, যাত্ৰীসকল নিজ নিজ গাড়ীলৈ উভতিল, এখন এখনকৈ, গাড়ীবোৰ পানমতে লৰ দিলে; কিন্তু বায়ু মণ্ডলত তেতিয়ালৈকে চুলতানৰ উৎফুল্ল স্বৰ-লহৰী, যেন প্ৰিয় বন্ধুৰ স্মৃতিৰ দৰে সজাগ হৈ থাকিল।

শ্বিলঙত চুলতান গৈ গধূলি যেতিয়া নামে, জিপ্‌জিপীয়া বৰষুণ। ৰাজ আলিৰ বিজুলী চাকিবোৰে দূৰ আকাশৰ আলফুলকৈ ওলমি থকা তৰাৰ দৰে অকামিলা, নিস্তেজ পোহৰ বিকীৰণ কৰিছে। তাৰে কেৱল খাল আৰু আলিৰ প্ৰভেদ চিনি, মানুহ আৰু গাড়ীৰ অৱয়ববোৰ চিনি; কিন্তু আবাল্য অন্ধ চুল-তানৰ পক্ষে সি কি কামৰ হ’ব ? গাড়ীৰপৰা নামিয়ে যিজন ভদ্ৰলোকৰ সৌজন্যত আহি সি এইখিনি পালে তেওঁৰ মাত শুনেনে কাণ পাতি চালে, নুশুনিলে; তেওঁৰ উদ্দেশ্যে কৃতজ্ঞতা জনালে আৰু ফুটা টুপীটো মূৰত দি ষ্টেছনৰ বাহিৰ ওলাই ৰাজ আলিত থিয় দি ভৰিৰে খুপি খুপি আগবাঢ়িলে। কাষেৰে বোকা ছটিয়াই ফৰ্‌ফৰ্‌কৈ ধনীৰ যান-বাহনবোৰ অহা-যোৱা কৰিবলৈ ধৰিলে। সি এপিনে আলিৰ কাষৰ নৰ্দমাৰ ঢালু মাটি আৰু আন পিনে যান-বাহনৰ বোকাৰ ছিটিকনিৰ গম লৈ আগ বাঢ়িব ধৰিলে।

চুলতানে এতিয়াহে ভাবিবলৈ আজৰি পালে তাৰ ককায়েক কোনখিনিত আছে সি নাজানে।—কাৰ মুখে শুনিছিল কোনোবা চাহাবৰ ৰান্ধনি হৈ তাৰ ককায়েক আছে। কিন্তু কোন চাহাব, কি কৰে, কোনখিনিত থাকে, একেবাৰে তাৰ জনা নাছিল। চাহাবৰ নাম আৰু তাতে এটা অদ্ভুত বস্তু—সকলো চাহা-বৰে নাম অবোধ্য—অস্মৰণীয়। মনতে ভাবিলে, কি চাহাব জানো! নামটো শুনিছিল যদিও পাহৰিলে, শুনা নাছিল যদিও এতিয়া তাৰপক্ষে জনা আৱশ্যক। কাৰ তালৈ যাব ? তাৰ “বড়ে ভাই ?” তাকেই বা কোনে জানে ? ককায়েকৰ নাম হোছেন। মনতে নিজেই আবৃত্তি কৰিলে, “হোছেন, চুলতানকে বড়ে ভাই।” কিন্তু হায়! গাঁৱত হয়তো এই নাম পৰিচয়েই যথেষ্ট হ’লহেঁতেন, কিন্তু ই যে ৰাজপুৰী! ইয়াত নিৰ্ধনীৰ, নিমাখিতৰ পৰিচয় ক’ত ? ইয়াত মানুহক চিনে ধন-বিত্তেৰে, দীঘল উপাধি, ডাঙৰ ঘৰ, ডাঙৰ পদ-মৰ্যাদাৰে। চাহাবজনৰ নাম উদ্ধাৰ কৰিব পৰা হ’লে চাহাবী পট্টীত গৈ ককায়েকক বিচাৰি উলিওৱা সম্ভৱ হ’লেও হ’ব পাৰে। কিন্তু এই আন্ধাৰ, এই কিন্‌কিনীয়া বৰষুণ, এই আওবাটে ভৰা উদাসীন ৰাজপুৰী, তাত কোনে কাক সহায় কৰে, কোনে বাট দেখুৱাই লৈ যায়, বিশেষকৈ এই অন্ধ, ‘নাছাৰ’ দেউনীয়া ল’ৰাটিক ? সি মনে মনে ভাবি গৈ আছে, ককায়েকক কেনেকৈ বিচাৰি উলিয়ায়। মনতে

একো একোবাৰ চিঞৰৰ মাৰি উঠে "ৰে বড়ে ভাই!" জানে, এনেকৈ চিঞৰিলে একো নহ'ব, ধৈৰ্য ধৰি আৰু দুখোজ আগবাঢ়ে।

লাহে লাহে সি বাট-ঘাটত জনতাৰ অভাব বোধ কৰিবলৈ ধৰিলে। ৰাতিৰ নিবিড় নিস্তব্ধতাৰ সংকেত তাৰ মনলৈ আহিল। ভয় আৰু উদ্বেগত মন অলপ আকুল হ'ল, প্ৰাণ অলক্ষিতে শিয়ঁৰি উঠিল। দীঘল হুমুনিয়াহ এটাই ক্লান্ত মুখখন আৰু মলিয়ন কৰি গ'ল। নিজৰ মোনাত হাত ভৰাই বিচাৰিলে ৰুটি এডোখৰ পায়নে, অথবা আধাডুখৰীয়া বিড়ী আছেনে ক'ৰবাত। একো নাই, অলপ হাঁহিলে। বিমৰ্ষতাৰ বোজা অলপ অনুভৱ কৰিলে। বহিব খুজিলে, ক'ত বহে—ভিজা মাটি। পুনৰ হাঁহিবলৈ চেষ্টা কৰিলে, হুমুনিয়াহ আহিল। মনতে ৰিঙিয়ালে—"ৰে বড়ে ভাই!"

লাহে লাহে বতাহৰ বেগ চৰিল, বৰষুণৰ টোপাল ডাঙৰ হ'ল, মেঘৰ গাজনি পৰ্বতে-পাহাৰে প্ৰতিধ্বনিত হ'ল, বিজুলীয়ে দুৰ্যোগৰ আগ বাতৰি দিলে। চুলতানে ভাবিলে, 'বতৰ ঘোৰ বিৰোধী। ৰাতিটোলৈ আশ্ৰয় পালেও বোধহয় বেয়া নাছিল। কিন্তু কাৰ তালৈ এই ৰাতি দুপৰত আশ্ৰয় বিচাৰি যায়!' আলিৰপৰা কিছু দূৰত মটৰৰ ঘৰ-ঘৰণি, মানুহৰ হাই-উৰুমি, হাঁহি খিকিন্দালি, তিৰোতাৰ আনন্দৰ কিৰিলি তাৰ কাণত পৰিল। ভাবিলে, তালৈ গ'লে হয়তো আশ্ৰয় পোৱা যাব। কাষ চাপি গ'ল। দুৱাৰ-মুখ পাওঁতে নৌপাওঁতে দুৱাৰ-ৰখীয়াই সুধিলে—"কাক লাগে?" সি তাৰ হিন্দী সম্ভাষণ শুনি মনতে ভাবিলে এই যে মোৰ দেশৰ মানুহ, ইয়াৰপৰা ককাইৰো সমিধান পাব পাৰোঁ, নহ'লে ৰাতিটোলৈ অন্ততঃ আশ্ৰয় সুনিশ্চিত। সি কথাৰ উত্তৰ নিদিয়াকৈ কাষ চাপি গ'ল। দুৱৰীৰ সুৰ এইবাৰ আৰু কৰ্কশ হ'ল—একে প্ৰশ্নকে ঘূৰাই সুধিলে—"কাক লাগে?" সি ক'লে— "চোৱা ভাই, মই চকুৰে নেদেখোঁ! ককাইটিক বিচাৰি আহিছোঁ। ককাইৰ নাম হোছেন, মোৰ নাম চুলতান, আৰা জিলাত ঘৰ।" দুৱৰীয়ে ক'লে—"এইখন চাহাববোৰৰ কেলাব ঘৰ। এতিয়া ইয়াৰপৰা আতৰ হ, চাহাব-মেমবোৰ যাবৰ হ'ল, ক'ৰবাত গাড়ীৰ তলত চেপা খাই হাড়-মূৰ ভাগি মৰিবি, আতৰ হ।" দুৱাৰ মুখৰপৰা অলপ দূৰত মটৰ গাড়ীয়ে পোঁ পোঁ শব্দ কৰি সংকেত দিলে; মটৰৰ চাকিৰ পোহৰত চুলতানৰ ছাঁটো পৰ্যন্ত উজ্জ্বল হৈ উঠিল। গাড়ীৰপৰা দাৰোৱানক উদ্দেশ্য কৰি মদগন্ধী সুৰত অবাচ্য গালি ওলাই আহিল। দাৰোৱানে পোতক তুলিলে, নিষ্ঠুৰভাৱে চুলতানক জোকাৰি তাৰপৰা আতৰ কৰি দিলে। এবাৰলৈ আশ্ৰয় খুজিবলৈও সি আহৰি নেপালে। অনাথানি জীউ, ৰাতিটোলৈ মূৰৰ ওপৰত এখন চাল, বাহিৰৰ তিতা মাটিৰ সলনি এডুখৰি শুকান বতাহ-বৰষুণে নোপোৱা ঠাই, এগাল ভাত, এখন শুকান ৰুটি নহলে এডাল আধাপোৱা বিড়ী, শিতান লবলৈ এডুখৰি শুকান কাঠ, একোৱে নিমিলিল। বৌ বৌ কৰে বৰষুণ, নিষ্ঠুৰ বতাহ, হাড়ে-হিমজুৰে ঠেৰেঙা লগা প্ৰকৃতিৰ পৰিহাস! আকৌ বাট ল'লে।

বাট-পথ তেনেই নির্জন হ'ল। কাক সুধি ককায়েকৰ সন্ধান লয়, এটা সমস্যা হৈ উঠিল। অকস্মাৎ কাৰবাৰ ভৰিৰ শব্দ যেন শুনিলেই সোধে—"ভাই, ক'ব পাৰনে মোৰ ককাই ক'ত আছে। তাৰ নাম হোছেন।" কাৰোপৰা একো উত্তৰ নাপালে। লাহে লাহে বৰষুণ কমিল, ফিৰফিৰীয়া বতাহ গাত অলপ ভাল লাগিল। ওপৰলৈ দৃষ্টিহীন চকু দুটি তুলি ক'লে—"হে খোদা, মোৰ ককাইৰ সম্ভেদ দিয়া। তুমি জানা, মোৰ শৰীৰ নিশকতীয়া, চকুৰে নেদেখোঁ, অজান বাট-পথ, তুমি জানো সহায় নকৰিবা?" ভগৱানে একো নকলে; বাহিৰতো সংকেত নাই, ভায়েকৰ ঠিকনা সমানে অজানিত থাকিল, আশ্ৰয়ৰ আশা সমানে দূৰত থাকিল। তাৰ অন্তৰত এটা অস্পষ্ট প্ৰতিশোধৰ ভাব জাগি উঠিল, কাক উদ্দেশ্য কৰি কব নোৱাৰিলে, বোধহয় ভগৱানক উদ্দেশ্য কৰি । এই প্ৰতিশোধে তাৰ সুপ্ত অন্তৰাত্মা জগাই তুলিলে। গান জুৰিলে যেন ভগৱানক বিমুগ্ধ কৰিবলৈ। সেই গীত সম্বন্ধে কবিৰ ভাষাত ক'বলৈ হ'লে—

সে শুধু শুনেছ নীৰব সন্ধ্যা
নীল নির্বাক সিন্ধু তলে
শুনে গ'লে আৰ্দ্ৰ হৃদয়
শিশিৰ শীতল অশ্ৰুজলে।

পাইন গছৰ শাৰীয়ে নিৰ্বাকভাৱেই সেই গীতৰ মাহাত্ম্য উপলব্ধি কৰিলে—কোনো জনমানৱ বা ভগৱানৰ তালৈ করুণ দৃষ্টিপাত ন'হল। নিজৰাৰ ঝৰ ঝৰ শব্দ, গছৰ পাতৰ পানী পৰা সৰ্‌-সৰ্‌ শব্দ, তাৰ কাণত সকলো পৰে; কিন্তু তাৰ এই অসহায় আৰ্তনাদ আজি কাৰো কৰ্ণগোচৰ নহ'ল। এখুজি-দুখুজিকৈ অৱশ দেহ ভাৰ লৈ গভীৰ অন্ধকাৰৰ মাজত ককায়েকক বিচাৰি অন্ধ আগবাঢ়ি গ'ল।

কুমাৰী ছাহেৰাবানু 'কীন' কলেজৰ অধ্যাপিকা। কলেজত অংক শিকায়—ঘৰত সাহিত্য পঢ়ে। কথাই-বতৰাই তৰ্ক নোতোলে, প্ৰণয় শাস্ত্ৰত তেওঁৰ ব্যুৎপত্তি কম, নাৰী প্ৰগতিৰ তেওঁ পৰিপন্থী, মনস্তত্ত্ব বিচাৰত (যাৰ অৰ্বাচীন নাম কাৰো কাৰো মতে 'যৌনতত্ত্ব') তেওঁ পাছ কৰা, কলেজত তেওঁ নাম পাইছিল, মিছ চাহাৰা। তেওঁৰ চিৰ্লমিলীয়া টোপনিৰ মাজত কাৰ যেন এটা মিহি সুৰ কাণত পৰিল। আকৌ কাণ দিলে, সেই সুৰ যেন বিষাদৰ; কিন্তু আনপিনে যেন চিত্ত-বিনোদক। চকুৰপৰা টোপনিৰ জাল আতৰিল, শুনিবলৈ পালে সংগীতৰ সুৰ। তেওঁ বিচনা এৰি বাহিৰলৈ আহিল, পিৰালিত থিয় দিলে। ঠেৰেঙা লগা চেঁচা বতাহ, গুৰি গুৰি বৰষুণ, কোনোবা পিনৰপৰা যেন আকুল আবেগ ভৰা গানৰ সুৰ বতাহত ভাঁহি আহিছে। এই সংগীত সুখাভিলাষীৰ মৃদু ছন্দৰ আয়াসৰ গীত নহয়, কাৰ যেন অন্তঃস্থলৰ গভীৰ আৰ্তনাদ—সংগীতৰ মূৰ্তি ধৰি, বিদ্ৰোহীৰ হিয়া ভেদি, তেজৰ

কণিকালৈ বাহিৰ ওলাই আহিছে। চাওঁতে চাওঁতে আকাশ আকৌ মেঘেৰে উপচি পৰিল। কেউপিনে মেঘৰ আন্দোলদোল লাগিল, বিজুলীয়ে বিদ্ৰোহ ঘোষণা কৰিলে—মেঘৰ গাজনিত গান অস্পষ্ট হ'ল।

কি ধাৰাসাৰ বৰষুণ! ছাট্ ছাট্ কৰে বাৰে বাৰে ঘৰৰ টিনৰ চালত বৰষুণৰ কোবৰ জাউৰ পৰিবলৈ ধৰিলে, ছিটিকণি পৰি আধা ভিজা হ'ল, তথাপি মিছু ছাহেবাই গীতৰ মায়া, গায়কৰ মমতা এৰি ভিতৰ সোমাব নোৱাৰিলে। অলপ সময়ৰ পিচত গীত নাইকিয়া হ'ল। মাজে মাজে শুনিবলৈ পালে কাতৰ সম্বোধন—"ৰে বড়ে ভাই!" এবাৰ শুনিলে—"কাঁহাঁ হো তুম? মই তেৰে ভাই চুলতান। ৰে বড়ে ভাই!" ছাহেবাৰ অন্তৰত সহানুভূতিৰ তুংগভদ্ৰা মুকলি হ'ল। বুজিলে, কোনোবা অসহায় বালকৰ কান্দোন। কি কৰিব, নিয়মৰ শিকলিৰে বন্ধা! ছোৱালী হোষ্টেলৰ অৱৰক্ষণৰ আৱালত তেওঁ। নিয়মৰ শিকলি দলিয়াই পেলায় কেনেকৈ! অবিবাহিতা তিৰোতা, বাহিৰলৈ ওলাই গৈ নিৰাশ্ৰয় পুৰুষক ভিতৰলৈ আনিব পাৰেনে? কৰ্ত্ৰীসকলে কি কব? জানোচা এই সজ চেষ্টাত তেওঁৰ পেটৰ ভাত মুঠা যায়। "ৰে বড়ে ভাই"—আকৌ শুনিলে—"মুই তেৰে ভাই চুলতান।" নিয়মক ভৰিৰে মোহাৰি ছাহেবা ওলাই যাব, দাৰোৱানক বিচাৰিলে চাবি লাগে।

আকৌ চেৰেকনি বিজুলীৰ সুদীৰ্ঘ কঁপনি, মেঘৰ ভীষণ আৰ্তনাদ। লগে লগে চুলতানৰ কান্দি উঠা মাত। এনেতে ওপৰৰপৰা যেন জুই একুৰা পৰিল। ইয়াৰ পিচত সকলো শাঁত। ছাহেবাই পুনৰ মাত নুশুনি কান্দোনৰ দিক নিৰূপণ কৰিব নোৱাৰিলে।

ৰাতিপুৱা দেখিলে, চুলতানৰ অলৰ দেহটি ছোৱালী হোষ্টেলৰ বেৰৰ আগপিনে আলিৰ দাঁতিত পথাৰৰ কাণত পৰি আছে।

দুৰ্যোগৰ ৰাতিত, আজিও ছাহেবাৰ টোপনি ভাগিলে সেই আৰ্তনাদভৰা গানৰ যে প্ৰতিধ্বনি শুনে, লগে লগে সজল চকুত ভাহি উঠে, সেই ভ্ৰাতৃ বৎসল নিৰ্জীৱ দেহাটি।

# লক্ষ্মীনাথ ফুকন

( ১৮৯৭-- )

দুকুৰি বছৰতকৈ বেছি সময় ধৰি লক্ষ্মীনাথ ফুকনে গল্প লেখিছে ; অৱশ্যে একেলেথাৰিয়ে নহয়, এৰা-ধৰাকৈ। কুৰি শতিকাৰ দ্বিতীয় দশকত প্ৰকাশ পোৱা 'আলোচনী' নামৰ সাহিত্য-পত্ৰিকাত তেওঁ প্ৰথমে গল্প লেখিবলৈ আৰম্ভ কৰে। ফুকনৰ আগ বয়সৰ গল্পবোৰ 'মালা' নামৰ গ্ৰন্থত সন্নিবিষ্ট হৈছে। কিন্তু মাজতে তেওঁ গল্প লেখিবলৈ এৰি দিলে, অথবা লেখিলেও সেইবোৰ ক'তো প্ৰকাশ হোৱা নাছিল। । 'আৱাহনযুগত' লক্ষ্মীনাথ ফুকনৰ প্ৰধান পৰিচয় আছিল সুকোমল ভাব-ভাষা আৰু সুকুমাৰ অনুভূতিৰ ৰোমান্টিক কবি হিচাপেহে, গল্প-লেখক হিচাপে নহয়। জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰে পুৰঠ মন এটা লৈ পৰিণত বয়সত তেওঁ পুনৰ গল্প লেখিবলৈ আৰম্ভ কৰিলে। তেওঁৰ ভাটী বয়সৰ গল্পবোৰ 'ওফাইদাং' আৰু 'মৰমৰ মাধুৰী' নামৰ দুখন গ্ৰন্থত সন্নিবিষ্ট হৈ প্ৰকাশ হৈছে।

বেছিভাগ অসমীয়া লেখকেই যি বয়সত গল্প লেখিবলৈ এৰি দিয়ে, সেই বয়সত লক্ষ্মীনাথ ফুকনে তেওঁৰ বিখ্যাত গল্পবোৰ লেখিবলৈ আৰম্ভহে কৰিছিল। ফলত তেওঁৰ গল্পত এনে এটা স্বকীয়া ৰস পোৱা যায়—যিটো ৰস সচৰাচৰ অসমীয়া গল্পত দুৰ্লভ। মানুহে কুমলীয়া বয়সত মিঠা আৰু টেঙা বস্তু বেছিকৈ ভাল পায়, বয়স বাঢ়িলেহে তিতা-কেহা বা জলা বস্তুত মানুহে জুটি পোৱা হয়। ফুকনৰ গল্পত তিতা-কেহা আৰু জলাৰ প্ৰাধান্য বেছি। তাৰ প্ৰধান কাৰণ এয়েই যে তেওঁ যি বয়সত এই গল্পবোৰ লেখিবলৈ আৰম্ভ কৰিছিল, সেই সময়ত তেওঁৰ চকুৰপৰা যৌৱন-সুলভ মোহাঞ্জন মচ্‌খাই গৈছিল, তেওঁৰ নগ্ন নিৰ্মোহ দৃষ্টিত জীৱন আৰু জগতৰ প্ৰকৃত ৰূপটো ধৰা পৰিছিল, তাৰ লগতে যোগ হৈছিল তেওঁৰ সহজাত চিনিকেল মনোভংগী। অৱশ্যে এই কথা ক'লে ভুল কোৱা হ'ব যে জীৱন আৰু জগতৰ এখন সামগ্ৰিক চিত্ৰ তেওঁৰ ৰচনাত ফুটি উঠিছে। লেখক হিচাপে সিমানখিনি উচ্চাকাংক্ষা তেওঁৰ নাছিল। মানৱ-হৃদয়ৰ অতল সমুদ্ৰত ডুব দি তেওঁ অৰূপ-ৰতনো বিচৰা নাই বা তাৰ পাৰাপাৰৰ বিশাল-তাৰ জোখ লবলৈকো তেওঁ চেষ্টা কৰা নাই। তেওঁ কেৱল নিজৰ বাস্তৱ অভিজ্ঞতাৰ সীমিত পৰিধিৰ ভিতৰৰে কিছুমান পুৰুষ-তিৰোতাৰ জীৱনত বেকা দৃষ্টিৰে ভুমুকি মাৰি চাইছে, আৰু তেওঁৰ মোহমুক্ত শীতল দৃষ্টিত যি ধৰা পৰিছে তাকেই বৰ্ণনা কৰিছে। কোৱা বাহুল্য মাথোন যে তেওঁৰ দৃষ্টিত ধৰা পৰিছে কেৱল কেতবোৰ ক্ষুদ্ৰ মানুহৰ সাধাৰণ ক্ষুদ্ৰতা, নীচতা, ভণ্ডামি আৰু অন্তঃসাৰশূন্যতা। এইবোৰ মানৱীয় দোষ দুৰ্বলতাৰ প্ৰতি এহাতে যেনেকৈ তেওঁৰ মনোভাব অনুকম্পাৰে সিক্ত নহয়, আনহাতে ক্ৰোধ বা অসহিষ্ণুতাৰ হাৰাও সি উদ্দীপ্ত নহয়। পৰিণত বয়সত কোনো কোনো মানুহ এনে এটা মানসিক অৱস্থাত উপনীত হয়—যি অৱস্থাত মানুহৰ দোষ-দুৰ্বলতাই তেওঁৰ মুখত বিদ্ৰূপৰ বেকা হাঁহি ফুটাই তোলে, কিন্তু সেইবোৰৰ সংশোধনৰ কাৰণে চেষ্টা কৰিবৰ জোখাৰে উৎসাহ আৰু আদৰ্শবাদিতা তেওঁৰ নাথাকে। বৰং তেওঁ সেইবোৰ দোষ-দুৰ্বলতাক জীৱনৰ স্বাভাৱিক সত্য বুলিয়েই ধৰি লয়। ফুকনৰ গল্পবোৰত্তো জীৱনৰ প্ৰতি এনে এটা দৃষ্টিভংগী ফুটি উঠা যেন অনুভৱ হয়। তেওঁৰ ভংগী উন্নাসিক, ভাষা শ্লেষপূৰ্ণ, কিন্তু বক্তব্য সম্পূৰ্ণৰূপে নিয়ন্ত্ৰিত আৰু অনুত্তেজিত।

ডঃ বাণীকান্ত কাকতীয়ে ফুকনলৈ লেখা এখন চিঠিত লেখিছিল : "আপোনাৰ ছটা গল্প বৰ্ত্তমান সমাজৰ ছটা কালৰ জলন্ত চিত্ৰ। প্ৰত্যেকটো চৰিত্ৰই সেই চিত্ৰৰ সজীৱ মূৰ্তি। বেজবৰুৱাৰ পিচত এই অকণমান কিতাপখনেই সময়ৰ দাপোণ।" (ওফাইদাং)

সমসাময়িক সাহিত্য-সৃষ্টি সম্পৰ্কে ডঃ কাকতীৰ অন্যান্য বহুতো উক্তিৰ দৰেই এই উক্তিও আতিশয্যৰ দোষত দুষ্ট। লক্ষ্মীনাথ বেজবৰুৱাৰ সক্ৰিয় সাহিত্যিক জীৱন শেষ হৈ যোৱাৰ পিচৰপৰা ১৯৫২ চনত লক্ষ্মীনাথ ফুকনৰ ওফাইদাং প্ৰকাশ নোহোৱালৈকে মাজৰ এই প্ৰায় দুটা দশকৰ অসমীয়া সাহিত্যই (যাৰ ভিতৰত'আৱাহন যুগ' আৰু 'জয়ন্তী যুগো' পৰিছে) সমসাময়িক সমাজ আৰু সময়ৰ কোনো ধৰণৰ আশা-অভীপ্সা, অভিজ্ঞতা আৰু জীৱন-ধাৰা প্ৰতিফলিত কৰিব পৰা নাই--এনে এটা দাবী আত্যন্তিক সাহিত্যিক পক্ষ-পাতিতাৰ নিদৰ্শন। তথাপি ডঃ কাকতীৰ এই উক্তিয়ে লক্ষ্মীনাথ ফুকনৰ গল্পৰ কেতবোৰ স্বকীয় বৈশিষ্ট্যৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰে। আৱাহনযুগৰ গল্প-লেখকসকল আছিল প্ৰধানকৈ ৰোমাণ্টিক ভাব-বিলাসী আৰু আদৰ্শবাদী। মানুহৰ বিভিন্ন হৃদয়াবেগ, সহজাত প্ৰবৃত্তি আৰু সামাজিক সংগ্ৰাম--এইবোৰেই আছিল তেওঁলোকৰ গল্পৰ প্ৰধান উপজীব্য। ফলত সমাজৰ বা ব্যক্তি-জীৱনৰ এটা বিশেষ নিৰ্দিষ্ট পৰিসৰতে তেওঁলোকৰ দৃষ্টি সীমাবদ্ধ আছিল। লক্ষ্মীনাথ ফুকনৰ গল্পত আমি সমসাময়িক সমাজৰ এনে এখন ছবি পাওঁ--যিখন ছবি তেওঁৰ পূৰ্ববৰ্তী কোনো এজন লেখকে আঁকিবলৈ চেষ্টা কৰা নাই; এনে কিছুমান চৰিত্ৰ লগ পাওঁ--যিবোৰ চৰিত্ৰ বাস্তৱ জীৱনত আমাৰ নিত্য-পৰিচিত, কিন্তু সাহিত্যত তেওঁলোকৰ প্ৰবেশ ঘটা নাছিল। 'বাহিৰত বৰ-চুৰিয়াৰ ফেৰ, ভিতৰত চকুৱাৰ বেৰ'--এনে ধৰণৰ নীতি মানি চলা মানুহৰ সমাজত অভাৱ নাই; তেওঁলোকক লৈ ভাবোচ্ছ্বাসপূৰ্ণ আদৰ্শবাদী কাহিনী কেতিয়াও লেখিব নোৱাৰি, স্বাভাৱিকতেই তেওঁলোক মৃদু ব্যংগ-বিদ্ৰূপ বা উপহাসৰ পাত্ৰ। লক্ষ্মীনাথ ফুকনে তেনে মানুহৰ চিত্ৰ আঁকিছে (ওফাইদাং)। সেইদৰে সমাজৰ ডাঙৰ মানুহৰ মো-চাহেবী কৰি বা ফাই-ফৰ্মাচ খাটি জীৱন কটোৱা পৰজীৱী মানুহ (প্ৰাইভেট চেক্ৰেটেৰী); পানীক যি পাত্ৰতে থোৱা যায় সি তাৰে ৰূপ লোৱাৰ দৰে বেলেগ বেলেগ নিযোগ-কৰ্তা বা পৃষ্ঠপোষকৰ পচন্দ-অপচন্দ অনুসৰি নিজৰ জীৱন-ধাৰাকেই সলনি কৰি নতুন নতুন ৰূপ ল'ব পৰা ব্যক্তিত্বহীন আৰু জীৱিকা-সৰ্বস্ব দুৰ্বল চৰিত্ৰ (নতুন সুৰ); জীৱনৰ তুচ্ছতাৰ মাজতেই লেটি লৈ থাকি সুখ পোৱা মহিমাময়ীৰ দৰে অৰ্থ-গৃধ্নু তিৰোতা (মহিমাময়ী); মানুহৰ জীৱনতকৈ বাহ্যিক শিষ্টাচাৰ বা ক্ৰিয়া-কাণ্ডক বেছি মূল্য দিয়া অন্তঃসাৰশূন্য সমাজ-ব্যৱস্থা (টাইপিষ্টৰ জীৱন); মধ্যবিত্ত শ্ৰেণীৰ তথাকথিত শিক্ষিতা আৰু অৱসৰ-ক্লান্তা তিৰোতাৰ সাংস্কৃতিক বহুৱালী (বিহু সন্মিলন), এই আটাইবোৰেই বাস্তৱ জীৱনত আমাৰ নিত্য-পৰিচিত চৰিত্ৰ আৰু অভিজ্ঞতা, কিন্তু সাহিত্যত তাৰ প্ৰকাশ বৰ বেছি হোৱা নাই। লক্ষ্মীনাথ ফুকনৰ গল্পত তাৰ প্ৰকাশ ঘটিছে কাৰণেই ডঃ কাকতীৰ নিচিনা বিদগ্ধ সমালোচকৰ চকুতো তেওঁৰ গল্প 'সমাজৰ দাপোণ'ৰ ৰূপত প্ৰতিভাত হৈছে--যদিও সেই দাপোণত সমাজৰ এটা খণ্ডচিত্ৰহে প্ৰতিফলিত হৈছে।

গল্পৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ পিচতেই মহীচন্দ্ৰ বৰা আৰু লক্ষ্মীনাথ ফুকনৰ নাম ব্যংগ সমালোচক হিচাপে বিশেষভাৱে উল্লেখযোগ্য। ফুকনৰ নিজস্ব বৈশিষ্ট্য হ'ল এইখিনিয়েই যে আন দুজনতকৈ তেওঁ বেছি urbane, বেছি মিত-বাক, বেছি উন্নাসিক।

# টাইপিষ্টৰ জীৱন

ভাৰতীয় সমাজত দাৰিদ্ৰ্য এনে অতলস্পৰ্শী যে কেৰাণীক ঠিক দৰিদ্ৰৰ শাৰীত খব নোৱাৰি। প্ৰকৃত দৰিদ্ৰৰ তুলনাত কেৰাণীৰ অৱস্থা বেচ ঈৰ্ষাযোগ্য। কিন্তু বেছিভাগ মধ্যবিত্ত শ্ৰেণীৰ

লেখকৰ কাৰণে কেৰাণীয়েই হ'ল দাৰিদ্ৰ্যৰ প্ৰতীক ; তেওঁৰ সমস্ত সহানুভূতি কেৰাণীৰ ওপৰত অকৃপণভাৱে বৰ্ষিত হয়। এটা কথা ঠিক যে কেৰাণীৰ স্থান হ'ল- মধ্যবিত্ত শ্ৰেণীৰ একেবাৰে তলৰ খলপাত। বেছিভাগ মধ্যবিত্ত শ্ৰেণীৰ লেখকে নিজৰ শ্ৰেণীৰ বাহিৰে আন মানুহক ভালকৈ চিনি নাপায়।

কেৰাণীৰ জীৱনক কেন্দ্ৰ কৰি অসমীয়া ভাষাত বহুতো গল্প লেখা হৈছে . সেইবোৰৰ ভিতৰত লক্ষ্মীনাথ ফুকনৰ গল্পটো নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল। তেওঁৰ নিৰাবেগ নিৰলংকাৰ ভাষাৰ এনে এটা বিশেষ গুণ আছে যে দুই এটা আচোঁৰতে জীৱনৰ দুখৰ ছবি অতি মৰ্মস্পৰ্শ ৰূপত ফুটি উঠে। মাণিক শইকীয়া যিকোনো এজন কেৰাণী নহয়, এটা টাইপ চৰিত্ৰও নহয়, তেওঁৰ এটা নিজস্ব ব্যক্তিত্ব আছে। সেই ব্যক্তিত্বও অতি কম কথাতে ফুটাই তোলা হৈছে। কিন্তু গল্পটোৰ মূল বক্তব্য এজন দৰিদ্ৰ হতভাগ্য কেৰাণীৰ জীৱনৰ করুণ ট্ৰেজেদী নহয় ; আচল বক্তব্য হ'ল এক নিৰ্দয় অন্তঃসাৰশূন্য সমাজ-ব্যৱস্থাৰ স্বৰূপ উন্মোচন : "জীয়াই থাকোতে অনাহাৰ, মৰোতে ফুলৰ হাৰ।" লক্ষ্মীনাথ ফুকনৰ মৰ্মভেদী ব্যংগ-বাণৰ লক্ষ্য হ'ল এনে এক আত্ম-প্ৰতাৰক দুশ্চৰিত্ৰ সমাজ, যি সমাজে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে কিছুমান মানুহক নিৰ্দয়ভাৱে শোষণ কৰে, কিন্তু লগতে নিজৰ অপৰাধী বিবেকৰ প্ৰক্ষালনৰ কাৰণে নানাবিধ আন্তৰিকতাশূন্য বাহ্যিক ক্ৰিয়া-কাণ্ডৰ উদ্ভাৱন কৰে। অৰ্থগৃধ্নু শোষক সমাজ-ব্যৱস্থাৰ অপ-ৰাধী বিবেকেই হ'ল এই গল্পৰ কেন্দ্ৰীয় বিষয়বস্তু।

(১)

যোৱা তিনি বছৰৰ ভিতৰত মাণিক শইকীয়াই দহ দিনতকৈ বেছি ছুটী লোৱা নাই। মাকৰ শ্ৰাদ্ধৰ কাৰণে দুদিন, যোৰহাটলৈ কিবা কামত যাব লগা হোৱাত পাঁচ দিন, আৰু গা ভালে নথকাৰ কাৰণে তিনি দিন। দেওবাৰে অফিচ বন্ধ নথকা হলে তেওঁ কিজানি সেইদিনাও নিয়মমতে কামলৈ গ'লহেঁতেন।

চৌধুৰী ব্ৰাদাৰ্চ কোম্পানীৰ মাণিক শইকীয়া টাইপিষ্ট। যুদ্ধৰ সময়ত তেওঁ ৩০০ টকীয়া কাম এটাকে কৰিছিল। কিন্তু যুদ্ধও গ'ল, লগে লগে তেওঁৰ কামটোও গ'ল। টকা-পইচা অলপ-অচৰপ সাঁচিছিল যদিও সি এই মহঙা বজাৰত পানীত লোণ পমাদি পমি সোনকালেই অন্তৰ্ধান হ'ল। কাম এটা নললে তেওঁৰ উপায় নোহোৱাত পৰিল। এনে সময়তে চৌধুৰী ব্ৰাদাৰ্চ কোম্পানীয়ে কাগজত জাননী দিলে টাইপিষ্ট এজন লাগে বুলি, আৰু মেনেজাৰে তেওঁ বিচৰা মতে কামলায়ক উপযুক্ত ডেকা প্ৰাৰ্থী কাকো নেপাই মাণিক শইকীয়াকে দিওঁ নিদিওঁকৈ শেহত কামটো দিলে। দৰমহা মাহে ১০০ টকা।

দহ বজাৰ লগে লগেই মাণিক শইকীয়া অফিচ সোমায়হি আৰু কাম আৰম্ভ কৰি দিয়ে। ক্লিলিক-ক্লিক-ক্লিক কৰি টাইপৰাইটাৰটো চলে।

অফিচৰ চাপ্ৰাচীটোৱে মেনেজাৰৰপৰা খনে খনে চিঠি আৰু জাপে জাপে কাগজ আনি দিয়েহি আৰু মাণিক শইকীয়াই পৰিপাটিকৈ সেইবোৰ টাইপ কৰি ঘূৰাই পঠাই দিয়ে। দুইমান বজাত টাইপৰাইটাৰটো আগত লৈয়ে চাহ এপিয়লা খায় আৰু কেতিয়াবা আধামান খায়ে পিয়লাটো থৈ মুখ বিকটায়। তকন্তু চাহ খাওকেই বা পেলায়েই দিয়ক ছপইচা যে তাৰ বাবে ভৰিব লাগিব এই কথা তেওঁ জানে। কথাটো টলকি দ্বিতীয় কেৰেণী অজিত হাজৰীকাই কয়, "এইবিলাক ডেকুৰা চাহ কি খাব শইকীয়া দোকানত খাই আহোঁগে বলক।" শইকীয়াই উত্তৰ দিয়ে, "আপানালোক ডেকা ল'ৰা খকগে। দোকানে দোকানে চাহ খাই ফুৰিবৰ মোৰ বয়সো নাই, সময়ো নাই।"

অফিচলৈ তেওঁ সদায় কোট-পটলুং পিন্ধি আহে। এদিনো তেওঁক চুৰিয়া পিন্ধি অহা কোনেও দেখা নাই। জাৰকালি যিটো বুকু খোলা কোট তেওঁ পিন্ধে সেই কোটটোৰ যিখিনি গলধনত লাগি থাকে সেইখিনি ভেকুলীৰ ছালৰ দৰেই খৰ্খৰীয়া হৈ পৰিছিল, তেওঁৰ আটোমটোকাৰি যত্নত হে উঁৱলি যোৱা নাই। বাউঁসীৰ তলত টাপলি বৰকৈ নোলায় যদিও মন কৰিলে দেখি ।
ৰ লগত পিন্ধা পটলুংটোৰ অৱস্থা অৱশ্যে কিছু ভাল, অন্ততঃ ওলাই থকা খিনিত ক'তো টাপলি নাই। ভৰিৰ গোৰোহাৰ পিনে ছিগি দহি ওলাইছে যদিও সি ধৰিবলগীয়া নহয়।

(২)

মেনেজাৰে মাণিক শইকীয়াৰ কামৰ তাৰিফ কৰে। তেওঁ জানে যে মাণিক শইকীয়াই কামত গাফিলী নকৰে, ফাঁকি নিদিয়ে আৰু সকলো কাম নিয়াৰিকৈ কৰে। মেনেজাৰ কলিকতা বা আন ঠাইলৈ গ'লে অফিচৰ বৰকেৰেণীৰ পৰা চাপ্ৰাচীলৈকে সকলোৰে পাখি গজে, গৰ হাজিৰৰ সংখ্যা বাঢ়ে আৰু চাহৰ দোকানত ভালকৈয়ে আড্ডা জমে। বৰকেৰেণীৰ ঘৰত জৰুৰী কাম ওলায় নাইবা তেওঁৰ গাটো কেনেবা কেনেবা লাগে, গতিকে তেওঁ পুথি-পাঁজি সামৰি ঘৰমুৱা হয়। মিঠা কথাৰে তেওঁ মানুহ ভুলাব জানে। তেওঁ শইকীয়াক আন দিনা শইকীয়া বুলিয়েই মাতে; কিন্তু সেই দিনা শইকীয়া হয় "ককাইদেউ"। শইকীয়াক তেওঁ কয়, "এই কাম-খিনি আপুনিয়েই কৰি থব দেই ককাইদেউ, আপোনাৰতো আজি টাইপ কৰি-বলৈ বিশেষ একো নাই; আৰু থাকিলেও, আপুনি কৰো বুলিলে নো কেত পৰ?" কিন্তু এনেদৰে বৰকেৰেণীয়ে নকৈও পাৰে। মেনেজাৰ অফিচলৈ আহকেই বা নাহকেই মাণিক শইকীয়াই কাম পেলাই থৈ ঘৰলৈ নাযায়।-

অজিত হাজৰীকাৰ সুৰ বেলেগ। তেওঁ মাণিক শইকীয়াক কয়, "থৈ দিয়ক শইকীয়া, ইমানকৈ খাটি নমৰিব। এশ টকাত এনে গাধা খাটনি এই বয়সত আপোনাৰ কিন্তু সহ্য নহব, মই হলে কৈ থলোঁ। ইমানকৈ

খাটিছে হে খাটিছে আজি তিনি বছৰে ৰূপ ১০ টকা হে বাঢ়িল দেখোন। মেনেজাৰে খোলোঁ বুলিও আজিলৈকে ফাণ্ড এটা নুখুলিলে। আপুনিয়ে কোম্পানীৰ ভাললৈ চাইছে ইমান, কোম্পানীয়ে নো আপোনাৰ ভাললৈ কিমান চাইছে? মেনেজাৰৰ প্ৰশংসা বাণীৰেই পেট ভৰিবনে?"

মাণিক শইকীয়াই খিলখিলকৈ হাঁহে, কয়, "বুজিছোঁ অজিত, তোমাৰ কথাও সুকীয়া। তুমি তো ইখনৰ পিছত সিখনকৈ দৰ্খাস্ত ফৰ্মু টিয়াবই লাগিছা, এতিয়ালৈকে আম সৰাব পৰা নাই দেখিছে। ময়ে তোমাক কেইখন দৰ্খাস্ত টাইপ কৰি দিলোঁ ভাবি চোৱাচোন। এদিন নহয় এদিন ভুৰং কৰে উৰি যাবাই। কিন্তু মই যাম কলৈ? ঘৰখন এৰি এই বয়সত আন ঠাইত কাম পালেও কৰিমগৈ বা কেনেকৈ? তুমি ডঙুৱা মানুহ তোমাৰ চিন্তাই বা কিহৰ? মোৰ কিন্তু এখন ঘৰ পুহিব লাগে, সৰুৰে বৰে সাতোটাকৈ খাওঁতা। ঘৰে ঘৰোৱাহে এই ৰূপ কেইটকীলৈকে আশা পালি থাকে। ছোৱালীজনীক এই জাৰত গাত লৈ স্কুললৈ যাবলৈ গৰম কাপোৰ এখনকে দিব পৰা নাই। কাম মই কৰিবই লাগিব, অজিত, আৰু কাম যেতিয়া কৰিছোঁৱেই ভালকৈ না নকৰিম কিয়? কামত মই কোনোদিনেই ফাকি দিয়া নাই।"

গোটেই অফিচটোৰ ভিতৰত এই সহজ-সৰল মানুহজনক অজিতে যিমান বুজে আন কেৱে সিমান নুবুজে। অজিতৰ তৰ্ক কৰিবৰ মন গ'লেও তৰ্ক নকৰি বপুৰা মনে মনে থাকে, নতুবা ওলাই যায়। মাণিক শইকীয়াই কাম কৰি থাকে—ক্লিলিক-ক্লিক-ক্লিক। এখনৰ পিচত এখনকৈ টাইপৰাইটাৰটোৰপৰা কাগজ ওলাই আহে, সেইবিলাক জাপি তেওঁ সমানকৈ মেজৰ একাষে হেঁচনী দগা এটাৰে নাইবা দগা নেপালে বহী এটাৰে চেপি থয়। তাৰ পিচত তেওঁ বৰকেৰেণীয়ে দি যোৱা কাগজ-পত্ৰবিলাকত ধৰে। এই-বোৰ বিল দেখোন। কোম্পানীৰ বিলৰ লগতে এইখন দেখোন মেনেজাৰৰ ঘৰুৱা বিল—দুখন পৰ্দাৰ কাপোৰ ১০।।, তিনটা ফুলদানী ১৫ টকা, ছগজ লং ক্লথ ৯ টকা। এইবোৰ আকৌ মোলৈ পঠালে কিয়? এইখন দেখোন মেনেজাৰৰ লৰাটোৱে টকা বিচাৰি কৰা টেলিগ্ৰাম, মেনেজাৰৰ ঘৰলৈ পঠাই দিয়া নাই কিয়?

মাণিক শইকীয়াই চাপ্ৰাচীটোক মাতে, টিলিঙা বজায়, আকৌ ৰয়, আকৌ বজায়, কাৰো সঁহাৰিয়েই নাই।

(৩)

অফিচৰ কেৰেণী মহৰি আটাইবিলাকে মিলি মেনেজাৰলৈ এখন দৰ্খাস্ত কৰিছে তেওঁলোকৰ অভাৱ-অভিযোগৰ কথা বৰ্ণাই। কেইটামান গোহাৰিও জনাইছে; তাৰ ভিতৰত দৰমহা শতকৰা ২৫ টকাকৈ বঢ়োৱা, প্ৰভিডেণ্ট

ফাণ্ড খোলা, বছৰেকত এমাহলৈ পূৰা দৰমহাৰে ছুটীৰ সুবিধা দিয়া এই কেইটাই প্ৰধান।

বৰকেৰেণীৰ বৰ এইবিলাকত উৎসাহ নাই, ভয় জানোচা মেনেজাৰে তেওঁক বেয়া পায়। আনবিলাকৰ তেওঁৰ অভাৱ-অভিযোগৰো বিশেষ কাৰণ নাই। মেনেজাৰক খাটি-মেলি তেওঁ নিজৰ সুবিধা যিমানখিনি পাৰিছে কৰি লৈছেই। তেওঁ দৰমহাৰ উপৰিও ঘৰভাৰা বুলি ৫০ টকা পায়, চাপ্ৰাচী এটাই অফিচত হাজিৰা লিখায় কিন্তু তেওঁৰ ঘৰত গৈ কাম কৰে, অফিচৰ বিলবিলাক তেওঁক পাছ কৰিবলৈ দিয়া হয়। তেওঁৰ ঘৰত থকা মেজ-মাচিয়াকেইখনৰ কোনখন তেওঁৰ গাঁঠিৰ ধনেৰে কিনা, কোনখন ফাণ্ডতে অনা তাক সতকাই কোৱা টান। লৰাবিলাকৰ কাৰণে কাগজ ব্লটিং আদি তেওঁ অফিচৰপৰাই আনে, কেতিয়াবা মেনেজাৰক কৈ কিন্তু সৰহভাগ নকৈ। ঘৰুৱা চিঠিত তেওঁ নিজৰ পইচা ভাঙি কোনো দিনে টিকট লগোৱা নাই।

মেনেজাৰক এতিয়া দৰ্খাস্তখন দিয়েগৈ কোনে? বৰকেৰেণীয়ে পুলুকা মাৰিবই খুজিছিল,- দেখা দেখিকৈ নহয় প্ৰকাৰান্তৰে, কিন্তু নোৱাৰিলে। আটাইবিলাকে তেওঁকে হেঁচা মাৰি ধৰিলে, ক'লে যে তেৱেঁইহে দিব লাগিব, কাৰণ তেওঁ তেওঁলোকৰ বৰমূৰীয়া আৰু তেওঁ থাকোঁতে আনে দিয়াটো নুশুৱাব। অগত্যা তেৱেঁই দিলেগৈ। মেনেজাৰে দৰ্খাস্তখন ওপৰে ওপৰে পঢ়ি চাই এফলীয়াকৈ থৈ দি ক'লে, "এতিয়া যক বাৰু আপুনি, মই বৰ ব্যস্ত আছোঁ; পিচত আপোনালোকক জনাম।"

দুৱাৰৰ ফালে চাই বৰকেৰেণীয়ে দেখিলে তেওঁৰ লগতে লাগি অহাকেইজন দুৱাৰৰ মুখৰপৰা সিফালে আঁতৰি গৈছেগৈ। মেনেজাৰৰ কাষ চাপি তেও ক'লে, "মোক আকৌ নুদুষিব চাৰ। মই এৰাব নোৱাৰিহে দৰ্খাস্তখন দিছোঁহি। মই কত বুজাওঁ, কিন্তু আজিকালি ডেকা ল'ৰাৰ ভাব-ভঙ্গী বেলেগ। সিহঁতে মোৰ কথালৈ কাণকে নকৰে; কয় বোলে এতিয়া আৰু আগৰ দিন নাই। নৱযুগৰ সূচনা বোলে কৰিবলৈ ওলাইছে সিহঁতে। দৰ্খাস্তখন নিদিলে নেৰে, সেই দেখিয়েই আনি আপোনাক দিছোঁহি।"

মেনেজাৰে ক'লে, "দি আপুনি ভালেই কৰিছে বৰকেৰেণী, নহলে আকৌ ভাবিব আপুনি সিহঁতৰ লগত নাই বুলি। বৰ বেয়া দিন আহিছে বৰকেৰেণী, বৰ বেয়া দিন আহিছে। কাৰবাৰ চলোৱাই মস্কিল হল দেখিছোঁ। কিন্তু আগেয়েতো আমাৰ অফিচত এনেবোৰ ভাব সোমোৱা নাছিল। ইয়াৰ গুৰিত কোন কোন আপুনি খবৰ ৰাখিছে নিশ্চয়।"

উৎসাহেৰেই বৰকেৰেণীয়ে মাত লগালে, "কোন হব আৰু অজিত।"

(৪)

কেইদিনমান গ'ল। মেনেজাৰৰপৰা একো সমিধান নেপাই তেওঁক সোঁৱৰাই দিয়া হ'ল দৰ্খাস্ত এখনেৰে। এইবাৰ দৰ্খাস্তখন দিলেগৈ চাপ্ৰাচী এটাই। মেনেজাৰে তেওঁৰ কুঠৰিলৈকে বৰকেৰেণী আৰু আন কেইজন-মানক মাতি পঠালে। মূল দৰ্খাস্তখন কাগজৰ মাজৰপৰা উলিয়াই মেনে-জাৰে এবাৰ পঢ়ি গল, বৈ আকৌ এবাৰ মূৰৰপৰা পঢ়িলে, যেন কথাবোৰ তেওঁ ভালকৈ হৃদয়ঙ্গম কৰিবই পৰা নাই। অলপ পৰ তেওঁ টলকা মাৰি ৰ'ল। দৰমহা শতকৰা ২৫ টকাকৈ বঢ়াব লাগে অৰ্থাৎ যি এতিয়া পাইছে ১০০ টকা তেওঁক দিব লাগিব ১২৫ টকা, ২০০ টকা পোৱাক দিব লাগিব ২৫০ টকা। নিদিলে একা? হয় হয়, প্ৰভিডেণ্ট ফাণ্ড হে খুলিব লাগিব এতিয়া? বছৰেকত পূৰা দৰমহাৰে এমাহকৈ ছুটী। অতপালি ভালকৈয়ে বাঢ়িছে দেখিছোঁ।

মনৰ ভাব মনতে সামৰি তেওঁ কলে, "আপোনালোকে ইমান ততাতৈয়া লগাইছে নো কিয়? আপোনালোকে হয়তো ভাবিছে কোম্পানীয়ে হোৰাহোৰে লাভ কৰিছে আৰু আপোনালোকৰ ন্যায্য প্ৰাপ্য আপোনালোকে পোৱা নাই। কিন্তু কোম্পানীৰ কি লাভ হৈছে নহৈছে বৰকেৰেণীয়ে জানেই দেখোন। কি কয় বৰকেৰেণী?"

বৰকেৰেণীয়ে উত্তৰ কৰিলে, "হয় চাৰ। লাভৰ কথা এৰিয়েই দিয়ক-চোন, ইন্‌কম্‌টেক্স দিওঁতে কোম্পানী দেৱলীয়া হব এতিয়া।"

মেনেজাৰে চকুৰপৰা চছমাযোৰ খুলি দৰ্খাস্তখনৰ ওচৰতে থৈ গহীনাই ক'লে, "আপোনালোকে যিখিনি বিচাৰিছে সেইখিনি দিব পাৰিলে মই সঁচাকৈয়ে বৰ ভাল পাম। কিন্তু দিবৰ সামৰ্থ্য কোম্পানীৰ আছে জানো? তথাপি মই কোম্পানীৰ ডিৰেক্‌টৰসকলক আপোনালোকৰ হৈ টানি ধৰিম। মই তো আপোনালোকৰ লগত আছোঁৱেই। কিন্তু আপোনালোকৰ দৰেই মই কোম্পানীৰ এজন কৰ্মচাৰী মাথোন। ডিৰেক্‌টৰসকলৰ বিনা অনুমতিৰে মই তো একো কৰিব নোৱাৰোঁ। মই অহা মিটিঙতে আপোনালোকৰ কথা ডিৰেক্‌টৰ-সকলৰ আগত উত্থাপন কৰিম।" মাণিক শইকীয়াই কলে, "কৰিব তেনে-হলে চাৰ, আপুনি যেনে দেখে।"

মেনেজাৰে কিবা কব খোজোঁতেই অজিতে টপৰাই মাত লগালে, "পাৰে চাৰ, আপুনিয়েই ইচ্ছা কৰিলে পাৰে। আমি যি বিচাৰিছোঁ সি ন্যায্য হৈছে বুলি যেতিয়া আপুনি কৈছেই, ডিৰেক্‌টৰসকলে আপত্তি কৰিবৰ একো নাই। যোৱা বছৰ আপুনিয়েই কমিছন পাইছে ৯০০০ টকা, কোম্পানীৰ যে লাভ হৈছে তাৰপৰাই বুজিব পাৰি। এই দৰমহাৰে আমাৰ যে কোনো ৰকমেই নচলে; আমি ঘিঁউ-মাখন বিচৰা নাই, কিন্তু তেলে-লোণে ভাতমুঠিকে নো পেট ভৰাই

খাবলৈ নেপালে কেনেকৈ ?"মেনেজাৰে ক'লে, "মইতো মোৰ কবলগীয়াখিনি ক'লোঁৱেই, যি ক'লোঁ, তাতকৈ বেছি এতিয়া আৰু একো কব নোৱাৰোঁ।" হাতঘড়ীটো চাই তেওঁ কৈ উঠিল, "তিনি প্ৰায় বাজিলেই, মই এতিয়াই পাণ্ডুলৈ যাব লাগিব।" তেওঁ গৈ মটৰত উঠিল।

দুদিনমান পিছত মেনেজাৰে অজিতক এখন চিঠিৰে জনালে যে তেওঁৰ আৰু কাম নাই। এমাহৰ নটীচৰ সলনি তেওঁক এমাহৰ দৰমহাকে দিয়া হব। তেওঁ যেন দৰমহাখিনি কেচিয়াৰৰপৰা লৈ যায়।

(৫)

মাণিক শইকীয়াৰ জ্বৰ, কেইদিনমান কামলৈ অহা নাই। মেনেজাৰলৈ তেওঁ চিঠি দিছে জ্বৰৰ কথা জনাই ছুটী বিচাৰি আৰু ৰূপ ৫০ টকা আগধন হিচাপে খুজি। বৰকেৰেণীক মাতি মেনেজাৰে তেওঁক ক'লে মাণিক শই-কীয়াৰ হিচাবটো চাবলৈ। বহী চাই দেখা গল যে শইকীয়াই আগতে ১০০ টকা হাওলাত লৈছিল, তাৰ ৪০ টকা এতিয়াও পৰিশোধ হোৱা নাই। মেনেজাৰে বহীটো সামৰি থৈ কলে, "দিয়ক পঠাই ৫০ টকা।"

এই টকাকেইটা থিতাতে উৰিল। ডাক্তৰে ফিজ ললে ৪ টকা তাৰ উপৰি তেজ আদি পৰীক্ষা কৰোঁতে লাগিল ১৬ টকা। ডাক্তৰ হাজৰীকাৰ আগতে ফিজ আছিল ২ টকা। পিছে চোৰাং কানিৰ বেপাৰত ধৰি মটৰ গাড়ী দৌৰাব পৰা হোৱাৰ লগে লগে ৪ টকা হল, এতিয়া আৰু তাৰ কমে তেওঁক ঘৰৰ-পৰা লৰাব নোৱাৰে। ডাক্তৰী বিদ্যাত তেওঁ কিমানখিনি ওস্তাদ এই বিষয়ে যথেষ্ট মতভেদ আছে, কিন্তু টকা উলিওৱাত তেওঁ যে সিদ্ধহস্ত সেই বিষয়ে সকলো একমত। মানুহে কয় তেওঁ বোলে শুকান জেওৰাৰো ৰস উলিয়াব পাৰে। তেওঁৰ এখন দৰৱৰ দোকানো আছে, আৰু তাৰপৰা দৰব নানি আন দোকানৰ পৰা অনাটো তেওঁ সহিব নোৱাৰে। দৰবৰ দাম বুলি তেওঁৰ দোকানত ১৫ টকা মান সোমাল।

ডাক্তৰে পৰীক্ষা কৰি কলে যে মাণিক শইকীয়াৰ টাইফয়ডেই হৈছে। ঘৰে-ঘৰোৱাহ চিন্তাত ব্যাকুল হৈ উঠিল। দিনে দিনে শইকীয়াৰ অৱস্থা বেয়াৰ ফালে যাবলৈ ধৰিলে। খবৰ শুনি বৰকেৰেণী এদিন আহিলে আৰু শইকীয়াক দেখি বিমৰিষ হৈ পৰিল। আকৌ মেনেজাৰৰ ওচৰলৈ টকাৰ কাৰণে আবেদন গ'ল। মেনেজাৰে বৰকেৰেণীক কলে, "অফিচৰ পৰা আৰু টকা হাওলাত দিওঁ কেনেকৈ ? দিলেও ৩০ টকামানহে দিব পৰা যাব। কিন্তু আপুনিয়েই কৈছে ১০০ টকামানৰ দৰকাৰ বুলি। মই বাৰু মোৰ ঘৰীয়াকৈ ২০ টকা আৰু দিম। আপুনি ৫০ টকাকে পঠাই দিব।"

বৰকেৰেণীয়ে এখন বৰঙণিৰ লিষ্টি উলিয়ালে, যদি বাকী ৫০ টকা অফিচৰ কেৰেণী-মহৰি বিলাকৰ পৰাই পঠাব পাৰি। তেওঁ নিজে ১০ টকা চহী কৰিলে, আনবিলাকেও ৫ টকা ৩ টকা যি যেনেকৈ পাৰে দিবলৈ ওলাল। মুঠতে ৫৪ টকা চহী হল। বৰকেৰেণীয়ে থিৰ কৰিলে যে 'তেওঁ দিব খোজা ১০ টকা নিদি ৬ টকাকে দিব আৰু তাকে কৰিলে ৫০ টকাত ৰবগৈ।

মেনেজাৰক কলত তেওঁ বৰ আনন্দ প্ৰকাশ কৰিলে। সকলোকে চাবাইচ দি কলে, "অতি উত্তম কথা বৰকেৰেণী, অতি উত্তম কথা। এয়েইতো মানুহৰ নিচিনা কাম। আপোনালোকেই যদি শইকীয়াৰ কাৰণে এইখিনি নকৰে আৰুনো কোনে কৰিব ?"

কথা হ'ল যে অফিচৰ কেচিয়াৰেই এতিয়া টকাখিনি দিব আৰু দৰমহা দিবৰ সময়ত প্ৰত্যেকৰপৰা চহী কৰা মতে কাটি ৰাখিব। এই ৫০ টকাৰ লগতে মেনেজাৰৰ ৫০ টকা মিলাই ১০০ টকা কৰি মাণিক শইকীয়াৰ ঘৰত বৰকেৰেণীয়ে নিজে দি আহিবগৈ।

টকা পিছে কেচিয়াৰৰ পৰা লবলৈ নহল। আবেলি চাৰিমান বজাত খবৰ আহিল যে মাণিক শইকীয়া ঢুকাল ।

(৬)

মৰিশালিলৈ বৰকেৰেণী আৰু দুই-চাৰিজন অফিচৰ পৰা গৈছিল। অজিত হাজৰীকাকো তাতে লগ পোৱা গল। মেনেজাৰে ফুলৰ মালা এধাৰ পঠাই দিছিল মৰাশটোৰ ওপৰত দিবলৈ। তাকে দেখি অজিতে কলে, "জীয়াই থাকোঁতে অনাহাৰ, মৰিলে ফুলৰ হাৰ। দেখিলে নে বৰকেৰেণী ডাঙৰীয়া, মানুহজনে ৰূপ ১০০ টকা অফিচৰপৰা নেপালে ? বিনা চিকিৎসাতে মানুহজন মৰিল। এয়ে চৌধুৰী ব্ৰাদাৰ্চ কোম্পানীৰ টাইপিষ্টৰ জীৱন ! এতিয়া ফুলৰ মালা পঠাই মেনেজাৰে নিজৰ খিতাপ দেখুৱালে কি হব ?"

কিন্তু ফুলৰ মালা পঠায়েই মেনেজাৰ ক্ষান্ত নেথাকিল। ভদ্ৰ সমাজৰ আন-বিলাক নিয়মো তেওঁ বঢ়িয়াকৈ পালন কৰিলে। ডাঠ নীলা কাগজত মাণিক শইকীয়াৰ ডাঙৰটো লৰালৈ তেওঁ হাতেৰে চিঠি এখন লিখি গভীৰ শোক প্ৰকাশ কৰিলে আৰু সন্তপ্ত পৰিয়াললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰি মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে পৰমেশ্বৰৰ ওচৰত নিবেদন জনালে। অফিচৰ কেৰেণী-মহৰি সকলোকে লৈ এখন শোকৰ সভাও হল আৰু সভাপতিৰ আসনৰপৰা মেনেজাৰে মাণিক শইকীয়াৰ গুণ বখানি দুবাৰকৈ ৰুমালেৰে চকু মচি এটা দীঘলীয়া বক্তৃতা দিলে।

আন কথাৰ মাজত মেনেজাৰে ক'লে, "আমি সকলোৱেই সেই একে পথৰে পথিক, সকলোৱেই সেই একে ঠাইলৈকে যাামগৈ, দুদিনৰ অগা-পিছা মাথোন। শইকীয়াৰ মৃত্যুত তেওঁৰ ঘৰ-ঘৰোৱাহৰ যি শোক তাতকৈ আমাৰ শোক কোনো গুণে কম নহয়। তেওঁৰ মৃত্যুত চৌধুৰী ব্ৰাদাৰ্চ কোম্পানীয়ে এজন সুদক্ষ কৰ্মচাৰী হেৰুৱালে, যিজনৰ কৰ্তব্যনিষ্ঠা অকল প্ৰশংসনীয় নহয়, আদৰ্শনীয়ও। আমাৰ দেশৰ উঠি অহা ডেকাসকলে তেওঁৰপৰা শিকিব লগীয়া বহুত কথাই আছে। কি পৰিতাপৰ কথা আমাৰ দেশৰ ডেকাসকলে আজি পাহৰিছে যে এই সংসাৰত ধন-সোণ মিছা, কামেই হে সঁচা। কাৰ্লাইলে কোৱা নাছিল নে কৰ্মই ধৰ্ম বুলি? শইকীয়াৰ মৃত্যুত আজি আমি সকলো ম্ৰিয়মান। অন্তৰ যেতিয়া বেদনাৰে ভৰি উঠে তেতিয়া কথা নোলায়। মই নো আৰু কি কম। শইকীয়ালৈ আমাৰ কৃতজ্ঞতাৰ চিন স্বৰূপে তেওঁৰ ডাঙৰ ছবি এখন অঁকাই অফিচত আমি ৰাখিমহঁক। তাৰ খৰচ যি দুশ তিনিশ টকা লাগে কোম্পানীয়ে বহন কৰিব। ঈশ্বৰে তেওঁৰ আত্মাৰ সদগতি কৰক!"

দুমিনিট সময় থিয় দি শোকৰ প্ৰস্তাৱ এটা গ্ৰহণ কৰাৰ পিচত সভা ভঙ্গ হ'ল।

# ৰমা দাশ

( ১৯০৯—     )

"কোনো মানুহৰ বাহ্যিক বা সামাজিক ৰূপটোৰেসৈতে মই পৰিচিত হবলৈ নিবিচাৰো। মই বিচাৰো তেওঁৰ অন্তৰৰ গোপন ৰূপটোৰ সতেহে চিনাকী হবলৈ।"

ৰমা দাশে তেওঁৰ 'ৰুদ্ধ যৌবন' নামৰ গল্প এটাৰ মূল চৰিত্ৰটোৰ মুখেদি এই কথাষাৰ কোৱাইছে। কিন্তু ৰমা দাশৰ সমগ্ৰ গল্প-সাহিত্য অধ্যয়ন কৰি চালে দেখা যায় যে লেখক হিচাপে তেওঁৰো প্ৰধান লক্ষ্য হ'ল মানৱ-হৃদয়ৰ গোপন ৰূপটোৰ পৰিচয় লোৱাহে,—মানুহৰ সামাজিক ৰূপ বা সামাজিক সমস্যাৰ প্ৰতি তেওঁ প্ৰায় উদাসীন। বস্তুতঃ এতিয়ালৈকে আমি যিকেইজন লেখক লগ পাই আহিলো, তেওঁলোক আটাইকেইজনৰে সাধাৰণ বৈশিষ্ট্য হ'ল সমাজ-সচেতনতা। এই পৰম্পৰাত প্ৰথম ব্যতিক্ৰমৰ সূচনা কৰিলে ৰমা দাশে।

লেখক হিচাপে ৰমা দাশৰ অনুসন্ধানৰ প্ৰধান বিষয় হ'ল প্ৰেম, ঈৰ্ষা, বিবেক, পাপবোধ ইত্যাদি কেতবোৰ হৃদয়-বৃত্তি। এই বিভিন্ন শক্তিশালী প্ৰবৃত্তি আৰু হৃদয়াবেগবোৰে বিভিন্ন নৰ-নাৰীৰ জীৱনত যিবোৰ প্ৰতিক্ৰিয়া, পৰিস্থিতি আৰু নাটকৰ সৃষ্টি কৰে, সেইবোৰেই হ'ল ৰমা দাশৰ গল্পৰ প্ৰধান উপজীব্য।

সংখ্যাৰ ফালৰপৰা ৰমা দাশৰ গল্প বৰ সৰহীয়া নহয়। তাৰে ভিতৰত প্ৰেমৰ গল্পৰ সংখ্যাই সৰহ। ত্ৰিশৰ দশকত ৰমা দাশৰ প্ৰেমৰ গল্পই এনে এক ৰোমাণ্টিক ভাব-বিলাসৰ সৃষ্টি কৰিছিল, এনে এক মদালস জগতৰ দুৱাৰ পাঠকৰ আগত মুকলি কৰি দিছিল—যাৰ তুলনা অসমীয়া সাহিত্যৰ ইতিহাসত সতকাই বিচাৰি পোৱা টান। সেই সময়ত এনেকুৱা সাহিত্যানুৰাগী কিশোৰ বা যুৱক এজনো নিশ্চয় নাছিল—যিজনে ৰমা দাশৰ 'বৰ্ষা যেতিয়া নামে' নামৰ গল্পটো একাধিক বাৰ পঢ়া নাছিল, আৰু হঠাৎ কোনো কোনো দিন বৰ্ষণ-মুখৰ সন্ধিয়াত জয়ন্তৰ দৰে অনুভৱ কৰা নাছিল : "এই অস্থিৰ পুলকৰ উদ্দীপনাতে যেন জয়ন্তই নিজৰ শৰীৰৰ ওপৰত সকলো সংযম হেৰুৱাই কেৱল একে গতিৰেই ধুমুহা আৰু ৰৰঘুণৰ বুকু ফালি আগ বাঢ়ি যাবলৈ ধৰিলে আৰু প্ৰতি খোজতে বেছি উন্মাদনাত আগুৱাই গৈ ভাবিবলৈ ধৰিলে—সি যেন নিজেই এই ধুমুহা। এই ধুমুহাৰেই এটা মূৰ্ত্ত প্ৰতীক।".

কোৱা বাহুল্য মাথোন যে জয়ন্তৰ এই অনুভূতি ৰোমাণ্টিক অনুভূতিৰ চৰম প্ৰকাশ, ইয়াৰ মূলতে কোনো যুক্তিৰ প্ৰেৰণা নাই। অসমীয়া সাহিত্যত নৱন্যাস-বাদে ত্ৰিশৰ দশকতে ভৰ-পক ধৰিছিল, আৰু কবিতাত যেনেকৈ তাৰ চৰম অভিব্যক্তি ঘটিছিল যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাত (আপোন সুৰ : ১৯৩৩, কথা-কবিতা : ১৯৩৬), গল্পত তেনেকৈ সি উচ্চতম চূড়া স্পৰ্শ কৰিছিল ৰমা দাশৰ 'বৰ্ষা যেতিয়া নামে' গল্পত। গোটেই গল্পটোৱেই যেন নৱন্যাস-বাদৰ এখন ইস্তাহাৰ। যি ৰুচোক ( Jean Jacques Rousseau ) নৱন্যাস-বাদৰ জনক বুলি অভিহিত কৰা হয়, সেই ৰুচোৰ বিখ্যাত উক্তিক অবিকলভাৱে জয়ন্তৰ মুখত দিয়া হৈছে : "জয়ন্তই ভাবি গ'ল, মানুহ সঁচাকৈয়ে এদিন সৃষ্টিৰ আদিম প্ৰভাতত, সমুদ্ৰ-বক্ষৰ পৰা আপোনা-আপুনি উমেলি উঠা ঢৌবোৰৰ দৰে চিৰ-মুক্ত, চিৰ-স্বাধীন, চিৰ নিষ্কলংক হৈ উপজিছিল। কিন্তু আজি সি নিজে নিজেই দেহৰ সকলো অংগতে পৰাধীনতাৰ গধুৰ লোৰ শিকলি আৰি লৈছে।"

("Man was born free, but now he is everywhere in chains"—Rousseau)। —ঠিক সেইদৰে—"সি কৰ নোৱাৰাকৈয়ে প্ৰাণৰ উচ্ছ্বাসত তাৰ অতি প্ৰিয় শ্যেলীৰ "বেষ্ট উইণ্ড'টো একেবাৰে আগৰপৰা গুৰিলৈ এবেলি আবৃত্তি কৰি গাই পেলায়।" নকলেও হ'ব যে শ্যেলীৰ 'বেষ্ট উইণ্ড' ৰোমাণ্টিক আন্দোলনৰ যুগৰ মহত্তম আবেগ আৰু আকাংক্ষাৰ অমৰ বাণীমূৰ্তি।

এই প্ৰসংগটো শেষ কৰাৰ আগতে আৰু এষাৰ কথা উল্লেখ কৰি থোৱা উচিত হব। ৰোমাণ্টিক আন্দোলনৰ বিষয়ে আলোচনা কৰি হেবল্ড নিকলচনে লেখিছিল : The wine of the Romantic movement affected various temperaments in various ways ; some became violent, some gloomy, some merely egoistic, but atleast they all became drunk, and the symptom of their intoxication is a suspension of self-criticism, a tendency to allow full play to thier violence, their gloom, their sentimentality or their egoism undeterred by any undue consideration for reason. —ৰোমাণ্টিক আন্দোলনৰ বিষয়ে নিকলচনে কৰা এই মন্তব্যই ৰমা দাশৰ গল্পৰ বহুতো চৰিত্ৰক বুজাত পাঠকক সহায় কৰিব।

আগতেই কোৱা হৈছে যে বাইকৈ প্ৰেমৰ গল্পৰ লেখক হিচাপেই ৰমা দাশ বিখ্যাত। বিষয়-বস্তু আৰু প্ৰকাশ-ভংগী, উভয় ফালৰপৰাই তেওঁৰ প্ৰেমৰ গল্পৰ কেতবোৰ স্বকীয় বৈশিষ্ট্য আছে, যিবোৰ বৈশিষ্ট্যই ত্ৰিশৰ দশকৰ সপ্তৰ্ষি-মণ্ডলৰ মাজতো তেওঁক স্বকীয়াকৈ চিহ্নিত কৰিছিল।

প্ৰথমে বিষয়বস্তুৰ কথাই ধৰা যাওক। ৰমা দাশে তেওঁৰ প্ৰেমৰ গল্পবোৰত যিখন সমাজৰ ছবি আঁকিছে—সি হ'ল নতুনকৈ গঢ়ি উঠা বিত্তশালী অসমীয়া মধ্যবিত্ত সমাজ। অৱশ্যে সমগ্ৰ মধ্যবিত্ত সমাজখন বুলি কলে ভুল কৰা হব। যিখন মধ্যবিত্ত অসমীয়া সমাজে লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ ললিত, সুব্ৰতা, ললিতা আদি বিদ্ৰোহী, আদৰ্শবাদী চৰিত্ৰৰ জন্ম দিছিল, ৰমা দাশৰ গল্পই সেইখন মধ্যবিত্ত সমাজক চিত্ৰিত কৰা নাই। তেওঁ অসমীয়া মধ্যবিত্ত সমাজৰ যিটো অংশৰ চিত্ৰ আঁকিছে, সেই অংশটো হ'ল বিত্তবান, ভোগ-সৰ্বস্ব, অহং-কেন্দ্ৰিক, আলস্য-বিলাসী আৰু আধুনিকতা শাহটোকে লৈ সন্তুষ্ট। এই সমাজৰ পুৰুষসকল যতা মৌ-মাখিৰ নিচিনা, তিৰোতা সকল—Those beautiful idle women blossoming before one's eyes like flowers of flesh —মৌ-ৰাণী। ৰমা দাশৰ আগতে এইখন সমাজৰ ছবি ইমান নিখুঁত আৰু জীৱন্ত ৰূপত আন কোনেও দাঙি ধৰা নাছিল, তেওঁৰ পিচতো খুব কম লেখকেইহে সমতুল্য সফলতাৰ ওচৰ চাপিব পাৰিছে। ত্ৰিশৰ দশকত ৰমা দাশৰ গল্পবোৰ অতি জনপ্ৰিয় হোৱাৰ এটা প্ৰধান কাৰণ নিশ্চয় এই আছিল যে অলস ধনী-শ্ৰেণীৰ প্ৰণয়-বিলাসৰ এই বৰ্ণাঢ্য চিত্ৰই ডেকা-গাভৰু পাঠকৰ চকুত মোহাঞ্জন সানি দিছিল, সেইবোৰ হৈ পৰিছিল তেওঁলোকৰ Wish-fulfilment বা ইচ্ছা-পূৰণৰ অবলম্বন।

অৱশ্যে এই কথা কোৱাৰ অৰ্থ এই নহয় যে ৰমা দাশৰ প্ৰেমোপাখ্যান আছিল মাটিৰ পৃথিবীৰ লগত সম্পৰ্ক নথকা আকাশ-চাৰী কল্পনা মাত্ৰ। বহু বাধা-বিঘিনি, দুখ-যাতনাৰ অন্তত বিবাহ-বন্ধনত মিলিত হোৱা প্ৰেমিক-প্ৰেমিকাই "ইয়াৰ পাচত পৰম সুখেৰে জীৱন অতিবাহিত কৰিবলৈ ধৰিলে"—এনে এটা সাধাৰণ সূত্ৰ প্ৰতিপাদন কৰাটোও তেওঁৰ গল্পৰ উদ্দেশ্য নাছিল।

"দেখিলো, সম্পূৰ্ণ দাতিবোধ কৰা দোতলা বাছ এখনৰপৰা নামিলে প্ৰথমে এগৰাকী তিৰোতা, ক'লা সাজ-পিন্ধা নিস্তেজ জীৰ্ণা-শীৰ্ণা, অৰ্দ্ধ-প্ৰৌঢ়া ; আৰু তাৰ পিছত ঠিক সেই দেহৰ দুৰ্বল অৱস্থাৰ এজন আদ-বয়সীয়া, তালুত চুলি-নোহোৱা, কুঁজা-পৰা ৰুগীয়া মানুহ। সমশেষতদুয়োৰে হাতত ধৰি এটি প্ৰায় চাৰি বছৰমান বয়সৰ ক্ষীণ, অন্ধ, খোৰা ল'ৰা।"—(যৌৱনৰ বিদ্ৰোহ)

এই কৰুণ মৰ্মন্তুদ পৰিণতিত সমাপ্ত হোৱা প্ৰেম-কাহিনীৰ আৰম্ভণি আছিল কিন্তু সম্পূৰ্ণ বেলেগ। কলিকতা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী দত্ত আৰু অপৰা চলিহাৰ উন্মত্ত প্ৰণয়-লীলাই বহুতো ডেকা-গাভৰুৰ মনলৈ সঞ্চাৰিত কৰি দিছিল দুৰন্ত আবেগ আৰু স্বপ্নাবেশ। সমাজ আৰু অভিভাৱকৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তেওঁলোকে বিয়া কৰালে। কিন্তু তেওঁলোকৰ দুঃসহ দাৰিদ্ৰ্য আৰু অন্যান্য দুৰ্ভাগ্য কেৱল এই বিদ্ৰোহৰে শাস্তি নহয়। তেওঁলোকৰ অভিশপ্ত মিলনৰ ফল স্বৰূপ, জন্মান্ধ বিকলাংগ সন্তান, অকাল-মৃত ৰুগ্ন সন্তান--ই জীৱনৰ সেই অনিবাৰ্য দুখ, অব্যাখ্যাত দুৰ্ভাগ্য--আপাত-দৃষ্টিত যাৰ কোনো প্ৰতিকাৰ নাই। সকলো খুটি-নাটিৰে পটভূমি সম্পূৰ্ণ কৰি, জীৱন্ত কৰি, ৰমা দাশে এই গল্পত এনে এখন বাস্তৱ জীৱন নাটক আমাৰ চকুৰ আগত উন্মোচিত কৰিছে--যাক চাই উঠি শেষ কৰাৰ পিচত আমি জীৱনৰ এক গভীৰ দুখৰ চেতনা অনুভৱ কৰো, আৰু এটা হুমুনিয়াহ আপোনা আপুনি বুকু ভেদ কৰি ওলাই আহে। ৰমা দাশে যে গল্প কব জানে সেই বিষয়ে আমাৰ মনত কোনো সন্দেহ নাথাকে।

ৰমা দাশৰ গল্পৰ দ্বিতীয় প্ৰধান বৈশিষ্ট্য হ'ল তেওঁৰ শক্তিশালী ভাষা আৰু প্ৰকাশ-ভংগী। তেওঁৰ স্পন্দিত গদ্য আৰু আবেগ-সঞ্চাৰিণী ভাষাৰ লগত সমসাময়িক কালৰ কেৱল লক্ষ্মীধৰ শৰ্মাৰ ভাষাৰ তুলনা কৰিব পাৰি। অৱশ্যে শৰ্মাৰ তুলনাত এটা দিশত ৰমা দাশৰ গল্প কিছু দুৰ্বল। সেইটো হৈছে তেওঁৰ গল্পৰ সংলাপাংশ। ৰমা দাশৰ গল্পৰ বেছিভাগ চৰিত্ৰই নাটকীয় ঠাচত কিতাপী ভাষাৰে কথা পাতে। সেইবোৰ কথা-বাৰ্তা পাঠকৰ কাণত কৃত্ৰিম হৈ বাজে, আৰু ফলত গল্পৰ সামগ্ৰিক আবেদন কিছু পৰিমাণে নষ্ট হয়।

ৰমা দাশৰ গল্পৰ আৰু এটা বিশেষত্বলৈ পাঠকৰ মনোযোগ আকৰ্ষণ কৰা প্ৰয়োজন। এই বিশেষত্ব খুব কম অসমীয়া গল্প-লেখকৰ ৰচনাতে দেখা যায়। সেইটো হৈছে মানুহৰ মনৰ বা মুডৰ ওপৰত পৰিবেশৰ প্ৰভাৱ। এই পৰিবেশ প্ৰাকৃতিকো হব পাৰে, মানুহৰ নিজৰ হাতৰ সৃষ্টিও হব পাৰে। ৰমা দাশে এই কথাটো বুজি পায় যে মানুহ তাৰ পৰিবেশৰ পৰা বিচ্ছিন্ন এটা নিৰালম্ব বস্তু হব নোৱাৰে। পৰিবেশে যেনেকৈ মানুহৰ মনৰ ওপৰত ক্ৰিয়া কৰে, সেই দৰে মানুহেও তাৰ পৰিবেশক বিভিন্ন অৰ্থ আৰু তাৎপৰ্যৰে মণ্ডিত কৰে। এই সত্যটো বুজি পোৱাৰ কাৰণেই ৰমা দাশৰ গল্পত ৰদ-বৰষুণ জোনাক-আন্ধাৰ আদি প্ৰাকৃতিক সংঘটনবোৰ বা বিভিন্ন ঘৰুৱা সজুলি আৰু আচবাববোৰ কেৱল মাত্ৰ নিৰ্জীৱ পটভূমি বা বস্তু-পুঞ্জ মাত্ৰ নহয়; সেইবোৰো তেওঁৰ নাট্য-লীলাৰ একো একোটি অবিচ্ছেদ্য জীৱন্ত চৰিত্ৰ।

"সেই ওখ ওখ স্প্ৰীং দিয়া দাম্ভিক আৰামী চকী আৰু স্বেটিবোৰ। সেই ৰং-বিৰঙৰ শ্বেদ দি ঢকা ম্লান বিজুলী চাকিবোৰ। সেই ওখ নৰম আভিজাত্যময় মজিয়াত পৰা কাশ্মিৰী দলিছাখন। সেই ফুলদানিৰ ভেছত সজাই থোৱা বিদেশী ক্ৰিছেনথেমাম, ডালিয়া, গ্লেডিওলি আৰু জিনিয়া ফুলবোৰ। সেই এনি-তেনি পেলাই থোৱা বাঘ, ভালুক, হৰিণাৰ বীভৎস মুখ আৰু শুকান গাৰ ছালবোৰ।" -(বৰ্ষা যেতিয়া নামে)

ৰমা দাশৰ গল্পত এই ঘৰুৱা আচবাব আৰু শোভাবৰ্দ্ধক সামগ্ৰীবোৰ মানুহৰ জীৱন-ধাৰাৰ লগত সম্পৰ্ক-ৰহিত নিৰ্জীৱ বস্তু মাত্ৰ নহয়, সিহঁতো যেন এখন নাটকৰ জীৱন্ত অংশীদাৰ। সিহঁতে কেৱল এটা বিশেষ life-style--কেই প্ৰকাশ কৰা নাই, সিহঁতে প্ৰকাশ কৰিছে এক বিশেষ philosophy of life। ফলত সিহঁতে সংবেদনশীল শিল্পীৰ হাতৰ still life ৰ চিত্ৰৰ গভীৰ অৰ্থময়তা আৰু গতি-চঞ্চলতা লাভ কৰিছে, অৰ্জন কৰিছে নিজস্ব একোটা ব্যক্তিত্ব। (দাম্ভিক আৰামী চকী---দাম্ভিক বিশেষণটো লক্ষণীয়)।

প্ৰকৃতিৰ লগত জীৱনৰ অবিচ্ছেদ্য সংলগ্নতাৰ বহুতো নিদৰ্শন ৰমা দাশৰ গল্পত বিচ্ছুৰিত হৈ আছে।

"..........সি এই দৃঢ় সিদ্ধান্তত উপস্থিত হ'ল যে বসন্তাৰ ভুইং কমৰ নিচিনা এটা নিষ্প্ৰাণ, নিবল, বন্ধ্যা পৰিবেশৰ ভিতৰত থাকি, আৱাসী চৰাইত আধা-ভুই বা আধা-জাগি, টেনিচনৰ কবিতাৰ 'লোটাচ ইটাৰ'বোৰৰ দৰে কেৱল দূৰৈৰ পৰাহে জীৱনৰ কোলাহল আৰু কলৰববোৰৰ মধুৰ সংগীত কাণেৰে উপভোগ কৰিব পাৰি নাথোন। তাৰ ভিতৰত প্ৰকৃততে জাগি, আজিৰ নিচিনা উদ্দাম উদ্দীপনাৰ এটা সক্ৰিয় জীৱনৰ কোনো এটি তীব্ৰ অনুভূতিকে অপৰিসীমভাৱে উপলব্ধি কৰা নাযায়।" (বৰ্ষা বেতিয়া নামে)

"..........আকাৰে-ইংগিতে, ভাব-গতিৰে সি কেৱল বুজাবলৈ বিচাৰিছে ইয়াকেই যে তাৰ জীৱনটো বোধকৰো শেৱালীৰ দৰেই ক্ষণস্থায়ী আছিল, আৰু সিও আহিছিল জীৱনলৈ কেৱল শেৱালিৰ দৰেই ক্ষণিকতাৰ এটি আবেশ লবলৈ। তথাপি তাৰ মনত অকণিকে কোনো দুখ বা খেদ নাই। সি সদায় সেই শেৱালিজোপাৰ দৰেই তাৰ পৰাণ-প্ৰিয়ৰ পদুলি-মুখত কেৱল বৈ থাকিবলৈ বিচাৰে, যাতে তাৰ মৰহি যোৱা ফুলবোৰৰ অকণমান অলক্ত-ৰাগেৰে সি হেঙুল ভৰিৰ তলুৱা দুখন সদায় ৰঙাই থাকিব পাৰে ...... ....." (মৰা সুঁতি)

"............দেখিলো, জাৰৰ প্ৰকোপত প্ৰকৃতিয়ে ঠেৰেঙা লাগি যেন তেতিয়াও মূৰ ডাঙি উঠিব পৰা নাই। আৰু সেই জাৰতে গোটেই প্ৰকৃতিৰ গাৰপৰা নিয়ৰৰ টোপাল-বোৰ সৰি পৰিব লাগিছে। সেই কুঁৱলীত ঢাক গৈ থকা ভিজা ভিজা নিলগৰ ঘৰবোৰ চাই চাই—নাজানো কেলৈ মোৰ আকৌ তোমাৰ সেই পুৰণি ছবিখনি মনত পৰি গ'ল।" (প্ৰীতি-উপহাৰ)

# প্ৰায়শ্চিত্ত

প্ৰেম আৰু ছেক্স—এই দুটাই হ'ল বমা দাশৰ গল্পৰ প্ৰধান উপজীব্য। বিভিন্ন বিচিত্ৰ নৰ-নাৰীৰ জীৱনত তাৰ বিচিত্ৰ প্ৰকাশৰ বৰ্ণনা তেওঁৰ গল্পত পোৱা যায়। এটা আশ্চৰ্য ব্যতি-ক্ৰম তেওঁৰ 'প্ৰায়শ্চিত্ত' নামৰ গল্পটো। গল্পটোৰ বিষয়বস্তু হ'ল বিবেকৰ প্ৰচণ্ড তাড়না। এই বিষয়বস্তুক অবলম্বন কৰি ইমান শক্তিশালী গল্প অসমীয়া ভাষাত খুব বেছি লেখা হোৱা নাই।

"পিছে আদালতৰ বিচাৰত মুক্তি পালে কি হব? হৰিশৰ নিজৰ মনৰ ভিতৰত চলা এটা তুমুল ভাবৰ যুঁজে তাক ডাঙৰ মনৰ বিকাৰ এটাৰ বন্দী কৰি তুলিলে।"

সকলোৰেই নহয়—কিন্তু কোনো কোনো মানুহ জীৱনত এনেকুৱা সংকটৰ সন্মুখীন হয়; 'মনৰ ভিতৰত চলা তুমুল যুঁজে' তেওঁলোকক ক্ষত-বিক্ষত কৰি ৰাখে। নাথানিয়েল হথৰ্ণে এনেকুৱা মানুহৰ কথা ভাবিয়েই লেখিছিল: "What other dungeon is so dark as one's own heart! What jailer so inexorable as one's self!" কোৱা বাহুল্য নাথোন যে বিবেকৰ এই সমস্যা একান্তভাৱে মানৱিক সমস্যা, অৰ্থাৎ ই মানৱিক মহত্ব আৰু মৰ্যাদাৰ এটা প্ৰধান মাপ-কাঠি। 'প্ৰায়শ্চিত্ত' গল্পটোত এটা চৰিত্ৰই কৈছে:

"জগতত কিয়ে কিমান কা তাৰে, সিয়ে ইয়াত সিমানে সুখী। তুমি ক'ৰবাৰ নিচিনা-নজনা তিৰুহ এজনীক মটৰেৰে অতৰ্কিতে চেপি মাৰি আজি ইমান দিনে এইদৰে ভাবি ভাবি চেৰা-বলীয়া হৈ ফুৰিছা। মই ইচ্ছা কৰি 'বেছ' দি, মদ খাই বে-হুছিয়াৰী হৈ তিনিটাকৈ নগৰৰ ভাল মানুহ বধ কৰিও আজি মহানন্দে দোকানত বহি পৰঠা-মাংস চোবাইছো।"

বিবেকৰ কীট-দ্ৰংষ্ট এনে এটা মানুহৰ মনোজগতৰ কাহিনী বৰ্মা দাশে বিৰল দক্ষতাৰে এই গল্পত বিবৃত কৰিছে। তাকে কৰিবলৈ তেওঁ বিষয়োপযোগী ভাষা আৰু প্ৰকাশ-ভংগীৰ আশ্ৰয় লৈছে। তেওঁৰ ৰোমাণ্টিক প্ৰেমৰ গল্পৰ ভাষা সাধাৰণতে অতিশয় বৰ্ণাঢ্য আৰু উচ্ছ্বাসময়; চদাৰচেট মম-কথিত purple passageৰে পৰিপূৰ্ণ। কিন্তু মানৱ-হৃদয়ৰ অন্ধকাৰ প্ৰদেশৰ কাহিনী কবলৈ এই গল্পত তেওঁ যি ভাষা ব্যৱহাৰ কৰিছে সি বৰ্ণ-কৃপণ আৰু সকলো প্ৰকাৰৰ আতিশয্য-বৰ্জিত।

বিষয়বস্তু আৰু প্ৰকাশ-ভংগী—দুয়ো কালৰপৰাই বৰ্মা দাশৰ প্ৰায়শ্চিত্ত অসমীয়া ভাষাত এটা সম্পূৰ্ণ বেলেগ জাতৰ, বেলেগ স্বাদৰ গল্প।

কুমাৰপাৰাৰ এটি ভিতৰ চুকত সাধাৰণ বস্তিৰ মাজত হৰিশৰ ঘৰটি। হৰিশ এজন মটৰ ড্ৰাইভাৰ।

আগেয়ে মাৰোৱাৰী মহাজনৰ দৰমহা খাই 'টেক্সি' চলাইছিল। এতিয়া নিজে দুপইচা গোটাই, নীলামত পুৰণি 'বাছ' এখন কিনি, নিজেই পলাশবাৰী ৰোডত 'ছাৰভিছ' চলাইছে। হৰিশৰ ঘৰত দ্বিতীয় প্ৰাণী, একমাত্ৰ তাৰ বিধবা মাক। উত্তৰ গুৱাহাটীৰ চাবেক সদ্‌বংশৰ জীয়ৰী।

সৰুতে বিয়া কৰালেও হৰিশ বৰ্তমানে বিপত্নীক। মৃত প্ৰথম সন্তান প্ৰসৱৰ লগে লগে প্ৰসূতাত তাৰ ঘৈণীয়েক ঢুকায়। তাৰ পিচত নানাভাৱে ধৰি মিলিও মাকে তাক দ্বিতীয়বাৰ বিয়া কৰাবলৈ সন্মত কৰাব পৰা নাই।

হৰিশৰ আপত্তিৰ কথা-বতৰাবোৰ একৰকম অদ্ভুত ধৰণৰ। যিদিনা হৰিশৰ ঘৈণীয়েক ঢুকায়, সিদিনা সি এৰাব নোৱাৰা ভাড়া এটাৰ লোভত, বিয়াৰ 'পাৰ্টি' এটা লৈ ছয়গাৱলৈ যাবলগীয়া হৈছিল। তাৰপৰা উভতি আহি আৰু হৰিশে তাৰ ঘৈণীয়েকক দেখা নাপালে অৱশ্যে ঘটনাটো যে ইমান আচম্বিতে ঘটি যাব সি জনা নাছিল। জানিলেইবা, মৃত্যুৰ ওপৰততো মানুহৰ একো কেৰামতি নাই।

তথাপি হৰিশে কিবা অদ্ভুত ধৰণে সেই ঘৈণীয়েক ঢুকুৱাৰ দুৰ্ঘটনাটোকেই সদায় উল্লেখ কৰে। মাকৰ আকুলি-বিকুলি, কিৰা-শপত বৰ বেছি অসহ্য হৈ উঠিলে, সি মুখ ফুটাই কয়,—বৌটি, সেই একে কথাবোৰকে কৈ তই আৰু সদায় মোক আমনি কৰি নাথাকিবিচোন। জীৱন গলেও মই আৰু সেই কামটি দুনাই কৰিব নোৱাৰিম। মটৰ চলাই চলায়েই যেতিয়া ঘৈণীক মাৰিছোঁ, এই মটৰ চলাই থাকোমানে আৰু বিয়া নকৰাওঁ। এই মটৰকে মাথোন মই চলাই থাকিম।

ইয়াৰ পিচত হৰিশে ক'ৰবালৈ যাব লগা নাথাকিলেও সদায় মটৰত উঠি বহেগৈ। আৰু 'গেৰেজ'ৰপৰা বাজ ওলোৱা তাৰ মটৰখনৰ ক্ষীণ হৈ যোৱা শব্দটোৰ লগে লগে তাৰ মাকৰ মনৰ ভিতৰৰ আশাৰ হেন্দোলনিটোও ক্ৰমে ক্ষীণ হৈ যায়।

গতিকে এটা বৰ আচৰিত একাগ্ৰতা লৈ হৰিশে কেৱল তাৰ মটৰখনকেই চলায়। মটৰখন চলোৱাটোৱেই যেন তাৰ জীৱনৰ একমাত্ৰ ব্ৰত আৰু সাধনা। যেন তাৰ ভিতৰেদিয়েই জীৱনৰ সি সকলো সোৱাদ আৰু আনন্দ পাবলৈ বিচাৰিছে। খোৱা-পিন্ধা, ফুৰা-চকা আদি জীৱনৰ আৰু আন একো আমোদ-উলাহতে তাৰ মন নাই। সি অকল জানে তাৰ হালধীয়া ৰঙৰ 'উৰ্বশী' গাড়ীখন আৰু 'পিচ' ঢলা পলাশবাৰীলৈ বোৱা চৈধ্য মাইল দীঘল আলি-বাটটো।

ইমান একাণপতীয়া ড্ৰাইভাৰ হ'লেও হৰিশৰ কিন্তু আন ড্ৰাইভাৰবোৰৰ লগত সমূলি হলি-গলি নাই। সিহঁতৰ দলৰ ইতৰ কাজিয়া-পেচাল নাইবা বদ্ প্ৰকৃতিৰ মেল-খেলৰ আনকি চাৰিসীমাকো সি কোনোদিনে ডেই-চুই যোৱা বুলি কোনেও প্ৰমাণ দিব নোৱাৰে। সেইবোৰ কামত তাৰ লগ বিচৰাটো দূৰৰ কথা, আন আন ড্ৰাইভাৰবোৰেও তেনে কামত থাকোতে তাক কেতিয়াবা দেখিলে মুখখন ঘূৰাই আঁতৰি যাবলৈহে বিচাৰে কাৰণ সকলো ড্ৰাইভাৰেই জানে, হৰিশৰ মনটো যিদৰে নিৰ্মল, সিদৰে তাৰ মেজাজ-টোও সিমান কড়া। অকল এদিনৰ মাথোন অপৰাধত লুকাই থোৱা মদৰ বটল এটা 'ছিটৰ' তলত পাই, সি খঙতে ছিটিকি তীখা যেন হৈ মটৰৰ হেণ্ডেলেৰে মাৰ মাৰি, তাৰ জগত হেণ্ডিমেনক কামৰপৰা খেদাই দিয়া ঘটনাটো এতিয়াও ড্ৰাইভাৰ খোলাত গল্প আকাৰে চলি আছে। তাক সূত্ৰপাত কৰি ড্ৰাইভাৰে ড্ৰাইভাৰে কিমান দলাদলি, উখনি গ'ল। তথাপি হৰিশে তাৰ কথাৰ জিদ্ নেৰিলে। হাজাৰ হওক, তাৰ গাত যে পূৰণি ভদ্ৰ বংশৰ তেজ এটোপা বৈ আছে। এই কথাকে সি সকলোকে সেই সামান্য এটা উদাহৰণেৰে বুজাই দিলে।

এইবোৰ নানা কাৰণেই হৰিশ ড্ৰাইভাৰক সকলো মটৰ যাত্ৰীয়ে ভালকৈ চিনে। সকলো যাত্ৰীয়ে হৰিশৰ মটৰত উঠিবলৈ মনে মনে হাবিয়াস কৰে। হৰিশৰ হালধীয়া ৰঙৰ মটৰখন 'ষ্টেণ্ড'ত থিয় হৈ থকা দেখিলে, আন ড্ৰাই-ভাৰ হেণ্ডিমেনে টনা-আজোৰা কৰিলেও পৰাপক্ষত যাত্ৰীবোৰে আৰু কোনো-পিনে ভৰি নিব নোখোজে।

কিন্তু হৰিশক আটায়ে বেছি ভাল পায় তাৰ সৰবৰহী মুখৰ মিঠা ব্যৱ-হাৰত। মটৰৰ কোনো যাত্ৰীকে সি হুঁটা মাত মাতি কেতিয়াও মনত দুখ দিয়া বুলি মানুহে নাজানে। বৰং সকলো যাত্ৰীৰে আলৈ-আহুকাল, দুখ-দুৰ্গতি হৰিশে সদায় বৰ মনোযোগ দি চায়। গাঁৱলীয়া আলাভুলা মানুহ পালে সি কেতিয়াও হেণ্ডিমেনক ছল-ছন্দ কৰি পইচা চুঁচি ৰাখিবলৈ বাট নিদিয়ে। বৰং দুখীয়া নিছলা বাটৰুৱা মানুহৰ বৰ কষ্ট খাই বাটে-পথে খোজ কাঢ়ি অহা দেখিলে সি এনেই মটৰত তুলি লয়। সেই কাৰণেই আলিৰ দুয়োকাষৰ দিনটীয়া সকলো বাটৰুৱায়ে হৰিশৰ মটৰৰ

হালধীয়া ৰংটো বৰ ভালকৈ চিনি পায়। আৰু কেতিয়াবা প্ৰয়োজন নাথাকিলেও এনেই গাড়ীখন দেখিলে ধেমালিতে হাত তুলি ৰাখে। বিশেষকৈ গধুৰ মেট মৰা বোজা কঢ়িয়াই হাটলৈ অহা বুঢ়ী পোহাৰীবোৰে হৰিশৰ মটৰখন দেখিলেই হৰিশৰ মনত বেথা লগাবলৈ এনেয়ে মিছাকৈ খোৰাই যোৱাৰ ভাও ধৰি এডোখৰ বাট ফাওতে উঠি যাবলৈ বিচাৰে।

যাত্ৰীৰ কথাত যেনে মনোযোগী মটৰ চলোৱাতো হৰিশ তেনে এজন অতি-পাত হুচিয়াৰ ড্ৰাইভাৰ। গাড়ী ঘোঁৰাৰ অতিপাত উবাজুৱাতো সি আনকি গৰুগাড়ী এখনত খুন্দা মাৰি তাৰ লাইচেন্সত সামান্য আচোৰ এটা লোৱা বুলিও কোনেও ক'ব নোৱাৰে। কুৰ্চুট, আপোনপেটীয়া আন আন ড্ৰাইভাৰৰ দৰে মটৰে মটৰে 'ৰেছ' দিয়া, যুঁজ-বাগৰ কৰা, বা অতিপাত বেগেৰে চলাই বাটৰুৱাক শল ঠেকত পেলোৱা কথা আনকি হৰিশৰ সোঁৱ-ৰণীতো ক'তো লিখা নাই।

কিন্তু তথাপি, ঈশ্বৰৰ কি ইচ্ছা, ইমান আচম্বিতে কোনেও তকিব নোৱাৰা-কৈয়ে সেই শোকলগা দুৰ্ঘটনাটো সেই দিনা হৈ গ'ল। ৰাতিপুৱা চাহটোপা খাই উঠি মটৰত আহি বহোঁতেই হৰিশৰ হাতৰ ষ্টিয়াৰিংডাল সিদিনা অকাৰণেই যেন বৰকৈ কঁপি উঠিছিল। সিদিনা তাৰ ঘৈণীয়েক মৰা সেই ছয়গাওঁলৈ যোৱা অশুভ দিনটো। তথাপি হৰিশে আন্ধাৰ মনেৰে হলেও ঘৰৰপৰা ওলাই নাহি থাকিব নোৱাৰিলে। কিয়নো দিনটোৰ ভাৰা ঘাটি পেলাই, ঘৰত এনেয়ে বহি সময়খিনি নিয়াবলৈ, অন্ততঃ হৰিশৰ মনে কেতিয়াও সৈমান নহয়। সেইকাৰণে হৰিশে বহুতো গুণা-গঁথা কৰি, ঘৰৰপৰা ওলাই আহি, অতি সাৱধানী হৈ কামত মন দিলে।

সেইটোৱে তাৰ পলাশবাৰীৰ পৰা উলটি অহা শেষবাৰৰ খেপ। সাঁজৰ আন্ধাৰ লাহে লাহে গঢ়ি আহিছে। মটৰত সি আন ড্ৰাইভাৰতকৈ অলপ আগধৰিয়ে চাকি দুটা জ্বলাই উঠিছে মাথোন। কামাখ্যাৰ আগত। পুলিচটো থিয় হৈ থকা বাটৰ সেই তিনি-মুনিৰ যোৰাটোতে। নাজানো, ক'ৰপৰা অতৰ্কিতে আথৰ-আলৰ, চেৰেলা বুঢ়ী মানুহ এজনী আহি তাৰ মটৰৰ মাড-গাৰ্ডতে মুখ থেকেচা খাই পৰি গ'ল। সি তাৰ দেহৰ সকলো শক্তিৰে ব্ৰেক ধৰিও তাইক সৰুৱাব নোৱাৰিলে। ব্ৰেক টানি উঠি, প্ৰায় উলটি গড়খাৱৈত পৰি যাব খোজা গাড়ীখন চম্ভালি, যেতিয়া হৰিশে বুঢ়ীৰ লাচটোৰ ওচৰ চাপি জুমি চালে, তাৰ বহু আগতে বুঢ়ীৰ লাওখোলাৰ ঠুনুকা হাড়কিডাল চুচুৰ্মৈ হৈ মাটিৰ লগত মিহলি হৈ গৈছে। আৰু বুঢ়ীৰ চিন-চাব নোহোৱা নাক মুখৰপৰা হোলোকা-হোলোকে তেজ বৈ আলিবাটৰ ধূলিৰ সৈতে ডোঙা বান্ধিছে।

বহুপৰ নিস্তব্ধ হৈ, বুঢ়ীৰ শেষ অৱশিষ্টৰ ওচৰত মূৰত হাত দি হৰিশ বহি ৰ'ল। পুলিচ আহিল আৰু সকলো সাক্ষী বাদীৰ বহীত নোট কৰি ল'লে। আন আন গাড়ীৰ পৰা নমা যাত্ৰীবোৰ আকৌ নিজ নিজ গাড়ীত উঠি

বহিলগৈ। হৰিশ হাতযোৰ কৰি কৰি তাৰ মটৰৰ সকলো যাত্ৰীৰে পইচা ওভোটাই দি, তেওঁবিলাকক আইন গাড়ীত উঠি যাবলৈ কাৰো কাকুতি কৰি, অকল বুঢ়ীৰ মৰাশটোকে তাৰ গাড়ীত নিজ হাতে কঢ়িয়াই তুলি লৈ, নিজেই ধৰা দিবলৈ সদৰ থানাত আহি উপস্থিত হ'ল।

o o o

পুলিচৰ সাক্ষী, বাটৰুৱাৰ সাক্ষী, মটৰৰ সকলো যাত্ৰীৰ সাক্ষীৰ জোৰত, আদালতৰ বিচাৰত হৰিশ নিৰ্দোষী বুলি প্ৰমাণিত হ'ল। আৰু মাত্ৰ তিনিদিন হাজত বাসৰ পিচত, আগৰদৰে মুকলিমূৰীয়া হৈ মটৰ চলাবলৈ সি অনুমতি পালে।

পিচে আদালতৰ বিচাৰত মুক্তি পালে হ'ব কি? হৰিশৰ নিজৰ মনৰ ভিতৰত চলা এটা তুমুল ভাৱৰ যুঁজে তাক ডাঙৰ মনৰ বিকাৰ এটাৰ বন্দী কৰি তুলিলে।

সেই দুৰ্ঘটনাৰ পিচত, গেৰেজত তলামাৰি বন্ধ কৰা হৰিশৰ 'উৰ্বশী' তেনেকৈ তলা মৰা হৈয়ে পৰি ৰ'ল। এনেকি, হৰিশে অদ্ভুত কিবা এটি আক্ৰোশত, কাঁকো মটৰখনৰ মাড্‌গাৰ্ড আৰু চকাবোৰৰপৰা বুঢ়ীৰ তেজৰ চেকাবোৰকো ধুই পেলাবলৈ নিদিলে। পেটৰ ভাত আৰু চকুৰ টোপনিৰ অভাৱত হৰিশৰ দেহৰ কান্তি লাহে লাহে মলিন হৈ আহিবলৈ ধৰিলে। তেল-কুৰৰ পৰশ নাপাই মূৰৰ চুলি মৰাপাট যেন হৈ চকুৰ ওপৰত ওলমি পৰিল। আৰু লানি নিছিগা দীঘলীয়া চিন্তাৰ দাহে চকুৰ চাৰিওপাৰে দ, ক'লা মহীৰ ঘূৰণীয়া বৃত্তহে যেন আঁকি দিলে।

নিৰলা ঘৰৰ খোটালীত, অকলশৰে নৈৰ পাৰত, মাজৰাতি জন-মানৱ নোহোৱা আলিবাটত হৰিশে চিন্তাৰ আঁত হেৰুৱাই কিবা যেন হেৰুৱা বস্তু এটা, কিবা যেন মূল্যবান বস্তু এটা অনবৰত বিচাৰি ফুৰিবলৈ ধৰিলে। কিবা যেন পাৰ নোপোৱা গধূৰ অন্বেষণ এটাত লাগি, লাহে লাহে সি সাধাৰণ মানুহৰ লগ-সঙ্গৰপৰা ক্ৰমে আঁতৰি গ'ল।

মাতিলেও হৰিশে মুখেৰে একো নামাতে। সুধিলেও একো সমিধান নিদিয়ে। অকল ইঙ্গিতেৰে যেন বুজাবলৈ বিচাৰে, সি সেই অচিনাকি বুঢ়ীজনীৰ মৃত্যু ৰহস্যৰ এটা মীমাংসা বিচাৰি উলিয়াব লাগিছে।

মানুহ অহৈতুকী এটি শক্তিৰ দাস। তাৰ নিজৰ কৰ্মৰ ওপৰত, ক্ৰিয়াৰ ওপৰত তাৰ নিজৰ একো হাত নাই। অকল কোনোবা এটা অদৃশ্য শক্তিৰ চালনাত সি নিষ্ক্ৰিয় যন্ত্ৰ এটিৰ দৰে চালিত হয় মাথোন। কোনোবা কুটিল নিয়তি এটাই তাক ভৰিৰ মাজত লৈ, যেন গোটেই জীৱনটোৱেই এটা মৰ্মন্তুদ ৰহস্যৰ খেলা খেলে।

হৰিশে অকল তাকেই ভাবে, কিন্তু ভাবি একো পাৰ নাপায়। ইমান সাৱধানী, ইমান কৰ্তব্যপৰায়ণ, এজন মানুহৰ মটৰৰ আগত, ক'ৰবাৰ নিচিনা নজনা, ডাল-দৰিদ্ৰ বুঢ়ী এজনী আত্মজাহ দি আহি মৰিল কেলেই? আৰু মৰিলেই যদি সেই মৰাৰ ভিতৰত কি ইঙ্গিত নিহিত আছে, সি নিজে তাৰ একো গম নাপালে কেলেই?

হৰিশে অকল চিন্তাৰ ঘূলিত নামিল মাথোন। তাৰ পানীৰ ৰং ঘোলা কৰিলে; কিন্তু তাৰপৰা একোৱেই উদ্ধাৰ নহল। বৰং পানীৰ ৰং ক'লা পৰাৰ লগে লগে তাৰ চকুৰ কাষৰ কালিমাৰ ৰঙো আৰু বেছি ক'লা পৰি আহিল। আৰু লগে লগে মাকৰ কলিজাৰ তেজো ক'লা পৰি, দুচকুৰে পানীৰ ধাৰ বৱলৈ ধৰিলে।

কিন্তু এবেলি যাৰ চিন্তাৰ সৰল আঁতত আউল লাগে তাৰ জঁট ক্ৰমে ভাঙিব নোৱাৰা হৈহে যায়। কেনেবাকৈ এবেলি যাৰ মগজুৰ নিয়াৰিকৈ পতা যন্ত্ৰত আঁৰ লাগে, ক্ৰমে সি বেছি বিকল হৈহে যাবলৈ বিচাৰে। মনৰ শান্তি এবেলি যাৰ নোহোৱা হয়, সি দুনাই আহি প্ৰায়ে কেতিয়াও থিত নলয়।
গতিকে হৰিশে ভাবে, অকল ভাবেহে, ভাবৰ সোঁতত অকণিও ঠাউনি নাপায়।

*　　*　　*

তাৰ কিছুদিন পিচত। এদিন কাল সন্ধিয়া। গেলা বতৰ। সিম্‌সিমীয়াকৈ বৰষা গুড়ি বৰষুণ। বাটে-পথে ভৰিৰ গাঁথি তল যোৱা পেঁক, বোকা।
জেলখানাৰ ওচৰৰ, ৰেলৰ আলিৰ কিনাৰৰ এটা লুঙলুঙীয়া সৰু গলি। দুকাষে আপচু, আগচী খেৰৰ ভগা-ছিগা ঘৰ। বেছিভাগ পছিমীয়া গাৰোৱান আৰু গাড়ী মেৰামত কৰা বাঢ়ৈৰ বস্তি। গলিৰ কাণে কাণে ধানখেৰৰ দম আৰু গোবৰৰ গেলা ডোবা। তাৰ মাজত এফালে এখন টিং মিস্ত্ৰিৰ দোকানৰ সৈতে লগা এখন পৰতা-মাংস আৰু চাহৰ দোকান।

কোনোদিনে নেদেখা সেই আচহুৱা ঠাইৰ মাজে মাজে হৰিশে কিবা ভাবি ভাবি আপোন মনে যেন বাট বুলে। শৰীৰৰ সাজ-পাৰ তাৰ সম্পূৰ্ণ অপৰিপাটি, মলিয়ন আৰু ফটা-ছিটা। দেহৰ চলন অত্যন্ত দুৰ্বল। মুখৰ ভাব আৰু চকুৰ ভাষা ভীষণ কষ্টপূৰ্ণ আৰু ব্যথাব্যঞ্জক।

আহি আহি হৰিশে যেন সেই চাহ-মাংসৰ দোকানখনৰ আগত এনেই থিয় দি বৈ গ'ল। আৰু দুৱাৰত আঁৰি থোৱা ফটা ধুতিৰ পৰ্দাখনৰ ফাকেদি দোকানৰ ভিতৰত থকা মানুহকেইজনলৈ বাহিৰৰপৰা জুমি চালে। এটা কাগজেৰে বটা ভগা চিমনিৰ হেৰিকেনৰ পোহৰত স্বৰূপ, জগত, নিৰঞ্জন,

তফজল আৰু অইন অইন এদল ড্ৰাইভাৰ আৰু হেণ্ডিমেনে বৰ চিঞৰি-বাখৰি কোচাল কৰি খোৱাত ব্যস্ত হৈ আছিল।

হৰিশে দোকানৰ দুৱাৰমুখত কোনেও নেদেখাতে বৈ, অকলে অকলে ভাবিলে যে দোকানৰ ভিতৰৰ আটাইকেইজন মানুহকে সি ভালকৈ চিনি পায়। স্বৰূপ সিং শিখ, অসমতে ডাঙৰ দীঘল হোৱা, সঁচাকৈয়ে সকলো ড্ৰাইভাৰৰে দলপতি স্বৰূপ। দুখনকৈও ফাৰ্ষ্টক্লাচ টেক্সিৰ সি নিজেই মালিক। জগতৰাম, সি নিজেই এদিন মাৰি-ধৰি কামৰপৰা খেদি দিয়া মদপী হেণ্ডিমেনটো। নিৰঞ্জন আৰু তফজল, কেবাবেলিও জেল-খাটি অহা নামজ্বলা দাগী চোৰ। তাৰ বাহিৰে বাদ্‌বাকীকেইজনৰ নাম আনকি সি মুখেৰে আনিবলৈকো ভয় কৰে।

হৰিশে সেইদৰেই থিয় হৈ একান্তমনে চাহ আৰু কথাত মছগুল, সেই প্ৰাণীকেইটিলৈ চাই ৰল। চিন্তা আৰু নিৰানন্দই পোৱা তাৰ মনৰ ভিতৰত, সিহঁতৰ হাঁহি-খিকিন্দালিবোৰে বৰ নিৰ্মমভাৱে আহি আঘাত কৰিলে। চাই চাই আৰু যেন সি বেছিপৰ সহ্য কৰিব নোৱাৰি, এবেলি এনেয়ে তন্ময়ৰ দৰে, এখুজি-দুঁখুজিকৈ দোকানৰ ভিতৰলৈ সোমাই আহিল।

হৰিশ আহি দোকানৰ ভিতৰত থিয় হোৱাৰ লগে লগে চলি থকা হাঁহি আৰু কথাৰ জাউৰি হঠাতেই যেন বৰ বেয়াকৈ বাধা পাই, বন্ধ হৈ গ'ল। সকলোৱে যেন কিবা নভবা এটা আচৰিত বস্তু দেখাৰ দৰে বিস্ময়ত উঠি থিয় দিলে। সকলোৰে আগতে জগতে বৰ ব্যস্তভাব দেখুৱাই, ওচৰৰ দোকান এখনৰপৰা কিবা বস্তু এটা চাই আহোঁ বুলি কৈ উঠি গুচি গ'ল আৰু দুনাই উভতি নাহিল। আৰু থিক তেনেকৈয়ে, অতি অলপ সময়ৰ ভিতৰতে ইমান ডাঙৰ দোকানৰ জুমটো গম নোপোৱাকৈঁয়ে যে কেনেকৈ ক'ত অদৃশ্য হৈ গ'ল তাৰ কোনেও ততকে ধৰিব নোৱাৰিলে।

হৰিশে কাৰো সম্ভাষণলৈ বাট নাচাই নিজে গৈ স্বৰূপ সিঙৰ ওচৰৰ বেঞ্চি-খনত লেপেটা কাঢ়ি বহিল। স্বৰূপে বৰ আগ্ৰহেৰে তাক ওচৰলৈ গাত ধৰি চপাই নি, তাৰ নিজৰ সন্মুখত থকা 'পিৰিচখন' আগবঢ়াই দিলে। পিৰিচৰ ওপৰত তেতিয়াও নতুন এটি পেটৰ জোখাৰে পৰতা-মাংস দ'ম হৈ পৰি আছে।

বৰ আপ্যায়িতৰ দৰে হৰিশক পৰতা-মাংসৰ ভাগ দি, স্বৰূপে আৰু আয়াসেৰে বেঞ্চিৰ ওপৰত ঠেং তুলি বহিল। আৰু দুয়োহাতেৰে ধৰি হৰিশক আৰু ওচৰলৈ আনি বহুৱাই লৈ বৰ উচ্ছ্বাসেৰে বক্তৃতা আৰম্ভ কৰিলে। বহু-দিনৰ সঞ্চিত কথা যেন বাধা ভাঙি ধল অহা দি স্বৰূপৰ মুখৰপৰা বাগৰি আহিল। পুলকত দুয়োটি চকু স্বৰূপৰ অতি প্ৰখৰ হৈ লেমৰ পোহৰত জ্বলিবলৈ ধৰিলে। স্বৰূপে কৈ গ'ল,

বুজিছো হৰিশ, তুমি মনৰ শান্তি হেৰুৱাই পানীপিয়া চৰাইৰদৰে বলীয়া হৈ শান্তিৰ পানী বিচাৰি ঘূৰি ফুৰিছা। নহলে এইটু আঁচহৰা ঠাইত, কেতিয়াও তোমাক লগ নাপালোঁহেতেন। কিন্তু নিজৰ চিন্তাৰ জুইৰে এবেলি যি নিজৰ মগজুত জুই জ্বলায় সেই জুই আনে কেতিয়াও নুমাব নোৱাৰে। জগতত যিয়ে যিমান কম ভাবে, সিয়ে ইয়াত সিমানে সুখী। তুমি ক'ৰবাৰ নিচিনা নজনা ভিকহু এজনীক মটৰেৰে অতৰ্কিতে চেপি মাৰি আজি ইমান দিনে এইদৰে ভাবি ভাবি চেৰা-বলীয়া হৈ ফুৰিছা। মই ইচ্ছা কৰি 'ৰেছ' দি, মদ খাই বে-হুচিয়াৰী হৈ তিনিটাকৈও নগৰৰ ভাল মানুহ বধ কৰিও আজি মহানন্দে দোকানত বহি, পৰতা-মাংস চোবাইছোঁ। ভাল কাম কৰিবলৈ অন্তৰত ডাঙৰ বল লগাৰ দৰে বেয়া কাম কৰিবলৈকো অন্তৰত ডাঙৰ বল লাগে।

হৰিশে যেন নতুন এটা, কাণেৰে শুনা শক্তি পোৱাৰ দৰে গভীৰ ভাৱে মনোনিবেশ কৰি স্বৰূপৰ কথাবোৰ একান্তমনে শুনি গ'ল। স্বৰূপে হৰিশৰ মনোযোগ দেখি, উৎফুল্ল হৈ সামান্য অৰ্থপূৰ্ণ চুটি হাঁহি এটি মাৰি, টেবুলৰ তলৰপৰা 'ৰাম'ৰ বটল এটি উলিয়াই আনিলে। আৰু হৰিশৰ চকুৰ আগতে টেবুলৰ ওপৰত থৈ, কেইঢোকমান মদেৰে ডিঙিটো জীপাই লৈ আৰু যেন বেছি উচ্ছ্বাসত অন্তৰ খুলি কথাৰ মহলা মাৰিবলৈ আৰম্ভ কৰিলে।

হৰিশে তথাপি কোনো প্ৰতিবাদ নকৰি বা উঠি গুচি যোৱাৰ কোনো চেষ্টা নেদেখুৱাই, আগৰদৰে নিৰ্বিকাৰ চিত্তে স্বৰূপৰ কথালৈ কাণ পাতি ৰ'ল। স্বৰূপে শুকান হাঁহি এটা মাৰি হৰিশক গাত ধৰি জোকাৰি অভিবাদন কৰি ক'লে, মই জানো হৰিশ, তোমাৰ সন্মুখত কৰিলেও তুমি আজি মোৰ এই বেয়াদপি মাফ কৰিবা। মোৰ সম্পূৰ্ণ মনত আছে তুমি এই মদখোৱা কচুৰৰ কাৰণে তোমাৰ জগত হেণ্ডিমেনক এদিন মাৰধৰ কৰি কামৰপৰা বৰখাস্ত কৰিছিলা। কিন্তু সেই দিন আৰু আজিৰ দিনৰ বহুত তফাৎ আছে। তুমি আজি আৰু কোনো গাড়ীৰে ড্ৰাইভাৰ হৈ থকা নাই। তুমি নিজেই আজি অচল গাড়ী এখনৰ দৰে হৈ ড্ৰাইভাৰ বিচাৰি য'তে ত'তে খুন্দিয়াই ফুৰিছা। মই তোমাৰ সেই ভগা গাড়ীখন আজি বিচাৰি পাইছোঁ। আৰু তাকে নতুন বাট দেখুৱাই দেখুৱাই কেদিনমান চলাই লৈ ফুৰিম। গতিকে মই তোমাৰ জগত হেণ্ডিমেন নহয়। মই তোমাৰ স্বৰূপ ড্ৰাইভাৰ। তুমি মোৰ সেই ভগা গাড়ীখন।

স্বৰূপে কথাৰ মাজে মাজে বৈ ঘনাই ঘনাই টেবুলৰ তললৈ হাত নিবলৈ ধৰিলে। আৰু তাৰ লগে লগে ক্ৰমান্বয়ে তাৰ কথাৰ যোৰাবোৰ অসংলগ্ন হৈ আহিল। মদৰ বিকৃত গন্ধে বন্ধ সৰু খোঁটালীটোৰ বতাহখিনি দুৰ্গন্ধময় আৰু গধুৰ কৰি তুলিলে। তাৰ চকুৰ মণিৰ কাঁচখন কাঁচৰ নিচিনাই নিশ্চল

আৰু ভাষাহীন হৈ পৰিল। দুৰ্বল আৰু অসংযত হৈ তাৰ হাতৰ ঠাৰ চিয়াঁৰবোৰ ক্ৰমে নচলা হৈ আহিল।

* * *

মেজৰ তলৰ দুয়োটাকৈ বটল নিগৰি শেষ কৰি স্বৰূপে যেতিয়া সম্পূৰ্ণ বেহুচ হৈ দোকানৰপৰা ওলাই আহি আলিবাটত থিয় দিলে তেতিয়া ৰাতি ভালেমান পাৰ হৈ গৈছে। বৰষুণ সম্পূৰ্ণৰূপে এৰা নাই। বাহিৰত কৃষ্ণ-পক্ষৰ চকুত আঙুলি দিলেও নমনা ডাঠ গোটমৰা আন্ধাৰ। ক'তো জন-মানৱ নালাগে· আনকি গৰু-ঘোঁৰা এটিও চকুত পৰা নাই।

ৰেলৰ আলিৰ কাণে কাণে সৰু সুৰসুৰীয়া কাঁইটীয়া গছেৰে আগুৰা ঠেক বাট। স্বৰূপে অতি কষ্টে নিজক চম্ভালি সেই বাটেৰে খোজ কাঢ়ি আহিবলৈ ধৰিলে। লগত তাৰ জোৰ কৰি ধৰি বান্ধি অনা অসহায় হৰিশ। স্বৰূপৰ এতিয়া একমাত্ৰ কথা, প্ৰতিজ্ঞা আৰু পণ, সি যেনেতেনেই আজি হৰিশক তাৰ নিজৰ ঘৰলৈ নিবই নিব। ইমান দিনৰ চিনাকি হ'লেও হৰিশে কেতিয়াও স্বৰূপৰ ঘৰলৈ যোৱা যে নাই এই অপমান আৰু সি বেছিদিন সহ্য কৰি থাকিব নোৱাৰে। আজি অন্ততঃ একো নকৰিলেও তাৰ ঘৈণীয়েকক সি এবেলি চাই আহিব লাগিব।

—খেৰৰ জুপুকা মৰা এটা সৰু ঘৰ। সন্মুখত পাৰি দিয়া তামোল গছৰ ঠেক সাকোঁ। চাৰিওপিনে ঢাকি দিয়া টিনপাতৰ এখন চকোৱা। দুৱাৰত ভিতৰৰপৰা ডাং দিয়া বাঁহৰ জাপ এখন। ভিতৰত কিজানি তেলৰ টিমিকি টিমিকিকৈ নিস্তেজ চাকি এটা জ্বলিব লাগিছে।

স্বৰূপে আক্ৰোশত জাপত খুন্দিয়াই চিঞৰি মাতিলে—পিয়াৰী, পিয়াৰী! দুৱাৰ খুলি দে মই আহিছোঁ। বহুপৰলৈ ভিতৰৰপৰা কোনো সঁহাৰি নাহিল। কাৰো মাতো শুনা নগ'ল। স্বৰূপে অস্থিৰ আৰু বেছি ভমক দেখুৱাই দুৱাৰত ঠেলি মাতিলে —

—পিয়াৰী, দুৱাৰ খুলি দে। মই মদ খাই অহা নাই। নুখুলিলে তোৰ বিপদ আছে।

জ্বলি থকা তেলৰ চাকিটো যেন কিছু লাহে লাহে বাঢ়ি উঠিল। ইফালে সিফালে লৰচৰ কৰা দুখন ভৰিৰ কিছু জাননী পোৱা গ'ল। দুৱাৰৰ ডাংডাল সশব্দে মাটিত বাগৰি পৰিল। দুৱাৰৰ ফাঁকেদি হাতৰ চাকিৰ পোহৰত এইমাত্ৰ টোপনিৰপৰা আবেশত উঠি অহা, এখনি ধুনীয়া গাভৰুৰ মুখ দেখা দিলে। গাভৰুৰ চকুত টোপনিৰ জড়িমাই সৈতে লাগি থকা অপূৰ্ব ৰূপৰ মলিন কৰুণ জেউতি। চকুৰ পাৰত শুকাই থকা দুৰ্বহ দুখৰ জীৱনৰ শুকান তপত চকুৰ পানীৰ চিন। দেহত সম্পূৰ্ণ নিভাঁজ অসমীয়া সাজ-পাৰ।

খোটালীৰ মাজলৈ হৰিশক ঠেলি নি, জোৰ কৰি হাত ভগা কাঠৰ অসমান চকী এখনত বহুৱাই লৈ, স্বৰূপে আস্ফালন কুৰি গোটেই খোটালীতে এবাৰ ঘূৰি ললে আৰু গৰ্বত হৰিশৰ ওচৰলৈ আহি কলে—

—এয়েই মোৰ ঘৰ হৰিশ। আৰু এৱেঁই মোৰ পিয়াৰী, বেগমছাহেবা বা ছাহাজাদী। বুজিছোঁ তোমাৰ সন্দেহ হৈছে। তুমি অবিশ্বাসৰ চকুৰে বিস্ময়ত মোৰ পিনে চাইছা। কিন্তু সন্দেহৰ কোনো কাৰণ নাই। ই কোনো লুক-ঢাককৈ ৰখা চোৰাং বস্তু নহয়। মোৰ নিজ বাহুবলেৰে উপাৰ্জন কৰা সামগ্ৰী।

"ঝুঁঠ ন কঁহে য' কঁহে ঐসি,
জেহি কো লাঠি সেহি কো ভৈঁসি।"

স্বৰূপে ডিঙি খুলি শুকান কাঠ হাঁহিৰে ঘৰটো ৰণজনাই কেবা বেলিও কবিতাফাকি আওৰই আওৰাই অলপ সাম্য হ'ল। আৰু গভীৰ বিশ্বাসত হৰিশৰ ওচৰ চাপি আহি, গাত ধৰি প্ৰত্যয় জন্মাবলৈ অশেষ চেষ্টা কৰি বৰ কৰুণভাৱে ক'বলৈ ধৰিলে—

তুমি অবিশ্বাস কৰিলে মই প্ৰাণত বৰ দুখ পাম হৰিশ, সঁচাকৈয়ে এই গাভৰু মোৰ ধৰ্মপত্নী। অৱশ্যে ঢোল-কাঁহ বজাই, মানুহক ভোজ-ভাত খুৱাই মই তাইক বিয়া কৰোৱা নাই। কিন্তু অশেষ যন্ত্ৰণাৰ নৰককৰপৰা তাইক মই নিজে উদ্ধাৰ কৰিছোঁ। আৰু সেই কৃতজ্ঞতাৰ গুণত তাই মোৰ ওচৰত ঋণী। তাই সজ পুৰোহিতৰ ঘৰৰ অসমীয়া ব্ৰাহ্মণৰ ছোৱালী। তুমি জাতিত শূদিৰ। সেই কাৰণে তুমি তাইৰ ভৰি ছুই প্ৰণাম কৰিব লাগে।

কথাৰ মাজতে স্বৰূপে হৰিশৰ চকুলৈ চাই হঠাতে বাধা পোৱাৰ দৰে বৈ গ'ল। আৰু অলপ ৰোষত হৰিশৰ হাতৰ মুঠিত ধৰি ক'লে—

বুজিছোঁ, এতিয়াও তোমাৰ চকুৰপৰা অবিশ্বাস যোৱা নাই। তুমি এতিয়াও কৌতূহলত অবাক হৈ মোৰ চকুলৈ চাই আছা। এই অবিশ্বাসেই পৃথিৱীত যত অনিষ্টৰ মূল। আৰু ইয়াৰে সহায় লৈ যত ছল-চক্ৰান্ত, অত্যাচাৰ-অনাচাৰ ফাকি প্ৰৱঞ্চনা চলে। বাৰু, মই নিজে একো নকওঁ। তুমি নিজে সুধিব লাগিব। তুমি নিজে সুধি উলিয়াব লাগিব, কোন গাওঁৰ কোন ব্ৰাহ্মণ কুলত তাইৰ জন্ম। বিধবা হৈ কোন অভিভাৱক ভিনীহিয়েক সাত্ত্বিক পুৰোহিতৰ ঘৰত থাকি তাই পতিতা হয়। আৰু কেনেকৈ সেই পাষণ্ড ভিনীহিয়েকে কামাখ্যাৰ বিধৱা আশ্ৰমত আশ্ৰয় দিম বুলি তাইক প্ৰৱঞ্চনা কৰি আনি, আমিন-গাৱঁৰ ৰেল ষ্টেচনত টিকট কিনিব যোৱাৰ ছল কৰি এৰি থৈ গ'ল। আৰু কেনেকৈ তাৰপৰা কতজন শঠ, লম্পট, অনাচাৰী, অত্যাচাৰীৰ হাত সলাই সলাই এদিন তাই পতিতালয়ত উঠেগৈ আৰু তাৰেপৰা অৱশেষত স্বৰূপ সিঙৰ হস্তগত হয়।

কথাবোৰ কৈ কৈ যেন স্বৰূপে অদ্ভুত এটা খণ্ডৰ ভমকত নিমিষতে উত্তেজি উঠিল। আৰু ঘৰৰ একোণত নিশ্চল হৈ ওৰণিৰ আৰত লুকাই থকা গাভৰুৰ কাষ চাপি ভীষণ ৰোষত ক'লে,

বাৰু, তুমি নিজে সিমান কষ্ট কৰিব নালাগে। ময়ো সেই পাষণ্ডসকলৰ পৈশাচিক কাহিনীবোৰ দোহাৰি কৈ মোৰ মুখ অপৱিত্ৰ নকৰোঁ। যি মুখে অতদিনে সেই পাপবোৰ নীৰৱে সহ্য কৰি আহিছে, সেই মুখে আজি সেই পাপৰ কাহিনীবোৰ ফুটাই খুলি ক'ব।

স্বৰূপে অদ্ভুত এটি আক্ৰোশত গাভৰুৰ হাতত ধৰি প্ৰথমে মুখেৰে কথা উলিয়াবলৈ নানা অনুৰোধ কৰিলে, অনুৰোধ অনুযোগ গৈ শেষত আক্ৰমণত পৰিণত হ'ল। অৱশেষত স্বৰূপে খণ্ডত বিকৃত কদাকাৰ মূৰ্তি এটা ধাৰণ কৰি, গাভৰুৰ ডিঙিত ধৰি কুৎসিতভাৱে বল প্ৰয়োগ কৰিলে। কষ্টত, ক্লেশত, অসহায় গাভৰুৰ কণ্ঠৰপৰা কাতৰ বিননি মাথো ফুটি ওলাল। তাৰ বাহিৰে অইন কোনো কথা এটিও নসৰিল।

হৰিশে মোহাবিষ্টৰ দৰে সেই দৃশ্য চাই হঠাতে এবেলি ভীষণ সজীৱ হৈ আত্মপ্ৰকাশ কৰি উঠিল আৰু গাভৰুৰ ওপৰত হোৱা অত্যাচাৰত বাধা দিবলৈ স্বৰূপৰ বিপক্ষে দেহৰ সমগ্ৰ শক্তি প্ৰয়োগ কৰিলে। বহুপৰে হৰিশৰ সৈতে যুঁজি-বাগৰি স্বৰূপে বিৰক্তিত অকথ্য ভাষাৰে গাভৰুৰ প্ৰতি নানা অৱজ্ঞা প্ৰকাশ কৰি ঘৰৰপৰা বাজ ওলাই আহিল। তাৰ পিচত আৰু হাজাৰ চেষ্টা কৰিও বুজাই বঢ়াই হৰিশে তাক সেই ৰাতি ঘৰলৈ ওভতাই নিব নোৱাৰিলে।

* * *

বহুপৰেও আলিবাটত টনা-আঁজোৰা কৰি, কথা-বতৰা কৈ সাম্য কৰাই স্বৰূপক ঘৰলৈ ওলটাই নিব নোৱাৰি, হাৰ মানি হৰিশে যেতিয়া তাৰ ঘৰ পায়গৈ তেতিয়া ৰাতি প্ৰায় শেষভাগৰ ওচৰ চাপিছে। বাটে-পথে আনকি উদণ্ডুৱা অঘৰী কুকুৰবোৰেও তেতিয়া অলপ শান্ত হৈ জিৰণি লৈছে। বিচনাত মাকৰ তাৰ ভৰ টোপনি। তাৰ কোঠালীত, মূৰ-শিতানত সাজি থোৱা ভাতৰ কাঁহী-বাটিবোৰৰ ওচৰত হেৰিকেনটো ধোঁৱাৰে ক'লা পৰি কোনো ৰকমে টিমিক-টামাককৈ জ্বলি আছে।

হাতত সাৰে ভৰিত সাৰে মাকক জান নিদিয়াকৈ, হৰিশে চোৰৰ দৰে ঘৰত সোমাই টোপনিত লালকাল দি থকা মাকৰ মুখখনিলৈ এবেলি চালে আৰু ভয়ে ভয়ে সাজি থোৱা ভাতৰ পাতত বহি, সেইদৰে সাৰ-সুৰ নোহোৱাকৈ খোৱা শেষ কৰি বিচনাত দীঘল দি শুই পৰিলগৈ।

আন্ধাৰ ঘৰ, হৰিশৰ চকুৰ আগত, অন্ধকাৰৰ মাজেদি সিদিনাৰ দিনৰ সকলো অভিজ্ঞতাৰ ছবিবোৰ এটি এটিকৈ বাগৰি যাবলৈ ধৰিলে। হৰিশে বৰ তন্ময়েৰে তাৰ প্ৰতিটোৰে তাৎপৰ্যবোৰ বিচাৰি চাবলৈ চেষ্টা কৰিলে।

প্ৰথমতে হৰিশে অলপ ভাবি বিচলিত হৈ উঠিল যে আজিয়েই তাৰ সেই যৈণীয়েক মৰা, সি ছয়গাওঁলৈ যোৱা অশুভ দিনটো। অথচ কি আচৰিত-ভাবে ৰাতিপুৱাৰেপৰা আজি সি সেই কথাটোকে পাহৰি আছিল। এই দিন-টোতে তাৰ জীৱনত যত অঘটন এপিনৰপৰা ঘটি আহিছে। তেনেহলে আজিৰ দিনৰো ঘটনাবোৰ সি কেতিয়াও ৰহস্যপূৰ্ণ বুলি নধৰি থাকিব নোৱাৰে।

হৰিশে অলপ দকৈ ভাবি চাই পালে যে স্বৰূপ সিংহঁতক গধূলি দোকানত লগ পোৱা ঘটনাটোৱেই আজিৰ দিনৰ এটি অদ্ভুত ঘটনা।

জেলখানাৰ পিচৰপিনে ৰেলৰ আলিৰ কাষৰ, চোৰ, লম্পট, মদপীৰ খোৰোঙ, সেই চাহৰ দোকানবোৰ। তালৈ যোৱা নালাগে তাৰ অস্তিত্বকে সি মনে মনে ঘিণ কৰে। তেনেহলে আজি তাক কিহে সেইপিনে টানি নিছিল? সিতো জীৱনত কোনো দিনেও সেই অপথত খোজ দিয়া নাই।

তাৰ পিচত। যদি সেইপিনে ভুলতেও গৈছিল, জগত, নিৰঞ্জন, তফজ্জল সেই দুৰ্দান্তবোৰক তাত বহি থকা দেখিও, সি কেলেই দোকানৰ ভিতৰলৈ সোমাই গ'ল? তাকচোন আত্মজাহ দি কোনেও দোকানৰ ভিতৰলৈ যাবলৈ অনুৰোধ কৰা নাছিল।

দোকানৰ ভিতৰতো, সি বা কেলৈ স্বৰূপক তাৰ আগতে বহি ঢোকে ঢোকে সেইদৰে মদ খাই বলীয়া হ'বলৈ দিলে? সি দেখোন জীৱনত কেতিয়াও তেনেকুৱা দৃশ্য ক'তো সহ্য কৰি চাই থকা নাই। স্বৰূপক বাধা দিব নোৱাৰিলেও, সি চোন তাৰ লগৰপৰা উঠি আতৰি আহিব পাৰিলেহেঁতেন। তেনেহলে সি কেলৈ সেইদৰে আজি স্বৰূপৰ লগত অচেতন হৈ বহি থকাৰ দৰে বহি ৰ'ল?

সকলোৰে শেষত, স্বৰূপৰ ঘৰৰ সেই বেয়া দৃশ্যবোৰৰ। অসহায় দুৰ্ভগীয়া এজনী তিৰোতাৰ ওপৰত এনে কুৎসিত, জঘন্য অত্যাচাৰ আৰু লাঞ্ছনা। তাকেই বা আজি সি দেখাৰ তাৎপৰ্য কি?

হৰিশে যিমানেই ভাবিলে সিমানেই এটি কথা তাৰ মনত পৰিস্ফুট হৈ উঠিল যে আজি গোটেই দিনটো সি সজ্ঞানে সচেতন অৱস্থাত কেতিয়াও ফুৰা নাছিল। এটা অদৃশ্য কিবা শক্তিয়ে তাক নিজ ইচ্ছামতে যেন যেনি-তেনি ঘূৰাই লৈ ফুৰিছিল।

হৰিশে আৰু দৃঢ়ভাৱে ভাবিলে, সেই অদৃশ্য শক্তিৰেইবা তাক তেনেকৈ লৈ ফুৰাৰ উদ্দেশ্য কি?

গৈ গৈ তাৰ চিন্তা সেই স্বৰূপৰ ঘৰত দেখা গাভৰুৰ ওপৰত কেন্দ্ৰীভূত হ'লগৈ। সি আজিৰ দিনটোত উদ্ধাৰ কৰা গাভৰুৰ জীৱন বৃত্তান্তৰ সকলো ঘটনা এপিনৰপৰা মনতে উদঘাটন কৰি যাবলৈ ধৰিলে।

—সুদূৰ অচিন গাঁৱত ওপজা এজনী সৰল ছোৱালী।

**অকাল বৈধব্যৰ অভিশাপ! দুৰ্বল ইন্দ্ৰিয়ৰ প্ৰৰোচনা! নিষ্ঠুৰ আৰু নিৰ্মম বিশ্বাসঘাতকতা! তাৰ পিচত প্ৰতিহিংসামূলক ক্ৰূৰ সমাজৰ সম্মিলিত বঞ্চনা আক্ৰমণ। আৰু সিদিনাৰপৰা আজিলৈকে সকলোতে অৱহেলা, অত্যাচাৰ লাঞ্ছনা-গঞ্জনা আৰু নিকৰুণ নিৰ্য্যাতন।

হৰিশে উত্তেজিত হৈ চকুৰ টোপনি কাতি কৰি থৈ আৰু বেছি আৱেগেৰে কথাবোৰ ভাবিবলৈ ধৰিলে। সি বেছি যত্নেৰে ভাবি উলিয়াবলৈ চেষ্টা কৰিলে। সেই অসহায়া গাভৰুৰ প্ৰতি তাৰ জীৱনৰ কিবা কৰ্তব্য আছে নে নাই? আৰু যদি নায়েই তেনেহলে আজি কেলৈ এনে আন্তৰিক ধৰণে সকলো কথাৰে সন্তেদ তাৰ চকুলৈ আহিল।

হৰিশৰ দুৰ্বল আৰু চিন্তাগ্ৰস্ত মগজুৰ পাকবোৰ অতি কোবাল বেগেৰে যেনি-তেনি খেলি-মেলি হৈ ফুৰিবলৈ ধৰিলে। সি জগতৰ সমাজৰ ভণ্ডামি, অন্যায়, অবৈধ আচৰণৰ কথা ভাবি ভাবি খণতে উৎক্ষীপ্ত হৈ উঠি বহিল। সি কেৱল আন্ধাৰ কোঠালীৰ আন্ধাৰৰ বুকুত এযুৰি সহায়হীন সকৰুণ চকু তাৰ আগত ভাহি ফুৰা দেখিবলৈ ধৰিলে। সেই চকুযোৰে যেন বৰ ডাঙৰ বিপদ এটিত পৰি আকুলি-বিকুলি তাৰপিনে চাইছে। তাৰপৰা যেন অতি হাবিয়াস কৰি কিবা ডাঙৰ অনুগ্ৰহ এটি আশা কৰিছে। তাক যেন বাৰে বাৰে অনুৰোধ কৰি নিজৰ অন্তৰৰ বেদনাৰ কথা জনাই কোনোবাপিনে আগবঢ়াই নিবলৈ বিচাৰিছে। চাই চাই উত্তেজিত হৈ হৰিশে আৰু বেছি পৰ সেই চকু-যুৰিলৈ চাই থাকিব নোৱাৰিলে। সি তাৰ দুয়োহাতেৰে নিজৰ চকু দুয়োটি ঢাকি বন্ধ কৰি বৰ আচৰিত হৈ ভাবিলে। সেই চকুযুৰিৰ ভাব, ভাষা আৰু আকুলতাৰ বৰ ডাঙৰ এটি সাদৃশ্য আছে।

কঠিনকৈ মনটো বান্ধি, হঠাতেই সঙ্কল্প স্থিৰ কৰি লৈ হৰিশে সেই উত্তপ্ত মগজুৰেসৈতে ঘৰৰ মজিয়াত নামি থিয় দিলে। আৰু যত্নেৰে কাকো ক'তো জ্ঞান নিদিয়াকৈ বৰ ডাঙৰ দৃঢ় প্ৰতিজ্ঞা এটি লৈ ঘৰৰপৰা বাজ ওলাই আহিল।

**স্বৰূপ সিঙৰ সেই সৰু জুপুৰি ঘৰটো। দুৰ্বল তামোল গছৰ সেই সাকোঁডাল। টিনৰ চাৰিওহদে ঘেৰা ডাঙৰ চকোৱাখন। টিমিকি টিমিকি জ্বলা ঘৰৰ ভিতৰৰ তেলৰ চাকিগছি। হৰিশে ডাঙৰকৈ শুনা বুকুৰ ধপধপনি বন্ধ কৰি, কানি-দুৱৰীকৈ মেল খাই থকা জাপখনৰ ওচৰ চাপি, তাৰ ফাঁকেদি চকুদুটি দি ঘৰৰ ভিতৰলৈ জুমি চালে। মজিয়াৰ শুদা মাটিৰ ওপৰত লাল-কাল দি ভাগৰি তাৰ সেই চকুযুৰি আৱেশত অৱশ হৈ যেন শুই আছে। দুচকুৰ দুকাষেদি নিগৰি ওলোৱা দুধাৰি বেদনাৰ চকুলো মাটিত বাগৰি শুকাই গৈছে।

তন্ময়ৰ আকৰ্ষণত পৰি হৰিশে আৰু বেছি একাগ্ৰতা লৈ চাকিৰ পোহৰত সেই আৱেশৰ ঘুমন্ত চকুযুৰিলৈ একেথৰে চাই ৰ'ল। আৰু উত্তেজিত মগজুত খেলি-মেলি হৈ থকা ভাববোৰে এটা সুস্পষ্ট দৃঢ় সঙ্কল্প লৈ লাহে লাহে সজাগ

হৈ উঠিল। সি অতি সতৰ্কে জাপখনৰ কাষেদি বাট উলিয়াই এটা ডাঙৰ আক্ৰোশ লৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ঠিক দুঘণ্টা আগতে ঘৰটো সি যি অৱস্থাত এৰি থৈ গৈছিল, ঠিক সেই অৱস্থাত এতিয়াও পৰি আছে। স্বৰূপে উভতি অহাৰ তাত কোনো সন্তেদেই পাবলৈ নাই। হৰিশে তাৰ সঙ্কল্পৰ কথা ভাবি, মনত এটি ডাঙৰ অস্থিৰতা লৈ কোঠালীটোৰ চাৰিউপিনে এবেলি ঘূৰি চালে। হঠাতে বিচনাৰ মূৰ-শিতানত বেৰত আঁৰি থোৱা এটা নতুন বস্তুত চকু পৰি সি এনেই এবেলি উচপ খাই উঠিল। সি দেখিলে স্বৰূপৰ কৃপাণখনে সেই ঠাইৰ পৰা এটা অদ্ভুত আবেদন লৈ সেই চাকিৰ ক্ষীণ পোহৰতো যেন অতি উজ্জ্বলকৈ জ্বলি তাৰপিনে বৰ একান্তমনে চাই আছে।

*

তাৰ সপ্তাহদিয়েকমান পিচত। হঠাতে স্বৰূপে ৰঙিয়া ডাকঘৰৰ মোহৰ মৰা হৰিশৰ নামৰ চিঠি এখনি পাই বৰ লৰালৰিকৈ খুলি চালে। কিন্তু অশেষ চেষ্টাৰ পিচতো সেই দুৰ্বোধ্য চিঠিখনিৰ অসংলগ্ন আৰু অসংযত কথা-বোৰৰ কোনো ৰহস্যকে উদ্ধাৰ কৰা নগ'ল। মাত্ৰ বুজা গ'ল, হৰিশৰ মস্তিষ্কৰ সুস্থতা কিবা অদ্ভুত এটি কাৰণত পৰি সমূলি বিনষ্ট হৈছে। ঘৰৰপৰা কিবা আচৰিত এটি প্ৰায়শ্চিত্তৰ সঙ্কল্প লৈ হেনো সি নিৰুদ্দেশ হৈ ওলাই গৈছে। আৰু হাতত শক্তি আৰু সাৰথি হিচাপে অকল স্বৰূপৰ কৃপাণখনেই বৰ্ত্তমান।

* * *

আৰু সপ্তাহদিয়েকমানৰ পিচত। এদিন কাল সন্ধিয়া। জেলখানাৰ পিচৰ ফালে ৰেল আলিৰ দাঁতিৰ সেই একে পৰতা-মাংসৰ দোকানখন। সেই একে কাগজেৰে জোৰা দিয়া ভঙা চিমনিৰ লেমটোৰ পোহৰত ড্ৰাইভাৰ আৰু হেণ্ডিমেন কিছুমানৰ বৰ ডাঙৰ চাহৰ খোলা এখন বহিছে। এজনৰ হাতত সিদিনাৰ এখন দৈনিক বাতৰি কাকত। সকলোৱে অতি উত্তেজিত হৈ সেই কাগজত ওলোৱা এটি চাঞ্চল্যকৰ হত্যাকাণ্ডৰ বিষয়ে আলোচনা আৰু তৰ্ক কৰিছে। প্ৰত্যেকৰ মুখত এটা উত্তপ্ত আগ্ৰহৰ দীপ্তি আৰু প্ৰত্যেকেই যেন নিজৰ নিজৰ অভিমত দিয়াত ব্যস্ত।

স্বৰূপে সকলোৱে শেষত আহি অকলে অকলে বৰ ক্লান্ত হৈ পৰাৰ দৰে; জুমৰ পৰা আঁতৰি একাষৰীয়াকৈ বহিল। আৰু সেই তৰ্কত যোগ দিয়াৰ কোনো আগ্ৰহ নেদেখুৱাই বৰ অন্যমনস্কভাৱে একাপ চাহত মনোনিবেশ কৰিলে।

স্বৰূপৰ উপস্থিতিলৈ কোনেও একো লক্ষ্য নকৰি সেই একেদৰে তৰ্কত যোগ দি ৰ'ল। স্বৰূপে লাহে লাহে চাহৰ কাপত মুখ দি, কাণ পাতি লৈ শুনিলে, নানা হাই-উৰুমিৰ মাজতো বৰ উত্তেজিত হৈ চিঞৰি চিঞৰি বাতৰি কাকতৰপৰা এই কথাখিনিকে বাৰে বাৰে পঢ়িব লাগিছে।

অমানুষিক ৰহস্যময় হত্যাকাণ্ড।

**বিয়াৰ ৰভাৰ তলতে হোম পুৰি থাকোঁতে পুৰোহিতক দাৰ ঘাপেৰে বধ !!**

ৰঙিয়া থানাৰ এলাকাৰ সুদূৰ শান্তিপ্ৰিয় বিহানপুৰ গাঁৱৰ শ্ৰীসনাতন দেৱশৰ্মাক যোৱা মঙ্গলবাৰে ৰাতি, এঘৰ যজমানৰ ঘৰত বিয়াৰ হোম পুৰি থাকোঁতে ; ক'ৰবাৰ অচিনাকি মানুহ এজনে পগলাৰ দৰে চিঞৰি লৰি আহি, দাৰে ঘপিয়াই বধ কৰে। পুৰোহিত তৎক্ষণাৎ মৃত্যুৰ মুখত পৰে। বিয়াৰ থলীত এটা অভূতপূৰ্ব চাঞ্চল্যৰ সৃষ্টি হয়। আৰু প্ৰায় তিনি ঘণ্টা কাল বিয়াৰ কাৰ্য স্থগিত ৰাখি, দ্বিতীয় এজন পুৰোহিতেৰে সমাপ্ত কৰিবলগীয়া হয়। ঘটনাৰ উত্তেজনাতে কইনাৰ মাক দুবেলিও মূৰ্চ্ছাগত হয়। কিন্তু অতি আচৰিত কথা যে সমবেত সকলো মানুহে পিয়া-পি দি বিচাৰিও হত্যাকাৰীৰ কোনো শুং-সূত্ৰকে উলিয়াব নোৱাৰিলে। যিমানদূৰ জনা যায় গাঁৱৰ ভীষণ দলাদলিৰে ই এটা বিষময় পৰিণাম।

পিচৰ বাতৰি ঃ—

ঘটনাৰ পিচদিনা পুৱা ; ঘটনাৰ ঠাইৰ পৰা তিনি মাইল উত্তৰে নৈৰ পানী যুৱলিত মুখ দি, এজন অচিনাকি মানুহ মৰি পৰি থকা অৱস্থাত পোৱা গৈছে। কিন্তু যিমানদূৰ অনুমান হয়, এই মৃতকৰ লগত সেই হত্যাকাৰীৰ একো সম্বন্ধ নাই যেন লাগে কিয়নো মানুহজন শুকাই-ক্ষীণাই, অস্থিচৰ্মসাৰ হৈ বহু-দিনৰপৰা কিবা দুৰাৰোগ্য ৰোগত ভুগি ভুগি মৃতপ্ৰায় যেন হৈছিল। কিন্তু মৰাশৰ অতি ওচৰতে হাতৰ কাষত এখন শিখৰ কৃপাণ বিচাৰি পোৱা গৈছে। মানুহজনৰ সোঁ হাতত, নীলা চীনা চিয়াহীৰে বেজীৰে ফুটাই লিখা ; ইংৰাজীৰ ডাঙৰ 'H' আখৰটো পঢ়া যায়। আৰু বাওঁহাতৰ ঠাৰিত, সেই একে ধৰণেৰে এই অসমীয়া কবিতা ফাকি লিখা আছে, "ইচ্ছা তয়ু পূৰ্ণ হ'ক হেৰা দয়াময়।" ঘটনা এতিয়াও পুলিচৰ বিচাৰাধীন।

স্বৰূপে সেই একেদৰে অন্যমনস্কভাৱে বহি বৈ, জুমৰপৰা আঁতৰি লাহে লাহে ওঁঠেৰে চুপি চুপি চাহৰ কাপটো শেষ কৰিলে। আৰু এবেলি কাকো গম নিদিয়াকৈ দোকানৰপৰা উঠি ওলাই গুচি গ'লগৈ।

দোকানৰ ভিতৰত কিন্তু বহু ৰাতিলৈ সেই ৰহস্যময় হত্যাকাণ্ডৰ আলোচনা একেদৰে চলি থাকিল।

# নলিনীকান্ত বৰুৱা

নলিনীকান্ত বৰুৱাৰ গল্পৰ সংখ্যা আঙুলিৰ মূৰত লেখি শেষ কৰিব পাৰি। আমাৰ জাহাজ, এতিয়া আৰু তেতিয়া, তেওঁৰ কথা আৰু মোৰ বাতি আদি মাত্র কেইটামান গল্প পুৰণি আৱাহনৰ পাতত সিচঁৰতি হৈ আছে। কিন্তু সংখ্যাত বহুত বেছি গল্প লেখা বহুতো লেখকতকৈ নলিনীকান্ত বৰুৱা অসমীয়া সাহিত্যত এজন অধিক তাৎপর্যপূর্ণ লেখক। আত্মহত্যা কৰি নিজৰ প্রতিভাময় জীৱনৰ অকালতে অৱসান নঘটোৱা হ'লে তেওঁৰ বিশিষ্ট সৃষ্টি-প্রতিভাই কেনে ধৰণৰ পৰিণতি লাভ কৰিলেহেঁতেন, এতিয়া সেই কথা কেৱল কল্পনাহে কৰিব পাৰি।

নলিনীকান্ত বৰুৱাৰ সাহিত্য প্রতিভাৰ বিষয়ে প্রথমেই যিটো কথা মনলৈ আহে, সেইটো হ'ল এই যে তেওঁৰ লেখনীত অসমীয়া ভাষাৰ প্রকাশিকা শক্তিৰ বহুতো নতুন সম্ভাৱনা মুকলি হৈছিল। কেৱল তেওঁৰ মৌলিক ৰচনাতেই নহয়, এৰিখ মেৰিয়া ৰেমার্কৰ বিশ্ববিখ্যাত গ্রন্থ All quiet in the Western Front ৰ তেওঁ কৰা অসমীয়া অনুবাদ 'পশ্চিম সীমান্তত পূর্ণ শান্তি' নামৰ গ্রন্থতো তাৰ পৰিচয় ফুটি ওলাইছিল। তেওঁৰ এই গ্রন্থ অসমীয়া অনুবাদ সাহিত্যৰ সর্বোত্তম চানেকিবোৰৰ ভিতৰত অন্যতম। বিষয়-বস্তু, ভাষা, কলা-কৌশল--এই আটাই-বোৰ ক্ষেত্রতে তেওঁৰ আঙুলিৰ মূৰত লেখিব পৰা গল্পকেইটা অসমীয়া সাহিত্যত বিশেষভাৱে চিহ্নিত হ'বৰ যোগ্য।

এই সঙ্কলনত ঠাই দিয়া তেওঁৰ আমাৰ জাহাজ নামৰ গল্পটোৰ বিষয়-বস্তু এতিয়াৰ দৃষ্টি-ভঙ্গীৰে চাই বৰ অভিনৱ যেন নালাগিব পাৰে। ৰাণুৰ বিয়া হৈছিল ৰবীনৰ লগত; কিন্তু নির্বোধ, অমার্জিত আৰু মদপী ৰবীনৰ অত্যাচাৰত জীৱন অসহ্য হৈ উঠাত তাই আন এজন মানুহৰ প্রেমত আশ্রয় বিচাৰে আৰু অৱশেষত তেওঁৰ লগত পলাই গুচি যায়। দেহাতীত প্রেমৰ আকর্ষণত সংস্কাৰৰ বেৰা ভাঙি বিদ্রোহ কৰি উঠা তিৰোতাৰ ছবি ইতিমধ্যেও আমি শৰৎ গোস্বামী, হলীৰাম ডেকা, ৰমা দাশ, লক্ষ্মীধৰ শর্মা আদি লেখকসকলৰ গল্পত পাইছো। কিন্তু নলিনীকান্ত বৰুৱাৰ ঘন-সন্নিবদ্ধ শক্তিশালী ভাষাৰ গুণত এনে ধৰণৰ তিৰোতাৰ বেদনা বিদ্রোহে ইয়াত এক অধিক মর্মস্পর্শী আৰু ঘনীভূত ৰূপ লাভ কৰিছে। এই গল্পতো আমি এক নতুন বিদ্রোহিনী তিৰোতাক লগ পাওঁ। অসমীয়া গল্প-উপন্যাসৰ যিবোৰ তিৰোতাই পৰম্পৰা কবলিত আৰু পুৰুষ-শাসিত সমাজত বিদ্রোহৰ পতাকা উৰাইছিল, নলিনীকান্ত বৰুৱাৰ ৰাণু সেই বিদ্রোহী মিছিলৰ এগৰাকী প্রধান নায়িকা। ভাৰতীয় সাহিত্যত ৰবীন্দ্রনাথেই এই নাৰী-বিদ্রোহৰ সূচনা কৰিছিল। কোৱা হয় যে তেওঁৰ স্ত্রীৰ পত্র গল্পৰ (ৰচনা-কাল ১৯১৪ চন) মৃণালেই বাংলা সাহিত্যৰ প্রথম বিদ্রোহী নাৰী। মৃণালে তেওঁৰ স্বামীলৈ লেখা এখন চিঠিত লেখিছিল: "মই তোমালোকৰ মাজু বোৱাৰী। আজি পোন্ধৰ বছৰ ধৰি এই সমুদ্রৰ পাৰত থিয় হৈ জানিব পাৰিছো, জগত আৰু জগদীশ্বৰৰ লগত মোৰ অন্য সম্পর্কও আছে। সেই কাৰণে আজি সাহস কৰি এই চিঠি লেখিছো, এইখন তোমাৰ মাজু বোৱাৰীৰ চিঠি নহয়।" তুচ্ছতাৰে পৰিপূর্ণ ক্ষুদ্র পাৰিবাৰিক জীৱনৰ যি চাৰি সীমাই নাৰীৰ নাৰীত্বক আৰু ব্যক্তিত্বৰ বিকাশক পদে পদে খর্ব কৰে, সমস্ত আশা-আকাংক্ষা আৰু হৃদয়-বৃত্তিক নির্মমভাৱে পিষ্ট কৰে, সেই 'সাতাইশ নম্বৰ মাখন বড়ালৰ গলিলৈ' আৰু কেতিয়াও ঘূৰি নোযোৱাৰ সংকল্প লৈ এদিন মৃণালে স্বামীগৃহ ত্যাগ কৰিছিল, দুঃসাহসী বিদ্রোহ ঘোষণাৰে বংগদেশৰ সমাজ-জীৱনৰ অচলায়তন কঁপাই তুলিছিল। অসমীয়া সাহিত্যত সেই মৃণালৰ ক্ষীণ প্রতিধ্বনি হ'ল নলিনীকান্ত বৰুৱাৰ ৰাণু।

# আমাৰ জাহাজ

ৰাণু আৰু মই। জাহাজৰ ৰেইলিংডালত ধৰি থিয় হৈ থাকো। হুহকি যোৱা পাৰৰফালে চাই কওঁ, "পাৰৰপৰা বহুত আঁতৰি আহিলোঁ, সোণ।"

চকুত পানী আৰু মুখত ম্লান হাঁহি এটা লৈ তাই মোৰফালে চায়। একো নকয়, দীঘল হুমুনিয়াহ পেলাই পাৰৰফালে চাই থাকে। বতাহে তাইৰ আচলৰ কোণ এটা উৰুৱাই আনি মোৰ মুখত লগায়হি। সুবদি মৃদু এটা গোন্ধ, বোধহয়, কিবা এছেন্সৰ।

লাহে লাহে খোটালীৰ ভিতৰ সোমাওঁ। আমি ভাবো। কথা ক'বৰ আৱশ্যাক নহয়; কাৰণ আমি দুয়ো দুয়োৰে মনৰ ভাব খুব ভালকৈ বুজো। সেই দেখি মনে মনে বহি থাকো।

আমাৰ এই যাত্ৰা ঠিক বৰ্তমান মুহূৰ্তত আমাৰ জীৱনৰ প্ৰতীক। জাহাজখনৰ দৰেই আমিঁও পাৰৰপৰা আঁতৰি আহিছো—আমাৰ ইমানদিনীয়া জীৱনৰ সকলো বান্ধন কাটি থৈ নিশ্চিতভাৱে আঁতৰি আহিছো। অতীতৰ ভেটি এতিয়া আমাৰ বাবে নাই। অতীত আমাৰপৰা চিৰদিনৰ বাবে বিচ্ছিন্ন হৈ গৈছে। বৰ্তমানৰ অস্তিত্ব আমাৰ মৰমত; আৰু ভৱিষ্যতৰ? ভৱিষ্যত আৰু ভৱিতব্য একে বুলিয়েই ধৰি লৈছো। সেইদেখি আমাৰ বাবে—ৰাণু আৰু মোৰ বাবে—বৰ্তমানেই সঁচা, বৰ্তমানেই বাস্তৱ। কিন্তু এই বাস্তৱতা 'ৰোমান্তিক' হ'লেও বৰ নিষ্ঠুৰ।

মই দেখা নাই বুলি ভাবি তাই চকুৰ পানী মচে। অতীত আৰু বৰ্তমানৰ এই বিচ্ছেদত তাইৰ চকুৰ পানী হয়তো অস্বাভাৱিক নহয়। বয়স কম, আগৰ পৰিচিত জীৱন নতুন কৰি লোৱাৰ আগতে দুটোপা চকুৰ পানী স্বাভাৱিক।

"সোণ!" মই মাতো।

"কি?" ভগা মাতেৰে তাই উত্তৰ দিয়ে।

"আমাৰ যে এতিয়া বৰ টান সময় সোণ! বেজাৰ কৰাৰ বাহিৰেও যে এতিয়া আমাৰ ভাবিবলৈ বহুত আছে!"

"মই জানো বেজাৰ কৰিছো?" তাই কয়। তাইৰ কঁপা মাত, তাইৰ চকুৰ পানীয়ে মোক আচৰিতভাৱে অভিভূত কৰে। ওচৰলৈ গৈ হাতত ধৰি মাতো, "সোণ!" ইমানপৰ দমাই থোৱা কান্দোনৰ বেগ আৰু সামৰিব নোৱাৰে। মোক সাৱটি ধৰি মোৰ কান্ধত মূৰ লুকাই কান্দে। কি কৰিম একো ঠিক কৰিব নোৱাৰো। ময়ো তাইক সাৱটি ধৰি লাহে লাহে পিঠিত হাত ফুৰাওঁ।

"মোৰ সোণ!" মই কওঁ।

বাহিৰত বহোহি। জোনাকৰ লগত বিজুলী বত্তিৰ পোহৰ মিহলি হৈ ৰাতিৰ স্বাভাৱিক বাস্তৱতাক আৰু অবাস্তৱ কৰি তোলে। ৰাতিটোৱে আমাৰ মৰমক কল্পনাৰ ৰহণেৰে বোলাই অপাৰ্থিৱ কৰি দিয়ে। হাতত ধৰাধৰিকৈ দুয়ো বহি থাকো। আগন্তুক দুখৰ ছাঁই এতিয়া আমাক সিমান ভয় খুৱাব নোৱাৰে। তথাপি অনিশ্চয়তাৰ এটা অচিনাকি সন্দেহ আমাৰ মনত জাগে। পোহৰৰ লগে লগে আকৌ বাস্তৱতা আহিব আৰু তাৰ লগে লগে ঘাট আৰু সমাজ, মানুহ আৰু ভাগ্যৰে সৈতে আমাৰ যুদ্ধ। ৰাতি! ৰাতি আছো জোন, নৈ, ৰাণু আৰু মই। আমাৰ পৃথক অস্তিত্বক একে কৰি একেখন নৈৰ একেটা সোঁতত্তে উটি যাওঁ।

ৰাতি বাঢ়ে। তাইক কওঁ, "যোৱা, সোণ! শোৱাগৈ।" যাবৰ বেলিকা মোৰ হাতত এটা ছাপ দি তাই যায়গৈ। মই বহি থাকো; চিগাৰেট খাওঁ। ধোঁৱাবোৰ পাক খাই খাই ওপৰলৈ উঠে। আকাশত থকা ডাৱৰবোৰৰ দৰেই ধোঁৱাবোৰৰো আকাৰ নাই। প্ৰতি মুহূৰ্ততে সিহঁতে গঢ় সলায়। অনিশ্চিত, চিন্তাহীন, অৰ্থহীন পৰিবৰ্তন।

ময়ো উঠো। দুৱাৰমুখৰপৰা মাতো, "সোণ"! ভিতৰৰপৰা মাত নাহে। দুৱাৰত টুকুৰিয়াই মই সোমাই যাওঁ। তাই শোৱা নাই, গাৰুত মুখ গুজি কান্দিছে। ক'লা চুলি আৰু বগা ডিঙিৰ ওপৰত জোনৰ পোহৰ পৰে। মই একো নামাতো। ওচৰত বহি তাইৰ মুখখন দুই হাতেৰে তুলি ধৰো। গাৰুত মুখৰ সাঁচ, তিতি আছে। চকুৰ পানীৰে তিতি থকা গালত কেইডালমান চুলি লাগি আছে। চকুৰ পানী মচি দিওঁ মৰম কৰো। তাই কথা নকয়, মাথোন উচুপে। প্ৰতিটো উচুপনিতে তাইৰ গোটেই গা জোকাৰ খাই উঠে। তাইৰ কঁপনিয়ে মোৰো গাত কঁপনি তোলে।

ঠেক বেঞ্চত ওচৰা-ওচৰিকৈ দুখন বিচনা। খিৰিকীয়েদি জোনাক আহি বিচনাত পৰে, ৰাণুৰ গাত পৰে। দুই এডাল চুলি ফিৰফিৰীয়া বতাহে মাজে মাজে লৰাই দিয়ে। তাই দীঘলকৈ উশাহ লয়, বোধকৰো এতিয়া টোপনি আহিছে। খিৰিকী জপাই, খড়খড়ি তুলি দি ময়ো শোওঁ।

উমাৰ মাতৃত্ব-বিতৃষ্ণাৰ কাৰণ বহুত আছিল। তাইৰ ভাগ্যৰ দোষতেই হওক, বা দাৰ্শনিক দেউতাকৰ উদাসীনতাতেই হওক, তাইৰ বিয়া হ'ল অদৃষ্টবাদী, অকৰ্মণ্য শৰতৰ লগত। তাইৰ স্বাভাৱিক প্ৰতিভা, শিক্ষা আৰু বংশগত মানসিক উৎকৰ্ষতা শৰতৰ অমাৰ্জিত জীৱনৰ অলস নিশ্চেষ্টতাৰ লগত মুঠেই খাপ নাখালে। নতুন আৱেষ্টনৰ অভিনৱ, অসহনীয় ঘটনাৰ পৰম্পৰাই তাইক জীৱনৰ নতুন কদৰ্য পিঠি এটা দেখুৱালে। বিবাহিত জীৱনৰ প্ৰথম ৰাতিতেই তাইৰ আদৰ্শবাদ আৰু মানৱ চৰিত্ৰত বিশ্বাস চিৰদিনৰ কাৰণে লুপ্ত হ'ল। তাইৰ কৃষ্টি আৰু ব্যক্তিগত সংস্কাৰে বাধা দিলেও সমাজৰ

নিয়মৰ বান্ধত তাই বাধ্য হৈ শৰতৰ কায়িক প্ৰয়োজনৰ সামগ্ৰী হৈ তাৰ লগতে গোটেই জীৱন কটাব লগাত পৰিল। নিৰ্বোধ, অমাৰ্জিত শৰতৰ দৈহিক দাবী পূৰাবলৈকেই যেন তাই উপজিছিল। মানসিক উৎকৰ্ষতা আৰু সাংস্কৃতিৰ হিচাপত শৰত উমাৰ দেউতাকৰ চাকৰ মহীৰামতকৈও নিকৃষ্ট। অথচ সেই শৰতৰ লগতে সকলো দেখি, সকলো জানিও তাই একেখন বিচনাতে শুব লাগে। সমাজে চলোৱা আৰু ধৰ্মই মানি লোৱা এই বিলাসিনী-বৃত্তিকে তাই নিৰুপায় হৈ, নিৰ্বিবাদে মানি লবলগীয়া হৈছিল।

এই কৃত্ৰিম, জঘন্য জীৱন পৰ্বৰ চিন তাইৰ চকুৰ পানী আৰু ৰাতিৰ আন্ধাৰতে শেষ হ'ব বুলি ভাবিছিল। সেই কাৰণেই হ'ব পায়, তাইৰ মনৰ সকলো শক্তি প্ৰয়োগ কৰি তাই সন্তান জন্ম নিদিয়ে বুলি ভাবিছিল। কিন্তু প্ৰকৃতিৰ নিয়মে আৰু জীৱনে কাৰো ইচ্ছা অনিচ্ছালৈ বাট নাচায়। নিয়তিৰ বিদ্ৰূপৰ প্ৰতীক হৈ, একেবাৰে অনিশ্চিত, অনিচ্ছাকৃতভাৱে ৰাণুৰ জন্ম হ'ল। উপজিয়েই হয়তো তাই দেখিলে 'ট্ৰেজেডি'ৰ ছাব মৰা মাকৰ করুণ মুখখন ; আৰু প্ৰথম ঢোক পিয়াহৰ সৈতেই হয়তো অনুভৱ কৰিলে তাইৰ বিফলতা ভৰা বুকুৰ কঁপনি।

ৰাণুৰ জনমে মাকৰ মনত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে সেই বাধকতাই তাইৰ মৰমক বহুত পৰিমাণে ঢাকি থৈছিল। আৰু মাকৰ ইচ্ছাৰ প্ৰতিকূলত ওপজাটো ৰাণুৰ দোষ নহলেও মাকে যেন তাইৰ লগত ব্যৱহাৰত তাকেই বুজাইছিল।

মাকৰ বিৰাগ আৰু শৰতৰ উদাসীনতাৰ মাজতে তাই ডাঙৰ হয়। শৰতে ভাবে, তাৰ সন্তানৰ প্ৰতি কৰ্তব্য পালন, সিহঁতক শিক্ষা দিয়া থাওক খাবলৈ দিয়াতে শেষ। আৰু মাকৰ বাবেতো তাই সম্পূৰ্ণৰূপে অনাৱশ্যকীয়েই। তথাপি ৰাণুৰ মনে তেতিয়াও জীৱনক আপোন বুলিয়েই ভাল পাইছিল আৰু নিজৰ স্বাভাৱিক বুদ্ধি আৰু শিল্পানুৰাগ যথেষ্ট ৰকমে বঢ়াইছিল। কিন্তু এইবোৰ তাইৰ ভালৰ বাবে হোৱা নাছিল। কাৰণ এই উৎকৰ্ষতাৰ ফলত তাইৰ মন মাকতকৈও বেছি আদৰ্শবাদী, বেছি শিল্পী হৈ আছিল। আৰু ঠিক সেই বাবেই তাইৰ জীৱন মাকতকৈও বেছি করুণ বেছি কষ্টজনক হ'বৰ উপক্ৰম হ'ল। চিন্তাশীল বা কল্পনাপ্ৰৱণ মনৰ বাবে জগতখন প্ৰায় সদায় দুখৰেই হয়।

মাক-বাপেকৰ অনাহুত আৰু অনাৱশ্যকীয় হৈ উপজিছিল যদিও তাইৰ বাবেও প্ৰকৃতিৰ নিয়ম আনৰ দৰেই আছিল। আৰু সেই নিয়মেই তাইক এদিন জনাই গ'ল তাইৰ যৌৱনৰ কথা। তাইৰ তৰুণ বুকুৰ কঁপনিয়ে তাইৰ মনৰ আৰু দেহৰ দাবীৰ বিষয়ে তাইক সচেতন কৰি গ'ল।

সিহঁতৰ নিচিনা পৰিবাৰৰ যেনেকুৱা সম্ভৱ তাতকৈ বহুত ভাল ঠাইতে ৰাণুৰ বিয়া হ'ল, ডেকা হাকিম ৰবীনৰ লগত। তাইৰ কপালক আটায়ে প্ৰশংসা

কৰিলে আৰু শৰতৰ নিৰ্বোধ মুখত ফুটি উঠিল গভীৰ আত্মতৃপ্তিৰ এটা অট্ট হাঁহি । ৰবীনৰ হাকিমী খিতাপে তেওঁৰ যৌন চৰিত্ৰৰ বিষয়ে আনৰ সকলো প্ৰকাৰ কৌতূহল বন্ধ কৰি বা আওকণীয়া কৰি ৰাখিছিল। আৰু বিশ্ববিদ্যালয়ৰ মোহৰ মৰা আৰু সামাজিক আদব-কায়দাৰ জিলমিলীয়া পৰ্দাই তাৰ আঁৰত লুকাই থকা পাশৱ মানুহটোক ধৰা পেলোৱাটো অলপ টান কৰি থৈছিল। তেওঁৰ চৰিত্ৰৰ তৰলতা চাই ৰবীনৰ পক্ষে বিয়া কৰোৱাটো উচিত নাছিল। কিন্তু ভুল হ'লেও তেওঁ বিয়া কৰালে। আৰু বিয়া কৰালে ৰাণুক।

ৰাণুৰো বিবাহিত জীৱন ঠিক মাকৰ দৰেই আৰম্ভ হৈছিল। কিন্তু তাই মাকৰ নিচিনাকৈ এই জীৱন নীৰৱে সহিব নোৱাৰিলে। আৰু শৰত আৰু ৰবীনৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ পাৰ্থক্যই তাইৰ বিবাহিত জীৱনটো মাথোন মানসিক বিপ্লৱেৰে উপচাই পেলালে।

নাৰী তেতিয়াও মোৰ বাবে ৰহস্য হৈয়ে আছিল। ভাল পোৱাৰ সোৱাদ আৰু দুখে তেতিয়ালৈকে মোক আপোন কৰি লোৱা নাই। বে-পৰোৱা বৰলা জীৱন বন্ধুত্ব আৰু কিতাপৰ পাততে আবদ্ধ আছিল। কলেজত পঢ়া ছোৱালী-বোৰক সদায় লগ পাওঁ। কেতিয়াবা ক্লাছত প্ৰশ্ন সুধি সিহঁতৰ লগত ধেমালি-চুপতিও কৰো। কেতিয়াবা দুষ্ট দুই-এজনী ছোৱালীয়ে সিহঁতৰ ভিতৰতে একোজনী ছোৱালীৰ নাম মোৰ লগত জুটি সিহঁতৰ ভিতৰতে ধেমালি কৰে। মোৰ কাণত পৰিলেও কথাবোৰ কৌতুকৰ হাঁহিৰে সহিব পাৰো। কলেজৰ ছোৱালীবোৰ ইমান কৃত্ৰিমতাৰ আবৰণেৰে ঢকা কাৰণেই নে কিয় জানো, সিহঁতে দেখোন কেতিয়াও মোৰ দেহ আৰু মনক আকৰ্ষণ কৰিব পৰা নাছিল। ৰাতিপুৱা কলেজ, আজৰি সময়ত বন্ধু-বান্ধৱৰ লগ আৰু দিন আৰু ৰাতিৰ সৰহভাগ সময় মোৰ 'থিছিছ'ৰ বাবে লিখা-পঢ়া কৰি থাকোঁতেই যায়। প্ৰেমৰ বাবে হয়তো তেতিয়া মোৰ অৱসৰেই নাছিল।

বিয়া কৰাই ৰবীন মোৰ ঘৰৰ দাঁতিৰ ঘৰটোতে সোমালহি। আন আন বন্ধুৰ দৰেইময়ো তেওঁৰ ঘৰলৈ যাওঁ আৰু সময়ত কাব্যিক প্ৰেমৰ দীঘলীয়া বক্তৃতাও দি গুচি আহো। সিহঁতৰ বিষয়ে মই বিশেষ একো ভবা নাই, বিশেষকৈ ৰাণুৰ বিষয়ে। কাৰণ মাইকী মানুহৰ বিষয়ে তেতিয়া মোৰ বিশেষ কৌতূহল একো নাছিল। বিয়াটোৱেই নাৰী জীৱনৰ পৃথক অস্তিত্বৰ সমাপ্তি বুলি মই ভাবি আছিলো। বিবাহৰ কৃত্ৰিমতা আৰু সমাজৰ অন্তঃসাৰ-শূন্যতাৰ বিষয়ে মোৰ তেতিয়াও চেতনা অহা নাই। বৰ স্বাৰ্থপৰভাৱে মই মোৰ মৰমৰ কিতাপবোৰৰ ভিতৰতে সোমাই আছিলো। তেতিয়া মই বুজা নাছিলো যে পুথি ভঁৰালতকৈ হৃদয়ৰ মূল্য বেছি, কবিতাতকৈ ট্ৰেজেডি ডাঙৰ, নৈতিকতাতকৈ মৰম বেছি শক্তিশালী।

ৰবীন আৰু ৰাণু আহি মোৰ জীৱনৰ সকলো কথাকে তেনেই ওলট-পালট কৰি দিলে। সিহঁত নহা হ'লে কিজানি মই আগৰ দৰেই মোৰ সুকীয়া জগতৰ কৃত্ৰিম সুখতে সুখী হৈ থাকিব পাৰিলোহেঁতেন। কিন্তু সিহঁত আহিল আৰু মোৰো জীৱনক এটা বিৰাট বিপ্লৱ আনি ৰূপান্তৰিত কৰি দিলে।

সচৰাচৰ হোৱাৰ দৰেই সিহঁতৰো বিবাহিত জীৱন মামুলি ধৰণেৰেই কাটি যাব বুলি সকলোৱে ভাবিছিল। কিন্তু দুটা সম্পূৰ্ণ বিপৰীত প্ৰকৃতিৰ ইমান ওচৰ সম্বন্ধই সিহঁতৰ মাজত এটা সংঘৰ্ষৰ হে সৃষ্টি কৰিলে। আৰু এই সংঘৰ্ষৰ সংঘাতেই ৰবীনৰ ভিতৰত থকা পশুটোক জগাই তুলিলে। সি তাৰ মন আৰু দেহৰ নিশ্চিত ধ্বংসৰফালে নিজক লৈ গ'ল। ৰাণুৰ জীৱনৰ মূল্য তাৰ কাৰণে একেবাৰে একো নাথাকিল। ৰাণুৰ চকুৰ পানীয়ে তাৰ মাতাল মনক আৰু উত্তেজিত কৰি মাথোন নতুন নিৰ্যাতনৰ বাটহে মুকলি কৰি দিলে। ৰবীনৰ এই ধ্বংসোন্মুখী গতিৰ বাবে তাৰ লগতে আমাৰ কিছুমান বন্ধুৱেও দায়ী কৰিলে ৰাণুক। তাইৰ লগত ৰবীনৰ সম্বন্ধ ভাল হোৱা হ'লে নিশ্চয় সি এইদৰে আত্মহত্যা নকৰিলেহেঁতেন। ৰাণুৱে মাথোন কান্দিলে।

দুপৰ ৰাতি কেতিয়াবা শুনো, ৰবীনে মদ খাই আহি দুৱাৰত ঢকিওৱা, আৰু কিবা এটা ছল লৈ ৰাণুক চৰ, গোৰ মাৰি বেহুচ কৰি দিয়া। এদিন ৰাতিপুৱা দেখিলো ডাক্তৰৰ গাড়ীখন সিহঁতৰ দুৱাৰমুখত ৰৈ আছে। খবৰ লৈ জানিলো, ৰাতি ৰবীনে মদ খাই আহি ৰাণুৰ পেটতে গোৰ মাৰি দিলে; তাৰ ফলত তাইৰ অসময়ত প্ৰসৱ হ'ল। তেতিয়াৰপৰা তাই চেতনা পোৱা নাই।

মাজে মাজে খবৰ কৰিবলৈ যাওঁ। পৰ্দাৰ ফাকেদি কেতিয়াবা তাই শুই থকা বিছনাখন দেখো। দুদিনমান ৰবীনৰ মদ খোৱা অলপ পাতলে। কিন্তু সৰহ দিনৰ কাৰণে নহয়। কৈবা মাহৰো মূৰত ৰাণু আকৌ উঠিব পৰা হ'ল। এদিন ৰাতি আকৌ শুনিলো ৰবীনৰ দমদমনি আৰু ৰাণুৰ কান্দোন। তাইক মাৰি ৰবীন ঘৰৰপৰা ওলাই গ'ল। তাইৰ কান্দোন শুনি শুনি মনটো বৰ বেয়া লাগিল। থাকিব নোৱাৰি এবাৰ সিহঁতৰ তালৈ যাওঁ বুলি ওলাই গ'লো। সিহঁতৰ ঘৰত সোমাবলৈ ধৰোতেই মনত পৰিল, নিজান ৰাতি লোকৰ ঘৰত এইদৰে সোমোৱাটো হয়তো মানুহৰ চকুত সঙ্গত যেন নালাগিব। ঘৰৰ আগৰ আলিবাটটোত বহুত পৰ টহলি থাকিলো। শেষত ঠিক কৰিলো, যোৱাই ভাল।

তেজ, চকুপানী, কথাৰে বুজাব নোৱাৰা বেদনা আৰু এজনী ছোৱালী। বাৰাণ্ডাখনত তাই পৰি থাকে, জোনৰ পোহৰত তাইৰ কৰুণ, শেঁতা মুখখন জিলিকি থাকে। মোক দেখি আচৰিত হ'বলৈ বা ভয় খাবলৈকো বোধকৰো তাইৰ মনত তেতিয়া শক্তি নাছিল। মূৰ দাঙি নোচোৱাকৈ তাই আগৰ

দৰেই কান্দি থাকে। একেৰাহে, অলপো নোৰোৱাকৈ তাই কান্দি থাকে; মানুহৰ মুমূৰ্ষু অন্তৰৰ কান্দোন, ভাগি যোৱা জীৱনৰ বিননি।

বহুত পৰ মনে মনে থকাৰ পিচত মই কওঁ, "নাকান্দিবা"।

তাই নামাতে। মাথোন কান্দি থাকে, মনটো বৰ বেয়া লাগে। "নাকান্দিবা" মই আকৌ কওঁ। তাই কান্দে।

আৰু কিছু সময় ওচৰত বহি থাকি মই লাহে লাহে উঠি গুচি আহো। তাইৰ দুখ কমাবলৈ বা তাইক সান্ত্বনা দিবলৈ মই একেবাৰে অসহায়। বিচনাত পৰি পৰি ভাবো। ৰাতি সমূলি টোপনি নাহে, বহুত ৰাতি কান্দোনটো বন্ধ হয়; ভাগৰ লাগি টোপনি আহিব পায়।

ৰাতিপুৱা কলেজলৈ যাবৰ সময়ত দেখো ৰাণু খিৰিকীত থিয় হৈ থাকে। লোহাৰ বাৰবোৰৰ ভিতৰেদি দেখো তাইৰ শেঁতা মুখখন, কৰুণ চকু দুটা আৰু আউলী-বাউলী চুলিকেডালি। তাইৰ কপালত এডোখৰ ঘা, ৰাতি পৰি শিলত লাগি কটা। সেই ছবিটো মনৰপৰা নাযায়। কলেজত থাকি সমূলি ভাল নালাগে। সোনকালে ঘৰলৈ আহি বিচনাত পৰোহি। একো কৰি ভাল নালাগে। কেতিয়াবা ভাবো, এইটো মাথোন অনুকম্পা, নে মৰম, নে কি? কেতিয়াবা ভাবো, মানুহৰ দুখত এইটো স্বাভাৱিক সমবেদনা। এইটো যি হওক, মই যে ৰাণুৰ কথা ভাবিছো আৰু বৰ বেছিকৈ ভাবিছো তাত সন্দেহ নাই। কি কৰিব লাগে আৰু কি কৰিব পাৰি একো ঠিক কৰিব নোৱাৰো। ৰাতি তাইৰ সেই বুকু ভগা কান্দোন, তাইৰ যৌৱন আৰু জীৱনৰ নিষ্ফলতাৰ হুমুনিয়াহ আৰু ৰাতিপুৱা দেখা তাইৰ শেঁতা মুখখন আৰু চলচলীয়া চকুৰ কাতৰ চাৱনি—এই কথাবোৰ কোনোমতেই মনৰপৰা আঁতৰ কৰিব নোৱাৰিলো।

দিন যায়, ৰাণুৰ দুখ নকমে, মোৰ চিন্তা বাঢ়ি যায়। সদায় ওলাই যাওঁতে দেখো, তাই খিৰিকীত থিয় হৈ থাকে আৰু কিবা এটা দৃষ্টিৰে মোলৈ চায়। তাৰ অৰ্থ মই একো বুজিব নোৱাৰো। মোৰ ওচৰত অকণো আঁৰ নোহোৱাকৈ তাইৰ সকলো দুখ ওলাই পৰা কাৰণেই হয়তো তাই মোলৈ সেইদৰে চায়; সেই দৃষ্টিত হয়তো আছে তাইৰ বেদনাৰ গোপন কথাটো প্ৰকাশ নকৰিবলৈ এটা অনুৰোধ, হয়তোবা মোৰ সমবেদনাৰ বাবে কৃতজ্ঞতা। যিয়েই হওক, তাইৰ দৃষ্টিৰ তাৎপৰ্য মই একো বুজিব নোৱাৰো। কেতিয়াবা ভাবো, কিজানি তাই মোক ভাল পায়। কিন্তু মোৰ মধ্যবিত্ত নৈতিকতাই মোক সৰহপৰ সেই কথা ভাবিবলৈ নিদিয়ে আৰু সমাজৰ নিলাজ ভণ্ডামিয়ে মোক নিজকে ফাকি দিবলৈ বাধ্য কৰে। ময়ো সেই কাৰণে মোৰ মনৰ ভাবক মৰম নুবুলি সমবেদনা, অনুকম্পা আদি আখ্যা দি ফাকি দিওঁ।

ৰাণুৰ কথা ভাবি থকাটো দেখিছো মোৰ এটা বায়ু হৈ উঠিছে। কেতিয়াবা জোৰকৈ তাইৰ কথা নভবাকৈ থাকিবলৈ চেষ্টা কৰো। কিন্তু নভবাকৈ দেখোন নোৱাৰো। সেইদেখি ভাবিয়েই থাকো। ৰবীনৰ অধঃপতনৰ দ্রুতগতিৰ লগে লগে তাইৰো নতুন দুখ দেখি থাকো। দেহ আৰু মনৰ ওপৰত এই শেষ নোহোৱা অত্যাচাৰে তাইৰ স্বাস্থ্য ভাঙি দিলে। তাই ঘুণীয়া শৰীৰ আৰু আধা মৰা মন লৈ নিশ্চেষ্টভাৱে মৰণলৈ বাট চায়। কিন্তু জীয়াই থাকিবৰ বাবে মানুহৰ স্বাভাৱিক প্ৰবৃত্তিয়ে নজনাকৈয়ে হয়তো তাইক এদিন লৈ আহিল মোৰ ওচৰলৈ—বাহিৰত প্ৰকাশ নকৰাকৈয়ে— মোৰ মৰম বুজি।

কিন্‌কিনীয়া বৰষুণ। অকলে অকলে হেলনীয়া চকীখনত চকু মুদি বহি আছো। লিখা-পঢ়া কৰিবৰ আজিকালি সমূলি মন নাযায়। দুৱাৰৰ ওচৰত অলপ শব্দ হোৱা যেন শুনি চকু মেলি চাই দেখো ৰাণু। বৰ আচৰিত হ'লো। লৰালৰিকৈ উঠি প্ৰশ্নসূচক দৃষ্টিৰে তাইৰফালে চালো। ভাবিলো, কিজানি কিবা সুধিবলৈ আহিছে। বহিবলৈ কোৱা নাই, ময়ো থিয় হৈ ৰ'লো। লাহে লাহে তাই সোমাই আহে আৰু মই নোকোৱাকৈয়ে চকী এখন টানি লৈ বহে। কথা ক'বলৈ মই একো বিচাৰি নাপাওঁ। ৰাণু তলমূৰকৈ বহি থাকে। বহুত পৰৰ মূৰত এবাৰ হঠাৎ মূৰ তুলি মোক সোধে, "মই মৰো-নে ?"

কি অদ্ভুত প্ৰশ্ন! কথাটোৰ আকস্মিকতাৰ আঘাত মই সহিবলৈ পোৱাৰ আগতে তাই আকৌ কয়, "কিবা বেয়া হ'বনেকি ?"

তাইৰ মাতত সমূলি উত্তেজনা নাই, তাইৰ ক্ষীণ শৰীৰ আৰু ভাগি যোৱা জীৱনৰ লগত সামঞ্জস্য ৰাখিয়েই হ'বলা তাইৰ নিলিপ্ত কণ্ঠস্বৰেৰে এই কথাটো সোধে। মোৰ ক'বলৈ কথা নোলায়। ওচৰৰ চকীখনত বহিলো। আগৰ দৰেই ৰাণু তলমূৰ কৰি বহি থাকে। কাৰো মুখত কথা নাই।

তাই হঠাৎ এবাৰ কৈ উঠে, "যাওঁ"।

"ৰাণু!" মই মাতো।

"কি ?" তাই ঘূৰি চায়।

"নাযাবা" মই কওঁ, তাইৰ ওচৰলৈ গৈ কওঁ, "নালাগে যাব"।

আকৌ তাই মোৰফালে চায়। চকুত পানী। মেজত মূৰ থৈ তাই কান্দে। মোৰ গোটেই গা কঁপি উঠে, মনটো বলিয়া হয়। কোনো তিৰোতাক তেতিয়ালৈকে ইমান ওচৰত, ইমান আপোনকৈ পোৱা নাই। এতিয়া কি কৰিম একো ঠিক কৰিব নোৱাৰো। তাইৰ এই কান্দোন আৰু কথাবোৰৰ অৰ্থ কি ? মাথোন দুখ, নে মোৰ ওচৰত আত্মসমৰ্পণ ? লাহে লাহে তাইৰ চুলিত হাত ফুৰাওঁ। কান্দোন বাঢ়ি যায়। কি কৰিম ? এফালে মোৰ জনমৰ-পৰা পোৱা সংস্কাৰবোৰ আৰু ইফালে ক্লেশ-কাতৰা ৰাণু। তাইৰ কান্দোনে মোক অস্থিৰ কৰি তোলে। সংস্কাৰ, নিয়ম আৰু যুক্তিক বাদ দি তাইক

সাৱটি ধৰোঁ, মৰম কৰোঁ। সভ্যতাৰপৰা বহুত আঁতৰি ৰাণু আৰু মই, নাৰী আৰু পুৰুষে, আদি মানৱতাৰ যুগলৈ গৈ জীৱনৰ পূজা কৰোঁ।

গধূলি তাই যায়গৈ। তাইৰ শেঁতা মুখখন এতিয়া ৰঙা। নাকৰ তলত দুটোপামান ঘাম।

সদায় আকৌ তাই আহে। ইমান দুখৰ পিচত মোৰ মৰম বৰ আপুৰুগীয়া বুলি সদায় তাই মোৰ বুকুত সোমায়হি আৰু বুকু উজাৰ কৰি মোক ভাল পায়।

সদায় তাইক সাৱটি ধৰি কওঁ, "বলা সোণ, আমি ইয়াৰপৰা আঁতৰি যাওঁগৈ।" সদায় তাই মূৰ জোকাৰে—নাযায়।

সেইদিনাও আগৰদৰে কওঁ, "বলা সোণ, ইয়াৰপৰা যাওঁগৈ।" মোৰ মুখৰপৰা মুখখন আঁতৰাই নি তাই মোৰ চকুলৈ চায় আৰু মোক সাৱটি ধৰি কয়, "বাৰু"।

দুখনমান কিতাপ, বিচনা, এটা সৰু বাকচ আৰু দুখনমান কাপোৰ-কানি, ইয়াকে লৈ আমি জাহাজত উঠোঁহি। আমাৰ পুৰণি জীৱনক মনত পেলাবলৈ বা পাহৰিবলৈ বাহিৰত এইখিনি বস্তুৱেই যথেষ্ট। নতুন জীৱনৰ বাবে মূলধন আমাৰ মৰম—আৰু হয়তো এটা প্ৰকাণ্ড ভুল।

জাহাজখন গৈ থাকে। ৰাতিৰ মাজেদি, আমাৰ জীৱনৰ মাজেদি জাহাজখন গৈ থাকে।

# বীণা বৰুৱা

(১৯০৮-১৯৬৪)

বীণা বৰুৱা বিৰিঞ্চিকুমাৰ বৰুৱাৰ ছদ্মনাম। গল্প আৰু উপন্যাস দুয়োবিধ ৰচনাতে তেওঁ হাত দিছিল যদিও বাইকৈ ঔপন্যাসিক হিচাপেই আধুনিক অসমীয়া সাহিত্যত তেওঁ এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। তেওঁৰ প্ৰথম উপন্যাস জীৱনৰ বাটত ১৯৪৫ চনতে প্ৰকাশ হৈ ওলায় যদিও আৰু ডঃ বাণীকান্ত কাকতীয়ে উপন্যাসখন সম্পৰ্কে প্ৰশংসাসূচক মন্তব্য কৰে যদিও তাৰ যথাযথ সাহিত্যিক মূল্যায়ণৰ কাৰণে কিতাপখনে যাঠিৰ দশকলৈকে অপেক্ষা কৰিব লগা হ'ল। জীৱনৰ বাটত উপন্যাসৰ সাহিত্যিক সৌন্দৰ্য আৰু সামাজিক তাৎপৰ্য আৱিষ্কাৰ কৰি তাক অসমীয়া সাহিত্যৰ অন্যতম, সৰ্বশ্ৰেষ্ঠ কলা-কৃতি বুলি প্ৰতিপন্ন কৰাৰ সমস্ত কৃতিত্ব নতুন সমালোচকসকলৰ প্ৰাপ্য।

বীণা বৰুৱাৰ গল্প সংখ্যাত বৰ বেছি নহয়। প্ৰায় আটাইবোৰ গল্পই পট-পৰিবৰ্তন আৰু আঘোণী বাই নামৰ দুখন প্ৰকাশিত গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে। দুয়োখন গ্ৰন্থৰ গল্পবোৰৰ মাজত কেইবাটাও পাৰ্থক্য আছে। প্ৰথমখন গ্ৰন্থৰ গল্পবোৰ লেখকৰ আগ বয়সৰ ৰচনা, দ্বিতীয় মহাযুদ্ধৰ আগৰ কালৰ ৰচনা, আৰু সেইবোৰৰ বিষয়-বস্তু হ'ল মধ্যবিত্ত সম্প্ৰদায়ৰ ডেকা-গাভৰু আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰেম, বিৰহ, ৰোমাঞ্চ আদি হৃদয়-ঘটিত সমস্যা। শিল্পসৃষ্টি হিচাপে এই গল্পবোৰক বিশেষ উচ্চাংগৰ সৃষ্টি হৈছে বুলি কব নোৱাৰি। ভবিষ্যতে যিজন মানুহে জীৱনৰ বাটত আৰু সেউজী পাতৰ কাহিনী উপন্যাসত অসমীয়া ভাষাৰ সৰ্বশ্ৰেষ্ঠ ঔপন্যাসিক ৰূপে আত্ম-প্ৰকাশ কৰিব--তেওঁৰ কেতবোৰ সহজাত দক্ষতা এই গল্পবোৰতো নিশ্চয় প্ৰকাশ পাইছে—সেই বিষয়ে সন্দেহ নাই। তথাপি এইটোও বুজা যায় যে চুটি গল্প তেওঁৰ উপযোগী মাধ্যম নহয় আৰু অভিজ্ঞতাৰ স্ফটিকীকৰণ সম্পূৰ্ণ হ'বলৈ তেতিয়াও বহুত বাকী। অৱশ্যে তেওঁৰ আগ বয়সৰ এই গল্পকেইটাৰ সামাজিক তাৎপৰ্য একেবাৰে নোহোৱা নহয়। ভাৰতীয় তথা অসমীয়া সমাজত স্ত্ৰী-শিক্ষাৰ প্ৰচলন, সহ-শিক্ষা আৰু আপেক্ষিক স্ত্ৰী-স্বাধীনতা সামাজিক দৃষ্টিকোণৰপৰা নিশ্চয় এটা গুৰুত্বপূৰ্ণ ঘটনা আছিল; আমাৰ পৰম্পৰাবাদী সমাজত এই ঘটনাৰ প্ৰথম অভিঘাতে সমাজৰ এক শ্ৰেণীৰ মানুহৰ জীৱনত আৰু মনোভংগীত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল—তাৰ এটা হুবহু চিত্ৰ বীণা বৰুৱাৰ এই শ্ৰেণীৰ গল্পবোৰত পোৱা যায়।

আঘোণী বাইৰ গল্পকেইটা সম্পূৰ্ণ ভিন্নধৰ্মী গল্প। পৰিণত বয়সৰ ৰচনা এই গল্প-কেইটাত তেওঁ জীৱনৰ কেইটামান মৌল সমস্যা, ট্ৰেজিক অভিজ্ঞতা, human condition ৰ ছাঁয়াদ্ধকাৰ দিশ পৰীক্ষা কৰিবলৈ প্ৰয়াস কৰিছে। ভয়ংকৰ দাৰিদ্ৰ্য আৰু হৃদয়হীন সামাজিক উদাসীনতাৰ বলি যিবোৰ মানুহ—তেনে মানুহৰ জীৱন-ইতিহাস বৰ্ণনা কৰা হৈছে আঘোণী বাই আৰু দেউতা, এঅনা পইচা নামৰ গল্প দুটাত। দাৰিদ্ৰ্যক বিষয়-বস্তু হিচাপে লৈ লেখা গল্প-উপন্যাসৰ সীমা সংখ্যা নাই। তেনেকুৱা বেছিভাগ গল্পই আমাৰ মনত দাগ নকটাকৈ ওপৰে ওপৰে পিছলি যায়, কাৰণ সেইবোৰ গল্পত হয় দৰিদ্ৰতকৈ দাৰিদ্ৰ্যৰ প্ৰাধান্য বেছি, অথবা সেইবোৰ অতিমাত্ৰাই দলিলধৰ্মী, অথবা ডিডাকটিক, অথবা আন্তৰিকভাৱে অনুভূত মমত্ববোধতকৈ কেৱল নিৰাবেগ ঔচিত্যবোধৰ তাড়নাত ৰচিত। কিন্তু বীণা বৰুৱাই উপৰোক্ত দুয়োটা গল্পতে

দাৰিদ্ৰ্যৰ বিষয়ে ৰচনা লেখা নাই, লেখিছে, তেজ-মাংসৰ দৰিদ্ৰ মানুহৰ বাস্তৱ জীৱন-কাহিনী, আৰু প্ৰশংসনীয় কলা-কৌশলৰ সহায়েৰে সেই নিৰ্মম অভিজ্ঞতাক তেওঁ আমাৰ হৃদয়-সংবেদ্য কৰি তুলিছে।

মৃত্যু জীৱনৰ এটা প্ৰধান সমস্যা, আৰু স্বাভাৱিকতেই সি শিল্প-কলা আৰু সাহিত্যৰ চিৰন্তন বিষয়-বস্তু। সৰ্বসাধাৰণ নৰ-নাৰীৰ অবচেতন মনৰ গভীৰতম মৃত্যুৰ চেতনা চিৰ-জাগৰূক হৈ থাকে, নিজে কব নোৱাৰাকৈয়ে তেওঁলোকে মৃত্যুৰ পদধ্বনিলৈ কাণ পাতি থাকে, কাৰণ প্ৰত্যেকেই জানে যে If it is not now, yet it will come ( Shakespeare )। জীৱনৰ ই এটা অবিচ্ছেদ্য দুখ, অন্তহীন বিষাদ-চেতনাৰ উৎস, আৰু ইয়াৰ মাজেদি ফুটি উঠে মানুহৰ চৰম অসহায়তা। বীণা বৰুৱাৰ অসমাপিকা গল্পৰ বিষয়-বস্তু হ'ল মৃত্যু। মৃত্যুৰ ভীষণ নিৰ্মম ৰূপ ফুটাই তুলিবলৈ তেওঁ ইয়াত এটা অতি প্ৰশংসনীয় কৌশলৰ আশ্ৰয় লৈছে। সেইটো হৈছে প্ৰতি তুলনা। প্ৰায় গোটেই গল্পটো জীৱনৰ এখন মধুৰ ছবি ; তাৰ দূৰতম প্ৰান্ততো মৃত্যুৰ ক'তো লেখমাত্ৰ ছায়া নাই। জীৱনৰ উৎসৱৰ আয়োজন যেতিয়া পৰিপূৰ্ণ, সকলোৰে মনত অনেক মধুৰ প্ৰত্যাশা, অনেক আনন্দিত প্ৰতীক্ষা, ঠিক সেই মুহূৰ্ত্তে বিনামেঘে বজ্ৰপাতৰ দৰে মৃত্যুৱে তাৰ অপ্ৰত্যাশিত ভয়ংকৰ আগমন ঘোষণা কৰিলে।.......... অসমীয়া সাহিত্যত মৃত্যুক বিষয়-বস্তু কৰি লেখা সাৰ্থক গল্পকেইটাৰ ভিতৰত বীণা বৰুৱাৰ এই গল্পটো বিশেষভাবে উল্লেখযোগ্য।

# আঘোণী বাই

আঘোণী বাইৰ নিচিনা মানুহ আমাৰ সকলোৰে অতিশয় পৰিচিত ; ইমান বেছি পৰিচিত যে ৰাস্তাৰ কাষৰ টেলিগ্ৰাফৰ তাঁৰ, সদায় চুৰা-পাতনিত আহাৰ বিচাৰি অহা ভতুৱা কুকুৰ বা ৰাস্তাত ওলালেই নাকত আহি লগা নৰ্দমাৰ গোন্ধটোৰ লগত তাইৰ নিচিনা মানুহৰ আমি একো পাৰ্থক্য বিচাৰি নাপাওঁ। খুব বেছি পৰিচিত কাৰণেই তাইৰ বিষয়ে আমি একোকেই নাজানো। বীণা বৰুৱাৰ গল্প আঘোণী বাইত আমি সেই চিৰপৰিচিতৰ মাজত অজানিত আৰু অপৰিচিতক আৱিস্কাৰ কৰাৰ বিস্ময় অনুভৱ কৰো ; ঘৰে ঘৰে কথাৰ মালিহা মাৰি ইটো-সিটো বস্তু খুজি ফুৰা চিনাকি বুঢ়ীজনীৰ যে এটা অতীত আছে, এটা নিজস্ব জীৱন আছে, আনকি এটা জটিল মন আছে --সেই কথা আমি আৱিস্কাৰ কৰো। আঘোণী বাই অসমীয়া কথা-সাহিত্যৰ এটা অতি সাৰ্থক চৰিত্ৰ-চিত্ৰন। বীণা বৰুৱাৰ নিপুণ তুলিকাই কেৱল যে মূল চৰিত্ৰটোকে জীৱন্ত ৰূপত ফুটাই তুলিছে এনে নহয় ; পটভূমি বা পৰিবেশৰ সামান্যতম খুটি-নাটিও তেওঁৰ সূক্ষ্ম দৃষ্টিৰপৰা বাদ পৰি যোৱা নাই, আৰু এই সকলোৰে মাজেদি ফুটি উঠিছে এখন সৰু আধা গাৱঁলীয়া চহৰৰ এটা সমগ্ৰ জীৱন-যাত্ৰা।

"কোন অ' ভুবন? শাকনিবাৰীৰ জপনা কোনে মেলিছে?" এই বুলি হাতৰপৰা চাহদানীটো নমাই উকিলনীয়ে পুৱা চাহ-খোলাৰপৰা উঠি আহি শাকনিবাৰীৰপিনে ভুমুকি মাৰি আকৌ চিঞৰি উঠিল "এৰা কোন হব আৰু? এই বুঢ়ীজনীৰপৰা বাৰীত শাক-পাচলি এডালো কৰি খাব নোৱাৰা হ'ল। ৰাতিপুৱাই বাৰীখন পিট পিটাবলৈ সোমালহি। যা অ' ভুবন, বুঢ়ীক বাৰীৰ-

পৰা ওলাই আহিবলৈ কওঁগে।” লগুৱা ল'ৰাটোক কাৰ্য্যভাৰ গতাই দি উকিলনী পুনৰ চাহৰ খোলাত সোমালগৈ।

ৰাতিপুৱা শুই উঠিয়েই ল'ৰা-ছোৱালীকেইটাই পেন্‌পেনাবলৈ ধৰিছে। উকিলনীয়ে লৰালৰিকৈ কেইটামান ঘিলাপিঠা ভাজি আটাইকেইটাকে ভগাই দিছে। ·জাজ মৰা কিন্তু অসম্ভৱ। মইনীয়ে মাখনীৰ পিঠা এডোখৰ টান মাৰি নি নিজৰ মুখত ভৰাইছেগৈ। মাখনীৰ লাগিল ওফোন্দ, আটাইবিলাক পিঠা দিছে দলিয়াই। ভাইটিয়ে উচুপিব লাগিছে—তাৰ ভাগত পৰিল পাঁচটা পিঠাহে। ল'ৰা-ছোৱালীহঁতৰ আমনিত উকিলনীৰ খঙে মূৰৰ আগ পাইছেগৈ। এই অবুজন ল'ৰা-ছোৱালীজাক লৈ ক'ত মৰিবগৈ। দেউতা-কৰো যদি অলপ এইফালে মন-কাণ হ'লহেঁতেন। লাই দি দিয়েই ল'ৰা-ছোৱালীকেইটাক শুচাব। উকিলনীয়ে হুকিয়াই উঠিল —“মৰতীহঁত। নেখা-ৱনো কিয়? ফলা বাহখৰিৰ মাৰ শোধাব লাগে হবলা? বুঢ়ীজনী পাবহি। এতিয়াই লৰালৰিকৈ খাই থ। সেইজনীয়ে দেখিব লাগিলে পেট চেৰে-লীয়াই মৰিবিহঁক।”

ইমান পৰ উচুপি থকা ভাইটিয়ে ঘপৰাই মাত লগালে—“মোক আৰু এটা দে আই।”

ভাইটিৰ কথা শেষ নৌহওঁতেই মাখনীয়ে আঁতৰাই থোৱা বাটিটো চপাই আনি মাকৰ আগতে আগবঢ়াই কান্দোনৰ সুৰেৰে ক'লে—“মোৰ ভাগৰ এটা মইনীয়ে খাইছে—মোকো এটা দিব লাগিব।”

মাকে চিঞৰি উঠিল—“এই ৰাক্ষসীজনীৰ লোকৰ পাতৰ নুবুটলিলে পেটকে নভৰে। ডাঙৰ হৈছে মানে খক্‌টো বাঢ়িহে আহিছে।”

মাকৰ গালি খাই মইনীয়ে পেন্‌পেনালে—“অকণমান চোওঁতেই তাইৰ ভাগৰ পিঠা খোৱা হ'ল?” লগে লগে মুখ ওফোন্দাই ৰান্ধনি ঘৰৰপৰা মইনী ওলাই গ'ল। কথা অলপ গুৰুতৰ দেখি মাখনী আৰু ভাইটিয়ে মচ্ মচ্‌কৈ নিজৰ ভাগৰ পিঠা চোবাবলৈ ধৰিলে। ইতিমধ্যে ভুবনে নাদৰ পাৰৰপৰা কঁাহী-বাটি ধুই ভিতৰ সুমুৱালেহি।

“—কি অ' ভুবন বুঢ়ীয়েনো বাৰীত কি বিচাৰিছিল? ওলাই আহিল নে নাই?”

“—কি বিচাৰিব আৰু? তলসৰা পকা তামোলগাল বান্ধি লৈছেগৈ। মই সোধোতে আকৌ তামোল সৰাই নাই বুলি কৈছে।”

—“এনে মিছলীয়া বুঢ়ী। বুঢ়ীৰ এই চুৰ স্বভাৱটো যে কেতিয়া যাব? নিজে ইপিনে খাবই নোৱাৰে, তথাপি সামৰিবলৈ নেৰে।”

উকিলনীৰ কথাৰ লগে লগে বুঢ়ী আহি চাহ খোলাৰ কাষ পালেহি।

ভুখৰি পীৰা এখন টানি লৈ বহি বুঢ়ীয়ে মাত লগালে—"দে আই দে, চাহপানী এটোপাকে খাই যাওঁ। আজি দুদিন আঁহো বুলিও আহিব পৰা নাই।"

উকীলনীয়ে লৰালৰিকৈ জুইৰ ওপৰৰপৰা পিঠা ভজা কেৰাহীখন নমাইছিল। বুঢ়ীৰ কথালৈ বিশেষ কাণ দিয়া নাছিল। খোলাখন নমায়ে বুঢ়ীক চৌকাৰ কাষ চাপি বহা দেখি, চকুহাল ঘোপাকৈ ধৰি উকীলনীয়ে জেওঁৰা মাৰি ক'লে—"অলপমান আঁতৰি বহিব নোৱাৰানে? গোটেই ব্ৰহ্মাণ্ড ভ্ৰমি অহা গাৰেই তেনেই ওচৰ পাইছাহি।"

বুঢ়ীয়ে গাত কথাষাৰ নলগা ভাবেৰেই পীৰাখন আঁতৰাই উত্তৰ দিলে—"ক'ৰনো ব্ৰহ্মাণ্ডত ভ্ৰমিবি আই, গাতো তিয়ায়ে চাহপানী এটোকাৰ আশাত তইঁতৰ এইখিনিলৈকে লৰি আহিছোঁ। দে আই, পানী এটোপা দে, কালি ৰাতিও একোকে খোৱা নাই। নাজিৰৰ মাকক খুজি আঠীয়াকল একাখি নিছিলো, তাৰেই দুটামান খাই ৰাতি পৰি থাকিলো। যিহে কল, গোটেইবোৰ তেনেই গুটিহে।" বুঢ়ীয়ে নিজৰ মনেৰেই কথাবিলাক কৈ গৈছিল, উকীলনীৰ তালৈ কাণ দিবৰ অৱসৰ নাই। তপত পানীৰে সৈতে মিহলাই উকীলনীয়ে বুঢ়ীক এবাটি চাহ আৰু কেইটামান আধা ভজা পিঠা যাচিলে। বুঢ়ীয়ে পিঠাকেইটা ওচৰতে পৰি থকা তুলাপাত এখনেৰে মেৰিয়াই ল'লে। বুঢ়ীৰ কার্যই উকীলনীৰ চোকা দৃষ্টিৰ লক্ষ্য এৰা টান হ'ল। —"সেইকেইটানো আকৌ কালৈ টোপোলা বান্ধিলা?"

বুঢ়ীয়ে হুমুনিয়াহ কাঢ়ি ক'লে—"এ আই কালৈনো বান্ধিম? সেই লেঙেৰী-জনী আছে নহয়। তাই আকৌ ঘৰৰ পৰা ওলাওঁতেই কৈ পঠিয়াইছিল।"

উকীলনীৰ হিয়া কুমলিল। একাজিৰপৰা পিঠা কেইটামান নমাই বুঢ়ীৰ হাতত দি ক'লে—"বাৰু লোৱা, এইকেইটাকে লেঙেৰীলৈ লৈ যোৱা। তোমাৰ ভাগটো ইয়াতে খাই থোৱা, ঘৰলৈ নিলে নাতিনীয়েৰাই নেফানেফ কৰিব।" কথাষাৰ কৈ উকীলনী বাজ ওলাই গ'ল। বুঢ়ীয়ে এটা মুখত দি ইফালে সিফালে চাই বাকীকেইটা আকৌ টোপোলাত বান্ধিলে। ওচৰতে বহি পিঠা চোবাই থকা ভুবনে বুঢ়ীৰ কাণ্ড দেখি খিল খিল কৰি হাঁহিলে।

বুঢ়ীয়ে নিজৰ অসতৰ্কতাত লাজ পাই ক'লে—"বৰ টান চোবাবই নোৱাৰি।" তাৰ পিচত চাহৰ বাটিটোত সোহামাৰি মুখখন বেকেটাই ভুবনৰপিনে চাই লাহেকৈ ক'লে—"চাহ পানীটোপাও তেনেই সেৰেকা। সাদ-সোৱাদ বুলিবলৈ অকণো নাই।"

ৰাতি পুৱাৰ জীৱনডোখৰ এনেকৈয়ে গ'ল।

নতুন চহৰ। মানুহৰ সংখ্যা নিচেই কম। চহৰৰ মাজত আঘোণী বুঢ়ীৰ নিচিনা তিৰোতা নাই বুলিলেই হয়। ল'ৰাৰপৰা বুঢ়ালৈকে সকলোৰে আঘোণী বুঢ়ী চিৰ পৰিচিত; যকৰা কথাত আঘোণী বুঢ়ী জীৱন্ত 'গেজেট'।

কোন ঘৰত কাৰ বেমাৰ হৈছে, কাৰ ঘৰত কোন আলহী আহিছে, কাৰ ঘৰত কেতিয়া আই-নাম, বৰসবাহ, সকলোৰে ভু-ভা বুঢ়ীয়ে নোলোৱাকৈ নেথাকে। চিৰস্তাদাৰৰ ন-বোৱাৰী কথা-বতৰা, দিয়া-থোৱাত কেনে? হাজৰী-কাৰ বৰ জোৱায়েকৰ কেনে ফিতাহি, এই সকলোৰে বৰ্ণনা আঁৰ নলগাকৈ বুঢ়ীয়ে দিব। মহাপেচৰ বাৰীৰ বৰথেকেৰাজোপা এইবাৰ কেনেকৈ ভাল ভৰি লাগিছে, ফুকনৰ ঔটেঙাজোপাত সদায়ে মানুহে কেনেকৈ হাকুটি লগাই থাকে, গোঁসাইৰ বনবীৰ বেলজোপা গৰখীয়া ল'ৰাই ফৰ্ মুটিয়াই কেনেকৈ শেষ কৰিলে, বৰুৱাৰ ঘৰৰ লেচুজোপাত জালেৰে আবৰি ল'ৰা-কেইটাই কেনেকৈ পকা লেচুবোৰ বাদুলিৰ মুখৰপৰা ৰাখি আছে, কাৰ বাৰীত এইবাৰ কি কি শাক-পাচলি হৈছে তাৰ বাতৰি বুঢ়ীৰ মুখত। বুঢ়ীৰ কাম দিনৰ দিনটো টলৌ-টলৌকৈ ঘৰে ঘৰে ঘূৰি ফুৰা। প্ৰয়োজন হ'লে মাজে সময়ে বুঢ়ীয়ে লোকক সহায় কৰিবলৈকো নেৰে। কাৰোবাৰ ঘৰত কেতিয়াবা চিৰাকে এদোন খুন্দি দিছে, কাৰোবাৰ আকৌ চাউলৰ মলখুকেইটাকে মাৰি দি আহিছে। ক্ষীণ শক্তিৰে যি পাৰে তাক কৰিবলৈ কেতিয়াও বুঢ়ীয়ে পাছ হোঁহোকা নামাৰে। চহৰৰ কেইবাঘৰৰো বোৱাৰী-জীয়ৰীৰ বুঢ়ী আছিল সোঁ হাত। চিৰস্তাদাৰৰ ন-বোৱাৰীৰ কচুশাক খাবৰ মন গ'ল, বৰুৱানীক ঢেকীয়া শাক লাগে, ফুকননীয়ে তিতা খাবলৈ বিচাৰিও শোকোতা এমুঠিৰ অভাৱত ইমান দিনে খাব পৰা নাই, গোসাঁইৰ ছোৱালীজনীয়ে পচলা খাওঁ খাওঁ বুলি কাৰো হতুৱাই আঠীয়াকলৰ পুলি এটাও আনিব পৰা নাই—এওঁলোক সকলোৰে আশা পূৰণৰ ঘাই থল হ'ল আঘোণী বাই। আঘোণী বাইক কথাষাৰ কাণ ছোৱা-বহে লাগে পিছদিনাই বস্তু আহি হাজিৰ। আঁৰ ঘৰৰ বস্তু আনি তাৰ ঘৰত যোগান দিয়াত বুঢ়ী সিদ্ধহস্ত। হাত লৰ বুলি বুঢ়ীৰ কুখ্যাতি আছে। বুঢ়ীয়ে কিন্তু সেইবোৰ শুনিও নুশুনাৰ ভাও জোৰে। লাজ, অপমান, গালি-শপনিয়ে বুঢ়ীক টলাব নোৱাৰে। ইয়াৰ মাত্ৰা সৰহ হ'লে বুঢ়ীয়ে "কাণ গধুৰ, একো শুনা নাই" বুলি লৰালৰিকৈ আঁতৰি যায়। বৰুৱাৰ ঘৰৰ লেচু জোপাৰপৰা মনে মনে লেচুকেইটামান পাৰি বুঢ়ীয়ে টোপোলাত বান্ধিছে। বৰুৱাৰ ল'ৰাটোৱে আহি বুঢ়ীক চুৰুণী বুলি গালি পাৰিছেহি। বুঢ়ীয়ে "জানো বোপাই কি কৱ?" বুলি লৰালৰিকৈ আঁতৰি ফুকনৰ ঘৰ ওলালগৈ। ফুকনৰ ল'ৰা-টোৰ আগত বুঢ়ীয়ে লেচু কেইটা মেলি দিলেগৈ। ৰান্ধনিঘৰৰ ধোঁৱাৰ মাজৰ-পৰা ওলাই আহি ফুকননীয়ে ল'ৰাৰ মুখত লেচু দেখি কোনে সেইবোৰ দিছে প্ৰশ্ন কৰিছে। প্ৰশ্নৰ উত্তৰত বুঢ়ীৰফালে চাই খঙেৰে কৈছে—"ছেস, তোমাকনো এইবোৰ আনিবলৈ কোনে কৈছিল? কলি লেচুবিলাক খুৱাই ল'ৰাটোক মাৰিব খুজিছানে?"

"ইস্! এতিয়াও কলি হৈয়ে আছেনে? লোকে ইফালে খাই অন্ত কৰিলেই।"

বুঢ়ীৰ কথাত ফুকননীৰ খং দুগুণে চৰিলহে—“বাৰু লোকে খাই অন্ত কৰক, মোৰ ল'ৰাক মৰম দেখুৱাবহি নেলাগে।” এইবুলি ল'ৰাৰ মুখৰ-পৰা চুহি থকা লেচুটো দলিয়াই দি ফুকননী আকৌ ৰান্ধনি ঘৰৰ ভিতৰ সোমাল। বুঢ়ীৰ মুখত কিন্তু খং-ৰাগ একো প্ৰকাশ নেপালে। তাইৰ জীৱন-টোৱেই গৈছে এনে উপেক্ষা আৰু অবমাননাৰ মাজেদি। দুবেলা দুমুঠিৰ কাৰণে যি পৰত হাত পাতিব লাগে তাৰ আত্মসন্মানেই ক'ত? মাকৰ নিষ্ঠুৰ ব্যৱহাৰত ল'ৰাটিয়ে সেমেনা সেমেনি কৰিলে। লেচুটোত বেচ মঙ্গহ ধৰিছিল। বুঢ়ীয়ে ল'ৰাটিৰ দুখ বুজি সান্ত্বনা দি কৈ গ'ল—“বাৰু সোণ, ভালকৈ পকিলে মই তোলৈ লৈ আহিম। আজিকালি আকৌ চকুৰে আগৰ নিচিনাকৈ নমনো নহয়।”

ভোগাইৰ সেইদিনা বৰ খং। ভোগাই বুঢ়ীৰ চুবুৰিৰ মানুহ। এপাল ল'ৰা-ছোৱালীৰে ঘৰখন কোনোমতে চলাইছে। নিজৰে মাটি-বাৰী, হাল-গৰু, তাৰ যহতে সৰু সংসাৰখন টুক-টাককৈ চলাইছে। ৰাইজৰ কিবা এটা লেঠাত ভোগাই সেইদিনা যাবলগাত পৰিছিল ন-নৈৰ কুমাৰ গাৱঁলৈ। সন্ধিয়া উভতি আহোঁতে কুমাৰহঁতক খুজি এটা ভাল চিলিম লৈ আহিছিল। পুৱা শুই উঠি ধঁপাত খাবলৈ চিলিম বিচাৰে—নতুন চিলিম নাই। ই আৰু কাৰো কাম নহয়। সন্ধিয়া বুঢ়ী এইফালে আহোঁতে হাতৰ টিপতে চিলিমটো লৈ গ'ল।

পুৱাই বুঢ়ীৰ ঘৰ খানাতালাচ। ভোগাইৰ বেঙা ল'ৰা আধানে গৈ বুঢ়ীৰ ঘৰৰ ভিতৰত পুৰণি টেকেলি এটাৰপৰা চিলিমটো উলিয়াই আনিলেগৈ। বুঢ়ী আৰু নাতিনীয়েক তেতিয়া ঘৰত নাছিল।

বুঢ়ীৰনো ঘৰ বুলিবলৈ আছে কি? এটা সৰু জুপুৰি পঁজা। চালত আজি ভালেদিন নতুন খেৰ পৰা নাই। এইবাৰ বাৰিষাৰ দিনকেইটা তাৰ তলত কটোৱাই টান হ'ব। অৱশ্যে গঞাহঁতে দুটামান খোচা মাৰি দিব বুলি আশা দিছে। মুৰকত জানো কি কৰে? বেৰৰপিনেও তেনেই আধ্যা পৰিছে। ঠায়ে ঠায়ে লোকৰ ঘৰৰপৰা মনে মনে বুটলি অনা কেৰাচিনৰ টিনৰ ছটা, ডুখৰি পীৰা, আৰু কোনো ঠাইত কাগজৰ টাপলি পৰিছে। ইমানৰ ওপৰতো বুঢ়ীৰ ঘৰত এনে দুৱাৰ আছে তাৰ আনুষঙ্গিক অবয়ব পূৰণ কৰিবলৈ লগোৱা আছে এটি পুৰণিকলীয়া তলা। তাৰ কাঠীটোৱে খাওঁতে শোওঁতে সকলো সময়তে বুঢ়ীৰ ককালত ওলমি নাচি থাকে। ঘৰৰ কোঠালী দুটা, এটিত ৰন্ধা-বঢ়া কৰে আৰু আনটিৰ ভঙা বাঁহৰ চাঙখনৰ ওপৰত নাতি-নীয়েকৰে সৈতে ৰাতি ঘুমটি মাৰে। বুঢ়ীৰ কিন্তু ঘৰৰ ভিতৰখনত বস্তু-বাহানিৰে গেজেপ খাই আছে। মাটিৰ মলা, চৰু, টেকেলি, সৰু ডাঙৰ টিনৰ টেমা, নাৰিকলৰ কোৰোকা চাৰিওফালে সিচৰতি হৈ আছে। চৰু,

টেকেলি লোকে দলিয়াই পেলোৱা বুঢ়ীয়ে সহিব নোৱাৰে। সেই দেখিয়েই এই আশ্ৰয়হীন মাটিৰ পদাৰ্থবোৰ বুটলি আনি নিজৰ ঘৰত ঠাই দিছেহি।

বুঢ়ীৰ অতীত জীৱনৰ লগত বৰ্তমানৰ অৱশ্যে সামঞ্জস্য নাই। জীৱনৰ খটখটীৰ শেষ খাপত ভৰি দি বুঢ়ীয়ে এৰি থৈ অহা খলপাবোৰ ঘূৰি চাবলৈ আজি ভয় কৰিছে। বয়সো প্ৰায় চাৰি কুৰিৰ ওচৰ চাপিছেহি। ভৰিদিয়া খাপটিতে ভালকৈ খোপনি পুতি ৰব নোৱাৰা হৈছে। এনে স্থলত পাছলৈ ঘূৰি চায় কেনেকৈ? বুঢ়ীৰ ভাবিবৰ সময় অৱকাশ নাই, আগবঢ়াতহে বুঢ়ী মগ্ন। কিন্তু আগবাঢ়ে কেনেকৈ? লেঙেৰী নাতিনী ছোৱালীজনীয়ে বুঢ়ীক সদায় পাছলৈ আজুৰিবই লাগিছে।

লেঙেৰী বুঢ়ীৰ নাতিনীয়েক। ছোৱালীটিৰ আন কিবা নাম আছিল যদিও বুঢ়ী মাকৰ বাহিৰে আনে নাজানে। জনমৰেপৰা তাই কোঙা। থিয় হ'ব বা খোজ কাঢ়িব নোৱাৰে। বগুৱা বাই বাই গোটেই চহৰখন বুঢ়ীমাকৰ লগত ঘূৰি ফুৰে। মাক মৰিবৰো আজি ভালেদিন হ'ল, তেতিয়াৰপৰা বুঢ়ীমাকৰ লগতে আছেহি। আঘোণীৰ প্ৰথম সন্তান লয়নীৰ চাৰি বছৰ পূৰ নৌহওঁতেই গিৰিয়েক ঢুকায়। সেইদিনাৰপৰাই আঘোণীৰ এক নতুন জীৱনৰ আৰম্ভ। গাঁৱৰ সেই উলাহী আঘোণীৰ ৰাংচালী হাঁহি মুখ তেতিয়াৰপৰা কোনেও নেদেখা হ'ল। কলঙৰপৰা পানী আনিবলৈ যোৱা গাভৰুহঁতৰ সকলোৰে চুপতা-চুপতিও কমি গ'ল। ইমান দিনে যেন আঘোণীয়েইহে সকলোৰে মাজত প্ৰাণ থকা হাঁহিৰ সঁফুৰা মেলি দিছিল।

তেতিয়াৰপৰা কি কষ্টেৰেই যে আঘোণীৰ দিন গৈছে। গিৰিয়েক আছিল অকলশৰীয়া মানুহ। বৈ-বঙহ এৰি থৈ চহৰৰ কাষতে থিতাপি লাগিছিল। ইঘৰ-সিঘৰৰ লাচনি-পাচনি কৰি যি আৰ্জিছিল তাৰেই বেচ স্ফূৰ্ত্তিৰে খাই-মেলি আছিল। ভৰ ডেকা বয়সত সঁচোনৰ কথা মনলৈয়ে নাহিছিল। ডেকা বয়সতেই যদি মনৰ ইচ্ছাতে দুই-চাৰিটা পইচা খৰচ কৰিব নোৱাৰে তেন্তে জীৱনটোনো কেলৈ? শৰীৰত শক্তি আছে যেতিয়া ভয় কিহৰ? আন নহলেও দিন হাজিৰা কৰিও দুটা প্ৰাণীৰ চাউল দুকঠা উলিয়াব পাৰিব। আঘোণীৰ গিৰিয়েক ৰতনৰো সুযোগ মিলিছিল ভালেই। গোসাঁইৰ ঘৰত সি কাম-কাজত আগহাত আছিল। ইফালে সিফালে কৰবালৈ পাচিব লগা হ'লে গোসাঁইৰ চকু পৰিছিল ৰতনৰ ওপৰতে। গোসাঁইৰ ল'ৰাকেইটাৰ লগতো সি অলপ সময়ৰ ভিতৰতে আপোনাৰ হৈ পৰিছিল। সমবয়সীয়া গোসাঁইৰ ল'ৰাকেইজনৰ লগত সি বাৰুকৈয়ে ৰজিতা খাইছিল। গোসাঁইৰ বৰজন ল'ৰা চব ডেপুটি কলেক্টৰ। চিকাৰত তেওঁৰ বৰ হেপাহ। ঘৰলৈ আহিলেই বুঢ়ী হাতীজনী লৈ চিকাৰলৈ ওলায়। তেওঁৰ লগৰ সাৰথি ৰতন। ৰতন নহলে বৰবোপাৰ চিকাৰ কৰায়ে নহয়। ৰতনক তেওঁ বন্দুক মাৰিবলৈও শিকাইছিল, বৰবোপাই ৰতনক নিজৰ ভাই-ককাইৰ দৰে ব্যৱহাৰ কৰিছিল, মৰমো কৰিছিল

তেনেকৈয়ে। আঘোণীয়ে কিন্তু ৰতনৰ এই চিকাৰী ব্যৱসায়টো ভাল নাপাইছিল। যিদিনা ৰতনে গাভিনী ভেলেঙীজনী মৰাৰ কথা ঘৈণীয়েকক ক'লেহি সেইদিনায়ে আঘোণীয়ে গিৰিয়েকক শপত দিলে, ভবিষ্যতলৈ আৰু চিকাৰ নকৰিবলৈ। ডেকা তেজত বলীয়ান ৰতনে ঘৈণীয়েকৰ কথা যুক্তিৰে খণ্ডন কৰিবলৈ চেষ্টা কৰিলে—"আমাৰ নিমিত্তেই ঈশ্বৰে এইবোৰ জীৱ-জন্তু সৃজন কৰিছে, আমিয়েই যদি নাখাওঁ তেন্তে এইবোৰ খাব কোনে?" গোসাঁইৰ বৰজন ল'ৰা ঘৰলৈ অহা কেইদিন ৰতনৰ গাত তৰণিয়েই নাথাকে। তাৰ যেন নিজৰ ভায়েক এটাহে চবডেপুটি হাকিম হৈ ঘৰলৈ উভতিছে। হাকিম ঘৰলৈ আহিব বুলি বাতৰি শুনিয়েই ৰতনে চিকাৰ থলীৰ সন্ধানত হাবাথুৰি খাই পৰে। দোকমোকালিতে শুই উঠি গুৰগুৰীয়া বিলত বনৰীয়া হাঁহ পৰিছে নে নাই, মাছমৰা বওালহঁতে তাত নাও বান্ধিছে নে নাই তাৰ সম্ভেদ লৈ আহেগৈ। বৰ্হমপুৰৰ জৰী গছবিলাকত হাইঠা পৰিছেহি নে নাই, লাওখোৱাৰ ৰিজাৰ্ভত পহুৰ জাকে চৰিছেহি নে নাই তাৰো ভু-ভা সংগ্ৰহ কৰি থয়।

ৰতনৰ নিচিনা মনমিলা সহচৰৰ মৃত্যুৰ বাতৰি পাই বৰবোপাই সচাঁকৈয়ে বৰ শোক পাইছিল, ঘৰলৈ আঘোণীক সৰ্বতোভাবে সহায় কৰিবলৈ দঢ়াই দঢ়াই লিখিছিল। প্ৰথমডোখৰত অৱশ্যে আঘোণীয়ে গোসাঁইৰ ঘৰৰপৰা বাৰুকৈয়ে সহায় পাইছিল। পাই-পইচা যি বিচাৰিছিল হাত নধৰাকৈয়ে হাকিমৰ মাকে সকলো দিছিল। কিন্তু সদায় গ্ৰহণ কৰিলে, দয়াহেন মহৎ গুণৰো মহত্ব হ্ৰাস হয়। সংসাৰখন হৈছে বেচা-কিনাৰ ঠাই। য'ত দুপইচা পোৱাৰ আশা আছে, তাতে মানুহে নিজৰ মূলধন জমা ৰাখে। দেউলীয়াক ধন দি পুণ্য আৰ্জিবৰ কম মানুহৰেই ইচ্ছা। বিশেষতঃ দিয়া-থোৱা আৰু সাংসাৰিক কাৰ্য চলোৱা বিষয়ত তিৰোতাৰ বুদ্ধি মুনিহতকৈ প্ৰখৰ। বাহিৰ জগতত ঘূৰি ফুৰাৰ কাৰণে মুনিহৰ চকুহাল ডাঙৰ হৈছে। ডাঙৰ ডাঙৰ বিষয়হে মুনিহৰ চকুত পৰে। কিন্তু ঘৰৰ ভিতৰত সোমাই থকাৰ গুণত তিৰোতাৰ চকু বহল হোৱাৰ সুযোগ পোৱা নাই। সেই কাৰণেই তেওঁলোকৰ চকুত অকণি অকণি কথাবিলাকো সহজেই ধৰা পৰে। আঘোণীক দিবলৈ হাকিমে মাহে মাহে টকা পঠিয়াই থকা সত্ত্বেও, মাকে সেই ধন আঘোণীক নিদিয়া হ'ল। মিছাকৈয়ে এজনী ধেমনী পুহি থকাৰেই বা প্ৰয়োজন কি? আৰু এটা কথা, আঘোণীৰ ওপৰত বৰবোপাৰ ইমান টান কিয়? গাভৰু তিৰোতা এজনীৰ ইমান বা-বাতৰিয়েই বা বিচাৰে কিয়? ওহোঁ, গোসাঁই বংশত এনে কথা হব নোৱাৰে। আঘোণীক যেনে তেনে ঘৰ এৰুৱাবই লাগিব। ক'ব নোৱাৰি ডেকা ল'ৰা কেতিয়া কি কৰি পেলায়! আঘোণীয়েনো বৰবোপা কেতিয়া আহি পাবহি তাৰেই বা ইমান উমান কিয় লয়?

ৰতন ছুকুৱাৰ পিচতো, আঘোণীয়ে দিনবিলাক যিমান সহজে যাব বুলি ভাবিছিল সিমান সহজে নোযোৱাত পৰিল। এটা বিপদক কোনোমতে আঁত-

ৰাই থলে, অন্য এটাই আকৌ সেই ঠাই পূৰ কৰেহি। ঘৰ চলোৱা বিষয়ে আঘোণীয়ে সৰহ চিন্তা কৰিব নালাগিছিল। কিয়নো সিহঁতৰ মাক-জীয়েকৰ দুটি আধানি আধানি পেট। লোকৰ ঘৰত ধান বানি চাউল কাঢ়ি যি পাইছিল, তাৰেই কোনোমতে চলি গৈছিল। ধান বনাত আঘোণী আগৰণুৱা। দিনটোত তিনি পূৰা ধানৰ চাউল তাইৰ নিচিনাকৈ কোনে উলিয়াব পাৰিছিল? দুবৈৰপৰা ঢেকীৰ শব্দ শুনিলে, সি যে আঘোণীৰ চাব তাক আৰু আনে কৈ দিব নালাগে। ঢেকী দিয়াৰপৰাই আঘোণীৰ কলাফুল দুটা নোদোকা নোদোকা হৈ পৰিছিল। দেহৰ গঠনো চকুত লগা হৈছিল। ৰতন চুকুৱাৰ পিচত সেই দেহটো লৈ আঘোণী বিপাওত পৰিল। বাটে-ঘাটে ওলালেই ডেকাহঁতৰ দৃষ্টিয়ে তাইৰ পাছ নেৰা হ'ল। মাজে সময়ে সুযোগ-সুবিধা পালে তাইৰ লগত চুপতি মাৰিবলৈকো কোনো কোনো ডেকা আগবাঢ়ি আহে। আঘোণীয়ে যিমান পাৰে সিমান তঁাহাতক এৰাই ফুৰিবলৈ চেষ্টা কৰে। কিন্তু অসম্ভৱ। ডেকাহঁতে উপযাচি আহি তাইৰ সৈতে কথা পাতেহি, টান মাৰি তাইৰ লগৰপৰা লয়নীকে লৈ যায়হি। লয়নীৰ লগত ধেমালি কৰাৰ ছলেৰেই সিহঁতে আঘোণীৰ ওচৰ চাপে।" ডেকাহঁতক গালি পাৰি আঁতৰাই দিবলৈ তাইৰ সাহ নাই। কোদোৰ বাহঁত জুই দিয়া সাধাৰণ কথা নহয়। কিন্তু যিদিনা সন্ধিয়া হাতবৰৰ বৰ পুতেক ভেদোৱে তাই কলঙত গাগৰীটো বুৰাই লওঁতে ওচৰ চাপি সুধিলেগৈ—"আঘোণী, তই মোলৈ সোমাবিনে?" সেই দিনায়ে তাইৰ মূৰত আকাশী স্বৰগ ভাগি পৰিল। একোকে উত্তৰ নিদি গাগৰীটো আধা বুৰায়ে আঘোণী লৰালৰিকৈ ঘৰলৈ উভতি আহিল।

এয়ে সেই ভেদো। ইয়াকনো ৰতনে কম মৰম কৰিছিলনে? চিকাৰৰপৰা আহিলেই নিজলৈ নথৈও ভেদোৰ নিমিত্তে এভাগ মঙহ নপঠিওৱাকৈ নেৰিছিল। ভাল বস্তু এটা পালে ভেদোক নিদিয়াকৈ মুখত নিদিছিল। গাঁৱৰ ৰাজহুৱা ভাও লব ভেদোৱে, কিন্তু তাৰ কানি-কাপোৰ বিচাৰি দিয়াৰ ভাৰ আছিল ৰতনৰ। ভেদোক পিন্ধাবলৈ গোসাঁইৰ মাজুটো ল'ৰাৰপৰা মুগা চোলাটো খুজি আনি বোল লগাই নষ্ট কৰাৰ বাবে ৰতনে কত গালি খাইছিল। সেইবাৰ হাতবৰে পুৰণিগুদামত হোৱা বাৰখেলৰ ভাওনা চাবলৈ ভেদোক একোপধ্যে নপঠিয়াইছিল। গাঁৱৰ আটাইখন ডেকা ল'ৰা ওলায়, বাদ পৰিল মাথোন ভেদো। তাৰ মনমৰা মুখ দেখি সহিব নোৱাৰি ৰতনে হাতবৰক কৈ মেলি নিজৰ অসুখীয়া গাৰেই শেষত ভাওনা চাবলৈ তাক লৈ গৈছিল। এটি এটিকৈ সেই সকলোবিলাক আঘোণীৰ মনলৈ আহিবলৈ ধৰিলে। ৰতনে যাক আদৰ কৰি ভাই বুলি মাতিছিল, সেই ভেদোৱে আজি ৰতন চুকুৱাৰ তিনি বছৰ নৌহওঁতেই তাৰ বিধবা তিৰোতাৰ ওপৰত চকু দিয়ে? আঘোণীক লৈ সি ঘৰ-বাৰী কৰিবলৈ ইচ্ছা কৰে?

আঘোণীৰ অসহ্য হৈ উঠিল। পুৱাৰপৰা ৰাতিলৈকে তাইৰ ওপৰত সেই মানুহৰ সেই একেটা সৃষ্টি। তাইৰ শৰীৰৰ মণ্ডহৰ ওপৰত সকলোৰে যেন খক সোমাইছে। তাইৰ এই ফুলি উঠা যৌৱনটো মিছাতে লেৰেলি যাব বুলি সকলোৰে বেজাৰ। তাৰ উপায় বিচাৰি ডেকাহঁতৰ তত্ নাই। আঘোণী নিশা অকলে থাকিব নোৱাৰা হ'ল। সদায় ৰাতি কোনোবা আহি তাইক নাম কাঢ়ি মাতেহি। আঘোণীয়ে ভয়ত লয়নীক বুকুৰ মাজলৈ টানি নি কান্দিবলৈ ধৰে। লয়নীক টোপনিৰপৰা তুলিবলৈ চেষ্টা কৰে। লয়নীয়েইহে যেন এই কাল নিশা তাইক অত্যাচাৰীৰ হাতৰপৰা ৰক্ষা কৰিব পাৰিব। আঘোণীৰ বিশ্বাস যে কোনো পুৰুষেই সন্তানৰ আগত মাকক অপমান কৰিবলৈ আগবাঢ়িবলৈ নোৱাৰে। পিচদিনা পানী আনিবলৈ যাওঁতে ভোগাইৰ বোৱাৰী-য়েকে আঘোণীক ঘাটত পাই সুধিলে—"হয় আঘোণী, কালিনো মাজ নিশাখন জীয়েৰক ইমানকৈ চিঞৰিছিলি কিয় ? আমাৰ তালৈকে তোৰ চিঞৰ শুনা গৈছিল।"

আঘোণীয়ে লাহেকৈ উত্তৰ দিলে—"এ কোনোবা চোৰ অহা যেন পাইছিলোঁ।" কথাষাৰ কোৱা ঠিক নহ'ল বুলি আঘোণী থতমত খাই ৰ'ল।

গাগৰীটো কাষত লৈ যাবলৈ ভোগাইৰ বোৱাৰীয়েকে বৰ বিদ্ৰূপৰ হাঁহি মাৰি কৈ গ'ল—"ইস, তোৰ ঘৰলৈহে চোৰ আহিবলৈ পালে। ধন-সোণ ভৰি আছে নহয়।" আঘোণীয়ে ভাবে, সঁচাকৈয়ে তাইৰ ঘৰলৈ চোৰ আহিব কিয় ? পিচ মুহূৰ্ত্ততে কিবা কথা মনত পৰাত হুমুনিয়াহ কাঢ়ি পানীলৈ নামি গ'ল।

আঘোণীয়ে ঠিক কৰিলে, অকলে এনেকৈ থাকিব নোৱাৰি—কাৰোবাৰ ঘৰলৈ উঠি যাব লাগিব। ছোৱালীজনী ডিঙিত নলগাহঁতেন কেতিয়াবাই তাই কলঙত ডুবি মৰিলহঁতেন। অৱশ্যে লোকৰ ঘৰলৈ এনেকৈ গেবাৰি খাটিবলৈ গ'লে সমাজত তাই নিন্দনীয় হ'ব। সমাজত তাইৰ আৰু আগৰ আসন নাথাকিব। হওক লাগে তথাপি ইমান শত্ৰুৰ মাজত থকা অসম্ভৱ কথা। কেতিয়া কি হয় কোনে কব পাৰে। গোসাঁইৰ মাকেই তাইক এই বিপদৰপৰা উদ্ধাৰ কৰিব পাৰিব, তেওঁকে এবাৰ কৈ চাব বুলি পাঙিলে। কিন্তু আজি কিছুদিনৰ-পৰা গোসাঁইৰ মাকৰপৰাও তাই ভাল ব্যৱহাৰ পোৱা নাই। কিবা এটা বিচাৰিলেও, 'এতিয়া নাই, পাছে পৰে আহিবি'—বুলি কৈ বিদায় দিয়ে। তথাপি এবাৰ কথাষাৰ কৈ চাবলৈ চল বিচাৰিলে।

আঘোণ মহীয়া ৰ'দ, দুপৰীয়া ভাত খাই উঠোঁতেই বেলি পৰে। গোসাঁইৰ মাকে ভাত খাই উঠি চোতালতে ঢাৰিখন পাৰি বটাটো লৈ তামোল কাটিছে। এনেতে লয়নীক লৈ আঘোণী সেইখিনি ওলালগৈ। গোসাঁইৰ মাকে আঘোণীক তামোল এখন দি সুধিলে—"আজিনো ভাত কিহেৰে খালি ?

"এ কিহেৰে খাম আই। সিদিনা আপোনালোকৰ তাৰপৰাই নিয়া মাছি-মাহ দুটামান আছিল তাৰেই খাৰ ৰান্ধিলোঁ।" ছোৱালীজনীলৈ আঙুলিয়াই আকৌ ক'লে—"এইপাতে আৰু টেঙা নহলে মুখতে নিদিয়ে।"

লাহে লাহে এটা-দুটা কথা হোৱাৰ পিচত মাকে ক'লে—"বাৰু, কথা হওঁ, লগে লগে চুলিকোছা মেলচোন। বিড়া ওকণী কেইটামানে পিলপিলাব লাগিছে।" কথাষাৰ শেষ নৌহওঁতেই আঘোণীয়ে গোসাঁইৰ মাকৰ চুলিকোছা মেলিলে। অকণমান নখ ফুৰাওঁতেই বিড়া ওকণী এটা ওলাল। আঘোণীয়ে ওকণীটো লৈ চিঞৰি উঠিল—"অ' আই তেজ পিবলৈ পাই এইডাল নোদোকা হৈ পৰিছে।" এই বুলি জীয়েকক ওচৰলৈ মাতি নি ওকণীটো মৰালে। ওকণী চোৱাৰ লগে লগে দুয়োৰো মাজত কথা চলিবলৈ ধৰিলে।

গোসাঁইৰ মাকে ক'লে—"এৰা এইবাৰ ফাগুনতে তোৰ ঘৰটো ছোৱাই ল। বাঁহ যি দুটা-এটা লাগে আমাৰ বাৰীৰেপৰা নিবি।"

—"আই, ঘৰনো ছোৱাই দিয়ে কোনে? মানুহ লগাবলৈনো পইচা-কড়ি পাওঁ ক'ত?"

—"পিছে, বাৰিষাৰ দিন কেইটানো কটাবি কেনেকৈ?"

—"জানো এথোন কব পৰাই নাই", অলপ পৰ বৈ সুধিলে—"বাৰু আই, মই আহি আপোনালোকৰ ঢেকীশালতে থাকিবহি নোৱাৰোঁনে?" আঘোণীয়ে ভয়ে ভয়ে গোসাইৰ মাকৰ মুখলৈ চালে।

—"ঢেকীশালতনো ক'ত ঠাই আছে? ঠাই হোৱাহেঁতেন তোক আহিবলৈ নকওঁনে?"

আঘোণীৰ প্ৰাণত অলপ আশাৰ সঞ্চাৰ হ'ল। নিজৰ সকলোবিলাক দুখৰ কথা ক'লে কিজানিবা ঢেকীশালত অকণমান ঠাই পায়েই। তাকে ভাবি সৰল বিশ্বাসত ক'লে—"অকলে আই ঘৰত থাকিব নোৱাৰা হৈছো, ৰাতি আহি কোনোবাই দলিয়াই খতিয়াই থাকেহি। সেয়েহে আপোনালোকৰ ইয়ালৈকে উঠি আহিব খুজিছোঁ।" একে উশাহে কথাখিনি কৈ আঘোণী নিমাত হ'ল।

গোসাঁইৰ মাকে বহুদৰ্শিতাৰ সুৰত উত্তৰ দিলে—"মই তোক আগেয়েই কৈছিলো নহয়, কোনোবা এটালৈ সোমাবলৈ, তই তেওঁ এটাৰহে মাক। মেদে-উৰ জীয়েক জেতুকীয়ে কৰিলে কি? ডাওৰ তিনিটা ল'ৰা-ছোৱালীৰে নোসো-মালেগেনে?" গোসাঁইৰ মাকৰ উপদেশত আঘোণীয়ে হুমুনিয়াহ কাঢ়ি নিমাত হ'ল। ওকণী চোৱা তাতে শেষ হ'ল। তাইৰ ইচ্ছা হৈছিল বুকু বিদাৰি অন্তৰৰ শোক প্ৰকাশ কৰিব। নোৱাৰিলে, আনকি চকুৰেদিও এটোপা পানী নোলাল। লৰালৰিকৈ গোসাঁইৰ মাকৰ খোপাটো বান্ধি দি যাবলৈ ওলাল।

"আই, মই আজিলৈ উঠোচোন। সন্ধিয়ালৈ শাক-পাত দুডালমান বিচাৰিব লাগিলগৈ।"

গোসাঁইৰ মাকে আঘোণীয়ে বেজাৰ কৰিছে বুলি বুজিব পাৰি ক'লে—"বাক্ষ স্বা। কালিলৈ পাব যদি এপাক মাৰিবিচোন! মোৰ কথাত আকৌ বেয়া নেপাবি, মই ভালেহে কৈছোঁ। তহঁত এতিয়া গাভৰু ছোৱালী, সদায়তো মন বান্ধি থাকিব নোৱাৰি।" গোসাঁইৰ মাকৰ কথা শেষ হোৱাৰ পূৰ্বেই আঘোণী বাৰী লুকুকিবলৈ অহা গৰুৰে গিৰিহঁতৰ মাৰ খাই পলোৱাৰ দৰে উঠিল। গোসাঁইৰ মাকে চোতালৰ জপনাখনৰ কেৰ্‌কেৰণী শুনি ঘূৰি চাই কৈ উঠিল—"ইস্‌ কথাষাৰ কওঁতেই চাপলি মেলিলে। নীচ জাতিক সজ উপদেশ দিয়াৰ লাভ কি?" বটাটো তুলি লৈ ভিতৰ সোমাল।

আঘোণীৰ সেইদিনা শাক বোটলা নালাগে ভাত ৰন্ধাই নহ'ল। গৈয়ে বিচনাত পৰিলগৈ, সন্ধিয়া গোসাঁই ঘৰত ডবা-কাঁহ বজোৱা শুনিও মূৰ নাদাঙিলে। লয়নীয়ে কেইবাবাৰো ভাত খাওঁ ভাত খাওঁ বুলি চিঞৰাত, মাকৰ ঢকা চাপৰ খাই শেষত পাটীত পৰি লালকাল দিলেগৈ। আঘোণীয়ে পাটীত পৰি ওৰে ৰাতি কান্দিলে। দুখীয়াৰ ঘৰত জন্ম পালেই বুলি তাইৰ ভালপোৱা, ধৰ্মাধৰ্ম নোহোৱা হ'লনে? ছোৱালী কালৰ কথা, ৰতনৰ লগত বিয়া হোৱা, —ৰতনৰ অসীম ভালপোৱাৰ কথা, উজাৰি উজাৰি আঘোণীৰ মনলৈ আহিবলৈ ধৰিলে। সৰুৰেপৰা তাইৰ স্বভাৱ-চৰিত্ৰ জানি-শুনিও গোঁসাইৰ মাকে আজি এনেটো অপমান কৰিব বুলি আঘোণীয়ে সপোনতো ভবা নাছিল। অৱশ্যে বহুতে বহুত কথা কোৱা আঘোণীয়ে দূৰৈৰপৰা শুনিছে। কিন্তু মুখৰ আগতে এনেকৈ কবলৈ আজিলৈকে কাৰো সাহ হোৱা নাছিল। কান্দোন-কাটোন ভবা-চিন্তাত শেষ ৰাতি কেতিয়া টোপনি আহিল কবকে নোৱাৰিলে। ৰাতিপুৱা শুই উঠি দেখে যে ঘৰৰ দুৱাৰ খোলা, বিচনাত লয়নী নাই। ধৰমৰকৈ পাটীৰপৰা উঠি বাজ ওলাল। বেলি ওলোৱা ভালেমান পৰ হ'ল। বাহিৰ ওলাই আঘোণীয়ে দেখে যে লয়নীয়ে চোতালত ভেদোৰ সৈতে ধেমালি কৰি আছে। ভেদোক দেখিয়েই আঘোণীৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। ধুমুহাৰ দৰে গ'ল নিশাৰ কথাবিলাক তাইৰ মনলৈ আহিবলৈ ধৰিলে। একো নভবা নিচিন্তাকৈ আঘোণীয়ে জীয়েকৰ চুলিকোছাত ধৰি পিঠিত দুম্‌-দুম্‌কৈ কিল সোধালে। দোষৰ একো কাৰণ বুজিব নোৱাৰি লয়নীয়ে কান্দিবলৈকে ভয় কৰিলে। জীয়েকক যথোচিত পুৰস্কাৰ শোধাই তাই উগ্ৰমূৰ্তি ধৰি ভেদোৰ পিনে চাই ক'লে—"ৰাতিপুৱাই মোৰ চোতাল গছকিবলৈ তইঁতক মাতিছে কোনে? আজিৰপৰা যদি তহঁতে মোৰ চোতালত ভৰি দিয়হি—তেন্তে গোসাঁইৰ শাও লাগিব।" ৰাতিপুৱাই ইমান আষাৰ কথা আওৰাই আঘোণীৰ নিজৰেই বুকু কঁপি উঠিল।

ভেদোৰেও পুৱাতেই সেই ৰণ-চণ্ডীৰ গৰ্জন শুনি স্তব্ধ হৈ পৰিল। অলপ পৰ ইফালে সিফালে চাই ভেদোৰে ধুপুচুকৈ আঘোণীৰ ভৰিত পৰি ক'বলৈ

ধৰিলে—"বাইটি। মোৰ সিদিনাৰ দোষ ক্ষমা কৰা। আজিৰপৰা মই তোমাৰ সেই আগৰ ভায়েৰা ভেদো। এতিয়াৰপৰা গাঁৱৰ কোনেও তোমাক টু-টা কৰিব নোৱাৰিব।" আঘোণীৰ মূৰ ঘূৰিবলৈ ধৰিলে। তাই আৰু থিৰেৰে ৰব নোৱাৰি পিৰালিত বহি কান্দিবলৈ ধৰিলে। ইতিমধ্যে ভেদোৱে উঠি লয়নীক কোলাত লৈ বাটলৈ ওলায় গ'ল। আঘোনীয়ে পিৰালিত বহি উচুপি উচুপি নিতাল মাৰিছিল। এনেতে উকীলৰ ঘৰৰ লগুৱা ল'ৰাটিয়ে আহি ক'লেহি—"বাইটি, আজি গৰু খীৰাবলৈ নোযোৱানে? পোৱালীটোৱে হেম্বে-লিয়াই আছে।" আঘোণীৰ তেতিয়াহে তন্দ্ৰা ভাগিল।

—"আজি মোৰ গাটো ভাল নহয়। বাৰু, লৰালৰিকৈ জোবোৰাটো মাৰি-য়েই গৈছোঁ। তই যা।"—বুলি দীঘল হুমুনিয়াহ এটা পেলাই আঘোণী ভিতৰ সোমাল।

ভেদো ল'ৰাটি সঁচাকৈয়ে ভাল। কিন্তু মানুহৰ জীৱনলৈ কিছুমান দুৰ্বল মুহূৰ্ত আহে—সেইখিনি সময়ত নিজক সংযত কৰি ৰখা বহুতৰে টান হৈ পৰে, ইন্দ্ৰিয়বিলাক ইমান ভয়ঙ্কৰ হয় যে সিহঁতক শাসন কৰিবলৈ মনৰ শক্তি অক্ষম হৈ পৰে। হিতাহিত বা ভাল-বেয়াৰ বিবেচনা কৰিবলৈ তেতিয়া বিবেক নোহোৱা হয়। চকুৰ আগৰপৰা ধৰ্ম, সমাজনীতি সকলোবিলাক আঁতৰি যায়। বলিয়া হাতীৰ দৰে যেনিয়ে ইচ্ছা তেনিয়ে গৈ ইন্দ্ৰিয়ৰ তৃপ্তি সাধন কৰিবলৈ ইচ্ছা জন্মে। প্ৰবল ধুমুহাৰ দৰে সকলো ভাঙি চূৰমাৰ কৰিব খোজে। কিন্তু ধুমুহাৰ পিচত প্ৰকৃতিয়ে শান্ত-সৌম্য মূৰ্তি ধাৰণ কৰাৰ দৰে, মানুহৰো এটা প্ৰকৃতিস্থ অৱস্থা আছে। সেই অৱস্থাত মানুহ দেৱতা। অনু-শোচনা আৰু অনুতাপত দগধ হৈ মানুহে পূৰ্বকৃত সকলো পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ আগবাঢ়ি যায়। সকলো অপমান আৰু অৱমাননা নিজে মূৰ পাতি লবলৈ সমৰ্থ হয়। ভেদোৰো আজি সেই অৱস্থা। জীৱনৰ এটা ডাঙৰ বিপদৰপৰা আঘোণী ৰক্ষা পৰিল। আত্মীয়-কুটুম্ব নোহোৱা আঘোণীয়ে আজি নতুনকৈ এটি ভায়েক পালে।

দুখীয়াৰ জীৱনত বৈশিষ্ট্য নাই। কোনোমতে দিন যাব লাগিছে। আঘো-ণীৰ ৰূপৰ জমকে আজি গাৱঁৰ ডেকাহঁতক চমক লগাব নোৱাৰে। আঘোণী বুলিলে কোনেও আজি ৰাংচালী গাভৰু ছোৱালী এজনী বুলি ভাবিব নোৱাৰে। আজিৰ আঘোণী এজনী প্ৰৌঢ়া, গম্ভীৰ, ৰূপহীনা দুখীয়া বিধবা। শক্তিৰ ক্ষয় নাই বুলি এটা কথা আছে। কিন্তু ৰূপৰ ক্ষয় হয় নে নহয় তাৰ বোধ-কৰোঁ সিদ্ধান্ত পণ্ডিতসকলে এতিয়াও কৰিব পৰা নাই। আঘোণীৰ ৰূপৰ জেউতি হ্ৰাস হোৱাৰ লগে লগে লয়নীক সেই পোহৰে আবৰি ধৰিলেহি। সিদিনাৰ থুনুক-থানাক মাতৰ লয়নী সময়ৰ লগে লগে বাঢ়ি উঠিল। লয়নীয়ে ইখন-সিখন কৰি মাকক সহায় কৰিব পৰা হ'ল, বয়স বঢ়াৰ লগে লগে লয়নীয়ে মাকৰ লগ এৰি গোটেই পাৰঁতে অকলে পিট্‌পিটাই ফুৰিব পৰা হ'ল। গাঁৱৰ কাৰ বাৰীত কি আছে, কোনখন এৰা বাৰীত কি পায়, চাওঁতে

চাওঁতে সকলো তাই আৱিষ্কাৰ কৰিলে। মাকে তাইক ঘৰৰখীয়া থৈ লোকৰ ঘৰত ধান বানিবলৈ বা পানী কটিয়াবলৈ যায়—ইফালে তাই টলৌ টলৌ কৰি গাঁৱৰ ক'ত কি আছে বিচাৰি ফুৰে। এৰাবাৰী বুলি চিৰস্তাদাৰনীৰ বাৰীলৈ যাবলৈ ভৰ বয়সীয়াল ডেকাইঁতে সাহ নকৰে। সেইখন বাৰীতে বোলে চিৰস্তাদাৰ আৰু তেওঁৰ দুয়ো পুতেকক সৎকাৰ কৰা হৈছিল। অকলশৰীয়া হৈ এতিয়া মাথোন চিৰস্তাদাৰনীয়েই ইমান ডাঙৰ বাৰীখন আঁকোৰ-গোজালিকৈ ধৰি আছে। বাৰীৰপৰা এটা বস্তু কাৰো তুলি নিবৰ সাহস নাই। গছৰ পাত এখিলা পৰিলেই চিৰস্তাদাৰণীয়ে উমান পায়। লেতেকু, পনীয়ল, টেপৰ, ডিমৰু পকি পকি তল সৰি গেলি-পচি গৈছে। মানুহে ভাবে বাৰীখনত ভূত আছে—চিৰস্তাদাৰনী মৰিলেও টেপৰ গছত ডাইনী যখিনী হৈ থাকিব। ভৰ দুপৰীয়া কেনিও কাৰো সা-সহাঁৰি নাই। চিৰস্তাদাৰনীয়ে দুপৰীয়া এমুঠি খাই উঠি জুৰাইছে। মাজে মাজে বাৰীত কিহবাৰ শব্দ শুনি "কোন অ" বুলি উচপ খাই উঠিছে, ঠিক এনে সময়তে লয়নীয়ে হাতত খৰাহি এটা লৈ মনে মনে চিৰস্তাদাৰনীৰ বাৰীত সোমালগৈ। মনত অপাৰ আনন্দ—ইমানবিলাক টেপৰ-ডিমৰু পকি মাটিতে সৰি আছে—এইবোৰ বুটলি নিবলৈ কোনো নাহে কিয়? অকণমান মগজুৰে ইয়াৰ অৰ্থ ভুকি নাপাই, লয়নীয়ে টেপৰ চোহাত লাগিল। কিমান খাব—কিমান গোটাব? আজিয়েই নহৈছে, কালিলৈকো এগাল নিবহি লাগিব। কালিলৈ মাণিকী আৰু কণছোৱালীহঁতকো লগত লৈ আহিব। লয়নীয়ে ভাবিছিল সেই এখৰাহি টেপৰ আৰু ডিমৰু দেখি মাকে বৰ ৰং পাব। সন্ধিয়া মাক কেতিয়া উভতি আহে, তালৈকে বাট চাই তাইৰ উচ্‌পিচনি লাগিল। মাজে মাজে বাটলৈ ওলাই মাকক নেদেখি ভিতৰ সোমাই গৈ ডিমৰু কেইটা হ'ল, টেপৰেই বা কেইটা হ'ল লেখি চায়গৈ। কেইটামান লেখাৰ পাছতে ভুল লাগে। আকৌ খৰাহিত সোপাকে ভৰাই থয়। সন্ধিয়া মাকে আহি খৰাহিটো দেখি জীয়েকক সুধিলে—"হয়ে লয়নী, এয়ানো কোনে দিলেহি।" লয়নীয়ে নিজৰ গৌৰৱত উৎফুল্ল হৈ হাঁহি ক'লেহি—"বাৰু তয়ে কচোন, কোনে দিছেহি।"

—"জানো মই কিবা সৰবজাননে?"

মাকে যথোচিত উত্তৰ দিব নোৱাৰাত লয়নীয়ে উছাহেৰে ক'লে—"কোনে দিবহি, তোমাৰ জীয়েৰাই বিচাৰি আনিছে।"

আচৰিত হৈ আঘোণীয়ে সুধিলে—"তই এইবিলাক কাৰ বাৰীত পালি?"

—"কাৰ বাৰীতনো আছে? চিৰস্তাদাৰনীৰ বাৰীৰপৰা দুপৰীয়া আনিছোঁ, ইস্ তাত যে আৰু কত—।" লয়নীৰ মুখৰ কথা মুখতে থাকিল। মাকে তাইৰ ডিঙিত ধৰি ঘটালিবলৈ ধৰিলে।

—"মৰতী, মৰিবলৈ আৰু ঠাই নাপালি? দুপৰীয়া সেইখন বাৰীত

সোমাইছিলিগৈ। নাজানানে সেইখন কালিকা লগা বাৰী।" জীয়েকক এৰি থৰাহিটো দাঙি লৈ আয়োণীয়ে থৰাহিৰে সৈতে সকলোবিলাক নিজৰ ঘৰৰ বাহিৰ কৰি দলিয়াই দিলে। লয়নীৰ বেজাৰ লাগিল, অৱশ্যে মাকৰ মাৰ খাই নহয়; ইমান কষ্টকৈ বুটলি অনা বহ দিয়া ডিমকবিলাক পেলাই দিয়াৰ কাৰণেহে। এটামান ডিমক মুখত দিয়াহেঁতেনহে মাকে তাৰ সোৱাদ বুজিলেহেঁতেন।

আন এদিনৰ কথা। গোসাঁইৰ ঘৰৰ পিচফালে জাৰণি এডৰা, তাতে বনৰীয়া কেৰেলা বগাই থোপা থোপে লাগি আছে। ঠাই বেয়া দেখি কোনো ল'ৰা-ছোৱালীয়ে সেইপিনে মু' নকৰে। সেইদিনা সন্ধিয়া ভেদোৰ ৰঙা হালোৱা গৰুটো ঘৰলৈ নহা দেখি সেইপিনেই বিচাৰি গৈছে। এজনী জুটুলা জুটুলী চুলিৰে সৰু ছোৱালী—ভেদোৰ গোটেই গাটো জিম্‌জিমাই গ'ল। সি এখোজ দুখোজ কৈ পিছ হুহঁকিলে। এনেতে শুনিলে লয়নীৰ মাত—"হেৰ, মোমাই, ৰচোন ময়ো যাওঁ।"

ভেদোৱে উচপ খাই উভতি চাই সুধিলে—"তইনো এই সন্ধিয়াখন ইয়াত কি বিচাৰিছ?"

লয়নীয়ে ওচৰ চাপি গৈ কোচভৰা কেৰেলাগাল দেখুৱাই ক'লে —"এইডৰা কেৰেলা বৰকৈ লাগিছে মোমাই। আজি ছিঙি শেষ কৰিব নোৱাৰিলোঁ। কালিলৈ এগাল ছিঙি তহঁতকো দি আহিম গৈ। পিচে, তইনো এইফালে আহি-ছিলি কিয়?"

—"ৰঙা হালোৱাটো আজি গোহালিলৈ যোৱা নাই। কালিলৈ হাল ভালকৈ বোৱাব।"

—"এ, তহঁতৰ ৰঙা হালোৱাটো এইফালেই আহিছিল। মই আকৌ যাবৰ সময়তহে খেদি লৈ যাম বুলি ভাবিছিলোঁ।" এইবুলি কৈয়ে লয়নীয়ে লৰ মাৰি ওচৰৰে কঠাল গছ এজোপাৰ গুৰিলৈ গ'ল। ভেদোৰ ভয় তেতিয়ালৈকে ভঙা নাছিল। সি চিঞৰি উঠিল—"কলৈ গলি হয়ে লয়নী?"

লয়নীয়ে গছৰ তলৰপৰা মাত লগালে—"ৰঙা হালোৱাটো এইফালেই আহিছিল, খেদি আনো ৰ।"

ভেদোৱে লৰালৰিকৈ ক'লে —"এ, ৰাতি হ'ল, এতিয়া থাওক দে। নিশা নওলা মেলি থম, আপোনা আপুনিয়েই সোমাবগৈ।" ভেদোৰ কথা শেষ নৌ হওঁতেই লয়নীয়ে গৰুটো খেদি আনিলেগৈ।

—"কত আছিল?"

—"আজি কোনোবাই কঠালৰ ডাল কাটিছিল। তাৰে পৰি থকা পাতবোৰ খাইছিলগৈ।"

—"তইনো কঁঠালৰ পাত পৰি আছে বুলি কেনেকৈ গম পালি ?"

—"মই আজি দুপৰীয়া আমাৰ বগী ছাগলীজনীলৈ এসোপা নিছিলোঁহি নহয় !"

ভেদোয়ে আচৰিত হৈ সুধিলে—"দুপৰীয়াখন তই অকলে আহিছিলি ?"

—"আৰুনো লগত কোন আহিব" বুলি লয়নীয়ে বাট এৰি অবাটে যোৱা গৰুটো ঘূৰাই আনিলে।

"তয়ো কম ছোৱালী নহয় দে।"

লয়নীৰ যে বিয়া দিবৰ সময় পালেহি ইমানদিনে আঘোণীৰ খবৰেই নাছিল। অৱশ্যে লয়নীলৈ ভাল চাই ল'ৰা এটা চপাই লবলৈ মাকে ভালেদিনৰপৰা আশা পুহিছিল। কিন্তু ইমান সোনকালেই যে সি হ'ব তাক তাই সপোনতো ভবা নাছিল। এই আহাৰ গৈ শাওণ সোমালেহে লয়নীয়ে মুঠেই পোন্ধৰ বছৰত ভৰি দিব। এতিয়াইনো তাইৰ বিয়া দিবৰ বয়স হ'লনে ? তাইতকৈ বয়সে তিনিবছৰৰ ডাঙৰ ভোলাৰ জীয়েকৰেই বিয়াৰ দেখোন এতিয়ালৈকে একো উম্‌ঘামেই কৰা নাই। ভোলাৰ একেলগে তিনিজনী ছোৱালী বিয়া দিব লগা হৈ আছে। তাইৰ আগলৈকো নাই, পিচলৈকো নাই, সেই একেজনী ছোৱালী। তাইৰে বিয়াৰ এতিয়াই খদম্‌দমখন লগোৱাৰ সকাম কি ? কিন্তু যিদিনা সন্ধিয়া কলঙত পানী আনিবলৈ যাওঁতে ভোগাইৰ বোৱাৰীয়েকে সুধিলে—"হয়নে আঘোণী তোৰ জীয়েৰে বোলে পদোত সোমাব খুজিছে ?" সেইদিনাহে আঘোণীৰ চমক ভাঙিল। পদো গাঁৱৰে ল'ৰা যদিও, থাকে যোৰহাট নে গোলাঘাটত। কোনোবা হাকিমৰ পিয়াদা। এমাহ নে কিমানৰ ছুটি লৈ ঘৰলৈ আহিছে। ঘৰত বাপেক-মাহীমাকৰ সৈতে তাৰ সিমান সদ্ভাৱ নাই। পদো আহিবৰপৰা লয়নীৰ লগত মেল-মৰা তাই দেখিছে। সেই বুলিয়েই যে লয়নী পদোত সোমাব, এনে কথা মাক হৈ আঘোণীয়ে বিশ্বাস কৰিব নোৱাৰে। ভালেমান পৰ বৈ ভোগাইৰ বোৱাৰীয়েকে একো ওৰ নেপাই বিদ্রূপৰ ভঙ্গীৰে ক'লে—"আমাৰ আগতনো কেলৈ লুকুৱাব লাগিছে আই ? পদোৱে যোৰহাটৰপৰা ধন-সোণ এগাল আনিছে, তাকে আমি হ'বলা খুজিবলৈ যাম ? এনেকৈ চুৰ-চাৰি কৈ নোসোমাই মূৰত পানী একলহ ঢালি সোমোৱাহেঁতেন গঞায়ে সন্তোষ পালোহেঁতেন।"

আঘোণীয়ে হঠাতে একো উত্তৰ বিচাৰি নাপাই সুধিলে—"তইনো কথাটো ক'ত শুনিলি ?"

ভোগাইৰ বোৱাৰীয়েকে ভিকাৰ মাৰি উঠিল—"ইস্ আমাৰ কিবা চকু-কাণ নোহোৱা হ'লনে ?" ভোগাইৰ বোৱাৰীয়েকে গাগৰীটো কাষত লৈ নিজৰ মুখতে কিবাকিবি ভোৰ্‌ভোৰাই গজ্‌গজকৈ গুচি গ'ল। যাবৰ সময়ত আঘোণীৰ লগো নিবিচাৰিলে।

লয়নী যেতিয়া পদোত চাপি সোমালগৈ গাঁৱৰ নানাজনে নানামত প্ৰকাশ কৰিবলৈ ধৰিলে। কোনোৱে ভাবিলে লয়নীয়ে বেচ্ বুদ্ধিমতী ছোৱালীৰ কামকে কৰিলে। ওচৰ-চুবুৰীয়াই ক'লে—"ক'ত সেই অকণমানি ছোৱালী-জনীয়ে ইমান ভাবি-চিন্তি চাইছে। এইবোৰ আটাইবোৰ মাকৰ কাৰচাজি। পদোৱে কাম-বন কৰি দুপইচা অৰ্জা দেখি, আঘোণীয়ে তাক আহুদি কৰি ছোৱালীজনী চপাই দিলে।" এই কথা লৈয়ে প্ৰথমকেইদিন পদোহঁতৰ ঘৰতো ভীষণ হুলস্থূল। পদোৰ বাপেকে ভাবিছিল—চৰাইবহীয়াৰ অৱস্থা ভাল। দুপদ-এপদ গহনা-গাঁথৰিও ছোৱালীৰ লগত ঘৰলৈ আহিব। যিদিনা সন্ধিয়া লয়নী গৈ পদোহঁতৰ ঘৰ সোমালগৈ, সেইদিনা পদোৰ মাহীমাকে তাইক চুইহে নিকিলালে। গাঁৱৰে ৰঙাই মহাজনৰ জীয়েক মালতীক পদোলৈ আনিম বুলি মহাজননীৰ সৈতে মাহীমাকে হেনো সম্বন্ধ পাতি ইখন সিখন বস্তু অনা-নিয়া কৰিছিল। কিন্তু মাজ মূৰকতে পদোৱে খাবলৈ নোপোৱা মূৰ গুজিবলৈ ঠাই এডোখৰ নোহোৱা আঘোণীৰ জীয়েকক ঘৰ সুমুৱাহি দেখি খণতে টিৰ্কচি বিক্চি উঠি লয়নীক গালি বৰষিবলৈ ধৰিলে—"ক'ৰ কালশাঁখিনী-জনী মোৰ ঘৰত সোমালহি ঔ কটা। এনেনো লাজ-চৰম নোহোৱা নাটে-শৰী গাভৰু ক'ত দেখিছা? ভালে ভালে বাপেৰে মোৰ ঘৰৰপৰা নোলালে চুলিত ধৰি বাঢ়নীৰে কোবাই উলিয়াই দিম। বুঢ়ী শাহুৱেৰক চিনিবি কেনে জনী!"

যি হওক, পদোৰ বাপেক মানুহটো শান্ত। কোনোমতে ঘৈণীয়েকক বঢ়াই বুজাই ক'লে—"কি কৰিবা আৰু? আহি নিজেই সোমালহি যেতিয়া, এতিয়া গালি-শপনি পাৰিব নাপায়। ভালেই হল দিয়া, বিয়া-বাৰু কৰাই অনাহেঁতেন খৰচৰ বোজাটো আমাৰ ওপৰতে পৰিলহেঁতেন।"

গাঁৱৰ সকলোৱে ভাবিছিল যে আন যি কি নহওঁক, আঘোণীয়ে চাগৈ পদোক জোৱাই পাই বৰ ৰং পাইছে। কিন্তু কাৰ্য্য-কলাপত তাৰ বিপৰীত ঘটিল। ঘৰ এৰাৰপৰা জীয়েকৰ লগত আঘোণীৰ সম্বন্ধ নাই, পদোহঁতৰ ঘৰত গৈ এবাৰ ভুমুকি মাৰিও জীয়েক-জোৱায়েকক চাই আহিবলৈ নগ'ল। লয়নী চাপি সোমোৱাত আঘোণীৰ দুখ নাই। কিন্তু তাই পদোলৈ নোসোমাই আন এটালৈ নগ'ল কিয়? পদোক ভাল নোপোৱাৰ আঘোণীৰ ভালেমান কাৰণ আছে। সি হেনো জিলাত থাকোঁতে মদ-ভাং আদিত মুখ দিয়ে। চৰিত্ৰৰ ফালেও তেনেই তলি উদং। গাঁৱতেইনো তাৰ কেইটা বদ্নাম ওলাইছে! চহৰত থাকি তাৰ আচাৰ-ব্যৱহাৰবিলাক বঙলুৱা হৈ পৰিছে। আঘোণীৰ আটাইতকৈ ডাঙৰ দুখ হৈছে যে পদো পৰৰ ঘৰৰ চাকৰ—যোৰহাটৰ হাকিমৰ লগুৱা। যি গুণৰ কাৰণে পদোৱে সন্মানিত বুলি ভাবিছিল, গাঁৱৰ মানুহে যিহৰ কাৰণে তাক খাতিৰ কৰিছিল—সেই গুণটিয়েই আকৌ আঘোণীৰ মানত পদোক নিকৃষ্ট আৰু হেয় কৰি তুলিলে। আঘোণীয়ে কেতিয়াও ভবা নাছিল

যে লয়নীয়ে মাকক নোসোধাকৈ এনেকৈ পলাই যাব। ওচৰ-চুবুৰীয়াই মন কৰিলে—লয়নী যোৱাৰ পিচতেই আঘোণীৰ বহুল পৰিবৰ্তন ঘটিল। আঘোণীৰ চুলি পকিল—তাই বুঢ়ী হ'ল। আঘোণীৰ অন্তৰত খুন্দা মাৰি থকা শোক শৰীৰৰ মাজেদি বাজত প্ৰকাশ পালে।

লয়নী ঘৰৰপৰা ওলোৱা আজি এবছৰ হওঁ হওঁ হৈছে। তথাপি তাই এদিনলৈকো মাকৰ ঘৰলৈ মুখ কৰা নাই। আহেই বা কোনটো লাজেৰে। ঘৰৰপৰা ওলাবৰ সময়ত তাইতো মাকক মাত এষাৰো লগাই যোৱা নাছিল। আঘোণীয়ে আৰ-তাৰ মুখে জীয়েকৰ বাতৰি শুনে। পদো হেনো আজি ভালেমান দিন ঘৰলৈ অহা নাই, পা-পইচা এটাও পঠিয়াবলৈ এৰিলে। লয়নীয়ে গোহালিৰ গোবৰ পেলোৱাৰপৰা কুঁহিয়াৰতলী চিকণোৱালৈকে সকলো বন নিজে কৰিব লাগে। তদুপৰি ৰাতি-দিন মাহী শাহুৱেকৰ গালি-শপনি আছেই। তাতে লয়নীৰ এতিয়া গা নৰিয়া। সেইবুলি জানো তাই কাম-বনৰপৰা অব্যাহতি পাইছে? শাহুৱেকৰ শাও-শপনিৰপৰা কোনোবা দিন জানো হাত সাৰিছে? আঘোণীয়ে লোকৰ মুখৰপৰা কথাবোৰ শুনি নিৰলে ঘৰত বহি কান্দেহি। তাইৰ সেই লয়নী যি এগছ কুটা দুগছ কৰিবলৈ পালে হামৰাও কাঢ়ি মৰিছিল—যি লয়নীয়ে আনকি হাউচ কৰি এচাব চেকী দিয়াকে মাকে সহিব নোৱাৰিছিল---সেই লয়নীয়ে মাক জীয়াই থাকোঁতে পৰৰ ঘৰত গেৰাখি খাটি হা-হুতাশত জীৱন কটাইছে। এয়া কেই পদুলিৰ বাটনো? তাই জানো মাকৰ ঘৰলৈ গুচি আহিব নোৱাৰে? ইস্! তাইৰ বাতৰি লবলৈ আঘোণী পদোহঁতৰ ঘৰলৈ যাব? হলেই বা নিজৰ বুকুৰ সন্তান। সন্মান নহলেও মাতৃত্বৰ অভিমান আছে।

বৰঝৱাৰ ঘৰত ধান জাৰি মূৰত ধান এপাচি লৈ সন্ধিয়া আঘোণী ঘৰলৈ উভতিছে। আচৰিত কথা, দুৱাৰখন মেলিলে কোনে? ভিতৰ সোমাই মূৰৰপৰা পাচিটো নমাই ইফালে সিফালে ঘূৰি চাই কাকো নেদেখিলে। ভঙা চাংখনৰ কেৰমেৰণি শুনি, সেই ফালে চকু দি আঘোণীয়ে হতভম্ব হৈ মূৰত হাত দি মাটিত বহি পৰিল। এয়ে তাইৰ লচপচী পখিলী লয়নী। ইটো মানুহৰ শৰীৰ নহয় এটা জীৱন্ত জকা। আঘোণীৰ নিজৰ ওপৰতেই ভীষণ খং উঠিল—কিয় তাই ইমান দিনে গৈ জীয়েকক মাতি নানিলেগৈ? এনেনো কঠুৱা মাক কেতিয়াবা উপজিছেনে? লয়নীয়ে পাটীৰপৰা নামি আহি মাকৰ গাত পৰি কান্দিবলৈ ধৰিলে। দুয়ো মাক-জীয়েকে ডিঙিত ধৰাধৰি কৰি উচুপিবলৈ লাগিল। সেই নিশা আঘোণীৰ পজাত চাকি জ্বলোৱা নহ'ল কান্দি কান্দি দুয়ো মাক-জীয়েক টোপনিত লালকাল দিলে। টোপনিত উচাপ খাই আঘোণীয়ে জীয়েকক বুকুলৈ টানি নি সাৱটি ধৰিলে। সেই বেষ্টনিত আঘোণীয়ে জীয়েকৰ সকলো কলংক, সকলো অপযশ পাহৰি পেলালে। কেঁচুৱা ছোৱালীৰ দৰে লয়নীয়ে কুৰুকি কুৰুকি মাকৰ বুকুত সোমাল।

লয়নী সৰহদিন নিজীয়ে বুলি সকলোৰে জানিছিল। কোনোমতে যদি সন্তানটি জন্ম হোৱালৈকে জীয়াই থাকে তেনেহলেও ৰক্ষা। আঘোণীৰ প্ৰাণে কিন্তু সৈ নামানিলে। তাই জীয়েকক নতুন প্ৰাণ দিবলৈ লাগি পৰি গ'ল। চহৰৰ জনা-বুজা কবিৰাজ ফুকনৰ ভৰিত পৰি আঘোণীয়ে হুৰাওৰাওকৈ কান্দিবলৈ ধৰিলে। ফুকনেও নিজ আয়ত্তত থকা সকলো ঔষধকে প্ৰয়োগ কৰি প্ৰমাণ চালে, কিন্তু যাৰ চাউল ছুকাই আহিছে, তাক বেজ-ভানীৰ ঔষধ অনুপানে জীয়াই ৰাখিব কেনেকৈ? পয়ঁা লগা ছোৱালী এজনী জন্ম দি, এমাহৰ মূৰত যেতিয়া প্ৰবল ৰক্তস্ৰাৱত লয়নীয়ে চকু মুদিলে তেতিয়া কথাষাৰ শুনি গাঁৱৰ কোনো আচৰিত নহ'ল। দুখীয়াৰ দুখৰ কোনো সমভোগী নাই। লোকৰ সহানুভূতি নেপালে অন্তৰৰ শোকে অন্তৰতে গুজৰি গুমৰি তোলপাৰ লগায়। ইমান শোকৰ খুন্দাতো আঘোণী জীয়াই থাকিল—কোঙা নাতিনীয়েকক মানুহ কৰিবলৈ। ওচৰ-চুবুৰীয়াই ক'লে, "লয়নী মৰিল ভালেই হ'ল। কিন্তু এই পয়ঁা লগা ছোৱালীজনী এৰি থৈ আঘোণীৰ ডিঙিত ফাঁচ লগালে কিয়?"

আজিৰ আঘোণী আগৰ ৰূপহী নহয়। কোনেও আজি বাটে বাটে তাইৰ লয়লাস ভঙ্গীলৈ চকু নিদিয়ে। আঘোণী আজি বুঢ়ীমাক—তাইৰ নাতিনী ছোৱালী এজনী আছে। নাতিনীয়েকৰ খোৱা-পিন্ধাৰ বিষয় ভাবিয়েই বুঢ়ী ৰাতি দিন ব্যস্ত। লোকৰ ঘৰে ঘৰে বাৰীয়ে বাৰীয়ে আঘোণীয়ে বিচাৰি ফুৰে নাতিনীয়েকৰ মুখত দিবলৈ কিবা ভাল বস্তু পায়নে বুলি। লয়নীয়েও এদিন এনেকৈ পৰৰ বাৰীয়ে বাৰীয়ে ঘূৰি ফুৰি পৰিতৃপ্তিৰ নিমিত্তে ফল-মূল গোটাইছিল। আঘোণীয়ে আজি তাৰেই প্ৰতিশোধ লৈছে।

সকলোৰে ঘৰে ঘৰে সোমাই বা-বাতৰি লৈ দুপৰীয়া আঘোণী বুঢ়ী আহি ঘৰ সোমাইছে। বাজত লেঙেৰা নাতিনীয়েকে অকলে অকলে খলিগুটি খেলিছে। বুঢ়ীমাকক অহা দেখি তায়ো ভিতৰলৈ সোমাই গ'ল। বুঢ়ীমাকে ৰিহাৰ আঁচলৰপৰা বৰুৱানীয়ে দিয়া ঘিলা পিঠাৰ টোপোলাটো নাতিনীয়েকৰ আগত মেলিদিলে। লেঙেৰীয়ে লৰালৰিকৈ সেই আধা ভজা পিঠা এটা মুখত দি অনুমানতে কলে—"বৰ সোৱাদ আই। উকীলনী আয়ে মোলৈ দি পঠিয়াইছে নহয়? মই হ'লে কালিলৈ আইহঁতৰ তালৈ যামেই যাম।" তাইৰ মুখত তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল। বুঢ়ীয়ে নাতিনীয়েকৰ আনন্দ দেখি মনতে ভাবিলে "লেঙেৰী হৈ উপজিলি ভালেই হ'ল। লয়নীৰ নিচিনাকৈ মোক আৰু এৰি থৈ যাব নোৱাৰিবি।"

ইন্দীবৰ গগৈ

# তিনিটা টকা

ল'ৰাৰ মাক আৰু স্বয়ং মই এৰিং দুয়োৰে গাৱঁৰপৰা ঘৰমুৱা হৈছো। ব্যৱধান মাত্ৰ মাজতে ভৰ গাওঁখন। দুখীয়া-নিছলাৰে পূৰ হৈ থকা গাওঁখন। তাৰ সিমূৰতেই আমাৰ নতুনকৈ সজা ঘৰটো, হজুৰা ভাইটোৰ নামেৰেই নামকৰণ কৰা হৈছে "কনক-কুটীৰ, ৰাজবাৰী।"

নগৰৰ কাচাৰী, ডাকঘৰ আদিৰ ঘণ্টা-কাঁহৰ শব্দে গাওঁখন চোৱেঁগে যদিও, শিক্ষাৰ জ্যোতিয়ে এতিয়াও সেই গাওঁখনৰ অজ্ঞান অন্ধকাৰ দূৰ কৰিব পৰা নাই। খাজনা দিয়াৰ বেলিকা পট্টাখন চাবলৈকে বুলি, ভাৱনাৰ 'বচন'খনকে পঢ়িবলৈ বুলি, দুটা কলীয়া আখৰ জনাকিজনেই হ'ল গাৱঁৰ 'পণ্ডিত'—মেলে পঞ্চায়তে আগৰণুৱা, সকামে-নিকামে বৰকথীয়া আৰু গাৱঁৰ ইঘৰৰ চাৰিবেৰৰ কথাটো নি সৌটোকে চৌটো কৰি সিঘৰত লগাই তৃপ্তি পোৱা শ্ৰেণীৰ। এই আঙুলিৰ আগত লেখিব পৰাকিজনেই হ'ল মুখচলা বৰমূৰীয়া—বাকীবিলাক পূৰ্ণ নিৰক্ষৰতাৰ প্ৰতিমূৰ্তিস্বৰূপ হজ্‌বৰলৰ দল—'ভেৰামাৰ্কা'ৰ দল—কেৱল বৰমূৰীয়াকিজনৰ কথাত হয়ভৰ দিয়াহে, লেমটোহে। সেইকেইজনেই হ'ল নপতা ফুকন—দহ বুলিলে দহ, পঁচি বুলিলে পঁচি। কাৰ ঘৰত কোনে এহাতলৈকে চেলেকিলে, কাৰ ছোৱালীৰ গাত লেঠা, কাৰ ঘৰত গোৰে পোৰে তলযোৱা কাম হৈছে, ৰাতিটোতে ক'ত হাতীটো হৈছে—তাৰ ভু-ভা, তাৰ বা-বাতৰি সিহঁতে ডাবে পায়—নগৈয়ে সিহঁতে গড়-গাৱঁৰ বাতৰি পায়। কথাতে কয় নহয়—"লাগনি নহ'লে জুই নজ্বলে, টুটকীয়া নহ'লে গাঁও নচলে।"

সেই গাঁওখনৰ মাজৰ বাটটোৱেদিয়েই আহিছোঁ—আমি দুয়ো—বেলা তেতিয়াও সাঁজ গঢ়ো গঢ়ো। বাটত দুই-এজন ছালছিগা, বয়স থাকোতেই বুঢ়া হোৱা মানুহক উধাতু খাই ফুৰা পাইছিলোঁ—খীৰতী গাই বিচাৰি। ঠেঙে ঠেঙে মাৰি লতা কোবাই যোৱা চেৰেলী একোজনী গাই—গাৰ হাড়জালি ডাঙিহে ট-টকৈ জিলিকি থাকে—তাকে দুহি দুহি দেৰপোৱা, আধেৰ গাখীৰ খীৰাই তাতে গঙ্গাজল মিহলাই পৰক বেচে। তাৰ পইচাৰে সিহঁতে কিনি খায়—বিৰি, চাহ, চাপা, ভাং, কানি, মলাধঁপাত, মদ ইত্যাদি। ইফালে ঘৰতে কঁচুৱা ল'ৰাই প'য়া লাগি ক্ৰমে যমৰ অতিথি হয়গৈ—তাৰ মুখত দিবলৈ এটোপা

গাখীৰ নাই। ঘৰতে পোৱা অমৃতকণকো সলাই বিহ কিনি মৰণেৰে মিতিৰালি কৰে—মনটো ভাবোতে ভাবোতে বিদ্ৰোহী হৈ আহে।

আলি কেঁকুৰিটোতে কেইজনমান নিষ্কৰ্মা মানুহে মূল্যহীন কথা চোবাই বহি আছে। সেই ঠাইতে প্ৰায়ে হয় গাৱঁৰ মেল-মোকৰ্দমাবিলাক, গড়ে কমপক্ষেও পক্ষত ছয়-সাতখন হ'বই। তাক ন-দি ক'ব পাৰি। গছৰ ডাল এটা ঘপিওৱাৰপৰা, লৰাই লৰাই নৈ ঘাটত, আম তলত লগা দ্বন্দ্বৰপৰা বাঢ়ি গৈ বুঢ়াই বুঢ়াই হতাহতি কৰাৰ মেল, বেজী এটাৰপৰা আৰম্ভ হোৱা ককাই-ভাইৰ ভিতৰত তুমুল কাজিয়া। কোন সৰু মানুহৰ হাতে কোন ডাঙৰে খালে, তেনেবিলাকৰ সোধ হয় তাত…।

শিক্ষাৰ অভাৱতেই সেই মানুহবিলাকৰ তেনে অৱস্থা দেহি! জনা হলে কিবা যাদুবিদ্যা, সেইসকলোকে শিক্ষিত কৰিম একে নিশ্যাতেই—এনেহে প্ৰবল ইচ্ছা হয় প্ৰাণত। পিচে মিছা! ই কেৱল ফুটুকাৰ ফেন। বাস্তৱতে, মৰা মুখতেই চুমা দিয়ে কেইজনে?

অলপ গৈয়ে গাৱঁৰ দোকানখন—মালৰ ভিতৰত লোণ-তেল আৰু চুৰট-ধঁপাতেই প্ৰধান। গাঁওখনত এনে এজন মানুহ নাই যি চুৰট-ধঁপাতত মুখ নিদিয়ে আৰু এনে এজনী জীয়ৰী-বোৱাৰী নাই, যি লুকাই চুৰকৈ হলেও চেলেউ নোহোপে। এনে মানুহৰো তাত অভাৱ নাই—যি ছবছৰীয়া পুতেকক চুৰট কিনি দিওঁ বুলি কৈ যহ কৰে, ভেম কৰে!!

দোকানীৰ টেক্‌টেকীয়া মাতটো মোৰ কাণত স্পষ্টকৈ বাজি উঠে—কাৰোবাক দানমান কৰাৰ পৰিষ্কাৰ সুৰ তাত ফুটি ওলায়…"তোক আৰু বাকী দিব নোৱাৰো। আগৰ বাকীকে আজি চ'তৰ ছমাহে দিবপৰা নাই তই! থ, থ নিমখ খুলি থ, আৰু 'কাঁচ' তেলো বাকী থ সেই টিনটোতে…।" কাৰো-বাৰ দুৰ্বল মিনতিভৰা মাত এষাৰ আহি কাণত পৰেহি। চিনো চিনো কৰোঁ মাতটো, চিনিব নোৱাৰি নিজৰ গন্তব্য পথত আগবাঢ়ো। মনটো এনেয়ে এছাটি ভাবৰে ঢাকি ধৰেহি।

দেহি, উঠনা খোৱাৰ একান্ত প্ৰয়োজন যাৰ, বাকী নাখালে যাৰ এক-কালীন মৰণ তেনে মানুহক কেৱেঁ বাকী নিদিয়ে, ধাৰে নিদিয়ে। সহকৰ্মী এজনলৈ মনত পৰিল। তেওঁ কৈছিল—"চিনাকি দোকানী আৰু চিনাকি প্ৰায় লোকক হাতে-ভৰিয়ে ধৰিয়ো বিমুখ হৈ আজি দুসাজে ভোকতে কাম কৰি-ছোঁহি। দুবছৰীয়া কেঁচুৱা ছোৱালীজনী, মোতকৈয়ো নিছলা হবিয়ে তাইৰ কান্দোন শুনি আহাৰ দি যায়হি—তাকে খাই তাই শোৱে আৰু মই সাৰ পাওঁ। মই পৃথিবীৰ অতি জঘন্য পাপ কৰ্মৰ কাৰণেও সাজু হওঁ। বুজিছে—আমাৰ নিচিনা কপৰ্দকশূন্য ভিকহুক বাটৰ কুকুৰেও বাট এৰি নিদিয়ে ……।"

কিন্তু যাৰ অৱস্থা স্বচ্ছল, যাৰ জয় জয় ময় ময়, তাক নিদিয়ে কোনে? তেলীৰ মূৰতহে তেল দিয়াৰ দিন আজি! মাখিমূৰৰপৰা ঘিউ কাঢ়ি খোৱা

দিন এতিয়া! স্বাৰ্থত কাকো কেৰে, কোনো নৰ-মনিচে সহায় নকৰে; এটি পুতৌৰ মাত নিদিয়ে। আকালৰ ভাত, নিদানৰ মাত—আজি মানুহে নুবুজে। বুজিও পাহৰি যায়...।

এনেকৈ ভাবৰ মাজত নিজক এৰি দি আহোঁতে আহোঁতেই আমাৰ বহাটোত উপস্থিত হলোঁহি। মোৰ চিন্তিত মুখখনলৈ চাই ল'ৰাৰ মাকে নিজৰ পোছাক—সাজটো থান্-থিত লগাই থোৱাত ব্যস্ত। মনটো মেঘভৰা আকাশৰ দৰেই অতিকৈ গধূৰ হৈ পৰিল।

নিজৰ গাৱঁৰে ককাই-ভাই, বাই-ভনীহঁতৰ এনে পানীত হাঁহ নচৰা শোকলগা অৱস্থা তাৰ বাবে কোন দায়ী? সিহঁত শিক্ষাত দুখীয়া হ'লেও কামত পিচপৰা নহয়, কেতিয়াও। জনাত, প্ৰত্যেকেই তেজক পানী কৰি, কপালৰ ঘাম মাটিত পেলাই দিনটো কাম কৰে। কিন্তু পানীত ননমাই আগ-ভাগ ফালে, আৰু কি বাকী থাকে? ই জানো যুক্তিসঙ্গত?

নিজে এগাল খাইছোঁ; নিজৰ ল'ৰা-ছোৱালী মাইকীক পিন্ধাইছো, গৰু-ম'হ, ধন-সোণ, তাকে লৈয়ে দুৰ্লভ মনুষ্য জীৱনটো পাত কৰিছোঁ। তিল তিলকৈ মৰিব লাগিছোঁ। আৰু একে বংশৰে, মৰিলে চকু পেলনি যোৱা খুৰীজনী, এই সংসাৰত আপোন বুলিবলৈ যাৰ কেও নাই, সেই বিধবা পেহীজনী, তেওঁ কয় পেটমোছা শিঙৰামুৰা ল'ৰাটোৱে নাকনি কাণনি কৰে—মাৰি নিতৌ! আনৰ কথা বাদেই, তেওঁবিলাকৰ কথাকে কেতিয়াবা মই ভুলতো ভাবিছোঁনে বাৰু? আগবঢ়া চহকীয়ে পিচপৰা দুখীয়ালৈ চায় জানো ঘূৰি? নিজৰ শিক্ষাৰ ওপৰত, ধন-দৌলতৰ ওপৰত, বিপুল স্বাৰ্থপৰতাৰ ওপৰত বৰ ধিক্কাৰ উপজিল। কলেজীয়া কালৰ বহুত 'বসুধৈব কুটুম্বকম্' ভাব সংসাৰ চাকনৈয়াৰ জটিল পাকচক্ৰত সমূলে তল গ'ল!!

পিচদিনা পুৱা।

আগনিশা বহুত ৰাতিলৈকে টোপনি নহাত পুৱা শুই উঠা বহুতো বেলি হ'ল। পুবফালৰ খিৰিকীয়েদি আহি ৰঙা ৰ'দে গোটেই কোঠাটো ৰ'দাই দিলে। চকুমেলি দেখোঁ—চৌফাল ৰ'দ, ৰ'দ, কেৱল ৰ'দেহে। ঘড়ীত সময় প্ৰায় আঠোটা বাজোঁ বাজোঁ—মাথোঁ ডেৰঘৰ বাকী। মুখ নৌ ধোঁতেই মাকৰ কাষৰপৰা পোনাটো আহি "দেউতা দেউতা" কৰি জেলুক লগাদি লাগি ধৰিলেহি। তাৰ দাঢি ধৰিলোঁ সি কিৰীলিয়াই হাঁহি পেলালে—মাকে দূৰৈৰপৰা চাই হাঁহি এটা মাৰি ভিতৰ সোমাল।

চাহ-জলপান খাই অতাই পৰ্টিকেত ক্ষন্তেক বহিছোঁ। পোনাটোৱে হাততে লৈ ফুৰা পিঠাডোখৰ কেতিয়াবা মোৰ মুখত গুজিবৰ চেষ্টা কৰে, আৰু মই মুখ মেলিলেই সি দৌৰি পলায়। তাৰ কি নিৰ্মল আনন্দ; নাই চিন্তা, নাই দুখ, নাই বেজাৰ। সিহঁতৰ খোজত পদুম ফুলে; গতিত সৌন্দৰ্যৰ জোঁৱাৰ উঠে। ভগৱানৰ সৃষ্টিত যেন নিষ্কলুষ দিব্য শিশুবিলাক একোপাহি

ধুনীয়া ফুলহে। Wordsworth-অৰ অমৰ বাক্য এটিলৈ মনত পৰিল—To be child again is more divine. ময়ো যদি তাৰ দৰেই নাচি-বাগি-হাঁহি ফুৰিব পাৰিলোঁহেঁতেন! কিন্তু…।

দুটামান অৰ্থপূৰ্ণ শুকান অসমীয়া কাহ—কোনোবা অহাৰ ইংগিতপূৰ্ণ সঁহাৰি। মই ভাবোঁ—এই উপজি পুৰাতেই ক'ৰ মানুহ আহিল আকৌ! পিচ ক্ষণতে লাজ পালোঁ—নিজৰ চকুতে। বেলি গৈ বাঁহৰ আগ উঠিলগৈ, এতিয়াও জানো উপজি-পুৰা হৈয়ে আছে? সোণ-ৰূপৰ চকুত হাত দি অহাকিজনৰ কথা আলাদা—ফেহুজালি দিয়ালৈকে ৰং-তামাচ, আমোদ-প্ৰমোদ কৰি 'স্লিমৰ' শ্ৰাদ্ধ কৰি বেলা কটোৱাবিলাকৰো বেলেগ কথা! কিন্তু দুখীয়া-নিছলাই জানো আঠ-ন বজালৈকে পুৱাৰ চিকুণ টোপনিকণৰ সোৱাদ ল'লে চলে? ভিক্ষালৈ নগলে টেকেলি কাটি হোৱাৰ দৰে, পুৱাৰপৰা সাঁজলৈকে তেজক পানী হাড়ক মাটি কৰি দেহে আটে মানে কাম কৰিও গেলা-ভাত এমুঠিৰো দিহা কৰিব নোৱাৰা দিন হৈছেহি! আজি হ'ল সাঁতোৰ সাঁতোৰ বাউসিৰ বলে, সাতুৰিব নোৱাৰিলে যা ৰসাতলে!! দেহি ঐ, সাঁতুৰিব পৰায়ো যে ৰসাতললৈ যোৱাৰ দিন হ'লহি আজি!! দীনদুখী, নিছলা, ছাল-বাকলি নোহোৱা নিপীড়িত দললৈ হঠাতে প্ৰাণটো উথলি উঠিল।

পৃথিৱীৰ সকলো ময়লা স্তূপীকৃত হোৱা যেন গাৰ কাপোৰ-কানিবোৰ—শতচ্ছিন্ন কাপোৰবোৰ—কোনো দিনেই যেন অকণি ছাই-খাৰণি নাইবা চাবোনৰ সংস্পৰ্শত অহা নাই তেওঁৰ গাত থকা ক'লা কাপোৰবোৰ! "বোপাই, আছনে?"—তেওঁ বৰ বিনীতভাৱে বৰ কষ্ট কৰি কয়।

"অ' খুৰীদেউ, আহা, সোমাই আহা ভিতৰলৈ।" মোৰ মুখৰপৰা ওলায় যায়। সোমাই আহে তেওঁ—যেন এটা জীৱন্ত চলন্ত নৰ-কঙ্কালহে। হাত-ভৰিবিলাক চিৰা-চেপেতা হৈ গৈছে, শুকান জেওৰাৰ দৰেই! সোলা লাপুঙীয়া মুখখন অস্থি-চৰ্মৰহে অৱশেষ মাত্ৰ। কুটুলা চুলিকিডাল—দেহি যতনৰ অভাৱত ফুপহুৱা হৈ এনি তেনি পৰি থাকি তেওঁৰ চেহেৰাটো কিম্ভূত-কিমাকাৰ কৰি তুলিছে। বুঢ়াসকলে কয় নহয়—তেলে টেঙাইহে তিৰি। গাৰ বৰণটোও কানি যেন কেতৃকেতৃকৈ ক'লা হৈ পৰিছে। তাৰে টাপলি মৰা পিন্ধা কাপোৰ-কিডোখৰ টানি টুনি ঠিক কৰি লয়। ৰাজুৱে আনি দিয়া মুঢ়াটোতে বহে। ৰাজুৱে বটাটোতে এবটা তামোল-পাণ দি যায়হি। চাওঁতে চাওঁতে তেওঁৰ চকু দুটা, কোটৰৰ মাজত থকা নিস্তেজ চকু দুটাত পানী বিৰিঙি উঠে। তেওঁৰ বংশৰে অতি আপোন খুৰী এগৰাকীৰ এনে শোকলগা অৱস্থা, পানীত হাঁহ নচৰা অৱস্থা দেখি মোৰ মনটোও চূণ দিয়া জোকৰ দৰেই কোঁচ খাই আহিল। হাড়-ছাল ওলোৱা আত্মীয়জনকো নিজৰ বুলি ক'বলৈ লাজ পোৱা, অথচ আত্যৰন্ত উচ্চ-কৰ্মচাৰী, বহদৈ, ভাদৈ, আঘোণী বাইহঁতৰ দৰে একো তেজ সম্পৰ্ক নথকা, এলেকৰ পেলেকজনকো, অতি আপোনজন, মৰিজে

চক্ষু গেজনি মোৰা আদি কৰি কোৱা মানুহৰ আজি আকাল নাই। ছিঃ কি লাজৰ কথা! কিন্তু মোৰ বেজিকা, তেওঁৰ কুলাই ধ্বাচিঁয়ে নধৰা দুখ-দুৰ্গতিয়ে, তেওঁৰ আলৈ-বিলৈয়ে তেওঁক মোৰ আৰু আপোন কৰি তুলিলে। তেওঁৰ দুখে মোক দকৈ ভাবি গ'ল।

"বোপাই, কণা-বিধতাই নেমাৰি কেলৈ জীয়াতু ভুগাহি মাৰিছে, ক'ব নোৱাৰোঁ। সি জন্মত কিবা মহাপাপ কৰিলোঁ, চুণৰ চক্ষত হাত দি আহিলোঁ পূৰ্বেই—" তেওঁ হুক্‌হুক্‌কৈ নিঃসহায় কেঁচুৱা ল'ৰাৰ দৰে অকণো লাজ নকৰি কান্দি পেলালে।

মোৰ মুখৰপৰা সমবেদনাসূচক কোনো কথাই সুলকি নপৰিল। সমবেদনা যেতিয়া আন্তৰিক আৰু প্ৰকৃত গভীৰ হয় তেতিয়া তাৰ প্ৰকাশৰেই কিবা প্ৰয়োজন থাকে জানো বাকী? এটা হুমুনিয়াহ, এটা চাৱনি—সি জানো ভাষাতকৈ কম ভাব-প্ৰকাশক, অৰ্থ-প্ৰকাশক!!

অলপ সুস্থ হৈ তেওঁ পুনু কৈ যায়। কৈয়ে যেন তেওঁ অলপ আৰাম, অলপ শান্তি অনুভৱ কৰিছিল।—"একেজনী জী। তাইক টোপ্ নপৰাকৈ মূৰত ল'লে ওকণিয়ে খায়, মাটিত থ'লে পৰুৱাই খায় বুলি তুলি তালি শেহত নি, পোৰা কপাল, দেহি ঐ, যমৰ বুকুত দিলোঁগৈ! গৰুও মৰিল পোকো সৰিল! জী মৰা জোঁৱাই, তাৰে বা কি পুৰিব মোৰ বাবে! পোৰা খুটা চুচিলেই নহয়; কাইলৈকে এজনী আনি গজ্‌গজ্‌কৈ খাব লব। আজি কত দিনৰেপৰা মৰিলোঁ নে জীলোঁ তাৰ ভু-কে লোৱা নাই।

"উস্ ঈশ্বৰ, কালি দোকানীয়ে জুখি দিয়া কাঁচ তেল আৰু নিমখ কণকো পইচা দিব নোৱাৰাত কাঢ়ি ৰাখিলে—তাৰেই বা কি দোষ, আজি অত দিনে পইচা ॥৶ অনাৰ ধাৰ মাৰিব পৰা নাই। গাত বল-শক্তি থকা হ'লে কই-দাই দিয়েই হ'লেও ধাৰ মাৰিলোঁহেঁতেন—কিন্তু বোপাই, এই দুখোজ আহিয়েই সাত সাগৰৰ ভাগৰে বেঢ়ি ধৰিলেহি। পদুলিতে এপৰ বেলা বহিছে, উঠিব পাৰিছো। ·"

এটা মৌখিক হিচাব কৰি, মাহে তিনিটকা হ'লেই তেওঁ টুক্‌টাক্‌কৈ চলিব তাকে শুণি ভাবি, তেওঁৰ হাতত চিকা ৰূপ তিনিটা গুজি দিলো আৰু প্ৰতি মাহেই প্ৰথম সপ্তাহতে পইচাখিনি নিবলৈ কৈ আশ্বাস দি পঠাই দিলো।

বুঢ়ীয়ে অঠাই সাগৰত যেন থাউনি পালে, উশাহ পালে। এনে অপ্ৰত্যাশিত সহায়ত তেওঁৰ মুখ-মণ্ডলত এটা হাঁহি বিৰিঙিল। তেওঁ হয়তো ভাবিলে —দয়া, প্ৰেম, স্নেহ এতিয়াও পৃথিৱীত নোহোৱা হোৱা নাই। কণা বিধতাকে প্ৰশংসা কৰি, মূৰৰ চুলিৰ সমান আয়ুস হওঁক আদি কৰি আশীৰ্বাদ দি তেওঁ ঘৰমুৱা হ'ল।

ল'ৰাৰ মাকেও শুনি ৰং পালে। উপাৰ্জনৰ বুকুৰপৰা মাহে কেইসিকিমান সজকামত ব্যয় কৰা হ'ব ভাবি আনন্দ। "বেশ্যা কৰ্মলৈ ওনা-ওনে

ওলায় কিন্তু পিতৃ শ্ৰাদ্ধলৈ এটা ফুটা কড়িও নোলায়—” বোলা বুঢ়াসকলৰ কথাষাৰিলৈ মনত পৰিল। এৰা, মিছা নহয় কথাটো। সংসাৰ চিত্ৰখন চকুৰ আগত ভাঁহি উঠিল। সেইয়া আমুকা ধনীয়ে প্ৰতি নিশাৰ আমোদ-প্ৰমোদৰ কাৰণে শই-শই ভাঙে, কিন্তু পদূলিৰ আগৰে সেই নিচেই নিছলা মানুহঘৰ অনাহাৰে নিৰাহাৰে মৰি নমৰি জীয়াই আছে। ভাতে মৰদ ঘাঁহে বলদ—সঁচা কথা। সেই ঘৰৰে চেমনীয়া ল'ৰা দুটা আৰু কোনো ৰকমে গাত কাপোৰ লোৱা ছোৱালীজনী—গাত যেন, সিহঁতৰ এক্কেৰিও বল-শকতি নাই। ছাগলী পোৱালীৰ দৰে উৰুলীকৃত হৈ জঁপিয়াই ফুৰাৰ কালতে সিহঁত আধা মৰা আধা জীয়া! সিহঁতক জানো ধনীজনে নেদেখাকৈ আছে? ওঁলাওতে সোমাওঁতে প্ৰতিদিনেই নিশ্চয় তেওঁৰ চকুত পৰিছে। তেওঁ ধনী বুলি পৃথিবীত পৰিগণিত হ'ব পাৰে, কিন্তু তেওঁ জানো মানুহ—ঈশ্বৰৰ জীৱ-শ্ৰেষ্ঠ প্ৰাণী মানুহেই? মানবোচিত কাম নকৰিলে, কেৱল আকাৰৰপৰাই জানো জীৱ চিনা উচিত?—

সেইয়া তমুকা ‘দেশ-সেৱক’—কাগজে-পত্ৰই কত বিশেষণেৰে তেওঁৰ নাম সুশোভিত কৰিব লাগিছে নিতৌ! দীনবন্ধু, স্বাৰ্থত্যাগী, অক্লান্ত দেশকৰ্মী! আৰু কত কি ভূষণ! সেই গান্ধীবাদী দীনবন্ধুৰেই প্ৰতিমাহে চুৰট-ধঁপাততেই নেহাত কমেও দুশকৈ ভাঙি আহিছে। সেই টকা জানো পানীত পেলোৱা হোৱা নাই? তাৰে নিশ্চয় দুজনী বিধবাৰ দুখ মোচন সহজে কৰিব পৰা হয়।

সেই দিনৰপৰা তিনি বছৰ পাৰ হৈ গৈছে। ‘কানিয়ানী খুৰী’ আহে আৰু পিৰালীৰ কুকুৰেও গম নোপোৱাকৈ পইচাকিটা লৈ যায়হি। অ' তেওঁ চাৰিঅনীয়া তোলাৰ দিনৰপৰা আঠটকীয়া তোলাৰ দিনলৈকে বেমাৰৰ কাৰণে কানি খাইছিল কাৰণেই তেওঁক সকলোৱে কানিয়ানী নামকৰণ কৰিছিল। চৰকাৰী কানি নিবাৰণী প্ৰচেষ্টাৰ দিনৰপৰা তেওঁ এৰি পেলালে।

প্ৰয়োজনত পৰি এখন মটৰ কিনিলোঁ। ক'বলৈ কিহৰ লাজ—আজি বহুদিনৰেপৰাই এখন ধুনীয়া চিকুণ মটৰ কিনাই জীৱনৰ প্ৰথম কাম্য বস্তু আছিল। টেটুলৈকে ধাৰ লোৱা, নাইবা প্ৰাণসমা পত্নীকো চাহাব-চুহাবক গটাই দি (অৱশ্যে ভিতৰুৱাকৈ) মটৰ লোৱা চখটো পঢ়া দিনৰেপৰা দেখি আহিছোঁ···।

চফল কলেজীয়া দিনৰেপৰাই মটৰ লোৱাটো আছিল মোৰ প্ৰধান উদ্দেশ্য। অৱশ্যে উপৰোক্ত প্ৰণালীৰে নহয়—নিজৰ বাউসিৰ বলেৰেহে। ধনাই মনাইৰ কথাকে নকওঁ—অতি উচ্চ পদস্থ কৰ্মচাৰীলৈকে সকলোৱে সমাদৰ কৰা চকুৰ আগতে নিতৌ দেখিছোঁ—‘ধনী মটৰ মালিকক’ আৰু উপযাচিয়ো চৰকাৰী গাড়ীতে তুলি নিয়া নেদেখাও নহয়।

মটৰ ললোঁ। এঁকেয়া বুটলি ঘটা ইমানবিলাক ধন দিবৰ সময়ত বুকুখন হমৃহমাই গৈছিল। আমুক চাহাবৰ, কেওঁা মহাজনৰপৰা লোৱা টকাৰ দৰে নিশ্চয় মোৰ টকা সস্তীয়া নহয়। তাত প্ৰভেদ আছে!

নতুন বস্তু নতুনকৈ লোৱাৰ আশাত যি বিপুল আনন্দ প্ৰথমেই পাইছিলোঁ, সি কিন্তু অলপ দিনতে তল পৰিল। মনৰ অসন্তোষীয়া স্বভাবটো সুঁৱৰি দুখ পালোঁ। Yarrow visited নিশ্চয় সিমান সুখদায়ক নহৈছিল।

গাড়ী লোৱাৰ বাতৰি পাই বুঢ়া আহি চাই ল'লেহি। "বেচ হৈছে। বোপাইক মানুহে-বস্তুৱে বেচ শুৱাইছে এতিয়াহে। হওক, হওক, তেৰাই দিছে যেতিয়া, নাখাই-নবৈ কেলৈ লাগিছে ধন বস্তু? যেনিয়ে চোৱা, বোপাইৰ তেনিয়ে জয়জয় ময়ময়, নদন-বদন···।"

মটৰ লোৱা দিন ধৰি মই এটা প্ৰভেদ লক্ষ্য কৰি আহিছোঁ। শ'ল ঠেকত পৰি মুখা-মুখি নহ'লে যি আগেয়ে বাক্যব্যয় নকৰিছিলে, সি এতিয়া হাঁহি হাঁহি দূৰৈৰেপৰা মতা হৈ পৰিল। আগয়ে যি অফিচাৰে দুঘণ্টা বহুৱাই থৈহে ওলাই মাত এষাৰ দিছিল, এতিয়া মটৰৰ 'হৰ্ণ' শুনিয়েই খা-নাখা ওলাই আহি লগ দিয়ে !!

এইবিলাক ভাল লাগিলেও, কিন্তু পানী তলৰ কাঁইটটো আগেয়ে নেদেখাৰ কাৰণে খং উঠিল নিজৰ ওপৰতে। বহুমুখী খৰচৰ বাটবোৰ দেখি পেটতে হাত-ভৰি লুকাই পৰিল। টিঙনা নাৱত ওপৰ-ভাৰা হোৱাৰ দৰে হৈ পৰিল। ক'বলৈ লাজ কিহৰ—কোন ক্ষণত—'কি বাঘ-তেলে খাইছিল এনেকৈ গাড়ী ল'বলৈ'—তাৰ কাৰণে নিজকে নিজেই খং কৰিছিলোঁ। তথাপি পৰিবৰ্তন-বিলাক ভাল লগা হ'ল। সভাই-সমিতিয়ে আগ-আসন পোৱা হলোঁ । আনকি-বয়োবৃদ্ধ একোজনেও নিজৰ আসন এৰি দিয়া হৈ পৰিল। ডাঙৰ মহাজন-কিটাই মালবস্তু প্ৰয়োজনৰ অধিক-কৈ দি শতক যেনেকৈ বান্ধি মিতিৰ যেনেকৈ আনি মটৰৰ ভিতৰত থৈ যায়হি। মোৰ দামী 'কৰা স্ত্ৰি' থকা চাহাবী সাজটোলৈ কেৰাহিকৈ চাওঁ, ফুট ষ্টেপত এটা ভৰি তুলি চেলেউ এটা জ্বলাওঁ, বাটৰ মানুহবিলাকে মোৰ পিচ-ফালে বাট থকা সত্বেও অলপ ঘূৰিয়েই সিফা-লেদি আঁতৰি যায়।

এয়ে আমাৰ সমাজ, এয়ে আমাৰ মানুহৰ মনোবৃত্তি—ধন-দৌলতৰ প্ৰতীক-স্বৰূপ মটৰগাড়ী আৰু লৌকিকতা—তালৈ মানুহে ভয় কৰে, মান কৰে—মই বিতচকুৰ তলেদি সকলো পৰিবৰ্তন স্পষ্টকৈ দেখা পাওঁ।

মোৰ হাঁহি উঠে; কিন্তু নাহাহোঁ—হঁহাটো যে পাতলামি—আমাৰ সমাজৰ মাপকাঠিত! আজি কালি মোতকৈ বহুতো বয়োবৃদ্ধ জ্ঞানবৃদ্ধ লোকেই অনেক বিষয়ত মোৰ মতামত বিচাৰে, অনেক জটিল সমস্যাৰ সমাধানৰ দিহা পৰামৰ্শ বিচাৰে আৰু ময়ো, চিকুটি লাও বুঢ়া কৰাৰ দৰে, মন্ত্ৰ লওঁ—যাতে কেৱেঁ

মোৰ মতামত লাভ কৰিব নোৱাৰে। সভাই-সমিতিয়ে মোক আজিকালি চল চাই চলিবলৈ বুলি, নতুন স্কুলৰ সভাপতি, সমজুৱা কামৰ চেক্রেটাৰী, আদিও নিঃসঙ্কোচে পাতে। কিন্তু পইতাতো খৰিকা মৰা; পইতাকো জুৰাই খোৱা মোৰপৰা দুটা ফুটা কড়িয়ো সৰকাব নোৱাৰে—।

চাওঁতে চাওঁতে মটৰ চলোৱা একপ্রকাৰ বগা-হাতী পোহা হৈ পৰিব ধৰিলে। খৰচ—অ'ত ত'ত, ইটো সিটো—মাথো খৰচ, খৰচ। চ'ত মহীয়া বাটে পোৱালী দিয়াৰ দৰে খৰচে পোৱালী দিবলৈ ধৰিলে। পেট্রল, টায়াৰ, টিউব কত কি! উপায়হীন হৈ পৰিলো। তথাপি তেজপিয়া বাঘৰ দৰে মটৰ জুতি পোৱা ময়ো মটৰ এৰিবলৈ কোনোপধ্যেই স্থিৰ কৰিব নোৱাৰিলোঁ। ঘৰুৱা বাজেটত হাত দিয়া হ'ল। দুখেৰে প্রকাশ নকৰি নোৱাৰি যে চুৰুট, মদ, চাহ-কফিত হাত নিদি, হাত দিয়া হ'ল দৈনিক বজাৰ-খৰচত। খোৱা-বোৱাত হাত ধৰিয়ো মোৰ গাড়ী চলোৱা ধাউতিটোত মোৰ শিক্ষিত মনটোৱে কেতিয়াবা ক্ষণিকলৈ বিদ্রোহ কৰি উঠে শিক্ষাৰ ওপৰতেই ধিক্‌কাৰ ওপজে। নাখাই-নবৈয়ো, ধাৰে-ঋণে হ'লেও মানুহৰ যে মটৰ-লৰী চলোৱাৰ হাবিয়াস—তালৈ চাই বিদ্রূপৰ হাঁহি বিৰিঙিল। নাও বুলি তলি পালেও টিঙৰপৰা ননমা মানুহলৈ পুতৌ নুপজি, উপজিল তীব্র ঘৃণা। গভীৰ বিতৃষ্ণা।

'উল্‌ফ্‌ এণ্ড লেম্বৰ' মই উল্‌ফ্‌টো হৈ পৰিলো শীঘ্রে। এদিন টুটকীয়াৰ-পৰা গম পালোঁ যে বুঢ়ীয়ে আকৌ কানিত মুখ দিছে। মই উপায় পালোঁ। মোৰ স্বার্থপৰ মনটোৱে সুবিধা বিচাৰি ল'লে। এনে বৰ বিহত মুখ দিয়া মানুহক টকা দিয়া যি, নিজে চোৰাং কানি বেচাও সি।—ছিঃ! কি বেয়া কাম! মোৰ ভাব হ'ল যেন ময়ো দেশদ্রোহীবিলাকৰ দৰে, আওপকীয়াকৈ চোৰাং কানি বেপাৰত সহযোগিতা কৰিব লাগিছোঁ। লোণ-তেলৰ খৰচটোকো নি বুঢ়ীয়ে তেন্তে বৰ বিহ কিনিহে উৰুৱাইছে। বুঢ়ীৰ প্রতি হঠাতে খংটো ভমক্‌কৈ উঠি গ'ল।

কুঁজৰ মূৰত কিল পৰাৰ দৰে, তাতে আহি পৰিল আৰু এটা ঘটনা। পোহাৰী এজনীয়ে মাছ আনিছে—বেচিবলৈ—জুই-ছাই দাম, মাছ ল'ব নোৱাৰি বিদায় দি বাইক্লখন লৈ চক বজাৰলৈ বাট ললোঁ। 'বেঙো ওলাল, সাপেও দেখিলে!' সেই খুৰী-গৰাকীয়ে সেই 'ম'হতকৈ শিং চৰা' দামতে মাছ কিনি হাতত তুলি লৈছে আৰু ৰিহাৰ আগৰপৰা টকা এটা উলিয়াই দিছে। মোক দেখি যেন তেওঁ বিহ্বল হৈ পৰিল। মই একো নামাতি, চকু নিদিয়াৰ দৰে দেখুৱাই শীঘ্রে বজাৰলৈ বাট ধৰিলোঁ।

এই সামান্য ঘটনাটোৱে ওৰে বাটটোতে মোক ভাবিবলৈ বাধ্য কৰিলে—অনেক কথা। ধন ঘটাইহে জানে ধনৰ মোল। 'কাঠ-বাঁজীয়ে কি ল'ৰাৰ মোল বুজিব?' ধন, ধন, ধন। ধন এনেয়ে নাহে, প্রতি টকা ৰাপৰ লগত

খুকুৰ জীৱা তেজ ওতঃপ্ৰোতভাৱে মিশ্ৰিত আছে। মোমায়ে কাঠ কাটে, মায়ে পানী যেন দেখে। ই মিছা নহয়। স্কুলীয়া কালতে দেউতাৰপৰা শুনা কাহিনী এটালৈ মনত পৰিল—জীৱনৰ শেষ সন্ধিয়াত এজন বুঢ়াই পুতেকক বৰ দামী এখন 'শাল' কাপোৰ দি গ'ল; বৰ যত্নেৰে ৰাখিবলৈ। পুতেকে নিজ আৰ্জনৰ প্ৰথম যোৰা জোতা পিন্ধি এদিন ফুৰিবলৈ যাওঁতে এডোখৰ বাটৰ ছিগা পালে আৰু তাতে সেই দামী কাপোৰখন পাৰি দি তাৰ জোতাত বোকা নলগাকৈ খোজ কাঢ়ি গুচি গ'ল!!···সেই সাধুটো আজি পুনু মনত পৰিল···ই মিছা জানো?

তেওঁ জানো গাত কথা নলগা ফুকলীয়া ছোৱালী? 'আঠুৰা চাই ভৰি মেলিবলৈ' আৰু জানী কাম কৰিবলৈ শিকিবলৈ আৰু দিন বাকী আছে?.. তেওঁ কানি বৰ বিহ খায়, এনেকৈ উৰা-দুৰাকৈ পইচা ভাঙে..বুঢ়া-মেথাই কোৱা কথাষাৰ—'কটাৰী চিকুণ শিলে, তিৰোতা চিকুণ কিলে'—মিছা নহয়-নেকি?

দিন পৰিল; তেওঁ আহিল। পইচাকিটা দিওঁতেই ময়ো পাঙি থোৱা কথাকিষাৰ খাঁজি থোৱা বন্দুকৰ দৰে, বিশেষ চেষ্টা কৰি, ক'লো। শুনিলে, শুনিও তেওঁ একো নক'লে। তেওঁ একো নেমাতিলে। মোৰ মনটোত সাহ বাঢ়িল—'হাতে-লোতে ধৰা পৰা চোৰে' আৰু ক'ব কি? নিজৰ গাতে লেঠা, চেকা থাকিলে প্ৰতিবাদকেই বা কি কৰিব?

হাতত পইচা থকাতো কাৰাগাৰ মুক্ত Man-in-Black এ সহায় প্ৰাৰ্থী-জনক স্বেচ্ছাই সহায় নিদি প্ৰাণত যি গৰ্ববোধ কৰিছিল আৰু সেই সৎকামৰ কাৰণে ৰাইজৰ শত প্ৰশংসা পোৱাৰ লায়ক বুলি ভাবিছিল, আজি ময়ো সেই ভূমিকাতে উপনীত হৈছোঁ।

মোৰ ভাব হ'ল—যি আজি কানি খায়, সি মানুহ নহয়। তাক শীঘ্ৰে জেৰেঙাত দিব লাগে। পইচাৰে স্বাস্থ্যদায়ক ঘিউ-মৌ, মাছ-মাংস, শক্তিদায়ক আহাৰ নাখাই সি খায় কানি—কানিৰ কাৰণে বেচে স্থাৱৰ ভূ-সম্পত্তি, বেচে মাইকীৰ হাতৰ-কাণৰ, ডিঙিৰ···আৰু নিজৰ অমূল্য স্বাস্থ্য তিল তিলকৈ নষ্ট কৰি ব্যাধিগ্ৰস্ত হৈ অকালতে মৰহি মৃত্যুৰ গৰাহত পৰে। সহায় বন্ধ কাহিনীটো সগৰ্বে দুই-এক বন্ধুক কৈ গৌৰৱ অনুভৱ কৰিছিলোঁ।

ৰবা ভাত মাহৰ শাক খোৱাৰ বুঢ়ীৰ হেপাহটো মোৰ মনটোৱে মানিবলৈ টান পালে। দুদিনত বৰ ভোজ দিয়া, বৰ সবাহ পতা মূৰ্খৰ কাম—অনুচিত কাম। বহুতো তেনেকৈয়ে সৰ্বস্বান্ত হৈ পৰিছে আজি!!

ছুটীৰ দিন। অলপ বেলিকৈ ওপৰপেটিকৈ ভাত-মুঠি খাই বিচনাতে পৰি বাতৰি কাকতখনতে চকু ফুৰাইছোঁ। ল'ৰাৰ মাকেও আহি কাষতে বহি দুটামান শ্ৰুতিমধুৰ গীতো শুনালে। জিপ খাই অহা চকুকিটা গানৰ মাধুৰিমাৰ মাজত একেবাৰেই জাপ খাই গ'ল। তেওঁৰ সোৱাদ লগা আমনিয়ে জগাই নিদিয়া হ'লে আৰু কিমান পৰ শুলোহেঁতেন, তাক কোৱা টান।

চকু মেলোতেই চকুত পৰিল, তেওঁ উলিয়াই থোৱা এটা চালে চকুৰোৱা পোচাকৰ 'ছেট'। তেৰোঁ তেল-টেঙা ঘঁহি মূৰ-গা অটাই মাণিকীৰ মাকৰ কঁৰীয়া যেন হৈ আছে। ন-কৈ গঢ়াই অনা নৱতম ডিজাইনৰ কাণ-পাশা-যোৰে তেওঁক তুলি ধৰিছে। বগলী-বগা উঠন বুকুখনৰ ওপৰত পৰি থকা হাড়ডালো মোৰ চকুত নিষ্প্ৰভ হোৱা যেন লাগিল।

মই ক'লো—"হয়নে, আজি এই মেনকা বেশৰ কিবা বিশেষ অৰ্থ আছে কি?" "থক, থক;" তেওঁ ঠেহৰ সুৰত উত্তৰ দিয়ে। তেওঁ সোঁৱৰাই দিয়াতহে মনত পৰিল—এজন নলে-গলে লগা বন্ধু-পত্নীৰ আবেগপূৰ্ণ নিমন্ত্ৰণৰ কথাটো। সিমান লাগতীয়াল এটা কথাকো পাহৰাত নিজৰে লাজ লাগিল। কিন্তু পাহৰাৰ কথাটো তেওঁক জানিবলৈ নিদি যাবলৈ বুলি সাজু হ'লোঁ। মাইকী মানুহৰ এনে সামাজিক নিমন্ত্ৰণবিলাক কিয় ইমান মনত থাকে—তাকে মনটোৰে ভাবিবলৈ ধৰিলে। ঘৰৰ চাৰিবেৰৰ ঠিক সংসাৰখনৰপৰা বাহিৰ সংসাৰৰ লগত মিলিবৰ এইটোৱেইহে প্ৰধান উপায়। উপজি পুৱাৰেপৰা ইটো সিটো, তেওঁলোকৰ জীৱনটো হৈ পৰে এক নিৰানন্দময়, আস্বাদহীন সময়ৰ স্ৰোত। পুতৌ উপজিল। কিন্তু আমি হ'লে···এৰা কথাতে কয় নহয়—মতাৰ ৰণ বাহিৰত, মাইকীৰ ৰণ ভিতৰত!

উলাহ ক্ষিপ্ৰ গতিৰে আমি গাৱঁৰ মাজেদিয়েই আগবাঢ়ো। মই, তেওঁ আৰু পোনাটো—তাৰ বয়স প্ৰায় পাঁচ হয় হয়। আগত সুন্দৰ ভৱিষ্যতৰ কল্পনাবিলাক উফৰি ফুৰে। দুই এক মুখ লগাই পৰশ্ৰীকাতৰহঁতে ৰতে। 'মেম চাহাব' কৰি দূৰৈত কোৱা-কুই কৰে— আমি গৈ থাকো। মোৰ লাঠীডাল মোৰ অজ্ঞাতেই ঘূৰিবলৈ ধৰে।

নিমন্ত্ৰণ ৰক্ষা কৰি উভতি আহিছোঁ, যোৱা বাটেদিয়েই। ওপজা গাওঁ-খনৰ সেই একেই অৱস্থা। এই কেইবছৰতে যেন আৰু বেছি শোকলগা হৈহে পৰিছে। এই নিৰক্ষৰ মানুহবিলাকৰ মাজত ৰাজনীতিৰ ঢৌ সোমাই ভালকৈয়ে ঢৌৱাব লাগিছে। সঁচাই মিছাই প্ৰত্যেকেই দেশ-নেতাসকলৰ বদনামকেই ৰতিব লাগিছে নিতৌ। গাৱঁৰ উৰুলিপুঙাকিটাই হ'ল গ্ৰাম-নেতা। মোৰ ধাৰণা হ'ল শ্যামা-কচুক হাজাৰো চেনি-মৌ নাম দিয়ক সি খজুৱাবহে খজুৱাব—কথাতে কয় নহয় আওকচুৰ টেপুৰেও গল হেঙায়।

সাঁজৰ চাকি লগাবৰ সময়, নিজৰ গাৰ নোমকে আৰু মনিব নোৱাৰা হৈ পৰিছে। আহি থাকোতে হঠাতে এটা সৰু কোলাহলে দৃষ্টি আকৰ্ষণ কৰিলে। তেওঁলোকক বাটতে ৰ'বলৈ কৈ মই ঘটনা-থলীলৈ আগ বাঢ়িলোঁ।

শীঘ্ৰে বুজি উঠিলোঁ—সেইটো কানিয়ানী খুৰীৰ ঘৰ। সোঁ-চোতালতে কি এটা পৰি আছে দীঘল দি।

"মৰিলে ভালেই হ'ল" এজনে কয়।

"গেলা ভাতমুঠি আৰু কানিকণ—তাৰ বাবেই কিমান জীয়াতু নুভুগিলে দেহি! কতৰ ভৰিয়ে-হাতে নধৰিলে"—আন এজনে কয়।

"এৰা, কানিয়েই বনি হ'ল; কানিকণ নেখায়েই, পুৰণি বেমাৰটোৱে উক্ দিলে"—মোৰ ফালে চাই কমবয়সীয়া বুঢ়ী এজনীয়ে কলে। গাত চেকা থকাৰ কাৰণেইনেকি, মই উচ্‌পিচাই উঠিলো। শেষ সময়ত সহায় কৰা কিজনক চিনি পালোঁ—কোনো মৃতাৰ আত্মীয় নহয়—মাথো ওচৰচুবুৰীয়াহে। সম্পত্তিৰ অংশীদাৰো নহয়। অথচ তেওঁলোকেই কেওঁ-কিছু নোহোৱা বুঢ়ীৰ মুখত পানীটোপা দি মাৰিলে।

আৰু মই?....মই হওঁ ভতিজা পুতেক—আৰু কৰিছো কি?

মই আঁতৰি আছিলোঁ, আলিলৈ ওলাই আহিলোঁ—মনতে ভাব হ'ল যেন মই পলাই আহিলোঁ তাৰপৰা....

পোনাৰ মাকৰ আগত কোনো অধীৰ চঞ্চলতা প্ৰকাশ নকৰিলেও, মনটো ভালকৈয়ে কঁপি উঠিল। সেই মানুহকিজনৰ কথাকিষাৰ মোৰ কাণত অহৰহ বাজিবলৈ ধৰিলে।

"সময় মূৰকত কানিৰ ৰোজটো নপৰিলে দেহাটোৱে উজনি-ভাটী কৰে, বোপাই"--কাহানিবাই কোৱা খুৰীৰ কথাষাৰ পুনৰ চিৰিংকৈ মনলৈ আহিল।

"সঁচাই তেন্তে, বুঢ়ী কানিৰ অভাৱতেই এনেকৈ চকু মুদিলে?" গাটো কিবা এটা কাৰণত বৰকৈ কঁপি উঠে।

বুঢ়ীৰ আছিলেই বা কি? বাজ-ভিতৰ উদং একেবাৰেই। একেখন ঠাৰি ছিগা কেৰাহী কলপাতেই কাঁহী যাৰ সদায়েই! কেচুৱে মাটি তোলা মজিয়া, ধান-খেৰ এসোপা পাৰি তাতে শোৱে, জাৰত লয়--ফটা খৈলা, গাৰুৰ পৰিবৰ্তে নিশা ব্যৱহাৰ কৰে দিনত বহা ভগা পীৰাখন। উস্ কি যে অৱস্থাত বুঢ়ীজনী মৰিল। এৰা মৰিল, ভালেই হ'ল!

আমাৰ মানুহবিলাক, দুখীয়া নিছলা গাৱঁলীয়া মানুহবিলাক দেহি শিক্ষাৰ অভাৱত, টকাৰ অভাৱত গৰু-পহুতকৈয়ো বেছি আলাই-আথানীত মৰিব লাগিছে। অকালতে জাহ যাব লাগিছে। সিহঁতৰ হাতত নাই ধন, নাই ভাত, নাই দৰব, নাই পথ্য—নাই যে নাই কেউফালেই নাই--আছে মাত্ৰ ভগৱানৰ ওপৰত গভীৰ ভক্তি, অটল বিশ্বাস! আৰু ভগৱানেও যেন তাকে পাবলৈকে এই মানুহবোৰক তেনেকৈ ইতৰ জন্তুতকৈয়ো অধইচ কৰি ৰং চাইছে!!

বুঢ়ী মৰি গ'ল; হাড় পচি মাটি হ'ল, হাড়ত বন গজিল। মটৰ-ধন-দৌলতৰ মাজত যেতিয়া ছেগ বুজি সেই শেষ দৃশ্যটোৱে চকুৰ আগত ভাঁহি উঠে, অতি ৰং-ৰহইচৰ মাজতো গধুৰ হৈ পৰে, ধাৰণা হয়—মই অতি ভুলকৈ এটা দুৰ্লভ মনুষ্য জীৱনতকৈ সামান্য, অতি নগণ্য মাত্ৰ তিনিটা টকাক ডাঙৰ দেখিলোঁ ··· · ···।

কোনো নিছলা বুঢ়ী মানুহক দেখিলেই বুকুখন বেদনাৰে ভৰি পৰেহি আজিয়ো দেহি ঐ—

অকণি কানি,
শোহে তেজ পানী
কৰে লানি কানি
আৰু তাৰ বাবেই কত আলাই-আথানী !!!

# ত্ৰৈলোক্য নাথ গোস্বামী

( ১৯০৬— )

এজন লেখকে নিজৰ ৰচনাৰ বিষয়ে কি ভাবে সেই কথা জনাৰ সুযোগ বৰ বেছিকৈ পোৱা নাযায়, কাৰণ খুব কম লেখকৰহে নিজৰ লেখা সমালোচনামূলক দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱাৰ প্ৰয়োজন ঘটে। কিন্তু ত্ৰৈলোক্য নাথ গোস্বামী কেৱল এজন গল্প-লেখকেই নহয়, তেওঁ এজন সমালোচকো, আৰু গোস্বামীয়ে সাহিত্য অকাডেমিৰদ্বাৰা পুৰস্কৃত তেওঁৰ 'আধুনিক গল্প সাহিত্য' নামৰ গ্ৰন্থত অন্যান্য অসমীয়া লেখকৰ গল্পৰ লগতে তেওঁৰ নিজৰ গল্পৰো আলোচনা কৰিবলগা হৈছে। সেই নাতি-দীৰ্ঘ আলোচনাত তেওঁ নিজৰ গল্পৰ বিষয়ে দুটা তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে— এটা তেওঁৰ গল্পৰ বিষয়-বস্তু সম্পৰ্কে, আনটো প্ৰকাশভংগী বা কলা-কৌশল সম্পৰ্কে। নিজৰ গল্পৰ বিষয়-বস্তু সম্পৰ্কে তেওঁ কৈছে—"সমাজৰ দুখ-দৈন্য, অনাচাৰ-অবিচাৰৰ বুকুত নিষ্পেষিত স্ত্ৰী-পুৰুষৰ চৰিত্ৰ গোস্বামীৰ গল্পত আছে। ............... দৰিদ্ৰ, পীড়িত আৰু নিৰ্যাতিত লোকৰ প্ৰতি তেওঁৰ সহানুভূতি আছে।" নিজৰ ৰচনা-ৰীতিৰ বিষয়ে কবলৈ গৈ তেওঁ কৈছে—"গোস্বামীৰ ৰচনা-ৰীতি সৰল; অনেক সময়ত বিচিত্ৰতাহীন। তেওঁৰ বস্তু-উৎথাপন ৰীতিও অজটিল। বৰ্ণনাৰ আতিশয্যৰ মোহ তেওঁৰ নাই। বাক্-সংযম তেওঁৰ আছে, বৰং বেছিকৈয়ে আছে। ইয়াৰ ফলত কোনো কোনো ক্ষেত্ৰত গল্প-সৌন্দৰ্য ভালকৈ পৰিস্ফুট হ'ব পৰা নাই।"

আৱাহন যুগত অতিশয় জনপ্ৰিয় হৈ উঠা ৰোমাণ্টিক্ ভাবাবেগপূৰ্ণ গল্পৰাজিৰ মাজত ত্ৰৈলোক্য নাথ গোস্বামীৰ নিৰলংকাৰ আৰু মিত-বাক্ গল্পবোৰ এটা স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ উঠিছিল, আৰু সেই বৈশিষ্ট্য হ'ল তেওঁৰ তীব্ৰ সমাজ-সচেতনতা। 'পানী-নসৰকা কোঠালী'ত বিভক্ত কৰা সম্ভৱ নহয় যদিও মোটা-মোটিকৈ অসমীয়া গল্প-সাহিত্যত দুটা ধাৰা চলি আহিছে। এটা ধাৰাৰ লেখকৰ প্ৰধান বিচৰণ-ক্ষেত্ৰ হ'ল ব্যক্তিৰ মনোজগত, মানুহৰ প্ৰবৃত্তি, হৃদয়-বৃত্তি আৰু ব্যক্তিগত আবেগ-অনুভূতিৰ জীৱন। এই শ্ৰেণীৰ লেখকে ব্যক্তিৰ মনোজগতৰপৰা আৰম্ভ কৰি বাহিৰলৈ যাত্ৰা কৰে। দ্বিতীয় ধাৰাৰ লেখকসকলৰ পৰ্যবেক্ষণৰ প্ৰধান লক্ষ্য হ'ল মানুহৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামক্ষেত্ৰ, সামাজিক ক্ষেত্ৰত চলা তেওঁৰ নানাবিধ দ্বন্দ্ব, বিৰোধ আৰু তজ্জনিত বিভিন্ন সমস্যা। শ্ৰেণী বিভক্ত আৰু শোষণ-ভিত্তিক সমাজত স্বাভাৱিকতেই এই সংগ্ৰামৰ ৰূপ ঘাইকৈ অৰ্থনৈতিক ; ই ধনী আৰু দুখীয়া, শোষক আৰু শোষিত, প্ৰাচীন সংস্কাৰ আৰু নতুন মুক্তি-আকাংক্ষাৰ মাজত চলা সংগ্ৰাম। এই কথা অৱশ্যে ক'ব নোৱাৰি যে ত্ৰৈলোক্য নাথ গোস্বামীৰ গল্পত এই সামাজিক দ্বন্দ্বৰ ৰূপ অতি স্পষ্ট আৰু হৃদয়-সংবেদ্য ৰূপত ফুটি উঠিছে। কিন্তু তথাপি মূলতঃ তেওঁ এই ধাৰাৰ লেখক, আৰু এই ক্ষেত্ৰত তেওঁ পথিকৃৎসকলৰ অন্যতম।

গোস্বামীৰ যিবোৰ গল্প তেওঁৰ স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল, সেই আটাইবোৰ গল্পত অৰ্থনৈতিক শোষণ আৰু সামাজিক অন্যায়ৰ ছবি পোৱা যায়। ওপৰে ওপৰে দেখাত জাৰজ গল্পটো পিতৃ-পৰিচয়হীন ৰতনৰ মানসিক সংঘাতৰ ছবি ; ঘৰলৈ ঘূৰি আহি সি হুক্ হুকৃকৈ কান্দি থকা মাকৰ ওচৰত ৰবীন্দ্ৰ কেৰাণীক বহি থকা দেখি তেওঁক মাৰিবলৈ উদ্যত হৈছে। কিন্তু প্ৰকৃতপক্ষে যি পতিত আৰু দুশ্চৰিত্ৰ সমাজ-ব্যৱস্থাই ৰতনৰ মাকৰ নিচিনা মানুহক অন্তহীন দুৰ্ভাগ্যৰ পাষাণ-ভাৰেৰে পিষ্ট কৰিছে আৰু ৰতনক পৰিচিত কৰাইছে জাৰজ বুলি, সেই

সমাজ-ব্যৱস্থাৰ স্বৰূপ উন্মোচন কৰি দেখুওৱাতেই গল্পটোৰ আচল আকৰ্ষণ নিহিত আছে। সেইদৰে পৰাজয় নামৰ গল্পটোৰো প্ৰকৃত তাৎপৰ্য বোধহয় লেখকে নিজে ভবাৰ দৰে কেৱল যুক্তি আৰু অনুভূতিৰ দ্বন্দ্ব নহয়; যদি হয়ো, সি কেৱল ব্যক্তিগত যুক্তিপ্ৰৱণতা বা ব্যক্তিগত অনুভূতি নহয়। নিৰাশ্ৰয় আৰু মুমূৰ্ষু বুঢ়াজনৰ প্ৰতি অধ্যাপকৰ শীতল, 'যুক্তিবাদী' আৰু সহানুভূতিহীন মনোভাৱ আৰু আনহাতে মৈণীয়েক কমলাৰ কৰুণাসিক্ত আচৰণৰ মাজত দুই ধৰণৰ সামাজিক মনস্তত্ত্ব ফুটি উঠিছে বুলি কব পাৰি। দাৰিদ্ৰ্য আমাৰ দেশৰ এটা চিৰন্তন দৃশ্য। এক শ্ৰেণীৰ মানুহৰ দৃষ্টিত এই দৃশ্যটো এনেভাৱে de-humanised হৈ গৈছে যে দাৰিদ্ৰ্যৰ বিষয়ে চিন্তা কৰি তেওঁলোকৰ মুৰ গৰম হৈ থাকিলেও তেজ-মাংসৰ দৰিদ্ৰই তেওঁলোকৰ মনত বিন্দুমাত্ৰ সহানুভূতিৰ উদ্ৰেক নকৰে। পৰাজয় গল্পৰ অধ্যাপক এই শ্ৰেণীৰ মানুহ, তেওঁ এই শ্ৰেণীৰ সামাজিক মনস্তত্ত্বৰ প্ৰতিভূ। সেই কাৰণেই তেওঁ আশীবছৰীয়া আশ্ৰয়হীন মুমূৰ্ষু বুঢ়াক ৰাতি ঘৰৰপৰা খেদি দি 'ডাচ্ কেপিটেল' পঢ়িবলৈ বহি যাব পাৰে। দুঃস্থ আৰু দুৰ্ভাগ্যতাড়িতৰ প্ৰতি অধ্যাপক-পত্নী কমলাৰ যি স্বতঃস্ফুৰ্ত স্নেহ আৰু সহানুভূতি উথলি উঠিছে, সেইটো হ'ল সহজ আৰু স্বাভাৱিক মানবিক প্ৰতিক্ৰিয়া। এই প্ৰতিক্ৰিয়াই দাৰিদ্ৰ্যক এটা বিৰাট সামাজিক সমস্যা বুলি চিনি নাপায়, চিনি পায় কেৱল চকুৰ আগত দেখা ব্যক্তি-বিশেষৰ মানবিক সমস্যা বুলি। পৰাজয় গল্পই এই দুই ধৰণৰ সামাজিক মনস্তত্ত্ব ব্যক্ত কৰিছে।

দাৰিদ্ৰ্য, শোষণ, সামাজিক অন্যায় আদি সমস্যাবোৰৰ প্ৰতি এই দুটা দৃষ্টিভংগীৰ উপৰিও তৃতীয় এটা দৃষ্টিভংগী আছে; সেই দৃষ্টিভংগীয়ে সমস্যাবোৰৰ প্ৰকৃত স্বৰূপ চিনি পায়েই ক্ষান্ত নাথাকে, ব্যক্তি-বিশেষৰ প্ৰতি কৰুণা বা সহানুভূতিত বিগলিত হৈয়েই ক্ষান্ত নাথাকে, সি প্ৰেম আৰু ক্ৰোধৰ মিলন ঘটাই এক বিৰাট প্ৰতিবাদৰ ৰূপ লয়। গোস্বামীৰ গল্পত এই তৃতীয় দৃষ্টিভংগীটো প্ৰায় অনুপস্থিত। তেওঁৰ চৰিত্ৰবোৰে যে অসত্য, অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ নকৰে এনে নহয়, কিন্তু সি প্ৰায়েই ব্যক্তিগত বিবেকৰ প্ৰতিবাদ (পতিত আৰু পতিতা, দুটকীয়া নোট, শিল্পী—ইত্যাদি), কোনো অৱস্থাতেই সি সামাজিক প্ৰতিবাদৰ বৃহদায়তন লাভ কৰা নাই।

তাৰ কাৰণে খুব সম্ভৱ গোস্বামীৰ ভাষা আৰু প্ৰকাশভংগীও দায়ী। ভাষাৰ সংযম, সাৰল্য, ভাবাবেগৰ আতিশয্যৰ প্ৰতি অনীহা নিশ্চয় অতি প্ৰশংসনীয় গুণ। কিন্তু সংযম আৰু সাৰল্যৰ নামত যদি ভাষা বা প্ৰকাশ-ভংগীয়ে এনে এটা neutral ৰূপ লয় যে সি পাঠকৰ মনত কোনো ধৰণৰ আবেগ-অনুভূতি সঞ্চাৰ কৰি দিব নোৱাৰে, তেন্তে লেখকৰ মূল উদ্দেশ্যই ব্যৰ্থ হয়। চুটি-গল্পৰ ওস্তা মোপাচাঁৰ বিষয়ে কোৱা হয়: He is as factual as a five-star final, and far more accurate. He is as precise as a lawyer devising an ironclad will; as detached as a chemical formula. And yet, as Conrad observed, he is never dull, which is by no means true of even the most talented writers who have elected to be rigidly objective. (Wallace Brockway: Introduction to The Great Short Stories of Guy de Maupassant)

## এটা গৰম কোট

এটা গৰম কোট গল্পটোক ত্ৰৈলোক্য নাথ গোস্বামীৰ বিশিষ্ট গল্প-প্ৰতিভাৰ প্ৰতিনিধিমূলক নিদৰ্শন হিচাপে লব পাৰি। তেওঁৰ গভীৰ মানৱীয় সহানুভূতি, বিদ্ৰোহী বিবেক, সূক্ষ্ম ব্যংগ, সহানুভূতিশীল আৰু অন্তৰ্দৃষ্টিসম্পন্ন চৰিত্ৰ-চিত্ৰণ, ভাষাৰ পৰিমিতিবোধ, সংযত আবেগ—এই

আটাইবোৰ গুণৰ সমাবেশ এই গল্পটোত দেখা যায়। গল্পটোৰ মূল চৰিত্ৰ ৰমেন বৰুৱা নিশ্চয় গুণী মানুহ, নহ'লে তেওঁৰ নিচিনা দৰিদ্ৰ মানুহ এজনক মন্ত্ৰীয়েও কিয় সমীহ কৰি চলিব? কিন্তু লগতে তেওঁ নিশ্চয় আদৰ্শবাদীও ; নহলে আনক মুখৰ কথাতে লাখ টকাৰ ঠিকাৰ যোগাৰ কৰি দিব পৰা মানুহজন নিজে দৰিদ্ৰ হৈ নাথাকিলেহেঁতেন। কিন্তু তেনে এজন মানুহেও সদানন্দ হাজৰিকা ঠিকাদাৰৰপৰা ঠিকা যোগাৰ কৰি দিয়াৰ পুৰস্কাৰ স্বৰূপে এটা গৰম কোট উপহাৰ ললে। তেওঁ যে নিজে কব নোৱাৰাকৈয়ে অসতৰ লগত আপোচ কৰিলে আৰু তাৰ ফলত তেওঁৰ বিবেক অক্ষত হৈ নাথাকিল—সেই কথা পাঠকে অনুভৱ নকৰাকৈ নাথাকে। গল্পটোত ঠিকাদাৰ সদানন্দ হাজৰিকা নিৰ্বিবেক লোভ আৰু অশুভ শক্তিৰ প্ৰতীক, ৰমেন বৰুৱা দুৰ্বল আদৰ্শবাদিতা আৰু আত্মপ্ৰতাৰক নৈতিকতাৰ প্ৰতীক, কিন্তু তেওঁৰ পুতেক কনক হ'ল অন্যায়ৰ বিৰুদ্ধে সক্ৰিয় আৰু সবল প্ৰতিবাদৰ প্ৰতীক।

ৰমেন বৰুৱাই শেষত টিউশ্যন ললে। ল'ৰা কলেজলৈ গ'ল, সংসাৰ বাঢ়িল, ধাৰো বাঢ়িল। টিউশ্যন নকৰি উপায় নাই। সেই বাবে দুমাইল বাটকুৰি বাই তেওঁ সদানন্দ হাজৰিকাৰ ঘৰলৈ সদায় অহা-যোৱা কৰে। আজি ছমাহ হ'ল তেওঁ এই কাম কৰিছে, একে ঘৰতে, একে সময়তে। পৰিশ্ৰম তেওঁৰ অৱশ্যে হয় কিন্তু সি অথলে যোৱা নাই—নগদ চাৰিকুৰি আদায় হৈছে। দুকুৰি এতিয়াও পাওনাৰ হিচাবত।

সিদিনা ৰাতি তেওঁ হাজৰিকাৰ কাষ চাপিছে, ভাবিছে সুবিধা হলে টকাৰ কথাকে উলিয়াব।

"অ' মাষ্টৰ বাবু, আহক বহক। আপোনাৰ লগত এটা কথা আছে, গোপনীয় অথচ জৰুৰী।" বৰুৱাই আৰম্ভ কৰাৰ আগতে হাজৰিকাই পাতনি মেলিলে।

"কওক, কি কব খুজিছে। মোৰো দৰকাৰ আছে বুলিহে আপোনাৰ কাষ চাপিছোঁ।" বুধিয়ক লোকৰ দৰে হাজৰিকাৰ কথাৰ লগতে বৰুৱায়ো নিজৰ কথাটো সাঙুৰি থলে।

"এৰা, আপোনাৰো হওঁতে দুমাহৰ টকা বাকী আছে। মই পাওনা কৰিম। অলপ দেৰি হ'ব। বুজিছেনে, আমাৰ দিন উকলি গ'ল। আপোনালোকৰেই দিন আহিছে। আজি এবছৰ ইয়াত বহি বহি শুদা নৰাত টং ৰখিছোঁ, হাতৰ ধনহে ভাঙিছোঁ, কাৰবাৰ নাই, গ্ৰাহক নাই, টকা নাই। আমি বুৰিছোঁ, মাষ্টৰ বাবু, নিগমে বুৰিছোঁ। হাতত যি অলপ আছিল সিও গৈছে। নহলে দুকুৰি টকা জানো এটা কথাৰ কথা আছিল।"

"আপোনালোকে কয় কাৰবাৰ নাই, টকা নাই। কিন্তু আমি কিনোতাসকলে দেখোন প্ৰায় একে দামতেই কিনো? আমি বুজি নাপাওঁ আপোনালোকে টকা নাপায় কেলেই। মোৰ বোধেৰে টকা পায়, কিন্তু আগৰ দৰে এটকাত দুটকা নাপায় হবলা?"

বৰুৱাই হাঁহিবলৈ চেষ্টা কৰে।

"সেইবোৰ কথা কি কম মাষ্টৰবাবু! ধৰকচোন মৰাপাটৰ কথাকে, তাত লোকচান হ'ল দুই লাখ। সৰিয়হ,—তাতো পঞ্চাশ হাজাৰৰ কম নহয়। কওকচোন, টকা কেনেকৈ থাকে, কাৰবাৰ কেনেকৈ চলে? যোৱা বছৰ ঘৰটো বান্ধিলোঁ, তাতো প্ৰায় এক লাখৰ ওচৰ পালে, অথচ ঘৰটোৱে মুনাফা নিদিয়ে, দিয়ে কাৰবাৰে। তাতেই যদি এনেকৈ লোকচান ভৰিব লগা হয় আমি ৰওঁ কেনেকৈ?" আগ্ৰহেৰে হাজৰিকাই বৰুৱাৰ মুখলৈ চালে।

"এৰা আপোনালোকৰো কিছু অসুবিধা হৈছে যেন পাওঁ। কিন্তু আমাৰ পিনে চাওকচোন, আজি তিনি বছৰে তিনি কুৰিতেই আছোঁ, লৰচৰ নাই, আমাৰ মূৰতে ঘা, তথাপি আমি বাচিবলৈ আশা কৰিছোঁ। কিন্তু আপোনা-লোকৰ যদি ঘা হৈছে আঁঠুত, আপোনালোকে প্ৰমাদ গণিছে।"

বৰুৱাই ভাবি-চিন্তি উত্তৰ দিলে।

"কথাৰে আপোনালোকক বলে নোৱাৰোঁ।" হাঁহি মাৰি হাজৰিকাই কথাটো পাতলালে।

"পিচে, এৰক সেইবোৰ। মোৰ কথাটো শুনক। ও-ও-ও ৰ'ব, একাপ চাহ খাবনে? বেছ ঠাণ্ডা পৰিছে। ধনীয়া, হেৰৌ ধনীয়া, বোলোঁ দুকাপ চাহ লৈ আহ।"

"নালাগে চাহ এতিয়া। ৰাতিও হয়। কওকচোন আপোনাৰ কথা-টোকে।" বৰুৱাই বাধা দিয়ে।

"বাৰু তেন্তে শুনক। আপোনাৰ হেনো মিঃ ভৰালীৰ লগত সম্ভাৱ, ঘনিষ্ঠতা আৰু একেলগে উঠা-বহা আৰু মাষ্টৰনীৰো হেনো মিছেচ ভৰালীৰ লগত বৰ আত্মীয়তা।"

"এৰা সম্ভাৱ থাকোঁতে আছে। পিচে আপুনি বা কোনজন ভৰালীৰ কথা কৈছে? সেই কৃষি বিভাগৰ ইন্সপেক্টৰ, ভৰালীনেকি?"

"এঃ নহয়। মই ডাঙৰজনৰ কথাকে কৈছোঁ।" হাঁহি হাঁহি হাজৰিকই ইঙ্গিত দিয়ে।

"ও-ও-ও বুজিছোঁ। কিন্তু তেওঁলোক হ'ল ডাঙৰ মানুহ, বহু কথা বহু কামৰ। আমাৰ নিচিনা লোকে তেওঁলোকৰ লগত সম্ভাৱ থকা বুলিনো কেনেকৈ কওঁ?"

"আপুনি নকলেও মোৰ জনা আছে। মোৰ হকে আপুনি তেওঁক এষাৰ ক'ব লাগে। আপোনাৰ প্ৰতি ই এটা কথাৰ কথা নহয়। পাণ-তামোল খোৱা সময়ত দহ কথা পাতোঁতেও কৈ পেলাব পাৰে। কিন্তু আপোনাৰ এটা কথাই মোৰ কাৰণে লাখ টকাতকৈয়ো বেছি মূল্যবান হৈ পৰিব।"

"মোৰ কথাৰ মূল্য ইমান বেছি বুলি আজিহে আপোনাৰপৰা জানিলোঁ। মই হলে ইমানদিনে তাক বিনামূল্যতেই বিতৰণ কৰি আহিছোঁ।" ধেমালিৰ চলতে বৰুৱাই কৈ পেলায়।

"এৰা তাতেই আপোনাৰ গৌৰৱ। আপোনাৰ টকা নাই, সকলোৱে জানে, কিন্তু আপুনি এজন মানুহৰ লগৰ মানুহ হৈ আছে। নহলে ভৰালীয়েই বা আপোনাক ইমানখিনি খাটিৰ কৰিলেহেঁতেন কেলেই?"

চতুৰ মানুহৰ দৰে হাজৰিকাই বৰুৱাক লাহে লাহে ওপৰলৈ তুলি দিয়ে—নিজৰ কাম আদায় কৰিবলৈ, স্বাৰ্থসিদ্ধি কৰিবলৈ। বৰুৱাই বুজি নাপাই তৃপ্তিৰ হাঁহি মাৰে।

"বুজিছে বৰুৱা, কাৰবাৰৰ যুগ গ'ল—চাহিদা নাই, মুনাফা নাই। এতিয়া দিন আহিছে ঠিকাৰ। নেদেখিছেনে এজন এজনকৈ প্ৰত্যেক কাৰবাৰীয়ে ঠিকাত ধৰিছে, লাভ কৰিছে। সেই শইকীয়াৰপিনেই চাওকচোন। আজি এবছৰৰ ভিতৰতে তেওঁ কি মানুহ কি হৈ পৰিল। কাৰবাৰ-চাৰবাৰ মিছা, কিন্তু ঠিকাত মান-ইজ্জত আছে, টকাও আছে। মোৰ কাৰণে আপুনি এটা যোগাৰ কৰি দিয়ক। হেলা নকৰি আপুনি ভৰালীক এষাৰ ক'লে মোৰ কাম হৈ যায়।"

"আপুনি ভৰালীৰ কথা বাৰে বাৰে কৈছে কিন্তু তেওঁচোন ঠিকাৰ মালিক নহয়।" বৰুৱাই মাজতে প্ৰশ্ন তুলিলে।

"আপুনি কয় কি? ভৰালী ঠিকাৰ মালিক নহয় সঁচা, কিন্তু তেওঁ মালিকৰ বাপেক। আজিকালিৰ কাণ্ড-কাৰখানা বেলেগ। আজিকালি মালিকৰ ওপৰতো মালিক আছে। ভৰালীও তেনে। নেদেখিছেনে বৰমূৰীয়া-সকল আটায়ে তেওঁৰ তলত। সেই আহমদৰ ঘটনা বোধহয় আপুনি পাহৰা নাই। ভৰালীক তেওঁ হেনো খাটিৰ নকৰিলে। পিচে পাইছে নহয় মজা-পালি। ল'ৰা-তিৰোতাক ঘৰতে এৰি এতিয়া গাৱো পাহাৰত আলু-কচু খাব ধৰিছে। বুজিছে মাষ্টৰবাবু, দহ দিনতো কৰিব নোৱাৰা কাম ভৰালীৰ কৃপাদৃষ্টি হলে এদিনতে খতম হয়।"

"এৰা ডাঙৰ মানুহৰ কথা। সকলোৰে লগত খাটিৰ-বাতিৰ আছে নহয়। বাৰু, আপোনাৰ যদি কিবা উপকাৰ হয় কম বাৰু, এষাৰ মুখৰ কথাহে।"

হাজৰিকা আনন্দত জপিয়াই উঠিল। "শুনক মাষ্টৰবাবু, যদি মোৰ এই কাম সিদ্ধি হয়, তেন্তে মই যি ভাবিছোঁ, ভাবিছোঁ। আপুনিও সদায় সন্ধিয়া আহোঁতে যাওঁতে কষ্ট পায়। ইপিনে ঠাণ্ডাও পৰিছে বেছ। মোৰ নিজৰেই লাজ লাগে। মোৰ ঘৰৰ ল'ৰাক পঢ়ায় আপুনি, অথচ আপোনাৰ গাত এটা গৰম কোট নাই। টকা থাকক নাথাকক মোৰ এটা গৌৰৱ আছে। মৰি গলেও তাক এৰিব নোৱাৰোঁ। নহয়।"

"শুনিছে হাজৰিকা, আমি মাণ্টৰ জাতিটো আনৰ গৌৰবেৰে গৌৰৱান্বিত আনৰ ভাগ্যেৰেই ভাগ্যৱান। মানুহে ডাঙৰ ডাঙৰ কথা কয়, আমাক ধৰ্মৰাজ যুধিষ্ঠিৰ পাতে কিন্তু আমাৰ পেটৰ ভোক, গাৰ ফটা কাপোৰ নুশুছে।"

"দুখ নকৰিব মাণ্টৰবাবু। দিন ফিৰিব। আৰু যদি মোৰ এই কাম-টোৰ দিহা হয়হে তেন্তে—নাই, এতিয়া সেইবোৰ নকওঁ, কৈ লাভ নাই। ই ভাগ্যৰ কথা। আই লক্ষ্মী সুপ্ৰসন্না হলে এদিনতে সকলো ওলট পালট হৈ যায়। পিচে ৰাতিও হয়। আপোনাক বেছি সময় আমনি নিদিওঁ। আপুনি যেনেতেনে কাইলৈ ভৰালীৰ লগত কথা হ'ব। পৰহিলৈ মই তেওঁৰ ওচৰ পাম।"

"বাৰু সেইটো হ'ব। ই একো টান কাম নহয়।" বৰুৱা হাজৰিকাৰ ঘৰৰপৰা উঠিল শুদা হাতে কিন্তু শুদা মনে নহয়। হাজৰিকাৰপৰা তেওঁ মনৰ খোৰাক পাইছে, তাকেই ভাবিছে, পাগুলিছে, বাটে বাটে গৈছে—সেই ঠেক ৰাস্তাটোৰ মাজে মাজে, জোঙা জোঙা শিলগুটিবোৰৰ ওপৰেদি।

হাজৰিকা আৰু ভৰালীৰ আত্মীয়তা সোনকালে গঢ়ি উঠিল। ভৰালী সৰবৰহী লোক। তেওঁ মানুহ চিনি পায়। কাৰ মাজত নিজক বিলাই দিব লাগে সেইটো তেওঁ ভালকৈয়ে জানে। আজি ছবছৰে তেওঁ মানুহৰ লগত লেন-দেন কৰিছে, কাকো আশা দিছে, কাকো চাকৰি দিছে, কাকো টিন-পাত দিছে। এনে এজন লোকে হাজৰিকাৰ যোগ্যতা, বাক্‌পটুতা, কৰ্মপটুতা এদিনতে ধৰি পেলোৱা একো আচৰিত নহয়। ভৰালীৰ ওচৰত যোগ্যৰ সমাদৰ সদায় আছে। সেই বাবে হাজৰিকাৰ মনোবাঞ্ছা সোনকালে পূৰ্ণ হ'ল—দুই লাখ টকাৰ গজ্‌গজীয়া ঠিকা হাততে মিলিল।

কেইদিনমান আগতে ফেঁচাটোৰ দৰে মন মাৰি বহি থকা হাজৰিকাৰ এতিয়া তৰণি নাই। তেওঁৰ ঘৰত লোকৰ সমাগম বাঢ়িছে। বনুৱা, মহৰী, ওভাৰ-চিয়াৰ এইবোৰৰ কথাকে নকওঁ, স্বয়ং ভৰালীয়ে মাজে সময়ে তেওঁৰ বঙলাত পদাৰ্পণ কৰি কথা পাতে, চাহ খায়, চুৰট পোৰে। ৰমেন বৰুৱাও আগৰদৰে তেওঁৰ ঘৰলৈ যায় কিন্তু কথা নাপাতে, চাহ নাখায়, চুৰট পুৰিলেও নিজৰ জেপৰপৰা উলিয়াই পোৰে।

ৰমেন বৰুৱাৰ পাওনা তিনি কুৰিলৈ উঠিল। ভোগালী বিহুৰ ওচৰ চাপিছেহি। বিহুৰ আগে আগে টকা কেইটা পালে তেওঁ ৰক্ষা পৰে। ল'ৰা-ছোৱালীকেইটাৰ সৰস্বতী পূজাৰ চাঁদা দিব লাগে, জাৰৰ কাপোৰো লাগে। তদুপৰি বিহুৰ বাবে সাধাৰণ হলেও অলপ যোগাৰ লাগে। আজি তিনি দিন চেষ্টা কৰিও তেওঁ হাজৰিকাক লগ পোৱা নাই। সিদিনা হাজৰিকাই নিজে তেওঁক মাতি পঠিয়াইছে বাবে তেওঁৰ মনত অপাৰ আনন্দ, পাবৰ আশাত, টকাৰ মায়াত।

"বহক মাষ্টৰবাবু, ভাল কামটো হাতত ললোঁ বুজিছেনে? দিনৰ দিনটো তৰণি নাই, ৰাতিও টোপনি নাই। আগেয়ে জনাহেঁতেন এনে কামত হাত নিদিলোঁহেঁতেন। কিন্তু এতিয়া উপায় নাই—আগুৱাবলৈকো টান পাওঁ, উভতিবও নোৱাৰোঁ।"

"ওভতে কেলেই? দুই লাখ টকাৰ ঠিকা যেতিয়া ডেৰলাখ মানৰ কাম দেখুৱালে নহ'ব জানো?"

"ইঃ ৰাম ৰাম আপুনি কয় কি? আনৰ দৰে তালি-বাজি মাৰিবলৈ গলে মোৰ জানো মান-সন্মান ৰ'ব। লাগিলে মোৰ ঘৰ-মাটিকেই বেচিম, তথাপি কাম কেচা নকৰোঁ। মান-ইজ্জততকৈ টকা ডাঙৰ হ'ব নোৱাৰে। আনে সেইটো নুবুজিব পাৰে কিন্তু সদানন্দ হাজৰিকাই তাক ভালকৈ বুজে।"

সুযোগৰ অপেক্ষাত বৰুৱাই কাণ থিয়কৈ শুনি আছে। সিদিনাও শুদা হাতে উলটিব লগা হ'লে তেওঁৰ বিপদ হ'ব।

"ইয়াৰ কাৰণেই খৰচ কৰোঁ, টকা ঢালি দিওঁ—দুকুৰিৰ ঠাইত চাৰি কুৰি, এশৰ ঠাইত দুশ। কন্ট্ৰোলৰ বজাৰ গ'ল। কোনো বেটাই খুঁত উলিয়াব নোৱাৰিলে আৰু এতিয়া যদি ঠিকাকেই কৰোঁ, তাতো আপোনাৰ আশীৰ্বাদত কেৱে নোৱাৰে। পূজা-সেৱাৰ যোগাৰত মই ত্ৰুটি নকৰোঁ। আজি আপোনাৰ লেঠাটোও মাৰিব খুজিছোঁ। জাৰ পৰিছে, অহা-যোৱাত আপোনাৰো কষ্ট হৈছে দেখি মোৰ ভাল লগা নাই। আপোনাৰ বাবে এইটো শিবলঙৰপৰা ফৰ্মাচ কৰি অনাইছোঁ। আপুনি গাত দি ফুৰিলে বৰ আনন্দ পাম। লগতে এবুৰি টকাও লৈ যাওক। বিহুৰ খৰচ লাগিব।"

চকীৰপৰা উঠি হাজৰিকাই বৰুৱাৰ হাতত এটা গৰম কোট তুলি দিলে। অনুৰোধ এৰাব নোৱাৰি ক্ৰমতেই তেওঁ কোটটো পিন্ধিলে। আঁঠুৰ তললৈকে ওলমি পৰা দীঘল কোটটো, চকলেট ৰঙৰ, মিহি, নিমজ অথচ বেছ গৰম। বৰুৱাই চোলাটো পিটিকি আছে আনন্দত, লাজত। হাজৰিকাই একেথৰে বৰুৱাৰপিনে চাই আছে। তৃপ্তিৰ মিচিকিয়া হাঁহিয়ে তেওঁৰ মুখখন পোহৰ কৰি তুলিছে।

"ডিঙিৰ বুটামটো অলপ টান হয়নেকি?" মাতো নামাতোকৈ বৰুৱাই নিস্তব্ধতা ভঙ্গ কৰিলে।

"নাই, দুদিন পিচতে সেইটো ঠিক হৈ যাব। বেছ শুৱাইছে আপোনাক। গাৰ ৰঙৰ লগত ৰজিতা খাই পৰিছে। বুজিছে মাষ্টৰবাবু, মই এক কথাৰ মানুহ। মৰিব পাৰোঁ তথাপি জবান এৰিব নোৱাৰোঁ। আপোনাৰ উপকাৰ মই পাহৰা নাই। এসপ্তাহ আগতে এইটো আপোনাক পাওনা কৰিব পৰা হলে মনত বেছি আনন্দ লাগিলহেঁতেন। কিন্তু মনত ভাবিলোঁ, দিব খুজিছোঁ যেতিয়া মাল চকুত লগা হ'ব লাগে। মনত লগা মাল ইয়াত নাই। সেই বাবে শিবলঙৰপৰা অনোৱা ঘটং মটঙত অলপ দেৰি হৈছে।"

ৰমেন বৰুৱাই কথা বিচাৰি পোৱা নাই। কোটটো পিন্ধি তেওঁ আনন্দিত হৈছে নে নিজকে অপৰাধী বিবেচনা কৰিছে তাকো ভালকৈ ধৰিব পৰা নাই। জীৱনত কেতিয়াও তেওঁ কাৰোপৰা অনুগ্ৰহ ভিক্ষা কৰি পোৱা নাই। নানান কণ্টকো নেওচি জাবে-জহে তেওঁ চলিছে, তথাপি কাৰো ওচৰত তেওঁ অনুগ্ৰহপ্ৰাৰ্থী হোৱা মনত নপৰে। সেই বাবে আজি তেওঁৰ জয় হৈছে নে পৰাজয় হৈছে তাৰ সঠিক সমিধান তেওঁ বিচাৰি পোৱা নাই।

কোটটোৱে তেওঁৰ গাত বেচ উম দিছে। দেখিবলৈকো কোটটো ধুনীয়া। গত্তিকে তাৰ প্ৰতি তেওঁৰ মায়া উপজিছে। সুন্দৰ কাপোৰ, ওপৰত হাত বুলালেও এটা তৃপ্তিৰ শিহৰণ জাগে। হাজৰিকাই ভাল বস্তুকেই আনিছে, দিওঁ বুলিয়েই নিশ্চয় দিছে।

হাজৰিকাৰ ঘৰৰপৰা বৰুৱা ওলাল। তেওঁৰ মনৰ ওপৰত এটি অহৈতুকী চিন্তাৰ অৱসাদ। হাজৰিকাৰ ভুটীয়া কুকুৰটোৱে ভুক্‌ভুক্‌কৈ তেওঁৰ পিচে পিচে খেদি গ'ল—বোধহয় তাৰ ভাষাৰে তেওঁকেই সম্বৰ্দ্ধনা জনাওঁ বুলি। অলপ পিচতে এজন শিক্ষকে আচৰিত হৈ কোটটো লাৰি-চাৰি সযত্নে পৰীক্ষা কৰিলে, তেওঁকো অভিনন্দন জনালে। স্কুল ঘৰত কাম কৰা জমাদাৰটোৱে সিদিনা দূৰতে চালাম দি নীৰৱে তেওঁৰ সুখতে সুখী হোৱা যেন দেখা গ'ল।

বৰুৱাই বেগাই খোজ লৈছে। বাটত ফিৰ্‌ফিৰীয়া চেঁচা বতাহ। কিন্তু সিদিনাৰ বতাহে তেওঁৰ গোটেই গাটোকে থক্ থক্ কৰে কঁপাই তুলিব পৰা নাই। দৰিদ্ৰৰ ওপৰত প্ৰকৃতিৰ এই নিকৰুণ আঘাত সিদিনা ব্যৰ্থ হৈছে আৰু ব্যৰ্থ হৈছে হাজৰিকাৰপৰা পোৱা দুৰ্ভেদ্য কৱচৰ ওপৰত পৰি। ভৰিত এযোৰ মোজা আৰু মূৰত এটা টুপী থাকিলে বৰুৱা সিদিনা মেৰুপৰ্বতৰ শীতৰ লগত যুঁজিবলৈকো সক্ষম। বেচ আৰামত গৈ আছে তেওঁ। হাতৰ আঙুলিকেইটাত অলপ চেঁচা লাগিছিল, কিন্তু জেপৰ ভিতৰত সুমাই লোৱাৰপৰা তেওঁ চেঁচা অনুভৱ কৰা নাই। জোঙা জোঙা শিলবোৰৰ ওপৰত সিদিনা তেওঁৰ খং উঠা নাই। মিউনিচিপালিটিৰ নেতাসকলৰ ওপৰতো অভিশাপ বৰ্ষিত হোৱা নাই। লাহে-ধীৰে গৈ তেওঁ নিজ বাৰাণ্ডাত ভৰি দিছে। তেওঁৰ মৰমৰ টমি ওচৰলৈ লৰি আহিছে কিন্তু আন দিনাখনৰ দৰে নেজ জোকাৰি ভৰিত বাগৰি পৰিবলৈ নহয়। সি আহিছে ৰুদ্ৰমূৰ্তি ধাৰণ কৰি আক্ৰমণ কৰিবলৈ—বোধহয় নাজানি, চিনি নাপাই। কি হ'ল বুলি ঘৈণীয়েক ততালিকে ভিতৰৰপৰা ওলাই আহিল আৰু বৰুৱাক দেখা পাই আচৰিত হৈ সুধিলে, "—ল'ৰাই জাৰত কঁপি কঁপি কলেজলৈ অহা-যোৱা কৰে অথচ এগাল ৰূপ ভাঙি আপুনি এইখন কি কৰিলে?"

"ৰবাচোন ৰবা, একেবাৰে জাত্তিপৰ দৰে নুঠিবা। মোক অলপ উশাহ

লৰলৈ সময় দিয়া” বুলি তেওঁ ঘৰৰ ভিতৰ সোমাল। নিজৰ ভুল বুজিব পাৰি টমিয়েও লাজতে ক্ষমাৰ আশাত যেন তেওঁৰ ভৰিৰ আগতে শুই পৰিছে।

“বুজিছা, বাপ ভঙা নাই। ভাঙিমেই বা ক'ৰপৰা? এইটো হাজৰিকাৰেই দান। সিদিনা যে ভৰালীৰ পৰিবাৰক তুমি হাজৰিকাৰ কথা কৈছিলা, সেইজন হাজৰিকাই। তেওঁ—ঠিকা পাইছে। এয়ে তাৰ বানচ, পুৰস্কাৰ নাইবা যি বোলা, সেয়ে। কেনে দেখিছা? কাপোৰখন হলে বেচ মজবুত আছে দেই—দামো কম নহ'ব, ডেৰ শৰ ওপৰেই পৰিব লাগে।”

বৰুৱাৰ কথা শেষ নৌহওঁতেই পড়া খোটালীৰপৰা কনক বেগেৰে ওলাই আহিল। “কি কয় দেউতা, আপুনি শেষত হাজৰিকাৰপৰা ভেটি ললেনেকি?”

“ভেটি নহয় অ'—পুৰস্কাৰ। তইঁতে একো নুবুজ দেখিছোঁ।” বৰুৱাৰ মনত খং উঠিছে।

“দেউতা, আপুনি এতিয়াই এই কোট ওভোতাই দিয়কগৈ। ইমান দিন আপোনাৰ কোট নোহোৱাকৈ চলিছে, আজিও চলিব। দগাবাজ, লম্পটে আন উপায় নাপাই শেষত এই অস্ত্ৰ প্ৰয়োগ কৰিছে।”

“ৰ চোন ৰ। তইঁত আটায়ে এনেখন কৰিছ কেলেই। হুঁ—মই কি জগৰ লগালোঁ অ' যে এতিয়াই কোট ওভোতাই দিব লাগে?” ভেবা লাগি বৰুৱাই পুতেক আৰু ঘৈণীয়েকৰ মুখলৈ চায়।

“আমি ডেকাদলে অনাচাৰ অত্যাচাৰ ধ্বংস কৰিবলৈ ওলাইছোঁ—নতুন দেশ গঢ়াৰ কল্পনা কৰিছোঁ। যিবোৰ লোকে ষড়যন্ত্ৰ কৰি ৰাইজৰ বিলাই-বিপত্তি নোহোৱা কৰিছে, সেইবিলাকৰ বিপক্ষে আমি একগোট হৈ থিয় দিছোঁ। প্ৰথমতে আমি ভৰালী আৰু শইকীয়াৰ বিপক্ষেই উঠি-পৰি লাগিছোঁ। বুলেটিন ছপা হৈ গৈছে। বৰ বিহুৰ দিনা বিৰাট সভা বহিব, প্ৰস্তাৱ পাছ কৰা হ'ব। আপুনি বুজিব পৰা নাই দেউতা, আনৰ চকুত মোক হেয় কৰিবলৈ তেওঁ এই কাম কৰিছে। আপোনাৰ সৰলতাৰ আঁৰত থাকি তেওঁ নিজ স্বাৰ্থ পূৰণ কৰিবলৈ যত্ন কৰিছে।”

সৰসৰকৈ কনকে সকলো কথা কৈ যায়। বৰুৱাই কথাটোৰ ভিতৰলৈ সোমাব পৰা নাই, সোমাবৰ চেষ্টাও কৰা নাই। ল'ৰাৰ টান কথা শুনি তেওঁৰ ভাল লগা নাই। বিশেষতঃ ডেকাসকলে মুখৰ কথাৰে দেশ উদ্ধাৰ কৰা নীতি তেওঁ সমৰ্থনো নকৰে।

“তই এইবোৰ কি বলকিছ। মই হাজৰিকাৰ ল'ৰা পঢ়াওঁ। ধনী মানুহ তেওঁ। নিদিলে, এই চোলাটো তেওঁ মোক দিলেই। তইঁতৰ কি হ'ল অ'? নোৱাৰোঁ, এই চোলা মই ওভোতাই দিব নোৱাৰোঁ। মানুহজনে কেনে পাব। তেওঁ ভালেই হওক বা বেয়াই হওক মোক সেইবোৰ কেলেই

লাগিছে। মই নিজেই তেওঁক অপমান কৰিব নোৱাৰোঁ। তথাপি তহঁত আটাইৰে আপত্তি যেতিয়া নে, এই চোলা মই দুনাই গাত নিদিওঁ। তহঁতৰ যি ইচ্ছা তাকে কৰগৈ।"

খণ্ডতে বকৰাই কোটটো সোলোকাই ঘৈণীয়েকৰ ভৰিৰ আগত দলিয়াই পেলাই দিলে। ওচৰত শুই থকা টমিয়ে জপিয়াই চোলাৰ এমূৰত কামুৰি ধৰি বাহিৰলৈ চোচোৰাই লৈ গ'ল।

# ৰাধিকামোহন গোস্বামী

(১৯০৬—  )

একাধাৰে গল্প-লেখক, উপন্যাসিক আৰু সাংবাদিক ৰাধিকামোহন গোস্বামীৰ গল্প সংখ্যাত সৰহ নহয় যদিও সেইবোৰৰ সাহিত্যিক গুণ আৰু সামাজিক তাৎপৰ্যৰ ফালৰপৰা তেওঁৰ গল্প-কেইটা অসমীয়া সাহিত্যত বিশেষভাৱে চিহ্নিত হবৰ যোগ্য। পৰিবৰ্ত্তনৰ ধুমুহাত বিপৰ্যস্ত আৰু দিগভ্ৰান্ত হোৱা মধ্যবিত্ত জীৱনৰ তেওঁ এজন সাৰ্থক ভাষ্যকাৰ। সমসাময়িক কাল আৰু সমাজৰ তেওঁ এজন সূক্ষ্ম পৰ্যবেক্ষক। তেওঁৰ ৰচনাত দুটা বৈশিষ্ট্য বিশেষভাৱে লক্ষ্য কৰা যায়। এহাতে তেওঁ এই সমাজখন যেনেভাৱে দেখিছে ঠিক তেনেভাৱেই কল্পনাৰ বোল নসনাকৈ হুবহু বৰ্ণনা কৰিছে। এই সমাজৰ অৰ্থনৈতিক সমস্যা, নৈতিক দণ্ড, মূল্যবোধসমূহৰ পৰিবৰ্তন আৰু অৱ-মূল্যায়ন---এই আটাইবোৰ কথা তেওঁৰ গল্পত যথাযথ ৰূপত চিত্ৰিত হৈছে। তেওঁৰ বৰ্ণনা সম্পূৰ্ণৰূপে বাস্তৱবাদী। কিন্তু আনহাতে তেওঁ জীৱনৰ কেতবোৰ মৌলিক নীতি আৰু মূল্য-বোধত আস্থাশীল। অনেক সময়ত তেওঁ এইবোৰ নীতি আৰু মূল্যবোধৰ মাপ-কাঠিৰে তেওঁৰ চৰিত্ৰবোৰক জুখিবলৈ প্ৰয়াস কৰিছে আৰু স্থল-বিশেষে তেওঁৰ নৈতিক ৰায় ঘোষণা কৰিছে। অৱশ্যে সকলো ক্ষেত্ৰতেই যে তেওঁৰ এই নৈতিক মাপ-কাঠিৰ সুপ্ৰয়োগ ঘটিছে সেই কথা কব নোৱাৰি। উদাহৰণ স্বৰূপে তেওঁৰ অন্যতম শ্ৰেষ্ঠ গল্প নিয়তিৰ কথাকে উল্লেখ কৰিব পাৰি। ভয়ংকৰ দাৰিদ্ৰ্যই কমলৰ বিবাহিতা পত্নী চম্পাক নিজৰ দেহ বিক্ৰী কৰিবলৈ বাধ্য কৰিছে। সিহঁতৰ অৱস্থা এনেকুৱাই হৈ পৰিছে যে কমলে নিজে হাতত ধৰি ধৈণীয়েকক আনৰ বিচনালৈ লৈ গৈছে। এই ক্ষেত্ৰত লেখকৰ নৈতিকতাবোধ সম্পূৰ্ণ নীৰৱ হৈ পৰিছে। বিবাহিত জীৱনৰ পবিত্ৰতা বা সতীত্বৰ দোহাই দি তেওঁ এবাৰৰ কাৰণেও চম্পাৰ ওপৰত ক্ৰুদ্ধ অভিশাপ বৰ্ষণ কৰা নাই। বৰং তেওঁ যেন নীৰৱে স্বীকাৰ কৰি লৈছে যে সতীত্ব, সন্মান, নৈতিকতা আদি মূল্যবোধবোৰ ধ্ৰুব বা অপৰিবৰ্তনীয় নহয়, সেইবোৰ বৰং মানুহৰ আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। "কিন্তু সংসাৰ যিমানেই অচল হৈ আহিবলৈ ধৰিলে, তাইৰ মনৰ দৃঢ়তাও যেন সিমানেই কমি গ'ল। তাইৰ অন্তৰে বিচাৰিলে অকণমান পুতৌ, একাষাৰ স্নেহৰ মাত, অলপমান দয়া।"........"কিন্তু আজি যেন কমল এই সকলোবিলাকৰ ওপৰত। আজি যেন কোনো সামাজিক বন্ধনৰ মাজত কমল আৰু নাই।"--মানব-দৰদী লেখকে ইয়াত স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে যিখন সমাজে ব্যক্তিক সন্মানজনকভাৱে জীয়াই থকাৰ সুযোগ আৰু অধিকাৰ দিব নোৱাৰে, সেইখন সমাজৰ ব্যক্তিৰপৰা নৈতিক আচৰণ-বিধি আৰু সংস্কাৰৰ প্ৰতি আনুগত্য দাবী কৰিবলৈ কোনো অধিকাৰ নাই। কিন্তু সমস্যাৰ স্বৰূপ ইমানদূৰ পৰ্যন্ত উপলব্ধি কৰাৰ পিচতো লেখকে নগ্ন বাস্তৱৰ মুখামুখি হ'বলৈ সাহস কৰিব পৰা নাই, তেওঁ নিজৰ থুনুকা আদৰ্শবাদৰ লগত অৱশেষত দুৰ্বলভাৱে আপোচ কৰিছে। কাৰণ গল্পৰ নামটোৱেই কয় যে তেওঁৰ মতে কমল আৰু চম্পাৰ নিৰ্চিনা মানুহবোৰৰ মৰ্মন্তুদ ট্ৰেজেডীৰ মূল কাৰণ এক দুশ্চৰিত্ৰ আৰু নিৰ্বিবেক সমাজ-ব্যৱস্থা নহয়, সি হ'ল 'নিয়তি'। আদৰ্শ আৰু বাস্তৱৰ লগত এই অৰ্থহীন দ্বন্দ্বই ৰাধিকামোহন গোস্বামীৰ জীৱন-বীক্ষাৰ প্ৰধান ব্যৰ্থতা।

অৱশ্যে লেখকৰ আদৰ্শবাদী জীৱনবোধ আৰু বাস্তৱ অভিজ্ঞতাৰ মাজত এই সংঘাত সকলো সময়তেই যে তাৎপৰ্য-ৰহিত হৈছে এনে নহয়। সমস্ত প্ৰতিকূল অৱস্থাৰ মাজতো মৌলিক সততাৰ প্ৰতি তেওঁৰ অবিচল আস্থাই তেওঁৰ গল্পবোৰৰ মানবীয় আবেদন বঢ়াই নোতোলাও নহয়। চক্ৰবাত গল্পৰ দুখীয়া উকীলজনে নিজৰ সততা আৰু বিবেক বিসৰ্জন দিয়াতকৈ কঠোৰ দাৰিদ্ৰ্য আৰু পত্নীৰ গঞ্জনাকে স্বেচ্ছাৰে বৰণ কৰি লৈছে। "মুহূৰ্ত্ততে মোৰ অন্তৰত আৰম্ভ হ'ল এখন

খৈয়া-নখৈয়া যুঁজ। একালে এশ কপ, আনকালে একজন নিৰপৰাধী শিক্ষকৰ বিৰুদ্ধে মিথ্যা গোচৰ। খাজনা, টেক্স, দোকানৰ বাকী, ল'ৰা-ছোৱালীৰ কাপোৰ, স্কুলৰ মাচুল, কিতাপ-কাগজ। ...........এটা এটাকৈ মনৰ মাজত সজাগ হ'লহি। হলি শইকীয়াক মই কেনেকৈ আচামী কৰিম? অনিশ্চিত অস্থিৰ এটা মানসিক অৱস্থা।"

"আপুনি মনে মনে ব'ল দেখোন? কিবা এটা সমিধান দিয়ক।"

মোৰ যেন সপোন ভাগি গ'ল। দ্বিতীয় বাৰলৈ চিন্তা কৰিবলৈ নহ'ল। মই উত্তৰ দিলো: "আপুনি আনৰ ওচৰলৈ যাওক। এই মকৰ্দমা মই কৰিব নোৱাৰিম।"

ষ্টেট ট্ৰেন্সপ'ৰ্ট গল্পৰ দৰিদ্ৰ শিক্ষকজনৰো সেই একেই সমস্যা। সৰ্বগ্ৰাসী দাৰিদ্ৰ্যৰ-পৰা উদ্ধাৰ পোৱাৰ নিশ্চিত পথ তেওঁৰ চকুৰ আগত খোলা হৈ আছে, ঠিকাদাৰ হ'লেই হ'ল। কিন্তু "ভদ্ৰ-সমাজৰ অঙ্গীভূত হৈ থাকি, ছাত্ৰৰ শ্ৰদ্ধাৰ পাত্ৰ শিক্ষক হৈ, ধনৰ কাৰণেই ইমান তললৈ কেনেকৈ নামিম? কোনোবা ছাত্ৰই যদি মোক মদৰ দোকানত দেখে, মোৰ সন্মান ক'ত থাকিব? গাৰ নোম শিয়ঁৰি উঠিল।...........মিলিটাৰী ঠিকাদাৰ মই হ'ব নোৱাৰিলোঁ।"

অৰ্থসৰ্বস্ব পুঁজিবাদী সমাজ-ব্যৱস্থাৰ বিকৃত মূল্যবোধ আৰু বিভিন্ন নৰ-নাৰীৰ জীৱনত তাৰ পৰিণাম আৰু প্ৰতিক্ৰিয়াৰ ছবি ৰাধিকামোহন গোস্বামীৰ গল্পত চিত্ৰিত হৈছে। কিন্তু তেওঁৰ দৃষ্টি অতীতমুখী, ভৱিষ্যতমুখী নহয়। অতীতৰ এক সৰলতৰ জীৱনৰ শান্ত সৌন্দৰ্য আৰু নিৰাপদ মূল্যবোধে তেওঁক হাতবাউল দি মাতে: "পূৰ্ব-পুৰুষসকলৰ কথা মনত পৰে। আমাৰ জীৱনবোধৰ লগত তেওঁলোকৰ তুলনা কৰোঁ। তেওঁলোক পিচ পৰা? অনুন্নত? কি? তেওঁলোক জানো কিছুমান গৰু-গাহৰি আছিল? তেওঁলোকে ৰচনা কৰিছিল সমাজ, সমাজৰ শান্তি-শৃংখলা, নানা বিধি-ব্যৱস্থা। মানৱ দেহ-পিঞ্জৰৰ ভিতৰেদি অনুভৱ কৰিছিল অনন্ত আত্মাৰ ক্ৰিয়া-কলাপ।" (চক্ৰবাত) কিন্তু তেওঁ বোধহয় বিশ্বাস নকৰে যে বৰ্তমানৰ পতিত সমাজ-ব্যৱস্থাৰ পৰি-বৰ্তন নঘটোৱাকৈ উন্নততৰ জীৱন সৃষ্টি কৰিব নোৱাৰি। তেওঁৰ জীৱনবোধৰ এই দ্বন্দ্ব প্ৰায়বোৰ গল্পতে সু-পৰিস্ফুট। কিন্তু কেৱল লেখকৰ আদৰ্শ বা বিশ্বাসৰদ্বাৰাই তেওঁৰ ৰচনাৰ শিল্প-মূল্য বিচাৰ কৰিব নোৱাৰি। যদিও চেখভৰ মৃত্যুৰ কেইবছৰমানৰ পিচতে ৰাছিয়াত বিপ্লৱ হ'ল, কমিউনিজম প্ৰতিষ্ঠিত হ'ল, কিন্তু তেওঁৰ গল্পত বিপ্লৱৰ কোনো পূৰ্বাভাস বা তাৰ প্ৰতি আকাংক্ষা ফুটি উঠা নাছিল। বৰং তেওঁ স্পষ্টভাৱে কমিউনিজমৰ বিৰোধিতা কৰিছিল। কিন্তু সমস্যাৰ সমাধানৰ ইংগিত নথকা কাৰণেই চেখভৰ গল্পৰ শিল্প-মূল্য ক্ষুণ্ণ হোৱা নাই।

গৰুৰ খোজৰ পানীত আকাশ প্ৰতিবিম্বিত হোৱাৰ দৰে গোস্বামীৰ ষ্টেট্ ট্ৰেন্সপ'ৰ্ট, অসমাপ্ত, নিয়তি, চক্ৰবাত আদি গল্পত সমসাময়িক সমাজখন প্ৰতিফলিত হৈছে। গল্পলেখক হিচাপে তেওঁৰ প্ৰধান দুৰ্বলতা এয়েই যে তেওঁৰ গল্পৰ বান্ধনি অতি শিথিল আৰু বৰ্ণনা বিক্ষিপ্ত; সাৰ্থক চুটি গল্পৰ কঠোৰ সংযম আৰু দৃঢ় বান্ধনি তেওঁৰ গল্পত নাই।

# নিয়তি

বহল আলিটোৰ পাৰৰ বাঁহৰে ঢাক খোৱা জুপুৰি ঘৰটোৰ আগফালৰ পিৰালিত অভ্যাসমতে কমল আজিও বহিলহি। ঠিক আগৰদৰেই সেই জীৰ্ণ দেহটো, ময়লা ফটা চোলা-চুৰিয়াযোৰ, বাঁহৰ লাখুটিডাল, সাত তাপলি মৰা

কেনভাচৰ জোতাযোৰ আৰু ঘনাই মৰা শুকান কাহটো। আজিও সাজ লগালৈকে বাটৰ মানুহ চালে—চিনাকি কাৰোবাৰ লগত মাজে-সময়ে হয়তো দুই-এষাৰ কথাও পাতিলে; কিন্তু আনদিনাৰ দৰে সাঁজ লগাৰ লগে লগেই আজি কমল ভিতৰলৈ আৰু নগ'ল। আজিও বৰুৱাৰ গোঁসাই ঘৰত আন-দিনাৰ দৰে আৰতিৰ ডবা, শংখ বাজি গ'ল; ওচৰৰ প্ৰায় ঘৰে ঘৰেই সন্ধ্যাৰ চাকি জ্বলি উঠিল; কিন্তু কমল বহাৰপৰা আৰু নুঠিল। কমলৰ চকু আলিবাটত। কমলে চেষ্টা কৰিছিল, সন্ধ্যাৰ ঘনাই অহা অন্ধকাৰ ঠেলি, দূৰৈৰ আলিবাটত কিবা এটা চাবলৈ; কিন্তু কমলৰ সকলো চেষ্টা ব্যৰ্থ কৰি ক্ষীণ দৃষ্টিশক্তি বেছি আৰু আগুৱাব নুখুজিলে। অগত্যা কমল আলিলৈ আহিবলৈ বুলিয়েই থিয় হ'ব খুজিলে; কিন্তু থিয় হ'বলৈ নৌ পাওঁতেই কমলৰ কাণত পৰিলহি, "আপুনি ভিতৰলৈ নাহে কিয়?"

হাতত চাকি এটা লৈ চম্পা ওলাই আহিল। কমলে উভতি চালে। চকুত পৰিল, চাকিৰ পোহৰত চম্পাৰ মুখখন। কমলে যেন আজি বহুত দিনৰ মূৰত চম্পাৰ মুখখন নতুনকৈ দেখিলে। মুখখন শেঁতা। চকু পৰিল, চম্পাৰ সেই ডাঙৰ ডাঙৰ চকু দুটাত; চকু দুটা যেন ম্লান। আগৰ সেই জ্যোতি এই চকু দুটাত যেন আৰু নাই। যৌৱনৰ অস্থিৰ চঞ্চলতাৰ পৰিচয় এই চকু দুটাই যেন আজি আৰু নিদিয়ে। কমলে দেখিলে, ৰাতিপুৱাই মাজ কপালত লোৱা সেন্দুৰৰ ফোঁটটো এতিয়াও একেবাৰে মচা যোৱা নাই। গোটেই দিনটোৰ নানা উৎপাত, নানা অত্যাচাৰ সহিও সি যেন এতিয়াও জিলিকি থাকিবলৈ পাহৰা নাই। কমলে বুজিলে অযত্নত ধুনীয়া মুখখনৰ কেঁচা সোণৰ বৰণটোও মলিন হৈ গৈছে। আগৰ সেই সুন্দৰ গোলাপী গাল দুখনো আৰু নাই; গাল দুখন ভাঙি গ'ল। দীঘল তিলফুলৰ নাকটোও যেন আগৰ নিচিনাকৈ আৰু ধুনীয়া হৈ থকা নাই। মূৰৰ চুলিবোৰ আউল-বাউল, শুকান। দেখিলেই বুজিব পাৰি, যত্নৰ অভাৱ। কমলে জীৱনত যেন আজি প্ৰথম গম পালে, চম্পা ফুল মৰহি গ'ল। কমলৰ নিজৰ অজ্ঞাতেই হুমুনিয়াহ এটা পৰিল।

কমলে এইদৰে মুখলৈ চাই থকাৰ কোনো অৰ্থ নুবুজি চম্পাই প্ৰশ্ন কৰিলে—"কি চাইছে?"

কমলে উত্তৰ দিলে—"তুমি কিমান যে ক্ষীণালা!"

"মই ক্ষীণোৱাটো এৰকচোন; ছোৱালী দুজনী যে এতিয়াও নোলালহি।"

"তাইহঁতলৈ বাট চায়েই ময়ো ইমান পৰলৈ বহি আছো। আজি কাৰ ঘৰলৈ পঠিয়াইছিলা?"

"হাকিমনীৰ তালৈ। সিদিনা উকীলৰ ঘৰত দেখি তেৱেঁই হেনো তাইহঁতক তেওঁৰ তালৈ মাতি গৈছিল। সেই দুপৰীয়াই খোৱা চাহ-মুড়িৰেই গোটেই দিনটো গ'ল; এতিয়াও ছোৱালী দুজনী নোলালহি।"

"মাই" ৰাস্তাৰপৰা মাত আহিল।—"মাই, ভোক লাগিছে, কি আছে দে অই।"প্ৰায় একে সমবয়সীয়া যেন দুজনী ছোৱালী লৰি ওলালহি। এজনীৰ বয়স সাতৰ ওপৰ, আনজনীৰ প্ৰায় ছয় বছৰ।

"তহঁতৰ ইমান পলম হ'ল কিয় ?" চম্পাই সুধিলে।

"হাকিমনী ঘৰত নাছিল আৰু'।" ডাঙৰ ছোৱালীজনীয়ে উত্তৰ দিলে :

"গুচি নাহিলি কিয় ?" কমলে মাত দিলে।

"ই, মায়ে খং কৰিব যে।"

"হাকিমনীক পালি ? কি দিলে ?" চম্পাই প্ৰশ্ন কৰিলে।

"আমাক দেখি হাকিমনীয়ে ক'লে,—'অ' তহঁত আহিছ, বাৰু বহ।' আমি বহি আছো আৰু। তাৰ পিচত এইটো দিলে।" ডাঙৰ ছোৱালী-জনীয়ে মাকৰ হাতত ছৰতীয়া এটা দিলে।

ছৰতীয়াটো হাত পাতি লৈ চম্পাই ক'লে, "তেওঁ ইয়াকে দিবলৈহে ইমানকৈ মাতিছিল। আৰু কেইঅনামান বেছিকৈ দিয়া হ'লে তেওঁনো কি দুখীয়া হ'লহেঁতেন। তেওঁৰ দেখোন খাওঁতাই নাই। দিনটোও এনেয়ে গ'ল।"

"মাই ভোক লাগিছে অই—" সৰু ছোৱালীজনীয়ে কান্দি উঠিল—"কি আছে দেহি।"

চম্পাৰ অন্তৰখন যেন পুৰি গ'ল। ঘৰত আছেইবা কি, দিয়েইবা কি ? খুদকণ এটাও যে ঘৰত নাই। চম্পাৰ চকুৰ পতা দুখন যেন অকণমান ভিজি গ'ল। অতি কষ্টেৰে ধৈৰ্য ধৰি চম্পাই ক'লে—"অকণমান সময় ৰ মোৰ আই! মই এতিয়াই ভাত ৰান্ধি দিম।"

কিন্তু চম্পাই জানে, ঘৰত আজি খুদকণ এটাও নাই। ক্ষুধাকাতৰ সন্তানক এইদৰে প্ৰবোধ দি ৰখাৰ বাহিৰে চম্পাৰ অইন উপায় আৰু নাছিল।

চম্পাই এতিয়াই ভাত ৰান্ধি দিম বুলি কোৱা শুনিয়েই হ'বলা কমলে প্ৰশ্ন কৰিলে—"ঘৰত জানো চাউল আছে ?"

"তাকেইতো ; এই ৰাতিখন, কাকনো এতিয়া দোকানলৈ পঠিয়াওঁ ? ছোৱালী দুজনীক পঠিয়াবলৈকো তাইহঁতে ভয় কৰিব।...."

"মাই অই !" সৰু ছোৱালীজনীয়ে আকৌ চিঞৰি উঠিল।

"মই এতিয়াই ভাত ৰান্ধি দিম ; অকণমান সময় দেউতাৰৰ গাটো পিহি দেগৈ।—আপুনি ভিতৰলৈ আহক।"

চম্পা ভিতৰলৈ সোমাই গ'ল। চম্পাৰ কথামতে কমল বহাৰপৰা নুঠিল। কিন্তু অলপ সময়ৰ পিচতেই মাত দিলে—"চাওঁ শুনাচোন।"

চম্পা ওলাই আহিল। কমলে প্ৰশ্ন কৰিলে, —"চাউলৰ কি দিহা কৰিলা ? ধনৰ মাকৰ তালৈ যোৱানেকি ?"

চম্পাই কমলৰ কথাৰ উত্তৰ নিদিলে। কমলৰ যেন খং উঠিল,—"কিয়, মই তোমাক ধনৰ মাকৰ তালৈ যাবলৈ মানা কৰিছিলো নহয় ? তাই মানুহজনী ভাল নহয় বুলি তোমাক আৰু কিমান কম ? সেইদিনা তাই পঠিয়ালে সেই মাবোৱাৰীটো, আজি পঠাইছিল চিপাহী এটা ; ৰৰবোপাৰ জয়-গানটো আছেই।"

কমলৰ কথা শেষ হ'বলৈ নাপালে, চম্পাই উত্তৰ দিলে, "আপুনি যে ইমান খং কৰিছে, ধনৰ মাকৰ সহায় নোলোৱাকৈ আপোনাৰ ঘৰখনেইবা চলে কেনেকৈ ? এতিয়া চাউল কেইটাকেনো আনি দিয়ে কোনে ?"

চম্পাৰ কথাকেইটাৰ সত্যতা উপলব্ধি কৰিয়েই যেন কমলৰ লাহে লাহে উঠি অহা খংটো হঠাতেই আকৌ দমি গ'ল। আগতকৈ সংযতভাৱে কমলে ক'লে,—"মই সকলো বুজিছো। তোমাক সাৱধান কৰিবলৈহে এইখিনি কথা ক'লো। কানিৰ লগত তাই কৰিব নোৱাৰা কাম একোৱেই যে নাই। সেই-বোৰ গাঁৱৰপৰা কোনোবা ছোৱালী এজনী মাহেক ৰখায়ে কি হুলস্থুলখন লগালে দেখিছিলাই নহয় ? ঘৰকেইটাও জানিবা সেইবাৰেই ভাল কৰি ললে।--এইবাৰ তাই চকু দিছে তোমাৰ ওপৰত।"

তললৈ মুৰ কৰি চম্পাই শুনি গ'ল, কোনো উত্তৰ নিদিলে। লাজ আৰু অপমানে চম্পাৰ ভিতৰৰ নাৰীসুলভ মৰ্যাদা যেন নিৰ্দয়ভাৱে বিমথিত কৰি চম্পাক হেঁচি ধৰি মাটিৰ লগত লগ লগাই দিব খুজিলে। চম্পা নিৰুত্তৰ হৈ আৰু কিছুপৰ থিয় দি ৰ'ল। কিবা যেন ভাবিলে। তাৰ পিচত আকৌ লাহে লাহে ভিতৰলৈ সোমাই গ'ল।

"বাই, অ' বাই!" চম্পাই ওচৰৰে ঘৰ এটাৰ কাষলৈ গৈ মাত দিলে। কেবাবাৰো মাতিলে ; কিন্তু এবাৰো প্ৰত্যুত্তৰ নাহিল। চম্পাই বুজিলে, ধনৰ মাকৰ ওফোন্দ এতিয়াও ভঙা নাই ; ওফোন্দৰ কাৰণ চম্পাই জানে। চম্পাই আকৌ মাত দিলে,--"বাই, কিয়নো খং কৰিছ ? মোৰনো কিটো আছে, তই যে ইমান খং কৰিছ ?"

ধনৰ মাক ওলাই আহিল। মিঠা বৰণীয়া, আদবয়সীয়া এজনী শকত মানুহ। গাত এখন ৰঙা পাৰিৰ শাৰী, ভৰিত এযোৰ চটিজোতা, মুখত এমোকোৰা তামোল। মানুহজনীক দেখি যেন ভাল লাগিব নোখোজে। ওলাই আহিয়েই চম্পাক ক'লে,—"কি হ'ল ? এই দুপৰ ৰাতিখন চিঞৰিছহি কেলেই ?" চম্পা নিৰুত্তৰ।

"কিবা টানত পৰিছ হ'বলা ? কি নাই, লোণ নে চাউল ?"

কথাকেইটাৰ তীব্ৰতাই চম্পাৰ হিয়া ভেদি গ'ল। অতি কষ্ট পাইছিল যদিও চম্পাই সহি ৰ'ল। উত্তৰ দিবলৈ চম্পাই যেন কথাকে বিচাৰি নাপালে।

ধনৰ মাকেই কৈ গ'ল,—"মোৰ লগত তহঁতৰ কিহৰ খাটিৰটো। তই হলি ভাওৰ মানুহৰ জীয়ৰী, আমি হলো —"

চম্পাই ধনৰ মাকৰ এনে কটু কথাত অপমান বোধ কৰিলে, লাজ পালে। মুখৰ আগতে গালি পাৰি টান মাতেৰে উত্তৰ দিবৰ ইচ্ছা হ'ল ; কিন্তু চম্পাই ইমানখিনি কৰিবলৈ সাহ কৰিব নোৱাৰিলে। আকৌ চম্পা মনে মনেই ৰ'ল, জানে, ধনৰ মাকৰ ইমান অসন্তোষৰ কাৰণ ক'ত।

চম্পাৰ এই নিস্তব্ধতা ধনৰ মাকে বুজিলে আনদৰে। নিৰাশাৰ দুশ্চিন্তা যেন মনৰপৰা আঁতৰিল। স্বাভাৱিক কৰ্কশ মাতটো যথাসম্ভৱ মিহি কৰি উপদেশৰ ছলেৰে ধনৰ মাকে আকৌ আৰম্ভ কৰিলে,—"তহঁতৰ দুখ দেখি, ছোৱালী দুজনীৰ কষ্ট দেখিয়েই কেতিয়াবা কিবা কওঁ। তহঁতে পাৰ বেয়া। পইচা পাবি তই, সুখ হ'ব তোৰ, মোৰ কিটো ? পইচা হলেই সকলো বুজিছ ? তই আজি 'হু' বুলি কচোন কোনটোৱে তোৰ ভৰিত নধৰেহি। সিদিনা তোলৈ বুলিয়েই বৰ বোপায়ে দহটকাৰ নোট এখন মোৰ হাতত গুজি দিলেহি। পিচে তোৰ মন নাপাওঁ বুলিয়েই মোৰ আনিবলৈ সাহ নহ'ল। বাসুদেউ কেঞা, ফটিকু চিপাহী ইহঁতৰ কথা মই নকওঁৱেই।"

চম্পাই শুনি গ'ল--বৰবোপা—দহটকীয়া নোট, বাসুদেউ কেঞা, ফটিক চিপাহী। লাজত যেন চম্পাই মৰি যাব বিচাৰিছিল। পিঠিত দাৰিদ্ৰ্যৰ দুঃসহ বোজা ; সমুখত মৃত্যুমুখী স্বামী; ক্ষুধাকাতৰ সন্তান। খাবলৈ নাই ভাত, পিন্ধিবলৈ নাই কাপোৰ, থাকিবলৈ নাই ঘৰ। অভাগী চম্পাৰ দুখত গোটেই জগতখনেই যেন দুঃখিত—সকলোৱেই যেন তাইক সহায় কৰিবলৈ প্ৰস্তুত। কিন্তু এই সাহায্যৰ, এই ব্যগ্ৰতাৰ মূল ক'ত ? যদি ই চম্পাৰ দেহৰ বিনিময়ে হ'ব লগা হয় ? চম্পাই উত্তৰ বিচাৰি নাপালে। উত্তৰেইবা দিব কি ? এনে নিৰ্লজ্জ, এনে হৃদয়হীন কিনা-বেচা কৰা কথাৰ উত্তৰ দাৰিদ্ৰ্য-পীড়িত চম্পাই কি দিব ?

চম্পাৰ নিৰুত্তৰত ধনৰ মাকৰ উৎসাহ যেন বাঢ়ি গ'ল। "তোৰ মান-সম্ভ্ৰম যাতে হানি নহয়, তাৰ চেষ্টা কৰিম। তোক দহজনৰ আগত হাঁহি-য়াতৰ পাত্ৰী কৰিবও মই খোজা নাই। তই মোৰ পৰামৰ্শমতে মাত্ৰ চলিবি।"

চম্পা ইমানপৰ তললৈ মূৰ কৰি থিয় দি আছিল। ধনৰ মাকে এতিয়াহে যেন বুজিলে, চম্পাক ইমানপৰ বাহিৰত থিয় কৰি ৰখোৱা ভাল হোৱা নাই। "চম্পা ভিতৰলৈ আহ। বাহিৰত কিয় আছ ? এই ৰাতিখননো কিয় আহিলি ?"

চম্পা যেন ৰক্ষা পৰিল। ধনৰ মাকৰ হিতোপদেশ অসহ্য হৈ আহি-ছিল। চম্পাই তৎক্ষণাৎ উত্তৰ দিলে,—"ধনক বিচাৰি আহিছিলো। ঘৰত চাউল এটাও নাই, ৰাতিও হ'ল।" চম্পাই ছৰতীয়াটো ধনৰ মাকলৈ আগ-বঢ়াই দিলে।

"পইচা থচোন। দোকানলৈ এতিয়া পঠিয়াওঁ কাক? ধনো ঘৰত নাই।" ধনৰ মাকো কিছুপৰ নিতাল মাৰি ৰ'ল। কিবা এটা যেন ভাবিলে। তাৰ পিচত মাত দিলে,—"লাভেশ্বৰী, অ' লাভেশ্বৰী!" চম্পাই বুজিব নোৱাৰিলে, ধনৰ মাকে এইদৰে কাক মাতিলে। নামটো চম্পাই এই প্ৰথম শুনিলে।

অলপ সময় পিচত চম্পাই দেখিলে. বহল মুখেৰে ক'লা অচিনাকি গাভৰু এজনী হাতত চাকি এটা লৈ ওলাই আহিছে। মানুহজনী ওখ, ডাঙৰ; হাত-ভৰিবোৰ লোদোৰ-পোদোৰ মঙহৰে ভৰা। মানুহজনীৰ গাত ক'লা ফুল দিয়া গোলাপী ৰঙৰ এখন শাৰী। মাজ কপালত ডাঙৰকৈ মৰা এটা সন্তীয়া সেন্দুৰৰ ফোঁট। পৰিপাটিকৈ ফণিওৱা মূৰটোত ছটামান ক্লিপ জকমকাব লাগিছে। মানুহজনীৰ চেহেৰা আৰু সাজপাৰৰ পৰিপাটি চম্পাৰ চকুত ভাল নালাগিল। মানুহজনী কোন, চম্পাই চিনিব নোৱাৰিলে যদিও চম্পাৰ বুজিবলৈ আৰু বাকী নাথাকিল যে ধনৰ মাকৰ এইটো এটা নতুন চিকাৰ।

মানুহজনীয়েও চম্পাক বোধহয় এই প্ৰথম দেখিলে। চম্পাক দেখিয়েই চম্পাৰ মুখলৈ চাই থমক খাই ৰ'লহি। সূক্ষ্ম দৃষ্টিৰ ধনৰ মাকে চম্পাৰ আগত এই গাভৰু গৰাকীৰ ৰূপটো তেনেই কদাকাৰ দেখিয়েই বোধকৰো ক'লে,—"কি চাই আছ? ৰূপতকৈ গুণৰহে আদৰ। তোৰ গুণ দেখিলে তোৰ লগত কোন পৰি নমৰিব। বৈ থাকিব নালাগে যা, সৌ পাচিটোত থকা চাউল কেইটামান খৰাহি এটাত লৈ আহগৈ।"

গাভৰু গৰাকীয়ে ধনৰ মাকৰ কথাকেইটা যেন ঠিক ধৰিব নোৱাৰিলে; থিয় হৈ ৰ'ল। ভিতৰলৈকো নগ'ল, ধনৰ মাককো কোনো প্ৰশ্ন নকৰিলে। ধনৰ মাকে গাভৰুগৰাকী এইদৰে বৈ থকা ভাল নাপালে—"তই মানুহজনী বৈ থাকিলি কিয়? তহঁতৰপৰা আৰু একো নহয় দেখিছোঁ।" ধনৰ মাক নিজেই ভিতৰলৈ সোমাই গ'ল।

সেই ৰাতি কমলে মুখত ভাত দি সেহাই সেহাই নিজেই আৰম্ভ কৰিলে, "এৰা মানুহজনী নোহোৱা হলে যে কি অৱস্থা হ'লহেতেন ক'ব নোৱাৰি। আমাৰ কষ্ট দেখিয়েই নানা কথাবোৰ কয়; নহলেনো কি স্বাৰ্থটো আছে?"

সেইদিনাই সন্ধ্যা কমলে কোৱা কথাখিনি চম্পাৰ মনত পৰিল। চম্পাই বুজিলে, কমলৰ কথাকেইটা অকল কৃতজ্ঞতা প্ৰকাশৰ চিনেই নহয়, ই দৰিদ্ৰৰ নিঃসহায় অৱস্থাৰ অকাট্য প্ৰমাণো। তাই কোনো প্ৰত্যুত্তৰ নিদিলে, মনে মনে ৰ'ল।

সেই চুবুৰিটোৰ কোনেও আজিলৈকে নাজানে, কমল কোন, কমলৰ ঘৰেইবা ক'ত, কমলৰ বংশ পৰিয়াল, মিটিৰ-কুটুমেইবা কোন? সকলোৱে জানে কমল মটৰ ড্ৰাইভাৰ। ইয়াতকৈ বেছি কমলৰ বিষয়ে আৰু কোনেও

একো নাজানিছিল। বহুতে বহুত ৰকমৰ গল্প সৃষ্টি কৰিলে। কোনো কোনোৱে মত প্ৰকাশ কৰিলে, কমল কোনোবা ডাঙৰ মানুহৰ ঘৰৰ দ'ৰা; চম্পাক পলুৱাই আনি ইয়াতে আছেহি। কোনোৱে বিশ্বাস কৰিলে, কোনোৱে নকৰিলে। কিছুমানে ক'লে, চম্পাহে ডাঙৰ ঘৰৰ জীয়ৰী, কমল নহয়। কমল যাৰ ঘৰত ড্ৰাইভাৰ আছিল, তেওঁৰ জীয়েকক পলুৱাই আনি এইখিনি পাইছেহি। কিন্তু কোনেও সঠিককৈ আজিও ক'ব নোৱাৰিলে, কমল-চম্পা আচলতে কোন। কিন্তু লাহে লাহে অনুমানৰ ওপৰত সৃষ্ট গল্পই সত্যৰ আকাৰ ধৰিলে, সকলোৰে মনত বিশ্বাস জন্মিল, কমলে চম্পাক পলুৱাই আনি ইয়াত লুকাই আছেহি। কমলৰ ওপৰত চুবুৰিটোৰ মানুহৰ ভাব যেন বেয়া হৈ গ'ল। কমল দুষ্ট, অসৎ, বিশ্বাসঘাতক। কিন্তু সেই চুবুৰিটোত আঠ বছৰেও কোনেও ক'ব নোৱাৰিলে, কমলৰ দুষ্টামি, অসততা কোনখিনিত।

প্ৰথম চুবুৰিটোলৈ আহি চম্পাই কিছুদিনলৈ আহুকাল পাইছিল—নতুন ঠাই, নতুন মানুহ, নতুন ঘৰ-দুৱাৰ। কিন্তু লাহে লাহে চম্পা খাপ খাই পৰিল। চম্পাই বিচাৰি উলিয়ালে, এখন সমাজ, অহাযোৱা কৰিবলৈ পালে, কেইঘৰমান মানুহ। চম্পাৰ দিনবিলাক আগুৱাবলৈ ধৰিলে। চাওঁতে চাওঁতেই চম্পাৰ সংসাৰ বাঢ়ি আহিল-দুজনী ছোৱালীয়ে চম্পাৰ সংসাৰত দেখা দিলেহি। অকলে থাকিবলৈ মন নোযোৱা ঘৰখনত চম্পাই দেখিলে আনন্দৰ ছবি, শুনিলে কেঁচুৱাৰ নিৰ্মল হাঁহিৰ খলকনি। লাহে লাহে যেন এক দুইকৈ চম্পাৰ দুখৰ দিনবিলাক আঁতৰিবলৈ ধৰিলে। চম্পায়ো নিজে সদায় চেষ্টা কৰিছিল, এই নতুন সমাজত দিনবোৰ সুখেৰে কটাবলৈকে। কিন্তু এই চেষ্টাৰ মাজতো, এই পৰিবৰ্তনৰ ভিতৰেদিও অতীতৰ দুই-এটা কথাই মাজে মাজে ভুমুকি মাৰি চম্পাৰ অন্তৰত অশান্তি সৃষ্টি নকৰাকৈ নাছিল। কেতিয়াবা চম্পাৰ মনত পৰে ছোৱালীকালৰ দিনকেইটালৈ, মোমায়েকৰ ঘৰলৈ—মোমায়েক-মামীয়েকৰ স্নেহলৈ, মোমায়েকৰ ল'ৰা পুতুললৈ। মাক-বাপেকৰ কথা চম্পাৰ মনত নপৰে। মনত পেলাবলৈকো চম্পাই কোনোদিনে বৃথা চেষ্টা কৰা নাই। চম্পাৰ মনত পৰে, জ্ঞান হোৱাৰেপৰা চম্পা মোমায়েকৰ ঘৰতেই। মোমায়েকেই চম্পাৰ দেউতাক, মামীয়েকেই চম্পাৰ মাক। মোমায়েক-মামীয়েকৰ কথা মনত পৰিলেই যেন চম্পাৰ মনটো কেনেবা কৰি উঠে। চম্পাই অনুমান কৰিবলৈ চেষ্টা কৰে, সেইদিনা পুৱা শুই উঠি মোমায়েকে চম্পাক ঘৰত নেদেখি কিমান কষ্ট পাইছিল ছাগে! চম্পাই আৰু ভাবিব নোৱাৰা হয়; শোকে তাইক খুন্দা মাৰি ধৰেহি। চম্পাই আজিও সঠিককৈ কব নোৱাৰে, কমলৰ লগত চম্পা কিয় পলাই আহিল; কি মোহিনী শক্তিৰে কমলে চম্পাক টানি আনিলে। মোমায়েক-মামীয়েকৰ ইমান স্নেহৰ মাজত প্ৰতিপালিতা চম্পা এজন ড্ৰাইভাৰৰ লগত কেনেকৈ পলাই আহিল, সেই কথা চম্পাই যেন আজি ভাবিবই নোৱাৰে।

কিন্তু এই অশান্তি চম্পাৰ মনত ক্ষন্তেকলৈহে উদয় হৈছিল। চম্পাই এইটোও বুজে; দুখ কৰিয়েই বা লাভ কি? সকলো নিয়তিৰ বিধান। চম্পাই সদায় চেষ্টা কৰিছিল, কমলক লৈয়ে সুখী হ'বলৈ। পিচে চম্পাৰ সকলো ইচ্ছা ব্যৰ্থ কৰি দি গ'লহি আকস্মিক কথা এটাই—কমলৰ উৎকট ব্যাধিয়ে। কমলৰ হ'ল উদফাই। চম্পাই প্ৰথমে ভাবিছিল, ভাল হ'ব। হাতৰ সাঁচতীয়া ধন ভাঙি চিকিৎসা কৰালে; বেমাৰো ভাললৈ আহিল। কিন্তু দুমাহ পাৰ নহ'লেই, আকৌ দেখা দিলেহি; ক্ৰমে বেছি হ'বলৈ ধৰিলে। চম্পাৰ হাতত সাঁচতীয়া আৰু নাথাকিল। এইবাৰ চম্পাই বেচিলে হাতৰ-কাণৰ যি দুই এপদ আছিল তাকেই। সেই ধনেৰে চিকিৎসা চলিল; কিন্তু কমলৰ স্বাস্থ্য আৰু ঘূৰি নাহিল। অলপ অনিয়মতে, অলপ পৰিশ্ৰমতে অসুখে দেখা দি থাকিবলৈ ধৰিলে। এইদৰেই গ'ল কিছুদিন। কিন্তু আজি ছমাহৰ ওপৰেই হ'লহি, কমল একেবাৰে অকৰ্মণ্য হৈ ঘৰতে বহি আছে।

কমলৰ চাকৰিও আৰু নাই। সাঁচতীয়া ধনো শেষ হ'ল। চম্পাৰ সুখৰ সপোনৰ যেন অন্ত পৰিল। চিন্তা হ'ল সংসাৰ চলে কেনেকৈ? এইবাৰ বেচিলে সাঁচতীয়া বস্তু। কিন্তু, বস্তুৰেইবা কিমান? সিও শেষ হৈ আহিল। ইয়াৰ পিচত কৰিলে দোকানত বাকী। সিয়েইবা কেইদিনলৈ? তাৰ পিচত? তাৰ পিচত দিলে লঘোণ। কিন্তু সিও যে সম্ভৱ নহয়। ছোৱালী দুজনীৰ হিয়াভঙা কান্দোনত চম্পাৰ বুকু ফাটি গ'ল। এতিয়া উপায়? ভিক্ষা? চম্পাই ভিক্ষানো কেনেকৈ কৰে? যাবই বা কাৰ ওচৰলৈ? দিবইবা কোনে? দিলেও কেইদিনলৈ? চম্পাই চাৰিওফালে দেখিলে অন্ধকাৰ, নৈৰাশ্যভৰা বিপদসঙ্কুল পথ।

একান্ত অনিচ্ছাৰে হ'লেও, মান-অপমান সকলো দলিয়াই পেলাই আঠ বছৰৰ পিচত প্ৰথম চম্পাই চিঠি লিখিলে মোমায়েকলৈ। সকলো অপৰাধৰ বাবে মাৰ্জনা ভিক্ষা কৰি বিচাৰিলে মোমায়েকৰ সহায়। উত্তৰলৈ অপেক্ষা কৰি অশান্তিতে দিন কটালে। কিন্তু এসপ্তাহৰ পিচত দুসপ্তাহো পাৰ হৈ গ'ল, মোমায়েকৰ চিঠি আৰু নাহিল। তাই বুজিলে, মোমায়েক-মামীয়েকে চম্পাৰ অপৰাধ ক্ষমা কৰা নাই। তাইৰ শেষ আশা আছিল মোমায়েক-মামীয়েক; তাই তাকো হেৰুৱালে। ভিক্ষাৰ বাহিৰে চম্পাই আন পথ আৰু নেদেখিলে।

সকলো লাজ-অপমান কাতি কৰি থৈ এদিন পঠিয়ালে ডাঙৰ ছোৱালী-জনীক ওচৰৰে ডাঙৰ মানুহ বৰুৱাৰ ঘৰলৈ। বৰুৱানীয়ে দিলে কেইটামান চাউল, কেঅনামান পইচা। একেঘৰ মানুহক কিমান আমনি কৰিব? পিচদিনা দুয়োজনী ছোৱালী গ'ল চুবুৰিটোৰ আটাইকেইঘৰ ডাঙৰ মানুহৰ ঘৰলৈকে। কোনোৱে দিলে দুটামান চাউল; কোনোৱে দিলে এটা পইচা, কোনোৱে কৰিলে পুছো, কোনোৱে দিলে হিতোপদেশ। সকলোৰে যেন আপত্তি, এইদৰে

এনেয়ে দিব কিয় ? কিন্তু এই সকলোবোৰৰ মাজেদিও অযাচিতভাৱে চম্পাক সহায় কৰিবলৈ আগবাঢ়ি আহিল—ওচৰৰে ধনৰ মাক।

ধনৰ মাকৰ ঘৰ চম্পাহঁতৰ ঘৰৰ ওচৰতে। চম্পাই ইয়াত প্ৰথম ভৰি দিয়াৰ দিনাই ধনৰ মাকে নিজে উপযাচি আহি চম্পাৰ লগত চা-চিনাকি হৈ খবৰ-বাতৰি লৈ গৈছিলহি। চম্পাৰ কিবা অসুবিধা হ'লে খবৰ দিবলৈকো কৈ গৈছিল। ওচৰতে এজনী ভাল মানুহ পালো বুলি চম্পাৰো কিছু সাহ হৈছিল।

ঘনিষ্ঠতা বাঢ়ি আহিল। কিন্তু কিছুদিনৰ পিচত চম্পাৰ ধনৰ মাকক যেন আৰু ভাল নলগা হ'ল। মানুহজনী, চম্পাই বুজিলে, সুবিধাৰ নহয়—কানিও খায়। মানুহজনীৰ উপাৰ্জনৰ বাটটো কি, ইমান ঘনিষ্ঠতাৰ পিচতো যেন চম্পাই ঠিক বুজিব নোৱাৰিলে। ধনৰ মাকক এৰাই ফুৰিবলৈ চেষ্টা কৰিলে; কিন্তু ধনৰ মাকৰ গাত-পৰা আপোন ভাবটো প্ৰত্যাখ্যান কৰি আঁতৰি যোৱাটো চম্পাৰ পক্ষে সম্ভৱ হৈ নুঠিল।

কমলৰ উৎকট ব্যাধি। চম্পা অকলশৰীয়া। প্ৰথম কেইদিনমানলৈ লগৰ ড্ৰাইভৰি, হেণ্ডিমেন, দুই এটা আহিল; পৰ দিলেহি, সহায় কৰিলেহি, কিন্তু লাহে লাহে সিহঁতেও গা এৰা দিবলৈ ধৰিলে। কমলৰ ঘৰলৈ আহিয়েই বা আৰু লাভ কি ? সকলোৱে শুনিছিল, চম্পা ধুনীয়া। ভাবিছিল বোধহয়, চম্পাৰ লগত চিনাকি হ'বলৈ, চম্পাৰ অনুগ্ৰহ লাভ কৰিবলৈ এইটোৱেই সুবিধা। কিন্তু যেতিয়া দেখিলে বেমাৰীও ভাল নহয়, চম্পালাভো সহজ নহয়, তেতিয়া এটা এটাকৈ সকলোৱে ললে বিদায়। ধৈৰ্যৰে মাত্ৰ ৰ'লগৈ, ধন আৰু তাৰ মাক। চম্পাৰ সংসাৰৰ আধা ভাৰ ধনৰ মাকে কান্ধ পাতি ললেহি। দাৰিদ্ৰ্য-পীড়িতা, বিপদগ্ৰস্তা চম্পাই এই সহায়ৰ আৰু আন কিবা তাৎপৰ্য থাকিব পাৰে নে নোৱাৰে প্ৰথমে ভাবিবলৈ অৱসৰকে নাপালে।

কমলৰ শৰীৰ ভাঙি আহিল। চলন-শক্তি দেহত আৰু যেন নাই। লগে লগে চম্পাৰ সংসাৰো অচল হৈ আহিল। চম্পাৰ চাৰিওফালে বিপদ। যেনিয়েই চায় চম্পাই দেখে অন্ধকাৰ, ভয়ত চম্পাৰ অন্তৰ কঁপি উঠে। এনে বিপদত ধনৰ মাক ভগৱান প্ৰেৰিতৰূপে উপস্থিত হৈ চম্পাৰ সংসাৰৰ সম্ভৱ-, পৰ অনেকখিনি ভাৰ কান্ধত তুলি ললেহি। ধনৰ মাকে খাবলৈ দিলে চাউল, পিন্ধিবলৈ দিলে কাপোৰ, খৰচ কৰিবলৈ দিলে পইচা। কমলে যেন বুজিলে ধনৰ মাকৰ ইমান দয়াৰ লক্ষ্য ক'ত ? কিন্তু মুখ মেলি প্ৰতিবাদ কৰি অযাচিত দান ফিৰাই দিবলৈ তাৰ শক্তি আৰু নাছিল। কমলে সকলো দেখিছিল, সকলো বুজিছিল, কিন্তু সহি ৰ'ল। কমলৰ দেহ যিমানেই ভাঙি আহিল, ধনৰ মাকৰ স্নেহ যেন সেই ঘৰখনৰ প্ৰতি সিমানেই বাঢ়ি গ'ল। চম্পাৰো যেন সন্দেহ হ'ল; চম্পায়ো যেন বুজিলে ধনৰ মাকৰ ইমান কৰুণা কিয় ? চম্পাই যেন বুজিলে, এই সহায়, এই বস্ত্ৰ, এই পইচা ক'ৰপৰা, কেনেকৈ

আছে। কিন্তু চম্পাই নিজকে ফাকি দিবলৈ চেষ্টা কৰিলে, যেন তাই এইবোৰৰ বিষয়ে একোকে নাজানে।

ছোৱালী দুজনী প্ৰায়ে চাউল বিচাৰি যায়। কেতিয়াবা পায়, কেতিয়াবা ফিৰি আহে, শুদাহাতে। কিন্তু চম্পাৰ দিন যাব লাগিছে। কেতিয়াবা কান্দিছে, কেতিয়াবা লঘোণ দিছে। কিন্তু ইমান দুখৰ মাজতো অশান্তিৰ আৰু এটা নতুন কাৰণ সৃষ্টি হৈ চম্পাক দিনে-ৰাতিয়ে দহিবলৈ ধৰিলে। আজিকালি প্ৰায়ে চম্পাই শুনিব লাগে, ধনৰ মাকৰ নানা নিৰ্লজ্জ প্ৰস্তাৱ, কোনোবা মাৰোৱাৰীৰ ধনৰ হিচাপ, কোনোবা উকীলৰ বদান্যতাৰ কথা, কোনোবা হাকিমৰ দয়াৰ কাহিনী; কোনোবা চিপাহীৰ ধনৰ মোনাৰ কথা! চম্পাৰ শুনি ভাল নালাগে; কিন্তু নুশুনিও উপায় নাই, কিজানি ধনৰ মাকে বেয়া পায়। প্ৰথম কিছুদিনলৈ ধনৰ মাকক দেখিলেই চম্পাৰ গাৰ নোম শিয়ঁৰি উঠিছিল; কিন্তু দিন যিমানেই আগুৱাবলৈ ধৰিলে, চম্পাও যেন অভ্যস্ত হৈ আহিবলৈ আৰম্ভ কৰিলে।

কমলে প্ৰথম কিছুদিনলৈ চম্পাৰ মুখৰপৰা এনেবোৰ কথা শুনি সহবলৈ টান পাইছিল। এদিন ধনৰ মাকক মুখৰ আগতে বহুত টান কথা কৈ কমলৰ ঘৰলৈ অহা বন্ধ কৰি দিলে। ওচৰ-চুবুৰীয়াৰ মাজত বু-বু বা-বা লাগিল। ধনৰ মাকেও চম্পাৰ ঘৰলৈ অহা একেবাৰেই বন্ধ কৰি দিলে। এসপ্তাহ পাৰ হ'ল কি নহ'ল, এদিন চম্পা নিজেই গৈ ধনৰ মাকৰ ভৰি দুখনত ধৰি কমলৰ হৈ ক্ষমা মাগিলে। হিতোপদেশৰ ছলেৰে ধনৰ মাকে সেইদিন চম্পাক বহুত কটু কথা শুনালে।

চম্পাৰ সেই ঠাইডোখৰ আজি ভাল নলগা হৈ আহিল। তাইৰ দাৰিদ্ৰ্যৰ সুবিধা বিচাৰি ফুৰা ধনৰ মাকৰ উৎপাত নকমি যেন বাঢ়িহে গ'ল। কিন্তু সেই ঠাইডোখৰ এৰি তাই যায়েই বা ক'লৈ? সদায় ভাবে, ধনৰ মাকৰ লগত সম্বন্ধ ছিঙি পেলাব; কিন্তু সম্বন্ধ আৰু ছিঙিব নোৱাৰিলে।

ছমাহ গ'ল। চম্পাৰ ধৈৰ্যও যেন কমি আহিল। দাৰিদ্ৰ্য ঠেলি আৰু কিমান আগুৱাব? ধনৰ মাকেও যেন আগৰদৰে আজিকালি আৰু আগ্ৰহ নকৰে! চম্পাৰ ঘৰত, চম্পাৰ হাতত ধনৰ মাকে পঠোৱা কিমান আলহীয়ে যে অপমান পালে! চম্পাৰ ভয় হ'ল, আত্মৰক্ষা কৰি থকা তাইৰ পক্ষে যেন আৰু সম্ভৱ নহ'ব। তাই দিনে-ৰাতিয়ে আত্মৰক্ষাৰ উপায় বিচাৰিলে।

আজিলৈকে এই আঠ বছৰৰ ভিতৰত চম্পাই ওচৰৰ কোনো ডাঙৰ মানুহৰ ঘৰতেই ভৰি দিয়াগৈ নাই। কাৰণ তাই বুজে, ডাঙৰৰ সমাজত ড্ৰাইভাৰৰ ঘৈণীয়েকৰ কাৰণে ঠাই নাই। কমলৰ অসুখৰ পিচত ওচৰৰে বৰুৱানীয়ে চম্পাক ধনৰ হতুৱাই কেবাদিনো মাতি পঠিয়াইছিল; কিন্তু তাই নগ'ল। ধনৰ মাকে প্ৰায়ে লগ ধৰেহি, চম্পাই দেখুৱায় নানা আসোঁৱাহ।

কিন্তু সংসাৰ থিয়ানেই অচল হৈ আহিবলৈ ধৰিলে, তাইৰ মনৰ দৃঢ়তাও যেন সিমানেই কমি গ'ল। তাইৰ অন্তৰে বিচাৰিলে অকণমান পুতৌ, একেষাৰ স্নেহৰ মাত, অলপমান দয়া!

কেতিয়াবা মনৰ দুৰ্বলতাত বৰুৱানীৰ আশ্ৰয় বিচাৰি তেওঁৰ ঘৰলৈ যোৱাৰ কথা ভাবিবলৈ প্ৰথমে মনৰ মাজত দেখা দিয়েহি বৰুৱানীৰ বৰ ল'ৰা বৰবোপাৰ কথা, বৰবোপাৰ বিষয়ে ধনৰ মাকে কোৱা নানা কথাবোৰে। চম্পাৰ উৎসাহ যেন কমি আহে।

ইয়াৰ মাজত গ'ল কেবাসাজো লঘোণ। ছোৱালী দুজনীৰ বিননিত চম্পাৰ বুকু ফাটি যায়। ইহঁতৰ হাতত দিবলৈ ঘৰত যে একোৱেই নাই তাইহঁতৰ কান্দোন তল পেলাই ঘৰৰ আগেদি কোনোবাই চিঞৰি যায়, "চাহি ৰুটি বিস্কুত" "চাহি মুড়ি"; চম্পাৰ কাণত পৰে। চম্পাৰ ইচ্ছা হয় সকলো লাজ অপমান দলিয়াই পেলাই আলিলৈ ওলাই গৈ সিহঁতৰপৰা খুজি আনে এখন বিস্কুত, এমুঠি মুড়ি। কিন্তু চম্পা আলিলৈ ওলাই আহিব নোৱাৰে। চাওঁতে চাওঁতেই সিহঁতৰ চিঞৰ চম্পাৰ কাণৰপৰা বহুদূৰ আঁতৰি যায়।

অনিচ্ছাৰে হ'লেও সকলো সংকোচ, সকলো দ্বিধা দলিয়াই পেলাই এদিন ধনৰ মাকৰ লগত চম্পা বৰুৱানীৰ ঘৰলৈ আহিল। প্ৰথমে চম্পাৰ দেহ-মন আগ-বাঢ়ি যেন যাব নুখুজিলে। অন্তৰত কিবা এটা ভয় ভাব লৈ চম্পা ধনৰ মাকৰ পিচে পিচে বৰুৱাৰ ঘৰৰ দুৰ্জয় 'গেট'খন পাৰ হৈ আহিল। এনেতে চম্পাৰ কাণত পৰিল,—"বাইটি কলৈ আহিলি?" মাতৰ লগে লগে মূৰ তুলি চাই চম্পাই দেখিলে, এজন সুশ্ৰী, শকত-আৱত, ডাঙৰ-দীঘল, ধুনীয়া ডেকাই চিগাৰেট হুপি হুপি বৰুৱাৰ বঙলাৰ আগফালৰ বাৰাণ্ডাত থিয় দি আছে। ডেকাজনক দেখিয়েই চম্পাই অনুমান কৰিলে কোন। লাজে যেন চম্পাক আগুৰি ধৰিলেহি। ধনৰ মাকে প্ৰত্যুত্তৰ দিলে, "আপোনাসকলক চাবলৈকে আহিলো বৰবোপা! এইজনী চম্পা, তাইকো লৈ আহিছো।" চম্পাই যেন মৰি যাব বিচাৰিলে। ধনৰ মাকে মোৰ কথা কিয় ক'লে? কিন্তু পিচ মুহূৰ্ততেই চম্পাই যেন আওৰাবলৈ ধৰিলে,—"বৰবোপা, বৰবোপা—এইয়াই বৰবোপা, বৰুৱাৰ আদৰৰ বৰবোপা।" চম্পাই বৰবোপাক আজি প্ৰথম ভালকৈ দেখিলে। চম্পাৰ বুকুৰপৰা যেন হঠাতে এটা গধুৰ বোজা আঁতৰি গ'ল, ধনৰ মাকৰ মুখত বৰবোপাৰ কথা শুনি চম্পাৰ অন্তৰত ওপজা ঘৃণা ভাব যেন হঠাতেই বহুতখিনি কমি গ'ল।

বৰবোপাক দেখিলেই অন্তৰত যেন ভাল পাবলৈ এটা হাবিয়াস আপোনা-আপুনিয়েই উদয় হ'ব খোজে।

বৰুৱানীৰ ঘৰৰপৰা সেইদিনা উভতি যাওঁতে গোটেই বাটছোৱা চম্পাই কেৱল ভাবি গৈছিল। ডাঙৰ মানুহৰ ডাঙৰ কথা; কেনে সুন্দৰ ব্যৱহাৰ।

সেইদিনা বৰুৱানীয়ে চম্পাক দুঅনা পইচা দিলে, আইৰ দুখত বেজাৰ কৰিলে। ঘৰলৈ আহি কেবাদিনলৈকে চম্পাই বৰুৱানীৰ কথাকে ক'লে; বৰুৱানীৰ প্ৰশংসা যেন শেষেই নহ'ব।

ইয়াৰ পিচৰবাৰ বৰুৱানীৰ ঘৰলৈ চম্পা অকলেই গ'ল। বৰুৱানীয়ে এইবাৰো আগ্ৰহ কৰিলে; ভাল-বেয়া বহুত কথা সুধিলে। সেইদিনাও বৰুৱানীয়ে দিলে কিছু চাউল, কেইঅনামান পইচা।

ঘনিষ্ঠতা বাঢ়ি আহিল। চম্পাই বৰুৱানীৰ ঘৰত এখন কাপোৰ লগালে। বৰুৱানীয়ে কাপোৰবোৰা বেচ দিব। চম্পা সদায় দুপৰীয়া যায়, গধূলি আহে। বৰবোপাৰ লগত প্ৰায় সদায় দেখা হয়; প্ৰায়ে চকুৱে চকুৱে পৰে। আজি-কালি বৰবোপাক দেখিলে আগৰদৰে যেন অন্তৰত ভয়ভাব নোপজে। লাজো আগৰদৰে আৰু নালাগে। কেতিয়াবা চকুৱে চকুৱে পৰিলেই ওৰনীখন টানি চম্পা গুচি যায়। চম্পাই অনুমান কৰিলে, বৰবোপাই যেন সদায় চম্পাৰ লগত কথা পাতিবলৈ সুবিধা বিচাৰি ফুৰে। কিন্তু চম্পাই সুবিধা নিদি সদায় বৰবোপাক এৰাই ফুৰিবলৈকে যত্ন কৰিছিল।

বৰুৱানীৰ স্নেহ-যত্নত চম্পাই দেখিলে অকণমান আশা, আত্মৰক্ষাৰ অকণমান উপায়। পোন্ধৰদিন গ'ল এদিন বৰুৱানীয়ে চম্পাৰ আগত চম্পাৰ ডাঙৰ ছোৱালীজনী তেওঁৰ ঘৰত থোৱাৰ প্ৰস্তাৱ কৰিলে। চম্পা এনে প্ৰশ্নৰ কাৰণে মুঠেই প্ৰস্তুত নাছিল। তৎক্ষণাতে কোনো উত্তৰ দিয়া চম্পাৰ পক্ষে সম্ভৱ হৈ নুঠিল। চম্পা কিছুপৰ মনে মনে ৰ'ল। চম্পাৰ এই নিস্তব্ধতা বৰুৱানীৰ ভাল নালাগিল। সুধিলে—"মনে মনে ৰলি দেখোন চম্পা?"

বৰুৱানীক কি উত্তৰ দিব একো ঠিক কৰিব নোৱাৰি চম্পা আকৌ কিছুপৰ ৰ'ল। তাৰ পিচত উত্তৰ দিলে—"আপোনাসকলৰ ঘৰত ছোৱালীজনী থবলৈ মোৰনো কি আপত্তি হ'ব পাৰে আই! তাই ইয়াত সৰগত থকাদি থাকিব। পিছে তাইক ইয়াত থলে মোৰহে হাত ছিগিব; ইফালে সিফালে পঠিয়াবলৈকে ঘৰত মানুহ এজন নাই।"

কেইদিনমান গ'ল। ইয়াৰ মাজতে বৰুৱানীয়ে চম্পাক আৰু এদিন প্ৰশ্ন কৰিলে,—"চম্পা, ছোৱালীজনী থোৱাৰ কি কৰিলি?"

চম্পা যেন বিপদত পৰিল। বৰুৱানীক কি উত্তৰ দিয়ে? উত্তৰ নিদি-লেও যে নহ'ব! অগত্যা তাই উত্তৰ দিলে, "কথাটো মোৰ মনত আছে আই। পিচে দেউতাককহে মই একো সোধা নাই। আজি বাৰু সুধিমগৈ।"

চম্পাৰ উত্তৰটো বৰুৱানীৰ ভাল নালাগিল। তাই যেন তেওঁৰ কথা-টোত কোনো মূল্যই নিদিলে। বৰুৱানীৰ খং উঠিল, কিন্তু প্ৰকাশ নকৰিলে।

হঠাৎ সেই ৰাতিৰপৰা কমলৰ বেমাৰ বেছিকৈ উক দিলে। চম্পা খন্তেকৰ কাৰণেও আঁতৰি আহিব নোৱাৰা হ'ল। ডাঙৰ আন মানুহ আৰু

কোনো ঘৰত নাই। চম্পাৰ উশাহ ল'বলৈকে যেন সময় নোহোৱা হ'ল। কমলক এৰি তাই বৰুৱানীৰ ঘৰলৈ চাৰিদিন আহিব নোৱাৰিলে। পাঁচদিনৰ দিনা কমলৰ অলপ ভাল হোৱা যেন দেখি চম্পা আবেলি পৰত বৰুৱানীৰ ঘৰলৈ আহি বৰুৱানীৰ ঘৰৰ ভিতৰত সোমাইছে মাথোন, এনেতে চম্পাৰ কাণত পৰিলহি,—"তই মোৰ ঘৰৰপৰা এতিয়াই ওলা, এতিয়াই ওলা; বৰ মানুহৰ জী। আজি চাৰিদিনে ক'ৰবাত জীয়েৰক থব লাগে বুলিয়েই মোৰ ঘৰকে এৰিলি। ওলা, ওলা—।"

চম্পা বিচুতি খালে। এনে অভাৱনীয় ঘটনাৰ কাৰণে তাই একেবাৰেই প্ৰস্তুত নাছিল। বৰুৱানীৰ প্ৰথম হুঙ্কাৰত চম্পাৰ বুকু কঁপি গ'ল। বৰুৱানীৰ ইমান খঙৰ কাৰণ কি হ'ব পাৰে, একো অনুমান কৰিব নোৱাৰি ভয়ত তাই কঁপিবলৈ ধৰিলে। কিন্তু মুহূর্ততে বৰুৱানীৰ খঙৰ কাৰণটো বুজি চম্পাৰ ভয় পাতলিল, কিন্তু কঁপনি নকমিল। বৰুৱানীৰ মূর্তি দেখি তেতিয়াই উত্তৰ দিবলৈ তাইৰ সাহ নহ'ল যদিও বৰুৱানীৰ অন্যায় ক্রোধৰ কাৰণ সংশোধন নকৰাকৈ ওলাই যাবলৈকো চম্পাৰ ইচ্ছা নহ'ল। তাই থিয় হৈয়ে ৰ'ল। চম্পাক থিয় হৈ থকা দেখি বৰুৱানীৰ খং বেছি হ'ল—"নগলিনে হাৰামজাদী।"

চম্পাই মুখ মেলিলে,—"আই ঘৰত অসুখ হ'লেনো—"

"মনে মনে থাক। তোক বাহিৰ হ'বলৈ কৈছো নহয়, হবিনে নহৱ?" বৰুৱানী খেদি গ'ল।

চম্পাই বুজিলে, ইয়াত ৰবলৈ গলেই অপমান। উভতি লাহে লাহে তাই ঘৰলৈ খোজ ললে। কেনি আহিছে তাই যেন ক'ব নোৱাৰে। চম্পাৰ চকু দুটা পূৰিবলৈ ধৰিলে। অদম্য ক্রোধ সম্বৰণ কৰি গোটেই বাটছোৱা চকুপানী টুকি টুকি তাই ঘৰ ললেহি। নিজৰ জীৱনটোৰ ওপৰত ধিক্কাৰ উপজিল, আত্মহত্যা কৰিবৰ মন গ'ল। কিন্তু ঘৰ সোমায়েই দেখিলে, অলপ আগতে কাহ উঠি কাহি কাহি কমল থৰ লাগি কুঁজা হৈ গাৰুটোত কঁপালখন দি তললৈ মূৰ কৰি পৰি আছে। ডাঙৰ ছোৱালীজনী বিমোৰত পৰি ওচৰতে থিয় দি চাই আছে। চম্পাক ভিতৰত দেখিয়েই সৰু ছোৱালীজনীয়ে চিঞৰি উঠিল—"মাই, আজি খাবলৈ নিদিয় নেকি? ভোক লাগিছে আই।"

দুখে-বেজাৰে জর্জৰিত চম্পাৰ হঠাৎ যেন মতিচ্ছন্ন হ'ল; "মাৰৰ মূৰটোকে খা" বুলি কৈ চম্পাই ছোৱালীজনীক এটা চৰ মাৰি দিলে। চৰটোৰ শব্দত ওচৰতে পৰি থকা কমল চক খাই উঠিল। গাৰুৰপৰা মূৰটো তুলি সেহাই সেহাই ক'লে,—"ছোৱালীজনীক খোৱানে?"

চম্পাই প্রত্যুত্তৰ নিদিলে। অপমানৰ গ্লানি অন্তৰৰপৰা নৌ মাৰ যাওঁতেই চকুত পৰিলহি আসন্ন বৈধব্যৰ নিদাৰুণ দৃশ্য—ক্ষুধাতুৰ সন্তানৰ হৃদয়-

বিদাৰক কাকুতি; চম্পা থিৰেৰে ৰয় কেনেকৈ? তাই আৰু থিয় হৈ থাকিব নোৱাৰিলে। আঁচলেৰে মুখখন ঢাকি মাটিত বহি হুক্‌হুক্‌ কৰে কান্দিবলৈ ধৰিলে।

মাকৰ ইমান দুখৰ কাৰণ বুজিব নোৱাৰিয়েই বোধহয় ছোৱালী দুজনী-য়েও মাকৰ লগতে কান্দি উঠিল। মুহূর্ততে ঘৰখনত হুৱাদুৱা লাগি পৰিল। কমলো ধৈর্যৰে ৰব নোৱাৰিলে—দুচকু বুৰাই চকুলোৰে ধাৰ নিছিগা হ'ল।

বেমাৰী থকা ঘৰত হঠাৎ হোৱা কান্দোনৰ আন অর্থ আৰু কি হ'ব পাৰে? ওচৰতে থকা ধনৰ মাক উধাতু খাই লৰি আহিল। কাকো মাত নলগোৱাকৈয়ে ভিতৰলৈ সোমাই গ'ল। কিন্তু ভিতৰ পায়েই আচৰিত হ'ল। কমল এতিয়াও সজীৱ, বহি আছে, চকুত চকুলোৰ ধাৰ। মাটিত বহি আঁচ-লেৰে মুখ ঢাকি চম্পাই কান্দিব লাগিছে। ছোৱালী দুজনীয়ে ধনৰ মাকক দেখিয়েই কান্দোন বন্ধ কৰি দিলে। ধনৰ মাকে বুজিলে. ইমান কান্দোনৰ অর্থ আন কিবাহে।

"তহঁতৰ কি হ'ল, ইমান কান্দিছ কিয়?" বুলি কৈয়ে ধনৰ মাক চম্পাৰ ওচৰতে মাটিত বহিল। চম্পাৰ গালে-মুখে হাত ফুৰাই নানা প্রবোধ দি ধনৰ মাকে চম্পাৰ ইমান দুখৰ কাৰণটোনো কি, বাৰে বাৰে সুধিবলৈ ধৰিলে। ধনৰ মাকৰ প্রশ্ন যিমানেই বেছি হ'বলৈ ধৰিলে সিমানেই যেন চম্পাক শোকে খুন্দা মাৰি ধৰিলেহি; সিমানেই যেন নকমি বেছিহে হ'ল। ধনৰ মাকে চম্পাৰ মুখৰপৰা কোনো কথাকেই উলিয়াব নোৱাৰিলে। চম্পাৰ এই নিৰুত্তৰ অৱস্থা দেখি ধনৰ মাকৰ সন্দেহ হ'ল—কিবা গুৰুতৰ কথা চম্পাই লুকাইছে। ধনৰ মাকৰ খং উঠিল। বহাৰপৰা থিয় হৈ ক'লে—"এইবোৰৰ কাৰণেই তহঁতৰ লগত সম্বন্ধ ৰাখিব নোখোজো।" ধনৰ মাক গুচি আহিল।

চম্পাৰ ইমান বেজাৰৰ কি কাৰণ বুজিব নোৱাৰি কমল নিজেও খুব আচৰিত হৈছিল। কিন্তু চম্পাৰ মুখৰপৰা যেতিয়া আচল কাৰণটো শুনিলে, কমলৰ কমি যোৱা শোকটো যেন আকৌ দ্বিগুণে উথলি উঠিল। "চম্পা, কাক দোষ দিম, সকলো ভাগ্য। ডাঙৰ মানুহৰ লগত আমি কেনেকৈ ভালে থাকিম, আমি জোৰৰনে ফেৰৰ?"

সেইদিনাই গধুলি চম্পা ধনৰ মাকৰ ওচৰলৈ গ'ল। ধনৰ মাকৰ খং তেতিয়াও মাৰ যোৱা নাছিল। চম্পাৰ মাত শুনিয়েই উত্তৰ দিলে—"এতিয়া আহিছ কি কৰিবলৈ? কিবা লাগে হ'বলা?"

চম্পাৰ যেন বুকুখন ফাটি গ'ল। উপায় নাই। চম্পা সহি ৰ'ল, তাৰ পিচত লাহে লাহে নিজে উপযাচিয়েই সেইদিনা আবেলিৰ গোটেই ঘটনাটো বিবৰি ক'লে। ধনৰ মাকে সকলো শুনি গ'ল; চম্পাই শেষ নকৰালৈকে কোনো প্রশ্নও নকৰিলে। চম্পাই সকলো কৈ শেষ কৰাৰ পিচত সুধিলে—"বৰুৱানী আয়ে এনে ব্যৱহাৰ কৰিলেনে? কমলৰ অসুখ মই নিজেই

দেখোন জানো। বৰুৱানী আয়ে কিয় বিশ্বাস নকৰিলে ?—বাৰু, বৰবোপা ঘৰত আছিল নে নাই ? তেওঁ ওলাই নাহিলনে ?"

বৰবোপা, বৰবোপা !—চম্পাৰ অন্তৰে যেন চিঞৰি উঠিল। বৰবোপাৰ নামত যেন চম্পাৰ অনেকখিনি দুখ হঠাতে কমি গ'ল। কিন্তু চম্পাই ধনৰ মাকৰ প্ৰশ্নৰ কোনো উত্তৰকে নিদিলে। ধনৰ মাকো চম্পাৰ উত্তৰৰ কাৰণে ব্যগ্ৰ হোৱা নাছিল। ধনৰ মাকেই আকৌ ক'লে,—"বৰবোপাই চাগে আজি বৰ কষ্ট পাইছে দেহি! তোলৈ সঁচাকৈয়ে তেওঁৰ বৰ মৰম— ।"

চম্পাই লাজত তললৈ মূৰ কৰিলে। ধনৰ মাকে আকৌ ক'লে—"মই এই কথাৰ অনুসন্ধান লম। বৰবোপাৰ তালৈ মই এতিয়াই যাম।"

কমল আৰু চম্পা তেতিয়াও শোৱা নাই। টিমিক টামাককৈ জ্বলি থকা চাকিটোৰ পোহৰত কমল আৰু চম্পা দুয়ো বহি কথা পাতি আছে। হঠাৎ এবাৰ ধনৰ মাকৰ মাতটো কাণত পৰিলহি। চম্পাই অনুমান কৰিলে, লগত যেন আৰু কোনোবা আছে।—চম্পাৰ বুকুখন ধপধপাই উঠিল। কাণত পৰিলহি—"চম্পা, অ' চম্পা! শুনিলেনেকি ?"

দুৱাৰখন ঠেলি ধনৰ মাক সোমাই আহিল। এই ৰাতি ধনৰ মাক! চম্পাৰ যেন কি হ'ল! হঠাৎ চম্পাৰ মুখখন বিবৰ্ণ পৰি গ'ল। চম্পাই সমুখত দেখিলে, কিবা বিপদ!

ভিতৰ সোমোৱাৰ লগে লগেই ধনৰ মাকে ক'লে,—"আহক, বৰবোপা, ভিতৰলৈ আহক।"

ধনৰ মাকৰ মুখত বৰবোপা নামটো শুনিয়েই কমলৰ চকু পৰিল চম্পাৰ ওপৰত। দেখিলে চম্পাৰ মূৰটো যেন আপোনা-আপুনিয়েই তললৈ দোঁ খাই গ'ল। কমল নিজেও খুব আচৰিত হ'ল। বৰবোপা ইয়াত কিয়! কমলে নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নুখুজিলে। কিন্তু পিচ মুহূৰ্ততেই কমলে দেখিলে, বৰবোপা ভিতৰলৈ সোমাই আহিছে। আন সময়ত হোৱা হ'লে কমলৰ কিজানি খং উঠিলেহেঁতেন, অপমান বোধ কৰিলেহেঁতেন, কিন্তু আজি যেন কমল এই সকলোবিলাকৰ ওপৰত! আজি যেন কোনো সামাজিক সাধাৰণ বন্ধনৰ মাজত কমল আৰু নাই!

বৰবোপাক ঘৰৰ ভিতৰত দেখিয়েই চম্পা সাউৎকৰে সিখোটালীলৈ গ'ল। লাজত চম্পাই যেন মৰি যাবলৈ খুজিলে, ধনৰ মাকে কি কামটো কৰিলে ? বৰবোপাক এই ৰাতি কিয় লৈ আহিল ? কিন্তু কোনো সাৰি শব্দ নকৰাকৈ চম্পা মনে মনে বহি ৰ'ল।

"বৰবোপা, বহক" ধনৰ মাকে ভঙা মূঢ়া এটা আগবঢ়াই দিলে। তাৰ পিচত আৰম্ভ কৰিলে, "এইয়া বৰবোপা নিজেই ওলাইছেহি। বৰুৱানী আইৰ কথাত ইমানযে বেজাৰ পাইছে, ক'বলৈ আৰু বাকী নাই। অথনি মোক

মতাই নিয়াই ক'লে—'বাই, চম্পাৰ কাৰণে মই বৰ বেজাৰ পাইছো। মই জীয়াই থাকো মানে চম্পাক আৰু লোকৰ ঘৰলৈ যাবলৈ নিদিম।' মই ক'লো, বোলো বোপা, সিহঁতে মোক বিশ্বাস নকৰে, নিজেই বলক। বোপা নাহেই। মইহে বহুত কৈ মাতি আনিছো।"

বৰবোপা বেৰলৈ চাই মনে মনে বহি ৰ'ল। কমলেও শুনি গ'ল। ভিতৰত বহি লাজত চম্পা যেন মাটিৰ লগতে মিলি যাবলৈ খুজিছিল। ধনৰ মাকেই কৈ গ'ল,—"বোপাৰ যি কথা সেই কাম। মই তহঁতৰ লগত তেওঁক চিনাকি কৰিহে দিলো। বোপা, মই এতিয়া যাওঁ, আপুনি অলপপৰ বহক।" ধনৰ মাক যাবলৈ ওলাল।

নতুন ঠাই বৰবোপাই কিছু আচহুৱা পাইছিল। ধনৰ মাক যাবলৈ ওলোৱাত ক'লে,—"বাই বহচোন, কলৈনো যাব?"

"মোৰ লগত আৰু কথা নাই বোপা। চম্পা, বোপাক তামোল-পাণ কি আছে দেহি। বোপা বহক।" ধনৰ মাক ওলাই আহিল।

ইমানপৰ কমল নিৰ্জীৱৰ দৰে বহি আছিল। কমলে যেন ঠিক বুজিব নোৱাৰিলে, কমল টোপনিত নে জাগ্রত অৱস্থাত। বৰবোপাক দেখি কমল অকল আচৰিতেই হোৱা নাছিল, সি এইটোও বুজিছিল, বৰবোপাৰ এইকণ কাৰুণ্যৰ আচল লক্ষ্য কেনি। কিন্তু উপায় নাই। বৰবোপাৰ উপস্থিতি কমলে নীৰৱে সহি ৰ'ল—মুখ মেলি প্রতিবাদ কৰিব নোৱাৰিলে।

কমলে বুজিলে, কমলৰ সমুখত জটিল সমস্যা উপস্থিত। ইয়াৰ ব্যৱস্থা কমলে অকলেই কৰিব লাগিব, কিন্তু কি কৰিব লাগিব, ভাবি অন্ত কৰিব নোৱাৰি কমল মনে মনেই ৰ'ল। ধনৰ মাক যোৱাৰ পিচতো মান্য অতিথিক যে শুশ্রূষা কৰিব লাগে, কমলে পাহৰি গ'ল। হঠাৎ যেন এবাৰ কমলৰ মুখেদি বাহিৰ হৈ গ'ল—"পিচে বোপানো ক'লৈ আহিল?"

ওচৰতে ইমানপৰ তললৈ মূৰ কৰি বৰবোপা মূঢ়াটোত বহি আছিল। কমলৰ মাতত যেন টোপনিৰ পৰাহে সাৰ পালে। লৰালৰিকৈ জেপত হাত ভৰালে। কমলৰ কাণত পৰিল টকাৰ ঝনঝননি। কমলে তৎক্ষণাৎ বুজিলে, বৰবোপাই কমলক দিবলৈকে টকা আনিছে। কিন্তু এই টকা লোৱা উচিত হ'ব নে নহয়, কমলে কোনো সিদ্ধান্ত কৰি উঠাৰ আগতেই বৰবোপাই কমলৰ হাতত কিবা এটা গুজি দিলেহি। কমলে গম পালে, বৰবোপাই টকাকেইটামান কমলৰ হাতত দিছে। কমলে হাতত পৰা টকা কেইটা দলিয়াই পেলাব নোৱাৰিলে; নালাগে বুলি ক'বলৈকো শব্দ বিচাৰি নাপালে। বৰবোপা আকৌ মূঢ়াত বহিলহি। কাৰো মুখত কোনো কথা নাই; যেন কিবা গুৰুতৰ সমস্যা সমাধান কৰিব নোৱাৰিয়েই নিজ নিজ ভাবত চিন্তামগ্ন।

এইদৰেই কিছুপৰ গ'ল। তাৰ পিচত আৰম্ভ কৰিলে কমলেই—"বোপা,

ঈশ্বৰে মাৰি নিয়া হলেই ভাল আছিল। কষ্ট আৰু কিমান সহিব।" কমলে আৰু বেছি ক'ব নোৱাৰিলে, শোকত যেন কণ্ঠৰোধ হৈ আহিল।

মূঢ়াত বহি বৰবোপাই শুনি গ'ল, কোনো উত্তৰকে নিদিলে।

ৰাতি বাৰ বাজি গ'ল। চাৰিওফালে মানুহ শুই নিঃপালি দিলে। মাজে মাজে দূৰৈত দুই এটা কুকুৰৰ ভুকনিৰ বাহিৰে আৰু কাৰো সাৰি-শব্দ নাই। সেই ভঙা ঘৰটোৰ ভিতৰত বৰবোপা মূঢ়াত, কমল বিচনাত। কাৰো মুখত কথা নাই। কথা যেন শেষ হৈ গ'ল। কি কথা পাতিব, কোনেও যেন বিচাৰি পোৱা নাই। কিন্তু এই অনিশ্চিত নিস্তব্ধতা সহি থকাও যে টান! শেষত কমলেই এই নিস্তব্ধতা ভাঙি মাত দিলে,—"চাওঁ হেৰা, বৰবোপা বহুতপৰ বহি ৰ'ল। তামোল এখনকে আনাচোন।"

আকৌ সেই নিস্তব্ধতা। তামোল আৰু নাহিল; তামোল কটাৰ শব্দও কাণত নপৰিলহি। কমলৰ যেন এইদৰে বহি থাকি ভাল নালাগিল। তামোল আনিবলৈ অগত্যা বিচনা এৰি কমল নিজেই সি খোটালীত সোমালগৈ।

কমলৰ চকুত পৰিল, আঠু দুটাত মূৰটো থৈ তললৈ মূৰ কৰি চম্পা বিচনাত বহি আছে। কমলে বুজিব নোৱাৰিলে, এইদৰে টোপনিয়াইছে নে নাই বহি আছে। কমলে লাহেকৈ মাত দিলে—"হেৰা!"

মূৰটো দাঙি চম্পাই কমললৈ চালে। কমলৰ চকুত পৰিল, সেই শেঁতা মুখখনত ডাঙৰ ডাঙৰ চকুযোৰ যেন তিৰবিৰাব লাগিছে। চুলিবোৰ আউল-বাউল হৈ মুখখনৰ ইফালে সিফালে পৰি আছে। মুহূৰ্ত্ততে কমলৰ মনত খেলাই গ'ল, কেনে সুন্দৰ! কেনে সৰল!

লাহে লাহে কমল চম্পাৰ ওচৰলৈ আহি তাইৰ হাত দুখনত ধৰিলেহি— "চম্পা, বৰবোপা অথনিৰেপৰা বহি আছেহি; মাত এষাৰ নিদিলে জানো ভাল হ'ব?" কমলৰ মুখেদি আৰু কথা যেন বাহিৰ হ'ব নুখুজিলে। চকুৰ পতা দুখনো ভিজি গ'ল। চকুত পৰিল, ওচৰতে শুই থকা ক্ষীণ, দুৰ্বল ছোৱালী দুজনীলৈ। দুয়োজনী টোপনিত লালকাল। সংসাৰৰ খবৰ সিহঁতে একোকে নেজানে। মাক-বাপেকৰ হিয়াত জ্বলি থকা তুঁহজুইৰ কিমান পোৰণি, সিহঁতে বুজি নাপায়। কমলৰ চিন্তাধাৰাত যেন বেমেজালি ঘটিল। ইহঁতক কোনে প্ৰতিপালন কৰিব? কাৰ ওচৰলৈ গৈ হাত পাতিব? দাৰিদ্ৰ্য-যন্ত্ৰণা আৰু কিমান সহিব? চম্পাই উত্তৰ নিদিলে। কমলৰ চকুত নপৰিল, চম্পাৰো দুচকু বুৰাই ধাৰ নিছিগাকৈ পানী ববলৈ ধৰা। চম্পাই সকলো জানে—সকলো বুজে; কিন্তু চম্পাৰ উপায় ক'ত? কঠোৰ দাৰিদ্ৰ্য ঠেলি চম্পা আৰু কিমান আগুৱাব? লঘোণ আৰু কিমান খাটিব? সন্তানৰ করুণ ক্ৰন্দন আৰু কিমান সহিব? চম্পাৰ আছে কোন? এই বিপদত চম্পাক কোনে আকোৱালি ধৰিব? এমুঠি চাউল, এটা পইচা, এখন কাপোৰ! তাৰ

কাৰণেই কত কেটেৰ জেওৰ! মনত পৰিল, বৰুৱানীৰ নিষ্ঠুৰ, অন্যায় ব্যৱহাৰলৈ। হঠাৎ যেন চম্পাক দগ্ধ কৰি দিলেহি। এনে অত্যাচাৰ এনে অন্যায়।

আকৌ কমলে মাত দিলে,—“চম্পা, বৰবোপা বহুতপৰ বহিল। বেয়া পাব। আৰু অকলে বহুৱাই নথবা।”

বৰবোপা, বৰবোপা! চম্পাই যেন নামটো আওৰাবলৈ ধৰিলে। কিন্তু চম্পা বহাৰপৰা আৰু নুঠিল। চম্পাই যেন কিবা এটা ভাবিলে। আঁঠুৰ ওপৰত আকৌ মূৰটো থৈ তাই বহিয়েই ৰ’ল।

কমলৰ যেন অসহ্য হ’ল—“চম্পা, বৰবোপাক একামাৰ মাত নিদিলে জানো ভাল হ’ব? তেওঁ নিজে আহি আজি মাত দিছেহি।” কমলৰ কথা শেষ নহলেই, চম্পা বিচনাৰপৰা নামি আহিল। কমল লাহেকৈ চম্পাৰ বিচনা-খনত উঠিলগৈ।

চম্পাৰ খোজ যেন আৰু আগ নাবাঢ়ে। চম্পা যায় ক’লৈ? কেখোজমান আহিয়েই চম্পা ৰ’লহি। বিচনাৰপৰা সেহাই সেহাই কমলে মাত দিলে, —“বৈ আছা কিয়? যোৱা, বহুত পলম হ’ল।”

চম্পা আৰু আগ নাবাঢ়িল। বাঢ়ে কেনেকৈ? ভৰি যে আগুৱাই নাযায়। কমল বিচনাৰপৰা নামি আহিল। চম্পাৰ হাত এখনত ধৰি প্ৰায় টানি নি চম্পাক আগবঢ়াই দিলেহি।

কমল আকৌ বিচনাত পৰিলহি। চকু দুটা মুদি বিচনাত ধৰফৰাই ৰ’ল। অলপ সময়ৰ পিচত কমলে যেন গম পালে, সিখোটালীৰ চাকিটো নুমাই গ’ল। লগে লগেই কমলৰ গোটেই অন্তৰ জুৰি হাহাকাৰৰ ৰোল উঠিল।

কমলে চেণ্টা কৰিলে টোপনি যাবলৈ, কিন্তু টোপনি আৰু নাহিল। আজি কমলৰ কাহটোও বেছি হৈ গ’ল। কাহি কাহি বেচাৰা থৰ লাগে; ভাল হয়; আকৌ কাহ উঠে। কমলে শুনি গ’ল, ওচৰৰ জেলখানাৰ কাঁহত এক বাজিল, দুই বাজিল, তিনি বাজিল। এবাৰ যেন কমলৰ চিলমিলকৈ টোপনি আহিল। কিন্তু হঠাৎ যেন কিবা এটা শব্দত চক্ খাই কমলৰ টোপনি ভাঙি গ’ল। টোপনিৰ খকামকাত কমলে মাত দিলে—“কোন?” কোনো প্ৰত্যুত্তৰ নাহিল যদিও কমলে পিচ মুহূৰ্ততে গম পালে, কোনোবা এজন আগ-ফালৰ দুৱাৰখন জোৰেৰে মেলি বাহিৰ হৈ গ’ল।

কমল বিচনাতে পৰি ৰ’ল; টোপনি আৰু নাহিল। অনুভৱ কৰিলে, মূৰটো গৰম। চকু দুটাও যেন পুৰি আছে। ইকবাৰ বেৰখনৰ মাজেদি বাহিৰৰ পোহৰ ভিতৰত পৰিলহি। দূৰৈত ইফালে সিফালে মতা চৰাইৰ মাতত গোটেই জগতখনেই বিনন্দীয়া হৈ উঠিল। চম্পাক এবাৰ চাই আহি-বলৈ কমলৰ একান্ত ইচ্ছা হ’ল; কিন্তু সি যাব নোৱাৰিলে। কমলৰ যেন

লাজ লাগিল। অপৰাধৰ গ্লানিত যেন হিয়া ভাঙি গৈছিল। ওচৰতে শুই থকা ছোৱালী দুজনীৰ টোপনি এতিয়াও ভঙা নাই। দুৰ্বল, কৃশকায়, গেঁতা-মুখৰ ছোৱালী দুজনীৰ দেহ দুটা বিকৃতাকৃতিত বিচনাখনৰ ইফালে সিফালে পৰি আছে। একেলগেই বহুত চিন্তাই আগুৰি ধৰি কমলক বিহ্বল কৰি তুলিলে। কমলৰ পক্ষে বিচনাত আৰু পৰি থকা অসম্ভৱ হৈ উঠিল; কিন্তু ওলাই আহি চম্পাক দেখা দিবলৈকো কমলৰ ভাল নালাগিল। অগত্যা কমল বিচনাতেই পৰি ৰ'ল।

দিনৰ পোহৰ ঘন হৈ আহিল। ৰাতিপুৱাৰ নিস্তব্ধতা ভেদি ৰিণিকি-ৰিণিকি কমলৰ কাণত পৰিলহি—"চাহি ৰুটি বিস্কুত।" শব্দৰ লগে লগেই মন্ত্ৰমুগ্ধৰ দৰে ধৰফৰকৈ বিচনাৰপৰা কমল উঠি বহিল। তাৰ পিচত লাহে লাহে এখোজ দুখোজকৈ বাহিৰলৈ ওলাই আহিল।

বাহিৰলৈ আহিয়েই প্ৰথমে চকুত পৰিল, আগফালৰ দুৱাৰখন তেনেই মেল খাই আছে। ওচৰৰে বিচনাখনত চকু দুটা মুদি চম্পা। বাহিৰৰপৰা অহা পোহৰ চম্পাৰ মুখখনত তেতিয়াও ভালকৈ পৰা নাই। কমলৰ চকুত পৰিল, চম্পাৰ গালত আৰু চকুত পানীৰ চিন। মাজে মাজে চম্পাই যেন একো একোবাৰ উচুপি উঠিছিল। কমলৰ বুজিবলৈ আৰু বাকী নাথাকিল যে চম্পাই অলপ আগলৈকে কান্দি আছিল। কমল অহা কথা চম্পাই বোধ-কৰো ক'ব নোৱাৰে। চম্পা সেইদৰেই পৰি ৰ'ল। চম্পাৰ মুখলৈ চাই কমল তাতেই থিয়দি ৰ'ল। কমলৰ গোটেই হিয়া ভাঙি ওলাই আহিল এটা হুমু-নিয়াহ। শোকে কমলক হেচা মাৰি ধৰিলেহি। কমলৰ পক্ষে থিয় হৈ থকা অসম্ভৱ হৈ পৰিল। কমল মাটিত বহিব খুজিছে, ঠিক এনেতে তাৰ কাণত পৰিলহি—"চাহি ৰুটি বিস্কুত।"

কমল আৰু নবহিল। লৰালৰিকৈ ধুতিখনৰ আগত বান্ধি থোৱা টোপো-লাটো মেলি চাই দেখিলে, তাত বান্ধি থোৱা ৰূপ পাঁচ টকা। তাৰে টকা এটা হাতত লৈ বেগাবেগিকৈ কমল ঘৰৰ বাহিৰ হৈ আহিল।

## কৃষ্ণ ভূঞা

'আৱাহন যুগ'ৰ কেইবাজনো শক্তিশালী গল্প-লেখকৰ প্ৰিয় বিষয়-বস্তু আছিল নৰ-নাৰীৰ সম্পৰ্কৰ অন্তহীন ৰহস্যানুসন্ধান। পৰম্পৰাবাদী যুথবদ্ধ সমাজত মানুহৰ ব্যক্তিত্ব গঢ়ি উঠাৰ বা তাৰ বিকাশ হোৱাৰ সুযোগ-সম্ভাৱনা নিচেই সীমাবদ্ধ; তিৰোতাৰ ক্ষেত্ৰত সেইটো প্ৰায় নাই বুলি-লেই হয়। কিন্তু বিংশ শতাব্দীৰ প্ৰথম দশককেইটাত অসমতো আধুনিক উদাৰনৈতিক শিক্ষাত শিক্ষিত এটা মধ্যবিত্ত শ্ৰেণী গঢ়ি উঠাত ব্যক্তিত্ববাদৰ স্ফুৰণ ঘটে, আৰু পুৰুষ-তিৰোতাৰ বিভিন্ন আবেগ-অনুভূতিয়ে প্ৰকাশৰ নতুন পথ বিচাৰি পায়। অসমীয়া গল্প-লেখকসকলৰ চকুৰ আগত ই এখন নতুন জগতৰ দুৱাৰ মুকলি কৰি দিয়ে, আৰু তেওঁলোকে নৰ-নাৰীৰ সম্পৰ্কৰ বিচিত্ৰ সম্ভাৱনাবোৰ পৰীক্ষা কৰি চাবলৈ এটা সুযোগ পায়। হলীৰাম ডেকা, লক্ষ্মীধৰ শৰ্মা, ৰমা দাশ আদি কেইজনমান লেখকৰ গল্পত আমি এনে এদল সংস্কাৰমুক্ত নৰ-নাৰীৰ প্ৰেম, বিৰহ, বিদ্ৰোহ আৰু যৌন-চিন্তাৰ বিচিত্ৰ প্ৰকাশ দেখিবলৈ পাওঁহক। এইকেইজন লেখকৰ ভিতৰতে আপোন বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ উঠা আন এজন লেখক হ'ল কৃষ্ণ ভূঞা।

কৃষ্ণ ভূঞাৰ প্ৰতিনিধিমূলক গল্প হিচাপে যাদুঘৰ নামৰ গল্পটোৰ কথাই আলোচনা কৰিব পাৰি। গল্পটোৰ বিষয়-বস্তু হ'ল এগৰাকী বেশ্যাৰ প্ৰতি দুজন শিক্ষিত ডেকাৰ তীব্ৰ প্ৰেমাকৰ্ষণ। বিষয়-বস্তু হিচাপেই ই অসমীয়া সাহিত্যত এটা অভিনৱ বস্তু আৰু অসমীয়া লেখকৰ জীৱন-ভাৱনাত এটা নীৰৱ বিপ্লৱৰ বাৰ্তাবাহক। কিৰণ আৰু অমল দুয়ো বন্ধু। নীহাৰ নামৰ এগৰাকী বেশ্যাৰ প্ৰতি অমল আসক্ত। অমলক সেই পতনৰ পথৰপৰা আঁতৰাই আনিবলৈ চেষ্টা কৰিবলৈ গৈ নীহাৰৰ লগত কিৰণৰো পৰিচয় ঘটিল। গল্পটোৰ শেষত দেখা গ'ল যে অমলে নীহাৰৰ বন্ধন ছিঙি আঁতৰি আহিল, কিন্তু অমলক পাপৰ পথৰপৰা উদ্ধাৰ কৰিবলৈ যোৱা কিৰণ নিজেই নীহাৰৰ মায়া-জালত বন্দী হ'ল।

বিশ্ব-সাহিত্যৰ লগত বহল পৰিচয় থকা পাঠকৰ কাৰণে গল্পটোৰ বিষয়-বস্তু অভিনৱ যেন নালাগিব পাৰে। বহুতকেই ই চমাৰচেট্ মমৰ বিশ্ব-বিখ্যাত গল্প বৰষুণৰ কথা মনত পেলাই দিব পাৰে। সেই গল্পটোতো নীতি-বাগীশ পাদুৰী চাহাবজনে বহুবল্লভা মিচ্ চেডি টম্পচনক পাপৰ পথৰপৰা উদ্ধাৰ কৰিবলৈ গৈ নিজেই সেই মোহময়ী বেশ্যাৰ মায়াজালত বান্ধ খাই পৰিছে। অৱশ্যে সেই বুলি এই কথা ধৰি লোৱা ঠিক নহ'ব যে কৃষ্ণ ভূঞাই মমৰ ছাঁ লৈহে তেওঁৰ গল্পটো লেখিছে। একেটা বিষয়-বস্তুকে লৈ বিভিন্ন লেখকে নিজৰ দৃষ্টিভংগী, অভিজ্ঞতা আৰু সামাজিক পৰিবেশৰ লগত খাপ খুৱাই বেলেগ বেলেগ ধৰণৰ গল্প লেখাটো সম্ভৱপৰ। মমৰ গল্পত পাদুৰীজনৰ অৱচেতন মনৰ অৱদমিত দৈহিক ক্ষুধাৰ প্ৰকাশ ঘটিছে, এক প্ৰচণ্ড পাপ-বোধে অৱশেষত তেওঁক আত্মহত্যা কৰিবলৈ বাধ্য কৰিছে। কিন্তু কৃষ্ণ ভূঞা নৈতিকভাৱে নিউট্ৰেল, বেছি সঁচাকৈ কবলৈ গ'লে তেওঁৰ অন্তিম উপলব্ধি amoral। কোনো নৈতিক প্ৰশ্নই বা দ্বন্দ্বই তেওঁক পীড়িত কৰা নাই; বৰং এক অনিৰ্বচনীয় নাৰী-সৌন্দৰ্যৰ আৱিষ্কাৰে তেওঁৰ মনত কবিত্বময় অনুভূতিৰ সঞ্চাৰ কৰিছে। "নীলা পোহৰটোৱে তাইৰ সুসজ্জিত দেহৰ ওপৰত কমনীয় বৰণ এটা সানি দিছিল। ডিঙিৰ মণিবোৰত, হাতৰ বালাবোৰত, সাজ-পৰিচ্ছদত, তাইৰ গাৰ ওলাই থকা শুদা ঠাইবোৰত নীল আভা--যেন তাই চিৰকালেই তেনেকুৱা নীলা। নীলা পোহৰটো যেন তাইৰ গাৰপৰাহে ওলাই কমটোৰ আন বস্তুবোৰত পৰিছে।" এই প্ৰতীকধৰ্মী

বাক্যকেইটাই নাৰীদেহক দেহাতীতৰ ব্যঞ্জনাৰে অভিষিক্ত কৰিছে আৰু গল্পটোক স্থূল দেহাকৰ্ষণৰ গল্পৰপৰা উচ্চতৰ স্তৰলৈ উন্নীত কৰিছে। গল্পটোৰ আৰম্ভণিতে বিজলী তিৰোতা আছিল এজনী মাত্ৰ বেশ্যা, হৃদয়ানুভূতিৰ এক ৰহস্যময় ৰসায়নৰদ্বাৰা ৰূপান্তৰিতা হৈ শেষত তাই হৈ পৰিছে এজনী নাৰী, তাইৰ দেহৰপৰা নিৰ্গত এটা অপাৰ্থিৱ পোহৰত বাহিৰৰ জগতখনেই নতুন ৰূপেৰে ৰঞ্জিত হৈছে, নতুন তাৎপৰ্য লাভ কৰিছে। ৱাল্ট হুইট্‌মেনে এই নাৰী-দেহৰ বন্দনা কৰিয়েই লেখিছিল : This is the female form,

A divine nimbus exhales from it from head to foot,
It attracts with fierce undeniable attraction,
I am drawn by its breath as if I were no more
than a helpless vapor, all falls aside but myself and it,
Books, art, religion, time, the visible and solid earth,
and what was expected of heaven or feared of hell,
are now consumed. (I sing the body electric)

কেৱল বিষয়-বস্তুৰ অভিনৱত্বই নহয়, কৃষ্ণ ভূঞাৰ বিশিষ্ট ৰচনা-ৰীতিৰ পৰিচয়ো এই গল্পত পোৱা যায়। আন বহুতো লেখকৰ দৰে উচ্ছ্বাসৰ প্ৰাবল্য বা ৰাগাড়ম্বৰ তেওঁৰ গল্পত নাই। অনুভূতিৰ গভীৰতা যিমানেই বাঢ়ে, তাৰ প্ৰকাশো সিমানেই সংযত হয়। কৃষ্ণ ভূঞাৰ ভাষা সংযত, পৰিমিতিবোধ প্ৰশংসনীয়, আৰু তেওঁ নিজেই গোটেইখিনি কথা কৈ নিদি পাঠকৰ কাৰণে কল্পনাৰ অৱকাশ ৰাখি যায়।

কৃষ্ণ ভূঞাই বিভিন্ন বিষয়-বস্তুক কেন্দ্ৰ কৰি গল্প লেখিছে যদিও কেইটামান বিশিষ্ট প্ৰেমৰ গল্পৰ কাৰণেই তেওঁ স্মৰণীয়। বুকুৰ ছবি, শৈশৱৰ প্ৰিয়া, যুক্তি আৰু জীৱন, ৰূপৰ পূজা আদি কেইটামান গল্প এই প্ৰসংগত বিশেষভাৱে উল্লেখযোগ্য। ত্ৰিশৰ দশকৰ কলেজীয়া ডেকা-গাভৰুৰ তৰল ৰোমান্স আৰু ভাবালুতাৰ গল্পৰ বৈশিষ্ট্যহীন প্ৰাচুৰ্যৰ মাজত লক্ষ্মীধৰ শৰ্মা আৰু ৰমা দাস আদিয়ে যেনেকৈ নিজস্ব বৈশিষ্ট্যৰে নিজৰ কাৰণে একোখন সুকীয়া ঠাই কৰি লৈছিল, কৃষ্ণ ভূঞায়ো তেনেকৈ তেওঁৰ প্ৰেমৰ গল্পবোৰত পৰিণত দৃষ্টিভংগী, অনুভূতিৰ গভীৰতা আৰু মৌলিক জীৱন-বোধৰ পৰিচয় দিছিল। বুকুৰ ছবিত তেওঁ এটি নৱ-বিবাহিত দম্পতীৰ ভাবাবেগ আৰু ইন্দ্ৰিয় বিলাসৰ যি ছবি আঁকিছে, সি এক কবিতাৰ ৰূপ লৈছে। শৈশৱৰ প্ৰিয়া প্ৰেমৰ এক করুণ-মধুৰ স্মৃতি-ৰোমন্থন। এই গল্পবোৰক সাধাৰণ শাৰীৰপৰা কিছু ওপৰলৈ উন্নীত কৰাৰ মূলতে হ'ল কৃষ্ণ ভূঞাৰ বিশিষ্ট ৰচনা-ৰীতি আৰু জীৱনবোধৰ গভীৰতা। অব্যাহত অনুশীলনৰ অভাৱত তেওঁৰ প্ৰতিভাই স্বাভাৱিক পৰিণতি লাভ কৰিব নোৱাৰিলে। কৃষ্ণ ভূঞাৰ পিচৰ জীৱনৰ গল্প-বোৰত তেওঁৰ আগৰ শক্তিৰ পৰিচয় পোৱা নাযায়।

# যাদুঘৰ

বেৰখনৰ একো নথকা বগা ৰংটোৰ ওপৰৰপৰা তাৰ তন্ময় চাৱনিটো তুলি আনি অমলে স্থিৰভাৱে মোৰ মুখৰ ওপৰত থৈ ক'লে—"নীহাৰক ভাল পাওঁ নে নাপাওঁ ক'ব নোৱাৰোঁ; কিন্তু কিৰণ, এতিয়াৰ জীৱনৰ দিনবোৰ অহা-যোৱাৰ গতিৰ সূতাডালত অতি কোমল আৰু বেগতে মৰহি যোৱা হ'লেও নীহাৰৰ কথাবোৰ একো একোপাহ ফুলৰ দৰে মালা কৰি গাঁথি থৈছো। শুকাই যোৱাত মোৰ একো আপচোচ নাই।"

—"ছিঃ অমল, তোৰ বিদ্যা-বুদ্ধি, জ্ঞানৰ গৌৰৱখিনি ক'ত ৰাখিলি? তোৰ দৰে এটা মানুহেও যে নীহাৰৰ দৰে এজনী নাৰীৰ ভালপোৱাক আদৰ কৰিবি

তাক মই ভাবিবই নোৱাৰোঁ। সঁচাকৈয়ে যদি ভালপোৱাৰ সাৰ্থকতাখিনি উপভোগ কৰিব খুজিছ, তেনে উপযুক্ত এজনী ছোৱালীক তোৰ অন্তৰৰ ভাল পোৱা ঢালি দে, তাত মোৰ আপত্তি নাই। কিন্তু নীহাৰৰ দৰে এজনী.... ।"

অমলে বাধা দি ক'লে—"বুজিছোঁ কিৰণ, মই জানো তাইৰ মৰম-স্নেহবোৰ কৃত্ৰিম, কোৱাভাতুৰীৰ গুটিৰ দৰে বাহিৰখন কেৱল দেখিবলৈ ধুনীয়া। তাই যেতিয়া তাইৰ চকুৰ মৰমসনা চাৱনিটো মোৰ মুখত থৈ মোক ভাল পায় বুলি কয়, মই তেতিয়া তাইৰ কথাত এটা প্ৰৱঞ্চনাৰ আঘাত অনুভৱ কৰো। আলিঙ্গনৰ কাৰণে আগবাঢ়ি অহা তাইৰ হাত দুখনৰ নিজকে পাহৰি যোৱা স্পৰ্শ-সুখৰ মাজতো মই এইটো নাপাহৰো যে মোৰ দৰে আনকো তেনেকৈ বুকুৰ মাজলৈ সাৱটি ল'বলৈ তাইৰ সেই হাত দুখনি সঙ্কুচিত নহয়। তথাপি— তথাপি কিৰণ, মই যেন তাৰ কাৰণে অকণো দুখিত নহৈ তাইক ক্ষমা কৰোঁ।"

অমলৰ আবেগসনা কথাখিনি শুনি থাকিবৰ ধৈৰ্য হেৰুৱাই পেলালো। খঙেৰে ক'লো—"বেচ কৰিছ অমল, জানি-শুনিও ধ্বংসৰ বাট বিচাৰি লৈছ। বুজিছোঁ, তোৰ অন্তৰত ভালপোৱা নাই, আছে এটা পিয়াহ। পিয়াহ লগা এটা বনৰীয়া জন্তুৰ দৰে তই নীহাৰক এডোঙা পানীৰ দৰে ব্যৱহাৰ কৰিছ। তাৰ বাহিৰে আৰু তাইৰ মাজত তোৰ কাৰণে একো নাই।"

—"তাইৰ মাজত মোৰ কাৰণে একো নাই," অধীৰভাৱে অমলে ক'লে— "মই জানো কিৰণ, তাইৰ মাজত মোৰ কাৰণে একো নাই। দূৰলৈ আঁতৰি গৈ মই যেতিয়া তাইৰ ফালে ঘূৰি চাওঁ, তেতিয়া বৰ হতাশ হৈ দেখো, তাই অন্তঃসাৰশূন্য, কিন্তু কেতিয়াবা কেনেবাকৈ আহি তাইৰ নিচেই ওচৰ পালে দেখো, তাই মোৰ কাৰণে পৰিপূৰ্ণ হৈ আছে।"

পৰিপূৰ্ণ!...."ইমান নীচ তই! ইমান তললৈ নামি গলি! বেচ, তই এতিয়া মোৰ ইয়াৰপৰা গুচি যা, তোৰ লগত কথা ক'বলৈ মোৰ ধৈৰ্য নাই— ঘিণ লাগিছে।" বৰ বিৰক্তি আৰু বিতৃষ্ণাৰে চকীখনৰপৰা ঘপ্ কৰে উঠি আঁতৰি যাব খুজিলোঁ।

অমলেও উঠিল। মোৰ মুখলৈ চাই গহীনভাৱে ক'লে—"বেচ কৰিলি কিৰণ, অৱশেষত তয়ো মোক ঘৃণাৰে দূৰলৈ আঁতৰাই দিলি।" সি লাহে লাহে ওলাই গুচি গ'ল।

অমলৰ শেষ কথাটোৰ কঁপনিটো তেতিয়াও বতাহত বাজি আছিল। সি যোৱাৰ পিচত বেয়া লাগিল। বৰ আঘাত পালে সি। মোৰ মৰমৰ অমল, মোৰ বন্ধু অমল—মোৰ ভাইৰ দৰে আপোন কৰি জীৱনৰ কত দিন তাৰ লগত কটাই আছিলোঁ। আৰু আজি তাক হঠাতে এনেকৈ মোৰ কাষৰ-পৰা তললৈ খহি যোৱা চাই থাকিব পাৰিমনে? সি ভুল কৰিছে, মই তাৰ ভুল ভাঙি দিম। সি বাট বুলি অবাটে যাব ধৰিছে —মোৰ কৰ্তব্য তাক বাট

দেখুৱাই দিয়া। সি সোণ বুলি পিতলৰ চাক-চিক্যত ভোল গৈছে, মই তাক বুজাই দিব লাগিব। সি যেতিয়া বুজিব তাৰ ভুল, সি তেতিয়া মোকো বুজিব পাৰিব।

...তাকেই ভাবো, মাইকী মানুহৰ সকলো সম্পদৰ মাজত ৰূপটোৱেই জানো শ্ৰেষ্ঠ! নীহাৰ দেখিবলৈ ধুনীয়া—অমলৰ দৰে ময়ো তাইক ধুনীয়া দেখো। কিন্তু শুদা ৰূপৰ ৰহণসনা কাপোৰখনৰ তলত ঢাকি থোৱা নীহাৰৰ কুৎসিৎ কুৰূপ জীৱনটো দেখিও, সি কিয় আওকাণ কৰে...। য'তে ত'তে পৰি থকা পাথৰৰ দৰে সহজপ্ৰাপ্য তাইৰ নাৰীত্বখিনি অমলে দুষ্প্ৰাপ্য মুকুতাৰ দৰে কিয় ডিঙিত আঁৰি লব খোজে!

---গধূলি ফুৰি ফুৰি অমলৰ ঘৰ পালোগৈ। ৰাতি তেতিয়া দহমান বাজিছে। অমলক দেখি আচৰিত হলো। সি সাজি-পাৰি ক'ৰবালৈ যাবলৈ ওলাইছে। মোক দেখি সি হতাশভাৱে মোক বহিবলৈ কৈ নিজেও বহিল।

---"ইমান ৰাতি তই কিয় আহিলি কিৰণ"—সি সুধিলে। বুজিলো, সি সেই সময়ত মোক আশা কৰা নাছিল।

---"ইমান ৰাতি তই কলৈ যাবলৈ ওলাইছ!"—তাৰ কথালৈ মন নকৰি মই সুধিলোঁ।

---"মোৰ এঠাইত নিমন্ত্ৰণ আছে কিৰণ।"

নিমন্ত্ৰণ বুলি সন্দেহ হ'ল। বুজিলোঁ, কলৈ তাৰ নিমন্ত্ৰণ হ'ব পাৰে। মনটোক বলেৰে দমাই ৰাখি কলো—"বেচ, মই তেনেহলে ভাল সময়তে ওলালোহি। ময়ো যাম তোৰ লগতে—মোকো লৈ ব'ল।"

অমলে ধীৰভাৱে হাঁহি ক'লে—"মোৰ নিমন্ত্ৰণ আছে আৰু তই বিনা নিমন্ত্ৰণে.... ?"

---"ওঁ বিনা নিমন্ত্ৰণে—মই বিনা নিমন্ত্ৰণেই যাম।" ভাবিলোঁ, যদি সি নীহাৰৰ ঘৰলৈকে যাবলৈ ওলাইছে, তেন্তে নিশ্চয় মই যাবলৈ ওলালে তাৰ আৰু যোৱা নহ'ব।

"অৱশ্যে কিৰণ, মই য'লৈ যাবলৈ ওলাইছো তালৈ সকলো বিনা নিমন্ত্ৰণেই যায় আৰু নিমন্ত্ৰণ থাকিলেও সি সকলোৰে কাৰণে। তহঁতৰ নিচিনা ভাল মানুহে তাক ঘৃণাৰে আওহেলা কৰিব পৰাতে তহঁতৰ বৈশিষ্ট্য। তই যাব নোৱাৰিবি কিৰণ।"

—"তই নীহাৰৰ ঘৰলৈ যাবলৈ ওলাইছ নহয়?" খং প্ৰকাশ নকৰাকৈ চেপা দি ৰাখি সুধিলোঁ।

সি তললৈ মূৰ কৰি জোতাৰ ফিটা বান্ধিব ধৰিলে। তাৰ পিচত যাবলৈ ওলায়ো চকীখনৰপৰা উঠিবৰ কাৰবাৰ নকৰিলে। তাৰ মনৰ কথা বুজিলো।

—"মিছাকৈয়ে বহি থাকিলে আৰু কি হ'ব অমল? মই যাম বুলিছো যাম।" দৃঢ় প্ৰতিজ্ঞভাৱে কথাষাৰ কৈ মই উঠি আহিলো। নীৰৱে সি মোৰ পিচে পিচে ওলাই আহিল। গেৰেজৰপৰা গাড়ীখন উলিয়াই আনিলে। আগৰ চিটতে দুয়ো বহিলো। ৰাতিৰ আন্ধাৰে ভাব আৰু মৌনতাক বেছি গভীৰ কৰি তুলিলে।

সি নীহাৰৰফালে যাবৰ বাট নলৈ আনফালে ঘূৰি-পকি যাব ধৰিলে। তাৰ উদ্দেশ্য বুজিব নোৱাৰি সুধিলো—"কলৈ যাৱ অমল?"

—"তোক ঘৰত থৈ আহোঁগৈ।"—গাড়ীখনৰ গতি অলপ ধীৰ কৰি সি ক'লে।

তেতিয়া মাত্ৰ এটা কথা মনত স্পষ্টভাৱে আছিল যে আজি কেতিয়াও তাক অকলে যাবলৈ এৰি নিদিওঁ। তৰ্ক-যুক্তিলৈ অপেক্ষা নকৰি কলো—"ওহোঁ, সেইটো হ'ব নোৱাৰে ভাই, তই যলৈ যাৱ মোকো লৈ ব'ল।"

—"তই নীহাৰৰ ঘৰলৈ ঠিক যাবি কিৰণ"—জোৰ দি সি সুধিলে।

—"নিশ্চয় যাম"—মই কলো।

ঘূৰি-পকি আহি এটা ৰাজআলিৰ ঘূৰণিত (turning) থকা এটা বিজুলী চাকিৰ তীব্ৰ পোহৰত চকু পৰিল। চাকিৰ পোহৰত আলিৰ মূৰটো কিছু-দূৰলৈকে পোহৰ হৈ আছে, যেন সেই বাটেদি যাবলৈ পোহৰখিনিয়ে মানুহক নিলাজভাৱে নিমন্ত্ৰণ কৰিছে। সেইপিনেই অমলে ষ্টিয়াৰিং ঘূৰাই দিলে। মনত হ'ল যেন মটৰখন এতিয়া আপোনা-আপুনি ঘূৰি আহি আকৌ অহা বাটেদিয়েই যাব। কিন্তু চাকিৰ পোহৰত ইঞ্জিনটোৰ ওপৰখন কেইবাৰমান চিক্‌চিক কৰি সেই বাটেদিয়েই সোমাই গ'ল। বাটেদি দুই-চাৰিটা মানুহ অহা-যোৱা কৰিছিল। মটৰৰ জোৰ পোহৰত সিহঁতৰ মুখবোৰ জিলিকি পৰিছিল। সেই মানুহবোৰে যেন পোহৰৰ মাজৰপৰা মটৰৰ আন্ধাৰ ভিতৰখনৰ আমাৰ মুখলৈ তীক্ষ্ণ দৃষ্টিৰে চাই অসভ্য হাঁহিৰে হাঁহি গ'ল। অমলৰ চুলি কোচাত ধৰি তাক আঁতৰাই দি মই নিজে ষ্টিয়াৰিং ধৰি সেই বাটেদি গাড়ী চলাবৰ মন গ'ল। কিন্তু বহুত যে আহিলো। তেন্তে সঁচাকৈয়ে ময়ো নীহাৰৰ ঘৰলৈকে আহিলোনেকি? অমলক কিবা এটা কম কম বুলি ভাবোতেই গাড়ীখন আহি নীহাৰৰ ঘৰৰ সন্মুখত ৰ'ল। ষ্টাৰ্ট বন্ধ নকৰাকৈ অমলে নামি ক'লে—"তই এতিয়া গাড়ী লৈ উভতি যা কিৰণ।"

কিবা এটা ক'বৰ চেষ্টা কৰিও ক'ব নোৱাৰি গাড়ীখনৰ ষ্টাৰ্ট বন্ধ কৰি ময়ো নামিলো। আন্ধাৰত অমলৰ একেবাৰেই ওচৰচাপি গৈ তাৰ গাত হাত দি ক'লো—"ময়ো যাম অমল।" সি একো নক'লে। মটৰ গাড়ীৰ লোহাৰ ইঞ্জিনটোৰ দৰেই আমাক ভৰি দুখনে টানি আনি একেবাৰেই নীহাৰৰ কোঠালীৰ ভিতৰ পোৱালেহি।

প্ৰয়োজনকে বহিবলৈ দিলে। অমলক ছোফাখনত বহি লোৱা দেখি ময়ো কেনেবাকৈ বহিলো। তাই ফ্ৰেনৰ চুইচটো টিপি দি আমাৰ আগতে বহিলহি। ফিৰ ফিৰকৈ বলা ফেনখনৰ বতাহে শৰীৰৰ ভীষণ উত্তাপখিনিৰ অকণো কমাব নোৱাৰিলে।

—"এওঁ কোন '?'

তাইৰ কোমল মাতআষাৰত চক্ খাই উঠি মুখৰপৰা ঘাম মোছা ৰুমালখন গুচাই তাইৰ মুখলৈ চালো। তাই তাইৰ আচৰিত ধুনীয়া চকুৰ চাৱনিটো মোৰ মুখত কিবা ৰকমে থৈ অমলক সুধিছে।

—"এওঁ মোৰ বন্ধু, মোৰ একমাত্ৰ মৰমৰ বন্ধু, যাৰ কথা মই তোমাক মাজে-সময়ে ক'বলগা হয়।"

—"নমস্কাৰ, মোৰ বৰ সৌভাগ্য যে মোৰ ঘৰত ভৰিৰ ধূলি দি মোক কৃতাৰ্থ কৰিলে।"

মোৰ ইচ্ছা-অনিচ্ছালৈ অপেক্ষা নকৰি হাত দুখনৰ শিৰবোৰ আপোনা-আপুনি কোঁচ খাই হাত দুখন কপালত উঠি তাইক প্ৰতি নমস্কাৰ জনালে। এটা কথাঁও ক'ব নোৱাৰিলো।

অমল আৰু নীহাৰে কথা পাতিছে। অমলে ক'লে,—"চোৱা নীহাৰ, মোৰ বন্ধু আহিছে, তোমাৰ কেইটামান গান শুনিবলৈ।"

গান শুনিবলৈ মই নাই অহা বুলি ক'ব খুজিছিলোঁ। পিচে কি কৰিবলৈ আহিছো তাক নাজানো....।

—"অ হয়নেকি, আপুনি মোৰ গান শুনিবলৈ আহিছে?" নীহাৰে আগৰ দৰেই মোৰ মুখলৈ চাই ক'লে। অমলৰ চকু দুটাও মোৰ ওপৰত।

"হয়" বুলি কৈ মাতটোৰ অস্বাভাৱিকতাত নিজেই আচৰিত হৈ শুনিলো যেন সেই কথাটো মই নকৈ মোৰ ভিতৰৰপৰা আন কোনোবাই কৈ দিলে।

—"মই বৰ সুখী হ'লো, কিন্তু মই বিশেষ ভাল গাব নাজানো। আপোনাক যে সন্তুষ্ট কৰিব পাৰিম সেই বিষয়ে সন্দেহ। বাৰু চেষ্টা কৰি চাওঁ।"

তাই গৈ অৰ্গেনৰ আগত বহিল।

তাই আঁতৰি যোৱাত কোঠালীটোৰ চাৰিওফালে এবাৰ চাবলৈ সুবিধা পালো। 'ফ্লাৱাৰ-ভেছ'ত আমাৰ দৰেই ফুল থৈছে—টেবুলত আমাৰ দৰেই টেবুল ক্লথ; ড্ৰেছিং টেবুলত প্ৰসাধনৰ বস্তু। পালেং, বিচনা সকলো আমাৰ দৰেই। আমাৰ দৰেই ইহঁতো থাকে। নীহাৰৰ ওপৰত চকু পৰিল। তাই গান গাইছে, ধুনীয়াকৈ কাপোৰ-কানি পিন্ধিছে, মুৰ আচুৰিছে, অলঙ্কাৰ পিন্ধিছে ...আন তিৰোতা মানুহৰ দৰে। তথাপি যেন মই কাহানিও সন্ধেদ নোপোৱা ক'ৰবাৰ কিবা এটা অভিনৱ যাদুঘৰত সোমাইছোহি।

তাইৰ গানৰ সুৰ উঠি-নামি গোটেই ঘৰটো বিয়পি পৰিছিল। নিস্তব্ধ নিশা তাইৰ ভৈৰবী গানৰ সুৰ বাজি উঠি বাহিৰৰ আন্ধাৰত মিলি গৈছে। তাই আপোন মনে গাইছে—বিজুলী চাকিৰ পোহৰত তাইৰ মুখখন জিলিকি পৰিছে। মূৰৰ চুলিত তাইৰ সুৰৰ ঢৌবোৰ নাচি ফুৰিছে, কপালত, চকুত সুৰৰ কঁপনি ফুটি উঠিছে। ওঁঠত, ডিঙিত সুৰৰ অধীৰতা, চকুত সুৰৰ আবেশ, যেন গোটেই দুনীয়াৰ সুৰ-মাধুৰী তাই টানি আনি তাইৰ গোটেই দেহত সানি লৈছে।

তাইৰ গান বন্ধ হ'ল। অমলে তাৰ তন্দ্ৰালসৰ দৰে চকু দুটা মেলি ক'লে—"আৰু এটা নীহাৰ, বৰ ভাল লাগিছে।"

আকৌ তাই গালে। সকলো পাহৰি শুনি থাকিলো। গান শেষ হ'লত অমলে তাৰ হাত-ঘড়ীটোলৈ চাই ক'লে—"যাওঁ কিৰণ।"

বাহিৰ ওলাই দেখিলো, বাহিৰৰ বতাহ সহ্য কৰিবলৈ শৰীৰৰ শক্তিখিনি হেৰুৱাই পেলালো। লৰালৰিকৈ মটৰৰ পিচৰ চিটত বহিলো—কিজানি অমলৰ ওচৰত মোৰ দুৰ্বলতাখিনি সি কিবা গম পায়। মাজতে এবাৰ অমলে সুধিলে—"নীহাৰে খুব ভাল গান গায়, নহয়নে?"

সৰুকৈ এটা 'হুঁ' বুলি চকু মুদি বহিলো। ৰাজবাটৰ বিজুলী চাকিবোৰে চকুত জুয়ে পোৰাদি পুৰিছিল।

নিজৰ ওপৰত যথেষ্ট বিশ্বাস আছে। প্ৰথমদিনা বাদ দি আৰু তিনি দিন মই অমলৰ লগত নীহাৰৰ ঘৰলৈ গৈছো। হয়তো অমলে ভাবিছে, ময়ো তাৰ পথৰ পথিক হ'ব খুজিছো। সি ভয় কৰিছে। কিন্তু যেতিয়া শেষলৈকে সি নিজ চকুৰে দেখিব, তেতিয়াহে বুজিব। অমলক সেই পথৰপৰা ঘূৰাই আনিবই লাগিব। তাৰ ছাঁটোৰ দৰে তাৰ পিচে পিচে ফুৰিব লাগিব। মই তাৰ লগত থকাৰ কাৰণে শেষত গৈ তাৰ আৰু নীহাৰৰ মাজত গানৰ সম্বন্ধটোহে থাকিব।

এদিন নিশ্চয় নীহাৰে মোকো ভাল পাবলৈ বিচাৰিব, সেইদিনা তাই বুজিব নাৰীৰ নাৰীত্বৰ দৰে পুৰুষত্বও কিমান দুষ্প্ৰাপ্য। আৰু বুজিব পাৰিব, যদি তাইৰ হেৰুৱাই পেলোৱাখিনিৰ কাৰণে অনুশোচনা কৰে—যদি তাই আঘাত পাই তাইৰ জীৱনৰ গতিটোকে নতুন পথেদি ফিৰাই দিয়ে। সেই-দিনা মোৰ জয়ৰ আনন্দ। অমল আৰু নীহাৰ দুয়োজন তেতিয়া পৰাজিত।

নীহাৰজনী ইমান ধুনীয়া দেখিবলৈ—ইমান সুন্দৰ....। ইমান সুন্দৰ গান গায়—ইমান মিঠা মাতেৰে কথা কয়—ইমান ভাল তাইৰ ব্যৱহাৰবোৰ! কেতিয়াবা পাহৰিয়েই যাওঁ, তাইৰ সকলো থকাতো কি নাই। জগতৰ আনবোৰ তিৰোতা মানুহৰ দৰে হৈয়ো কোনখিনিত তাইৰ প্ৰভেদ। কিয় বাছি ল'লে তাই জীৱনৰ এই হেয় অসুন্দৰ কুৰূপ ছলনাটো। পানীৰ ফেনৰ

দৰে কিন্তু তাই তাইৰ ভাল মানুহ হোৱাৰ সাৰ্থকতাখিনি লোকৰ ইচ্ছাৰ সোঁতত উটি যাবলৈ দিলে ·····। কি হৈ থাকিবৰ, কি পাবৰ আশাই তাইক সেইপিনে টানি নিলে।

··আচৰিত হওঁ ভাবি, কোনখিনিত তাইৰ জীৱনৰ সাৰ্থকতা—কোন-খিনিত তাইৰ জীয়াই থকাৰ আৱশ্যকতা। সমাজে বিচাৰ কৰিব, মানুহে বিচাৰ কৰিব, দুনিয়াই বিচাৰ কৰিব বাহিৰত স্পষ্টভাৱে ওলাই থকা তাইৰ জীৱনৰ আন্ধাৰ ফালটো। মানুহৰ অনাদৰ আওহেলাৰ মাজতে থাকি তাই তাইৰ জীৱনৰ সাৰ্থকতাখিনি ক'ত বিচাৰি পাব?

··জীৱন! বোধকৰো তাইৰ জীৱন বোলা এটা বস্তু নাই। হয়তো পশুৰ দৰে তাই জীয়াই আছে, কেৱল নিজৰ কাৰণে। তথাপি তাই তেনেকৈ থাকিও মানুহৰে ভাল-বেয়াৰ হিচাবৰ মাজত সোমাই মানুহ বুলি পৰিচয় দিব পাৰিছে।

মানুহে তাইক মানুহ বুলিয়েই ক্ষমা নকৰে। মানুহৰ ধৰা-বন্ধা নিয়ম নমনাতে তাইৰ দোষ কিন্তু তাই নিজৰ কাৰণে যিবোৰ নিয়ম বান্ধি থৈছে, সেইবোৰ আনে মানি নলয়। যেন তাইৰখিনি বাদ দি আনবোৰ মানুহৰ নিয়মবোৰহে চিৰন্তন নিয়ম। যেন মানুহতকৈও আগ সেইবোৰ নিয়ম।

··নিয়ম আগ নে মানুহ আগ? নিয়মে মানুহ চলাব নে মানুহে নিয়ম চলাব? সদায় এনেকৈতো চলি অহা নাই। চিৰকাল তো এনেকৈ চলি নাথাকে। হয়তো এনে এদিন আছিল, হয়তো এনে এদিন আহিব, যিদিনা মানুহে তাইৰবোৰেই সৰ্বোৎকৃষ্ট নিয়ম বুলি মানিব। সইদিনা হয়তো ভাল মানুহৰ মাজত তাই সৰ্বোচ্চ স্থান অধিকাৰ কৰি ল'ব।

হঠাৎ অমলক অহা দেখি মনলৈ কিবা এটা অৰ্থহীন আনন্দৰ পুলক আহিল। যদি অমলে আজিও নীহাৰৰ ঘৰলৈকে যাবলৈ মোক লগ ধৰিব আহিছে!

মৰমৰ অমলৰ মঙ্গলৰ কাৰণে বেয়াৰ মাজত সোমায়ো যদি কিবা এটা ভাল বস্তু হেৰা পাওঁ তাক বুটলি লোৱাত মোৰ কি দোষ হ'ব পাৰে! নীহাৰৰ-পৰা আঁতৰে আঁতৰে থাকি তাইৰ মধুৰ গানৰ আৰামখিনি উপভোগ কৰাত মোৰ কি ক্ষতি হ'ব পাৰে!

অমলক বহিবলৈ দি সুধিলো—"কি অমল, নীহাৰৰ ঘৰলৈকে যাবলৈ আহিলিনেকি?"

—"পাহৰিয়েই আছিলো নীহাৰৰ কথা। যাবৰ ইচ্ছা নাই কিৰণ। মই এনেয়েহে তোৰ ওচৰলৈ আহিছোঁ।" অমলে ক'লে।

—"তোৰ ইচ্ছা নাই?"··তোৰ যে সমস্ত ইচ্ছা নৈৰ সোঁতৰ দৰে নীহাৰৰ অভিমুখে বব লাগিছে, তাক মই বেচ জানো। মোক তই কি ফাকি দিবি ভাই।"

অমলে সহজভাৱে ক'লে,—"তই মোক কি বুলি ভাবিছ কিৰণ। মইতো ভাই এতিয়াও মোৰ ইচ্ছা-শক্তিটোক নীহাৰৰ গোলাম হ'বলৈ দিয়া নাই যে তাই যেনি ইচ্ছা তেনি চলাব। সেই কাৰণে যদিও আজি নীহাৰক সমাদৰ কৰি বুকুৰ মাজলৈ টানি লৈছোঁ, হয়তো ইচ্ছা হ'লে কাইলৈ অনাদৰ আৰু অৱহেলাৰে তাইক ভৰিৰ তললৈ ঠেলি পেলাবও পাৰো।"

—"এয়ে তোৰ ভালপোৱা নহয়? ইমান নিষ্ঠুৰ তই!" অমলৰ কথাত আচৰিত হৈ কৈ পেলালো।

অমলে মোক ঠাট্টা কৰাৰ চলেৰে হাঁহি ক'লে— "ভালপোৱা! বৰ ইঁহৰালি কিৰণ তই। কেলেই তয়েচোন এদিন মোক কৈছিলি নীহাৰক ভালপোৱা মোৰ অন্যায় কাম। আৰু আজিচোন তয়ে আকৌ দাৰোৱান বেশেৰে তাইৰ ভালপোৱাৰ দুৱাৰ-মুখত হাজিৰ।"

—"নহয় ভাই অমল, সঁচাকৈয়ে তই যদি অনাদৰ আৰু অৱহেলাৰে নীহাৰক বাদ দিব পাৰ, সি বেচ কথা। তেতিয়া তোৰ মঙ্গল। কিন্তু ভাবিছো ভাই তায়োতো এজনী মানুহ, বৰং কোমল প্ৰাণৰ তিৰোতা মানুহহে। তাইতো এটা ফুটবল নহয় যে মানুহে মূৰে-ভৰিয়ে তলে-ওপৰে তাইক গুৰিয়াই-লথিয়াই ফুৰিব।" ভাবিলো মোৰ কথাত আবেগ নাছিল।

—"তই যে বৰ নতুন কথা কলি। তাইৰ কাৰণে তোৰ আজি ইমান দৰদ কিহৰ? ভুলত যেনিবা সোণ বুলি পিতলকে তুলি লৈ এতিয়া আচল ৰূপ চিনিব পাৰি দলিয়াই পেলাব খুজিছো। তাত আকৌ তোৰ কি আপত্তি থাকিব পাৰে।"

—"মোৰ একো আপত্তি নাথাকিলহেঁতেন অমল, যদি নীহাৰ পিতলৰ দৰে এটুকুৰা নিস্পন্দ পিতলেই হ'লহেঁতেন। তাইক তো তেনেকৈ দলিয়াই পেলোৱাটো বৰ সহজ কাম নহয়।"

—"বুজিছো কিৰণ, বুজিছো; কিন্তু এটা কথা, কেতিয়াবা যদি মই নীহাৰৰ ঘৰলৈ যাওঁ তই আৰু মোৰ লগত যাব নোৱাৰ।" মোৰ ওপৰত অবিশ্বাস কৰি কিজানি সি ক'লে।

—"কিয়, মই গ'লে তোৰ অসুবিধা হয় কাৰণে? মই যামেই—যাবই লাগিব।" কথাষাৰ কৈ মোৰ অলপ বেয়া লাগিল, মোৰ সজ উদ্দেশ্যটো সি নাজানে।

—"সেই বাটেদি তোক আৰু আগবাঢ়িবলৈ দিব নোৱাৰো কিৰণ।"

—"বাঃ, তই আজি আকৌ মোক বাট দেখুৱাবলৈ আহিছ। মোক ভুল নুবুজিবি অমল—মই সেই আন্ধাৰ আৰু ভয়াবহ বাটৰ তোৰ লগৰীয়া। তোক মই অকলে যাবলৈ এৰি দিব নোৱাৰো।"

—"তই মোক বৰ ভাল পাৱ, মই জানো ভাই! সেই কাৰণেই তই মোক

অকলে এৰি দিবলৈ ভয় কৰিছ। মই বুজিছো। কিন্তু, ভাই সেই পথটো বৰ নিৰাপদ নহয়—হয়তো দুয়োজনেই পথভ্ৰষ্ট হৈ পৰিম। সেই কাৰণে কিৰণ, মই আৰু সেই পথ এৰিবলৈ বাধ্য হ'লো।" অতি গহীনভাৱে সি কথাবোৰ কৈ গ'ল।

—"কি—ইমান সহজে তই নিজক নীহাৰৰ মাজৰপৰা মুক্ত কৰিব পাৰিবি?" আচৰিত হৈ মই সুধিলো।

—"খুব পাৰিম কিৰণ, আজি এই মনৰ অৱস্থা যিমানপৰ, যিমান দিন থাকিব, সিমান সময় পাৰিম, মই তোক নিশ্চিতভাৱে কৈছো।"

...সেই পথেদি নোযোৱাকৈ থকাটো খুব সহজ, কিন্তু গৈ আধাবাটৰপৰা ঘূৰি অহাটো ভয়ানক টান। অমলে মোক প্ৰবঞ্চনাকে কৰিলেনেকি? মোৰ আগত নাযাওঁ বুলি ফাঁকি দি সি মোক এৰি অকলে যাবলৈ বুদ্ধি কৰিলে। বৰ বেয়া লাগিল। ইমান নীচ হ'ব পাৰিলে সি। শেষত মোক ফাঁকি দিবলৈকো সি কুণ্ঠিত নহ'ল ..। অমলৰ দৃঢ়প্ৰতিজ্ঞ মুখখনলৈ চাই চাই ভাবিছিলো, তাক খুব সহজে জয় কৰিব পাৰিলো। অন্তৰখন তাৰ বৰ ওখ। কিন্তু সি যোৱাৰ পিচতহে বুজিলো, সি মোক ফাঁকি দি গ'ল।...

ভাবিলো যদি মনে মনে গৈ তাক নীহাৰৰ ঘৰত ধৰা পেলাব পাৰো...। ঠিক হ'ব—খুব ভাল হ'ব, তাৰ মঙ্গলৰ কাৰণে এয়ে মোৰ শেষ চেষ্টা।

বাহিৰ ওলাই মনটো কিবা কিবা লাগিল। কেতিয়াও তেনে উদ্দেশ্যেৰে অকলে বাহিৰ ওলোৱা নাছিলো। ৰাতি যথেষ্ট হৈছিল। আকাশৰ শেঁতা তৰাবোৰে আৰু অসম্পূৰ্ণ জোনটোৱে বিৰাট অন্ধকাৰক পোহৰাবলৈ মিছা চেষ্টা কৰিছিল। আন্ধাৰেই ভাল লাগিল। অন্তৰত এটা মহৎ উদ্দেশ্যেৰে যদিও ওলাইছিলো তথাপি কিয় জানো মানুহৰ চকুৰ আঁতৰে আঁতৰে এন্ধাৰৰ মাজতে নিজক লুকাই থৈ যাবলৈ বৰ মন গৈছিল। যাওঁ-নাযাওঁকৈ কেনে-বাকৈ গৈ নীহাৰৰ ঘৰৰ মুখ পালোগৈ। এবাৰ তাৰেপৰা উভতি আহিব খুজিলো। কিন্তু মনত পৰিল, অমললৈ। অমলক মাজত সোমাই তাইৰ সৰু ঘৰটো এটা প্ৰকাণ্ড কাৰাগাৰৰ দৰে মোৰ চকুত পৰিল। অলপ বৈ শুনিলো, বতাহত যেন নীহাৰৰ প্ৰাণ মাতোৱাৰা কৰা স্নিগ্ধ গানৰ সুৰ বিয়পি পৰিছে।

দুৱাৰত হাত দিলো—দুৱাৰ মেলি দিলে। নীহাৰৰ ওচৰ পালোগৈ। নীহাৰত চকু পৰিল......চাৰিওফালে চালো অমল নাই। অমল তেনে নাই অহা? পালেঙৰ ওপৰত সুকোমল বিচনাত নীহাৰ আধাশোৱা অৱস্থাত পৰি আছে। মোক দেখি উঠি আহিবৰ কোনো প্ৰয়াস নকৰি তাৰেপৰা ব্যস্তভাৱে তাই ক'লে—"অ' আপুনি, আহক, আজি কি বুলিনো আমালৈ মনত পৰিল।"

তাইৰ কথাৰ উত্তৰ দিবলৈ পাহৰি সুধিলো—"অমল আপোনাৰ ইয়ালৈ অহা নাই?"

তাই তাইৰ ধুনীয়া মুখখন মোৰ আটাইখিনি দৃষ্টি-শক্তিৰ মাজত থৈ ক'লে—"তেওঁ দেখোন আজি ভালেদিন এইফালে অহা নাই।"
—"অ' হয় নেকি? বাৰু মই তেনে আহোঁ"—বুলি আহিবৰ কোনো উদ্যোগ নকৰি অবাক হৈ চাই থাকিলো বিচনাখনত অযত্নেৰে পৰি থকা তাইৰ দেহটো।
—"আও! যায়েইনে? যদি আজি অকলে আহি মোক কৃতাৰ্থ কৰিলে তেনে অকণমান পৰ বহি গলে সন্তোষ পাম।" তাতকৈ মিঠা মাত মাতিবৰ আৰু শক্তি কিজানি তাইৰ নাছিল। আগেয়ে গমেই পোৱা নাছিলো যে তাইৰ এটা সামান্য মিঠা অনুৰোধ ৰক্ষা নকৰিবৰ কাৰণে মোৰ মনত জোৰ নাই। জোৰ দি কলো—"মই যাওঁ নীহাৰ, মোৰ কাম আছে। মই অমলক বিচাৰিহে আহিছিলো।" ক'ব নোৱাৰো কথাষাৰ তাই শুনিলে নে নাই।
—"বুজিলো, আপুনি মোক ঘিণ কৰে। নহ'লে অলপ সময় বহি এটা গান শুনি যোৱাত আপোনাৰ কি আপত্তি থাকিব পাৰে।" বৰ কৰুণ সুৰেৰে তাই ক'লে।

তোমাক মই ঘিণ কৰিম বুলি কব খুজিও সাৱধানে থাকিলো। "মোৰ একো আপত্তি নাই নীহাৰ, পিচে মই সোনকালে যাব লাগিব।"
—"বেচ। বৰ সন্তোষ পালো—বহক তেন্তে।" পালেংখনৰ এদাঁতিলৈ আঁতৰি গৈ মোক আন দাঁতিত বহিবলৈ তাইৰ চকু দুটাৰে ইঙ্গিত দিলে। গোটেই দেহৰ তেজসোপা যেন মূৰৰ ওপৰলৈ উঠি আহিব ধৰিলে। কিছু দূৰত চকী এখন নিস্পন্দ হৈ পৰি আছিল। সিমানদূৰ খোজ কাঢ়ি গৈ বহিবলৈ মোৰ ভৰি দুখন অকৰ্মণ্য হৈ পৰিল। মাত্ৰ যেতিয়া আয়নাখনত নিজৰ ছবিটো দেখিলো তেতিয়াহে বুজিলো, মই নীৰবে কব নোৱাৰাকৈয়ে নীহাৰৰ পালেঙৰ এচুকত বহি পেলাইছো। বিচনাত এছৰাজখন পৰি আছিল, তাই হাতত তুলি ল'লে, কিন্তু গান গাবৰ কোনো চেষ্টা নকৰিলে। মাত্ৰ বুকুৰ মাজত এছৰাজখন সাবটি ধৰি আচৰিতভাৱে মোৰ মুখলৈ চাই থাকিল যেন মইহে তাইক কিবা এটা শুনাব লাগে।

কাহানিও নীহাৰৰ দেহৰ ইমান ওচৰলৈ আহি পোৱা নাছিলো। দূৰৰ-পৰা নীহাৰৰ ৰূপ বহুত দিন দেখিছো, কিন্তু ইমান ওচৰৰপৰা তাইৰ গোটেই দেহৰ সামান্য ওখ-চাপৰ অকণৰো তাৰতম্য ইমান স্পষ্টভাৱে চোৱাৰ সুবিধা কাহানিও পোৱা নাছিলো। চাকিৰ নীলা বাল্বটো আগেয়ে তাত আছিল নে নাই ক'ব নোৱাৰো। নীলা পোহৰটোৱে তাইৰ সুসজ্জিত দেহৰ ওপৰত কমনীয় ৰহণ এটি সানি দিছিল। ডিঙিৰ মণিবোৰত, হাতৰ বালাবোৰত, সাজ-পৰিচ্ছদত, তাইৰ গাৰ ওলাই থকা শুদা ঠাইবোৰত নীলা আভা—যেন তাই চিৰকালেই তেনেকুৱা নীলা। নীলা পোহৰটো যেন তাইৰ গাৰপৰাহে ওলাই ৰূমটোৰ আনবোৰ বস্তুত পৰিছে।

ইমান সুন্দৰ লাগিল তাইক। মূৰৰ চুলিৰপৰা ভৰিৰ তলুৱালৈকে তাই ধুনীয়া হৈ পৰিছে। উশাহ লওঁতে উঠা-নমা বুকুখনত, এছৰাজৰ বʼডাল লৈ ব্যস্ত থকা হাত দুখনত, সঙ্কুচিত কৰি বহা ভৰি দুখনত, মোৰ ফালে চাই থকা তাইৰ মুখখনত আজি অতদিনে মোৰ চকুৰ আঁৰত ইমান ৰূপ লুকাই আছিলনে ?

# দীননাথ শৰ্মা

(১৯১৪—        )

অন্যান্য বহুতো অসমীয়া গল্প-লেখকৰ তুলনাত দীননাথ শৰ্মাৰ ৰচনাৰ পৰিমাণ যথেষ্ট সৰহ ; বিষয়-বৈচিত্ৰ্যৰ ফালৰপৰাও তেওঁৰ গল্প চহকী। তথাপি তেওঁ শ্ৰেষ্ঠ গল্প-লেখক-সকলৰ ভিতৰত আগশাৰীত ঠাই নোপোৱাৰ প্ৰধান কাৰণ এইটোৱেই যে ৰচনাসৌন্দৰ্য বা শিল্প-সৌন্দৰ্যৰ প্ৰতি তেওঁৰ মনোযোগ কিছু কম। বেছিভাগ কাহিনীকেই তেওঁ কিছু স্থূল ৰূপত উপস্থাপিত কৰিছে; উন্নত আংগিক আৰু ভাষাৰ সৌন্দৰ্যৰদ্বাৰাই তেওঁ সেইবোৰক অধিক তাৎপৰ্যমণ্ডিত কৰিবলৈ চেষ্টা কৰা নাই।

দীননাথ শৰ্মাৰ গল্পৰ বিষয়-বৈচিত্ৰ্যৰ কেইটামান চানেকি দিলেই যথেষ্ট হ'ব। দুলাল গল্পত তেওঁ মৃত্যুৰ অভিজ্ঞতাৰ বিষাদ-গম্ভীৰ ছবি আঁকিছে (বীণা বৰুৱাৰ অসমাপিকা তুলনীয়) ; পৰিণাম আৰু জিঘাংসা গল্পৰ বিষয়-বস্তু হ'ল প্ৰতিশোধকামনা ; কোৱাভাতুৰীয়া ওঁঠৰ তলত গল্পত নাৰী চৰিত্ৰৰ অন্ধকাৰ দিশটো উন্মোচিত কৰা হৈছে ; ৰণজিৎ এটা যৌৱাৰ আত্ম-কাহিনী ; সমাধান গল্পত বিবেকৰ দ্বন্দ্ব ; গুণ্ডা গল্পত এটা গুণ্ডাৰ মনস্তত্ত্ব ফুটাই তুলিবলৈ চেষ্টা কৰা হৈছে ; প্ৰতিক্ৰিয়া গল্পত দুগৰাকী ভোগসৰ্বস্বা তিৰোতা—মাক আৰু জীয়েকৰ নৈতিক সংযমহীন জীৱনৰ কৰুণ পৰিণতিৰ চিত্ৰ অঁকা হৈছে ; নিষ্কৃতি গল্পত এগৰাকী লোভী স্বাৰ্থপৰ তিৰোতাৰ অন্তহীন দাবী পূৰণ কৰিবলৈ গৈ নিৰীহ স্বামীয়ে পাপৰ পথত নামি অৱশেষত আত্মহত্যা কৰিবলগা হোৱাৰ মৰ্মন্তুদ কাহিনী কোৱা হৈছে। সন্দেহ নাই যে দীননাথ শৰ্মাৰ অভিজ্ঞতাৰ পৰিধি বহল ; তেওঁৰ সন্ধানী দৃষ্টিয়ে জীৱনৰ বিচিত্ৰ ৰূপ, হৃদয়-বৃত্তিৰ বিচিত্ৰ প্ৰকাশ, আদৰ্শ আৰু বাস্তৱৰ বিচিত্ৰ দ্বন্দ্ব আৱিষ্কাৰ কৰিছে। কিন্তু বেছিভাগ ক্ষেত্ৰতেই সেইবোৰ অশোধিত সোণ হৈয়ে ৰৈছে ; শিল্পীৰ নিপুণ হাতৰ পৰশত সেইবোৰে সৌন্দৰ্য-মণ্ডিত অলংকাৰৰ ৰূপ লোৱা নাই। যথেষ্ট সম্ভাৱনা আছিল কাৰণেই লেখকৰ এই ব্যৰ্থতা দুখজনক।

তথাপি যি কোনো শ্ৰেষ্ঠ অসমীয়া গল্পৰ সংকলনৰপৰা দীননাথ শৰ্মাক বাদ দিব নোৱাৰি। তেওঁ অসমীয়া গল্পৰ বিষয়-বস্তুৰ পৰিধি বহল কৰিছে। আন বহুতো লেখকে নকৰা জীৱনৰ কেতবোৰ মৌলিক সমস্যা তেওঁ তেওঁৰ গল্পত উত্থাপন কৰিছে। সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ আৰ্থিক সমস্যা, নৈতিক দ্বন্দ্ব, মূল্যবোধৰ সংকট আদি সমস্যাক তেওঁ বাস্তৱ ৰূপত ফুটাই তুলিছে। এনেবোৰ গল্পত তেওঁ গভীৰ মানৱীয় সহানুভূতি আৰু মনস্তাত্ত্বিক অন্তৰ্দৃষ্টিৰো পৰিচয় দিছে। এই প্ৰসংগত তেওঁৰ নিষ্কৃতি, উদ্ধাৰ আৰু সমাধান আদি কেইটামান গল্পৰ বিশেষ-ভাৱে উল্লেখযোগ্য। নিষ্কৃতি গল্পৰ গোপাল বৰঠাকুৰ কম দৰমহাৰ চাকৰি কৰা এজন নিৰীহ, শান্তিপ্ৰিয়, আৰু সাধুপ্ৰকৃতিৰ মানুহ। এই বিষয়ে কোনো সন্দেহ নাই যে নিজৰ ইচ্ছামতে চলিবলৈ সুবিধা পোৱা হ'লে তেওঁ জীৱনত কেতিয়াও অসৎ পথত ভৰি নিদিলেহেঁতেন। কিন্তু তেওঁৰ জীৱনত নিয়তি হৈ দেখা দিলে তেওঁৰ ঘৈণীয়েক মালতী। মালতীৰ জীৱনৰ বাসনা হ'ল ওচৰ-চুবুৰীয়াৰ লগত সমানে ফেৰ মাৰি নগৰৰ মাজত ভব্য-গব্য হৈ থকা। গিৰিয়েকৰ সীমিত সামান্য উপাৰ্জনেৰে সেইটো সম্ভৱ নহয়। নিজে নানা প্ৰকাৰে কৃচ্ছ্ৰসাধন কৰিও তেওঁ সংসাৰৰ হিচাপ মিলাব নোৱাৰাত পৰিল। অৱশেষত ঘৈণীয়েকৰ অবিৰাম কদৰ্থনা আৰু

অত্যাচাৰত অতিষ্ঠ হৈ তেওঁ লাহে লাহে অসৎ পথত ভৰি দিবলৈ ধৰিলে ; তেওঁ যি বেংকত হিচাপ ৰক্ষকৰ কাম কৰিছিল, সেই বেংকৰ ধন আত্মসাৎ কৰিবলৈ আৰম্ভ কৰিলে। সমাজৰ মূল্যবোধৰ পৰিবৰ্ত্তনে তেওঁৰ মানসিক দৃষ্টিভংগীতো ডাঙৰ পৰিবৰ্তন আনিলে। যিজন মানুহে যুদ্ধৰ দিনত মিলিটাৰীৰ চাকৰি কৰিও কোনো ধৰণৰ প্ৰলোভনৰ কাষত ধৰা দিয়া নাছিল, সেই মানুহজনেই এতিয়া উপলব্ধি কৰিবলৈ ধৰিলে : "ভাল মানুহ বুলি তেওঁক আজি কোনেও সমীহ নকৰে ; মানো নকৰে, মৰমো নকৰে। আজিৰ বস্তুবাদী জগতত মানুহৰ মূল্যাংকন হয় টকাৰ অংকৰে। ভয় আৰু লাভেই হ'ল আজিৰ মানুহৰ লগত মানুহৰ সম্পৰ্ক।" বৰঠাকুৰৰ চৰিত্ৰাংকনত লেখকে আদৰ্শবাদী নীতিবাগীশৰ ভূমিকা লোৱা নাই ; সম্পূৰ্ণ বাস্তববাদী দৃষ্টিভংগীৰে, কিন্তু গভীৰ সহানুভূতিৰে তেওঁ চৰিত্ৰটো অংকন কৰিছে। বৰঠাকুৰ স্বভাৱতে সৎ, কিন্তু প্ৰতিকূল অৱস্থাৰ লগত যুঁজি শেষ পৰ্যন্ত সেই সততা ৰক্ষা কৰিবৰ জোখাৰে তেওঁৰ নৈতিক দৃঢ়তা নাই। তদুপৰি ইয়াত সৎ আৰু অসতৰ দ্বন্দ্ব কেৱল এজন ব্যক্তিৰ হৃদয়তে চলা নাই বা সি কেৱল তেওঁৰ জীৱনৰ পৰিধিতে সীমাবদ্ধ নহয় ; সমাজৰ পৰিবৰ্তিত আৰু বিকৃত মূল্যবোধেও ইয়াত অসতৰ পক্ষ লৈছে। চৰিত্ৰ হিচাপে মালতী আৰু বৰঠাকুৰ দুয়ো দুটা জীৱন্ত আৰু বাস্তবানুগ চৰিত্ৰ ; কিন্তু একে সময়তে দুয়ো এটা সামাজিক সংঘাতৰ প্ৰতীক-স্বৰূপ। মালতী হ'ল বৰ্তমান সমাজৰ নীতিজ্ঞানবিবৰ্জিত লোভ, স্বাৰ্থপৰতা আৰু বিকৃত মূল্যবোধৰ প্ৰতীক ; আনহাতে বৰঠাকুৰ হ'ল তাৰ বিৰুদ্ধে দুৰ্বলভাৱে থিয় দি কৰুণ পৰাজয় স্বীকাৰ কৰা মেৰুদণ্ডহীন সততাৰ প্ৰতীক।

সমাধান গল্পতো এই সৎ আৰু অসতৰ দ্বন্দ্ব অলপ বেলেগ ধৰণে প্ৰকাশ পাইছে। পণ্ডিত এজন সৎ লোক আৰু সমাজৰ ওপৰত তেওঁৰ নৈতিক প্ৰভাৱ আছে। আনহাতে ধনীৰাম মহাজন লোভ আৰু স্বাৰ্থপৰতাৰ জীৱন্ত প্ৰতিমূৰ্তি। পণ্ডিতে তেওঁৰ জীয়েক মণিকাক মহাজনৰ পুতেক মাণিকলৈ বিয়া দিবলৈ ভাবিছিল, কিন্তু ঐশ্বৰ্যাভিমানী মহাজনে সেই প্ৰস্তাৱ ঘৃণাৰে প্ৰত্যাখ্যান কৰিলে। কিন্তু এটা সময় আহিল—যেতিয়া ধনী মহাজনে স্থানীয় সমবায় সমিতিৰ চেক্ৰেটাৰী হ'বৰ কাৰণে পণ্ডিতৰ সহায় অপৰিহাৰ্য বুলি অনুভৱ কৰিলে। তেতিয়া তেওঁ নিজেই পণ্ডিতৰ জীয়েকৰ লগত নিজৰ পুতেকৰ বিয়াৰ প্ৰস্তাৱ দিলে। পণ্ডিতৰ জীৱনত এটা ডাঙৰ ধৰ্ম-সংকট উপস্থিত হ'ল। তেওঁ জানে যে চেক্ৰেটাৰী হৈ সমবায় সমিতিখনক ভঙাটোৱেই ধনী মহাজনৰ প্ৰধান উদ্দেশ্য, কাৰণ সমবায় সমিতিয়ে তেওঁৰ ব্যক্তিগত ব্যৱসায়ৰ ক্ষতি সাধন কৰিছিল। "একালে জীয়েকৰ ভৱিষ্যৎ, আনফালে এটা নৈতিক কৰ্তব্য। যেন এক ভীষণ সংকটত পৰি পণ্ডিতে উশাহ ল'ব পৰা নাই।" পণ্ডিতৰ এই নৈতিক দ্বন্দ্ব বা উভয় সংকটক কেন্দ্ৰ কৰি গল্পটো বিশেষ তাৎপৰ্যপূৰ্ণ হৈ উঠাৰ প্ৰচুৰ সম্ভাৱনা আছিল ; কিন্তু লেখকে নিজৰ কাৰণে আৰু লগতে পণ্ডিতৰ কাৰণেও এটা সহজ সমাধান বিচাৰি উলিয়াই সেই সম্ভাৱনা নষ্ট কৰিলে।

দীননাথ শৰ্মাৰ গল্পবোৰৰ বিষয়ে ডঃ জনছনৰ ভাষাতে ক'ব পাৰি যে he thinks justly, but he thinks faintly.

# নিষ্কৃতি

...পাঁচটা ল'ৰা-ছোৱালী। গিৰীয়েক-ঘৈণীয়েক। ঘৈণীয়েকৰ বায়েকৰ ল'ৰা এটাও তাতে থাকি পঢ়ে। তদুপৰি আছে চাকৰ ল'ৰা এটা। গতিকে সংসাৰখন একেবাৰে সৰু নহয়। ভাগ্যে ঘৰটো ভাড়া ঘৰ নহয়। নহ'লে

আজিৰ বজাৰৰ এই জুই-ছাই ভাওৰ দিনত গুৱাহাটী নগৰত টিকি থকাই টান হ'লহেঁতেন। তথাপি আছে অভাৱ-অনাটন।

কোনোমতেই দেখোন ততৰ নমৰে। মৰিবনো কেনেকৈ ? উপাৰ্জন মুঠেই মাহটোৰ আঢ়ৈ শ টকা। গোলাপ বৰঠাকুৰৰ চিন্তা-ভাবনা বাঢ়ি যায়।

অভাৱ থাকিলেই অশান্তি হয়। সেই অশান্তিয়ে সংসাৰখন তিতা লগায়। বৰঠাকুৰৰো সেয়ে হৈছে।

অথচ মালতীয়ে কথাটো বুজি নাপায়। বুজিবৰ চেষ্টা নকৰে। অকণমান কিবা এটাৰ হেৰফেৰ হ'লেই মুখ ওফোন্দাই আহিব। বকিবলৈ আৰম্ভ কৰিব। মালতীৰ একো একোটা কথাৰ হুলচোন বৰলৰ হুলৰ দৰে। বৰঠাকুৰৰ হিয়াৰ আমঠু ক'লা পৰি যায়।

ইমান চোকা মুখ বুলিতো তেওঁৰ আগেয়ে ধাৰণা নাছিল। কিমান মৰমিয়াল, ল'নী আছিল এই মালতীজনী। বিয়াৰ পিচত কেইবাবছৰো বৰ সুখৰ সংসাৰ কৰিছিল বৰঠাকুৰে।

এৰা, মালতী বৰ মোহ লগাজনী আছিল। তেওঁক ভালো পাইছিল মালতীয়ে।

তেতিয়া অৱশ্যে অভাৱ নাছিল। তেওঁ কাম কৰিছিল মিলিটাৰী অফিচত। দ্বিতীয় মহাযুদ্ধৰ ভিতৰতে গোপাল বৰঠাকুৰৰ বিয়া হৈ গৈছিল মালতীৰ লগত।

তাৰ দুবছৰৰ আগতে আই-এ পাছ কৰি তেওঁ স্কুলৰ মাষ্টৰ হৈছিল গুৱাহাটীৰ কোনোবা এখন হাইস্কুলত। তেওঁ আছিল তেতিয়া জাতীয়তাবাদী। সদায় খদ্দৰ পিন্ধে। খবৰৰ কাকতত প্ৰবন্ধ লিখে। কিন্তু যুদ্ধ লগাৰ পিচতে কিয় জানো গোপাল বৰঠাকুৰে মিলিটাৰীৰ কামত সোমাল। সাজ-পোছাকো বদলিল। খাকী পেন্ট-চোলা পিন্ধা হ'ল। তেওঁৰ পৰিচিত বন্ধু-বান্ধৱ সকলো আচৰিত হ'ল। কোনোবাই কোনোবাই কিবা কিবি মন্তব্যও কৰিলে।

বৰঠাকুৰে কিন্তু সেইবোৰলৈ একো মন-কাণ নকৰিলে। ঘৈণীয়েকক লৈ নগৰৰ মাজত বেচ ভালভাবেই খাই-বৈ আছিল বৰঠাকুৰ।

তাৰ পিচত ?

যুদ্ধ শেষ হ'ল। দেশ স্বাধীন হ'ল। বৰঠাকুৰৰ ল'ৰা-ছোৱালী বাঢ়ি পাঁচোটা হ'ল। সংসাৰৰ খৰচ বাঢ়িল। থকা-মেলাৰ আদব-কায়দাও বাঢ়িছিল।

কিন্তু তেওঁৰ উপাৰ্জন নোহোৱা হ'ল। কাম নাই। মিলিটাৰী চাকৰি। যুদ্ধ শেষ হোৱাৰ লগে লগে নোহোৱা হ'ল। বৰঠাকুৰ হৈ পৰিল একৰকম বেকাৰ।

অ'ত দুমাহ, ত'ত চাৰিমাহ কাম কৰে। টিউশ্যনো লয়। তথাপি খৰচৰ জোৰা নমৰে। এৰা, বৰঠাকুৰ বিপাঙত পৰিল।

মালতী কিন্তু কোনোমতে ৰাজী নহয় খৰচ কমাবলৈ। নগৰৰ মাজত ভব্য-গব্য হৈ থাকিবলৈ এইখিনি লাগিবই। খৰচ কমাই শুদা পেটে থাকি-লেহে হ'ব। অকাট্য যুক্তি।

এদিন বৰঠাকুৰে ক'লে —"এইবাৰ পৰীক্ষা হৈ গ'ল যেতিয়া অহা বছৰৰ-পৰা মাখন হোষ্টেলতে থাকক গৈ নহলে।"..

মাখন মালতীৰ বায়েকৰ ল'ৰা। কলেজত পঢ়ে।

ঘৈণীয়েক তিড়িং্‌চৈকে উঠিল।

—"কিয় থাকিব হোষ্টেলত? মই মাহীয়েকজনী থাকোতে সি হোষ্টেললৈ যাব কিয়? আপোনাৰ কি খাই ভুকাইছে সি?"

তাৰ পিচত আৰু বৰঠাকুৰে কথা ক'বলৈ বিচাৰি নেপায়।

আগৰ চাকৰ ল'ৰাটো ঘৰলৈ গৈ নহা হ'ল। পেটে পেটে বৰঠাকুৰে ভালেই পালে। মাহে কুৰি টকাকৈ দৰমহা দি চাকৰ এটা ৰখা সহজ নহয়। তদুপৰি আঁছে তাৰ খোৱা, কাপোৰ-কানি। এইখিনি খৰচ কমিলেও কম নহয়।

বৰঠাকুৰে নতুন মানুহ বিচৰা নাই। নিজেই দোকান-বজাৰ কৰিছে। কিন্তু মালতী জেক্‌জেকাই উঠিল!

—"মই চুৱা বাচন-বৰ্তন ধুব নোৱাৰো। ৰন্ধা-বঢ়া কৰো বুলি চল পাই-ছেনেকি? মই বান্দী নহয় নহয়।"

ওঁহো মালতীয়ে নুবুজে। বৰঠাকুৰে নতুন চাকৰ বিচাৰি আনিবলৈ বাধ্য হ'ল।

তেওঁ পেটে পেটে দুখ পায়। দুৰ্ভাৱনাত মনে মনে ছটফট কৰে। এটা চাকৰিৰ কাৰণে অস্থিৰ হৈ পৰে।

শেহত যেনিবা চাকৰি এটা পালে। চেন্ট্ৰেল কো-অপাৰেটিভ বেঙ্কৰ একাউন্টেণ্ট-কেচিয়াৰ। দৰমহা আঢ়ৈশ টকা সকলোমিলি। কিন্তু এই আঢ়ৈ শ টকাই তেওঁৰ সংসাৰৰ সকলো আৱশ্যকতা পূৰাব নোৱাৰে।

বৰটো ল'ৰাই সেইবাৰ মেট্ৰিক দিব।

মাকে ক'লে—"সি পাছ কৰিব পাৰিলে তাক কাশী হিন্দু বিশ্ববিদ্যালয়লৈ পঠিয়াব লাগিব। এইখনত ল'ৰা-ছোৱালীয়ে একো নিশিকে। মোমায়েকেও লিখিছে।" মোমায়েক অৰ্থাৎ বৰঠাকুৰৰ এটা খুলশালী দিল্লীত থাকে।

বৰঠাকুৰে মালতীৰ কথা শুনি অবাক হৈ গ'ল। গুৱাহাটীৰ কলেজতে পঢ়োৱা টান। তাৰ ওপৰত ল'ৰাক কাশীলৈ পঠিয়াব লাগিব? কিন্তু খৰচ?

টকা কোনে দিব ? মালতীয়ে জানো নেজানে তেওঁৰ উপাৰ্জ্জন আছে শ টকা বুলি। তেওঁতো লুক-চাক কৰি একো নকৰে। যুদ্ধৰ দিনতে লীজ লৈ এই ঘৰটো সাজি নোলোৱা হ'লে তেওঁ যে কি কৰিলেহেঁতেন ভাবিবলৈকো টান।

এৰা, ভাবনা-চিন্তাত বৰঠাকুৰৰ টোপনি নহা হ'ল। মূৰৰ তালুৰ চুলি সৰিবলৈ আৰম্ভ কৰিছে। গালৰ হনু ওলাল, কুম সোমাই গ'ল। আগৰ ইমান কথা কোৱা মানুহটোৰ মাত নোহোৱা হ'ল। তথাপি মালতীৰ হুচ্ নাই। গোপাল বৰঠাকুৰে চকুৰ আগত সৰিয়হ ফুল দেখিলে।

* * *

সেইদিনা শইকীয়াৰ পৰ্টিক'ত কথা ওলাইছিল। শইকীয়াৰ ঘৰত কিবা এটা সকাম পাতিছিল। তালৈকে গৈছিল বৰঠাকুৰ। কেইবাজনো উকীল-মুক্তিয়াৰ আহিছিল। তেওঁলোকৰ মাজত বিবিধ বিষয়ৰ আলোচনা চলিছিল। এজনে বৰঠাকুৰক সুধিলে—"আপুনি আজিকালি নিলিখা হ'ল বৰঠাকুৰ ? এসময়ত লিখিছিল নহয়। মেলে-মিটিঙেও আপোনাক আজিকালি দেখোন দেখিবলৈ নেপাওঁ।"

—"লিখিছিলোঁও, মেল-মিটিঙলৈকো গৈছিলো এসময়ত। তেতিয়া সময় আছিল চিন্তাৰ আৰু—"

—"এতিয়া নাইকিয়া হ'ল কিয় ?"

—"এতিয়া কেৱল চিন্তা কৰো এটা বিষয়ৰ। সেয়ে হ'ল পেটৰ চিন্তা। তাতেই মোৰ সকলো চিন্তা-ভাবনা কেন্দ্ৰীভূত হৈ পৰিছে।"

—"থোৱাহে, তোমালোকে ডেকা মানুহবোৰে যদি তেনেকৈ কোৱা কেনেকৈ হয় ? জানা, বৰ্তমান সময়ৰ প্ৰধান সমস্যা হ'ল বিশ্বত শান্তিৰ সমস্যা। তাৰ কাৰণে প্ৰতিজন লোকেই চিন্তা কৰিব লাগে।" এজন বয়সস্থ উকীলে ক'লে। এখেত এম-এল-এ হোৱাৰ আশাত আছে।

—"কথাটো হয়। আজি পৃথিৱীক লাগে শান্তি। সেইটো সকলোৱে একমুখে স্বীকাৰ কৰিছে।" আন এজন ডেকা উকীলে সমৰ্থন জনালে।

গোপাল বৰঠাকুৰে তপৰাই মাত লগালে, "শান্তি লাগে হয়। সেই শান্তি হ'ল ঘৰুৱা শান্তি। পেটৰ ক্ষুধাৰ শান্তি, অভাৱ-অনাটনৰ শান্তি।"

সকলোৱে তেওঁৰ ফালে চালে। আচৰিত! বৰঠাকুৰেতো আগেয়ে কেতিয়াও এনে কথা নকৈছিল। মিলিটাৰীৰ কাম কৰাৰ আগতে তেওঁ ৰাজনীতিৰ চৰ্চা কৰিছিল। বহুতো চিন্তামূলক প্ৰবন্ধ লিখিছিল। জাতীয় আৰু বিশ্ব সমস্যা লৈহে তেওঁ সদায় কথা কৈছিল।

দুই-এটা কথাৰ পাচত বৰঠাকুৰ ওলাই আহিল শইকীয়াৰপৰা বিদায় লৈ। তেওঁৰ আৰু তৰ্ক কৰিবৰ ইচ্ছা নাই। তাৰ কাৰণে তেওঁৰ উৎসাহো নাই।

বৰঠাকুৰ আচলতে সাধু প্ৰকৃতিৰ নিৰীহ মানুহ। অন্যায়-অপকৰ্ম কেতিয়াও কৰি পোৱা নাই। মিলিটাৰীত কাম কৰিছিল যদিও তেওঁৰ নৈতিক অধঃপতন হোৱা নাছিল। যুদ্ধৰ কু-বতাহে তেওঁক চুব পৰা নাছিল। তেওঁ নিজ চকুৰে তাত বহুত অপকৰ্ম হোৱা দেখিছিল। হয়তো তেৱেঁই বহুতক বাধ্য হৈ পৰোক্ষভাৱে সহায়ো কৰি দিছিল। তথাপি তেওঁ নিজে অন্যায়-অধৰ্ম কাম কৰা নাছিল।

আজি যেতিয়া তেওঁ অভাৱৰ তাড়নাত থৰকাচুটি হেৰুৱাব লগা হ'ল তেতিয়া তেওঁ নিজকে অপদাৰ্থ বুলি অনুভৱ কৰে। কিয় তেওঁ পোৱা সুযোগবোৰ হেৰুৱালে? মানুহে তেওঁক ভাল বোলে, বিশ্বাস কৰে। কিন্তু ব্যক্তি জীৱনত তাৰ মূল্য কি? পুণ্য জীৱন বোলে স্বৰ্গলৈ যায়! মৃত্যুৰ আগতে যদি নৰক-যন্ত্ৰণা পাবলগীয়া হ'ল তেন্তে সেই অনিশ্চিত স্বৰ্গৰ কামনা কৰি লাভ কি?

ভাল মানুহ বুলি তেওঁক কোনেও আজি সমীহ নকৰে, মানো নকৰে, মৰমো নকৰে। আজিৰ বস্তুবাদী জগতত মানুহৰ মূল্যাঙ্কন হয় টকাৰ অঙ্কৰে। ভয় আৰু লোভেই হ'ল আজিৰ মানুহৰ লগত মানুহৰ সম্পৰ্ক।

প্ৰেম-প্ৰীতি, দয়া-মৰম এইবোৰৰ কোনো অৰ্থ নাই। আনকি অতি আপোনজনেও স্বাৰ্থসিদ্ধি নহ'লে তোমাক সহায় নকৰে, সহানুভূতি নেদেখুৱায়। বৰঠাকুৰে মালতীৰ কথা মনত পেলায়। মালতীৰ তেওঁৰ প্ৰতি কোনো দয়া নাই। ল'ৰা-ছোৱালীহঁতৰো যেন তেওঁৰ ওপৰত কোনো শ্ৰদ্ধা নাই, কোনো আস্থা নাই। হ'ব কেনেকৈ?

সিদিনা মাজু ছোৱালীজনীয়ে ক'লে যে তাই ৰৌ মাছৰ মূৰ খাব। কিন্তু ৰৌ মাছৰ মূৰ কিনি খুৱাবলৈ তেওঁৰ পইচা নাই। মূৰ কিয় ফিছা এডোখৰৰো দাম যিহে জুই যেন। আজিকালি তেওঁ মাছৰ বজাৰলৈ সোমাবলৈকে এৰি দিছে। ৰৌ মাছৰ মূৰ আনিব নোৱাৰাত ছোৱালীজনীয়ে মুখৰ ওপৰতে ক'লে যে "দেউতাটো একো কামৰ মানুহ নহয়।"

আৰু বহুত গঞ্জনা-লাঞ্ছনা পাইছে বৰঠাকুৰে। কোনেও বুজিব নোখোজে তেওঁৰ অৱস্থাটোৰ কথা। এৰা, সংসাৰখনেই আজিৰ এনেকুৱা।

পূজাৰ সময়ত মালতীয়ে গিৰিয়েকক ক'লে, "ইহঁতৰ জোতাবোৰ ফাটি গৈছে। আটাইকিটালৈকে একোযোৰ জোতা আনিব লাগিব।"

ল'ৰা-ছোৱালী কেউটাই একেবাক্যে মাকৰ কথাত যোগ দিলে।

একো নকওঁ বুলিও বৰঠাকুৰে ক'লে, "কিয় এইবাৰ মেৰামতি কৰি ৰংচং দি ললেই নহ'বনে? বজাৰত জোতাৰ বৰ দাম উঠিছে। তাতে পূজাৰ সময়--"

ক'ত সাৰে আৰু বৰঠাকুৰ?

ল'ৰা-ছোৱালীহঁতে চিঞৰি উঠিল, "ওঁহো, নহ'ব। নহ'ব। আমাক পূজাত নতুন জোতা লাগিবই।"

মাকে ৰণচণ্ডী মূৰ্তি লৈ তেওঁৰ ফালে কঠোৰ চকুৰে চাই ক'লে, "আপুনি কি কওকচোন। সিহঁতক কিমান জোতাবোৰ আপুনি আনি দিছে? এই বছৰেকৰ পূজাৰ দিনতো যদি সিহঁতক জোতা একোযোৰ দিব নোৱাৰে আপুনি বাপেকটো হৈছিল কেলৈ? মই সেইবোৰ নাজানো। মোক বাৰু একো দিব নালাগে। আমাৰ সেইবোৰ চখ্ বিয়া দিয়াৰ লগে লগে শেষ হৈছে। কিন্তু সিহঁতক জোতা আৰু চোলা-পেন্ট দিবই লাগিব।"

মালতীয়ে চোলা-কাপোৰৰ লেখ দিলে।

—"বৰবাপুৰ পেন্ট এটা, হাৱৈ চাৰ্ট এটা। ৰাণীমাৰ মেখেলা-চাদৰ এযোৰ। অকণ আৰু ৰুবলৰ পেন্ট-চোলা একোযোৰ আৰু এনীৰ এটা ফ্ৰক। মাখি-নকো কিবা এটা দিব লাগিব।"

গোপাল বৰঠাকুৰে নীৰৱে মালতীৰ হিচাপ শুনিলে। কোনো কথা নক'লে। কোৱাৰ তেওঁৰ কোনো বাটো নাছিল। বিয়া কৰালেই ল'ৰা-ছোৱালী হয়। সিহঁতৰ চখো হয়। সেই চখ মিটাবৰ শক্তিও থাকিব লাগিব। কিন্তু তেওঁৰ সেই শক্তি ক'ত?

*　　　*　　　*

এদিন আবেলি অফিচৰপৰা আহি বৰঠাকুৰে দেখেহি যে এজনী মানুহ বহি আছে বাৰাণ্ডাত। মানুহজনী তেওঁ চিনি পায়। গাঁৱৰপৰা পাট-মুগাৰ কাপোৰ আনি নগৰত ঘৰে ঘৰে দেখুৱাই বিক্ৰী কৰি ফুৰে। মানুহজনী দেখিয়েই তেওঁৰ বুকুখন চিৰিং কৰি মাৰিলে।

লাহেকৈ তাইক তেওঁ সুধিলে, "কি হ'ল? কি লাগে?"

তাই হাত যোৰ কৰি নমস্কাৰ এটা দি মুখত এটি বিনয়ৰ হাঁহি লৈ ক'লে, "আয়ে যোৱা সপ্তাহতে কাপোৰ এযোৰ লৈছিল। আজি পইচা দিম বুলি মাতিছিল।"

—"কিমান পইচা?"

—"দুকুৰি পাঁচ টকা। বৰ সস্তাত দিলো কাপোৰযোৰ আইক।"

তেওঁ আৰু কথা নুশুনিলে। কাণ দুখন সোঁ সোঁৱাই উঠিল। পৰহি দৰমহা পাইছিল বৰঠাকুৰে। গোটেইখিনি টকাকে মালতীৰ হাতত জমা দি দিছিল। আজি যদি তাৰে দুকুৰি পাঁচ টকা দি দিয়ে আগত গোটেই মাহটো চলিব কেনেকৈ? দোকানৰ বাকীয়েই আছে দেখোন ১২০ টকা। তদুপৰি আছে গাখীৰ, ধুবীৰ বাকী। চাকৰৰ দৰমহা। দৈনিক খাৰখি-পাচলিৰ কথা বাৰু নধৰিলেই।

তেওঁ গৈ পোনেই বিচনাত পৰিলগৈ।

গিৰিয়েক অহাৰ কথা ভিতৰত থকা মালতীয়ে ক'ব নোৱাৰে। তেওঁ

মানুহজনীক বিদায় দি আকৌ ভিতৰলৈ আহোঁতেহে দেখিলে বৰঠাকুৰ পাটীত দীঘল দি পৰি আছে। তেওঁ গিৰিয়েকৰ কাষ চাপি সুধিলে, "হয়নে ? কি হৈছে ? আহিয়েই দেখোন শুলেহি ?"

তন্দ্ৰা আহিছিল বৰঠাকুৰৰ। তেওঁ খক্ মক্‌কৈ উঠি বিচনাত বহিল। ঘৈণীয়েকৰ মুখলৈ এবাৰ চাবলৈ চেষ্টা কৰিলে। কিন্তু মুখখন নেদেখিলে। কাৰণ তেতিয়া ভিতৰত আন্ধাৰ হৈছিল।

মালতীয়ে এটা লেম জ্বলাই আনিলে। তাৰ পিচত একাপ চাহ আৰু দুখন শুকান আটাৰ ৰুটী দিলেহি গিৰিয়েকক খাবলৈ।

অলপ সময় ওচৰতে থিয় হৈ থাকি মালতীয়ে ক'লে, "শুনিছেনে, এই ফাগুনৰ দিনটোতে বৰ বাপুৰ উপনয়ণ পাতিবলৈ ঠিক কৰিলো। সকলোৱে ভাল হ'ব বুলি কৈছে। মই মালৈ চিঠি দিছো। মা আৰু ভনীজনী দুদিন-মানৰ আগতে আহিব লাগিব।

মাখনৰ মাকহঁতো আহিব। বাইদেউ সদায় আহোঁ আহোঁ কৰি আছে। এই ছলতে আনিব লাগিব।

বৰঠাকুৰে শুনি গ'ল। তেওঁ এতিয়া কি ক'ব ? ল'ৰাৰ উপনয়ণ পাতিব লাগে। ঠিক কথা। সমাজত আছে যেতিয়া সমাজৰ মতেই চলিব লাগে। বামুণৰ ল'ৰাৰ উপনয়ণ বা লগুণ-দিয়নি এটা নিয়ম। তেওঁ জানে। কিন্তু তাৰ কাৰণে খৰচ আছে। সেই খৰচৰ টকা তেওঁ ক'ত পায় ?

অলপ ৰৈ মালতীয়ে আকৌ ক'লে, "বৰ ধুমধাম একো কৰিব নেলাগে। ওচৰৰ চুবুৰিয়া নামাতিলেই নোৱৰা কিঘৰক মাতিব লাগিব। চাৰি-পাঁচশমান মুনিহে-তিৰোতাই মানুহ হ'ব। ৰভা এখন দিয়াব লাগিব। খোৱাৰ কাৰণে সুদা চাহ-মিঠাই ভাল নহয়। লুচি-দাইল-ভাজিও কৰিব লাগিব। অলপ পায়সো কৰিব লাগিব। আৰু আপুনি জানো ক্ৰীম নাপাব ?"

নাপাব কিয় ? পাব। টকা হ'লে একোৰে অভাব নাই। মাকৰ বাহিৰে পৃথিৱীত সকলো বস্তুকেই পাব পাৰি টকাৰে। কিন্তু বৰঠাকুৰে টকা পাব ক'ত ? মালতীয়ে জানো তেওঁৰ অৱস্থাৰ কথা বুজা নাই ?

তেওঁ একো নমতা দেখি মালতীয়ে সুধিলে, "কিয়, আপুনি দেখোন একো মাত-বোল কৰা নাই ?"

—"মাতিবলৈ আৰু কি আছে ? তুমিতো সকলো ঠিক কৰিয়েই পেলাইছা।" বৰঠাকুৰে বৰ শান্তভাৱে ক'লে।

—"অ' কামটো ভালকৈ পাতিব লাগিব। মান-সন্মান এটা আছেতো। নৰকান্ত বৰুৱাৰ ল'ৰাৰ অন্ন-প্ৰাশনকে কিমান ধুমধামকৈ পাতিলে! এতিয়া মোৰ বৰ ল'ৰাৰ উপনয়ণত আৰু এইখিনিও নকৰিলে কেনেকৈ হ'ব ? অ' উঁৰ পেলোৱা ভোজৰ কাৰণে কিন্তু খাহী এটাও লাগিব।"

—“বাৰু হ’ব দিয়া। ৰ’বা, এনীৰ দৰবটো আনিব লাগে নহয়। ফাৰ্মেচীত সুধিছিলো বাৰ টকা পৰিব বুলি ক’লে। টকা আছে জানো?” বৰঠাকুৰে সুধিলে।

—“মোৰ হাতত ক’ত টকা আছে? ইটো সিটো দেখোন খৰচ কৰিয়েই আছো। টকানো কেইটা দিছিল?”

বৰঠাকুৰে তাৰ একো উত্তৰ নিদি নিজেই নিজক কোৱাদি মাত্ৰ ক’লে, “বাৰু, যাওঁচোন ফাঁচী বজাৰলৈ। গুৱাহাটী ফাৰ্মেচীয়ে বাকী দিয়ে বা নাই?” তেওঁ প্ৰায় সেই ভাঁজেই জোতাযোৰ পিন্ধি ঘৰৰপৰা ওলাই গ’ল।

* * *

—দিন গৈছে। বৰঠাকুৰৰ সংসাৰো চলি আছে। খৰচ কমা নাই। মাথোন তেওঁৰ নিজৰ খৰচ কমিছে। আগেয়ে বৰঠাকুৰে মিক্সাৰ খাইছিল। এতিয়া বিড়ী খায় তাকো হিচাপ কৰি। এযোৰ ধুতি-চোলাৰেই তেওঁ চলে। জাৰৰ দিনত পুৰণি এড়ীয়া চাদৰখন গাত লৈ ফুৰে। ভৰিত তাপলি দিয়া এযোৰ পুৰণি জোতা। তাহানি যুদ্ধৰ দিনতে কিনা। মূৰত তেল নলয়। দাড়িও খুৰায় সপ্তাহত এবাৰকৈ।

কিন্তু তেওঁৰ ল’ৰা-ছোৱালীৰ বেলিকা অন্য ৰকম। সিহঁত যেতিয়া সাজ-পোছাক কৰি ওলাই যাব তেতিয়া তেওঁক তাহাঁতৰ ঠাকুৰ-চাকৰ যেনহে লাগে। মালতীক ফুৰিবলৈ যোৱা দেখিলে ক’ব নোৱাৰি যে এওঁৰেই গিৰিয়েক গোপাল বৰঠাকুৰ।

মাজে মাজে গিৰিয়েকক মালতীয়ে কয়, “আপুনি কিয় এনে জধলাকৈ ফুৰে? মোৰ লাজেই লাগে আপোনাক ওলাই যোৱা দেখিলে। আপুনি আৰু ভদ্ৰলোক হ’ব নোৱাৰিলে।” বিতৃষ্ণাত তেওঁ নাক কোঁচাই দিয়ে।

মনে মনে হাঁহি উঠে বৰঠাকুৰৰ। ভদ্ৰলোকৰ সংজ্ঞা কি তেনেহ’লে মালতীয়ে বুজি পায়? ভদ্ৰলোক হ’বলৈ যে উপাৰ্জন লাগে, ধন লাগে। বহুত ধন।

* * *

হঠাৎ সেইদিনা বেঙ্কৰ চেক্ৰেটাৰী আৰু প্ৰেছিডেণ্ট দুয়োজন আহি বেঙ্কৰ কেচ পৰীক্ষা কৰিলে। পৰীক্ষা কৰি তেওঁলোকৰ মুখ গহীন হ’ল।

গোপাল বৰঠাকুৰৰ মুখলৈ চাই ক’লে, “কেচত দুহেজাৰ আঠশ টকা চৰ্ট। কি হ’ল টকা?”

বৰঠাকুৰৰ মুখত মাত নাই। পিচত সেপ্ ঢুকি তেওঁ ক’লে, “টকাখিনি মই খৰচ কৰিছো। পিচত আনি মিলাই দিম বুলি।”

—“মানে? আপুনি বেঙ্কৰ টকা খৰচ কৰিছে? আচৰিত! ৰাজহুৱা

টকা আপুনি কাৰ হুকুমত খৰচ কৰিলে? আপোনাকতো এতিয়াই পুলিচত দিব লাগিব।"

পুলিচ! পুলিচ, জেল—এইবিলাকলৈ বৰ ভয় বৰঠাকুৰৰ। তাতোকৈ ভয় তাৰ লগত থকা কলঙ্ক আৰু গ্লানিলৈ।

তেওঁ ক'লে, "সাদিনৰ—অৰ্থাৎ এসপ্তাহৰ সময় দিয়ে তেন্তে টকাখিনি মই কেচত পূৰাই থ'ম।"

—"ওঁহো, সাদিনৰ সময়—অসম্ভৱ। কিন্তু আপুনি এজন চিনা-জনা ভাল ঘৰৰ ভদ্ৰ মানুহ। নগৰত আপোনাৰ এটা সৎ নামো আছে বুলি জানো। আমি আপোনাৰ দৰে এজন ভদ্ৰলোকৰদ্বাৰা এনে এটা কাম হ'ব পাৰে বুলি কল্পনাও কৰা নাছিলো। যিকি নহওক, কালিলৈ দহ বজালৈকে আপোনাক সময় দিলো। ইয়াৰ ভিতৰত টকা নাপালে আপোনাক পুলিচত হেণ্ড-অভাৰ কৰা হ'ব।"

তাৰ পিচত চেক্ৰেটৰীয়ে আকৌ ক'লে, "আপোনাক কিন্তু এই মুহূৰ্তৰ-পৰা 'চাচপেণ্ড' কৰা হ'ল। টকা দিব পাৰিলে আপোনাৰ ওপৰত 'ক্ৰিমিনেল' চাৰ্জ নানিলেও আপোনাক বাধ্যতামূলকভাৱে অৱসৰ দিয়া হ'ব।"

বৰঠাকুৰ তেওঁলোকৰ কথাত ৰাজী হ'ল আৰু মিনতি কৰি ক'লে যে কালিলৈ দহ বজাৰ আগতে যেন এই কথা তেওঁলোকে ক'তো প্ৰচাৰ নকৰে। দুয়ো তাত সন্মতি দিলে।

সেইদিনা সন্ধিয়া বৰঠাকুৰে বজাৰৰপৰা এডোখৰ ভাল মাছ লৈ গ'ল ঘৰলৈ। ৰেস্টোৰাঁৰপৰা অলপ মিঠাইও কিনি নিলে। ঘৰত গৈ হাঁহি-মাতি ল'ৰা-ছোৱালীক মাতি মিঠাই ভগাই দিলে। ঘৈণীয়েকক ক'লে যে বহুত দিন ভাল মাছ খোৱা নাই। সেই দেখি বজাৰত ভাল মাছ পাই এই ডোখৰ লৈ আহিছে। তেওঁ যেন ভালকৈ ৰান্ধে।

তাৰ পিচত তেওঁ মুখ-হাত ভালকৈ ধুই ওলাই গ'ল। কেইবাঘৰো মানুহৰ ঘৰত তেওঁ সোমাল। বহুতদিন মানুহৰ ঘৰলৈ যোৱাতো তেওঁ বাদেই দিছিল। হঠাৎ তেওঁ যোৱাত বহুতে আচৰিত মানিলে।

আদৰ-অভ্যৰ্থনা কৰিলে। চাহ-খাবলৈ দিলে। সৎ স্বভাৱৰ শান্তিপ্ৰিয় মানুহ বৰঠাকুৰক সকলোৱে ভাল পায়।

সেই বুঢ়া উকীলৰ ঘৰলৈকো গ'ল বৰঠাকুৰ। উকীলে তেওঁক বহিবলৈ দি ক'লে, "বুজিছা গোপাল, তুমি ৰাজনীতিত লাগিলে ভাল নাম কৰিব পাৰিবা। আজিৰ বিশ্বত তোমাৰ দৰে মানুহৰ বৰ আৱশ্যক।"

তেওঁৰ কথা শুনি বৰঠাকুৰে মনে মনে ভাবিলে, "হয়তো বিশ্বত দৰকাৰ হ'ব পাৰে, কিন্তু ঘৰত দৰকাৰ নাই।" ফুটাই ক'লে, "নাই চাৰ, আমিনো কি ৰাজনীতি কৰিম। আপুনি লাগক। আমি আপোনাক যি পাৰো সহায়

কৰি দিম।" উৎসাহিত হৈ উঠিল বুঢ়া উকীল। পলিচী-প্ৰগ্ৰেম লৈ বহুত কথা পাতিলে বৰঠাকুৰৰ লগত। তাৰ পিচত তেওঁ বিদায় লৈ গুচি আহিল।

ৰাতি ভাত-পানী খাই শুই থাকিল।

* * *

পিচদিনা পুৱা গোপাল বৰঠাকুৰৰ ঘৰত হুলস্থূল কাণ্ড। ওচৰ-চুবুৰীয়া মানুহ আহি ভৰি পৰিছেহি। মালতী আৰু ল'ৰা-ছোৱালীবোৰে হুৰাওৰাবে কান্দিছে। পুলিচ-দাৰোগা আহিছে।

কি হ'ল?

এৰা, যোৱা ৰাতি ডিঙিত ফাঁচ লগাই গোপাল বৰঠাকুৰে আত্মহত্যা কৰিলে। কিয়? কোনেও ক'ব নোৱাৰে।

বৰঠাকুৰৰ বিছনাৰ গাৰুৰ তলত এখন সৰু কাকতত কেইআষাৰমান কথা লিখি থৈ যোৱা পোৱা গৈছে। গোপাল বৰঠাকুৰে তাত লিখি থৈ গৈছে ঃ

"শান্তিৰ কাৰণেই মই এই পথ বাছি ল'লো। বিশ্ব শান্তিৰ বাবে নহয়, মোৰ নিজৰ শান্তিৰ কাৰণেহে। মোৰ এই দুৰ্বলতাৰ কাৰণে দায়ী একমাত্ৰ মই। এই মৃত্যু কোনো আদৰ্শৰ মৃত্যু নহয় জানো, কিন্তু মই যে আৰু পথ বিচাৰি নেপালোঁ।"

## উমাকান্ত শৰ্মা
(১৯১৮--   )

উমাকান্ত শৰ্মাৰ একমাত্ৰ গল্প সংকলন 'ঘূৰণীয়া পৃথিবীৰ বেঁকা পথ' ১৯৪৭ চনতেই প্ৰকাশিত হৈছিল। এই ক্ষুদ্ৰাবয়ৱ গ্ৰন্থখনিত সন্নিবিষ্ট আঠটা গল্পৰ মাজত এক বিশিষ্ট সৃষ্টি-প্ৰতিভাৰ লক্ষণ ফুটি উঠা দেখা গৈছিল, কিন্তু অব্যাহত অনুশীলনৰ মাজেদি সি পৰিণতিৰ সুযোগ নাপালে। তথাপি অসমীয়া চুটি-গল্পৰ ইতিহাসত উমাকান্ত শৰ্মাৰ দুটামান গল্প বিশেষ-ভাৱে চিহ্নিত হ'বৰ যোগ্য।

উমাকান্ত শৰ্মাৰ বেছিভাগ গল্পই প্ৰেমৰ গল্প। অৱশ্যে এই প্ৰেমৰ গল্পবোৰত গভীৰ অন্তৰ্দৃষ্টি, মহৎ হৃদয়াবেগ, নানা সংঘাতৰ মাজেদি চৰিত্ৰৰ বিকাশ বা জীৱনৰ কোনো গভীৰতৰ উপলব্ধি দেখিবলৈ পোৱা নাযায়। একাধিক গল্প কেৱল প্ৰেমিক-প্ৰেমিকাৰ বিশ্ৰম্ভালাপ, অনেক সময়ত সি কেৱল sweet nothings, সাহিত্য-দৰ্শনৰ সোৱাদ পোৱা শিক্ষিত ডেকা-গাভৰুৰ মানসিক বৈদগ্ধ্যৰ প্ৰকাশ। বহুতৰ মতে প্ৰেম কেৱল intellectualisation of sex ; উমাকান্ত শৰ্মাৰ প্ৰেমৰ গল্পত তাৰেই প্ৰকাশ দেখা যায়। অৱশ্যে লেখকৰ বিদগ্ধ সংলাপ আৰু কবিত্বপূৰ্ণ ভাষাই গল্পবোৰ সুখপাঠ্য কৰি তুলিছে। কোনো কোনো গল্পত (যথা পখী) প্ৰকৃতিৰ সৌন্দৰ্য আৰু নাৰী-সৌন্দৰ্যৰ অপৰূপ মোহনীয় বৰ্ণনায় গল্পবোৰক কবিতাৰ ৰূপ দিছে। কোনে জানে কিহৰ ছাই গল্পটোত নায়িকাৰ প্ৰেমিকৰ প্ৰতি অনিবাৰ্য আকৰ্ষণ আৰু স্বামীৰ প্ৰতি কৰ্তব্যবোধৰ দ্বন্দ্বই এক গভীৰ বিষাদৰ সঞ্চাৰ কৰিছে। সেইদৰে মানুহ জন্মাৰ পিচত গল্পটোত মৃত্যুমুখী ৰুগ্না শলিতাৰ বিষন্ন প্ৰেমানুভূতিয়েও পাঠকৰ মনত গভীৰ চাপ ৰাখি যায়।

সকলো মানুহৰে জীৱনৰ চালিকা-শক্তি বা অৱলম্বন একে নহয়। বেলেগ বেলেগ মানুহে বিভিন্ন আনুগত্য বা হৃদয়াবেগ বা কৰ্তব্যবোধৰ মাজত জীৱনৰ সাৰ্থকতা বিচাৰি পায়। এই থীমটো লৈ উমাকান্ত শৰ্মাই দুটামান হৃদয়স্পৰ্শী গল্প লেখিছে। জগতৰ কলেজখন নামৰ গল্পত কলেজৰ চকীদাৰ জগতে কলেজখনৰ প্ৰতি গভীৰ আত্মীয়তা আৰু আনুগত্যৰ মাজতেই জীয়াই থকাৰ সকলো সাৰ্থকতা বিচাৰি পাইছে ; কোনো কোনো মানুহৰ সমস্ত হৃদয়াবেগ যেনেকৈ প্ৰেম বা ঈশ্বৰ বা কোনো মহৎ আদৰ্শৰ প্ৰতি ধাৱিত হয়, জগতৰ ক্ষেত্ৰত সেইটো ঘটিছে তাৰ সমস্ত মানসিক জীৱনৰ আশ্ৰয়ভূমি কলেজখনৰ প্ৰতি। সেইদৰে গদাধৰ আৰু তাৰ ছবি গল্প-টোত এনে এজন মানুহৰ চৰিত্ৰ অঁকা হৈছে যিজনে শিল্প-সৃষ্টিৰ কাৰণে সমস্ত জীৱন পণ কৰিছে।

কিছুমান মানুহে তীব্ৰ আবেগ-অনুভূতিৰ জীৱন যাপন কৰে। এনে কিছুমান চৰিত্ৰই হ'ল উমাকান্ত শৰ্মাৰ গল্পৰ প্ৰধান উপজীব্য।

## মেঘে বৰষিলে জুই

অসমীয়া গল্পৰ বিষয়-বৈচিত্ৰ্য চকুত পৰা বিধৰ নহয়। আৱাহন-যুগত অসমীয়া গল্পই চমকপ্ৰদ উন্নতি লাভ কৰিছিল যদিও বিষয়-বস্তুৰ পৰিধি আছিল সীমাবদ্ধ। অসমীয়া

গল্পত যৌবনকালে যিমান প্ৰাধান্য পাইছে, সেই অনুপাতে কৈশোৰ বা বাৰ্ধক্য প্ৰায় সম্পূৰ্ণ উপেক্ষিত। অথচ সাহিত্যত জীৱনৰ সম্পূৰ্ণ প্ৰতিফলন ঘটিবলৈ হ'লে কৈশোৰ, যৌৱন, বাৰ্ধক্যৰ কোনো অভিজ্ঞতাই সাহিত্যৰ বহিৰ্ভূত হৈ থকা উচিত নহয়।

উমাকান্ত শৰ্মাৰ মেঘে ববষিলে জুই নামৰ গল্পটোৰ এটা অসামান্য বৈশিষ্ট্য হ'ল এই যে এই গল্পটোৰ মূল বিষয়-বস্তু হ'ল কেইটামান কিশোৰৰ সংক্ষিপ্ত জীৱন-ইতিহাস : সিহঁতৰ সমস্যা, আচৰণ আৰু ৰহস্যময় মনোজীৱন। এই বিষয়-বস্তুক অৱলম্বন কৰি লেখা অসমীয়া গল্প অতিশয় বিৰল। কিন্তু বিষয়-বস্তুৰ নতুনত্বই গল্পটোৰ একমাত্ৰ বৈশিষ্ট্য নহয়। জীৱনৰ বাস্তৱ আৰু প্ৰাকৃতিক পৰিবেশৰ প্ৰতি যিবোৰ আবেগিক প্ৰতিক্ৰিয়াৰ মাজেদি কিশোৰৰ মানসিকতা আৰু জীৱনবোধ গঢ়ি উঠে, জীৱনৰ সমস্যাই সিহঁতৰ মনত যিবোৰ ৰেখাপাত কৰে, সেইবোৰৰ অতি অৰ্থব্যঞ্জক বৰ্ণনাই গল্পটোক এক বিশেষ তাৎপৰ্যৰে মণ্ডিত কৰি তুলিছে। লেখকৰ ভাষা বৰ্ণনাধৰ্মী নহয়, সি ব্যঞ্জনাসঞ্চাৰী আৰু প্ৰতীক-ধৰ্মী। কিশোৰ মনৰ কল্পনা প্ৰৱণতা, সংবেদনশীলতা আৰু গোপন বিষাদ-বোধ গল্পটোত অতি সূক্ষ্মভাবে ফুটি উঠিছে। গল্পটোৰ অতিৰিক্ত আকৰ্ষণ হ'ল প্ৰকৃতিৰ অৰ্থপূৰ্ণ ৰূপ-বৰ্ণনা। বানপানীৰ দেশ অসমৰ বাৰিষাৰ সংহাৰিণী ৰূপৰ এনে জীৱন্ত অথচ প্ৰতীকধৰ্মী বৰ্ণনা অসমীয়া সাহিত্যত বিৰল বুলিয়েই ক'ব পাৰি।

গোটেইখন হোষ্টেল সেইদিনাখন উত্তেজিত হৈ উঠিল। ন বজাৰ ভিতৰত চক্ৰপাণিয়ে খবৰটো আটাইকেইটা ৰুমতে দি শেষ কৰিছে। হোষ্টেলৰ এক নম্বৰ ৰুমলৈ সিদিনাই আবেলি আহিব কোনোবা এজন তৰুণ ভাগৱতী। ইতিমধ্যে তৰুণ ভাগৱতীক তিনিখন স্কুলৰপৰা বিদায় দিয়া হৈছে। সেই তৰুণ ভাগৱতী আহিব হোষ্টেলৰ এক নম্বৰ ৰুমলৈ বেষ্ট বয়জ ৰুমলৈ। এই খবৰটোকে চক্ৰপাণিয়ে আটাইবোৰ ল'ৰাৰ আগতে প্ৰকাশ কৰি ফুৰিলে।

—"সুশীল এক নম্বৰলৈ অহাৰ আগেয়ে এই ৰুম কিমান দিন তলাবন্ধ হৈ আছিল ক'ব পাৰ? ছয়মাহ। কাৰণ, সেই ৰুমৰ উপযুক্ত তহঁত কোনো নাছিলি। সুশীলক সেই ৰুমত দিয়া বাবে কোনে আপত্তি কৰিছে? তহঁতে কৰিছ নে ময়ে কৰিছোঁ। কিন্তু ক'ৰ এই তৰুণ? তহঁতৰ নাক-কটা নহ'ল? তহঁত মৰি নাযাৱ কিয়?"

ইয়াৰ পিচত আৰু কাৰো পঢ়া নহ'ল। আটাইখন ল'ৰা ওলাই আহিল গা ধুবলৈ। কেৱল মহেশ্বৰে ভাবি বিচুতি খালে, আজি কি হ'ল। সাধাৰণতে মহেশ্বৰে গা ধুবলৈ আহে ন বাজিবলৈ দহ মিনিট থাকোঁতে আৰু বাকীবোৰ আহে দহ বজাত, মহেশ্বৰ ক'লা ওখ। তেওঁৰ হাতৰ আঙুলিবোৰ দীঘল, চুলিবোৰ অতিপাত কেকোঁৰা কেকোঁৰি। প্ৰবাদ আছে যে মহেশ্বৰৰ চুলিৰ মাজত এদিন এটা জেঠী সোমাই আৰু ওলাব নোৱাৰিলে। যি প্ৰথমতে চুলিত তেল দিয়ে, তাৰ পিচত আঁচোৰে, তাৰ পিচত গা ধোৱে, তাৰ পিচত আকৌ চুলিবোৰ আঁচোৰে। মহেশ্বৰ সিদিনা আতঙ্কিত হৈ উঠিল। ন বজাতে আটাইবোৰে জাক পাতি ওলাই আহিবৰ কি কাৰণ থাকিব পাৰে?

অথচ সিহঁতৰ এই কোঢ়ালৰ মাজত সিহঁতক কোনো প্ৰশ্ন সোধা একেবাৰে নিৰৰ্থক। চক্ৰপাণিয়ে বাৰবেল কৰে। গতিকে সি তাৰ ফুলি উঠা বুকু আৰু বাহুত সদায় ভালকৈ তেল ঘঁহে। সিদিনা সি একে কোবে গৈ কলৰ তলত বহি কল খুলি দিলে। সিহঁত ল'ৰা মুঠতে তিনি কুৰি দহজন। কল পাঁচটা। লক্ষেশ্বৰে কেবল কপাল আৰু নাকটো তিয়াব পাৰিলে, অৰবিন্দৰ পিঠিৰ ওপৰেদি এচোল পানী বাগৰি গ'ল, দুইফালৰপৰা দুটাৰ হেঁচাত পৰি মমত গা নোধোৱাকৈ ওলাই আহিল। আৰু মহেশ্বৰে চাৰিওফালে অসহায় ভাবে চাবলৈ ধৰিলে—তাৰ মূৰটো আজি ক'ত তিয়াব পাৰে।

—"তহঁতৰ বাৰু আজি কি হ'ল ?"—বিপন্নভাৱে মহেশ্বৰে কব'লৈ ধৰিলে।

—বে'ল জানো দিছে যে তহঁত ওলাই আহিলি ?

কিন্তু মহেশ্বৰৰ কথাত কোনেও কৰ্ণপাত নকৰিলে। আৰু যেয়ে যেনেকৈ পাৰে গৈ খোৱা ঘৰত সোঁমাই চিঞৰ-বাখৰ লগাই দিলে।

--"তৰুণ কোন জান ?"—চক্ৰপাণিয়ে ক'ব ধৰিলে।—"তৰুণ হেড্‌মাষ্টৰৰ পেহীয়েকৰ ল'ৰা। তৰুণক এক নম্বৰ নিদি তোক দিব বুলি ভাবিছিলিনেকি বৰদা ? তঁইয়ে নহয় কি এটা বঁটা পাইছিলি ? ইস্কুলত যে তই সদায় উপস্থিত থাক সেই কাৰণে হ'বলা ? কিন্তু, তোৰ বঁটা ? তৰুণৰ একা ?"

---"তৰুণৰ বঁটা কি ?"

--"নাজিৰা স্কুলত দহবেট"-- কোনোবা এটাই টপকৈ কয়। "আকৌ বৰপেটাত—'

কিন্তু কথাষাৰ শেষ নহওঁতেই আন এজনে মুখত দুষ্ট হাঁহি লৈ কয়— "কিয় মাৰ খাইছিল জান নে নাজান ? তহঁতে বোধকৰো ভাবিছ—জানজানো কিয় মাৰ খাইছিল ?"

—"ও সেয়েহে—অৰ্থপূৰ্ণ ভঙ্গীৰে চক্ৰপাণিয়ে কয়।—অথচ কি চাবা তৰুণৰ ৰূপ। চুলি কেইডালি যেন গাহৰিৰ নোম, নাকটো যেন এটা ঔৰ খোল, চকু দুটা—"

--"তোৰ নাকটো কেইইঞ্চি দীঘল অ চক্ৰ ?"—তাৰ ওচৰতে বহি ভাত খাই থকা গঙ্গা নাথে কয়। "কিতাপত চাবিচোন বাৰবেলৰ সহায়েৰে নাক দীঘল কৰিব পাৰি নে নোৱাৰি।"

খঙত ৰঙা পৰি চক্ৰই কয়—'তৰুণক বেয়া বুলিলে তই বেয়া পাব কেনেকৈ জানিম অ' গঙ্গা ? কিন্তু যি শুনিলো, তৰুণে নিশ্চয় তোক ভাল পাব। এনেকুৱা দীঘল কোমল তোৰ মুখ, মৰম লগা চকু, বগা ৰং—"

কিন্তু কথা আৰু শেষ নহ'ল। চক্ৰৰ গালতে ঠাচ কৰে পৰিল এটা চৰ। চক্ৰপাণিয়ে বিজুলী বেগে গঙ্গাৰ চুলিত খামোচ মাৰি ধৰিলে, তাৰ বাহুৰ মাংস পেশীবোৰ নাচিবলৈ ধৰিলে। গোটেইবিলাক ল'ৰা আহি সিহঁতক আগুৰি ধৰিলে। কেবল মহেশ্বৰে অভিশপ্তৰ দৰে নিৰুপায়ভাৱে বাহিৰৰপৰা চিঞৰিবলৈ ধৰিলে।

—"তইঁত আজি আটাইবোৰ মৰিবিনেকি? স্কুলত কেতিয়াবাই ৱাৰ্ণিং পৰি গৈছে। চিত্তবাবুৰ ক্লাছ মনত আছে নে নাই অ' গঙ্গা?"

* * *

সুশীল স্কুলৰপৰা আহি তাৰ কোঠাত সোমায়ে স্তম্ভিত হৈ গ'ল। ইাক অৱস্থা! চকী মেজ থকা কোণটোতে এটা ময়লা বিচনাৰ টোপোলা। গোটেই-খন মজিয়াতে কলৰ বাকলি। কিতাপ থোৱা মেজখনৰ ওপৰতে এটা টিনৰ সৰু খোলা চুটকেছ। ইমান কষ্টকৈ সজাই থোৱা তাৰ কিতাপবিলাক যেনি তেনি পৰি আছে। আৰু মেজৰ ওপৰৰপৰা বেৰলৈ পকৰাৰ এটা দীঘল শাৰী। গোটেই কোঠাটোতে মাখিয়ে ভনভনাই আছে আৰু ভৰি দুখন বাহিৰত ৰাখি তাৰ বিচনাৰ ওপৰতে নিশ্চিতভাৱে নাকৰ শব্দ কৰি শুই আছে কোনোবা এজন ল'ৰা। খঙে সুশীলৰ মূৰৰ চুলি পালেগৈ। এবাৰ সি ইফালে সিফালে চালে আৰু তাৰ পিচত চুলিত ধৰি ল'ৰাজনৰ মূৰটো জোকাৰি দিলেগৈ। ল'ৰাজনে চকুমেলি চালে, অলপমান মিচিকিয়াই হাঁহিলে, আৰু বাগৰ সলাই শুই টোপনিৰ জ্বালত অস্পষ্টভাৱে কৈ গ'ল ঃ

—"অলপমান নামাতিবা দেই! মই এতিয়াই মাত্ৰ শুইছোঁ।" এইবাৰ সুশীলৰ আৰু ধৈৰ্য নাথাকিল। সি আকৌ চুলিত খামোচ মাৰি ধৰি তৰুণৰ মূৰটো ইফালৰপৰা সিফাললৈ বগৰাই দিবলৈ ধৰিলে ; হাকিমৰ ল'ৰা আহিছ নহয়, যে তোলৈ মই বিচনা সজাই থৈছোঁ? উঠ্—উঠ্ এতিয়াই মোৰ বিচনাৰ-পৰা।"

তৰুণ উঠি বহিল আৰু সুশীলৰফালে চাই ক'বলৈ ধৰিলে—

—"তোমাৰ নাম হবপায় সুশীল? কিন্তু এইখন তোমালোকৰ কি হোষ্টেল? বাৰ বজাত আহি পাই ক'লো যে ভাত দিয়া। ক'লে যে ভাত নাই। ভাত নাই? হোষ্টেলৰ ল'ৰাৰ কাৰণে ভাত নাই বুলি কোৱাৰ অৰ্থ কি হে?"

—"ভাত? ৰবি তোক ভাত খুৱাওঁ।"—ক্ষিপ্ৰবেগে সুশীলে তৰুণৰ চুলিত ধৰি তাক তুলি আনিলে আৰু ইটাৰ বেৰত তাৰ মূৰটো খুন্দিয়াই দিবলৈ ধৰিলে। এক মুহূৰ্তৰ পিচত সি অনুভৱ কৰিলে যে তাৰ ডিঙিটোত যেন কিবা এটাই দুইফালৰপৰা চেপা মাৰি ধৰিলে। চুলিৰপৰা সুশীলৰ হাত সুলকি পৰিল, আৰু সি চকুৰে অন্ধকাৰ দেখিবলৈ ধৰিলে। আকৌ সি যেতিয়া জ্ঞান পালে, তেতিয়া চকু মেলিয়ে সি দেখিবলৈ পালে যে তৰুণে তাৰ গামোছা-খনেৰে পাৰেমানে তাক বিচিবলৈ ধৰিছে। তাৰ চকুৱে-মুখে এটা উদ্বেগৰ চিন। লাহে লাহে সি সুধিলে—"বৰ দুখ পালা?"—দুৰ্জয় ঘৃণাত তৰুণে মুখ ঘূৰালে। তৰুণে লাহে লাহে কৈ গ'ল ঃ

—"টোপনিৰ জ্বালতে আছিলো নহয়, হঠাৎ তুমি খং তুলাই দিলা আকৌ! তোমাৰ হাত দুখন ইমান কঠোৰ, অথচ কেনেকৈ জানিম যে তোমাৰ ডিঙিটো ইমান কোমল।"

হোষ্টেলত উত্তেজনাৰ সাম কাটিছে। তৰুণৰ লগৰ ল'ৰাবোৰৰ প্ৰীতি স্থাপন হৈছে। তৰুণৰ চুলিবোৰ চুটি, খিয়। নাকটো ডাঠ আৰু চকু দুটা উজ্জ্বল, দীপ্ত। খোজ কাঢ়োঁতে মূৰটো পোনকৈ ৰাখি সন্মুখৰফালে চাই যায় বাবে ওখ যেন দেখি। গোটেই গাটোৰ মাজেদি এটা নিষ্ঠুৰ সৰলতা প্ৰকাশ পায়।

আবেলি অকলে অকলে তৰুণ ফুৰিবলৈ ওলায়। পাৰিপাৰ্শ্বিক অৱস্থাটোৰ বিষয়ে তাৰ এতিয়াও কোনো ধাৰণা হোৱা নাই। স্কুলৰ আগেদি যোৱা বাটটোৰে সি আগবাঢ়ি গৈ থাকে। প্ৰথমতেই তাৰ চকুত পৰে ৰেল ষ্টেচনটো। আৰু তাৰপৰা অলপ দূৰতে ধানৰ কলটো। কলটোৰ প্ৰকাণ্ড নলটোৰে ধোঁৱাবোৰ ওলাই গোটেই আকাশ ছানি গৈছে। প্ৰথমতে অলপ পাতল, তাৰ পিচতে ডাঠ; গাঢ় ক'লা ধোঁৱাবোৰ ধীৰে ধীৰে ওলাই বহুত দূৰত অদৃশ্য হৈ গৈছে আৰু ধোঁৱাৰ লগতে কয়লাৰ ছাইবোৰ বৰষুণৰ কণিকাৰ দৰে চাৰিওফালে সিঁচৰি পৰিছে। শই শই কুলিবোৰে ঘামেৰে তিতিকা পিঠিৰ ওপৰত ধানৰ বস্তাবোৰ পেলাই লৈ, ক'লা ধোঁৱাৰ দৰে মন্থৰ গতিৰে কলঘৰৰপৰা অহাযোৱা কৰি থাকে। সিহঁতৰ কপালৰ ঘাম পৰি পৰিয়ে কিজানি কলঘৰলৈ যোৱা বাটটো সেমেকি উঠিছে—সিহঁতৰ সাতাম পুৰুষৰ হাৰৰ ছাইৰে ক'লা পৰা, তুঁহ কয়লা ছাইৰ ফুলি উঠা, সিহঁতৰ ভৰিৰে তলৰ কলঘৰলৈ যোৱা এই বাটটো। তাৰ ওচৰতে এটা দীঘল গুদাম ঘৰ। ৰঙা ইটাৰে পকি কৰা তাৰ বেৰবোৰ, আৰু সন্মুখত বহল বাৰাণ্ডা। ডাঠ বেৰবোৰৰ ভিতৰত ধানৰ বস্তাবোৰ শাৰী শাৰীকৈ সজাই থৈ দি কুলিবোৰে বাহিৰৰ বাৰাণ্ডাত শুই থাকে। গৰমৰ দিনত প্ৰখৰ তাপত বাৰাণ্ডাৰ ইটাবোৰ জুইৰ শিখাৰ দৰে জিলিকে, আৰু জাৰৰ দিনত ওপৰৰ টিনপাতৰ বিন্দু বিন্দু ঘামবোৰ ৰূপৰ দৰে চিক্‌মিকায়। সেই বাৰাণ্ডাত বহি গধূলিৰপৰা কুলিবোৰে চিঞৰি চিঞৰি গীত গায়, আৰু তাৰ পিচত শুই পৰে। দামী মটৰ গাড়ীৰ কুশ্বন দিয়া আসনবোৰৰ দৰে সিহঁতৰ ফুলি উঠা বুকুৰ উৎসাহত প্ৰাণ খুলি দি সিহঁতে গায়—

মাচিয়া বৈঠল ধনী মন মন শোচ কৰে—
ভুঁয়্যা লোটেলা লামী ক্যায়সেৰে বিদেশীয়া।
আম মুজৰেইলে লগলে টিকোঢ়োৱা
দিন পৰ দিন পিয়াৰালা ৰে বিদেশীয়া।

কোনোবা এটাই অৰ্থ ভাঙ্গি দিয়ে। দুগুণ-উৎসাহত আৰু সিহঁতে গায়—

মাচিয়া বৈঠল ধনী⋯ ⋯

কলটোৰ ওচৰতে দক্ষিণৰফালে বজাৰ। মাছৰপৰা মুড়িলৈ সকলো বস্তু বজাৰত পোৱা যায়। এই আবেলি বেলিকা মাছ বজাৰত মাছ নাই।

কিন্তু মাছুৰ দ'মৰ দৰে দ'ম হৈ পৰি আছে অপৰ্য্যাপ্ত মাখি। বজাৰৰ পূবফালে থকা স্কুলঘৰটো তৰুণৰ চকুত পৰে। হঠাৎ কি এটা কুৎসিত গোন্ধ তাৰ নাকত সোমায়। বজাৰৰ কোণতে এদ'ম ঘোঁৰাৰ গোবৰ পৰি গেলি আছে। আৰু গোবৰতে মূৰটো থৈ পৰি আছে এটা কুকুৰ। কুকুৰটোৰ সৰ্বাঙ্গ জুৰি দেক্‌দেকীয়া ঘা আৰু ঘাৰ ওপৰত অগণন মাখি। কুকুৰটোৱে লাহে লাহে মূৰটো দাঙি ঘাবোৰ চেলেকে আৰু বাগৰি পৰে। স্কুল আৰু বজাৰৰ মাজতে নতুনকৈ এখন চাহদোকান খুলিছে। ইস্কুলৰ ল'ৰাবোৰ, বজাৰৰ মানুহবোৰ, ইয়াৰ একাংশ গ্ৰাহক পালেও চাহদোকানৰ এটা কোঠাত মনোহাৰী দোকান বহিব। আৰু হয়তো বা ধান কলৰ কুলি দুই-এজনেও কেতিয়াবা দুই-একাপ খাব পাৰে। সুশীলে জানো কি কৰিব? হঠাৎ তৰুণে ভাবিবলৈ ধৰে। শিক্ষকসকলে সুশীলক চাহ খাবলৈ নিদিয়ে। হেডমাষ্টৰে বোধহয় সুশীলৰ বাবে দোকানত একাপ একাপ গাখীৰৰ বন্দোবস্ত কৰি দিব। হঠাৎ আগঠেং দুখনত ভিৰদি কুকুৰটোৱে উঠি বহিবলৈ যত্ন কৰে। আৰু মাখি-বোৰ তাৰ গাৰপৰা এৰাদি উৰি ফুৰিবলৈ ধৰে। মিঠাই থোৱা দোকানৰ আলমাৰিবোৰত গুণাৰ আঠুৱা খুৱাই দিব চাগে। তৰুণ তৎক্ষণাত তাৰপৰা আঁতৰি পৰে।

বজাৰৰ পূবফালে স্কুলখন। দীঘল দীঘল তিনিটা ঘৰ। ৰঙা ইটাৰ ডাঠ বেৰবোৰ। তৰুণে ঘূৰি কলঘৰটোলৈ চায়, গুদামঘৰটোৰ ৰঙা ইটাৰ বেৰবোৰ তাৰ চকুত পৰে। গোটেই স্কুলখন নিৰ্জান হৈ থিয় দি আছে। এই স্কুলতে কেইঘণ্টমান আগতে শ শ ল'ৰাই কোলাহল কৰি আছিল, তাৰ একো চিনচাবেই যেন নাইকিয়া। সন্মুখৰ ঘৰটোৰ বেৰত প্ৰকাণ্ড এখন নোটিচ বোৰ্ড ওলমি আছে। স্কুলৰ ফালে চালেই নোটিচবোৰ্ডখন আগেয়ে চকুত পৰে। তৎক্ষণাত তৰুণৰ মনত খেলায় যে হেডমাষ্টৰজন বৰ কঢ়া। নোটিচ বোৰ্ডখনলৈ সি অলপ সময় চাই থাকে, তাৰ পিচত মুখখন বাওঁফালে বেকাকৈ অলপ টানি নি মিচিকিয়াই হাঁহে আৰু অৱশেষত হো হো কৈ হাঁহি-বলৈ ধৰিলে।

স্কুলৰপৰা আধামাইলমান গৈয়েই তৰুণে এখন মুকলি পথাৰ পায়। তাৰ-পৰাই নদীখনৰ ওখ পাৰটো দেখা পোৱা যায়। বাটতোৰ দুয়ো কাষে দূৰে দূৰে গাওঁবিলাক। সেউজীয়া পাতৰ মাজত সোমাই মিহ গৈ থকা ভিতৰ ফোপোলা সেউজীয়া বেলুনৰ দৰে দেখিলেই ভাল লগা শাৰী শৰী গাওঁ। হঠাৎ সি কাণপাতি থিয় দি ৰয়। এটা দীঘল সুৰ তাৰ কাণলৈ ভাহি আহে। আল্লাহু আকবৰ। কোনোবা মোৱাজীনে বোধহয় আজান দিব ধৰিছে। কাণ থিয় কৰি সি শুনিবলৈ ধৰে।

আচাহাদুৱান লা ইলাহা ইল্লিল্লাহ
আচাহাদুৱান না মহম্মদ উৰ্ ৰছুলুল্লা—

বাকীখিনি সি শুনিবলৈ নাপায়, অস্পষ্ট হৈ আহে। লাহে লাহে গাওঁ-খন আকৌ নিস্তব্ধ হৈ পৰে। সি আগুৱাই গৈ থাকে আৰু ভাবিবলৈ চেষ্টা কৰে তাৰ দুয়োকাষে এই অগণন সৰু সৰু ঢাপবোৰ কিহৰ ঢাপ। কোনোবাই বোধহয় যোৱা বছৰ ইয়াতে কুঁহিয়াৰৰ খেতি কৰিছিল। কিন্তু কুঁহিয়াৰৰ খেতিৰ কোনো চিন নাই। অৱশেষত সি বুজি পায় যে এইবোৰ কবৰ। এই এখন গাঁৱৰ ইমানবোৰ কবৰ বাৰু কেনেকৈ হ'ব পাৰে ভাবি তাৰ আচৰিত লাগে। গাঁওখনৰ মানুহবোৰ বোধহয় উপজিছে আৰু মৰিছে, আৰু এই মানুহবোৰৰ হিচাব ৰাখিছে এই কবৰবোৰে। উপজিয়েই মৰা গাঁওখনৰ এই মানুহবোৰ মুছলমান মানুহ। তৰুণৰ বেয়া লাগে। সি বেগাবেগিকৈ নৈখনৰ পাৰতে ওপৰলৈ মুখ কৰি শুই পৰে।

বেলিটো ঠিক পাটত বহিছে। গোটেইখন পশ্চিম আকাশ জুৰি এটা অপূৰ্ব ৰঙ। তাৰ মূৰৰ ওপৰেদি লাহে লাহে গোটেই দিনটো গৈ এতিয়া পশ্চিমফালে বেলিটো ওপঙিছে। স্কুলত সি পঢ়িছে—বেলিটো নুঘূৰে, ঘূৰে পৃথিবীখন। পৃথিবীখন ঘূৰণীয়া বেলিটো ঘূৰণীয়া, আটাইবোৰ গ্ৰহ-নক্ষত্ৰ ঘূৰণীয়া। আৰু তাৰ মাকৰ মুখখনো তাৰ মুখৰ দৰে ঘূৰণীয়া। সি এদিন তাৰ দেউতাকক কৈছিল যে সূৰ্য নুঘূৰে, পৃথিবীহে ঘূৰে, জোনটো ঘূৰে। তাৰ দেউতাকে উত্তৰ দিছিল "কি জানো তোৰ ঘূৰাৰ কথা। মই জানো এইটো বহাগ মাহ, সূৰ্য আছে মেষ ৰাশিত। আজি বহাগৰ ১৪ তাৰিখ যেতিয়া মেষ ৰাশিৰ ধৰ, প্ৰায় দুইপাদ সূৰ্যদেৱে অতিক্ৰম কৰিলে।" তাৰ পিচত এনে কিছুমান কথা ক'লে যে সি আৰু তাৰ কোনো অৰ্থ ধৰিব নোৱাৰিলে। সিদিনা প্ৰথম তাৰ অহঙ্কাৰী জ্ঞানগৰ্বী মনটোৱে অনুভৱ কৰিলে যে তাৰ দেউতাকেও বহুত কথা জানে। তাৰ শিক্ষকসকলৰ দৰেই ঘন্টাৰ পিচত ঘন্টা কথা কৈ যাব পাৰে—এই আধা বুজি পোৱা সুন্দৰ কথাবোৰ। সিদিনাই সি ৰাতি মাকৰপৰা ৰাশিকেইটাৰ নাম শিকি ল'লে। মেষ, বৃষ, মিথুন, কৰ্কট ···। শুই শুই তৰুণে ভাবিবলৈ ধৰিলে—এইটো হ'ল আহাৰ মাহ, সূৰ্যদেৱ আছে মিথুন ৰাশিত। অৰ্থাৎ সূৰ্যৰ ওচৰৰ তৰাবোৰে যি ৰূপ ধাৰণ কৰিছে, তাক বিজাব পাৰি···। হঠাৎ তৰুণ উঠি বহিল। পশ্চিম আকাশৰ ধোঁৱা বৰণীয়া মেঘবোৰ অদ্ভুতভাৱে বদলি গৈছে। এইমাত্ৰ সি দেখিছিল মেঘবোৰ ক'লা আৰু পিচ মুহূৰ্ততে এই ক'লা মেঘৰ যেন পাতল চালৰ মাজেদি জুইৰ শিখা সোমাই গৈছে। ক'লা মেঘৰ গা ফাটি যেন ৰঙা শিৰবোৰ ফুলি উঠিছে। তাৰ পিচতে আটাইবোৰ মেঘ ৰঙা হৈ উঠিল -স্থিৰ মেঘবোৰ আচৰিত ৰকমে ৰঙা পৰি উঠিল—ৰক্তহীন ভাবে ৰঙা। আকৌ তাৰ পিচত সেঁতা পৰি মেঘ-বোৰ বগা হৈ আহিল, বৰ্ণহীনভাৱে বগা। তাৰ পিচত ৰঙা হ'ল আকৌ বগা হ'ল। অথচ আগৰ ৰঙাৰ লগত পিচৰ ৰঙাক ৰিজাব নোৱাৰি, আগৰ বগাৰ লগত পিচৰ বগা খাপ নাখায়। এই ক'লা মেঘবোৰে হঠাৎ সেঁতা-

ভাৱে ৰঙা, হালধীয়া, বগা ৰাপ সলাই স্থিৰ হৈ আকাশত লেপেট খাই থাকে। এই কথাত কিন্তু তাৰ পিতাকৰ আৰু শিক্ষকৰ মত মিলে—দুয়ো কয় এই মেঘৰপৰা এদিন অগ্নিবৃষ্টি হৈছিল। তাৰ বিশ্বাস কৰিবৰ প্ৰবৃত্তি নহ'ল, এই মেঘে বৰষিব জুই।

দিনৰ পৃথিবীখন লাহে লাহে দুব গৈ আছে। আৰু তাৰ মুখৰ আগৰ নৈখন মাটিৰ ওপৰত আঁকি দিয়া ক'লা ডাগ এটাৰ দৰে হৈ উঠে। নৈখনৰ পৰা এই মাত্ৰ গা ধুই উঠি কাষত কলহ এটা লৈ ছোৱালী এজনী পাৰলৈ উঠি আহে। আৰু তাক দূৰত দেখিয়ে ছোৱালীজনীয়ে ব্যগ্ৰভাৱে তাইৰ তিতা কাপোৰৰ তলেদি বুকুৰ ওপৰেদি হাতখন সুমুৱাই লয়। তৰুণৰ আপোনা আপুনি হাঁহি উঠে। অকস্মাৎ তাৰ কান্ধত কি এটা স্পৰ্শ পাই সি চমকি উঠে। মুখ ঘূৰাই চাই সি আচৰিত হৈ যায়। তাৰ কান্ধত ধৰি থিয় দি আছে সুশীল। সি সুশীলক তাৰ ওচৰত জোৰ কৰি বহুৱাই ছোৱালী-জনীৰপিনে দেখুৱাই ক'লে—"সেই ছোৱালীজনী দেখিছ ?"

—"দেখিছোঁ, কেলেই ?"

—"তই গোটেইখিনি নেদেখিলি। দেখিলে তোৰো হাঁহি উঠিলহেঁতেন।"

—"হাঁহি ?"

—"উঁ। মই চাই আছিলোঁ মেঘবোৰলৈ। মেঘৰ কথা জান মেঘৰ কথা ? জানোতো। বেলিৰ তাপত সাগৰৰ পানীবোৰ ভাপ হৈ..."

—"হ'ল হ'ল। তই কিতাপবোৰ ইমানকৈ পঢ় কিয় ? বাৰু তোক মই ক'ম এদিন মেঘৰ কথা। ছোৱালীজনীয়ে কি কৰিলে জান ? তাই নৈৰপৰা আহিছে গা ধুই। মোক দেখিয়েই তাই তিতা কাপোৰৰ তলেদি বুকুৰ ওপৰেদি হাতখন সুমুৱাই ল'লে। যেন বুকুখন সমানভাৱে ওখ হৈ থাকিলে আৰু কোনো লাজ নাই।"

তৰুণে হাঁহিবলৈ ধৰিলে। সুশীলে হঠাৎ গম্ভীৰভাৱে থিয় হ'ল আৰু যাবলৈ খোজ ললে। তৰুণে উঠি আহি তাৰ হাতত ধৰি ক'লে—"কি হ'ল অ' ?

বিৰক্তিৰ সুৰত তৰুণে কৈ গ'ল—"তই নপঢ়ি ফেল কৰ বুলিয়ে ভাবি-ছিলোঁ। কিন্তু তোৰ চৰিত্ৰ এনেকুৱা বুলি ভবা নাছিলোঁ। এনে বুলি জানিলে ইমান দূৰ বিচাৰি ইয়ালৈ নাহিলোহেঁতেন।"

—"চৰিত্ৰ ? কি কথাত যে কি কথা উলিয়াব তইহঁতে। হাঁহি উঠা কথা এটা এনেভাৱে ল'বলৈ কিহে পালে তোক ? কিন্তু তই মোক বিচাৰি কেনেকৈ উলিয়ালি ? মোৰ লগত ফুৰিবলৈ ওলাবি, জনাহলে তোক লগতে লৈ আহিলোঁহেতেন।"

দুয়ো মনে মনে গৈ থাকে। তাৰ পিচত কি ভাবি তৰুণে সুশীলক সোধে,—"উঁই হাফলু দেখিছ সুশীল ?"

কি ?

—"উঁই হাফলু। উই পোকবোৰে মঠৰ দৰে কৰি ওখ ওখ চাপবোৰ সাজে যে।'

সুশীলৰ হাঁহি উঠে,—"দেখিছোঁ। তোৰ বাক্ষ কিয় এনে অবান্তৰ কথাবোৰ মনত পৰে!"

"উঁইবোৰ অকণ অকণ পোক। সিহঁতৰ বাবে ইমান ডাঙৰ ঢিপৰ কোনো প্ৰয়োজন নাই। তাতকৈ হাজাৰ গুণ সৰু হ'লেও সিহঁতৰ চলে। অথচ প্ৰয়োজন নোহোৱা সত্ত্বেও সিহঁতৰ চাৰিওফালে ইমান প্ৰাচুৰ্য। তোৰ বুদ্ধি আছে, ঘৰত পঢ়াবলৈ শিক্ষকৰ তোৰ কোনো প্ৰয়োজন নাই, অথচ তোক দুজন শিক্ষকে পঢ়ায়। তোৰ দেউতাৰৰ অসংখ্য টকা আছে, অথচ তই পাৱ বৃত্তি। তই কদাকাৰ হ'লেও বিয়া কৰাবলৈ ছোৱালী পালিহেঁতেন, কিন্তু তই অতিপাত ধুনীয়া। তই উঁই হাফলু।"

দুয়ো বৰকৈ হাঁহে আৰু গৈ গৈ হোষ্টেলৰ ওচৰ পায়। হঠাৎ তৰুণক এৰি থৈ সুশীলে দৌৰিব ধৰিলে। তাৰ চুটি পেণ্টৰ শব্দ হ'বলৈ ধৰিলে, চট্ চট্ চট্। তৰুণেও তাৰ পিচে পিচে দৌৰি গৈ তাৰ হাতত থাপ মাৰি ধৰি সুধিলে— "কি হ'ল তোৰ? এনেকৈ দৌৰিছ কিয়? সুশীলে তৰুণৰ হাতৰপৰা এৰাবৰ চেষ্টা কৰি হেপাই ফেপাই ক'বলৈ ধৰিলে—মোক এৰি দে। তই জানো নুশুনিলি এতিয়াই হোষ্টেলৰ ঘন্টা পৰিল? এৰি দে সঁচা কৈছোঁ।"

—"হোষ্টেলৰ ঘন্টা পৰিলে দৌৰ কিয়?"

—"বৰ ভয় লাগে, খুব বকিব।"

—"ও, ভয়ৰ কাৰণে দৌৰিছ?"—সুশীলক সি হাতত টানি ধৰি থিয় কৰাই দিয়ে। —"ধেৎ, ভয় কৰিবি কিয়? ভয় মানে দুৰ্বলতা, পাপ।"

ইয়াৰ মাজতে এটা অঘটন হৈ গ'ল। কথাটো একেবাৰে সৰু অথচ এনে অভাৱনীয়ভাবে হৈ গ'ল যে সিদিনাৰপৰাই স্কুল আৰু হোষ্টেলৰ শাসন পদ্ধতিয়ে বেলেগ ৰূপ ল'লে। এদিন হোষ্টেল পৰিচালক অক্ষয় চৌধুৰীয়ে বেনামী চিঠি এখন পালে যে তেওঁ ছাত্ৰসকলৰ সকলো বিচাৰ তেওঁ নিজে কৰিব লাগিব। যদি তাকে নকৰি হেডমাষ্টৰক জনায়, তেনে তেওঁৰ বিপদ হ'ব। পিচদিনাখন পুৱা চৌধুৰীয়ে ছাত্ৰসকলক আটাইবোৰকে মাতি আনি থিয় কৰাই লৈ সুধিলে—

—"কোনে দিছে এইখন চিঠি? যদি ভালে ভালে কোনোবাই কৈ দিয়ে উত্তম, নহ'লে তেওঁ তাৰ যথোচিত প্ৰতিকাৰ ল'ব।" চক্ৰপাণিয়ে ঠিক এনে এটা সুবিধাকে বিচাৰি আছিল। তেওঁ জানে চিঠি লিখিছিল গঙ্গা নাথে। গঙ্গানাথৰ ওপৰত বহু দিনৰেপৰা তাৰ বিদ্বেষ আছে। কওঁ বুলিও সি এবাৰ বন্ধ কৰিলে, এবাৰ ভাবিলে। শেষত কৈ পেলালে—"মই জানো চাৰ, কোনে লিখিছে এই চিঠি।"

চৌধুৰীয়ে তাৰাতাৰি সুধিলে—"কোনে দিছে, চক্ৰপাণি ?"

"চাৰ গঙ্গানাথে চাৰ।"

চৌধুৰীয়ে নামটো লিখি লৈ চক্ৰপাণিৰ সাহসৰ প্ৰশংসা কৰি পিচ দিবলৈ পালে মাথোন, তৎক্ষণাৎ চক্ৰপাণিৰ গালত ঠাচ্‌কৈ পৰিল এটা চৰ। চক্ৰপাণিয়ে মুঠি মাৰি গঙ্গানাথক ঘুচি মাৰিবলৈ ওলায়ে দেখিলে গঙ্গানাথ নহয় তৰুণ। তীব্ৰ বেগে তাৰ কুমতে আৰু এটা ঘুচি পৰিল। চক্ৰপাণিয়ে অন্ধকাৰ দেখিলে। কিন্তু সকলোৰে আচৰিত হৈ গ'ল, যিদিনা চক্ৰপাণি আৰু সুশীল দুয়ো তৰুণক সমৰ্থন কৰিলে। হেডমাষ্টৰ স্তম্ভিত হৈ গ'ল, আৰু বিচাৰ বন্ধ কৰি দিলে।

সাধাৰণ গোষ্ঠীপ্ৰীতিৰ মাজত ল'ৰাবোৰে যেন এটা অদ্ভুত বস্তু পালে। এক নম্বৰ ৰুমৰ সুশীল ইমানদিনে আছিল সকলোৰেপৰা আঁতৰত শিক্ষকসকলৰ ওচৰত। তাৰ মনটোৱে লুব্ধ হৈ আছিল ঠিক এনে এটা বস্তুৰ বাবে। তাৰ সমান বয়সীয়া, সমান সমান অনুভূতিৰ কিশোৰ জীৱনৰ আনন্দই তাক ইমান দিনে প্ৰলুব্ধ কৰিছিল। কিন্তু ইমান দিনে সি ফুৰিছিল অকলে, শুইছিল অকলে, পঢ়িছিল অকলে। আজি যেতিয়া সি অকলে পঢ়ে, তেতিয়াও তাৰ ধাৰণা হয় যেন তাৰ চাৰিওফালে বহি আছে তৰুণ, চক্ৰপাণি, গঙ্গানাথ, মহেশ্বৰ আৰু অলেখ ল'ৰাবোৰ। অথচ সুশীলৰ দেউতাক উকীল, কেইবাখনো বাগিচা আছে; চক্ৰপাণি বামুণ, তাৰ দেউতাকে বঙ্গদেশত যজমানী কৰে, মহেশ্বৰৰ বাপেকে লোকৰ আধী মাটিত হালবাই পেট প্ৰবৰ্তন কৰে।

ল'ৰাবোৰৰ এই সুখৰ জীৱনত এদিন এটা বিপৰ্যয় উপস্থিত হ'ল। গঙ্গানাথ, চক্ৰপাণি আদি আটাইবোৰ ল'ৰাকে মাতি আনি তৰুণে ক'ব ধৰিলে-

—"বাস্কালৈ যাবি চক্ৰ ? জান গঙ্গা গোটেইখন বাস্কা দুবি গৈছে, ভীষণ বানপানী। ব'ল, ইয়াৰপৰা খোৱা বস্তু লৈ বাস্কালৈ যাওঁ গৈ।"

সকলোৱে মত দিলে যাব। কষ্টৰ কথা বোধহয় কাৰো মনত নপৰিল। সুশীলে তৰুণক এফলীয়াকৈ মাতি আনিলে আৰু ক'লে--

—"হাফলু।"

—"কি বুলিলি ?"

—"উঁই হাফলু বুলিলে বৰ দীঘল হয়, সংক্ষেপ কৰিছোঁ।"

—"কিন্তু মোৰ নাম তৰুণ, তই নাজান ?"

—"বাৰু হাফলু, বানপানীত মানুহ কেনেকৈ মৰে ? আঁতৰি যাবওতো পাৰে সিহঁতে।"

—"তোৰ যে কথাবোৰ সুশীল। বানপানীত কেনেকৈ মৰে ? বানপানী তই দেখিছ ? এৰাতিৰ ভিতৰতে নদীৰ পাৰ বাগৰি পথাৰৰ আটাইবোৰ

খেতি উটাই নিব, পিচৰ বাতি চোতালত পানী উঠিব, আৰু তাৰ পিচৰ ৰাতি ঘৰৰ মুধচে পানী কাটিব। গৰু-ছাগলী মৰিব, সাপেবেঙে একেলগে মানুহৰ লগত শুব, ধানৰ ভঁৰাল উটি যাব। আৰু পানী যেতিয়া ভাটি মাৰিব তেতিয়া আহিব মাৰাত্মক বেমাৰ, জ্বৰ, কলেৰা আটাইবোৰ। গাঁওবোৰ শূন্য হৈ যাব।"

—"হাফলু!"—সুশীলৰ মুখখন ভয়ত আতঙ্কিত হৈ উঠে। —"সাপে-বেঙে একেলগে শুব মানুহৰ লগতে, আমি বাৰু ক'ত থাকিম গৈ?"

—"ওঁ, তাতে কি হ'ল? সাপে-বেঙে বাঘে-হৰিণাই একেলগে শুব, কিন্তু কোনেও কাকো নাখায়। কাৰণ, সিহঁত আটাইবোৰৰে একে বিপদ, সিহঁত আটাইবোৰকে খাব পানীয়ে। এফাল মুৰৰপৰা চেলেকি খাই নিব। দেখিবি ব'ল, পানীৰ কি অদ্ভুত ৰূপ। কিন্তু, তোৰ কি ভয়? তই ৰজাৰ ল'ৰা, তোক জানো বানপানীয়ে সমাদৰ নকৰিব?" সুশীলৰ দুয়োখন কান্ধত জোকাৰি দি সি হাঁহে। হঠাৎ সি গম্ভীৰ হয় আৰু কয়—"ইমান ভাবিছ কেলেই? আমি জানো তোক নাজানো? অলপমানতে তোৰ অসুখ হৈ যাব, তোক ৰাখিম কেনেবাকৈ ক'ৰবাত। আঠুৰা ল'বি বুজিছ?"

দুয়োফালে ঘন জঙ্গল। ওখ ইকৰাৰ দীঘল পাতত ওলমি থকা জোক আৰু ওপৰত অবিশ্ৰান্ত বৰষুণ। বৰষুণৰ সোঁতত পাহাৰৰ ৰঙা মাটিবোৰ উটি আহে আৰু ৰঙাপানীৰ ক্ষীণ সোঁতবোৰৰ ওপৰেদি ল'ৰাবিলাক আগুৱাই যায়। জীৱনৰ ৰিক্ততাই এই কিশোৰ জীৱনৰ ওপৰত গাঢ় ছায়াপাত পেলাই, গোটেইখন পৃথিবীকে ভয়াবহ কৰি তোলে। খাব নোপোৱা কুকুৰ আৰু গাহৰিবোৰে সেই ৰঙাপানীৰ সোঁতবোৰ চেলেকে আৰু হতাশভাৱে চাৰিওফালে চায়। গছৰ ডালত পৰি অসংখ্য চৰায়ে কোঢ়াল পাৰে। সিহঁতৰ দুৰ্গম পথৰ চাৰিওফালে কেৱল এটা উন্মাদ গুমগুমনিয়ে ৰঙা পাহাৰৰ গাত আঘাত কৰি চিটিকি বাগৰি ফুৰে। কিন্তু পাহাৰখন এৰি আহিয়েই সিহঁতে স্তম্ভিত হৈ যায়। সিহঁতৰ যোৱা বাটটোৰ বাওঁফালৰ নৈখন ফেনে ফোটোকাৰে উপচি পৰিছে। আৰু এই পাহাৰখনৰ ওচৰেদি এটা ভাঁজ লৈ প্ৰচণ্ডবেগে দূৰ দিগন্তত মিলি গৈছে। আৰু আধাহাত পানী উঠিলেই এইফালৰ পাৰ বাগৰিব। আৰু তেতিয়াহ'লে বোধহয় পৃথিবীৰ কোনো শক্তিয়ে আৰু ইফালৰ শ শ বিঘা মাটিৰ ধান ৰক্ষা কৰিব নোৱাৰে। বাঁওফালে কোনো পাৰৰ চিন নাই। কেৱল পানী আৰু ঢৌ আৰু ঢৌৰ ওপৰত জপিয়াই উঠা পানীৰ কণিকাবোৰৰ ফাটি পৰাৰ অশ্ৰান্ত কল্লোল। প্ৰকাণ্ড গছবোৰ শিপাৰেসৈতে উভাৰি পৰি দুৰ্বাৰ সোঁতত দ্ৰুতবেগে উটি গৈ পাহাৰত খুন্দাখাই ঘূৰি আকৌ সোঁতৰ গতিত উটি যায়। পাৰৰ মাটিবোৰ গড়া খহি নৈত পৰি শব্দ কৰি উঠে—থেপ্‌লাং। বোকাপানীবোৰে আকৌ দুগুণ জোৰে পাৰত খুন্দা মাৰে, আকৌ এটাৰ মাটি ভয়ানক শব্দ কৰি পানীত আচাৰ খাই পৰে। অলপ দূৰতে নৈৰ মাজত

সৰু টিলাটো আৰু পাহাৰখনৰ মাজতে পানীৰ ঢৌবোৰ ওখ হৈ উঠে আৰু ইখন পাহাৰৰ পৰা সিখনলৈ বিদ্যুৎবেগে অহা যোৱা কৰে। যেন অগণন জলকন্যাবোৰে আনন্দত উন্মাৱল হৈ সাঁতুৰিছে। পানীৰ ওপৰেদি সিহঁতৰ গাৰ ছাঁবোৰ উজ্জ্বল হৈ ফাটি ওলাইছে, আৰু পানীৰ তলেদি বাগৰি ফুৰিছে সিহঁতৰ দেহৰ বক্রভঙ্গিমা—সিহঁতৰ সুদীর্ঘ কেশ, উন্নত বুকু আৰু পদুম ফুলৰ দৰে নিম্নদেহৰ অপূৰ্ব লীলা। সিহঁতে পাৰত খুন্দা খাই যেন হাঁহিছে আৰু হাতচাপৰি মাৰিছে। চপাট-চপাট-চপাট। সিহঁতৰ খেলাৰ বিশ্রাম নাই, আনন্দৰ বিৰাম নাই। সিহঁতে ওপঙিছে আৰু হাত চাপৰি মাৰি হাঁহিছে। এই নাগৰূপা অনন্ত যৌৱনা জলকন্যাবোৰ।

গৈ গৈ সিহঁতে গাঁও এখন পায়। গাঁৱৰ কোনো শ্রী আৰু নাই। জল দেবতাৰ প্রকোপত আটাইবোৰ নিঃশেষ হৈ গৈছে। মানুহবোৰৰ চকুৱে-মুখে এটা আতঙ্কৰ চিন। আনকি কান্দিবলৈও যেন আৰু কাৰো শক্তি নাই। পানীৰ সোঁতত উটি আহি মৰা জন্তুৰ পচা শ দুই-এটা আহি ওচৰৰ ঘৰ আৰু গছত লাগি ধৰিছে। কৰ'বাত ক'ৰবাত ওখ ওখ চাংঘৰত দামৰিবিলাকে টেটুফালি চিঞৰিছে। হয়তো আৰু এক ঘণ্টাৰ ভিতৰতে সেই চাংখনতে পৰিব আৰু মৰিব। আৰু এই পচা শৰ গোন্ধৰ মাজত আৰু দামুৰিবিলাকৰ আৰ্তনাদৰ মাজত, এজনে একান্তমনে ঘৰৰ মুধত বহি ববষি বাইছে। অকস্মাৎ তৰুণৰ হাতখনত টানি ধৰি সুশীল থিয় হয়।

—"হাফলু!"

—"কি হ'ল?"

—"সেয়া মানুহজনে কেনে কৰিছে দেখিছ হাফলু?"

—"ক'তা? অ' সেয়া? সেই মানুহজন ঠিক এইমাত্র মৰিল।"

—"বৰ ভয় লাগে মোৰ হাফলু!"

—"ভয়? ধেৎ, ভয় কৰিব নাপায়। ভয় মানে দুৰ্বলতা, পাপ।"

# মুনীন বৰকটকী

নলিনীকান্ত বৰুৱাৰ দৰে মুনীন বৰকটকীও আন এজন লেখক যিজনে খুব কম লেখিও অসমীয়া সাহিত্যত স্বকীয় বৈশিষ্ট্যৰ চাপ বহুৱাব পাৰিছে। আৱাহনত তেওঁ লেখা কনফেশ্যনচ নামৰ ৰচনাখন অসমীয়া ভাষাত বুদ্ধিদীপ্ত personal essay অৰ্থাৎ ব্যক্তিগত নিবন্ধৰ সৰ্বপ্ৰথম আৰু সৰ্বোত্তম নিদৰ্শনবোৰৰ ভিতৰত অন্যতম। তেওঁৰ গল্পৰ সংখ্যা নিচেই নগণ্য। ত্ৰিশৰ দশকত আৱাহন আৰু জয়ন্তীত মাত্ৰ কেইটামান গল্প লেখিয়েই তেওঁ গল্প লেখিবলৈ এৰি দিলে। এতিয়া তেওঁ এজন বিদগ্ধ সাহিত্য-সমালোচক ৰূপত আত্মপ্ৰকাশ কৰিছে। ত্ৰিশৰ দশকতে তেওঁ লেখা তাই আৰু এই নামৰ গল্পত অসমীয়া কাহিনী-সাহিত্যত চেতনা-স্ৰোত আংগিকৰ সূচনা হৈছিল। তেওঁৰ সেইটো গল্প আৰু শাপ নে ভুল, নিয়মৰ বান্ধ আৰু প্ৰাণৰ টান, অপ্ৰকাশৰ বেদনা আদি কেইটামান গল্পই অসমীয়া সাহিত্যত এক বিশিষ্ট গল্প-প্ৰতিভাৰ পৰিচয় ঘোষণা কৰিছিল। এইবোৰ গল্পত ব্যক্তি আৰু সমাজ, পৰম্পৰা আৰু আধুনিক আশা-আকাংক্ষাৰ মাজৰ দ্বন্দ্ব আদি আধুনিক মানুহৰ কেতবোৰ সমস্যা উৎথাপিত হৈছিল।

এই সংকলনত ঠাই দিয়া তেওঁৰ অপ্ৰকাশৰ বেদনা গল্পটো ওপৰে-ওপৰে চালে এটা সাধাৰণ প্ৰেমৰ গল্প। কিন্তু লেখকৰ গভীৰ মানসিকতা আৰু জীৱনবোধে গল্পটোক এক গভীৰতৰ তাৎপৰ্যৰে মণ্ডিত কৰিছে। নায়কে যিজনী ছোৱালীক ভাল পাইছিল, তাইক বিয়া কৰাবলৈ নাপালে। যাক বিয়া কৰালে, তাইৰ প্ৰতি তেওঁ প্ৰেমৰ আবেগ অনুভৱ নকৰে, কিন্তু তাইৰ সেৱাময়ী কল্যাণময়ী ৰূপে তেওঁৰ হৃদয়ত জগাই তোলে অপাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা-বোধ। অধৰাৰ প্ৰতি প্ৰেম আৰু সুলভাৰ প্ৰতি শ্ৰদ্ধা বা কৃতজ্ঞতাবোধ—এই দুয়োটাৰ মাজত চলা দ্বন্দ্বই গল্পটোত জীৱনৰ এক বিশ্ব-জনীন ট্ৰেজেডীৰ ৰূপ লৈছে। বহু ভাবপ্ৰৱণ কল্পনাপ্ৰৱণ পুৰুষৰ জীৱনতে হৃদয়ৰ এই দ্বন্দ্বই দেখা দিয়ে; এহাতে তেওঁৰ মনত জাগে উৰ্বশীৰ প্ৰতি উদ্দাম কামনা--যি উৰ্বশী নহ মাতা নহ কন্যা, নহ বধূ, সুন্দৰী উৰ্বশী; আনহাতে কল্যাণীৰ প্ৰতি অনুভৱ কৰে এক বিপুল শ্ৰদ্ধা আৰু মমতা--যি কল্যাণী—

তোমাৰ শান্তি পান্থজনে ডাকে গৃহেৰ পানে,
তোমাৰ প্ৰীতি ছিন্ন জীৱন গেঁথে গেঁথে আনে।

(ৰবীন্দ্ৰনাথ)

এই আকাশচাৰী কল্পনা আৰু মৃত্তিকাশ্ৰয়ী মমতাৰ মাজত মিলন কাচিৎহে সম্ভৱ হয়। তেতিয়া ভাবপ্ৰৱণ পুৰুষৰ জীৱনত দেখা দিয়ে ট্ৰেজেডী।

গল্পটোত সূক্ষ্ম মনস্তত্বৰ প্ৰকাশো মন কৰিবলগীয়া। প্ৰেমিকাই নায়কক প্ৰত্যাখ্যান কৰিলে যদিও তাইৰ হৃদয়ৰ গোপন গভীৰ কোণত তেওঁৰ প্ৰতি সঞ্চিত আৰু অপ্ৰকাশিত হৈ ৰ'ল এক ৰহস্যময় প্ৰেমানুভূতি। বহু মানুহৰ জীৱনতেই এনে ঘটনা ঘটে। এই অপ্ৰকাশৰ বেদনাৰ ছাঁয়া-ম্লান বিষণ্ণতাই গল্পটোৰ কেন্দ্ৰস্থ ভাব।

# অপ্ৰকাশৰ বেদনা

## এক

কবি ঠিক হওঁনে নহওঁ ক'ব নোৱাৰো, তথাপি নিজক কেতিয়াবা কবি কবি যেন লাগি যায়, আনেও বোধকৰো তাকে ক'ব। বেছ ভাল লাগিছিল দুপৰীয়াটো সপ্তাহটোৰ অন্তত এটা দিনৰ ছুটীত। পথাৰমুৱা খিৰিকীখন মেলি দি তাৰ গাতে লগাই টেবুলখন পাতি বহি ললো। টেবুলখনত হাতখন থৈ তাতে মূৰটো গুজি চাই আছো বহুত দূৰলৈ,—সৌ দূৰণিত বতাহত নাচি থকা গছৰ পাতবোৰ। কবিতাময় যেনেই হৈ উঠিছিল চাৰিওফালৰ পাৰি-পাশ্বিক অৱস্থাটো।

—"কিহেঁ দাদা খবৰ কি? কবি হ'বলৈ শিকিছা নেকি? একেবাৰে দেখোন বৈৰাগ্য নিজৰ ফালে? প্ৰাণ নোহোৱা ধাননিৰ ফালে চাই থাকিলে হ'ব কি, তাততো আৰু তোমাৰ.."

—লিলি।

আৰু ক'বলৈ নিদিলোঁ লিলিক।

—"হয় হয় 'ডাওৰীয়ানী', হৈছে আৰু। ঠিক ধৰিছে আপুনি। অনুগ্ৰহ কৰি এতিয়ালৈ ইমানতে থক।"

নিজৰ ঘৰৰ ছোৱালীৰ দৰে তাই। ঠাট্টা কৰি কথা কৈ ভাল লাগে—তায়ো কৰে, ময়ো কৰোঁ।

তাই কিন্তু নেৰিলে।—"সেইটি নহৈছে আজি। ক'বই লাগিব কোননো সেই গৰাকী। এনেয়ে নেৰো আজি তোমাক। কাৰ কাৰণেনো ইমান"...

"কিনো যিহকে পোৱা তাকে বলকি থাকাহে লিলি? তোমালোকৰগৰা এক মিনিটো শান্তিত থাকিব নোৱাৰোঁ। হোৱাই নোহোৱাই বৰ দিগদাৰি"...

—"হয়, হয়। স্বীকাৰ কৰিছো 'ছাৰ', আমাৰগৰা আপোনাৰ সুখ শান্তি সকলো ছাৰখাৰ হৈ গ'ল। এয়া চাওক, কাণ ছুই শপত খাইছোঁ আৰু কেতিয়াও নকৰো। কৰো যদি 'যিবা' শান্তি বিহিব আপুনি"—বুলি দুষ্টামিৰ

হাঁহি হাঁহি তাই যি অমিত্রাক্ষৰ ছন্দৰ কবিতা সুৰ লগাই আৰম্ভ কৰিলে মোৰ আৰু গাম্ভীৰ্যৰ ভাও ধৰি থকা অসম্ভৱ হৈ উঠিল। বাধ্য হৈ হাঁহি দিলো।

—"অ' আই! গুৰুৱেনো ক'ৰবাত শিষ্যৰ ওচৰত হাঁহেনে? ইচ্"—বুলি তাই আকৌ জিভাখন উলিয়াই মোৰ অমাৰ্জনীয় পাপৰ গুৰুত্ব বুজাবলৈ ধৰিলে।

—"ভাল পাগলীজনী!"—বুলি মই মোৰ ব্যৰ্থ কবিতা প্ৰয়াস এৰি দি বাস্তৱৰ গদ্য ৰাজ্যত সোমালোঁহি।

তাই আকৌ আৰম্ভ কৰিলে।

—"কোৱাচোন দাদা। মোক কলেনো কি হ'ব বাৰু? কিনো হানি মই জানিলে?"

হঠাত মনটোত ক'ৰপৰা আহি দুষ্ট বুদ্ধিয়ে বাহ সাজিলে। ভাবিলোঁ অলপ খঙকে তোলা যাওক তাইৰ।

"সঁচাকৈ ক'ব লাগেনেকি? বাৰু ক'ম। কিন্তু মোক পিচত গালি নাপাৰিবা হলে। কোন জানা, তেওঁ? এই আমাৰে লি—"

—'ধেত্' বুলি তাই ৰঙা পৰি গ'ল। ইমান ধুনীয়া লিলিজনী, তাইক আজি আৰু বেছি ধুনীয়া যেন লাগিছে।

লাজত ৰাঙলী লিলিয়ে আৰু কথা নক'লে। প্ৰতিশোধৰ কৃতকাৰ্যতাত হাঁহি হাঁহি মই কলোঁ—"এতিয়া? পালানে মজা? আৰু সুধিবা?"

তাই চকুৰ পচাৰতে পলাল।

## দুই

লক্ষ্যহীন এই জীৱনটোৰ সেই এছোৱা।—

লিলি।—মোৰ জীৱনটোৰ বহুতখিনিৰ লগত তাই মিহলি হৈ আছে। আৰু নিৰ্বিবাদে বহুতখিনি তাই মোৰপৰা কাঢ়ি নিছে।

দহ বছৰীয়াতে দেখিছো তাইক। মাষ্টৰী জীৱনৰ চকাত ঘূৰি ঘূৰি ছবছৰৰ আগতে যিদিনা কোন দূৰণিত মোৰ ঘৰ এৰি থৈ আহি এই ঘৰটোত উঠিলোহি সেই দিনাৰপৰা তাইক মই কোনো অধিকাৰ নোহোৱাকৈয়ে ভনী পাতি লৈছোঁ, তায়ো মোক অকণো সন্দেহ নকৰাকৈ 'দাদা' কৰি লৈছে। 'তৰুণদা' মই—'পাগলী' তাই।

মোৰ ডাক্তৰ খুৰাৰ লগত চিনাকি কেতিয়াবাৰে। অকণমানতে মোক দেখিছে তেখেতে ডিব্ৰুগড়ত। দেউতাই চিনি পায় তেখেতক। উপজিয়েই মাক হেৰুৱা বাবে মোক বোলে বৰ মৰম কৰিছিলে খুৰীয়ে। তাহানি দেউতাই কয় কেতিয়াবা। ঘৰৰপৰা বদলি হৈ যেতিয়া গুৱাহাটী পালেহি বাধ্য কৰিলে

তেখেতে মোক তেখেতৰ বাৰীত থকা এই ঘৰটোত থাকিবলৈ। মোৰ আপত্তি নুশুনিলে। একৰকম জোৰ কৰিয়েই মোক এই ছবছৰ তেখেতে সুমাই থৈছে তেওঁবিলাকৰ লগত। বছৰৰ পিচত বছৰ বাগৰি গ'ল আৰু লগে লগে ললিত ডাক্তৰ হৈ পৰিল মোৰ 'ডাক্তৰ খুৰা', ডাক্তৰনী মোৰ 'খুৰী', লিলি মোৰ ভনী আৰু অকণমান পুতুল মোৰ 'ভাইটী'। আৰু তেওঁলোকেও মোক বিনা বিচাৰে 'মইনা' কৰি থৈ দিলে, লিলিয়ে পুতুলে পাতিলে দাদা।

ডিব্ৰুগড়ীয়া মই আৰু গুৱাহটীয়া তেওঁলোক। এইদৰেই একেটা পৰিয়ালত সোমাই পৰিলোঁ। দেউতা ঢুকাল আৰু লগে লগে ঘৰ বুলিবলৈ মোৰ একো নোহোৱা হ'ল। ডাক্তৰ খুৰাই মনে মনে কেতিয়া বা ঠিক দেউতাৰ চকীখনতে নিজক বহুৱাই পেলালে ক'বই নোৱাৰিলো। বহুতে আজিকালি মোক তেখেতৰ ল'ৰা বুলি ভবাৰ বাহিৰে আনকৈ ভাবিবলৈ টান পায়।

আৰু লিলি? অকণমানজনীৰপৰা তাইক দেখিছো। বেছ মনত পৰে লিলিয়ে সেই সিদিনা 'ফ্ৰক' পিন্ধি 'স্কিপিং' কৰি ফুৰা, আবেলি তাইক ফুৰিবলৈ লৈ যোৱা। সিদিনাৰ সাত-বছৰীয়া লিলি আজি ষোল বছৰীয়া। বাহিৰা পৃথিবীৰ বয়সৰ হিচাপ থকাৰ চকুত তাই আজি বহুত বেলেগ, পৃথিবীয়ে তাইক বছৰৰ পিচত বছৰত বেলেগ বেলেগ চকুৰে চাইছে। অকণমানি লিলি মোৰ কাৰণে অকণমানি হৈয়ে থাকিল, আনৰ কাৰণে তাইৰ জীৱনৰ ৰেলখনে কেবাটাও 'ষ্টেশ্যন' পাৰ হৈ আহিল, সৰু, মজলীয়া-গাভৰু আৰু কিবাকিবি। আমি সলনি নহলোঁ। তাই মোক আগৰ দৰেই ভাবি থাকিল, মই তাইৰ দাদা, তাইৰ ঠাট্টাৰ আহিলা, তাইৰ হাঁহিবৰ উপলক্ষ্য। মোৰ তাই 'পাগলী' আৰু কিবাকিবি। বয়স তাইৰ আগবাঢ়ি আহিল কিন্তু তাই থাকিল পিচ পৰি। সৰুৰ সেই নাচি থকা স্বভাৱ তাইৰ নগ'ল। 'মেট্ৰিকুলেশ্যন' দিলে তথাপি তাই অকণমান যদি গহীন হ'ল। সেই তেতিয়াৰ দৰে তাই আহি মোৰ কাষতে গান গাবলৈ, মোৰ কিতাপবোৰ ডালডাল কৰিবলৈ, মই অকণমান মনে মনে বহি থকা দেখিলে বাৰে-ভচহু কথা উলিয়াই খং তুলি ৰং চাবলৈ।

কিন্তু কিয় যে কিবোৰ হয়। জীৱনটোৰ গতিৰ লগত নিমিলা কিছুমান কথা কেনেকৈ যে আহি পৰে। নিজেই নিজক বুজি উঠিব নোৱাৰোঁ। ক'ব নোৱাৰো কিয় নিজকে কেতিয়াবা অবিশ্বাস কৰিবলৈ ধৰো। লিলি মোৰ কোন? সিদিনা হঠাতে কিয় মনত পৰিল লিলি এজনী তিৰোতা, লিলি কেৱল 'লিলি'য়ে নহয়—। ছিঃ লিলি মৰমৰ ভনীটি মোৰ।

আজি।

কিয় কৈ দিলো লিলিক সেইদৰে। তাই যদি বেয়া পায়। ভাবোঁ, বেয়া কয় পাব? তাই জানো নাজানে মই পুৰুষ, কিয় বিশ্বাস কৰে তাই মোক?

মূৰটো ঘূৰিবলৈ ধৰে। বৰ বেয়া হৈছে মূৰটো কিছুমান দিনৰপৰা। একোতে মন নবহে, মনটোৰ চাৰিওফালে কিহৰ যেন এসোপা আহুকাল। আঁতৰাই লৈ ভালকৈ চাবই নোৱাৰো নিজক।

লিলিৰ কাৰণে মোৰ চিন্তা কিয় ?

তথাপি ভাবো তাইৰে কথা। আজি যে তাই ৰঙা পৰি গ'ল তেতিয়া। ৰাঙলী লিলি। ইমান আঁতৰাই দিব খোজোঁ তথাপি যে কিয় তাইৰ সেই মুখখনে মোক আমনি কৰি থাকে।

ইস্ কালি এসোপা পৰীক্ষাৰ বহি আনি থৈছোঁ। চোৱাই হোৱা নাই।

বহীৰ টোপোলাটো খুলি লৈ বহি চাবলৈ ধৰো।

লিলিয়ে লাজ পালে কিয় ?—কথাটো কওঁতেই তাই পলাল কিয় ?—দোষ কাৰ ?

লিলি ভনীটি মোৰ।

## তিনি

কেইদিনমানৰপৰা গাটো ভাল নহয়; স্কুলৰপৰা ছুটী লৈ ঘৰতে আছোঁ। ভাল নালাগে একোকে।

দুপৰীয়া ভাত খাই উঠি বিচনাখনতে ইকাতি সিকাতি কৰি আছোঁ। একো কৰিবৰ মন যোৱা নাই।

"দাদা ?"—বুলি সোমাই আহিল লিলি। বহুত যেন পৰিবৰ্তন তাইৰ। হাঁহিৰ সেই স্বাধীনতা নাই, মুখখনত যেন কিহৰ ডাৱৰে ছাঁ পেলাইছে। অলপ করুণ।—ভবাই তুলিলে আজি লিলিয়ে।

—"লিলি, তোমাৰ গা বেয়ানেকি ?"

কৈ জানিবা জুইতহে ঘিউ ঢালিলোঁ।

—"হৈছে, হৈছে, নালাগে বাৰু মোৰ গাৰ খবৰ ল'ব। নিজৰফেৰাবে লৈ পাৰ কৰক। সঁচা দাদা, ক'বই লাগিব। কি হৈছে তোমাৰ, তুমি দিনে দিনে এনেকুৱা হৈ গৈছা কিয় ? ভালকৈ নোখোৱা, নামাতা, নাহাঁহা। কি হৈছে তোমাৰ কোৱাচোঁন ?"

এক মুহূৰ্ততে গোটেই অৱস্থাটো সলনি হ'ল।—ইস্, কিয় যে সুধি পেলালো সেই আপদীয়া কথাটো। কি বুলি যে কম তাইক।

কথাটো তল পেলাবৰ চেষ্টা কৰিলো।

—"ধেত্ পাগলী, মোৰ আকৌ কিটো হোৱা দেখিলা ? পৰীক্ষা হৈছে। কেইদিনমান বেছিকৈ খাটনি পৰিছে, অলপ হয়তো কিবা হেৰফেৰ হৈছে। হ'ব আকৌ কি ?"

—"ওঁ হব আকৌ কি? তোমাৰ কি হ'ব পাৰে তুমিয়ে জানা।"

—"বাৰু। তেন্তে মোৰনো আকৌ কিটো গা কেয়া দেখিলা?"

কিবা এটা কওঁ বুলি লওঁতেই তাই আহি মোৰ মূৰৰ ওচৰতে বহি ল'লে।—"সঁচা দাদা তুমি বৰকৈ শুকাই গৈছা। মোৰ ওচৰতনো তুমি কিয় কথা লুকুৱাব খোজা?—তেন্তে নোকোৱা নহয়?" বুলি তাই উঠি যাবলৈ ওলাল। মই থাপ মাৰি হাতখনত ধৰিলো। "ক'ম, ক'ম বহা লৰ মাৰিব নালাগে।"

কি যেন হৈ গ'ল। লিলিৰ হাতত ধৰিলো কিয়? কি ভাবিলে হয়তো তাই। ভুল বুজে যদি তাই?—পাহৰি গলো তাইৰ কথাৰ উত্তৰ দিবলৈ। কিয় যে অলপ কথাতে ইমান চঞ্চল হৈ উঠো আজিকালি। লিলিয়েও পাহৰি গ'ল তাইৰ প্ৰশ্ন।

লিলিৰ ফালে চালো। মুগাৰ মেখেলাখনৰ ওপৰত কপাহী বগা চাদৰ এখন ছটিয়াই লৈছে। ইফালে সিফালে তাইৰ চুলিবোৰ।

মুখখন যেন নতুনকৈ ৰঙা পৰি উঠিছে।

লিলিকো মই চাওঁ। কিয় ক'ব নোৱাৰোঁ। 'ভনী'ৰ মাজত লুকাই থকা লিলিক আজিকালি নতুনকৈ আবিষ্কাৰ কৰিছো মই। মোৰ এই নতুন আবিষ্কাৰটোকে মোৰ ভনী বুলি মই কিয় যে ল'ব নোৱাৰোঁ।

বহুতপৰ দুয়ো নিৰ্বাক হৈ থাকিলো।

লিলিয়েও চাইছে মোৰ ফালে—কিয়—তাই যদি বুজে মোৰ চঞ্চলতা, তাই যদি জানি পেলায় মোৰ বুকুৰ এই লুকাই থোৱা গুমগুমনি।—কিহৰ যেন এটা আশংকাই মোক ছাটি ধৰিলে। যদি বুজে লিলিয়ে, যদি ভুল নুবুজি ঠিক বুজি যায় তাই।—চকুৰ আগত পোহৰ হৈ উঠিল সাতবছৰীয়া লিলিজনী—

—"দাদা, অ' দাদা, আজি ফুৰিবলৈ নোযোৱা?"— লিলি ভনীটি মোৰ, ছিঃ।—পাহৰি গলো অতীত, পাহৰি গলো সঙ্কোচ।

কিয় বেয়া পাব তাই, তায়োতো মানুহ, তাইৰোতো মোৰ দৰে উন্মত্ত যৌৱন। ময়েই যদি ভুল বুজিছো তাইক।

অপ্ৰকাশৰ বেদনা। কতদিন ভাবিছোঁ কৈ দিওঁ লিলিক, মোক তাই জানক তাইৰ দাদা নহয় বুলি। জানক তাই পঁচিশ বছৰীয়া মোৰ এই যৌৱন নিলাজ, উশৃংখল, বুজক তাই—যৌৱনৰ অসংযম। তথাপি পৰা নাই। ভবা কথা ভবাতে দহি জহি গৈছে, কোৱা আৰু হোৱা নাই। কিন্তু কোৱাৰ জানো দৰকাৰ, তাই জানো নুবুজে নিজক? কিয় বিশ্বাস কৰে তাই, কিয় ইমান সৰল তাই?—কিয় তাই ৰঙা পৰি গ'ল হাতখনত ধৰোতে, কিয় তাই মাতিব নোৱাৰা হ'ল? সংযমৰ বান্ধ মোৰ ঢিলা হৈ যায়। লিলিৰ হাতখন ধৰি মোৰ আজি কিয় যে এনেকুৱা লাগি গ'ল। আকৌ তাইলৈ চাবলৈ ধৰিলোঁ। আজি কিন্তু তাই গুচি নগ'ল।

—"দাদা কি ভাবিছা? ক'তো, নোকোৱা তেন্তে? দিনে দিনে তুমি কি যে হৈছা।"—লিলিয়ে হাতখন মোৰ কপালত থৈ ক'বলৈ ধৰিলে।

—"লিলি!"—আৰু নোৱাৰিলো দাদা হৈ থাকিব লিলিৰ। হাতখনত ধৰি টানিলোঁ তাইক। —"দাদা!—ছিঃ!"

ভৰিৰ তলুৱাৰপৰা পৃথিবীখন যেন একেটা আঘাততে আঁতৰি গ'ল।—ছিঃ। ভুল তেন্তে সকলো। ভুল বুজিছো লিলিক। লিলি গুচি গ'ল। জীৱন-টোৰ চাৰিওফালে থিয় হ'ল অপমানৰ এখন পাৰ হ'ব নোৱাৰা বেৰা। অপমান কৰিলে লিলিয়ে মোক?—ঘিণ লাগিল মোৰ নিজক, মোৰ অৱমানিত পৌৰুষক।

মানুহে মানুহক ইমান বেছি ভুল বুজিব পাৰে বুলি ভবা নাছিলোঁ। মোৰ লিলি, ইমান মৰমৰ মোৰ লিলি, তায়ো মোক অপমান কৰিব পাৰিলে। আৰু ভবিষ্যত?

গোটেই গাটো শিৰে শিৰে কঁপি উঠিল। কি ভাবিলে লিলিয়ে আজি মোক। মই পশু, পশুৰ দেহতৃষ্ণা মোৰ মাজত। তাইৰ ইমান মৰমৰ দাদা, ইমান শ্ৰদ্ধাৰ বন্ধু মই। নিজকে নিজে আজি দেৱতাৰ বেদীৰপৰা চোচোৰাই নি নৰকৰ পলসৰে পোত খোৱা খালটোত পেলাই দিলোঁ। লিলিৰ দাদা হোৱাৰ অধিকাৰ নিজে ধ্বংস কৰি দিলোঁ—"দাদা"—লিলিৰ সিদিনাৰ সেই আচৰিত ৰকমৰ মাতটো।

কিন্তু লিলি জানো মানুহ—লিলি জানো তিৰোতা? ইমান আচৰিত ছোৱালী তাই, ভাবিব নোৱাৰোঁ। ভাবিছিলোঁ কিতাপত থাকে তেনেকুৱা তিৰোতা, ভাবত থাকে। কিন্তু জীৱনৰ বাস্তৱতাত, পুৰুষৰ চকুত তেনেকুৱা নাৰী থাকিব পাৰে বুলি ভাবিব নোৱাৰিছিলোঁ। ভাবিছিলোঁ আত্মসমৰ্পণ নাৰীৰ এৰাব নোৱাৰা দুৰ্বলতা—আৰু লিলি?

ভুল বুজিলোঁ তেন্তে লিলিক। জানিলে তাই, তাইৰ তৰুণদা দাদা নহয় সাপ। —ক্ষমা?—

কিহৰ কাৰণে ক্ষমা খুজিম তাইৰ ওচৰত? দেৱতাতো মই নহওঁ—কি হ'ব মিছা-মিছি নিজক প্ৰৱঞ্চনা কৰি? পশুৱেইতো মই, জানক তাই সেয়ে বুলি। কিয় ক্ষমা খুজিম? মোৰ যৌৱনক তাই অপমান কৰিছে, মোৰ ইমান আগ্ৰহৰ দানটোক তাই পাপৰ কালিমাৰে ক'লা কৰি দিছে। ক্ষমা কৰিবলৈ, কি দোষ কৰিছো মই? নালাগে তাইৰ ক্ষমা মোক, তাইহে নালাগে জানক আটায়ে পশু মই। যৌৱন জন্তুৰ দৰে বৰ্বৰ নিলাজ।

লিলিয়ে তেন্তে মোক ভাবিছিল তাইৰ দাদা বুলি।—হাঁহো কিয় ক'ব নোৱাৰোঁ। মনলৈ আহে তাইৰ সেইদিনা লাজত ৰঙা পৰি উঠা মুখখন। মই তেন্তে পশু? বুকুৰ ভিতৰত জ্বলি উঠে মোৰ অপমানৰ আঘাতত এক্কুৱা

ভুই, পুৰুষত্বৰ অৱমাননাত জাগি উঠে প্ৰতিহিংসাৰ নগ্ন মূৰ্তি। ক্ষমা, ক্ষমা খুজিম লিলিৰপৰা? কিহৰ কাৰণে?

ভৰি পথানত থকা কাপোৰখন মূৰলৈকে টানি লওঁ। কাপোৰৰ তলৰ অসম্পূৰ্ণ আন্ধাৰখিনিৰেই ঢাকি পেলাবৰ মন যায় মোৰ এই অপমানিত পুৰুষত্বক।—"দাদা"—লিলি, ভনীটি মোৰ।—

## চাবি

কামৰ চকাই ঘূৰাই আনি আজি গোৱালেহি এইখিনি। ডিব্ৰুগড়ৰ,-পৰা গুৱাহাটী, গুৱাহাটীৰপৰা তেজপুৰ। আজিও সেই তেতিয়াৰ দৰেই দহ বজাত ভাত এমুঠি কাণে-মুখে গুজি স্কুললৈ লৰ ধৰো আৰু গধূলি উলটি আহোঁ। আজিও সেইদৰে চকডোখৰ লৈ লঘুকৰণ কৰোঁ বোৰ্ডখনত।

মাষ্টৰ মই মাষ্টৰেই থাকিলোঁ। কিন্তু জীৱনটোৰ চাৰিওফালে ঘটি গ'ল এটা যুগান্তৰ। জীৱনৰ গতিয়ে তাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত তাল ৰাখি কত যে কি আদৰি ল'লে। গুৱাহাটীৰ তৰুণ শুচি লাহে লাহে হৈ পৰিলো তেজপুৰীয়া নতুন মানুহ এটা।

চহৰৰ এচুকৰ ঘৰটো মোৰ। গধূলি আগচোতালত আধা ফটা আৰামী-খন পাৰি বহি ভাবি থাকো। মাষ্টৰী জীৱনৰ পুনৰুক্তিৰ বিৰক্তিৰপৰা আঁতৰি ভাবৰ নাৱত নিজক তুলি পাৰি দিওঁ, কোনোবা অতীতত খুন্দা লাগি আঁতৰি আহে মোৰ নাও।

মনত পৰিছে সেই দিনটো। স্কুলতে পালো এখন চিঠি। ৰঙা লেফে-ফাটো দেখিয়েই জানিছিলো বিয়াৰ কাৰোবাৰ। চাবৰ দৰকাৰ নাই বুলি তেতিয়াই জেপ এটাত সুমুৱাই থৈ দিছিলোঁ। বিয়াৰ চিঠি পঢ়াতকৈ মোগল সাম্ৰাজ্যৰ অধঃপতনৰ কাৰণ বিচাৰি লৰাহঁতক দিয়াটো সেইদিনা মোৰ কাৰণে হৈ পৰিছিল দৰকাৰী আৰু বেছি আনন্দৰ বস্তু। আবেলি চাহৰ বাটিটো হাতত লৈ আনমনা হৈ লেফাফাটো খুলিছিলোঁ, আচৰিত হৈছিলো চিঠিৰ তলত লিলিৰ নামটো দেখি।—"দাদা, তুমি নাহিলে আমাৰ সকলো অসম্পূৰ্ণ হৈ যাব। তাহানিৰ সৰু ভনীজনীক পাহৰি যোৱা নাই আশা কৰো। ক্ষমা কৰিবা। আহিবা দাদা।"

লিলিৰ বিয়া। নতুন বিলাত-ফেৰত দেৱী বৰুৱাৰ লগত তাইৰ বিয়া পাতিছে। মোলৈ নিমন্ত্ৰণ। মন্ত্ৰমুগ্ধৰ দৰে বহি চাহ খাবলৈ পাহৰি গৈছিলো সেইদিনা।—লিলিৰ বিয়া। মই লিলিৰ 'দাদা' আৰু দেৱী। ইমান দিনৰ মূৰতো সেইদিনাও লিলিক মই মোৰ নিজৰ কোনোবা বুলি নাভাবি নোৱাৰি-ছিলো। দেৱীয়ে লিলিক লৈ যোৱাৰ কথাটোত কিয় জানো সেইদিনাও মনে

মনে প্ৰতিবাদ কৰিছিলো—সি মোক বঞ্চিত কৰিছে মোৰ দাবীৰপৰা, কাঢ়ি নিছে মোৰ বুকুৰ মাজৰপৰা নিজৰ বস্তু এটা।

মনত পৰে আৰু এটা দিন। বিয়াৰ পিচত তাই এদিন মোৰ ওচৰলৈ আহিছিল। তাই সেইদিনা কান্দি পেলাইছিল, আজিও দেখিছো গালেদি টপ্‌টপকৈ বাগৰি পৰা তাইৰ চকুৰ পানীৰ টোপালবোৰ।—"দাদা, তুমি যে মোৰ বৰ মৰমৰ আছিলা—ক্ষমা জানো কৰিবা মোক?"—আচৰিত হৈছিলোঁ তাইক দেখি সেইদিনা। কি আচৰিত এইজনী। নিজৰ হাতেৰে, নিজ ইচ্ছাৰে যি মাৰি পেলাইছে মোক তায়ে আকৌ কান্দিছে। সেইদিনাৰ লিলিক মই বুজিব নোৱাৰি অঁকৰা হৈ আছিলোঁ। বৈ বৈ ভাহি উঠিছিল মনত তাইৰ ভণ্ডামি। তাইৰ চকুপানীক ভাবিছিলোঁ চাওদাঙৰ দা-খন হাতত লৈ কন্দা চকুৰ পানীৰ লগৰ বুলি। কিন্তু তথাপি নোৱাৰিলোঁ তাইক ভণ্ড বুলি ভাবিব,—কি দৰকাৰ তাইৰ ভণ্ডামি কৰিবৰ মোৰ লগত? কি কৰিম মই তাইক, তাই মোক মোৰ সেই অসভ্যালিৰ কথা ভাবি ঘিণ কৰিলে? ভণ্ডামি কৰি তাই কান্দিব কিয়, তাইৰ চকুপানী পাবৰ দাবী মোৰ আছিল কোনখিনিত?—আচৰিত তিৰোতা বুলি ভাবিছিলো তাইক সেইদিনা। আজিও নুবুজিলে তাই কিয় কান্দিছিল। বুকু মোৰ ভাগি গৈছিল। এফালে চকুপানীৰ কোমলতা আৰু ইফালে মোৰ নিজৰ অদৃষ্টৰ নিৰ্যাতনৰ মাজত মই বোবা হৈ আছিলোঁ লিলিৰ বিৰুদ্ধে মোৰ অতবোৰ প্ৰতিশোধৰ হেঁপাহ, ইমান খং, ইমান ঘিণ-লগা সকলো উটি গৈছিল তাইৰ সেইদিনাৰ চকুলো কিটোপালত—

কব নোৱাৰো কি যে লাগিছে মোৰ। চকু দুটা কিয় জানো চলচলীয়া হৈ উঠে। অপ্ৰস্তুত হৈ গলোঁ অকণিৰ মাতত—"ঐ আই, এই ৰাতি এডোখৰ-লৈকে কিহে পাইছে নিয়ৰত বহি থাকিবলৈ। আকৌ জ্বৰ মাতি আনেহে। বন্ধক ভিতৰলৈ।—"

প্ৰায় একৰকম জোৰ কৰিয়েই অকণিয়ে মোক টানি নিলে ভিতৰলৈ। তাই হয়তো ধৰিব পাৰিছে মই কান্দিছো। হয়তো ভাবিছে আজলী অকণিয়ে, মতা মানুহেনো ক'ৰবাত কান্দেনে?

## পাঁচ

—"দেউতা, তোমাক কতদিনৰপৰা কৈছোঁ মোৰ ফিজ দিব লাগে? স্কুলত মাষ্টৰে গালি পাৰে মোক। নিদিয়ানেকি?"—কন্দনামুৱা হৈ মোৰ ছবছৰীয়া পুতুলে আহি অভিযোগ কৰে। মই কেৱল শুনি যাওঁ। মই যে নিবনুৱা।

—"দেউতা মোৰ ৰঙা চোলা? তুমি পুতুলক হ'লে জোতা আনি দিয়া। মোক নিদিয়া," বুলি মোৰ অকণি ছোৱালী মাইকণে আহি ফেকুৰিবলৈ ধৰে।

—"দিম মাই দিম। কাইলৈ তোমালৈ ৰঙা চোলা আনি দিম, পুতুলক 'ফিজ' দিম। তোমাক এখন ছবি থকা কিতাপ আনি দিম।"—পুতুলটোকৈ এটা বস্তু জিকাৰ আনন্দত উৎফুল্ল হৈ তাই নাচি নাচি ক'ৰবালৈ লৰ মাৰে।

দুটা ল'ৰা-ছোৱালী। সিহঁতকো এটা বস্তু দিব নোৱাৰোঁ। সিহঁতৰ লগতো মিছাৰ পোহাৰ মেলি বহিব লাগে। আৰু অকণি?—মই বিচাৰিছিলো লিলিক।

জীৱনটোৰ ভাবৰ তলি লাহে লাহে উদং হৈ আহিব লাগিছে। আজিকালি কবিতা আৰু মগজুত নেখেলায়; প্ৰকৃতিৰ সৌন্দৰ্যত চাবৰ একো বস্তু বিচাৰি নাপাওঁ। সকলোতে আমনি লাগি আহে। সকলোৰে প্ৰতি নিজক নিৰ্লিপ্ত কৰিছোঁ। কেৱল ভাবো নিজৰ জীৱনটোৰ কথা। নিজতে নিজে ওপঙি থাকোঁ। বিৰাট পৃথিৱীৰ আকৰ্ষণ মোৰ ওচৰত এতিয়া অৰ্থ নোহোৱা ভাব-বিলাসিতা, কবিতা আজিকালি মোৰ কাৰণে কল্পনাৰ অলীকতাৰ বাজে একো নহয়।

অকণিক দেখিলে কেতিয়াবা মনত পৰি যায় লিলিক।—লিলি। লিলিৰ লগত প্ৰেমৰ সেই অভিনয়।—আপোনা আপুনি হাঁহি উঠে। মন যায় অকণিক কৈ দিওঁ, তাই শুনক। শুনক অকণিয়ে. মই কি আছিলোঁ। শুনক তাইৰ আজিৰ এই বেমাৰত মৰিবলৈ ধৰা গিৰীয়েকটো এদিন কি আছিল আৰু আজি কিহৰ দোষত অকণিৰ দীঘল ওৰণি আৰু চকুত নলগা মুখখনকে লৈ সি নিজক পাহৰি থাকিবলৈ বাধ্য হৈছে। মন যায় কৈ দিম অকণিক নিলাজৰ দৰে, তুমি মোৰ কোনো নোহোৱা অকণি, তুমি মোৰ আপোন নোহোৱা। তোমাক মই বিচৰা নাছিলো অকণি, তুমি নিজে আহিছা জোৰ কৰি। তুমিতো মোৰ কাম্য নাছিলা, মোৰ কাম্য আছিল আন। তুমি মোৰ সাধনাৰ বস্তু নহয়, তুমি কেৱল মোৰ অৱস্থা বিপৰ্যয়ৰ পৰিণতি।

ভাবোঁতে ভাবোঁতে অকণি মোৰ ওচৰৰপৰা নাইকিয়া হয়, আহি পৰে লিলি।—

ছিঃ। অনুশোচনাত ভৰি উঠে মনটো। ইমান অকৃতজ্ঞ মই হ'ব পাৰিমনে? মানুহ হৈয়ো মৰমৰ অকণিক ইমান আঘাত দিমনে? আজি অকণি নোহোৱা হ'লে মোৰ কিযে অৱস্থা হ'লহেঁতেন ভাবিলেও ভয় লাগে। এই অৱস্থা, টকাৰ অভাৱ, ভাতৰ চিন্তা, ধৰুৱাৰ তেজ শোহা কঠুৱা মাত, দোকানীৰ বাচ-বিচাৰ নোহোৱা হুটা কথা, ডাক্তৰৰ অৱজ্ঞা। কোনে নো জীয়াই ৰাখিছে ইমান অপমানৰ মাজতো? লিলিৰ এদিনৰ এটা কথাৰ অপমানে ইমান অপমানিত কৰিছিল মোক। আৰু আজি অপমানৰ ওপৰত অপমান পায়ো নাভাবো। অকণিৰ এই অপূৰ্ব আত্মবিলোপৰ আঁৰত নিজক ঢাকি পেলাওঁ। অকণিয়ে মোক অপমানকো অপমান বুলি ল'বলৈ নিদিয়াকৈ ৰাখি থয়।

অকণি আৰু লিলি। পৃথিৱী আৰু স্বৰ্গ।—তথাপি। নাই সঁচা, অকণিৰ মাজত লিলিৰ ছন্দ নাই, লিলিৰ প্ৰাচুৰ্য নাই, লিলিৰ সুষমা নাই। অকণিয়ে মোক তাইৰফালে চাবলৈ ক'ব নোৱাৰে, মোক সুখ দি আকাশ কুসুম ফুলাব পৰা সপোন তাই নেদেখে। তাই জানে তাইৰ জীৱন ভৰা নৈবেদ্যয়ো মোৰ ভিতৰত থকা শিলৰ এই দেৱতাটোক তৃপ্ত কৰিব নোৱাৰে।

লিলিয়ে মোক পূজা কৰা নাছিল, মই কিন্তু তাইক কৰিছিলো। পোৱাৰ আনন্দত উতলা হৈ লিলিক চাব নলগাতো চাইছিলো। আৰু অকণি?—— বেচেৰী তাই কৰি মৰে শিলৰ পূজা।

নাই, লিলি অকণিৰ মাজত নাই। কিন্তু অকণিৰ যিখিনি আছে-?— পাৰিলেহেঁতেন নে লিলিয়ে তাইৰ দৰে তিলতিলকৈ নিজক মাৰি মোক জীয়াব? পাৰিলেহেঁতেন নে এইদৰে নিজক লোপ কৰি দিব লোকৰ কাৰণে? অকণি যে মানুহ মোৰ সন্দেহ হয়, মানুহে নোৱাৰে ইমান কৰিব! অকণি মানুহ নহয়, অকণি দেৱী।

লিলিক এদিন জানি শুনিও আৱিষ্কাৰ কৰিছিলো শুদা অন্ত নোহোৱা সৌন্দৰ্যৰ মাজত। আৰু আজি! লিলিৰ মাজত পাওঁ স্বাৰ্থপৰতা আৰু অহংকাৰ। কেতিয়াবা হঠাতে আৱিষ্কাৰ কৰি পেলাওঁ মই দুখীয়া স্কুলৰ মাষ্টৰটো। লিলিক যেতিয়া চিনিব খুজিছিলো তেতিয়া নিজক পাহৰি গৈছিলো। যৌবনৰ বাঢ়ি অহা বানপানীত নিজক উটাই দি লিলিক বিচাৰিছিলো——লিলিয়ে তাৰে প্ৰতিদান দিলে।——আজি ভাবো আৰু হাঁহো। নিজৰ ওপৰত মোৰ পুতৌ হয়। কি যে পাইছিলো লিলিৰ মাজত ইমান বলিয়া হ'বলৈ। ——নিজৰ পেটৰ ল'ৰা-ছোৱালী দুটাক এখন কাপোৰ দিবৰ সংস্থান যাৰ নাই, লাজ ঢাকিবৰ কাৰণে নিজৰ তিৰোতাক এখন কাপোৰ দিবলৈ হ'লে যাৰ মূৰ ঘূৰিবলৈ ধৰে, সেই মানুহেই এদিন বিচাৰিছিলো লিলিক। প্ৰতিজ্ঞা কৰিছিলো লিখা-পঢ়া নজনা-ছোৱালী মই মৰিলেও বিয়া নকৰাওঁ।

লাজ লাগে আজি পৃথিৱীত মুখ দেখুৱাবলৈ। মই যে মানুহ হৈয়ো মানুহৰ দৰে থাকিব পৰা নাই, ভাল হওঁ বুলিও হ'ব নোৱাৰো। আৰু এই গাৰ বেমাৰটো! নিশ্চিত মৃত্যুৰ দেশলৈ টানি নিয়া এই যক্ষ্মা।——বলিয়া হৈ যাওঁ। একো একোবাৰ মন যায় আত্মহত্যা কৰো। পৌৰুষৰ মোৰ ইমান অপমান। সহিব পাৰিম কিমান?——অকণি? পুতুল, মাইকণ? সিহঁতক নমৰাকৈ মৰিবৰ মোৰ অধিকাৰ ক'ত? কি কৰিম মই?——মই জানো মাতি আনিছিলো মৃত্যুৰ অগ্ৰদূত এই অদ্ভুত বেমাৰটোক?

অকণি। মোৰ তেজ মিহলি খেকাৰেৰে ভৰি থকা চৰিয়াটো তাই অকণো সংকোচ নকৰাকৈ অকণো নভবাকৈ লৈ যায়। মোক বিছি থাকে। মোৰ মূৰত পানী দিয়ে। একেৰহে চাই থাকো। তাইৰ পবিত্ৰ

সেই মুখখনৰ ফালে। পাহৰি যাওঁ মোৰ যক্ষ্মা, পাহৰি যাওঁ নিজক। অকণিৰ সৌ ধুনীয়া চকুযোৰ, সৌ সৰলতা সানি থোৱা শেঁতা মুখখন। অতদিনে তাইক চোৱা নাছিলো, চাইছিলো যদিও তাইৰ মাজত লিলিক নেদেখি মুখ ঘূৰাই লৈছিলো। পিচে আজি তাইক চাই ভাবিছো। তাই সুন্দৰ নহ'লেও সুন্দৰ। অকণিৰ মাজেদি বিৰিঙি উঠিছে নাৰী জীৱনৰ ত্যাগৰ মহিমাত মহিমান্বিত মূৰ্তিটো। নাৰীতো নিজৰ কাৰণে জগতলৈ নাহে, আহে লোকৰ কাৰণে, আহে লোকৰ ওচৰত নিজক বলিৰ ছাগলী কৰি আগবঢ়াই দিবলৈ বুলি। ইমান সুন্দৰ তাইৰ গাত বিয়পি পৰা নাৰীত্বৰ এই ৰূপটো। কেৱল দিয়ে আৰু দিয়ে, পাবলৈ একো তাইৰ নাইনে? তাই যে নিৰ্বিচাৰেই এই দানৰ প্ৰতিদান।—ধেৎ? প্ৰতিদান নোহোৱা দাননো ক'ৰবাত থাকেনে? নিশ্চয় নাথাকে। তাইৰ দেহটোৰ প্ৰতিটো অংগই, তাইৰ মুখে, তাইৰ চকুৱে বিচাৰি ফুৰিছে দানৰ প্ৰতিদান। কি অবৰ্ণনীয় সন্তোষ তাইৰ সেই দানৰ প্ৰতিদানত পোৱা অকণমান সৌ পোনাটো কোলাত লৈ।

আৰু মই কি দিলোঁ তাইক? অকণিয়ে প্ৰতিদান জানো পালে? হয়তো পাইছে মোৰ যক্ষ্মা ৰোগকে, বেচেৰী। মোৰ কাৰণে তাই আজি সৰ্বহাৰা। তাই যে কি নকৰিছে মোৰ কাৰণে, আৰু কিবা তাই কৰিব? তাইৰ জীৱন-টোৰ অতবোৰ আশা, অতবোৰ ৰাঙলী কল্পনাক তাই ছিঙি টুকুৰা টুকুৰ কৰি পেলাইছে মোৰ কাৰণে। নিজক বলি দিছে মোৰ এই আধামৰা আৰু নিশ্চিত মৃত্যুক আগুৰি থকা দেহটোৰ ওচৰত। নিজক মাৰি মোক তাই জীয়াবলৈ বিচাৰিছে। জানিছে তাই, তাইৰ সকলো দিও তাই মোক ঘূৰাই নাপায়, বুজিছে তাই আৰু ঘূৰি নহাৰ এই অনন্ত যাত্ৰা মোৰ, তথাপিতো, তাই মোক এৰি নিদিয়ে। এটা মৰাশৰ কাৰণে তাইৰ কি যে ঐকান্তিক আগ্ৰহ, কি যে আচৰিত নিষ্ঠা। মানৱী নে দেৱী এই অকণিজনী!

সঁচাকৈয়ে সন্দেহ কৰোঁ। অকণিক ভক্তি কৰো, পূজা কৰোঁ তাইক দেৱী বুলি ভাবোঁ। এনে অকণি, তাইকো মই এদিনৰ কাৰণেও ভাল পোৱা নাই, এদিনো হৃদয়ৰ ভালপোৱা তাইক দিয়া নাই। তাইৰ সৰ্বহাৰা ৰিক্ততাৰ আগতো মই নিজক লৈ অহঙ্কাৰ কৰোঁ। তথাপি সন্দেহ কৰো, বুজিব নোৱাৰোঁ, কিবা সুধিবলৈ গৈ তাইক কিবা সুধি পেলাওঁ।—"সচানে অকণি? তোমাৰ এই ভালপোৱা সঁচানে অকণি? সঁচানে তুমি মোক ভালপোৱা, অকণি?—কিয়?"—বলিয়াৰ দৰে নিষ্ঠুৰ কিছুমান প্ৰশ্ন কৰিবলৈ ধৰো। অকণিয়ে নুবুজিলে মোৰ প্ৰাণৰ ভাষা, নুবুজিলে তাই মোৰ বলিয়ালি। নুবু-জিলে তাই যে তাইৰ জীৱন দিয়া এই স্বাৰ্থত্যাগকো মই সন্দেহৰ চকুৰে চাব পাৰো। কি মাতিব তাই? দেখিলো তাইৰ চকুদুটা চলচলীয়া, মুখখন কান্দনামুৱা।

—"সঁচা অকণি, ইয়াতকৈ সঁচা আৰু কি আছে? কান্দিছা কিয় অকণি —সন্দেহ মই কৰা নাই তোমাক—ছিঃ নাকান্দিবা। অকণি। তোমাক মই সন্দেহ কৰিম?—বাৰু অকণি তুমি মানুহ হৈ উপজিছিলা কিয়? তোমাৰ গাত আছে কি? তোমাৰনো জীৱনটোত একো পাবলৈ নাইনে, বিচাৰিবলৈ নাইনে? তুমি জানো নাজানা তোমাৰ ভবিষ্যত? তুমি জানা নে নাজানা, মৰণৰ মুঠিৰপৰা তুমি মোক ঘূৰাই আনিব নোৱাৰা? কিয় মোক ভালপোৱা অকণি, কিয় শুচি নোযোৱা তুমি এই মৰাশটোক এৰি থৈ?—কিয় কষ্ট পোৱা অকণি তুমি মোৰ এই অভিশপ্ত জীৱনটোৰ কাৰণে?"

অকণি। তাই শুনে আৰু কান্দে। আজলী বেচেৰী মোৰ।—

মূৰটোত গোলমাল লাগি গ'ল—কেৱল কৈ থাকিবৰ মন গ'ল। অকণিক কৈ দিবৰ ইচ্ছা গ'ল, বহুত কথা। আৰু ক'ম—কেৱল কোৱাৰ কাৰণেই এই আকুলতা মোৰ। অকণিৰ মূৰটো বুকুখনত শুৱাই লৈ অকল কথা ক'বলৈ ধৰিলোঁ। আজি মোৰ কবৰ দিন। যোৱাৰ আগতে কথাৰেই অকণিৰ প্ৰতি কৰা জীৱনভৰা অন্যায়ৰ এচিকটা প্ৰায়শ্চিত্ত কৰি যাবৰ দিন।

বিদ্ৰোহী হৈ উঠিলো। ক্ষয় ৰোগে খুলি খুলি নাইকিয়া কৰা এই বুকুখনৰ ভিতৰত মৰিশালিৰ জুই জ্বলি উঠি, সৃষ্টিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবৰ ইচ্ছা হয়। বলিয়াৰ দৰে সমাজক আক্ৰমণ কৰোঁ।—সমাজ, মিছাৰে ভৰা এই সমাজ। মানুহৰ সুখৰ, মানুহৰ শান্তিৰ, মানুহৰ কামনা-বাসনাৰ চিৰন্তন শত্ৰু এই সমাজখন। ইচ্ছা যায় লৰ মাৰি গৈ এই বৰ্বৰ সমাজখনৰ টেটুত চেপা দি গৰকি ধৰো, চিৰদিনৰ কাৰণে মানুহৰ এই চিৰন্তন শত্ৰুটোক ধ্বংস কৰি দিওঁ। পাহৰি যাওঁ ক'ত আছো, কি কৰিছোঁ। আত্মবিস্মৃত মই অকণিক সোধোঁ, "সমাজ মানানে তুমি অকণি, ভয় কৰানে এই বৰ্বৰ তেজ খকুৱা সমাজখনলৈ? মানানে এই সমাজখনক যি তোমাক টানি আনি মোৰ ওচৰত বলি দিছে, তোমাৰ মোৰ পৰা মুক্তিৰ বাট ৰুদ্ধ কৰি থৈছে।"

অকণিয়ে নামাতে। অকণিয়ে নাজানে সমাজ কিয় মানুহৰ শত্ৰু, নাজানে কিহত সমাজৰ সাৰ্থকতা। বিদ্ৰোহৰ তুঁহ জুই তাইৰ অন্তৰত জ্বলা নাই, তাই জানে মাথো অনন্ত শান্তি আৰু অপাৰ সন্তোষ। তাই জানে সমাজৰ তাইয়ো এটি জীৱ, তাৰ মাজত তাইৰ জীৱনৰ ভূত-ভবিষ্যত, তাতে তাইৰ সাৰ্থকতা বা অসাৰ্থকতা।

অকণিয়ে নামাতে, তথাপি বলকি থাকোঁ। বাধাৰ বান্ধোন আজি ছিগি গৈছে মোৰ। ভাবোঁ অকণি বিদ্ৰোহীনী নহয় কিয়, বিদ্ৰোহ নকৰে কিয় অকণিয়ে এই মানুহৰ হিয়াৰ দাম নুবুজা সমাজখনৰ বিৰুদ্ধে।

—"নিদিবা অকণি, স্বাৰ্থপৰ এই সমাজখনৰ স্বাৰ্থৰ কাৰণে তোমাৰ এই দীঘল ভবিষ্যতটো বলি নিদিবা। সমাজ নামানিবা তুমি, একো কৰিব

নোৱাৰে তোমাক এই ঠুনুকা সমাজখনে। শুচি হোৱা তুমি, জীৱনটোক সাৰ্থক কৰি তুলিবা, যাকে ভাল পোৱা তাকে তোমাৰ কৰি ল'বা। বাঁৰী হৈ কান্দি নমৰিবলৈ তোমাক মই অনুৰোধ কৰিলোঁ, অকণি। মোক চিনি নোৱা তুমি। আজীৱন তোমাৰ লগত মই জুৱা খেলিছোঁ। চিৰকাল তোমাক ঠগিছোঁ, এদিনো তোমাক তোমাৰ প্ৰাপ্য দিয়া নাই। মোৰ কাৰণেই তোমাৰ এই পৰিণতি। অকণি জানি শুনি ইচ্ছা কৰি মৰিবলৈ তোমাক মাতি আনিছোঁ, নিজ হাতেৰে তোমাক মাৰিছোঁ। কিন্তু মৰিবৰ আগতেহে তোমাক চিনি পাইছোঁ অকণি, কিন্তু এই চিনাকি যে আৰু নৰয়। তথাপি মোক তুমি মানুহ কৰিলা অকণি—পিশাচ মোকো তুমি তোমাৰ নাৰীত্বৰ মহিমাৰে মানুহ কৰি থৈ গ'লা।

ভাওনাৰ ভাও মুখস্থ কোৱাদি কিবোৰ যে কৈছো ক'ব নোৱাৰো। ওচৰত কোনোবা থকা হ'লে হয়তো ক'লেহেঁতেন—বলিয়া। অকণিয়েও হয়তো ভাবিলে তাকে। আজলী অকণিয়ে উচুপি উচুপি ক'লে—"এইবোৰ কিনো বলকি আছে আপুনি। শুই থাওক মনে মনে। মই কি কৰোঁ ভাবিব নালাগে বাৰু। পৰমেশ্বৰ আছে, তেওঁৱেই এনেকুৱা কৰিছে, তেওঁৱেই উপায় দিব, বাট দেখুৱাব।—"

—"মিছা, মিছা অকণি, শিলৰ ঈশ্বৰে তোমাক উপায় নিদিয়ে, বাট নেদেখুৱায়। ঈশ্বৰ নাই অকণি, বলিয়াৰ বলিয়ালি সেইবোৰ। এচপৰা শিলৰ ওপৰত ভৰসা কৰি নিজেই নিজক মাৰিবা, তাৰ বাহিৰে আৰু একো নহয়।"

—"ইস্। ইস্। নাপায় তেনেকৈ ক'ব ছিঃ। দয়াময়, নাৰায়ণ"—অকণিয়ে দুই হাত যোৰ কৰি ওপৰৰ ফালে হাত তুলি সেৱা কৰিলে। ভাবিলে বোধকৰো, তাইৰ ক্ষমা ভিক্ষাত গলি তাইৰ ঈশ্বৰে মোৰ দোষ ক্ষমা কৰিব। মই কেৱল চাই থাকিলোঁ একেৰাহে অকণিৰ ঈশ্বৰ ভক্তি। মূৰ্খামি?—মূৰ্খামি জানো, বলিয়ালি জানো তাইৰ এই আচৰিত ঈশ্বৰ ভক্তিটো? লিখা-পঢ়া নজনা সৰল অকণি। হাঁহি উঠে তাইৰ ঈশ্বৰটোৰ কথা ভাবিলে। সেই ঈশ্বৰেই মাৰিব বেচেৰীক এদিন।—হঠাতে মনত পৰি গ'ল লিলিলৈ। অকণিক যদি কওঁ সতী বুলি?—লিলিক?—

## ছয়

ঠিক ডাৱৰ চপৰাৰ দৰেই জীৱনটো অকণ অকণকৈ বিশাল শূন্যতাত মিলি যাবলৈ ধৰিছে। হোলোকা হোলোক তেজৰ লগত জীৱনী শক্তিটো টুকুৰ-টুকুৰ হৈ ছিটিকি পৰিছে। চিকিৎসা। সঁচা কথা কবলৈ গ'লে চিকিৎসা মই কৰোৱা নাই। কি হ'ব জীয়াই থাকি, কিহেৰেইবা জীয়াই থাকিম?

কি যে ভীষণ অৱস্থা! এইটো মৰিম মৰিম বুলি জীয়াই থকা নিশ্চিত মৃত্যুৰ কাৰণে হাত সাবটি বাট চাই বহি থকা।

অকণি আছে, সকলো আছে আগৰ দৰে। মই হয়তো দুখোজমান বেছি আগবাঢ়িছো মোৰ যাত্ৰাপথত। কিনো বৰ ডাঙৰ কথা সেইটো। ঈশ্বৰৰ আগবাঢ়ি অহা অত্যাচাৰটোৰ বিভীষিকাই অকণিৰ ঈশ্বৰ নিষ্ঠাক কঁপাই তুলিছে, অকণিয়ে হয়তো লাহে লাহে সন্দেহ কৰিবলৈ আৰম্ভ কৰিছে তাইৰ সেই সকলো দয়াৰ আধাৰ ঈশ্বৰজনক।

"তৰুণদা,—তৰুণদা,—তৰুণদা আছেনে ঘৰত?—কোন আছে ঘৰত? অলপ বাহিৰলৈ—"

পুতুলক পঠিয়াই দিলো। শুনিলো তাক শুধিছে কোনোবাই তৰুণদা আছেনে ইয়াত? তুমি তেখেতৰ কিবা হোৱানেকি?—নতুন মাত যেন লাগিল, তথাপি যেন আগেয়ে শুনিছো ক'ৰবাত। "তুমি তেওঁৰ কিবা হোৱানেকি—কোমল মাতষাৰ মতা মানুহৰ নিশ্চয় নহয়। কোননো—লিলি নহয়তো। —অকণমান ল'ৰা সি। লৰ মাৰি আহি ক'লেহি, "দেউতা এজনী তিৰোতা মানুহ আৰু কোনোবা এজনে তোমাক মাতিছে।"

—এজনী তিৰোতা মানুহে—মোক মাতিছে। বৰ কষ্টেৰে লাহে লাহে মাত দিলোঁ—"কোননো, ভিতৰলৈকে সোমাই আহক।" মতা মানুহ অহা শুনি তিৰোতাজনী কোন চাবলৈকো হেপাহ নকৰি অকণিয়ে ওৰণিখন টানি একে চাবতে ভিতৰ সোমালগৈ।—"কি যে হ'লা দাদা তুমি! বিচনাত পৰি পৰি এনেদৰে ভুগিবা তথাপি খবৰ নিদিয়া।"

—মূৰটো তুলি চালোঁ—ভৰি পথানত লিলি। সকলো ঘৰিবলৈ ধৰিলে মোৰ চাৰিওফালে। লিলি—লিলিয়েইতো—এইজনী লিলি নহয় কোন? নিজকে বিশ্বাস কৰিব পৰা নাছিলো।

হঠাতে টোপনি ভগা মানুহটোৰ দৰে সাৰ পাই বাস্তবলৈ উভতি আহিলো। হয় লিলি। —"ইস্ ইস্ কিয় বহিছা ভৰি পথানত। ছিঃ নাপায়, উঠা।" —নোৱাৰা সত্ত্বেও নিজৰ হাতেৰে তাইক ঠেলি দিলো ভৰি পথানৰপৰা। —"সৌ চকীখনত বহা লিলি।—ডাক্তৰজনক এক মিনিটৰ কাৰণে পাহৰি গৈছিলো, পাহৰিছিলো মোৰ দেহত শিপাই অহা যক্ষ্মা বেমাৰটোক। নোহোৱা হ'লে লিলিক নুছুলোহেঁতেন, যক্ষ্মাত পঙ্গু এই দেহটোৰে তাইৰ গাত বেমাৰৰ বীজ সিচি নিদিলোহেঁতেন—ভুল কৰিলো। যক, যি হ'বৰ হ'ল।

লিলিৰ চকুত পানী। লিলি আহিছে, সপোন নহয় সঁচাকৈয়ে আহিছে। যক্ষ্মাত মৰিবলৈ বাট চাই থকা তৰুণ দাদাকক তাই আজি চাবলৈ আহিছে শেষবাৰৰ কাৰণে। ই আকৌ কি নতুনৰ সূচনা, যাবৰ বেলিকা ই আকৌ কিহৰ আকৰ্ষণ, কিহৰ মায়া। কিয় আহিছে লিলি যাবৰ বেলিকা মোক বাধা দিবলৈ?

মৰণৰ দুৱাৰদলিটোৰ ওপৰত এখন ভৰি দিয়ো লিলিক দেখিলে মোৰ জীয়াই থাকিবৰ হেঁপাহ হয়। মই নমৰো, লিলিক মই পাম। তাইৰ আগত মোৰ নুমাব খোজা জীৱনৰ শলিতাডাল নুমাওঁ নুমাওঁকৈও নুমাব নোৱাৰে— বৈ বৈ জ্বলি উঠে।

আবেগত অধীৰ হৈ পৰিলো। লিলি—লিলি। চিঞৰি দিলো— "অকণি, অকণি বেগেতে আহাঁ, চোৱাঁহিচোন এইজনী কোন। অকণি—"

অকণি নাহিল, পৰপুৰুষৰ পৰতিৰোতাৰ আগত ওলোৱা নিয়ম হয়তো তাইৰ নাই।

আকৌ মাতিলো। কিন্তু চক্ খাই গ'লো। বুকুখন ঢপঢপ্‌কৈ কঁপি উঠিল, কিয় মাতিছো তাইক—তাই যদি জানি পেলায় এইজনীয়েই সেইজনী যাৰ কাৰণে তাইৰ জীৱন ভৰা পূজাক মই ভৰিৰে লথিয়াই দিছোঁ, তাইৰ জীৱনটোক ব্যৰ্থ কৰি দিছো— বুজে যদি তাই এইজনীৰ কাৰণে তাইক এদিনো হিয়াৰ ভালপোৱা দিব নোৱাৰিলো মই। কি বুলি ভাবিব তাই মোক?

কল্পনাই উটুৱাই লৈ গৈছিল মোক, সাৰ পালো—আকৌ উভতি আহিলো লিলিৰ ওচৰলৈ। —ইস্ কি যে অভদ্ৰ মই, অথনিৰেপৰা আহি বহি আছে এষাৰ মাতো দিয়া নাই। কি বুলি ভাবিছে চাগে মোক।

একৰকম অসংলগ্ন ভাবেৰেই ক'লো "বেয়া নাপাব—অতপৰ বহি আছে কথা এটাও সুধিব পৰা নাই।—আপুনি—আপুনি বোধ হয় চিনি নাপায় মোক নহয়নে?—নাপাব কিয়; মইহে কিবাখন কৈছো—লিলিয়ে নিশ্চয় আগতে মোৰ কথা কৈছে আপোনাক—সেই অকণমানৰেপৰা দেখিছো তাইক, ইমানটিৰেপৰা —ভনী তাই মোৰ, বৰ মৰমৰ সৰু ভনী তাই মোৰ—।"

তেওঁ হয়তো আচৰিত হৈছিল মোৰ কথা কোৱাৰ ধৰণ দেখি। ইমান খৰকৈ—ইমান লাগবান্ধ নোহোৱাকৈ কথাবোৰ কৈছিলো মই। হওক, বুজিছেতো মই লিলিব কোন।—

তেওঁ উত্তৰ দিবলৈ নাপালে, আধা-ভঙা মাতেৰে লিলিয়ে ক'বলৈ ধৰিলে— —"ইমান নিঠুৰ তুমি দাদা! এনে বেমাৰত ভুগিছা, ইমান কষ্ট পাইছা, তথাপিতো এবাৰ মোক খবৰ দিবলৈ তোমাৰ মনত নপৰিল। তোমাৰ মই মৰমৰ, বৰ মৰমৰ ভনী, সেই কাৰণেইতো এবাৰো মনত নপৰিল তোমাৰ— আৰু ক'ব নোৱাৰিলে তাই। কান্দিবলৈ ধৰিলে।

—"বহুত কথা লিলি। পাৰিলোহেঁতেন খবৰ দিব তোমাক, কিন্তু— দিয়া আৰু হৈ নুঠিল।"—মন গৈছিল কৈ দিম তাইক খবৰ দিবলৈ মোৰ একো নাই। খবৰ দিয়াৰ দৰকাৰো নাই, লাভো নাই। মিছাতে তাইক এক মুহূৰ্তৰ কাৰণেও দুখ দিবৰ ইচ্ছা মোৰ নহ'ল। এদিন পাপ কৰিছিলো, কিন্তু ক্ষমা বিচাৰিবলৈ পাহৰি গৈছিলো। সিমান ডাঙৰ দোষত দোষী মই কিবুলি খবৰ দিম তাইক? কিন্তু নক'লো।

লিলিৰ পিঙ্কিয়েক দেৱীয়ে নিৰ্বাক হৈ চাই ৰ'ল আমি দুটাৰ ফালে। তেওঁতো নাজানে মই লিলিৰ কোন, লিলি মোৰ কোন। তেওঁতো নাজানে তেওঁৰ লিলিৰ সৈতে বাহিৰা এজন দাদাৰ কি সম্বন্ধ।

বেমাৰৰ কথা শুধিলে দেৱীয়ে, চিকিৎসা কি কৰাইছো । কি ক'ম ? লাজ লাগিল। যিহক ক'লো,—"কৰাইছো, যি পাৰিছোঁ।"

"কৰাইছা! কিটো চিকিৎসা কৰাইছা তুমি দাদা ?"—মোৰ কথাষাৰ অন্ত হব'লৈকে নাপালে, লিলিয়ে মোৰ মুখৰ কথা কাঢ়ি লৈ কৈ দিলে। "কি যে অদ্ভুত মানুহ তুমি!"—লিলিয়ে শেষ কৰিলে।

অদ্ভুত মানুহ, মই অদ্ভুত ? ভাবিলো কিহত পালে তাই অদ্ভুত মোক ? অদ্ভুত হৈছো কিয় ? লিলিয়ে নেজানে ? কোনে জানে ? হয়তো নাজানেই তাই।—মই যে তাইৰ মৰমৰ দাদা!—কিয় নাজানিব ? জানিবই লাগিব তাই, জানিবলৈ তাই বাধ্য।

বহুত কিবা কিবি কবৰ মন গৈছিল। কোৱা আৰু নহ'ল। অৱস্থাৰ বিপৰ্যয় আৰু জীৱনৰ সোতে আনি আজি য'ত পেলাইছেহি তাত আছে কেৱল ভাব, ভাষা নাই, আছে অনুভূতি, প্ৰকাশ নাই, আছে বেদনা, সহানুভূতি নাই।

লিলিয়ে হয়তো পাহৰি গ'ল দেৱী আছে বুলি। অকণো ভয় নকৰিলে তাই—কৈ পেলালে—"কিয় মোক ভুল বুজিলা দাদা ? ক্ষমা তুমি মোক নকৰিলা। সেই পাপে, তোমাক দিয়া আঘাতে যে মোকো চুলে, মোৰো জীৱন যে আজি ধ্বংসৰ বাটে দাদা! লিলিয়ে উচুপিবলৈ ধৰিলে।

নুবুজিলো লিলিৰ কথা। কিনো ভুল বুজিলো তাইক মই ? তায়ে মোক নুবুজিলে নে মই তাইক নুবুজিলো।

কথা নাই, বতৰা নাই, কান্দি থকা লিলি একেছাবে থিয় হ'ল—"নবৌ, ক'তা, নবৌ ক'তা দাদা ?"—তাই একেবাৰে ভিতৰ পালেগৈ।—পাগলী লিলি, মনত পৰিল অতীতৰ সেই লিলিলৈ। —অকণি আহিছে, লিলিয়ে একৰকম তাইক টানি লৈ আহিছে। —"আমাৰ ওচৰত তোমাৰ আকৌ লাজ!" বেচেৰী অকণি—নিৰ্বাক তাই—লাজতে তাই মুহু-কহু যোৱা যেন হৈছে।

মুখৰ মাত আটাইৰে হৰিল। নিস্তব্ধ এই নৰিয়া কোঠালীটোত চাৰিটি প্ৰাণীয়ে নীৰৱে থাকিও কিহবাৰ এটা কোলাহল আনি দিলে। কথাৰ নহয়, কথা নোকোৱাৰ, কথা নথকাৰ।—ভাবৰ, দৃষ্টিৰ, বেদনাৰ, উশাহ-নিশাহৰ ....অপ্ৰকাশৰ বেদনা মোৰ।

লিলিৰ গিৰিয়েক দেৱীয়ে নিৰ্বাক হৈ চাই থ'ল আমি দুটাৰ ফালে। তেওঁতো নাজানে মই লিলিৰ কোন, লিলি মোৰ কোন। তেওঁতো নাজানে তেওঁৰ লিলিৰ সৈতে বাহিৰা এজন দাদাৰ কি সম্বন্ধ।

বেমাৰৰ কথা শুধিলে দেৱীয়ে, চিকিৎসা কি কৰাইছো । কি ক'ম? লাজ লাগিল। যিহক ক'লো,—"কৰাইছো, যি পাৰিছোঁ।"

"কৰাইছা! কিটো চিকিৎসা কৰাইছা তুমি দাদা?"—মোৰ কথাষাৰ অন্ত হব'লৈকে নাপালে, লিলিয়ে মোৰ মুখৰ কথা কাঢ়ি লৈ কৈ দিলে। "কি যে অদ্ভুত মানুহ তুমি!"—লিলিয়ে শেষ কৰিলে।

অদ্ভুত মানুহ, মই অদ্ভুত? ভাবিলো কিহত পালে তাই অদ্ভুত মোক? অদ্ভুত হৈছো কিয়? লিলিয়ে নেজানে? কোনে জানে? হয়তো নাজানেই তাই।—মই যে তাইৰ মৰমৰ দাদা!—কিয় নাজানিব? জানিবই লাগিব তাই, জানিবলৈ তাই বাধ্য।

বহুত কিবা কিবি কবৰ মন গৈছিল। কোৱা আৰু নহ'ল। অৱস্থাৰ বিপৰ্যয় আৰু জীৱনৰ সোতে আনি আজি য'ত পেলাইছেহি তাত আছে কেৱল ভাব, ভাষা নাই, আছে অনুভূতি, প্ৰকাশ নাই, আছে বেদনা, সহানুভূতি নাই।

লিলিয়ে হয়তো পাহৰি গ'ল দেৱী আছে বুলি। অকণো ভয় নকৰিলে তাই—কৈ পেলালে—"কিয় মোক ভুল বুজিলা দাদা? ক্ষমা তুমি মোক নকৰিলা। সেই পাপে, তোমাক দিয়া আঘাতে যে মোকো চুলে, মোৰো জীৱন যে আজি ধ্বংসৰ বাটে দাদা! লিলিয়ে উচুপিবলৈ ধৰিলে।

নুবুজিলো লিলিৰ কথা। কিনো ভুল বুজিলো তাইক মই? তায়ে মোক নুবুজিলে নে মই তাইক নুবুজিলো।

কথা নাই, বতৰা নাই, কান্দি থকা লিলি একেছাবে থিয় হ'ল—"নবৌ, ক'তা, নবৌ ক'তা দাদা?"—তাই একেবাৰে ভিতৰ পালেগৈ।—পাগলী লিলি, মনত পৰিল অতীতৰ সেই লিলিলৈ। —অকণি আহিছে, লিলিয়ে একৰকম তাইক টানি লৈ আহিছে। —"আমাৰ ওচৰত তোমাৰ আকৌ লাজ!" বেচেৰী অকণি—নিৰ্বাক তাই—লাজতে তাই মুছ-কছ যোৱা যেন হৈছে।

মুখৰ মাত আটাইৰে হৰিল। নিস্তব্ধ এই নৰিয়া কোঠালীটোত চাৰিটি প্ৰাণীয়ে নীৰৱে থাকিও কিহবাৰ এটা কোলাহল আনি দিলে। কথাৰ নহয়, কথা নোকোৱাৰ, কথা নথকাৰ।—ভাবৰ, দৃষ্টিৰ, বেদনাৰ, উশাহ-নিশাহৰ ....অপ্ৰকাশৰ বেদনা মোৰ।

লিলিৰ গিৰিয়েক দেবীয়ে নিৰ্বাক হৈ চাই ৰ'ল আমি দুটাৰ ফালে। তেওঁতো নাজানে মই লিলিৰ কোন, লিলি মোৰ কোন। তেওঁতো নাজানে তেওঁৰ লিলিৰ সৈতে বাহিৰা এজন দাদাৰ কি সম্বন্ধ।

বেমাৰৰ কথা শুধিলে দেবীয়ে, চিকিৎসা কি কৰাইছো । কি ক'ম? লাজ লাগিল। যিহক ক'লো,—"কৰাইছো, যি পাৰিছোঁ।"

"কৰাইছা! কিটো চিকিৎসা কৰাইছা তুমি দাদা?"—মোৰ কথাষাৰ অন্ত হব'লৈকে নাপালে, লিলিয়ে মোৰ মুখৰ কথা কাঢ়ি লৈ কৈ দিলে। "কি যে অদ্ভুত মানুহ তুমি!"—লিলিয়ে শেষ কৰিলে।

অদ্ভুত মানুহ, মই অদ্ভুত? ভাবিলো কিহত পালে তাই অদ্ভুত মোক? অদ্ভুত হৈছো কিয়? লিলিয়ে নেজানে? কোনে জানে? হয়তো নাজানেই তাই।—মই যে তাইৰ মৰমৰ দাদা!—কিয় নাজানিব? জানিবই লাগিব তাই, জানিবলৈ তাই বাধ্য।

বহুত কিবা কিবি কবৰ মন গৈছিল। কোৱা আৰু নহ'ল। অৱস্থাৰ বিপৰ্যয় আৰু জীৱনৰ সোতে আনি আজি য'ত পেলাইছেহি তাত আছে কেৱল ভাব, ভাষা নাই, আছে অনুভূতি, প্ৰকাশ নাই, আছে বেদনা, সহানুভূতি নাই।

লিলিয়ে হয়তো পাহৰি গ'ল দেবী আছে বুলি। অকণো ভয় নকৰিলে তাই—কৈ পেলালে—"কিয় মোক ভুল বুজিলা দাদা? ক্ষমা তুমি মোক নকৰিলা। সেই পাপে, তোমাক দিয়া আঘাতে যে মোকো চুলে, মোৰো জীৱন যে আজি ধ্বংসৰ বাটে দাদা! লিলিয়ে উচুপিবলৈ ধৰিলে।

নুবুজিলো লিলিৰ কথা। কিনো ভুল বুজিলো তাইক মই? তায়ে মোক নুবুজিলে নে মই তাইক নুবুজিলো।

কথা নাই, বতৰা নাই, কান্দি থকা লিলি একেছাবে থিয় হ'ল—"নবৌ, ক'তা, নবৌ ক'তা দাদা?"—তাই একেবাৰে ভিতৰ পালেগৈ।—পাগলী লিলি, মনত পৰিল অতীতৰ সেই লিলিলৈ। —অকণি আহিছে, লিলিয়ে একৰকম তাইক টানি লৈ আহিছে। —"আমাৰ ওচৰত তোমাৰ আকৌ লাজ!" বেচেৰী অকণি—নিৰ্বাক তাই—লাজতে তাই মুহ-কহ যোৱা যেন হৈছে।

মুখৰ মাত আটাইৰে হৰিল। নিস্তব্ধ এই নৰিয়া কোঠালীটোত চাৰিটি প্ৰাণীয়ে নীৰৱে থাকিও কিহবাৰ এটা কোলাহল আনি দিলে। কথাৰ নহয়, কথা নোকোৱাৰ, কথা নথকাৰ।—ভাবৰ, দৃষ্টিৰ, বেদনাৰ, উশাহ-নিশাহৰ ....অপ্ৰকাশৰ বেদনা মোৰ।